

বিহুৱান
পঞ্চবিংশ সংখ্যা, ২০১৪ বৰ্ষ
সম্পাদক
তোলন দত্ত



প্ৰয়াত ৰমেন বৰুৱা

জন্ম ঃ ১১ অক্টোবৰ, ১৯৬৯

মৃত্যু ঃ ২২ অক্টোবৰ, ২০১১



বিহুৱানৰ প্ৰকাশিকা

শ্ৰীযুক্তা পল্লৱিতা বৰুৱা

প্ৰয়াত ৰমেন বৰুৱাৰ ভগ্নী

DHAKUAKHARA COLLEGE
NO. ........
DATE. ........
LIBRARY

# বিহুৱান

ফাটবিহুৰ বছৰেকীয়া মুখপত্ৰ

পঞ্চবিংশ সংখ্যা, ২০১৪ বৰ্ষ

২৫, ২৬ আৰু ২৭ ব'হাগ

১৯৩৬ শক

(৯, ১০ আৰু ১১ মে', ২০১৪)

ফাটবিহুতলী

ম'হঘূলি চাপৰি, ঢকুৱাখনা

সম্পাদক

তোলন দত্ত

*BIHUWAN : A literary and socio-cultural souvenir of Faat Bihu Festival, Dhakuakhana, Phublished by Mrs. Pallabita Baruah on behalf of the Faat Bihu celebration Committee and edited by Tulan Dutta.*

পঞ্চবিংশ প্ৰকাশ : ব'হাগ, ১৯৩৬ শক
মে', ২০১৪ চন

'বিহুৱান' সম্পাদনা সমিতি

সদস্য-সদস্যা : ভূধৰ দাস
তিলোত্তমা গগৈ
প্ৰফুল্ল চুতীয়া
স্বৰ্ণলতা গগৈ চমুৱা
জিতু দত্ত
ৰমেন দাস

সম্পাদক : তোলন দত্ত

প্ৰকাশক : পল্লবিতা বৰুৱা

প্ৰকাশ : ১০ মে', ২০১৪

বৰ্ণবিন্যাস আৰু অংগসজ্জা : পি কে কমাৰ্চিয়েল প্ৰেছ, ঢকুৱাখনা
আৰ্টিক' ডিজাইন, গুৱাহাটী

প্ৰচ্ছদ : দিলীপ কলিতা

আলোকচিত্ৰ : তোলন দত্ত

অবিহণা : ৫০ (পঞ্চাশ) টকা

মুদ্ৰক : ভৱানী গ্ৰাফিকছ
ৰাজগড় ৰোড, গুৱাহাটী

DHAKUAKHANA COLLEGE LIBRARY
NO. ..........
DATE. ..........



ফাটবিহুৰ আন্তৰিক প্ৰীতি আৰু শুভেচ্ছাৰে ........

প্ৰতি, পুথিভঁৰাল, ঢকুৱাখনা মহাবিদ্যালয়

লৈ আগবঢ়ালো।

তোলন দত্ত
সম্পাদক
বিহুৱান - ২০১৪
ঢকুৱাখনা

১২/৫/২০১৪

# অসম সাহিত্য সভা

কেন্দ্ৰীয় কাৰ্যালয় ঃ চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট- ৭৮৫০০১
গুৱাহাটী কাৰ্যালয় ঃ ভাগৱতীপ্ৰসাদ বৰুৱা ভৱন, গুৱাহাটী- ৭৮১০০১
ডিফু কাৰ্য্যালয় ঃ ৰাংছিনা ভৱন, ডিফু- ৭৮২৪৬০
ধুবুৰী আঞ্চলিক কাৰ্যালয়, ধুবুৰী- ৭৮৩৩০১
ডিব্ৰুগড় আঞ্চলিক কাৰ্যালয়, ৰামেশ্বৰলাল চহৰীয়া সহেতি ভৱন, ডিব্ৰুগড়- ৭৮৬০০৩
শিলচৰ আঞ্চলিক কাৰ্যালয়, অসম সাহিত্য সভা ভৱন, শিলচৰ-৭৮৮৩০১
লখিমপুৰ আঞ্চলিক কাৰ্যালয়, উত্তৰ লখিমপুৰ-৭৮৭০০১
নগাঁও আঞ্চলিক কাৰ্যালয়, কমলাদেৱী টোডী স্মৃতি ভৱন, নগাঁও-৭৮২০০১

ইম্‌ৰান শ্বাহ
সভাপতি



## শুভেচ্ছাৰে ...

অসমীয়া সংস্কৃতিৰ বিশাল আৰু বিচিত্ৰ ক্ষেত্ৰখনত ঢকুৱাখনাৰ ফাটবিহুৰ এক বিশিষ্ট মৰ্য্যাদাপূৰ্ণ স্থান আছে। অসমৰ বিহুমূলীয় সংস্কৃতিক নিভাঁজ ৰূপত সংৰক্ষণ কৰাৰ লগতে সমন্বয়ৰ কাৰ্য্যসূচী এইঅনুষ্ঠানে ৰূপায়ণ কৰি আহিছে।

স্বাভাৱিকতে ঢকুৱাখনাৰ ফাটবিহু আমাৰ জাতীয় জীৱনৰ এক আশা আৰু সম্ভাৱনাৰ অনুষ্ঠান। সংস্কৃতি যিহেতু এটা ক্ৰম-বিকাশমান সন্দৰ্ভ আৰু সমন্বয়ৰ সমাজতত্ব বিষয়। গতিকে এইদুয়ো দিশত উদ্যোক্তা সকলে সু-চিন্তা আৰু সু-বিবেচনাৰ মাজেৰে কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰি যত্ন বুলি আশা কৰিলো।

ফাটবিহুলৈ শুভেচ্ছা আৰু সমূহ ৰাইজলৈ নমস্কাৰ আৰু বিহুৰ ওলগ জনালোঁ।

ইম্‌ৰান শ্বাহ
সভাপতি, অসম সাহিত্য সভা

ব্যক্তিগত ঠিকনা ঃ ধাইআলি, শিৱসাগৰ, ভ্ৰাম্যভাষ- ৯৪০১১৮৮২০৪, Website : www.asomsahityasabha.org



## প্ৰকাশিকাৰ একলম

ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত ফাটবিহুৰ মুখপত্ৰ 'বিহুৱান'ৰ প্ৰকাশৰ নিচিনা গধুৰ দায়িত্ব পালন কৰি প্ৰকাশিকাৰ একলম লিখিবলৈ লৈ থমকি ৰ'ব লগা হৈছো। ক'ৰ পৰা আৰম্ভ কৰিম ভাবি....।

১৯৬৯ চনৰ অক্টোবৰ মাহৰ ১১ তাৰিখে ঢকুৱাখনাৰ দুলীয়া গাঁৱৰ নিবাসী অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীযুত চন্দ্ৰ বৰুৱা ঔৰসত আৰু শ্ৰীমতী ফুলেশ্বৰী বৰুৱাৰ গৰ্ভত জন্মগ্ৰহণ কৰে মোৰ এক মাত্ৰ দাদা স্বৰ্গীয় ৰমেন বৰুৱা। চাৰিগৰাকী ছোৱালীৰ মাজত এজনেই মাত্ৰ ল'ৰা আছিল। দুগৰাকী বায়েক আৰু দুগৰাকী ভনীয়েক। মই সকলোতকৈ সৰু। যদিও মই সৰু ভনীয়েক কিন্তু সদায় নিজৰ জীয়েকৰ দৰেই দায়িত্ব পালন কৰি আহিছিল মোৰ পিতৃ তুল্য দাদা স্বৰ্গীয় ৰমেন বৰুৱাই। সৎ, অমায়িক, সুন্দৰ চেহেৰাৰ অধিকাৰী স্বৰ্গীয় ৰমেন বৰুৱা ১৯৯৪ চনত পৰিবহন বিভাগৰ এগৰাকী এনফৰ্চমেণ্ট সহকাৰী পৰিদৰ্শক হিচাপে শ্ৰীৰামপুৰ গে'টত কৰ্মজীৱন আৰম্ভ কৰি লখিমপুৰ, তিনিচুকীয়া আৰু শেষমুহূৰ্তলৈকে খনাপাৰা গেটত চাকৰি কৰিছিল। ২০১১ চনৰ অক্টোবৰ মাহৰ ২২ তাৰিখে শেষ নিশ্বাস ত্যাগ কৰি আমাৰ সকলোকে শোকাকুল পৰিস্থিতিত এৰি থৈ যায়। আমাৰ পাঁচ জনীয়া ভাই-ভনীৰ মাজত ডাঙৰ বাইদেউ শ্ৰী ৰাণু বৰুৱা, দ্বিতীয় বাইদেউ শ্ৰীদীপা বৰুৱা আৰু সৰু বাইদেউ শ্ৰী পৰিণীতা বৰুৱা আৰু মা-দেউতাৰ জীৱনলৈ হঠাৎ এজাক ধুমুহা নামি আহিল। যাৰ জীৱনলৈ এনে দুখ অহা নাই তেখেত সকলে হয়তো অনুভৱ কৰিব নোৱাৰিব।

ঢকুৱাখনা ৰাইজৰ অতি আপোন আৰু ঢকুৱাখনাক অতিকে ভাল পোৱা প্ৰয়াত ৰমেন বৰুৱাই স্কুলীয়া জীৱন আৰম্ভ কৰিছিল ঘিলামৰা উচ্চমাধ্যমিক বিদ্যালয়ত। ঢকুৱাখনা কলেজৰ পৰা বি. এ. পাছ কৰিয়েই চাকৰিত যোগদান কৰিছিল।

মৃত্যুৰ সময়ত মোৰ চণ্ডীগড়ত পি. জি. আই.ত জটিল অস্ত্ৰোপচাৰ কৰিবলগা হোৱাত মোৰ একমাত্ৰ দাদা স্বৰ্গীয় ৰমেন বৰুৱাৰ কাষত থাকিব নোৱাৰি মনত এটা বুজাব নোৱাৰা দুখ লৈ আজিও থাকিবলগা হৈছে। কাৰণ মোৰ জীৱনত মই আতাইতকৈ ভালপোৱা, শ্ৰদ্ধা কৰা, মোৰ পথ প্ৰদৰ্শক হৈছে মোৰ দাদা স্বৰ্গীয় ৰমেন বৰুৱা। মৃত্যুৰ পিছত কৰিবলগা নীতি-নিয়মত এডাল ধূপকাঠীও জ্বলাব নাপায় আজিও মোৰ অন্তৰে কান্দি থাকে। সেয়ে মনতে সিদ্ধান্ত কৰিছিলো দাদাৰ কাৰণে কিবা এটা মোৰ সাধ্য অনুসাৰে কৰিম বুলি।

ফাটবিহুৰ সমিতিৰ অনুৰোধমৰ্মে এই বৰ্ষৰ বিহুৱানখনৰ দায়িত্ব লবলৈ পায় মই নথৈ আনন্দিত। তেখেত সকলকো মই অনুৰোধ কৰিছিলো যে বিহুৱান খনৰ সমস্ত দায়িত্ব মই পালন কৰিম। মোৰ অনুৰোধৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰাৰ বাবে ফাটবিহু সমিতি আৰু ফাটবিহু উদ্‌যাপন সমিতিৰ ওচৰত মই কৃতজ্ঞ। এনে এটা মহান দায়িত্ব পালন কৰিবলৈ পাই সঁচা অৰ্থত আজি মই বহুত সুখী।

মোৰ লিখিবলগীয়া বিশেষ নাই। কেৱল দাদাৰ আত্মাৰ সদ্‌গতি কামনাৰ্থে এইয়া মোৰ নিমিত্ত প্ৰয়াস। ঢকুৱাখনা ৰাইজৰ সকলোৰে চিনাকী স্বৰ্গীয় ৰমেন বৰুৱাৰ সৰু ভনীয়েক হৈ নিজকে গৌৰৱ অনুভৱ কৰো যে এনে এজন সৎ গুণী-জ্ঞানী ব্যক্তিৰ মই মৰমৰ ভনীয়েক। সদৌ ৰাইজে অনিচ্ছাকৃত ভুল-ত্ৰুটি মাৰ্জনা কৰে যেন।

**পল্লৱিতা বৰুৱা**
*ঢকুৱাখনা*

# সম্পাদকীয়

**বোলো ৰাইজেই ৰজা ঃ**

এহি মানৱ কথাখিনি            এহি মানে থওঁ
বোলো ৰাইজৰ কথাটিকে কওঁ...।

দশম শতিকাত ৰচিত 'কালিকা পুৰাণ'ত উল্লেখিত স্বৰ্ণ নদী বৰ্তমানৰ সোৱণশিৰি নদীৰ পূৱ-কাষৰীয়া শস্যে-মৎস্যেৰে উভৈনদী দ'- জলমগ্ন অঞ্চলটিক অতীতত 'হাবুং' নামেৰে জনা গৈছিল। এই ভূ-খণ্ডই কালক্ৰমত ঢকুৱাখনা হ'ল। সময়ৰ দ্ৰুত পৰিবৰ্তনৰ লগে লগে ঢকুৱাখনাকো চুই গৈছে আজি পৰিবৰ্তনৰ বতাহে। পৰিবৰ্তন অৱশ্যম্ভাৱী। কিন্তু এসময়ৰ কলীয়াপানী ৰূপে বিখ্যাত ঢকুৱাখনা বহুক্ষেত্ৰত এতিয়াও পঁয়ালগা অৱস্থাতে আছে। স্বাধীনোত্তৰ কালছোৱাত ৰজাঘৰ আৰু জনপ্ৰতিনিধিসকলৰ চূড়ান্ত বঞ্চনা আৰু অৱহেলাৰ কাৰণেই ঢকুৱাখনাক আজিও কোঙা কৰিয়ে ৰাখিছে। বাস্তৱ ক্ষেত্ৰত পৰিৱৰ্তনৰ সঁচা বতাহজাকে বহুক্ষেত্ৰত ঢকুৱাখনাক স্পৰ্শ কৰিবপৰা নাই। বিশেষকৈ যাতায়ত, বান-গৰাখহনীয়া আৰু স্বাস্থ্যখণ্ডত ঢকুৱাখনাই কেতিয়া উন্নতি আৰু পৰিৱৰ্তনৰ মুখ দেখিবলৈ পাব? ১৯৫৫-৫৬ চনতে নিৰ্মাণ কৰা ২৭ কিলোমিটাৰ দৈৰ্ঘ্য চিচি-টেকেলিফুটা ব্ৰহ্মপুত্ৰৰ মথাউৰি চোৱাৰ লাওলোৱা অৱস্থাই ঢকুৱাখনাবাসীলৈ প্ৰতিমুহূৰ্ততে কঢ়িয়াই আনিছে তীব্ৰ ভাবুকি। মিচিং বালিগাওঁ, মদাৰগুৰি অঞ্চলত আজিও বহুতো মিচিং পৰিয়ালে ব্ৰহ্মপুত্ৰৰ বানত সৰ্বস্বান্ত হৈ মথাউৰিৰ ওপৰতে অঘৰী জীৱন কটাব লগাত পৰিছে। কোনে খবৰ ৰাখে সেইসকল দুৰ্গত নাগৰিকৰ? ২০১০ বৰ্ষত প্ৰায় ১৪১ কোটি টকীয়া দেশৰ ভিতৰতে সৰ্বপ্ৰথম অত্যাধুনিক জিঅ'ফ্ৰেব্ৰিক টিউবেৰে মাতমৰাত নিৰ্মাণ কৰা পাঁচ কিল'মিটাৰ দৈৰ্ঘ্যৰ ব্ৰহ্মপুত্ৰৰ মথাউৰিচোৱাই ঢকুৱাখনাৰ সামগ্ৰীক বান সমস্যা সমাধানত বিশেষ অৰিহণা এতিয়াও যোগাব পৰা নাই। আনহাতে ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, চাৰিকড়ীয়া আদি নদীৰ প্ৰৱল গৰাখহনীয়াৰ বিপৰীতে দীৰ্ঘম্যাদী স্থায়ী সমাধানৰ আঁচনি ৰূপায়ণ নকৰাত কৃষিজীৱী দৰিদ্ৰ ৰাইজে ত্ৰাহিমধুসূদন সোঁৱৰিছে। যাতায়তৰ ক্ষেত্ৰত ঢকুৱাখনাক ৰেলপথেৰে ভৱিষ্যতে বাৰু কেতিয়াবা সংযোগ কৰাৰ সপোন দেখিব পাৰিনে? টেকেলিফুটা-দিচাংঘাট সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত দলং সঁচা অৰ্থত কেতিয়া হ'ব? বৃটিছৰ দিনৰে ঢকুৱাখনাৰ পৰা ঘূণাসুঁতি হৈ লখিমপুৰ নগৰ সংযোগী পথছোৱাৰ উন্নতি হ'বনে? ঢকুৱাখনাৰ পৰা মাজুলী আৰু মাছখোৱা সংযোগী বিধ্বস্ত গড়কাপ্তানি পথ দুটাৰ ওপৰেদি ভ্ৰমণ কৰা যাত্ৰীক সোধকচোন কৰ্কাল বিষৰ কথা। ঢকুৱাখনাত


ব্ৰহ্মপুত্ৰ মথাউৰিৰ ওপৰত আশ্ৰয় লোৱা মিচিং পৰিয়ালৰ এক আলোকচিত্ৰ


বিধ্বস্ত মাতমৰা জিঅ'ফেব্ৰিক টিউবৰ একাংশ

অতি আৱশ্যকীয় মহকুমা সদৰ চিকিৎসালয় (এফ.আৰ.ইউ)ত ব্লাড-বেংক এটি নথকাৰ উপৰিও প্ৰয়োজনীয় বিশেষজ্ঞ চিকিৎসকসকলৰ অভাৱে মহকুমাটোৰ জনজীৱনক চৰমভাৱে উপহাস কৰাটো অতি পৰিতাপৰ বিষয়! ম'বাইল, লেপ্‌টপ, ই-মেইল, কম্পিউটাৰ-নেট্‌ৱৰ্কিঙৰ জৰিয়তে আমি বহু আগুৱাই গৈছো যদিও সাম্প্ৰতিক প্ৰেক্ষাপটত ঢকুৱাখনাবাসীয়ে কিমান যে সমস্যাৰে মোকাবিলা কৰি জীয়াই আছে সেই কথা ভাবিলেই হিয়া ফাটি যায়। ৰাইজৰ এনে জ্বলন্ত সমস্যাবোৰ কেতিয়া ওৰ পৰিব? কথাবোৰ ভাবি-চিন্তি ৰাইজে মাৰবান্ধি সজাগ হোৱাৰ উপযুক্ত সময়— হ'লগেই। কথাতে কয়- ৰাইজে নখ জোকাৰিলে নৈ বয়। ৰাইজেই ৰজা। ৰাইজে কৰিব নোৱাৰা কাম কি আছে?

**ফাটবিহু ঃ**

চাৰিকড়ীয়া নৈৰ পাৰৰ নৈসৰ্গিক পৰিৱেশৰ মাজত বসন্ত ঋতুত সাৰ পাই উঠে ম'হঘুলি চাপৰি। ঢকুৱাখনাৰ আবাল-বৃদ্ধ-বনিতাই অপাৰ আগ্ৰহেৰে বাট চাই থাকে ফাটবিহুলৈ। বসন্তই প্ৰকৃতিক ন-সাজ পিন্ধাই ফাটবিহুক আদৰি আনে ম'হঘুলিৰ সেউজ বাকৰিলৈ। ঢকুৱাখনাৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষিজীৱী- মেহনতি ৰাইজৰ মুখলৈ ই কঢ়িয়াই আনে আনন্দৰ জোৱাৰ। ফাটবিহু ঢকুৱাখনা ৰাইজৰ প্ৰাণৰো প্ৰাণ, হিয়াৰ আপোন। ফাটবিহু অসমীয়া সংস্কৃতিৰ ৰবপেৰা। ফাটবিহু সম্প্ৰীতিৰ এনাজৰী। অনেক সমস্যা, দুখ-দুদৰ্শা উফৰাই এই মহামিলনৰ উৎসৱ ফাটবিহু অনুষ্ঠিত কৰি আহিছে ঢকুৱাখনাবাসীয়ে। ফাটবিহু উৎপত্তি, স্থান, কাল সম্পৰ্কে লিখিত, তথ্য সম্বলিত ইতিহাস নথকাত এই সন্দৰ্ভত ভিন্ন জনে ভিন্ন মত প্ৰকাশ কৰা দেখা গৈছে। এনে এটি গৱেষণালব্ধ বিষয়ত ফাটবিহু সমিতিকে ধৰি সংশ্লিষ্ট সুধী সমাজে এটি গ্ৰহণ যোগ্য সহমতত উপনীত হৈ দীৰ্ঘদিনীয়া গুৰুত্বপূৰ্ণ বিষয়টি সমাধান কৰিব বুলি সকলোকে আহ্বান জনালোঁ। নহ'লে ফাটবিহু অতীতৰ চহালোকৰ সহজ-সৰল জীৱন চৰ্যাৰ লগতে চহা-জীৱনৰ অলিখিত আৰু অসম্পূৰ্ণ ইতিহাস হৈয়ে ৰ'ব।

**"বিহুৱান"ৰ পঞ্চবিংশ সংখ্যা ঃ**

চাওঁতে চাওঁতে ফাটবিহু উদ্‌যাপন সমিতিৰ বছেৰেকীয়া প্ৰকাশ বিহুৱানে বিভিন্ন ঘাত-প্ৰতিঘাত অতিক্ৰমি পঁচিশটি সংখ্যাত থিয় দিলে। ১৯৭৬ চনতে লেখক ছবিলাল জৈনৰ সম্পাদনাত ফাটবিহুৰ বিহুৱানে প্ৰথম আত্মপ্ৰকাশ কৰিছিল। বিভিন্ন কাৰণত ১৯৮৯ চনৰপৰা ১৯৯৮ চনলৈ দীৰ্ঘ দিন বিহুৱান প্ৰকাশ হোৱা নাছিল। বৰ্তমান এই বিহুৱান ফাটবিহুৰ উপৰি অসমৰ কলা-সংস্কৃতিৰ এখনি বিশাল তথ্যকোষ হিচাপে পৰিগণিত হৈছে। অন্যহাতেদি বিহুৱান হৈ পৰিছে ফাটবিহুৰ গৱেষণাৰ বিষয়ৰ জীৱন্ত দলিল। এই শুভ ক্ষণত বিগত বৰ্ষবোৰৰ বিহুৱানৰ প্ৰতিগৰাকী সন্মানীয় প্ৰাক্তন সম্পাদক, শ্ৰদ্ধাৰ ফাটবিহু সমিতি-উদ্‌যাপন সমিতি আৰু দাতা-প্ৰকাশক সকলোকে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। বিহুৱানৰ দীৰ্ঘায়ু কামনা কৰিছো। ইংৰাজী প্ৰবন্ধ-লিখনিৰ সংযোজনে বিহুৱানৰ পৰিধি ভৱিষ্যতে আৰু অধিক প্ৰচাৰ-প্ৰসাৰ ঘটাব বুলি আমি দৃঢ়-বিশ্বাসী। বিহুৱান হওঁক ফাটবিহু আৰু অসমীয়া কলা-সংস্কৃতিৰ প্ৰকৃত দাপোণ।

**একান্ত ব্যক্তিগত ঃ**

ঐতিহ্যমণ্ডিত ফাটবিহুৰ মুখপত্ৰ বিহুৱান-২০১৪ বৰ্ষৰ সংখ্যাটি ফাটবিহু সমিতি আৰু উদ্‌যাপন সমিতিৰ অনুৰোধ ৰক্ষা কৰি ঢকুৱাখনাৰ শিক্ষিত আৰু আগৰণুৱা সমাজকৰ্মী শ্ৰীযুক্তা পল্লৱিতা বৰুৱাই অতি আগ্ৰহেৰে প্ৰকাশৰ দায়িত্ব কান্ধ পাতি লোৱাত ফাটবিহুৰ সদৌটি হৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো। তেখেতসকলৰ অতি স্নেহৰ একমাত্ৰ দাদা আৰু ঢকুৱাখনাৰ এগৰাকী সু-সন্তান স্বৰ্গীয় ৰমেন বৰুৱাৰ পবিত্ৰ সোঁৱৰণত বিহুৱানৰ সংখ্যাটি উৎসৰ্গা কৰা হ'ল। বিহুৱানৰ এই সংখ্যাটিলৈ ভালে সংখ্যক নবীন-প্ৰবীন লেখক-লেখিকাই তেওঁলোকৰ বহুমূলীয়া লিখনি আগবঢ়াই আমাক কৃতাৰ্থ কৰিছে। বহু কেইটা লেখা স্থান অভাৱ, পলমকৈ হাতত পৰা আদি বিভিন্ন অসুবিধাৰ কাৰণে প্ৰকাশ কৰিব নোৱাৰাত আমি

দুখিত। সম্পাদনাৰ ক্ষেত্ৰত আমি শ্ৰেষ্ঠখিনি উজাৰি দিবলৈ অকণো কাৰ্পণ্যবোধ কৰা নাই। বিফলতাখিনি নিজেই কান্ধ পাতি লৈছোঁ।

'বিহুৱান' পঞ্চবিংশ সংখ্যাটিৰ সম্পাদনাৰ ক্ষেত্ৰত বিভিন্ন সময়ত দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ শ্ৰী জগদীশ গগৈ, ড° চন্দ্ৰ নাথ বৰুৱা, শ্ৰীধৰণীধৰ কলিতা, সম্পাদনা সমিতিৰ সন্মানীয় সদস্য-সদস্যাসকলক আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। একেদৰে বিভিন্ন সময়ত যোগাযোগ, সহায়-সহযোগিতাৰে বিহুৱানখনি প্ৰকাশত বৰঙণি আগবঢ়োৱা জ্যেষ্ঠ সাংবাদিক-লেখক মনোজ অগস্তি, অতুল দত্ত, ডিম্পল চুতীয়া, ভাতৃ প্ৰতিম নৱকুমাৰ ভৰালী, প্ৰাঞ্জল কোঁচ, আৰু গগৈ ব্ৰাদাচ বুক ষ্টল, ঢকুৱাখনাৰ স্বত্বাধিকাৰ জ্যোতিপ্ৰসাদ গগৈৰ শলাগ ল'লো।

বৰ্ণবিন্যাস আৰু আৰ্হিপাঠ চাই দিয়া ভাতৃসম পৰাগ কোচ, বোধেন বৰুৱা, যতীন বৰা আৰু লক্ষ্য বায়নক ধন্যবাদ নজনালে পাপে চুব।

ফটবিহু সমিতি আৰু ২০১৪ বৰ্ষৰ উদ্‌যাপন সমিতিৰ সন্মানীয় বিষয়-ববীয়া সকলৰ সহায়-সহযোগিতা আৰু সময়মতে বিহুৱানৰ ছপাৰ কাম সম্পূৰ্ণ কৰি সদাশয় পাঠকৰ হাতত তুলি দিয়া ভৱানী গ্ৰাফিকছৰ সমূহ কৰ্মচাৰী আৰু 'বিহুৱান'ৰ প্ৰকাশিকাৰ লগতে পৰিয়াল বৰ্গক আন্তৰিক কৃতজ্ঞতা যাচিলোঁ।

অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ক্ষমা-ভিক্ষা মাগিলো। সদৌ শেষত ৰাইজলৈ ফাটবিহুৰ ওলগ আৰু শুভেচ্ছা নিবেদন কৰিলো।

"বিহু আনন্দিয়া বিহু বিনন্দিয়া
বিহুৰে অমিয়া মাত,
বিহু থাকে মানে বিহুকে বিনাবা
বিহু গ'লে বিনাবা কাক।"

জয়তু ফাটবিহু!

**তোলন দত্ত**
সম্পাদক, 'বিহুৱান'
ঢকুৱাখনা

**প্ৰাপ্তি স্বীকাৰ ঃ**

বাতৰি কাকতত দিয়া বিজ্ঞপ্তিৰ প্ৰতি সঁহাৰি জনাই বিভিন্ন ঠাইৰ পৰা সদাশয় লেখক-লেখিকাসকলে এই সংখ্যাৰ 'বিহুৱান'লৈ লেখা আগবঢ়াইছিল। আমাৰ হাতত পলমকৈ পোৱাকে ধৰি কিছু কাৰণত লেখাসমূহ এই সংখ্যাত প্ৰকাশ কৰিব নোৱৰাত আমি দুঃখিত। সেইসকলৰ নামোল্লেখ কৰি প্ৰাপ্তি স্বীকাৰৰ লগতে কৃতজ্ঞতা জনাইছো।

চন্দন বাচফোৰ (গুৱাহাটী), বাপুৰাম শইকীয়া (ধলপুৰ), ৰফিকুল ইছলাম (তেজপুৰ), প্ৰণামিকা দলে (নাহৰবাৰী), জগত ফুকন, আদিত্য পাতিৰ, ভৰজিত পাতিৰ, চিৰন্তন পাতিৰ (ঢকুৱাখনা), মহেশ্বৰ নাথ (ফুলবাৰী), জুমি দত্ত শইকীয়া (লখিমপুৰ), প্ৰণব কোঁৱৰ (ঢকুৱাখনা), ড° বুলজিৎ বুঢ়াগোহাঁই (গুৱাহাটী), পৰমানন্দ ফুকন (ঢকুৱাখনা), তুলুমণি বৰদলৈ (নগাঁও), পোষণ বৰুৱা (ডিব্ৰুগড়), উৰ্বশী চমুৱা (ঢকুৱাখনা), জ্যোতিষ চন্দ্ৰ গোস্বামী (তেজপুৰ), দেবানন্দ পাচনি (ঢকুৱাখনা), কান্তি চুতীয়া (ঢকুৱাখনা), পংখী কাজল (লখিমপুৰ), বিজয়কৃষ্ণ দাস, পদ্মেশ্বৰ দাস, বিষ্ণু খনিকৰ (ঢকুৱাখনা), বিউটি ৰশ্মী দত্ত তামুলী (ধেমাজি), ৰাণী বুঢ়াগোহাঁই দত্ত (ঢকুৱাখনা), ৰাহুল গগৈ (ঢকুৱাখনা), সৰ্বেশ্বৰী পেগু, লক্ষী কোঁৱৰ (ঢকুৱাখনা)

*সম্পাদনা সমিতি*



সূচীপত্ৰ


ফাটবিহু ঃ বিভিন্ন জনগোষ্ঠীৰ মিলনক্ষেত্ৰ ■ **ৰং বং তেৰাং** • ১১
সম্প্ৰীতিৰ এনাজৰী ঃ ফাটবিহু ■ **য়েছে দৰ্জে ঠংছি** • ১২
বিহুৰ স্বৰূপ ■ **ড° পীতাম্বৰ দেব গোস্বামী** • ১৩
সোৱণশিৰিপৰীয়া বিহুৰ বতৰা ■ **ৰামচন্দ্ৰ চুতীয়া** • ১৫
অসমীয়া চহা জীৱনৰ দাপোণ - বিহু ■ **ড° জিতৰাম কলিতা** • ১৯
বিহুগীতত কুলি-কেতেকীৰ গীতৰ শৰাই ■ **বগেন গগৈ** • ২৫
উভতি চাওঁ ■ **ডাঃ অঞ্জনজ্যোতি চৌধুৰী** • ২৯
বিহু প্ৰতিযোগিতাত বিচাৰকৰ ভূমিকা ■ **পবিত্ৰ মহন ফুকন** • ৩২
বিহু সংস্কৃতি বনাম বৈষ্ণৱ সংস্কৃতি ■ **নন্দ চুতীয়া** • ৩৫
অবিভক্ত লক্ষীমপুৰ জিলাৰ বিহুৰ ঐতিহ্য ■ **ইছমাইল হোছেইন** • ৩৮
ফাট বিহুত ঢকুৱাখনাৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক প্ৰভাব ঃ এটি নিৰীক্ষণ ■ **ড° চন্দ্ৰনাথ বৰুৱা** • ৪৩
বিহুগীতত নদী আৰু ঠাইৰ নাম ■ **কুঞ্জন কুমাৰ গগৈ** • ৪৫
ফাট বিহুৱে মোক বিভিয়াই মাতে... ■ **জুলী বৰুৱা** • ৪৭
কৃষিৰ শ্ৰীবৃদ্ধিৰ উৎসৱ বৈদিক যজ্ঞ আৰু বিহুৰ পৰিবৰ্তিত ৰূপ ■ **ড° সূৰ্য দাস** • ৫০
সময় সম্পদ আৰু ফাট বিহু ■ **পেইম থি গোহাঁই** • ৫৪
বিহুত কৈৱৰ্তসকলৰ অৱদান ■ **ভূধৰ দাস** • ৫৭
যুগসন্ধি ■ **জ্যোতিনীলিমা গগৈ** • ৬১
সপোনৰ ফুলেৰে ফুলাম মোৰ বিহুৱান ■ **অতুল বৰা** • ৬৫
ঠেঙ্গাল কছাৰী সম্প্ৰদায়ৰ তৰা-ছিৰা বিহু ■ **কনকেশ্বৰ গগৈ** • ৬৭
ঢকুৱাখনীয়া শিপিনীৰ হিয়াৰ স্পন্দন তাঁতশাল, মুগা ৰিহা আৰু ফাটবিহু ■ **স্বৰ্ণলতা গগৈ চমুৱা** • ৬৯
তাহানি চ'তৰ বাতিবিহু পৰম্পৰা - অন্বেষণ ■ **দুৰ্লভ বুঢ়াগোহাঁই** • ৭১
মুগাৰ সাজ পিন্ধি ফাটবিহুলৈ যাঁও ■ **মিনু দত্ত** • ৭৭
গামোচা ■ **বাপন কলিতা** • ৮০
ফাটবিহু প্ৰাপ্তবয়স্ক হ'ল ■ **ভাস্কৰ দাস** • ৮৩
চিত্ৰকলা জগতৰ পাশ্চাত্য আৰু প্ৰাচ্যৰ সমন্বিত প্ৰতিভা - অমৃতা শ্বেৰগীল ■ **অতুল দত্ত** • ৮৫
জীৱন বিলাস ■ **ৰাজীৱ বৰুৱা** • ৮৮
আত্মাৰ ৰক্ষাৰ বাবদ ■ **মূল ঃ ৰবেটো ব্ৰাক্কো (ইটালী), অনুবাদ ঃ ড° বিনীতা নাথ দত্ত** • ৯২
মিচিং জাতিৰ চমু পৰিচয় ■ **কৰাদ লঃয়ুং** • ৯৫


অতিকৈ চেনেহৰ মুগাৰে মহৰা ■ ভৰত সন্দিকৈ ● ৯৭
চাৰিকড়ীয়া পানী হাবুডৰ গাভৰু নেনাচিলেও নাচো যেন কৰে... ■ মণ্টু শইকীয়া ● ১০০
ম'হৰ শিঙৰ পেঁপা ■ জগত বৰা ● ১০৩
লোক-সংস্কৃতিত ঢোল : এটি পৰ্যালোচনা ■ জিতু দত্ত ● ১০৫
ফাটবিহুত মুকলি বিহু আৰু জেংবিহুৰ সাদৃশ্য আৰু পৰিবৰ্তনশীল সংস্কৃতি ■ আকাশ প্ৰিয়ম ● ১০৮
ৰঙালী বিহু : কিছু প্ৰাসঙ্গিক চিন্তা-দুশ্চিন্তা ■ ৰাজু সন্দিকৈ ● ১১২
মংগোলীয় লোকবিশ্বাস আৰু লোকাচাৰ ■ বৌউন্ থন্ গগৈ ● ১১৪
বিহুনামত অসমৰ থলুৱা মাছ ■ খগেন্দ্ৰ চুতীয়া ● ১১৬
কবিতা ১২০-১৩১
নীলিম কুমাৰ, নব কুমাৰ ভৰালী, মনোজ অগস্তি, লাচিত বৰ্মন, অৰুণ মহন্ত, ডাঃ সৌৰভ কুমাৰ ভূঞা, প্ৰাঞ্জল প্ৰতীম বড়া, সপোন কুমাৰ দত্ত, সৰ্বেশ্বৰ সুত বৰুৱা, চৈয়দ হাদুন্না, ভূষণজ্যোতি সন্দিকৈ, বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই, নিত্যানন্দ শইকীয়া, ইন্দিৰা গগৈ, সুৰুজ কুমাৰ ভূঞা, নৱনিতা গগৈ, কেশৱ শইকীয়া, অৰুণ চমুৱা, দিগন্ত ডেকা, গণেশ চমুৱা, ৰমেন দাস, তিলোত্তমা গগৈ, ইপুল হুছেইন, জয়শ্ৰী দাস, প্ৰতীম বৰুৱা, দীপামণি শইকীয়া, পদ্মেশ্বৰ দাস
Faat Bihu : Common Cultural Endowment of Rural Community ■ Dr. Akhil Ranjan Dutta ■ 132
Musings on Rongali Bihu ■ Prof. Arup K. Das ■ 134
ফাটবিহুৰ ঢুলীয়া ■ জয়চন্দ্ৰ হাজৰিকা ● ১৩৬

সোঁৱৰণ

মৰমৰ ৰমেন ভাইটি-দাদাৰ সোঁৱৰণত ■ শ্ৰীৰাণু বৰুৱা শইকীয়া, শ্ৰীদীপা বৰুৱা শইকীয়া, শ্ৰীপৰিণীতা বৰুৱা ফুকন ● ১৩৯

প্ৰতিবেদন

ফাটবিহু সমিতিৰ সভাপতিৰ একাষাৰ ● ১৪২
ফাটবিহু সমিতিৰ সম্পাদকৰ একাষাৰ ● ১৪৪
ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ একাষাৰ ● ১৪৬
ফাটবিহু উদ্‌যাপন সমিতি, ২০১৪ : সম্পাদকৰ একাষাৰ... ● ১৪৮
ফাটবিহু ২০১৩ বৰ্ষৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল ● ১৪৯
ফাটবিহুৰ কাৰ্যসূচী ● ১৫২
আৰম্ভণিৰ পৰা বৰ্তমানলৈকে 'বিহুৱান'ৰ সম্পাদকসকল ● ১৫৪




# ফাটবিহু ঃ বিভিন্ন জনগোষ্ঠীৰ মিলনক্ষেত্ৰ

**ৰং বং তেৰাং**
*প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা*

বিহুৱে পৰম্পৰৰ মাজত শ্ৰদ্ধা আৰু আত্মবিশ্বাস জগাই তোলে। বৰ্তমান অসমীয়া জাতিটোক আকোঁৱালি ধৰি ৰাখিছে বিহু উৎসৱে। আজিৰ পৰা প্ৰায় তিনি চাৰি বছৰৰ আগতে ঢকুৱাখনাৰ ফাটবিহুলৈ গৈছিলো। ঢকুৱাখনা ৰাইজৰ আন্তৰিক চেনেহ-শ্ৰদ্ধা মই কেতিয়াও পাহৰিব নোৱাৰো। বিশিষ্ট লেখক-ঔপন্যাসিক হোমেন বৰগোহাঁঞিৰ লিখনিত সুপ্ৰসিদ্ধি লাভ কৰা চাৰিকড়ীয়া নৈৰ নৈসৰ্গিক পৰিৱেশৰ মুকলি ঘাঁহনি পথাৰৰ গছৰ তলত ফাটবিহু অনুষ্ঠিত কৰে। আহোম স্বৰ্গদেউ সকলৰ দিনৰে পৰা প্ৰচলিত ফাটবিহুৱে ঢকুৱাখনা ৰাইজৰ একাত্মবোধৰ ঐতিহ্য বহন কৰি আহিছে। ফাটবিহু বৰ্তমান ঢকুৱাখনাবাসীৰেই নহয়, এই উৎসৱ সমগ্ৰ অসমবাসীৰেই গৌৰব। ফাটবিহু উৎসৱত মিচিং, দেউৰী, কৈৱৰ্ত, আহোম, চুতীয়া, কোঁচ, কলিতা, বড়ো, নেপালী আদি সকলোৱে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সম্প্ৰীতিৰ ডোলেৰে বান্ধ খাই সমিল-মিলেৰে বিহু পালন কৰি বৰ্তমানৰ সাম্প্ৰদায়িক ভেদাভেদৰ বিপৰীতে একতাৰ প্ৰশংসনীয় আদৰ্শ দেখুৱাবলৈ সক্ষম হৈছে। প্ৰাক্ স্বাধীনতাৰ কালছোৱাত "নেফা" বৰ্তমানৰ অৰুণাচল প্ৰদেশৰ অঁকা, ডফলা, মিচিমি আদি জনজাতীয় লোক সকলেও চাৰিকড়ীয়া নৈৰ ফাটত বেহা-বেপাৰ কৰি বিহুত অংশগ্ৰহণ কৰিছিল বুলি শুনা যায়। গতিকে ফাটবিহু নিঃসন্দেহে বিভিন্ন জাতি-জনগোষ্ঠী লোকৰ যে এখনি মিলন ক্ষেত্ৰ তাত কাৰো দ্বিমত নাই। বৰ্তমান অসমৰ বিহুটিয়ে বিভিন্ন জনগোষ্ঠী সমূহৰ মাজত একতাৰ ডোলডাল কটকটীয়াকৈ বান্ধি ৰখা পৰিলক্ষিত হৈছে। পাহাৰ আৰু ভৈয়ামৰ সম্প্ৰীতিৰ এনাজৰীডালো বিহুটিয়ে ধৰি ৰাখিছে। মহাবাহু ব্ৰহ্মপুত্ৰই যেনেকৈ বিভিন্ন পৰ্বত-পাহাৰৰ প্ৰতিবন্ধকতা নেওচি সাগৰলৈ গতি কৰিছে, অসমৰ সাংস্কৃতিক পথাৰৰ বৰপেৰা স্বৰূপ ফাটবিহুটিও জগত জিনিবলৈ সকলো প্ৰতিকূলতাক নেওচি অগ্ৰসৰ হওঁক— এইয়ে কামনা। ঢকুৱাখনাবাসীলৈ বিহুৰ বতৰত মোৰ আন্তৰিক ওলগ আৰু অসমীয়া নৱবৰ্ষৰ শুভ কামনা যাচিলোঁ।

**লেখকৰ ঠিকনা ঃ**
ডিফু, কাৰ্বিআংলং
দূৰভাষ - ৯৪৩৫৪১৮৪৪৪



# সম্প্ৰীতিৰ এনাজৰী ঃ ফাটবিহু

য়েছে দৰ্জে ঠংছি
বিশিষ্ট সাহিত্যিক

আজিৰ বিশ্বায়ন আৰু ভোগবাদী সমাজ ব্যৱস্থাৰ দিনত আমি পৰম্পৰাগতভাৱে কৃষ্টি-সংস্কৃতি সমূহৰ পৰা বহু আঁতৰি আহিছো। পূজা-পাৰ্বনতেই হওক বা বিবাহ আদি অনুষ্ঠানতে হওঁক আমি আমাৰ ঐতিহ্য, আচাৰ-বিধিৰ পৰা বহু আঁতৰি আহিলো। এনে এক অৱস্থাত বিহু পৰম্পৰা আমি দেখিবলৈ পাওঁ ঢকুৱাখনাৰ ফাটবিহুৰ মাজেদি। আজিৰ পৰা কিছু বছৰৰ আগতে ঢকুৱাখনাৰ ফাটবিহু চোৱাৰ সৌভাগ্য মোৰ জীৱনত ঘটিছিল। ঢকুৱাখনাবাসীৰ অকৃত্ৰিম মৰম-চেনেহৰ পৰশত মই অভিভূত হৈ পৰিছিলো। অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি তথা বিশিষ্ট ঔপন্যাসিক-গল্পকাৰ হোমেন বৰগোহাঞিৰ জন্মস্থান ঢকুৱাখনা আৰু তেওঁৰ বিভিন্ন লিখনিত ঠাই পোৱা চাবিকড়ীয়া নদীৰ পাৰৰ সেউজীয়া প্ৰাকৃতিক পৰিৱেশত অনুষ্ঠিত ফাটবিহুত বিভিন্ন জনগোষ্ঠীৰ লোকে স্বতঃস্ফূৰ্ত ভাৱে অংশ গ্ৰহণ কৰাটো বৃহৎ অসমীয়া জাতিৰ কাৰণেই অতি গৌৰৱৰ বিষয়। অতীতত আহোম স্বৰ্গদেউ সকলৰ দিনৰ পৰা স্বাধীনতাৰ প্ৰাক্ মুহূৰ্তলৈকে তাহানিৰ "নেফা"ৰ— আদি, আপাতানি, অঁকা, ডফলা আদি পাহাৰীয়া জনজাতি লোক সকলেও ঢকুৱাখনাৰ চাবিকড়ীয়া নৈৰ ফাটত বেহা-বেপাৰ কৰি ব'হাগ মাহৰ ফাটবিহুত অংশগ্ৰহণ কৰিছিল বুলি জনা যায়। অৱশ্যে স্বাধীনতাৰ পিছৰে পৰা অৰুণাচলৰ এই সকল জনজাতীয় লোক বেহা-বেপাৰৰ লগতে ফাটবিহুত অংশগ্ৰহণ কৰাটো ক্ৰমে বন্ধ হৈ পৰে। পাহাৰ-ভৈয়ামৰ সকলো জনগোষ্ঠীক জাতীয় উৎসৱ বিহুৱে সম্প্ৰীতিৰ এনাজৰীৰে বান্ধি ৰাখিছে। ফাটবিহুত কোনো কৃত্ৰিমতা নাই। নানা-ৰঙী মুগা-পাটকাপোৰ, সাজ-সজ্জাৰে মুকলি আকাশৰ তলত হেজাৰ হেজাৰ বিহুপ্ৰেমী ৰাইজ সমবেত হৈ ঢোল-পেঁপা, টকা-গগণাৰ মাতত নাচি-বাগি আত্মহাৰা হৈ পাহৰি যায় মনৰ মলিনতা, ভেদা-ভেদ আৰু বিষাদগ্ৰস্ততা। ফাটবিহুৱে স্বকীয় মহিমাৰে অসমৰ সাংস্কৃতিক পথাৰত সগৌৰৱেৰে যাত্ৰা অব্যাহত ৰাখক। অসমবাসীলৈ বিহুৰ ওলগ আৰু অসমীয়া নৱবৰ্ষৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

লেখকৰ ঠিকনা ঃ
ইটানগৰ, অৰুণাচল প্ৰদেশ
দূৰভাষ - ০৯৪৩৬২৫৬৮৮১



# বিহুৰ স্বৰূপ

ড° পীতাম্বৰ দেৱ গোস্বামী

অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিহু পালনৰ এক পৰম্পৰা আছে। বিশেষকৈ সামগ্ৰীকভাৱে অসমীয়া লোকসকলে বিহু শব্দৰে বিহু অনুষ্ঠান পালন কৰিলেও সমাৰ্থক ভাৱে বিভিন্ন জনগোষ্ঠীয়ে বিচু, বৈসাগু, বাযুসু, মপিন, আলি আয়ে লিগাং আদি ৰূপত বিহু পালন কৰে।

বিহু মূলতঃ বিষুব শব্দৰ পৰা উৎপত্তি হোৱা বুলি কোৱা হয়। বিহু সম্প্ৰীতি তথা একতাৰ প্ৰতীক। বিহু অসমৰ ঐতিহ্যৰ বাহক। ইংৰাজীত ব্যৱহাৰ কৰা বৰ্ণানুক্ৰমিক বিহু শব্দৰ যোগেদিও এই কথা সেইদৰেই উল্লেখ কৰা হৈছে—

B - Bond of love (সম্প্ৰীতিৰ বান্ধোনৰ কথা বুজায়)
I - Icon of Assam ( অসমৰ ঐতিহ্যৰ কথা সোঁৱৰায়)
H - Humanity (মানৱতাবাদ উন্মেষ ঘটায়)
U - Unity (একতাৰ কথা মনত পেলাই)
এয়ে হৈছে বিহু (BIHU)।

বিহুত আছে লোকাচাৰ, বিশ্বাস। বিহুত আছে প্ৰকৃতিৰ পৰশ। প্ৰকৃতিৰ প্ৰভাৱত বিহুৱে জীৱন্ত ৰূপ লাভ কৰে। কেৱল বিহুৰ নাচগীতকেই বিহু বুলি কোৱা হোৱা নাই। সমস্ত পালনীয় পৰম্পৰাই বিহুৰ প্ৰকৃত পৰিচয় দাঙি ধৰে। তিনিটা বিহুত তিনিটা পূজাৰ কথা বিশেষ ভাৱে উল্লেখ কৰা হৈছে। কাতি বিহুৰ তুলসী পূজা, মাঘ বিহুৰ অগ্নি পূজা আৰু ব'হাগ বিহুৰ গো পূজা। ইয়াৰ লগতে অন্তৰ্নিহিত হৈ আছে পিঠা-পনা, চিৰা-চাউলেৰে অভ্যৰ্থনা কৰা নৃ-যজ্ঞৰ কথা। বিশেষকৈ ব'হাগ বিহুত প্ৰকৃতিয়ে যিদৰে নৱৰূপ গ্ৰহণ কৰে সেইদৰে মানুহেও নৱ বস্ত্ৰ পৰিধান কৰি নতুন জীৱনৰ সংকল্প গ্ৰহণ কৰে। দৈনন্দিন জীৱনত থকা অপৰিহাৰ্য পঞ্চ যজ্ঞৰ ভিতৰত (ব্ৰহ্মযজ্ঞ, দেৱযজ্ঞ, পিতৃযজ্ঞ, ভূত যজ্ঞ, মনুষ্য যজ্ঞ) ব'হাগ বিহু ভূত যজ্ঞ আৰু মনুষ্য যজ্ঞৰ প্ৰতীক বুলি গন্য কৰা হয়। গৰু বিহুৰ দিনা গো স্নান, গো সেৱাৰ যি পৰম্পৰা আছে ইয়েই ভূত যজ্ঞৰ কথা সোঁৱৰাই দিয়ে, য'ত প্ৰাণীৰ কল্যাণ চিন্তাৰ কথা নিহিত হৈ আছে। সেইদৰেই সকলো মনুষ্যকেই নৱৰূপত আদৰ অভ্যৰ্থনা জনোৱা কাৰ্যই নৃ-যজ্ঞৰ কথা মনত পেলাই দিয়ে। এনে যজ্ঞসমূহতেই আছে প্ৰাণী মাত্ৰেই হিত চিন্তা ; নৰ মাত্ৰেই শিষ্ট আচাৰ, বিনয়ী স্বভাৱ, শ্ৰদ্ধাৰ পৰাকাষ্ঠা। এনে নীতিসমূহ আৰু পালনীয় আচাৰৰ যোগেদি বিহুৱে দিয়ে এক শিষ্টৰূপ আৰু জীৱনৰ গতিশীলতা।

বিহুৰ যি হুচৰি আৰু নাচ-গীতৰ পৰম্পৰা, প্ৰাচীনকালত সিও শ্লিলতা হানি কাৰক নাছিল। বিহু নাচ-গীত গছৰ তলত, নৈৰ কাষত, হাবিতলীয়া পথাৰত পৰিৱেশন কৰাৰ অৰ্থ আছিল প্ৰকৃতিৰ উদাৰতাৰ লগত একাত্ম হোৱা আৰু সমনীয়াৰ মাজত উলাহ-উদ্দীপনাৰে নিঃসংকোচ ভাৱাবেগ প্ৰকাশ কৰা। গছৰ তলৰ বিহু, পথাৰৰ বিহু, ৰজাঘৰ আৰু আজিৰ মঞ্চত প্ৰৱেশ কৰাৰ পিছতহে বিশেষকৈ মঞ্চত উদ্‌যাপন কৰাৰ পিছত ই ক্ৰমান্বয়ে যৌনগন্ধী হোৱাৰ উপক্ৰম ঘটিছে। এনে ধাৰা অব্যাহত থাকিলে এসময়ত আড়ৱস্ত সকলে বিহুক অশ্লীল অনুষ্ঠান বুলি আখ্যা দিয়াৰ বদনাম পুনৰ আৰোপিত হ'ব। কাৰ্যতঃ বিহু কোনো কাৰণতে বদনামী অনুষ্ঠান নহয়। ওপৰে ওপৰে চালে যি দৰে ৰাসলীলা শৃঙ্গাৰ ৰসৰ অন্তৰ্ভূৰ্ক্ত বুলি কোনোৱে মন্তব্য কৰিব খোজে তদনুৰূপ ভাৱত সেইসকলে বিহুৰো অশ্লীলতা ৰূপ দেখা পায়। প্ৰকৃতাৰ্থত এই দুই অনুষ্ঠান অতি পবিত্ৰ আৰু মৰ্যাদাসম্পন্ন অনুষ্ঠান।

বিহু নাম তথা গীত সমূহে ৰচনা কৰাৰ মূল ক্ষেত্ৰখন আছিল গ্ৰাম্য চহা জীৱনৰ পটভূমি। চহা কবিয়ে স্বতঃস্ফূৰ্তভাৱে যি বিহু নাম-গীত লিখি উলিয়াইছিল সি আছিল সম্পূৰ্ণ মাৰ্জিত, ৰুচিসম্পন্ন শব্দৰ সমাহাৰ। এই গীতসমূহত সামাজিক পৰম্পৰা, আচাৰ ব্যৱহাৰ, প্ৰকৃতিৰ সম্পদ, মানুহৰ আকাংখ্যাৰ কথা এইদৰে প্ৰকাশ কৰা হয় যে ই এক পৰিশীলিত ভাৱৰ পৰিচয় দিয়ে। বিহুৰ গীত মাতত এফালে যিদৰে অৰ্থৰ প্ৰাচুৰ্যতা আছে আনফালে আছে সুৰ-তালৰ মাধুৰ্যতা আৰু অন্তৰ পৰশা প্ৰকাশভঙ্গী। সেয়ে ক'ব পাৰি অসমৰ জনজীৱনৰ পৰা ওলোৱা চহা কবিৰ ৰচনাৰাজি অসমীয়া লোক-সাহিত্যৰ উন্নত মানদণ্ডৰ উৎকৃষ্ট পৰিচায়ক। চহা কবিয়ে গ্ৰাম্য পৰম্পৰাত গীত-মাত ৰচনা কৰোতে ভগৱানৰ ওপৰত ৰখা সৰ্বাত্মক বিশ্বাস

উল্লেখযোগ্য দিশ। অৰ্থাৎ ভগৱত বিশ্বাস বিহীন কোনো কাৰ্যৰ যে সুফল পাব নোৱাৰি সেই কথা প্ৰতি পলে পলে মনত ৰাখিহে চহা কবিয়ে গীত-মাত ৰচনা কৰে। সেই অৰ্থত ক'ব পাৰি ঈশ্বৰমুখী চিন্তা তথা ধৰ্মীয় শ্ৰদ্ধা বিহু-গীত মাতত পুৰামাত্ৰাই সন্নিবিষ্ট হৈ থাকে। অৱশ্যে এনে শ্ৰদ্ধাযুক্ত ঈশ্বৰ ভাৱাপন্ন শব্দসমূহ ঘাইকৈ বৈষ্ণৱধৰ্ম প্ৰসাৰৰ পিছৰ পৰাহে সংযুক্ত হোৱাতো পৰিলক্ষিত হয়। এনে তথ্যৰ দৃঢ় ধাৰণাৰ বাবে দুই এটি হুঁচৰি আৰু বিহু যোজনা তুলি দিয়া হ'ল।



হুঁচৰি -

*কৃষ্ণাই মুখতে বকুল ফুল এপাহি*
*নিয়ৰ পাই মুকলি হ'ল ঐ গোবিন্দাই ৰাম।*

*দেউতাৰ পদুলিত গোন্ধাইছে মাধুৰি*
*কেতেকী মলে মলাই অ' গোবিন্দাই ৰাম।*

বিহু যোজনা -

*ব্ৰহ্মাই সৰজা নামৰে কঠিয়া*
*বিষ্ণুৰে সৰজা নাম ,*
*বেয়া নাম ওলালে ক্ষেমিবা সদৌৰে*
*বিহুৰে গীতকে গাম।*
*নামত নধৰিবা দায় অ' দেউতা*
*পদত নধৰিবা দায়,*
*আমি ল'ৰাহতে ধেমালি কৰিছো*
*ব'হাগৰ বিহুটি পায়।*

হুঁচৰিৰ শেষত আশীৰ্বাদ লোৱা প্ৰসঙ্গত গোৱা নাম -

*গুৰুকো কৰিবা দান অ' দেউতা*
*ভকতক কৰিবা দান,*
*গৰু বিহুৰ দিনা ল'বা আশীৰ্বাদ*
*তেহে পাবা বৈকুণ্ঠত স্থান।*

*লাইৰ মাজে মাজে লফা ডালি ডালি*
*তাৰ মাজত খুতৰা শাক,*
*মূৰৰ চুলি ছিঙি ছিঙি আশীৰ্বাদ কৰিছো*
*গৃহস্থ কুশলে থাক।*

অসমৰ লোক জীৱনৰ লগতে সত্ৰসমূহতো বিহু পালন কৰা বিশেষ পৰম্পৰা আছে। কিন্তু সত্ৰৰ বিহু পালনৰ ৰীতি সম্পূৰ্ণ আধ্যাত্মিক। নামঘৰক কেন্দ্ৰ কৰি নামপ্ৰসঙ্গ, সত্ৰীয়া নৃত্য-গীত পৰিৱেশনেৰে বিহু পালন কৰা হয়। অৱশ্যে বিহু, হুচৰি, গীত নৃত্য নাথাকিলেও বিহুৰ পালনীয় লোক জীৱনৰ সমষ্ট বিশ্বাস পৰম্পৰা সত্ৰ সমূহতো অব্যাহত থাকে। বিশেষকৈ কাতিবিহু, মাঘবিহুৰ পালনীয় ৰীতিৰ লগতে ব'হাগ বিহুৰ ক্ৰমে প্ৰথম, দ্বিতীয়, তৃতীয় দিৱস গৰু বিহু, মানুহ বিহু, গোঁসাই বিহু যথাৰীতিৰে পালন কৰে। বিশেষকৈ ব'হাগ বিহুৰ লগত সংগতি ৰাখি বোকা খেল, কড়ি খেল সত্ৰত অতি উৎসাহেৰে অনুষ্ঠিত কৰে। এই খেলসমূহত ল'ৰা-ডেকা-বুঢ়া সকলোৱে অংশ লয়।

আজি বিশ্বায়ন তথা প্ৰযুক্তিবিদ্যাৰ কবলত পৰা সমাজত বিহুৰ অলেখ পৰিবৰ্তন আহিছে। সময় গতিশীল, গতিশীলতাৰ লগত সাংস্কৃতিক পৰম্পৰা সমূহেও এক পৰিৱৰ্তিত ৰূপ গ্ৰহণ কৰাটো স্বাভাৱিক। এই কথা কোনেও অস্বীকাৰ কৰিব নোৱাৰে। মাথো এই কথা মনত ৰাখিব লাগিব যে পৰিৱৰ্তনৰ নামত গেলা-পচা বিজতৰীয়া সংস্কৃতিয়ে আমাৰ সংস্কৃতি যাতে বিকৃত কৰি চিন মোকাম নোহোৱা কৰিব নোৱাৰে। তাৰ প্ৰতি অধিক সতৰ্কতাৰ প্ৰয়োজন আছে। মনত ৰাখিব লাগিব ঐতিহ্য আৰু পৰম্পৰা আমাৰ সকলোৰে মূল ভেটি। ঐতিহ্যৰ অবিকৃত সত্তাক সন্মুখত ৰাখি পৰিৱৰ্তিত ৰূপ গ্ৰহণ কৰিলেহেআমি সকলো সুৰক্ষিত হ'ম। এনে চিন্তাৰে আগবাঢ়িলে আমাৰ সংস্কৃতিৰ আমঠু 'বিহু' সদায় সমাদৃত হৈ জাউতিযুগীয়া ৰূপত জিলিকি থাকিব।

*লেখকৰ ঠিকনা : সত্ৰাধিকাৰ, আউনীআটী সত্ৰ, মাজুলী*



# সোৱণশিৰিপৰীয়া বিহুৰ বতৰা

ৰামচন্দ্ৰ চুতীয়া

মাঘ আহিলেই ফাগুণৰ পচোৱাই মানুহৰ মন উৰুৱাই নিওঁ নিওঁ যেন কৰে। তাহানিখনত আলৈ আহুকাল নথকাৰ দিনত, সোৱণশিৰিপৰীয়াই মাঘৰ পৰাই প্ৰকৃতিৰ ৰাজ্যত বসন্তৰ উমাল পৰশ অনুভৱ কৰিছিল। ডেকা-গাভৰুৰ মন মাঘৰ উৰুকাৰ দিনত ঢোলত চাপৰ পৰাৰ লগে লগে পুলকিত হৈ উঠিছিল। সোৱণশিৰিপৰীয়া মিচিং-মিপাকৰ তৰুণসকলে সন্ধ্যাবেলাৰ পৰা মেজি ৰখোতে যি ঢোলত চাপৰ মাৰে সি ব'হাগৰ বিহুৰ অন্তিম দিনলৈকে সময় আৰু কামৰ ফাঁকে ফাঁকে চলিয়ে থাকে। ফাগুনত পতা বিয়াবোৰত, আগৰ দিনত চ'তৰ ৰাতি বিহুত ঢোলৰ চেৱত যৌৱন বলিয়া ডেকাবোৰে বাস্তৱ আৰু কল্পনাৰ ৰাজ্যত ঢাপলিয়াই ফুৰিছিল। সেয়েহে সময় পালেই ম'হৰ পিঠিত, খেতি-পথাৰৰ একান্ত সময়ত, হাবিত খৰি লুৰিবলৈ যাওঁতে, গৰু ৰাখি থাকোতে, খেতি কৰিবলৈ হাবি কাটি থকাৰ সময়তো বিহুৱা ডেকাই বিহুৰ গীত একোফাঁকি গাই প্ৰাণ জুৰাইছিল। মিচিংসকলে আকৌ ফাগুনৰ প্ৰথমটো বুধবাৰে পতা বীজ ৰোপণৰ উৎসৱ 'আলি আয়ে লিগাং' পালন কৰাৰ দিনাৰ পৰাই ৰঙালী বিহুৰ আৰম্ভ কৰে বুলি ক'লে বৰ ভুল কৰা নহ'ব। তেতিয়াৰ পৰাই নিৰবিচ্ছিন্নভাৱে পানীৰ সোঁতৰ দৰে সোৱণশিৰিৰ আকাশে-বতাহে ঢোলৰ শব্দত খলকনি উঠি থাকে। আচৰ্যকৰভাৱে সোৱণশিৰিৰ দুয়োটি পাৰৰ ঝাউবন-লিহিৰা বন কঁপাই মিচিং-মিপাকৰ ৰঙা আৱেগত ব'হাগৰ শেষলৈকে কঁপি থাকে আকাশ-বতাহ। তেওঁলোকৰ লগ লাগে নৈসৰ্গিক সৌন্দৰ্যৰ বিপুল সমাহাৰ! বিভিন্ন গছ-বিৰিখৰ জাত জাত ফুল-ফলেও ব'হাগক আদৰণি জনায়। মদাৰ-শিমলু ফুলৰ দৰে সমগ্ৰ আকাশখনেই হৈ পৰে ৰঙীণ অথবা ৰক্তিম! কপৌফুল-কেতেকীকে ধৰি জাত জাত বনৰীয়া ফুল, কুলি-কেতেকীৰ লগতে নানান প্ৰজাতিৰ বিহঙ্গৰ আগমনত প্ৰাণ পাই উঠা সোৱণশিৰিৰ দুয়োটি পাৰ ন সাজেৰে জিলিকি উঠে। চ'তৰ প্ৰথম জাক বৰষুণতে সোৱণশিৰি যৌৱনাৱতী হৈ উঠে। কালৰ কুটিল খেলাত সোৱণশিৰিৰ বুকুত জাহ যোৱা বাঁহগুৰি, ঘূণাসুঁতিৰ দৰে দুয়োপাৰৰ ধুনীয়া গাঁওবোৰৰ স্মৃতি কালৰ বিৱৰ্তনত হেৰাই গ'লেও ব'হাগৰ বিহুগীতে বৈ বৈ আজিও সেইবোৰ সোঁৱৰণ কৰে। সেইবোৰ কথা আজিৰ



প্ৰজন্মই প্ৰায় পাহৰিয়ে গ'ল। বিহুগীত আৰু বয়োজ্যেষ্ঠসকলেহে সেইবোৰ কথা সোঁৱৰণ কৰি হুমুনিয়াহ কাঢ়ে। কত যে উত্থান-পতনৰ কাহিনী!

অসমত একালত ৰাতি-বিহু পতা হৈছিল। সেই ৰাতি বিহুৰে মেলানি মগা অৱশ্যে আজি বহু বছৰ হ'ল। আমি সৰু হৈ থাকোতে আই আৰু আইতাহঁতৰ মুখত ৰাতি বিহুৰ বিষয়ে নানান কথা শুনিছিলো যদিও নিজে হ'লে তাক ক'তো দেখা নাছিলো। সেয়া ষাঠি বছৰমানৰ আগৰ কথা। সেই কালত ৰাতি বিহু কৰাটো একো দোষণীয় কাম নাছিল। ঘৰুৱা কাম-বনৰ পৰা আজৰি হৈ ৰাতি বিহু মৰাটো প্ৰকৃতিৰ সন্তান অসমীয়া ডেকা-গাভৰুৰ এটা ৰীতিয়েই আছিল। তাত কোনেও একো বেয়া বা ভুল নেদেখিছিল। ডেকা-গাভৰুসকলে সুকীয়া সুকীয়াকৈ ৰাতি বিহু পাতিছিল। গাভৰুসকলৰ বিহু কেতিয়াবা বিহু বলীয়া ডেকা ল'ৰাই চুৰকৈ চালেও বৰ এটা দোষণীয় কথা বুলি ভবা নহৈছিল। কাৰণ তাত আজিৰ দৰে ব্যভিচাৰৰ কোনো চিনমোকাম নাছিল। সুদৃঢ় সমাজ ব্যৱস্থাই সকলোকে শৃংখলাৰ ভিতৰত আৱদ্ধ কৰি ৰাখিছিল। তেতিয়াৰ দিনত খুব বেছি ডেকা-গাভৰুৱে বিহুৰ পাছত গন্ধৰ্ব ৰীতি মতে বিবাহ সম্পন্ন কৰিছিল। সমাজে ডেকা-গাভৰুৰ তেনে মিলনক পাছত সামাজিক ৰীতি মতে স্বীকৃতি দি আদৰি লৈছিল। আজি-কালি সেইবোৰ কথা সপোন যেন লগা হ'ল। যুগ সলনি হোৱাৰ আগৰ ছবিখন এতিয়া সম্পূৰ্ণ নতুন ৰূপত দেখা দিলে।

বিহুৰ কেইদিনত গাঁৱত ডেকাসকলে আদহীয়া অথবা বুঢ়াসকলৰ নেতৃত্বত হুঁচৰি গাই, গাঁও উৎসৱ মুখৰ কৰি ৰাখিছিল। মানুহ-বিহুৰ দিনা মান্যজনৰ ঘৰৰ পৰা আৰম্ভ হোৱা হুঁচৰি, বিহুৰ শেষলৈকে চলিছিল প্ৰায় একেলেঠাৰিয়ে। ধুমুহা বা ধাৰাসাৰ বৰষুণেও তাক প্ৰতিহত কৰিব পৰা নাছিল। খুব বেছি সাতোটা দিন। তাৰ পাছত বিহু উৰুওৱা হৈছিল। আজিৰ দৰে ধন ঘটিবলৈ দামী দামী বিহু মঞ্চ নিৰ্মাণ কৰি তিনি-চাৰি মাহ ধৰি ক'তো বিহু পালন কৰা নহৈছিল। তেতিয়াৰ দিনত প্ৰকৃতিৰ দৰে মানুহেও অনিয়ম কৰা নাছিল। নিয়ম মানি সাতোটা দিন বিহু পালিছিল আৰু নিয়মেৰে তাক বিদায় দিছিল। আমি এতিয়া যেনেকৈ দুৰ্গা পূজা সীমিত সময়ত শেষ কৰো, বিহুও তেনেকৈ সাতোটা দিনতে শেষ কৰা হৈছিল। তাৰ পাছত মানুহে খেতিখোলা বা আন কামত ধৰিছিল। উৎসৱৰ সেইটোৱেই নিয়ম আছিল। আজি সেই নিয়ম কোনেও নমনা হ'ল। ই কেতিয়াও সুলক্ষণ নহয়। বিহু বিবৰ্তনৰ দিনতো সংযত নিয়মত পালন হোৱা উচিত। পৃথিৱীৰ দেশে দেশে নিজ নিজ উৎসৱবোৰ উৎসৱৰ দিনতহে পালন কৰে। আমাৰ ব'হাগ বিহুৰ দৰে কোনেও বহু দিনলৈ টানি নাথাকে। সেইবোৰ কৰিবলৈ আজিৰ দিনত মানুহৰ সময়ে বা ক'ত! সময় থাকিলেও নিয়ম ভাঙি কি নিয়মত আমি বিহুক দিন দিন ধৰি পালন কৰি থাকিম? বিহু তেনেকৈ পালন কৰি থকাৰ কোনো কাৰণ থাকিব নোৱাৰে। সেই সম্পৰ্কে যিমানেই সবল যুক্তি প্ৰদৰ্শন নকৰক কিয়, সেইবোৰ মানি ল'ব নোৱাৰি। খ্ৰীষ্টমাছ যদি এদিনত সমাপ্ত হ'ব পাৰে, ঈদো যদি এদিনতে পালিত হ'ব পাৰে আমাৰ ৰঙালি বিহু সাত দিনতো পালন কৰি শেষ কৰিব নোৱাৰাৰ একো যুক্তি থাকিব নোৱাৰে। প্ৰতিজন অসমীয়াই এই কথাবোৰ বিহুৰ ৰতৰতে গভীৰলৈ গৈ ভাবি চোৱা উচিত। আনৰ পিঠাগুড়িৰে নিজৰ বিহু পালন কৰিবলৈ যোৱাটো কোনো সুস্থ নীতি হ'ব নোৱাৰে।

আগৰ দিনত বিহুত অসূয়া-অপ্ৰীতি বোলা কথা এটা নাছিল। আমি জনাত কেতিয়াও ক'তো হুচৰি গাই থকাৰ পৰত কাজিয়া-পেচাল হোৱা নাছিল। সেইবোৰ হোৱাৰ প্ৰশ্নই নাছিল। তাৰ কাৰণ, লগত আছিল সদৌটি সময়ত বয়োজ্যেষ্ঠসকল। তেওঁলোকে ডেকা ল'ৰাহঁতৰ লগে লগে গৈ হুচৰিৰ ৰং-ৰহইচত আনন্দৰ জোৱাৰ তুলিছিল। ডেকাসকলে বিহু মৰাৰ সময়ত গৃহস্থৰ ঘৰৰ পিৰালিত বহি তামোল-চাহ খাই বিহুৰ মৰ্যাদা বঢ়াইছিল। এতিয়া সেই পিৰালীও নাই, বুঢ়া-মেথাও হুচৰিৰ লগত নাই। তাহানিখনত কোনোবা সামৰ্থবানজনে কম ধন দিলে বুঢ়াসকলে ল'ৰাহঁতক আৰু বিহু মাৰিবলৈ দি, তাক মৰমেৰে আদায় কৰিব জানিছিল। সেয়া অৱশ্যে আজিৰ দৰে 'ডকাইটি' কৰি নহয়। ন-বোৱাৰী থকা ঘৰৰ পৰা মাননী হিচাপে গামোচা নাপালে জোৰা নাম গাই বিহুৱাসকলে ধেমালি-ধুমুলা কৰি তাক আদায় কৰি লৈছিল। তেনে কৰোতে ন-বোৱাৰীয়েও বেয়া নাপাইছিল বৰং বং মনেৰে ৰাইজৰ আশিস বুলি মানি লৈছিল। সেয়েহে তেওঁ ৰাইজৰ আগত আঁঠু লৈ সেৱা কৰিছিল আৰু ৰাইজেও মংগল কামনা কৰি ভৱিষ্যতে সুগৃহিণী আৰু পুত্ৰৱতী হ'বলৈ সুকীয়াকৈ আশীৰ্বাদ দিছিল। হুচৰি সদায় ৰাতিপুৱালৈকে গোৱা নহৈছিল যদিও একোদিন সন্ধ্যাৰ পৰা পুৱাৰ বান্ধনি বেলিলৈকে গোৱা হৈছিল। হুচৰি গাই



যাওঁতে কোনো ঘৰত গৃহস্থই চাহ-পিঠাপনা, কেতিয়াবা জা-জলপান যাচি হুচৰিৰ দলটিক মান-সন্মান কৰিছিল। আমি সৰু হৈ থাকোতে দুই-এঘৰত গৃহস্থই ৰাতি বিহুৱাসকলক ভাত-পানী খোৱাইও মান-সন্মান কৰা দেখিছিলো। সেইবোৰ এতিয়া সম্পূৰ্ণ সপোন হ'ল। কোনোবাই তেনে কথা ক'লে বা লিখি জনালেও তাক নতুন প্ৰজন্মই মানিবলৈকে টান পায়। পাছে সঁচা কথাবোৰ ইতিহাস হ'বলৈকে লিখি ৰখা ভাল হ'ব। আমাৰ গাঁৱৰ 'বাসুদেৱ স্থান হাইস্কুল'ৰ বাবে আমি এবাৰ ঘৃণাসুঁতিৰ মিচিং আৰু মিপাক মানুহৰ ঘৰত হুচৰি গাই অৱশেষত ৰৰচাপৰি গাঁৱত ওলাইছিলো গৈ। তাত ৰাতি আমাৰ হুচৰি দলক সেইখন গাঁৱৰ মানুহে আদৰ-সাদৰকৈ ভাত-পানী খোৱাই গৌৰৱবোধ কৰিছিল। সেইটো বোধ হয় ১৯৬৭-৬৮ চনৰ কথা। তেনেকুৱা আৰু উদাহৰণ অনেক ওলাব। সেইবোৰ কথা নবহলাই মূল বিষয়লৈ ঘূৰি অহা যাওক।

বিহুৰ কথা কওঁতে এটা কথা ক'বলৈ থাকি গ'ল। আজি-কালি আমাৰ গাঁৱতো হুচৰি গাওঁতে ডেকা-গাভৰুৱে একেলগে গায়, যেনেকৈ নগৰীয়া বিহু মঞ্চবোৰত গায়। সেইটো পৰম্পৰা কিন্তু বৰ বেছি পুৰণি নহয়। গাভৰুসকলৰ

**আগৰ দিনত বিহুত অসূয়া-অপ্ৰীতি বোলা কথা এটা নাছিল। আমি জনাত কেতিয়াও ক'তো হুচৰি গাই থকাৰ পৰত কাজিয়া-পেচাল হোৱা নাছিল। সেইবোৰ হোৱাৰ প্ৰশ্নই নাছিল। তাৰ কাৰণ, লগত আছিল সদৌটি সময়ত বয়োজ্যেষ্ঠসকল। তেওঁলোকে ডেকা ল'ৰাহঁতৰ লগে লগে গৈ হুচৰিৰ ৰং-ৰহইচত আনন্দৰ জোৱাৰ তুলিছিল। ডেকাসকলে বিহু মৰাৰ সময়ত গৃহস্থৰ ঘৰৰ পিৰালিত বহি তামোল-চাহ খাই বিহুৰ মৰ্যদা বঢ়াইছিল।**

ৰাতি বিহুৰ ঠাইত এয়া 'সম-অধিকাৰ'ৰ বাবে হোৱা নতুন আৰম্ভণি নে কি সেই কথা আমি নাজানো। ই ভাল হ'ল নে বেয়া হ'ল সেয়াও সময়েহে ক'ব। আমাৰ মতে হুচৰি কেৱল ডেকাসকলে গোৱা হ'লেও এটি সুস্থ পৰম্পৰাৰ ৰক্ষা পৰিলহেঁতেন। আনহাতেদি গাভৰুসকলে গছ তলৰ বিহুকে মনৰ হেঁপাহ পলোৱাই সাত দিনলৈকে কৰা হ'লে বেছি ভাল হ'লহেঁতেন বুলি আমাৰ ধাৰণা হয়। দুয়ো কুলে সুকীয়া সুকীয়াকৈ বিহু মৰা হ'ল দুটা সুকীয়া অনুষ্ঠান অসমীয়া সমাজত ৰক্ষিত হ'লহেঁতেন আৰু লগতে আমাৰ অতীত পৰম্পৰাটোও চলি থাকিলহেঁতেন। আমি যদি এতিয়াও কীৰ্তন-ভাগৱত আগৰ দৰে নীতি-নিয়ম মানি পঢ়িব বা সকাম-নিকামত চলাব পাৰো, বিহুক নোৱাৰাৰ কি কথা আছে!

ব'হাগ বিহুৰ আৰম্ভণীৰ পৰা আমাৰ অঞ্চলৰ মিচিং গাঁওবোৰতো মিপাকসকলৰ দৰেই ঢোলৰ গুমগুমনীয়ে আকাশ-বতাহ কঁপায়। আনহে নালাগে কণ কণ শিশুহঁতেও ৰাষ্টালৈ ওলাই আহি পথৰ গাড়ী ৰাখি বিহু মাৰে। তেওঁলোকৰ বিহু চাই আমি বৰ আনন্দ পাওঁ। এটকাৰ পৰা যি যিমান পাৰে সিমান অৰিহণা দিলেই তেওঁলোকে পৰম আনন্দ পায়। বছৰৰ মূৰত পঞ্চাশ টকা মান খৰচ কৰিলেই সেই আনন্দ লাভ কৰিব পাৰি। কোনোবা কোনোবাই সেই নিয়মটো বেয়া পালেও আমি কিন্তু কাহানিও বেয়া নাপাওঁ। আমি দৈনন্দিন জীৱনত কিমান যে ধন খৰচ নকৰো! ডাঙৰসকলে কিন্তু কেতিয়াও নিয়ম ভাঙি তেনে নকৰে। ডাঙৰসকলে মানুহ চাই মিপাকৰ ঘৰত আজিও যথাবিহিত নিয়মত বিহু মাৰে। তাৰ বাবে আমিও সমন্বয়ৰ আনন্দৰ ভাগ পাওঁ। আমি ভাবো সেয়াও নিশ্চয়কৈ শলাগৰ বিষয়। সেইদৰেই বিহুৰ দিনা কণ কণ শিশুসকলৰ বাবে পঞ্চাশ বা এশ টকা গলেই যেনিবা সেই কথাত অসন্তুষ্ট কৰো কিয়? তেওঁলোকৰ পাট গাভৰুসকলে ব'হাগ বিহুত আমাৰ মিপাক গাওঁবোৰত মানুহ চাই চাই টকা-বিহু কৰা পৰম্পৰা এটা এতিয়াও আছে। তেনে বিহু আমাৰ ঘৰলৈ প্ৰতি বছৰে আহেই। তেওঁলোক আহিলেই তামোল-পাণৰ শৰাইত মাননি এটি দি সেৱা জনাই আমি পৰম আনন্দ পাওঁ। সেই কামটো যে কেৱল আমাৰ ঘৰতহে কৰা হয় তেনে নহয়, আন যিসকলৰ ঘৰলৈ বিহুৰ দল যায় তেওঁলোকেও সন্মানসহ তেনেকৈয়ে কৰে। যিবোৰ দলে বয়সৰ বাবে আশীৰ্বাদ দিবলৈ লাজ অনুভৱ কৰে, তেওঁলোকৰ কথা সুকীয়া।

আগৰ দিনত চ'ত বা ব'হাগ মাহ সদায় সুখকৰ নাছিল। গাঁৱত একোবছৰ নানান মাৰিমৰক হৈছিল। তেনে হ'লে গাঁৱত ঢোল-তাল-পেঁপা বজাই বিহু মৰা নহৈছিল। আনকি দুই এঘৰত 'আই' দেখা দিলেও হৰি নামেৰে ঘৰে ঘৰে নাম-গুণ গাই গৃহস্থক আশীৰ্বাদ দি ৰাজহুৱা ধন কেইটা তোলা হৈছিল। তাহানিখনত আজিৰ দৰে ডাক্তৰ বা ঔষধ নাছিল। মানুহে সকলোবোৰ ভগৱানতে ভৰসা কৰি তেওঁৰ ওপৰতে এৰি দিছিল। বিধাতাই মাৰেও মাৰক ৰাখেও ৰাখক বুলি অপেক্ষা কৰাৰ বাদে মানুহৰ আন উপায় নাছিল। মানুহৰ সেই নিঃসহায় দিনবোৰৰ কথা সন্ধতে আমিও কিছু আভাষ পাইছিলো। এতিয়া সেই তাহানিখনৰ মানুহখোৱা ভূতবোৰ মানুহৰ ভয়তে আজি ক'ৰবাত হেৰাল। সেইবোৰ কম দুখৰ দিন আছিল নে বাৰু?

গাঁৱৰ হুচৰি গাই সংগ্ৰহ কৰা ধন সদায় ৰাইজৰ কামত লগোৱা হয়। বছেৰেকীয়া ভাওনা কৰা বা নামঘৰ নিৰ্মাণৰ কামত তেনে ধনৰ খৰচ কৰা হয়। জমাধন ধনভৰালীৰ ওচৰত থাকে আৰু লাগ বুলিলেই তাক তেওঁ ৰাইজক উলিয়াই দিয়ে। ব'হাগত সাধাৰণতে বছেৰেকীয়া ভাওনা এখন হয়েই। ব'হাগৰ এক বা দুই তাৰিখত তাক পালন কৰা হয়। ভাওনা সম্পৰ্কেও বহু কথা ক'ব পাৰি। পাছে সেইবোৰ বিহুৰ কথা লেখাৰ বেলা কিছু পৰিমাণে অপ্ৰাসঙ্গিক বাবে ইমানতে সামৰা হ'ল।

সোৱণশিৰি পৃথিৱীৰ এটা নিঃসঙ্গ দ্বীপ মাত্ৰ নহয়। এই অঞ্চলৰ দৰেই কেঁকুৰী বেৰেজীয়াৰ গাওঁবোৰ, সমগ্ৰ ঢকুৱাখনা অঞ্চলৰ সকলোবোৰ গাঁৱত বিহু প্ৰায় একেটা নিয়মতে পালিত হৈছিল। আজিকালিৰ পশ্চিম ঢকুৱাখনা, ঢোলপেটা, ৰৰবাৰী, সমগ্ৰ অঞ্চলৰ নৈ পৰীয়া জনজাতীয় মিচিংগাঁওবোৰ, দেউৰী-কছাৰী গাঁওবোৰ, গোবিন্দপুৰ হাৰ্হি, ঘিলামৰা, মাছখোৱা, ধেমাজী সকলোতে ঢোলৰ শব্দত ফাটি পৰিছিল ব'হাগৰ বং ৰহইচত। বিহুৱলীয়া কৈৱৰ্ত কুলৰ বিহুক এই বৃহৎ অঞ্চলৰ কোনেও, কোনোকালে পাহৰিব নোৱাৰে। তেওঁলোকেও একোবছৰ আমাৰ গাঁওবোৰত বিহু মাৰি ৰং-ধেমালি কৰিছিল। সেইবোৰ দিন এতিয়া ক্ৰমান্বয়ে লোপ পাব ধৰিছে। ইও অসমীয়া জাতিটোৰ বাবে এক বৰ দুখৰ বিষয়।

একালত বিহু সকলোতে বৰ উলহ-মালহেৰে পালিত হৈছিল। মানুহে প্ৰাণ ভৰি সেই বিহু মানিছিল। মানুহবোৰ বিভিন্ন গোটত বিভক্ত হৈ আছিল যদিও কালৈকো কোনেও ঈৰ্ষাৰ দৃষ্টিৰে নাচাইছিল। সকলো মিলিজুলি আছিল। আহ-যাহো আছিল। আজি-কালি নিজৰ ককাই-ভায়েও সেই পৰম্পৰা ৰাখিব নোৱাৰা হ'ল। ইয়াৰ অৰ্থ হ'ল যুগৰ পৰিৱৰ্তনে আমাক সম্পূৰ্ণকৈ সলনি কৰি তুলিছে। সেয়েহে সময় থাকোতেই আমি সাৱধান হ'বৰ হ'ল। অতীতৰ হাবুং ৰাজ্যৰ সকলোবোৰ মানুহৰ চোতাল ব'হাগ বিহুত, ৰাইজৰ আগমনত পদধূলি পৰি যেনেকৈ ধন্য হৈছিল, আজিও তেনেকৈয়ে আমাৰ বাপতি সাহোন বিহুটি চলি থাকক। আমি আশা কৰিম, যুগৰ সলনি হ'লেও সমগ্ৰ অসমত সেই পৰম্পৰা আমাৰ বৃহত্তৰ অসমীয়া সমাজত সদৌটি কাল চলি থাকিব।

---

*লেখকৰ ঠিকনা ঃ ডেকাৰ গাঁও, তেজপুৰ*
*দূৰভাষ- ৯৪৩৫৪৮৬১৯৩*



চুতীয়াসকলে বিহুৱানখনক 'বিহু আৰোহণ' বুলি কৈছিল। প্ৰাচীন কালত গামোচাৰ আঁচুত ৰঙা ৰঙৰ বাদে অন্য ৰঙৰ আঁচু ব্যৱহাৰ হোৱা নাছিল। এই দিশটোৰ প্ৰতি লক্ষ্য কৰি বিহুৰ গামোচাখনো চুতীয়াসকলৰ অৱদান বুলি ক'ব পাৰি। দুপৰীয়াৰ সূৰ্যৰ লগত দেউৰী-চুতীয়াসকলৰ নিবিড় সম্বন্ধ আছিল। এইবাবে তেখেতসকলৰ বাবে ৰঙা ৰংটো অতিকৈ তাৎপৰ্যপূৰ্ণ। অতীত কালত গুৰু স্থানীয় চুতীয়াসকলে মূৰত টিকনি ৰাখিছিল। টিকনি শব্দটোত টি (তী) অৰ্থ হৈছে চুতীয়াসকলৰ মূল দেৱতা'দেও' আৰু 'কণ' শব্দৰ অৰ্থ হৈছে সঁচ বা কঠীয়া।

# অসমীয়া চহা জীৱনৰ দাপোণ - বিহু

ড° জিতৰাম কলিতা

উৰ্বৰা বিশ্বাসক কেন্দ্ৰ কৰি শস্য বৃদ্ধিৰ কামনাৰে অসমীয়াই পালন কৰা প্ৰধান ৰঙ্গোৎসৱ হৈছে বিহু। বিহু উৎসৱৰ মূল প্ৰেৰণা হৈছে সৃষ্টিৰ বাবে সক্ষম যুৱক-যুৱতীৰ জৰিয়তে কৃষি পথাৰখন শস্য-শ্যামলা হোৱাৰ আকাংক্ষা। নৱ বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱত অৱশ্যে আগন্তুক নতুন বছৰবোৰ অপায়-অমংগলৰ পৰা ৰক্ষা পাবলৈ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা আৰু বসন্ত কালৰ মনোৰম প্ৰাকৃতিক বন্দনা দেখিবলৈ পোৱা যায়।

৫৯৪ খ্ৰীষ্টাব্দত কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাই কামৰূপী অব্দ সৃষ্টি কৰি ভাস্কৰাব্দ নামেৰে সুকীয়া অব্দ প্ৰচলন কৰাত ই অসমৰ জাতীয় অব্দ হৈ পৰে আৰু প্ৰথম ব'হাগৰ পৰাই এই শব্দ আৰম্ভ হৈছিল। ইয়াৰ ফলস্বৰূপে ব'হাগ মাহেই অসমীয়া মানুহৰ জাতীয় জীৱনৰ আয়ুস ৰেখা স্বৰূপ হৈ পৰে।

"সমাজৰ পথাৰত          কোন খেলুৱৈয়ে
কাকবা সাজিছে ঢোপ,
.................................................
ইফালেদি পথিয়াই ৰংমন ভদীয়া
সিফালেদি লথিয়াই তোক নাজিতৰা,
ৰঙালী বিহুটো কঙালী কৰিলে
পেটৰে নুওছে ভোক...।

সুধাকণ্ঠ ড° ভূপেন হাজৰিকাই শোষণ-বঞ্চনা-অনাটন-দুৰ্যোগ-সন্ত্ৰাস আদি আপদবোৰে অসমীয়া জনসমাজত অহৰহ থেকেচি থাকিলেও ৰঙালী বিহুৰ দিনকেইটাত অসমবাসীয়ে নিজা জাতীয় তথা জনগোষ্ঠীয় প্ৰচলিত পৰম্পৰাৰে ব'হাগক আদৰিবলৈ আহ্বান জনাইছিল। তেখেতে উপলব্ধি কৰিছিল যে অসমৰ সকলো লোকে বিহু মাৰিব পাৰে যদিও আঞ্চলিক বিভিন্নতা আছে। এই বিভিন্নতাৰ মাজত ঐক্যৰ সেতু ৰচনা কৰিছে বিহুৱে। এই বিভিন্নতাৰ প্ৰধান কাৰণ হৈছে আৰ্থ-সামাজিক বিকাশৰ অসমতা।

ৰঙালী বিহু অসমৰ জাতীয় জীৱনৰ বৰ্ণাঢ্য লোক-সংস্কৃতিৰ আপুৰুগীয়া সম্পদ। এই সংস্কৃতিৰ লোক-প্ৰয়োগ, লোকাচাৰ, ৰীতি-নীতি, লোক সংগীত অসমীয়া জীৱন-ধাৰাৰ সৈতে একাত্মীভূত আছিল আৰু সৰ্বভাৰতীয় ক্ষেত্ৰত সিয়ে অসমীয়াৰ সুকীয়া পদ্ধতিৰ বৈচিত্ৰ্য দাঙি ধৰিছিল। সেয়েহে বিহু অসমীয়া মানুহৰ জাতীয় উৎসৱ, বাপতি সাহোন। বসন্তৰ আগমনত প্ৰকৃতিৰ বুকুত থকা পলাশ, শিমলু, নাহৰ, মদাৰ, কপৌফুল, ভাতফুল আদি হৰেকৰকমৰ ফুল ফুলি প্ৰকৃতিয়ে কিন্দীয়া ৰূপ ধাৰণ কৰে।

"আজি বিহু বিহু কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ বতৰ,
শিমলু ফুলিলে পলাশ ফুলিলে
গছকত ভাঙি যাওঁ যতৰ।"

ধৰাৰ বুকুত থকা গছ-লতাবোৰ বতাহত হালি-জালি থাকে। সেউজীয়া ৰঙৰ সমাৰোহেৰে পৰিপূৰ্ণ হৈ উঠে ব'হাগ। কুলি-কেতেকী চৰায়ে সুমধুৰ গীত আৰম্ভ কৰে। ন-পানীয়ে জান-জুৰি আৰু খেতি-পথাৰ ওপচাই পেলায়। কৃষিজীৱী মানুহে হাড় ভঙা পৰিশ্ৰম কৰি থকা অৱস্থাৰ মাজতে নিজৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা বুজি পাইছিল যে এয়া হৈছে নতুন সৃষ্টিৰ সময়। প্ৰকৃতিৰ বিভিন্ন অনুষ্ঠানৰ অনুকৰণতে তেওঁলোকে যৌৱনৰ গীত গাই নৃত্য আৰম্ভ কৰিছিল। স্বতঃস্ফূৰ্তভাৱে সৃষ্টি হৈছিল বিভিন্ন গীত আৰু নৃত্য। বিহুৰ লগত বিহুগীতৰ সম্পৰ্ক তেজ-মঙহৰ নিচিনা। ডেকা-গাভৰুৰ মনৰ বতৰা প্ৰকাশ কৰাই হৈছে বিহুগীতৰ ঘাই বিষয়বস্তু। বিহুগীতত কৃষিজীৱী অসমীয়া মানুহৰ সুখ-দুখ, আশা-আকাংক্ষাৰ ছবি প্ৰতিফলিত হোৱা দেখা যায়। পৰৱৰ্তী কালত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱে গীতবোৰত ধৰ্মীয় প্ৰলেপ দিছে। বিহুগীতবোৰত যৌন অনুভূতি আৰু যৌন উপভোগৰ উপমা সমৃদ্ধ শালীনতা প্ৰকাশ মন কৰিবলগীয়া। যৌৱনৰ প্ৰাণ-চঞ্চলতাৰে পৰিপূৰ্ণ ডেকা-গাভৰুৰ মানসিক তথা শাৰীৰিক সান্নিধ্যৰ বাবে উন্মুখ হৈ থকাটো স্বাভাৱিক যদিও তাৰ বাবে উভয় পক্ষৰ সম্মতিৰ প্ৰয়োজন। সকলো দিশৰপৰা সমৃদ্ধ আৰু স্বাধীন এখন সমাজত জোৰ-জুলুমৰ কথাৰ প্ৰশ্ন নাই। কোনো এজন ডেকা এগৰাকী গাভৰুৰ বন্ধু হ'ব পাৰে, কিন্তু সুবিধা পালেই বৰ্তমান সমাজত চলি থকা বলাৎকাৰীৰ ভূমিকা ল'ব নোৱাৰে। কাৰণ গাভৰুৰ জবাব "মনৰ জোখাই নেপাও মানে দেহাকো নকৰো চুৱা।" এনে ধৰণৰ সম্পৰ্কৰ ক্ষেত্ৰ ত বিহুগীতত স্বাভাৱিক প্ৰাণময়তাৰ প্ৰকাশহে লক্ষণীয়।

"কিনো চ'ত মহীয়া ব'দে চৌ চৌ
পেটতো লাগিছে ভোক,
টিয়ঁহো নহ'লি চিৰালো নহ'লি
কেঁচাই খালোহেঁতেন তোক।"

বিহুৰ গীত আৰু নৃত্যবোৰ অসমীয়া মানুহৰ কৰ্মময় জীৱনৰ বৰ্ণিল প্ৰকাশ বুলি আখ্যা দিব পাৰি। নৃত্যৰ লগতে বিভিন্ন বাদ্য-যন্ত্ৰ সংযোগ কৰা হয়। এইদৰে নৃত্য-গীতৰ লগত ঢোল, পেঁপা, গগনাৰ সমাহেৰে এক আনন্দ উৎসৱৰ ৰূপ গ্ৰহণ কৰে। এই আনন্দ উৎসৱে নাম পালে ব'হাগ বিহু বা ৰঙালী বিহু।

অসমৰ বিহু সংস্কৃতি হ'ল প্ৰকৃতাৰ্থত পথাৰৰ সংস্কৃতি। অসমীয়া সমাজৰ দাপোন হৈছে অসমীয়া সংস্কৃতি। এখন সমাজ নাৰী সমাজক নিৰ্ভৰ কৰি গঢ় লৈ উঠে। অৰ্থাৎ সমাজৰ নৈতিক তথা সাংস্কৃতিক উন্নতি- অৱনতি নাৰীৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। কৃষি-কৰ্মৰ থলি পথাৰত পুৰুষৰ লগত মহিলাৰ সহযোগিতাৰ এক অপূৰ্ব নিদৰ্শনৰ ছবি বিহুগীতত দেখা পোৱা যায়।


"তুমি কৰি যাবা বোৱনী দাৱনী
মই বাই যাম হাল,
তুমি লগাই যাবা বিহুৱে গামোচা
মইনো পাতি দিম শাল।"

বিহুক অসমীয়া মানুহৰ বাতি সাহোন বুলি আখ্যা দিয়া হয়। বাপতি শব্দৰ অৰ্থ হৈছে পৈতৃক বা পিতৃপুৰুষীয়া আৰু সাহোন শব্দৰ অৰ্থ হৈছে সম্পত্তি। গতিকে বাপতি সাহোন মানে পৈতৃক সম্পত্তি বা পুৰুষানুক্ৰমিক লাভ কৰা সম্পত্তি।

খ্ৰীষ্টপূৰ্ব দহহেজাৰমান চনত চীন দেশৰ পথাৰত ধানখেতি কৰাৰ প্ৰথা আৰম্ভ হৈছিল বুলি প্ৰত্ন-তাত্ত্বিকসকলে মত আগবঢ়াইছে। ধান ৰোপণ কৰাৰ আগে আগে যুৱক-যুৱতীয়ে পথাৰত চিয়ঁৰি-চিয়ঁৰি যৌন-গন্ধী নাম গাই ৰং-ধেমালি কৰিছিল। চীনা জনসাধাৰণে বিশ্বাস কৰিছিল যে তেনে ধৰণৰ ৰং-ধেমালি কৰিলে পৃথিৱী সগৰ্ভা হৈ পৰে আৰু খেতিৰ ফচল অধিক উৎপন্ন হয়। আজি-কালি চীনদেশত এপ্ৰিল আৰু মে মাহৰ মাজত একোখন নদীৰ এটা পাৰত যুৱকসকলে আৰু আনটো পাৰত গাভৰুসকলে ৰৈ থাকি পৰস্পৰে পৰস্পৰক যুটি যোৰা-নাম গোৱাৰ প্ৰথা প্ৰচলিত হৈ আছে।

মংগোলীয় গোষ্ঠীৰ এটা উল্লেখযোগ্য ঠাল হৈছে চীন-তিব্বতীয়সকল। এই চীন-তিব্বতীয় গোষ্ঠীৰ অন্তৰ্গত দুটা প্ৰধান শাখা হৈছে (১) তাই আহোম আৰু আনটো দেউৰী-চুতীয়াসকল। নিবন্ধকাৰ দীনেশ গগৈদেৱৰ মতে খ্ৰীষ্টীয় ৫ম শতিকাত চীনদেশৰ য়ুনান প্ৰদেশৰ পৰা দেউৰী চুতীয়াসকলে প্ৰব্ৰজন কৰি আহি তিব্বত দেশৰ ছি-ছুৱান অঞ্চলত কিছুকাল বসবাস কৰাৰ পাছত তেওঁলোকে সৌমাৰ পীঠত ব্ৰহ্ম পুত্ৰ উপত্যকালৈ প্ৰব্ৰজন কৰি আহি বুঢ়ীদিহিং নদীৰ আশে-পাশে বসবাস কৰিবলৈ আৰম্ভ কৰিছিল। এওঁলোক "তীয়া" ধৰ্মাৱলম্বী লোক আছিল। 'তীয়া' ধৰ্মৰ মূল দেৱতা আছিল 'তী' অৰ্থাৎ সূৰ্য। তেওঁলোকে দুপৰীয়াৰ সূৰ্যক সৃষ্টিকৰ্তা বুলি জ্ঞান কৰি সূৰ্যক "স্থ" বা "স্থা" বুলি কৈছিল। এই "স্থ" বা "স্থা" শব্দৰ লগত তীয়া শব্দ যোগ হৈ চুতীয়া শব্দৰ সৃষ্টি হৈছিল। চুতীয়াসকল কৃষি-কৰ্মৰ ওপৰত নিৰ্ভৰশীল আছিল। তেখেতসকলে য়ুনান প্ৰদেশৰপৰা প্ৰব্ৰজন কৰি আহোঁতে খেতিৰ আৰম্ভণিৰ সময়ত পথাৰত বা নৈৰ পাৰত যুৱক-যুৱতীয়ে যোৰানাম গোৱা প্ৰথাটো লগত লৈ আহিছিল আৰু ব'হাগ মাহতে ৰংতামাচাৰ এক উৎসৱ পালন কৰিছিল। এই ৰঙিয়াল উৎসৱক তেখেতসকলে নাম দিছিল "বিচ্ছু", এই বিচ্ছু শব্দৰপৰাই বিহু শব্দৰ সৃষ্টি হৈছিল।

মংগোলীয় গোষ্ঠীৰ মানুহৰ বসতি উজনি অসমত সংখ্যা অধিক আৰু তেওঁলোকে "শ", "ষ" আৰু "স" এই বৰ্ণ কেইটাৰ ঠাইত 'হ' বৰ্ণ উচ্চাৰণ কৰে। যেনে-বিষ-বিহ। পাষ-পাহ, শৰাই পোৱা-হেৰাই পোৱা। দেউৰী-চুতীয়াসকলে সৌমাৰপীঠলৈ আহি বাওধানৰ খেতি আৰম্ভ কৰিছিল। আহিন কাতি মাহত বাওধানে গেৰ মেলে বাবে ধান অনিষ্ট কৰিবলৈ অহা পোক-পতংগ পুৰি মাৰিবলৈ খেতি-পথাৰত চাকি জ্বলাইছিল। এই চাকি জ্বলোৱা নিয়মৰপৰাই কাতি বিহুৰ উৎপত্তি হৈছিল।



খেতি চপোৱাৰ কাম শেষ হোৱাৰ পুহ মাহৰ শেষত গাঁৱৰ সকলোৱে মিলিজুলি ৰাতি ভোজ-ভাত খাইছিল। ম'হৰ শিং কঁপোৱা জাৰৰপৰা হাত সাৰিবলৈ ৰাইজে জ্বলাই লোৱা জুই কুৰাৰপৰা পাছলৈ মাঘৰ বিহুত মেজি জ্বলোৱাৰ নিয়ম হৈছিল। এইদৰে মাঘ বিহু বা ভোগালী বিহুৰ সৃষ্টি হৈছিল। আহোমসকলে চুতীয়াসকলক 'তি-উৰা' বা 'তিহোৰা' অৰ্থাৎ বুঢ়া তাই বুলি মাতিছিল।

নিবন্ধকাৰ জিতু কুমাৰ লেখাৰুদেৱে তাই আহোমসকলৰ বাবে বিহু এক আপুৰুগীয়া সাংস্কৃতিক সম্পদ বুলি উল্লেখ কৰিছে। টাই-আহোমসকলক বাদ দি বিহুৰ কথা ভাবিবই নোৱাৰি। পথাৰৰ মাজত থকা বৰগছ আৰু আঁহত গছৰ তলৰপৰা বিহুক ঘৰত চোতাললৈ আদৰি অনাত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল আহোম স্বৰ্গদেউসকলে। স্বৰ্গদেউ চুহুংমুঙ দিহিংগীয়াৰ ৰাজত্ব কালত এই বিহু উৎসৱৰ যোগেদি অসমীয়া জাতীয় সংহতিত প্ৰীতিৰ এৰাঁ জৰীডাল কটকটীয়া কৰিবলৈ যথেষ্ট প্ৰেৰণা যোগাইছিল। টাই-আহোমসকলৰ বিহুৰ পৰম্পৰাবোৰ আহি অসমত বসবাস কৰা জনজাতি আৰু অজনজাতিলোকৰ মাজত সোমাই পৰিছিল আৰু অজনজাতিসকলৰ ভালেমান পৰম্পৰা বিহু অনুষ্ঠানৰ মাজত প্ৰৱেশ কৰিছিল। এইবাবে বৰ্তমান কালত জনজীৱনত প্ৰচলিত হৈ থকা ৰঙালী বিহুত অসমৰ জাতি-জনজাতিবোৰৰ এৰা-ধৰা নীতিৰ ফলত গঢ়লৈ উঠা এটা সাৰ্বজনীন জনপ্ৰিয় ৰঙ্গোৎসৱ।

টাই-আহোমসকলৰ বিহু বুলি ক'লে আমাৰ মনলৈ আহে বৰ্তমানৰ অসমৰ সমাজ-জীৱনত প্ৰচলিত হৈ থকা বিহুটি। বিহুৰ শেষত এদিন গাঁৱৰ এমূৰত সকলো লগ হৈ বিহু উৰুৱায়। সেইদিনা ভোজ-ভাত খাই বিহু মাৰি আনন্দ উপভোগ কৰে। গছ এজোপাত বিহুৱান এখন আঁৰিলৈ সেই বছৰৰ বাবে বিহু উৰুৱা হয়।

ত্ৰয়োদশ শতিকাৰ আগভাগত চাওলুং চুকাফাৰ নেতৃত্বত সৌমাৰপীঠলৈ অহা তাই আহোমসকলে পানী আৱদ্ধ কৰি ৰাখিবলৈ সৰু সৰু আলি দি বাম মাটিৰ পথাৰত শালিধানৰ খেতি কৰাৰ প্ৰথা লগত লৈ আনিছিল। আগতে সৌমাৰ পীঠলৈ অহা চুতীয়াসকলৰ বিহু সীমাবদ্ধ আছিল থকা ঘৰৰ পৰা আঁতৰত অৰ্থাৎ পথাৰৰ গছৰ তলত। আনহাতে ঘৰৰ চোতালত অনুষ্ঠিত কৰা বিহু সূচনা হৈছিল আহোমৰ ৰাজত্বকালৰ আৰম্ভণিৰ পৰা।"

গভীৰ ভাৱে অধ্যয়ন কৰিলে দেখা যায় যে প্ৰাচীন বিহুনামবোৰৰ অধিকাংশই চুতীয়ালোকৰ দ্বাৰা ৰচনা কৰা। ইয়াৰ প্ৰমাণ হৈছে সেই বিহুনামবোৰত উল্লেখ থকা ককাইটি, ভনীটি আদি বিভিন্ন সম্বোধনবোৰ। 'তী' যেনেকৈ চুতীয়াসকলৰ সন্মানসূচক সম্বোধন, ঠিক তেনেকৈ আহোমসকলৰ সন্মানসূচক সম্বোধন হৈছে 'দেউ'। এইবাবে অসমীয়া ভাষাৰ সন্মানসূচক সম্বোধনবোৰৰ পিচৰফালে 'দেউ' লগ লাগিল আহোমসকলৰ ৰাজত্ব কালৰ পৰাহে। ৰং-ধেমালি সম্বন্ধীয় বিহুনামবোৰৰ অধিকাংশই আহোম আৰু ব্ৰিটিছৰ ৰাজত্বকালত ৰচিত হোৱা।

"ওলাই দেখা পালোঁ কাৰেঙৰ কলচী
সোণতে সুৰগা চৰে,
গা ধুই থাকোতে চেনাইকে দেখিলোঁ
শৰীল চাটি-ফুটি কৰে।"

" 'ক'য়ে কলিকতা 'গ'য়ে গুৱাহাটী
'ল'য়ে লক্ষীমপুৰত ঘৰ,

আহোঁতে সোমাবা যাওঁতে সোমাবা
মোৰে আলিৰ কাষত ঘৰ।"

চুতীয়াসকলে বিহুবানখনক 'বিহু আৰোহণ' বুলি কৈছিল। প্ৰাচীন কালত গামোচাৰ আঁচুত ৰঙা ৰঙৰ বাদে অন্য ৰঙৰ আঁচু ব্যৱহাৰ হোৱা নাছিল। এই দিশটোৰ প্ৰতি লক্ষ্য কৰি বিহুৰ গামোচাখনো চুতীয়াসকলৰ অৱদান বুলি ক'ব পাৰি। দুপৰীয়াৰ সূৰ্যৰ লগত দেউৰী-চুতীয়াসকলৰ নিবিড় সম্বন্ধ আছিল। এইবাবে তেখেতসকলৰ বাবে ৰঙা ৰংটো অতিকৈ তাৎপৰ্যপূৰ্ণ। অতীত কালত গুৰু স্থানীয় চুতীয়াসকলে মূৰত টিকনি ৰাখিছিল। টিকনি শব্দটোত টি (তী) অৰ্থ হৈছে চুতীয়াসকলৰ মূল দেৱতা 'দেও' আৰু 'কণ' শব্দৰ অৰ্থ হৈছে সঁচ বা কঠীয়া। টিকনি থকা মানুহবোৰ মূল দেৱতাৰ বংশধৰ টিকনিডালৰ আগত বান্ধি ৰাখিছিল একোপাহ ৰঙা ৰঙৰ ফুল। গতিকে ধৰ্মীয় পৰম্পৰা অনুযায়ী ৰঙা আঁচু দি গামোচা বৈছিল দেউৰী-চুতীয়াসকলে।

বিহুৰ পৰম্পৰা অনুসৰি কেৱল মাত্ৰ বিহুৱতীয়ে খিলাখোপাত কপৌফুল গুজি লোৱাৰ নিয়ম আছিল। দেউৰী-চুতীয়াসকলৰ পৰাই এই নিয়মটো আহিছে বুলি বহুতো পণ্ডিতে ক'ব বিচাৰে। কিয়নো চুতীয়াসকলে খিলাখোপাটো দুপৰীয়াৰ সূৰ্য বুলি ভাৱে আৰু কপৌফুলপাহে সেই সূৰ্যৰ মৰল সৃষ্টি কৰে বুলি ধৰি লৈছিল। পুষ্পিতা হোৱা গাভৰুৱেহে মাত্ৰ খোপাত কপৌফুল গুঁজি ল'ব পাৰিছিল। অপুষ্পিতা ছোৱালীয়ে খোপাত কপৌফুল গুঁজি লোৱা নিষেধ।

বিহুৱতীয়ে কপালত ফোট লয়। এই ফোট লোৱা নিয়মটো দেউৰী-চুতীয়াসকলৰ পৰা আহিছে যেন বোধ হয়। ইয়াৰ কাৰণ বিহুৱতীৰ কপালত থকা ঘূৰণীয়া ডাঙৰকৈ লোৱা ৰঙা ফোটটোক সূৰ্যৰ প্ৰতীক বুলি দেউৰী-চুতীয়াসকলে গণ্য কৰিছিল। বিহুৱাই ব্যৱহাৰ কৰা টঙালিখন দেউৰী-চুতীয়াসকলৰ অৱদান বুলি বহুতে কয়। চুতীয়া যুঁজাৰুসকলে কঁকালত এই ধৰণৰ টঙালি মাৰিহে যুদ্ধ খলিলৈ গৈছিল।

বিহুৰ সাজ বুলি বিহুৱাই পৰিধান কৰা চুৰিয়া আৰু চোলা অৰ্থাৎ বিহুমৰা পোচাকটো তাই আহোমসকলৰপৰা অহা বুলি ক'ব পাৰি। ছাওল্যুং চুকাফাই সৌমাৰপীঠলৈ অহাৰ পাছত চুৰিয়া পিন্ধাৰ আৰ্হি গ্ৰহণ কৰিছিল বিজিত বৰাহী আৰু মৰাণসকলৰ পৰা। সাধাৰণ শ্ৰেণীৰ মানুহে (পাইক শ্ৰেণীৰ লোকে) সন্ধিয়া ঘৰে ঘৰে গৈ বিহু মাৰিছিল বাবে তেতিয়াৰে পৰাই বিহুৱাসকলে চুৰিয়াখন আঁঠু ঠাকি কলাফুল উলিয়াই পিন্ধিব লাগিছিল।

খ্ৰীষ্টীয় ১৫৩৬ চনৰ পাছত স্বৰ্গদেউ চুহংমুং দিহিঙীয়াই নগা অধ্যুষিত নংপুৰ অধিকাৰ কৰিছিলয নংপুৰ দখলৰ পাছত নগাসকলৰ লগত সন্ধি স্থাপন কৰিছিল। সন্ধিৰ চুক্তি অনুসৰি নংপুৰৰ নিমখৰ পুং থকা অঞ্চলটো ঘূৰাই দি আহোমসকলক বছৰটো জোৰা মৰাকৈ নগাসকলে নিমখ যোগান ধৰিব লাগিব। বছৰৰ প্ৰথম মাহতে এই নিমখ যোগান ধৰাৰ বিনিময়ত নগাসকলৰ প্ৰয়োজনীয় খাদ্য-সামগ্ৰী আহোমসকলে সময়মতে যোগান ধৰিব।

নিবন্ধকাৰ ধীৰেণ ফুকনদেৱৰ লেখাৰ পৰা জানিব পাৰি যে স্বৰ্গদেউ চুহংমুঙে নতুন বছৰৰ ব'হাগ মাহত এক নতুন প্ৰথাৰ সৃষ্টি কৰিলে। এই নতুন প্ৰথাই হৈছে হুঁচৰি গোৱা প্ৰথা। ব'হাগ মাহতে পাইক বা জনসাধাৰণে ৰজাঘৰীয়া মন্ত্ৰী, ডা-ডাঙৰীয়া, বিষয়া আৰু বছা বছা প্ৰজাৰ ঘৰত হুঁচৰি মৰা প্ৰথা প্ৰথমে আৰম্ভ কৰিলে। ব'হাগৰ পহিলা দিনৰপৰা স্বৰ্গদেউৰ ঘৰৰ পৰা আৰম্ভ কৰি মন্ত্ৰী, ডা-ডাঙৰীয়া, বিষয়াবৰ্গ আৰু বছা বছা প্ৰজাৰ ঘৰত হুঁচৰি গাই সংগ্ৰহ কৰা সামগ্ৰী ৰাজ-ভঁৰালত জমা কৰিছিল। পিছলৈ সকলো জনসাধাৰণৰ ঘৰলৈকে হুঁচৰি গোৱা প্ৰথা বিস্তাৰিত হৈ পৰে আৰু আহোম ৰাজ্যত চুবুৰীয়া সৰু সৰু ৰাজ্যসমূহতো এই হুঁচৰি গোৱা প্ৰথা বিয়পি পৰিছিল।"

তাই পণ্ডিতসকলে হুঁচৰি শব্দটো তাই ভাষাৰ শব্দ বুলি কৈছে। তেখেতসকলৰ মতে 'হু' মানে চিঞৰি চিঞৰি, 'চ' মানে আশীৰ্বাদ আৰু 'ৰি' মানে উত্তেজিত। অৰ্থাৎ আনন্দত উত্তেজিত হৈ চিঞৰি চিঞৰি যি আশীৰ্বাদ দিয়া হয় সেয়ে হুঁচৰি। সাধাৰণ অৰ্থত মনৰ আনন্দত হুঁচ এৰি যি নৃত্য-গীতত অংশ গ্ৰহণ কৰা হয় সেয়ে হুঁচৰি। আগতে ব'হাগৰ মানুহ বিহুৰ দিনৰ পৰা মানুহৰ ঘৰে ঘৰে গৈ হুঁচৰি দলে গৃহস্থক আশীৰ্বাদ দিছিল। তামোল-পাণ, শৰাই, গামোচা, হাঁচতি নাইবা টকা-পইচাৰেও বাইজক মান ধৰা হৈছিল।"

"বিহুৱে বাতৰি আনিছো হুঁচৰি
বছৰৰ একেটি দিনে ঐ গোবিন্দাই ৰাম।"

হুঁচৰিৰ জন্ম সংক্ৰান্তত ড° লীলা গগৈদেৱে লিখিছে - "ব্ৰহ্মদেশত আজি-কালিৰ ব'হাগ বিহুৰ সময়ত হুঁচৰি গাই গাই ৰাজ-আলিয়েদি গৈ থাকে। আলিবাটৰ দুয়োকাষত থকা ঘৰবোৰৰ গৃহস্থই সপৰিয়ালে আলিবাটলৈ ওলাই আহি মাননি শৰাই আগবঢ়াই দি আশীৰ্বাদ গ্ৰহণ কৰে। আমাৰ দেশতো তেনেকৈ এসময়ত হুঁচৰি গাইছিল যেন অনুমান হয়। সামন্ত বা মধ্য যুগত ৰজা, ডা-ডাঙৰীয়া আদিক তোষামোদ কৰিবৰ বাবে তেওঁলোকৰ চোতালত হুঁচৰি গোৱাৰ পৰম্পৰা এটা সৃষ্টি হৈছিল।"

বিহুৰ আনুষংগিক বাদ্য ম'হৰ শিঙৰ পেঁপা আৰু গগণা দেউৰী-চুতীয়াসকলৰ অৱদান বুলি ধাৰণা কৰা হয়। পেঁপা বাদনৰ আৰম্ভণি হয় 'তি'ৰে। তিহিতি তিহিতি ... বুলি বজোৱা কলিৰে হয় সেই আৰম্ভণি। ওপৰলৈ মুখ কৰি পেঁপা বজোৱা এই 'তি'ৰে সৰগত থকা 'তী'ক স্বাগতম জনোৱা হয়। গগনা শব্দটো আহিছে গগণ (আকাশ) শব্দৰ পৰা।

দশম-একাদশ শতিকাত বাইহাটা চাৰিআলিৰ ওচৰত থকা মদন-কামদেৱ আৰু পিংগলেশ্বৰ দেৱালয়ৰ ধ্বংসাৱশেষত উদ্ধাৰ হোৱা বিহু-নৃত্যৰ ভংগীমাত থকা নৰ্তকী ভাস্কৰ্য আৱিষ্কৃত হৈছে। এই আৱিষ্কাৰে বিহু তাই-আহোমসকলৰ পৰিবৰ্তে দেউৰী-চুতীয়াসকলৰ লগতহে অহাৰ কথাৰ নিশ্চয়তা প্ৰতিপন্ন কৰিছে। কাৰণ দেউৰী-চুতীয়াসকল ৫ম শতিকাতে সৌমাৰপীঠলৈ আহিছিল। আনহাতে তাই-আহোমসকল সৌমাৰপীঠলৈ আহিছিল খ্ৰীষ্টীয় ত্ৰয়োদশ শতিকাৰ আগভাগত। হুঁচৰি গোৱা প্ৰথা তাই-আহোমসকলে লগত লৈ আনিছিল আৰু চুতীয়াই লগত অনা বিহু আৰু তাই আহোমৰ হুঁচৰি লগ লাগি চোতাল পাইছিলহি আহোমৰ ৰাজত্বকালত।

স্বৰ্গদেউ ৰুদ্ৰসিংহই ৰঙালী বিহুক ৰংঘৰৰ বাকৰিত অনুষ্ঠিত কৰিবলৈ লোৱাৰ পিছৰে পৰাই বিহুৰ নৃত্য-গীতে প্ৰসাৰ লাভ কৰিছিল। যাঠী বছৰমান আগলৈকে বিহু-নৃত্য আৰু বিহুগীতে নামনি অসমত প্ৰসাৰতা লাভ কৰা নাছিল। স্বৰ্গদেউ ৰুদ্ৰসিংহৰ আদৰ্শত অনুষ্ঠিত কৰিবলৈ গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱাদেৱে গুৱাহাটীৰ লতাশিল খেল-পথাৰত ১৯৫২ চনত লোৱা প্ৰচেষ্টাৰ ফলতে মঞ্চবিহুৱে নামনি অসমতো ৰঙালী বিহুক জনপ্ৰিয় কৰি তুলিছে। এই ক্ষেত্ৰত প্ৰচাৰ মাধ্যমৰো অৰিহণা আছে। প্ৰবন্ধলিখকৰ জন্মস্থান বাইহাটা চাৰিআলি অঞ্চলত প্ৰতি বছৰে মঞ্চ বিহু অনুষ্ঠিত হৈ আহিছে যদিও এতিয়াও ৰঙালী বিহুত ঘৰে ঘৰে হুঁচৰি গোৱা দেখা নেযায়। তথাপিতো এতিয়া ৰঙালী বিহু উজনি অসমতে বিহু-নৃত্য আৰু বিহুগীতেৰে সীমাবদ্ধহৈ থকা নাই। ই এতিয়া সমগ্ৰ অসমৰ জাতি-জনগোষ্ঠীৰ জাতীয় উৎসৱত পৰিণত হৈছে।

বিহু আচলতে প্ৰকৃতিৰ পৰশ পাই জনজীৱনৰ মনত সৃষ্টি হোৱা অনুভূতি মাথোন। প্ৰবন্ধকাৰ লোহিত ৰাভাদেৱৰ মতে অসমৰ সকলোবোৰ জাতি-জনগোষ্ঠীৰে কৰ্মময় জীৱন-ধাৰাৰ সৈতে সাঙোৰ খাই থকা আৱেগ-অনুভূতি, প্ৰেম-আকাংখা সকলো একে। মাত্ৰ এইবোৰৰ বহিঃপ্ৰকাশে হৈছে বিহু। বড়ো জনগোষ্ঠীৰ বৈশাগু, ৰাভা জনগোষ্ঠীৰ বহৰঙী আৰু মিচিংসকলৰ ঐনিতমত এই ৰূপ প্ৰতিফলিত হৈছে। বড়ো ভাষাত ব'হাগ বিহুক বৈশাগু বোলে। বড়ো ভাষাৰ শব্দ বৈখ্যুৰ পৰা বিহু শব্দ সৃষ্টি হৈছে বুলি কোনো কোনোৱে ক'ব খোজে। দেউৰীসকলে বিহুক 'বিচু' বুলি কয়। দেউৰী ভাষাত 'বি' মানে অতি বা বেছি আৰু 'চু' মানে আনন্দ। ডিমাচাসকলে বিহুক 'বিচু' বুলি কয়। 'জাওবানি' আৰু 'পায়খানবানি' বিচু নৃত্য। ব'হাগ বিহুক ডিমাচাসকলে বাঙ্গিশাগী বিচু বোলে। তিৱাসকলে 'পিছাক-পিচু' বুলি কয়।"

ড° মহেশ্বৰ নেওগদেৱে সংস্কৃত ভাষাৰ 'বিষুবৎ' শব্দৰপৰা বিহু শব্দ সৃষ্টি হৈছে বুলি কৈছে। উজনি অসমতকৈ নামনি অসমত আৰ্যমূলীয় গোষ্ঠীৰ মানুহৰ সংখ্যা সৰহ। ব'হাগ বিহুৰ সাতটা বিভাগৰ গৰু বিহু, মানুহ বিহুৰ বা চেনেহী বিহু আৰু কুটুম বিহু নামনি অসমতো পালন কৰা হৈছিল। বিহু উদ্‌যাপন কৰা বিষয়ত এইটো স্পষ্ট যে আঞ্চলিক বৈশিষ্ট্য সৰ্বত্ৰ বিৰাজমান। মানুহ বিহুত হাঁহ-কুকুৰাৰ শত্ৰু শিয়াল-খেদা প্ৰথা ঠায়ে ঠায়ে দেখা গৈছিল। চ'ত মাহত মুকলি পথাৰৰ মুকলি আকাশৰ তলত ডেকা-গাভৰুৱে বেলেগ বেলেগকৈ দল বান্ধি বিহুগীত আৰু নাচোনৰ মাধ্যমেৰে মুকলি বিহু আৰু হুঁচৰি গোৱা দেখা পোৱা নগৈছিল। অৱশ্যে কাতি বিহুত পথাৰত চাকি জ্বলোৱা আৰু ধৰ্মানুষ্ঠানত বা বাসগৃহত আকাশবন্তি জ্বলোৱাৰ নিয়ম আছে। মাঘবিহুত ভেলাঘৰ আৰু মেজি সজা পৰম্পৰা নামনি অসমত এতিয়াও আছে যদিও উজনি অসমত মেজি সাজে কিন্তু ভেলাঙৰ সজা নহয়। এনেবোৰ পাৰ্থক্য থকাৰ বাবে 'বিষুবৎ' শব্দৰ পৰা বিহু শব্দৰ উৎপত্তি হোৱা বুলি মনে নধৰে।

ৰঙালী বিহুত আটাইতকৈ আকৰ্ষণীয় আৰু উল্লেখযোগ্য অনুষ্ঠান হৈছে হুঁচৰি গোৱা। ৰাইজৰ ব্যক্তিগত চোতালত থিয় হৈ হুঁচৰি গোৱা বিহুনামবোৰত বিহুৰ প্ৰতি মৰম-চেনেহ, আনন্দ প্ৰকাশৰ উদ্‌গ্ৰীৱতা আৰু গৃহস্থক কৰ্তব্যৰ প্ৰতি সকীয়াই দিয়াৰ মনোভাৱ প্ৰকাশৰ লগতে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱা। এই পবিত্ৰ অনুষ্ঠানত আধ্যাত্মিকতাৰ সম্বন্ধ আছে। কিছুমান আলোচকে সাম্প্ৰতিক সময়ত ৰচনা কৰা বিহুসুৰীয়া গীতক বিহুগীত আখ্যা দিছে আৰু পৰম্পৰাগত বিহুগীতক বিহুনাম বুলিছে। বিহুগীত আৰু বিহুনামৰ পাৰ্থক্য দেখুৱাই শ্ৰদ্ধেয় পবিত্ৰ মহন ফুকনদেৱে সা ৰে গা মা নামৰ প্ৰবন্ধত লিখিছে – "গীত হ'ল এটা স্থায়ী আৰু দুটা বা তিনিটা অন্তৰাযুক্ত। গীতৰ ৰচক অৰ্থাৎ গীতিকাৰ থাকে আৰু সুৰকাৰো থাকে, ...... বিহুগীত হ'ল বিহুনামৰ ভেটিত বিহুসুৰীয়াকৈ আধুনিক শৈলীৰে ৰচনা কৰা গীত"। হুঁচৰিৰ গীত-মাতসমূহত গৃহস্থক আশীৰ্বাদ দিয়াৰ প্ৰথা আৰু সেৱা-সৎকাৰ আদি কাৰ্যত বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ আছে। মহাপুৰুষীয়া ধৰ্ম আৰু জনজাতীয় বিশ্বাস পৰম্পৰাৰ সমাহাৰত সৃষ্টি হোৱা ব'হাগ বিহু উৎসৱৰ আনন্দই দেহ-মন পৰিস্ফুট কৰি ৰাখে।"

নামনি অসমৰ বৰপেটাত মহিলাসকলে ব'হাগৰ সাত বিহুৰ দিনা সাত শাক তুলিবলৈ নদীৰ পাৰত অথবা মুকলি পথাৰত নতুবা গছৰ তলত দিনৰ বিহু পাতি ৰং-ৰহইচ কৰিছিল। সেই দিনাৰ বিহুত মহিলাসকলে দুই এটা অশ্লীল গীত-নৃত্য কৰিও মনৰ আনন্দ উল্লাস প্ৰকাশ কৰিছিল। বৰপেটা অঞ্চলৰ মহিলাসকলে সাতশাক তুলিবলৈ যাওঁতে গোৱা গীতাংশ ঃ

"সাঠেকৰ কি কি নাউ,
ভোমোৰাই গুঞ্জৰে পাৰ্বতী নাওহে
সাঠেক তুলিবাকে যাউ।"

বৰ্তমান কালত বৰপেটা অঞ্চলৰ মহিলাসকলে সাত বিহুৰ দিনা মিলিতি হৈ মাৰ্জিত আৰু পৰিশীলিত ৰূপতহে মুকলি পথাৰ অথবা গছৰ তলত আনন্দ প্ৰকাশ কৰে। বৰপেটাৰ মহিলাই বৰদোমাহী অথবা মানুহ বিহুৰ দিনা সাত শাক তুলিবলৈ ওচৰ-পাঁজৰৰ নদী বা মুকলি পথাৰলৈ যায়। উজনিৰ জেং

বিহুৰ সৈতে বৰপেটাৰ সাতশাক তোলা বিহুৰ সাদৃশ্য আছে।[১]

সাম্প্ৰতিক সময়ত বিশ্বায়নে কঢ়িয়াই অনা অপসংস্কৃতিৰ প্ৰভাৱে বিহু সংস্কৃতিক প্ৰদূষিত কৰি ইয়াৰ পৰিশীলিত আৰু অকৃত্ৰিম ধাৰাক গ্ৰাস কৰিবলৈ লৈছে আৰু জাতীয় মূল্যবোধৰ অপমৃত্যু ঘটাইছে। অকৃত্ৰিম লোক-নৃত্যবোৰ আৰু বিহুগীত-বনগীতবোৰ গ্ৰাম্য ভূমিৰ পৰা নগৰীয়া মঞ্চলৈ আহিল। এতিয়া গ্ৰাম্যাঞ্চলতো মঞ্চ কেন্দ্ৰিক বিহু পালনৰ পয়োভৰ বৃদ্ধি পাইছে। সমগ্ৰ অসমতে আধুনিক বিহু মঞ্চত পালন কৰি জেঠ মাহলৈকে বিহু মঞ্চত সাংস্কৃতিক সন্ধিয়া পালন কৰিবলৈ লোৱাত চিন্তাশীল লোকসকলো বিমোৰত পৰিছে।

অঞ্চলভেদে বিহুৰ একোটা স্থানীয় ৰূপ আছিল। সকলো ঠাইতে ব্যক্তিভাৱৰ সলনি সমষ্টিগত ভাৱ উদয় হোৱা দেখা পাইছিলো। ইয়াৰ ফলত মূল্যবোধৰ উদ্ৰেক হোৱা পৰিলক্ষিত হৈছিল। ফলত জাতীয় প্ৰেমৰ বিকাশ ঘটিছিল। এতিয়া দলীয় ভাৱৰ সৃষ্টি, গোষ্ঠী চেতনা আৰু বিহু-সংগঠন আদিৰ ধাৰণাৰহে জন্ম হৈছে। জাতীয় দায়বদ্ধতাৰ সুৰ তাত যেন প্ৰাসংগিক নহয়।

বিহুৰ মঞ্চবোৰত বিহু সংগঠন আৰু বিহু-সংস্কৃতিৰ সাম্প্ৰতিক কালত এটি ভয়ানক অভিশাপ হিচাপে আবিৰ্ভাৱ হৈছে বিত্তীয় বন্যাৰ সুদূৰ প্ৰসাৰী প্ৰভাৱ। বাণিজ্যিক কোম্পানীবোৰে হাত উজান দি বিহু মঞ্চবোৰক সাৰ্বিক দিশত বিত্তৰ পৃষ্ঠপোষকতা দান কৰি ইয়াৰ মূল ৰূপৰ পৰিৱৰ্তন কৰিবলৈ বিচাৰিছে। অত্যাধিক বিত্ত-নিৰ্ভৰশীলতাই বিহু মঞ্চবোৰক অপসংস্কৃতিৰ ফালে আগবঢ়াই নিছে বুলি ক'ব পাৰি। ইয়াৰ ফলত মূল্যবোধৰ অবক্ষয়ত অধিক বৰঙণি যোগাইছে। এনেবোৰ দিশৰ প্ৰতি বিহু মঞ্চবোৰৰ কৰ্মকৰ্তাসকলে দৃষ্টি ৰাখিব লাগে। মঞ্চ-শিল্পী, প্ৰতিযোগী শিল্পী আদি সকলোৰে বাচ-বিচাৰ বিত্তীয় ধ্যান-ধাৰণাৰ মাজেৰেহে কৰা হয়। ইয়াৰ ফলত সকলো বাচ-বিচাৰৰ মাজত কৃত্ৰিমতা আৰু উদ্যোগীকৰণৰ চিন্তা-ভাৱনাই ক্ৰিয়া কৰে যেন বোধ হয়।

লোক-সংস্কৃতিৰ গহনা লৈ বিহুৰ নামত ৰাষ্ট্ৰীয় ঘাইপথ আৰু অন্যান্য পথত যান-বাহন আদি আগচি ধৰি চান্দা আদায় কৰি বিহুৰ অন্তৰ্নিহিত আবেদনক বুঢ়া-আঙুলি প্ৰদৰ্শন কৰিছে। নৃত্য-গীত আৰু সংস্কৃতি প্ৰদৰ্শনত ধনী-দুখীয়া সকলো শিল্পীৰে স্বাভাৱিক সম-অধিকাৰ বৰ্তাই ৰাখিব লাগে। বিহু মঞ্চবোৰত বিত্ত বিনিয়োগৰ প্ৰৱণতা ক্ৰমিকভাৱে হ্ৰাস কৰি ৰঙালী বিহু উদ্‌যাপন সমিতিবোৰে অসমৰ লোক-নৃত্য, লোক-সংস্কৃতিৰ স্বৰূপৰ বিকাশত অৱদান যোগোৱাৰ প্ৰয়াসত ব্ৰতী হ'বলৈ আহ্বান জনাইছোঁ আৰু বিহুক পণ্য সামগ্ৰীত পৰিণত কৰি সস্তীয়া আমোদৰ আহিলা কৰা সকলৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰি ৰঙালী বিহুৰ অন্তৰ্নিহিত জাতীয় প্ৰেমৰ দায়বদ্ধ সুৰটোহে প্ৰতিধ্বনিত কৰিব অনুৰোধ জনালোঁ। অসমৰ বিহু মঞ্চবোৰে ব'হাগ বিহুৰ জাতীয় সংস্কৃতি আৰু জাতীয় প্ৰেম ৰক্ষা কৰিব বুলি আশা কৰিলোঁ।

"উজনি নামনি বৰ ঘৰ এখনি
একেখন বোঁৱতী নদী,
একেখন গামোচাৰ দীঘ আৰু বাণি
পীৰিতিৰ চানেকি জুৰি।"


সহায় লোৱা প্ৰবন্ধ :

১। ড' মানিক শইকীয়া : বিহুগীতৰ ঐশ্বৰ্য বিচাৰ

২। অজিত দত্ত : বিহু আৰু নাৰী

৩। দীনেশ গগৈ : চুতীয়াৰ বিচুয়েই বাপতি সাহোন বিহু

৪। জিতু কুমাৰ লেখাৰু : তাই আহোমসকলৰ ব'হাগ বিহু

৫। ধীৰেণ ফুকন : হুঁচৰি ইতিহাস

৬। ফণীন্দ্ৰ নাথ গায়ন : ব'হাগ বিহু আৰু হুঁচৰি।

৭। লোহিত বাভা : বিহু, বৈশাগু, বহুৱতী আৰু ঐনিতমত জনজীৱনৰ প্ৰেম প্ৰতিফলন

৮। পবিত্ৰ মহন ফুকন : সা ৰে গা মা

৯। অতুল কৃষ্ণ পাঠক : উজনিৰ ৰাতি বিহু - বৰপেটাৰ শাক বিহু।



*লেখকৰ ঠিকনা : অৱসৰ প্ৰাপ্ত উপাধ্যক্ষ, ঢকুৱাখনা মহাবিদ্যালয়, ঢকুৱাখনা*






# বিহুগীতত কুলি-কেতেকীৰ গীতৰ শৰাই

"চৰাইও ধুনীয়া পাখি বিনন্দীয়া
উৰিলে পাৱলৈ নাই"


বগেন গগৈ


অসম ৰাজ্যখন বিচিত্ৰ শোভাৰে, প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্যৰে ভৰপূৰ। 'ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ' অসমী আইক প্ৰকৃতিয়ে যেন লালিত পালিতেৰে অপৰূপা কৰি তুলিছে। নদ, নদী, নিজৰা, জান, জুৰি, গছ, লতা, ফুল, পৰ্বত,পাহাৰ, বিচিত্ৰ ৰঙৰ নানা প্ৰজাতিৰ জীৱ-জন্তু, বিচিত্ৰ ৰঙৰ চৰাই দেখা যায় অসমৰ হাবি বননি আৰু নৈ বিল সমূহত। 'সুজলাং সুফলাং, মলয় শীতলাং, শস্য শ্যামলাং মাতৰম' বুলি ক'লে দৰাচলতে অসম ৰাজ্যখনতেই খাপ খাই পৰে। সেয়েহে এই কথা ক'ব পাৰি যে অসম ৰাজ্যখন প্ৰকৃতিৰ বিচিত্ৰ শোভাৰে, বিচিত্ৰ সৌন্দৰ্যৰে ভৰপূৰ -- ভাৰতৰ ভিতৰতে অনন্য আৰু একক বুলি ক'ব পাৰি। বসন্তকালত প্ৰকৃতিৰ কোমল হাতেৰে যেন অসম ৰাজ্যখনক সজাই পৰাই অপৰূপা সৌন্দৰ্যময়ী কৰি তোলে। প্ৰকৃতিৰ বিনন্দীয়া সৌন্দৰ্যৰে অসমী আই এনেই ধুনীয়া। তাতে আকৌ বসন্তকালত বেছি ধুনীয়া হৈ পৰে। ধুনীয়া ছোৱালী এজনী এনেই ধুনীয়া, তাতে আকৌ সাজি পাৰি ওলালে অলংকাৰ আদি পিন্ধি প্ৰসাধন কৰি ওলালে আৰু বেছি ধুনীয়া হৈ পৰে, ঠিক তেনেদৰেই সৌন্দৰ্যময়ী অসম ৰাজ্যখন বসন্তকালত আৰু বেছি ধুনীয়া হৈ পৰাটোৱেই স্বাভাৱিক।

অসমৰ প্ৰকৃতি জগতখনত কুলি, কেতেকী, বিহুৱতী, সখিয়তী, মইনা, শালিকা, ভাটৌ, চিলনী, বগলী, তেলিয়াসাৰেং আদি বিচিত্ৰ প্ৰজাতিৰ চৰাইৰ মধুৰ গীতৰ মূৰ্চনা শুনিবলৈ পোৱা যায়। জ্যোতিপ্ৰসাদ আগৰৱালাৰ গীতৰ ভাষাৰে ক'বলৈ গ'লে– 'গানৰ শৰাই পাতিলো প্ৰাণৰ শৰাই পাতিলো জনতাকো মোৰ পূজালৈ মাতিলো, মাতিলো'। ঠিক তেনেদৰে যেন অসমৰ প্ৰকৃতিজগতত কুলি, কেতেকী, বিহুৱতী, সখিয়তী আদি চৰায়ে বসন্তকালত ব'হাগ বিহুৰ আগমণৰ সময়ত গানৰ শৰাই পাতে, গানৰ শৰাই পাতি অসমৰ জনতাক, অসমৰ বিহুৱলীয়া ৰাইজক আহ্বান কৰে, বসন্ত কালত প্ৰাণৰ উৎসৱ বিহু পাতিবলৈ। প্ৰকৃতিৰ বুকুত চৰাইৰ বিচিত্ৰ জগতখনত সুৱদী সুৰীয়া অমিয়া গীতৰ সুৰ তুলি পঞ্চমত গীত গোৱা কুলি, কেতেকী, সখিয়তী, বিহুৱতী আদি চৰাই অসমৰ পখী জগতত এক সুকীয়া স্থান আছে। কুলি চৰাইজনীয়ে অসমত বসন্ত কালত ব'হাগ বিহুৰ সময়ত বিহুৰ বাতৰি বিলোৱা দেৱদূত, কোনোবা বিদ্যাধৰী এজনী প্ৰেমগীত গোৱা বিৰহিনী প্ৰেমীক। কেতেকী চৰাইজনীকো কোনোবা বিৰহিনী প্ৰেমীক বুলি কোৱা হয়। কুলি চৰাই আগমণ হ'লেই বসন্তকাল আহে, কুলি চৰায়ে কুউ কুউকৈ অমিয়া সুৰেৰে মাতিলেই ব'হাগ বিহু আহে। অসমীয়া ডেকা গাভৰুৰ মন প্ৰাণ নাচি উঠে, দেহা সাতখন আঠখন কৰে। অসমীয়া বিহুগীতত কুলি চৰাই মধুৰ গীতৰ ধ্বনি প্ৰতিধ্বনিত হোৱা শুনিবলৈ পোৱা যায়। প্ৰাচীন কালৰে পৰা অসমীয়া গীত- মাতত, অসমীয়া কবিতাত কুলি কেতেকীৰ সুন্দৰ সুৰৰ মূৰ্চনা তোলা সেই

অমিয়া সনা গীতৰ লহৰ যেন চিৰ উজ্জ্বল হৈ জিলিকি আছে। অসমৰ ৰঙালী বিহু, বসন্তকাল আৰু কুলি কেতেকীৰ অমিয়া মাত এই তিনিওটাৰে যেন এক ওতঃপ্ৰোত সম্পৰ্ক আছে। অসমৰ প্ৰকৃতিজগতত এই তিনিওটাৰ এক সমাহাৰ ঘটে বসন্তকালত। যেতিয়া কুলি চৰাই অসমলৈ আহে তেতিয়া বসন্তৰ সম্ভাৱেৰে প্ৰয়োজৰ হৈ উঠে অসমৰ প্ৰকৃতিজগত। গছত কুঁহিপাত মেলে, ফুল ফুলে, ফুলেপাতে অসমৰ প্ৰকৃতিজগত জাতিষ্কাৰ হৈ উঠে। পাশ্চাত্য জগততো কুলি চৰাইক মেচেঞ্জাৰ অব স্প্ৰিং বুলি কোৱা হয়। সুৰদী সুৰেৰে, অমিয়া বৰষা গীতেৰে মিঠা মাতৰ এই কলীয়া বৰণৰ ৰঙা চকুৰা কুলি চৰাইজনী সমগ্ৰ বিশ্বতে বসন্তকালৰ আগমনৰ বাতৰি দিবলৈহে যেন সাজু হৈ থাকে। সেয়েহে সকলো ঠাইতে বসন্তৰ বাতৰি বিয়পাই দি যায়। অসমত ব'হাগ বিহুৰ বাতৰি আনে কুলি চৰাইজনীয়ে আৰু বিহুৱতী চৰাইজনীয়ে। কানাডাৰ পৰা আৰ্জেন্টিনাৰ ভৈয়াম অঞ্চললৈকে, চীন ম্যানমাৰৰ পৰা সমগ্ৰ অসম আৰু উত্তৰ পূৰ্বাঞ্চললৈকে সাতোখন ৰাজ্যতে আৰু পশ্চিমবংগ, উৰিষ্যা আদি ৰাজ্যতো কুলি-কেতেকী আৰু বিহুৱতী চৰাইজনীয়ে বসন্তৰ আগমণৰ বাতৰি বিলাই যায়। কুলি চৰাইজনী আচলতে পৰিভ্ৰমী চৰাই। অসম আৰু উত্তৰ পূৰ্বাঞ্চললৈ বসন্তকালত আহে আৰু চাৰি পাঁচমাহমান থাকি আকৌ কোনোবা লোকালয়লৈ গুচি যায়গৈ। কলৈ যায়গৈ কোনেও ক'ব নোৱাৰে। অসমত মাৰ্চ, এপ্ৰিল মাহৰ পৰা প্ৰায় জুলাই আগষ্ট মাহলৈকে কুলি চৰাইৰ মাত শুনিবলৈ পোৱা যায়। তাৰ ভিতৰত কিন্তু ব'হাগ বিহুৰ সময়ত কুলি আৰু বিহুৱতী চৰাইৰ মাত শুনিবলৈ পোৱা যায়। বহাগ বিহুৰ সময়ত কুলি চৰাই আৰু বিহুৱতী চৰাইৰ মাতৰ মাদকতা চাৰিওফালে বিয়পি যায়। কুলিৰ মাত শুনি বিহুৱা ডেকা আৰু বিহুৱতী গাভৰুৰ মন-প্ৰাণ বিহুৰ আনন্দত মতলীয়া আৰু পলসুৱা হৈ উঠে। সেই পলসত গজি উঠে মৰম চেনেহ, ভালপোৱা। ডেকা গাভৰুৰ মন-প্ৰাণ আনন্দত নাচি উঠে। ভৱিষ্যতৰ বহু কল্পনাই জীপ লৈ উঠে।

কুউ কুউ কৰি কুলিয়ে মাতিলে
শুনিবলৈ অমাতৰ মাত,
কুলিৰ মাতে শুনি ৰ'বকে নোৱাৰো
এৰি যাওঁ পেটৰে ভাত।

লগতে বেজাৰ-বিষাদৰ হুমুনিয়াহ শুনিবলৈ পোৱা যায়। বিষাদ গধূৰ এনে হা-হুমুনিয়াহ বিহুগীতত প্ৰতিফলিত হৈছে।

বিহুৱতী চৰাইয়ে কৰে বিহু বিহু
আমাৰ বিহু কাপোৰ নাই,
সমনীয়াই সুধিলে ক'মে কিয়ে বুলি
সৰুতে মৰিলে আই।

বিহুৱা ডেকাই আকৌ আবেগতে কৈ উঠে 'কুলিৰ মাতে বলিয়া কৰিলে মোক'। হয়তো কোনোবা ডেকাৰ

> তাহানিতে জাৰ্মানিত গ্ৰাম্য কৃষিজীৱী সমাজত বসন্ত কালত কুলিৰ মাত শুনিলে হেনো কৃষকসকলে আনন্দতে সেউজীয়া ঘাঁহনিৰ ওপৰত বাগৰি আনন্দ প্ৰকাশ কৰিছিল। অসমীয়া সমাজত জনবিশ্বাস আছে যে কুলিৰ প্ৰথম মাত শুনাৰ দিনা যদি জেপত টকা-পইচা থাকে তেন্তে সেই বছৰটো সৌভাগ্যৰ বছৰ বুলি ভবা হয় আৰু বছৰটোলৈ সৌভাগ্যৰ আৰু প্ৰাচুৰ্য্যৰ পৰিচায়ক বুলি ধৰা হয়।

অতীতৰ স্মৃতি মনত পেলাই দিয়ে, নাইবা জীৱনলৈ সজীৱতা আনে, যুৱীয়া জীৱনৰ পাতনি মেলিবলৈ উৎসাহ যোগায়। এই সজীৱতাই ডেকা গাভৰুৰ মন-প্ৰাণত উন্মাদনা আনে, প্ৰেম ভালপোৱাৰ এখন নতুন ঘৰ পতাৰ, এখন নতুন সংসাৰ পতাৰ কল্পনা সজীৱ কৰি তোলে। বিহুৰ বতৰতে ঘৰখন পাতিম বুলি সুন্দৰকৈ ঘৰ-দুৱাৰ সাজে। চেনেহীজনীক পলুৱাই আনিম বুলিও ভাবে। ন'হলে পলুৱাই, ন'হলে ফুচুলাই, ন'হলেবা চোঁচৰাই আনিম বুলিও দৃঢ় সংকল্প কৰে।

তাহানিতে জাৰ্মানিত গ্ৰাম্য কৃষিজীৱী সমাজত বসন্ত কালত কুলিৰ মাত শুনিলে হেনো কৃষকসকলে আনন্দতে সেউজীয়া ঘাঁহনিৰ ওপৰত বাগৰি আনন্দ প্ৰকাশ কৰিছিল। অসমীয়া সমাজত জনবিশ্বাস আছে যে কুলিৰ প্ৰথম মাত শুনাৰ দিনা যদি জেপত টকা পইচা থাকে তেন্তে সেই বছৰটো সৌভাগ্যৰ বছৰ বুলি ভবা হয় আৰু বছৰটোলৈ সৌভাগ্যৰ আৰু প্ৰাচুৰ্যৰ পৰিচায়ক বুলি ধৰা হয়। বহু ঠাইত প্ৰথম কুলিৰ মাত শুনিলে প্ৰেমৰ বতৰা দিয়া বুলিও ধৰা হয়। কুলিৰ মাত প্ৰেমৰ প্ৰতীক, কুলিৰ মাতে প্ৰেমৰ উন্মাদনা যোগায়। বিহুগীতত উল্লেখ আছে এনেদৰে-

কুলিয়ে মাতিলে কপৌফুল ফুলিলে
চেনাই ওচৰ চাপি যায়,
চেনায়ে মাতিলে লগৰ সমনীয়াক
ব'হাগৰ বিহুটি পায়।

কুলিৰ মাত শুনি প্ৰাণচঞ্চল হোৱা মনত প্ৰণয়ৰ গুটি সিঁচে, মন পলসুৱা হয়, প্ৰেমৰ গজালি মেলে, লতা বগাই, ফুল ফুলে আৰু গুটি ধৰে।

কুউ কুউ কৰি কুলিয়ে মাতিলে
কপৌফুল ফুলিলে ডালত,
কিয় মনে মাৰি থাক ঐ লাহৰী
ভৰা যৌৱনৰে কালত।

পৃথিৱীৰ প্ৰায়বোৰ দেশতেই কুলি চৰাইৰ মুক্ত বিচৰণ আৰু কুউ কুউকৈ মধুৰ সুৰেৰে গোৱা গীতৰ মাধুৰীমা আৰু প্ৰাণচঞ্চল কৰা মাদকতাই যুগ যুগ ধৰি মানুহৰ সমাজত কিছুমান লোক-বিশ্বাসৰ সৃষ্টি কৰি আহিছে। কুলি চৰাইৰ উপৰিও অন্যান্য চৰাইক লৈও বিহুগীতত নানা জনবিশ্বাস আৰু যোজনা-পটন্তৰ আৰু বৰ্ণনা পোৱা যায়। কুলিৰ লগতে কেতেকী চৰাইক লৈও বিহুগীত ৰচিত হৈছে।

আজি বিহু বিহু কালি বিহু বিহু
নাহৰ ফুল ফুলিবৰ বতৰ,
কেতেকী চৰায়ে কাটে সৰু সূতা
মৰুৱা কাঠৰে যতঁৰ।

কোনো কোনো ঠাইত আৰু জনসমাজত কাম কৰি থকা খেতিয়কে বসন্তৰ আৰম্ভণিতে কুলিৰ মাত শুনিলে হাতৰ কাম বন এৰি ক্ষন্তেক সময় কুলিৰ শুৱলা সুৰদী মাতটো শুনি লোৱাটো এটা ৰীতিত পৰিণত হয়। কুলিৰ মাতক বহু ঠাই আৰু বহু দেশত দৈৱবাণী বুলি ও বিশ্বাস কৰা হয়। কিছুমান ঠাইত আকৌ কুলিৰ মাত কেতিয়া শুনিলে, তাৰো হিচাপ কৰা হয়। দিনটোত কিমান সময়ত কুলিয়ে মাতিলে, কোন দিনা কোন তাৰিখে কোনবাৰে কুলিয়ে মাতিলে, কোন বছৰটোত কোনোবাই কুলিৰ মাত নুশুনিলে, আদি কথাবোৰ হিচাপ কৰি একোগৰাকী গাভৰু ছোৱালী কিমান বছৰ আবিয়ৈ হৈ থাকিব তাৰো ভৱিষ্যৎ বাণী নিৰূপন কৰাৰ নিয়মো আছে। কুলিৰ মাত দেৱৰ দৈৱবাণী, প্ৰেমৰ প্ৰতীক, এয়া যেন ডেকা-গাভৰুৰ মিলনৰ আগলি বতৰা। বসন্তৰ দুৱাৰদলিত কুলিৰ মাত শুনি ডেকা-গাভৰু যুৱীয়া জীৱনৰ পাতনি মেলিবলৈ বিহুগীতত গায়- বহাগতে পাতি যাওঁ বিয়া, বিয়া কৰাম বুলি ৰবেঘৰ সাজিলো গৰু বন্ধা গোহালি হ'ল ইত্যাদি। গ্ৰীক দেৱতা জিয়ুৰ দৰে স্বৰ্গৰ দেৱতা ইন্দ্ৰই প্ৰেমৰ বেহা পাতিবলৈ কুলিৰ ৰূপ লৈ মৰ্ত্যলৈ আহি মোহনীয় মাতেৰে মাতি কামিনীৰ মন মতলীয়া কৰিছিল বুলি বিশ্বাস কৰা হয়। বিহুগীতত পোৱা যায় –

কাহানিকৈ আহিব ব'হাগৰ বিহুটি
কাহানিকৈ আহিব কুলি,
কাহানিকৈ যাচিব কটা তামোলখনি
চেনেহৰ চেনাইটি বুলি।

কুলিৰ মাতে মন মতলীয়া কৰি থৈ যোৱা বিহুৰ দিনত কটা তামোল যাচি মনৰ কথা প্ৰকাশ কৰে। কুলিৰ মাতে প্ৰেমৰ জোৱাৰ আনে, কুলিৰ মাতে বলিয়া কৰিলে মোক, গাত জুই লাগিছে সৰিয়হ ফুটিছে চেনাইক পানীঘাটত দেখি, বুলি বিহুৱা ডেকাই হুমুনিয়াহ কঢ়া শুনিবলৈ পোৱা যায়। কুলিৰ মাতে ডেকা-গাভৰুৰ মন ইমানকৈ মতলীয়া কৰাৰ কথা জানি ভূত-প্ৰেত আৰু চয়তানে কুলিৰ ৰূপ লৈ কুলিৰ মাত মাতি মানুহক উন্মাদ কৰেহি বুলিও জনবিশ্বাস আছে। প্ৰেমত পৰি উন্মাদ হোৱা মানুহৰ মূল গুৰি কুলি চৰাই বুলিও বিশ্বাস কৰা হয়। সেয়েহে ইউৰোপত গীৰ্জাৰ ঘন্টা আৰু পগলা ঘন্টা মৰা ঘড়ীটোকো বহুতে কুলি কাকো বুলি কয়।

কুলিৰ মাতত মন মতলীয়া কৰিব পৰা, ডেকা-গাভৰুক উন্মাদনা কৰিব পৰা গুণ আছে। বিহুগীতত পোৱা যায় –

কুলিয়ে বিনালে কুউ কুউ কৰি
হৰিণাই বিনালে বনত,
চনক চনক কৰি ভাগে বুকুখনি
তোমালৈ পৰিলে মনত।

কুলি চৰাই সাধাৰণতে বসন্ত কালত মুকলি মূৰীয়াকৈ পৰিভ্ৰমণ কৰি ফুৰা পমুৱা চৰাই হিচাপে জনাজাত হৈ আহিছে। কিন্তু বুঢ়ালোকে এই কথাও কয় যে কুলি-কেতেকী উভয়ৰে পমূৱা চৰাই, পৰিভ্ৰমী চৰাই নহয়। ই আমাৰ মাজতে থকা থলুৱা চৰাইহে। বছৰৰ ছমাহ অৰ্থাৎ শীত কালত সিহঁতে মাত নমতাকে নিমাতি কন্যা হৈ থাকে সেয়েহে সিহঁতক পেটকুলি বুলি কোৱা হয়। কেতেকী চৰাইজনীকো নিমাতি কইনা, নিমাতি চৰাই বুলি কোৱা হয়।

কুলি চৰাই হ'ল পখী জগতৰ সাংঘাতিক টেঙৰ। পখীকুলৰ মাজত কাউৰীকে সাধাৰণতে টেঙৰ চৰাই বুলি কোৱা হয়। বোলে 'কাউৰী টেঙৰ নে মাউৰী টেঙৰ'। আমাৰ সমাজত এষাৰ কথা প্ৰচলিত আছে যে টেঙৰতকৈ টেঙৰ আছে ভুল নাই তাত, সোমোৱাৰ আগে বিচাৰিব লাগে ওলোৱাৰ বাট'। কাউৰীতকৈ কুলি চৰাই সাতগুণে টেঙৰ, সাতঘাতৰ চেঙেলী। কুলি চৰায়ে বাহ সাজিব নেজানে। বহাগ-জেঠ মাহত কুলি চৰায়ে কাউৰী বাহত কণী পাৰে। কাউৰীয়ে বাহ সাজে যদিও ভালদৰে সিহঁতেও বাহ সাজিব নাজানে। যেনে তেনে জেং এসোপা গোটায় বাহটো সাজে। সেইকাৰণে আমাৰ সমাজত কাউৰীজেং, কাউৰী জেঙীয়া আদি শব্দ আৰু প্ৰবচন প্ৰচলন হ'ল। কাউৰী কণী আৰু কুলিৰ কণী আকাৰত প্ৰায় সমান হ'লেও বৰণত সামান্য পৃথক। মতা কুলিটোৱে কাউৰীজনীৰ লগতে প্ৰথমে কাজিয়া লাগি জোকায় লয়। তাৰ পাছত মতা কুলিটোক কাউৰীজনীয়ে খেদি লৈ যায় আৰু বহুদূৰ আঁতৰি যায়গৈ। সেই ছেগতে মাইকী কুলিজনীয়ে কাউৰীৰ বাহত প্ৰৱেশ কৰি কাউৰীৰ কণী কেইটা তললৈ পেলায় দি কুলিজনীয়ে নিজৰ কণীটো কাউৰী বাহত পাৰি থৈ আহে। তেনেদৰে আটাইকেইটা কণী পৰা হ'লে সিহঁতে তাৰ পৰা আঁতৰি যায়, নাইবা ওচৰে ওচৰে কুউ কুউকৈ মাতি ঘূৰি ফুৰে। কাউৰীজনীয়ে উমনি লৈ পোৱালি জগায়। কাউৰী পোৱালিৰ চকু ধোঁৱা বৰণীয়া, কিন্তু কুলি পোৱালিৰ চকু ৰঙা। সেইকাৰণে কুলি পোৱালিয়ে কাউৰীৰ বাহত থকা সময় চোৱাত অনবৰতে চকু মুদি থাকে আৰু টোপ খাই খাই ডাঙৰ হ'বলৈ ধৰে। কুলি চৰাইক

সেইকাৰণে চকু মুদা কুলি বুলি কোৱা হয়। কাউৰীজনী বাহত নথকাৰ সময়ত কেতিয়াবাহে সিহঁতে চকু কেইটা মেলি চায়। প্ৰায়ভাগেই সিহঁতে চকু মুদিয়েই থাকে 'পেটকুলি' আৰু 'চকুমুদা' কুলি বুলি অসমীয়াৰ এই প্ৰবচন দুফাঁকি কুলি চৰাই আৰু কুলি পোৱালীৰ অৱদান তাত সন্দেহ নায়। আনৰ বাহত কণী পাৰি পোৱালি জগোৱা স্বভাৱৰ বাবেই কুলি চৰাইক পেটকুলি বুলি কোৱা হৈছে। কুলিৰ সুৰলা মাতৰ বাবে পখী জগতৰ মাজত সুনাম আছে, অথচ বাহ সাজিব নজনাৰ বাবে আৰু এলেহুৱা অকৰ্মনা স্বভাৱৰ বাবে আৰু দুনীতি অনায় কৰি আনৰ বাহত কণী পাৰি পোৱালী জগোৱা এই পৰম্পৰাৰ বাবে কুলি চৰাইয়ে দুৰ্নাম আনিলে।

অসমীয়া বিহুগীতৰ উপৰিও কাব্য জগততো অসমৰ সুৰদী সুৰীয়া বিভিন্ন জাতৰ চৰাইৰ কল কলনি বিভিন্ন চৰাই গীত আৰু কলধ্বনি কৰি গীতিকাৰসকলে কবিতাত আৰু গীতত বন্দী কৰিছে। কুলি চৰাইৰ লগতে কেতেকী চৰাইজনীকো বসন্তৰ দেৱদূত বুলি কোৱা হয়। বিহুৱতী চৰাইজনীকো বসন্ত উৎসৱ ৰঙালী বিহুৰ দেৱদূত, বিৰহিনী চৰাই বুলি কোৱা হয়. 'বিহুৱতী চৰাইয়ে কৰে বিহু আমাৰ বিহু কাপোৰ নাই সমনীয়াই সুধিলে কমে কিয়ে বুলি সুৰতে মৰিলে আই।'

কেতেকী চৰায়ে বসন্ত কালত ৰঙালী বিহুৰ সময়ত অমিয়া সুৰেৰে গীত জুৰে। অসমীয়া কাব্যজগতৰ অন্যতম শ্ৰেষ্ঠ ৰোমাণ্টিক কবি ৰঘুনাথ চৌধাৰীদেৱে কেতেকী চৰাইক লৈ এটা সুন্দৰ কবিতা লিখিছে। কেতেকী চৰায়ে 'মই কেতেকী মই কেতেকী' বুলি সুৰীয়া মাতেৰে চিএৰি ফুৰা এজনী সৰগৰ দেৱদূত বুলি কবিয়ে কল্পনা কৰিছে। কবিয়ে কেতেকী চৰাইৰ লগতে কোনোবা অচিন অজানা জগতলৈ গুচি যাবলৈও কামনা কৰিছে। কবিয়ে প্ৰিয় বিহংগিনী নামৰ আন এটা কবিতাত পখীৰ লগতে ক'ৰবালৈ গুচি যাবলৈ বিচাৰিছে -

"শুনাহে এবাৰ মোৰ অভাগাৰ বাণী
নেলাগে পাৰ্থিব সুখ
নকৰো মনত দুখ
তোমাৰ লগতে উৰি যাওঁ বিহংগিনী
সদায় বৈছে য'ত প্ৰেম মন্দাকিনী।"

কবি দেৱকান্ত বৰুৱাই সাগৰ দেখিছা কবিতা পুথিত কেতেকী চৰাইৰ বুকুভৰা কৰুণ বিননীৰ সুৰ তেখেতৰ কবিতাত বন্দী কৰিছে --

মাজনিশা সাৰ পাই শুনিছানে কেতিয়াবা
কেতেকী হিয়াভগা মাত,
ভাবিছানে এটিবাৰ পখীৰ ডিঙিত কান্দে
মানুহৰ বুকুৰ সংবাদ।

অসমীয়া গীত মাতত, অসমীয়া কবিতাত, অসমৰ চৰাই, কুলি, কেতেকী, মইনা, সখিয়তী, দহিকতৰা, ডাউক, হয়কলি, ভদৌকলি, বনকুকুৰা, শালিকা, চিলনী, শেন, ৰৰটোকোলা, কামচৰাই, কণামুচৰি, বগলী, গঙ্গাচিলনী, তেলিয়াসাৰেং, আদি চৰাইৰ বৰ্ণনা উপচি আছে।

অসমৰ ৰঙালী বিহুটিত তিনিটা উদেশ্যৰ সমাহাৰ ঘটে বুলি বিশ্বাস কৰা হয়। দৰাচলতে এই উৎসৱটো হৈছে বসন্ত উৎসৱ আৰু আনফালেদি বছৰৰ নতুন উৎসৱ। বসন্তই প্ৰকৃতিৰ বুকুলৈ মাদকতা আনে। ডেকা গাভৰুৰ মনলৈ প্ৰণয়ৰ সম্ভাৱনা কঢ়িয়াই আনে, আশা-আকাংক্ষা কঢ়িয়াই আনে, মৰমৰ দীঘ বাণীৰে জীৱনৰ যৌৱনৰ মুহূৰ্তবোৰ ৰঙীণ আৰু সজীৱ কৰি তোলে। বসন্তকালৰ এই মাদকতাসনা স্বপ্নমধুৰ ৰঙীণ দিনতে কুলি আহে, কেতেকী আহে। বিহুৱতী চৰায়ে বিহুটি বিহুটিকৈ মাতে, লগত লৈ আহে কামদেৱৰ কণ্ঠৰ কোমল মধুৰ কাকলি। বিহুগীতত পোৱা যায় --

আগদিনা কান্দিলে ফেঁচাকৈ পৰ্ঘুমা
পাছদিনা কান্দিলে কুলি,
তাৰ মাজে মাজে মই কান্দি থাকো
তোমালৈ মনতে পৰি।

কুলি-কেতেকী, মইনা, সখিয়তী, বিহুৱতীৰ মাতে অসমীয়া ডেকা গাভৰুৰ মনত কেৱল বিহুৰ মাদকতাই সৃষ্টি নকৰে, প্ৰণয়ৰ ঢল বোৱাই আনি যুৱীয়া জীৱনৰ পাতনি মেলাৰ পথ ৰচনা কৰে। কুলি চৰাইজনী যেন বসন্তৰ দেৱদূত, কুলি আৰু কেতেকী চৰাই যেন বসন্তৰ লগৰী, কুলি আৰু কেতেকী চৰাই যেন প্ৰেমৰ প্ৰতীক, বসন্ত কালত পঞ্চমত সুৰ তুলি গীত গোৱা বিদ্যাধৰী, অসমীয়া ডেকা-গাভৰুৰ বিহুতলীৰ বাটকটীয়া, মন মতলীয়া কৰা লগৰী। অসমীয়া জাতীয় জীৱনত আৰু অসমৰ সাংস্কৃতিক জগতত বসন্ত কালত ৰঙালী বিহু, কুলি-কেতেকী,বিহুৱতী আদি চৰাইৰ এক মধুৰ সমাহাৰ ঘটি এক সমন্বয় সাধিত হৈ আহিছে।

*লেখকৰ ঠিকনা : ধেমাজি*



# উভতি চাওঁ

ডাঃ অঞ্জনজ্যোতি চৌধুৰী

ব'হাগ বুলিলেই মন উৰা মাৰে ল'ৰালি কাললৈ। বিহু আহিলে প্ৰথমেই আইতাৰ ঘৰখনৰ কথা মনলৈ আহে। কি যে সুখৰ আছিল সেইবোৰ দিন। আইতাৰ ঘৰৰ সকলোৰে মৰম-চেনেহ পাই আমাৰ সৰগৰ সুখ মৰতে পেৱা যেন লাগিছিল। ২০১২ চনত মই ঢকুৱাখনাৰ ঐতিহ্যমণ্ডিত ফাটবিহুলৈ বিশিষ্ট অতিথি হৈ গৈছিলো। সেই ফাটবিহুত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ দ্বাৰা পৰিবেশিত বিভিন্ন লোকনৃত্য, লোকবাদ্য, লোকগীত শুনি অভিভূত হৈছিলো। অসমৰ বাৰেবৰণীয়া ক'লা-কৃষ্টি শিল্পীসকলে আন্তৰিকতাৰে পৰিবেশন কৰা দেখি তবধ মানিছিলো। ভাষণ প্ৰসংগত মই কৈছিলো।" আজি মোৰ সৰগৰ ইন্দ্ৰপুৰীত থকা যেন লাগিছে।" মোৰ মনলৈ আহিছিল ত্ৰিপুৰা চৰকাৰৰ শিক্ষা আৰু সাংস্কৃতিক বিভাগৰ মন্ত্ৰী অনিল সৰকাৰৰ এষাৰি কথা। ২০০৯ চনত ত্ৰিপুৰা চৰকাৰৰ আমন্ত্ৰণ ক্ৰমে আগৰতলালৈ গৈছিলো। অসমৰ ডঃ ভূপেন হাজৰিকাদেৱৰ কেইটামান অসমীয়া গান গাবলৈ মই তালৈ গৈছিলো। অনিল সৰকাৰ ডাঙৰীয়া নিজে এগৰাকী বিখ্যাত কবি আৰু লোক-সংস্কৃতিৰ উন্নতিৰ বাবে অহৰ্নিশে কাম কৰি যোৱা লোক। তেখেতে সভাখনত কৈছিল "সূৰ্য সদায় পূৱত উদয় হয়। সেই পূৱৰ সংস্কৃতিয়ে সদায় আমাক বাট দেখুৱাই দিব। পশ্চিমীয়া কিছুমান বিজতৰীয়া সংস্কৃতিয়ে কেতিয়াও আমাৰ সংস্কৃতি গ্ৰাস কৰিব নোৱাৰে। অসমৰ বৰেণ্য সংস্কৃতিয়ে সমগ্ৰ ভাৰতৰে সংস্কৃতি ক্ষেত্ৰখনৰ নেতৃত্ব দিব। য'ত যৌৱনে উতলা কৰা বিহুগীত, বিহুনাচ আছে, য'ত গাম্ভীৰ্যতাৰ প্ৰতীক সত্ৰীয়া নৃত্য আছে, য'ত মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, জ্যোতিপ্ৰসাদ, বিষ্ণু ৰাভা, ড' ভূপেন হাজৰিকাৰ গীত আছে, সেই অসমে অচিৰেই ভাৰতৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ নেতৃত্ব ল'ব'ই।" অসমীয়া সংস্কৃতিক এনে উচ্চ আসন দিয়া বাবে তেখেতৰ প্ৰতি শ্ৰদ্ধাত আমাৰ মূৰ দো খাই গৈছিল। বিহুৰ সময়তেই মোৰ দাদা ড' অমৰজ্যোতি চৌধুৰীয়ে কোৱা কথাবোৰো বৰকৈ মনলৈ আহিছিল— "বিহুৰ ৰূপ চিত্ৰ-বিচিত্ৰ। আমাৰ বিচিত্ৰ জীৱনৰ, আমাৰ বিচিত্ৰ দেহৰ সাৰ অংশ পাব পাৰি পঞ্চভূতত, পাঁচবিধ সামগ্ৰীত। সেইদৰে চিত্ৰ-বিচিত্ৰ বিহুৰো সাৰ অংশ পাব পাৰি ইয়াৰ পাঁচোটা ৰূপত। প্ৰথম ৰূপত— বিহু হ'ল বিনন্দীয়া। বিহুয়ে মেঘৰ চাপৰ আনি ঢোলত বিলাই যায়, চৰাই-চিৰিকতিৰ মাত আনি পেপাঁ বাহীত বিলাই যায়। দ্বিতীয় ৰূপত— বিহু হ'ল বান্ধোন। প্ৰকৃতিৰ সৈতে বান্ধোন। মাখিয়তী-সখয়তীৰ সৈতে বান্ধোন। তৃতীয় ৰূপত— বিহু হ'ল ৰৰযুণ। মানুহৰ ভিতৰখন ধুই নিকা কৰা ৰৰযুণ। চতুৰ্থ ৰূপত— বিহু হ'ল ৰবৈদেচিলা। ৰবৈদেচিলাই জাতিটোক দিয়ে সাহস। পঞ্চম ৰূপত— বিহু হ'ল বোধন। বহাগে যিদৰে জগায় নতুন প্ৰকৃতিক, বিহুয়েই আমাৰ মাজত ভগাবলৈ বিচাৰে নতুন চিন্তা, নতুন কামক। এয়াই বিহুৰ শিকনি। এতিয়া আমি নিজকে প্ৰশ্ন কৰি চাবৰ হ'ল— বিহুয়ে দিয়া ৰং-ৰহইচক আমি দুহাতেৰে গ্ৰহণ কৰিব পাৰিছোনে? হিংসা আতৰাব পাৰিছোনে? যদি বিহুৰ প্ৰকৃতিৰ সৈতে বান্ধোন থাকে, তেনেহ'লে আমি গছ-গছনি সংৰক্ষণ কৰিছোঁনে? বিহু যদি ৰবৈদেচিলাই দিয়া সাহস আমি বুকুত বান্ধিছোনে? বিহু যদি নতুনৰ বোধন তেনেহ'লে জাতিৰ কাৰণে নতুন কিবা কৰিবলৈ সংকল্প লৈছোঁনে? এই কথাখিনিৰ লগতে মোৰ মনলৈ এটা কথা বাৰে বাৰে মনলৈ আহিছে যে আমাক, জাতিটোক যি সকল শিল্পী-সাহিত্যিক হিয়া উজাৰি ভাল সততাখিনি দি গ'ল, সেইসকলক আমি জাতিটোৱে নায্য সন্মান যাচিছোনে? সৰুৰে পৰা আমি অসমৰ বিভিন্ন বিহুতলীত বিহু পতাকা উত্তোলনৰ সময়ত শুনি আহিছো প্ৰয়াত পুৰুষোত্তম দাসৰ ৰচিত আৰু সুৰাৰোপিত "শ্ৰীময়ী

অসমীৰ শীতল বুকুত উঠে উচবৰ মধু আলোড়ন'— এই গীতটি। বংকিম চন্দ্ৰ চট্টোপাধ্যায়ৰ 'বন্দে মাতৰম' আৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'জন গণ মন' ৰ দৰে— পুৰুষোত্তম দাসৰ এই গীতটি হৈ পৰিছে অসমীয়াৰ এটি জাতীয় গীত।

তাহানি পুৰুষোত্তম দাস আৰু শিল্পী কমল নাৰায়ণ চৌধুৰী প্ৰায়েই বিহুৰ দিনা ৰাতিপুৱাই আমাৰ ঘৰলৈ আহি মোৰ দেউতা লক্ষ্যধৰ চৌধুৰীৰ সৈতে নানা ধৰণৰ কথা পাতি থাকে। কেতিয়াবা আমাৰ ঘৰত থকা হাৰমনিয়ামটো লৈ কমল নাৰায়ণ চৌধুৰীয়ে বৰগীত, বনগীত, জ্যোতিগীত, বিষ্ণুৰাভাৰ গীত গাবলৈ ধৰে। আমি সকলোৱে ৰ' লাগি চাই থাকো। পিছলৈ দেউতাৰ মুখত শুনিছিলো যে কলকাতাৰ আকাশবাণী কেন্দ্ৰৰ জৰিয়তে এই দুগৰাকী শিল্পীয়ে বহুতো অসমীয়া গায়ক-গায়িকাৰ গান গাবলৈ সুযোগ দিছিল। অসমৰ গাঁৱে-ভূঞে, চহৰে-নগৰে ঘূৰি ঘূৰি তেওঁলোকে ভাল গায়ক-গায়িকা বিচাৰি উলিয়াইছিল। বহু অখ্যাত গায়ক-গায়িকাই তেওঁলোকৰ জৰিয়তেই পিছলৈ প্ৰতিষ্ঠিত শিল্পী হ'ব পাৰিছিল। অসমৰ সংগীত জগতলৈ এই দুজনা শিল্পীৰ অৱদান অপৰিসীম। দ্বিতীয় মহাযুদ্ধৰ সময়ত ইংৰাজ চৰকাৰে কলকাতা অনাতাঁৰ কেন্দ্ৰৰ পৰা আধাঘণ্টা সময়ৰ বাবে অসমীয়া অনুষ্ঠান এটা প্ৰচাৰৰ ব্যৱস্থা কৰিছিল। বাতৰি প্ৰচাৰত মাজে মাজে অসমীয়া গীত-মাত প্ৰচাৰৰ সুবিধা দিছিল। এই আধাঘণ্টীয়া অসমীয়া অনুষ্ঠানৰ প্ৰযোজনাৰ দায়িত্বত আছিল পুৰুষোত্তম দাস আৰু কমল নাৰায়ণ চৌধুৰী। বহু কষ্টৰ যোগেদি তেওঁলোকে গীত লিখি সুৰ দি নতুন নতুন শিল্পীক সেইবোৰ শিকাই কলকাতাৰ অনাতাঁৰ কেন্দ্ৰৰ যোগেদি প্ৰচাৰ কৰিছিল। সেই সময়তে ড° ভূপেন হাজৰিকা, কমল নাৰায়ণ চৌধুৰী আদিৰ দৰে অগ্ৰজ শিল্পীসকলৰ সৈতে অনুকূল নাথ, ৰাণী পাল, দিলীপ শৰ্মা, শিৱ ভট্টাচাৰ্য আদিকে ধৰি এচাম শিল্পীয়ে প্ৰতিষ্ঠা লাভ কৰাৰ উপৰি সুখ্যাতি অৰ্জন কৰিবলৈ সক্ষম হৈছিল। বিশিষ্ট সংগীতজ্ঞ স্বনামধন্য শিল্পী তফজুল আলিদেৱ ৰচিত 'অসমীয়া আধুনিক গীতৰ সংগীতকাৰসকল' নামৰ পুথিখনত আলিদেৱে লিখিছে— বহু শিল্পীক শ্ৰোতাৰ সমুখলৈ উলিয়াই দিয়াত একপ্ৰকাৰ সূত্ৰধাৰৰ ভূমিকা গ্ৰহণ কৰিছিল পুৰুষোত্তম দাসে। ১৯৫৫ চনত মুক্তি লাভ কৰা 'নিমিলা অংক' কথাছবিখনৰ সংগীত পৰিচালনাৰ দায়িত্বত আছিল পুৰুষোত্তম দাস। সংগীত মধুৰ এই কথাছবিখনে অভূতপূৰ্ব ব্যৱসায়িক সাফল্য লাভ কৰিছিল। সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাদেৱে লিখিছিল— গুৱাহাটীৰ লক্ষ্যধৰ চৌধুৰীয়ে 'নিমিলা অংক' উলিয়াই অসমীয়া চিনেমাৰ অংক মিলাই দিলে। নিমিলা অংকৰ গীতৰ ৰেকৰ্ডখনো ভাল চলিছিল।

পুৰুষোত্তম দাসৰ পত্নী সাবিত্ৰী দাস বাইদেউক লগ পাওঁতে এদিন কৈছিল যে তেখেতে সংগীত সাধনা কৰি থাকোতে নিজৰ ঘৰ-সংসাৰৰ কথা ভাবিবলৈ আজৰিয়েই নাপাইছিল। পৰিয়ালৰ লোকে বা বন্ধু-বান্ধৱে গুৱাহাটীত এটুকুৰা মাটি লোৱাৰ কথা বৰকৈয়ে তেখেতে হেনো কৈছিল 'নবগ্ৰহ শ্মশানত মৃত্যুৰ পিচত দেহাটো থ'বলৈ অলপ মাটি লৈয়েই থৈছো যেতিয়া আৰু বেচি মাটি কিয় লাগে? নিজৰ কাৰণে কি কৰিলো সেইটো ডাঙৰ কথা নহয়, জাতিটোৰ কৰণে কি কৰিলো সেইটোহে ডাঙৰ কথা। সঁচাকৈ মাটিৰ মানুহ, জনতাৰ শিল্পী পুৰুষোত্তম দাসে জাতিটোক সংগীতৰ সঞ্জীৱনী সুধাৰে উজ্জীৱিত কৰি গ'ল। কিন্তু আমি অসমীয়াই পুৰুষোত্তম দাসক যোগ্য সন্মান দিব পাৰিছোনে? ৰজাঘৰ-প্ৰজাঘৰ সকলোৱে মিলি মৰণোত্তৰভাৱে হ'লেও তেখেতক প্ৰকৃত সন্মান দিয়াৰ কথা চিন্তা কৰিবৰ হ'ল।

এতিয়া আকৌ লিখনীটোৰ আৰম্ভনিতেই উল্লেখ কৰা আইতাৰ ঘৰখনৰ কথালৈ আহিছো। আইতাৰ ঘৰখনে গুৱাহাটীৰ লতাশিল অঞ্চলৰ ফটিক ৰোডত থকা মোৰ দেউতা লক্ষ্যধৰ চৌধুৰীৰ খুড়ায়েক শশধৰ চৌধুৰীৰ ঘৰখনৰ কথা কৈছো। দেউতাৰ মাক, দেউতাক আৰু খুড়াকক আমি পোৱা নাছিলো। সেয়ে দেউতাৰ সাদৰী খুড়ীয়েকেই আমাৰ সকলোৱে আপোন আইতাজনী হৈ পৰিছিল। আইতাৰ ল'ৰা নলিনী চৌধুৰীক 'পিলিক' বুলিয়েই জনাজাত আছিল। পিলিকদা তেওঁৰ অসাধাৰণ ফুটবল খেলৰ কৌশলৰ বাবে বিখ্যাত আছিল। গুৱাহাটী তথা অসমৰ দুই বিখ্যাত ফুটবল দল গুৱাহাটী টাউন ক্লাব আৰু মহাৰাণা ক্লাবৰ হৈ খেলা পিলিকদা আৰু তেওঁৰ ভায়েক কুলকুলদাৰ খেলা চাবলৈ সেই সময়ত জজ খেলপথাৰ লোকে-লোকাৰণ্য হৈ পৰিছিল। পিলিকদা কিমান জনপ্ৰিয় আছিল তাৰ এটা উদাহৰণ দিছো— এবাৰ এখন বিয়ালৈ বুলি এম্বেচাদৰ গাড়ী এখন ভাড়া কৰি দেউতা, পিলিকদা আৰু দুজন বন্ধুৰ সৈতে নগাঁওলৈ গৈছিল। বাটতে গাড়ীৰ চেপাত পাতিহাঁহ এজনী মৰিল। গাড়ীখনৰ চালকক দেউতাই গাড়ীখন ৰখাবলৈ ক'লে। গাড়ী ৰৈ যোৱা দেখি তাত কিছু মানুহ জুম বান্ধি গাড়ীখন আগচি ধৰিলে। দেউতা গাড়ীৰ পৰা নামি মানুহখিনিক বাট এৰি দিবলৈ অনুৰোধ কৰিলে। কিন্তু তেওঁলোকে কোনোপধ্যেই গাড়ীখন যাব দিবলৈ মান্তি ন'হ'ল। তেনেতে পিলিকদা গাড়ীৰ পৰা নামিল। পিলিকদাক দেখি ভিৰৰ মাজৰ পৰা কেইবাজনেও পিলিকদা পিলিকদা বুলি কৈ আগবাঢ়ি আহিল। তেওঁলোকে পিলিকদাক দেখি ক'লে 'দাদা আপোনাক দেখাই নাছিলো। বেয়া নাপাব।' এইবুলি কৈ তেওঁলোকে গাড়ীখন যাবলৈ বাট এৰি দিলে। দেউতাই পিলিকদাক ক'লে 'আহ তই ওচৰলৈ আহ। তোৰ কপালত চুমা এটা দি আশীৰ্বাদকেই দিওঁ যাতে ভৱিষ্যতে তোৰ আৰু সুনাম হয়।' পিলিকদাই দেউতাক ক'লে, 'আগেয়ে তোৰ মুখত থকা তামোলৰ ৰঙা পিকখিনি পেলাই ল। তাৰ পিছত চুমা খাবি। গাড়ীত থকা সকলোৱে পিলিকদাইঁতৰ কথা শুনি প্ৰাণ খুলি হাঁহিলে।

এবাৰ মহাৰাণা ক্লাবৰ বিষয়ববীয়া কেইজনমানে পিলিকদাৰ দেউতাক শশধৰ চৌধুৰীক আহি খাটনি ধৰিলেহি যে ঢাকাত হ'বলগীয়া ফুটবল প্ৰতিযোগিতা এখনলৈ পিলিকদাক যাব দিব লাগে। দেউতাকে লগে লগেই আপত্তি কৰি পিলিকদাক যাব নিদিয়ে বুলি ক'লে। দেউতাই মৰসাহ কৰি খুড়ায়েকক ক'লে 'পিলিকে বৰ ভাল খেলে। সেইবাবেহে তাক নিব খুজিছে। সি গ'লে মহাৰাণা ক্লাব জিকিবই। অসমৰো লাভ হ'ব। খুড়াকে খঙতে গুজৰি ক'লে 'ই মহা বদমাচ, ইহঁত দুয়োটা বৰ লগ, এটা ফুটবল বলিয়া, এটা থিয়েটাৰ বলিয়া। ইহঁতে আমাৰ বংশৰ নাম নুমুৱাব।'

এদিন কাহিলিপুৱাতে পিলিকদা ঘৰৰ পৰা ওলাই গ'ল। খুড়াকে কথাটো গম পাই দেউতাকক মাতি আনি আমিনগাঁৱলৈ গৈ পিলিকদাক কাণত ধৰি ঘৰলৈ লৈ আহিবলৈ ক'লে। আগতে ৰে'লগাড়ীবোৰ আমিনগাঁৱৰ পৰা এৰিছিল। দেউতা আমিনগাঁৱলৈ গ'ল। গৈ দেখিলে যে মহাৰাণা ক্লাবৰ খেলুৱৈ আৰু বিষয়ববীয়াসকল এটা ডবাত বহি আছে। দেউতাকক দেখিয়েই পিলিকদাই ক'লে 'তয়ো আমাৰ লগত ব'ল। ঢাকাখন বৰ ধুনীয়া ঠাই। তাত খুউব ভাল ভাল থিয়েটাৰ হয়। আমি তাত ফুটবল খেলি থাকিম। তই তাত থিয়েটাৰ চাই থাকিবি।' থিয়েটাৰৰ নাম শুনি দেউতাৰ গা সাতখন আঠখন হ'ল। কিন্তু সমস্যাটো হ'ল কাপোৰ-কানি লৈ। অনিমেষ গাংগুলীয়ে তেওঁৰ লগত এযোৰ নতুন ধুতি-পাঞ্জাবী আছে বুল ক'লে। ঢাকাতো নতুন ধুতি-পাঞ্জাবী কিনি দিব বুলি কোৱাত দেউতা গৈ ডবাত উঠিল গৈ। দহদিনমানৰ পাছত দেউতাইঁত ঢাকাৰ পৰা ঘূৰি আহিল। লতাশিলৰ খুড়াইঁতৰ ঘৰলৈ আহি দেখে যে খুড়ায়েক বাহিৰৰ বাৰাণ্ডাৰ বেঞ্চখনত বহি আছে। দেউতাকক দেখি খঙতে ক'লে, 'ই মহা বদমাচ, পিলিক বাৰু ঢাকালৈ গ'ল। তই ক'ত মৰিলি গৈ?' দেউতাই মূৰ খজুৱাই খজুৱাই ক'লে, 'মই আমিনগাঁও পোৱাৰ লগে লগে ৰে'লখন এৰি দিলে। সেইকাৰণে মই পিছৰখন ৰে'লত উঠি পিলিকক খেদি গ'লো।' খুড়াকে ধমকিৰ সুৰত ক'লে, 'কাক ফাঁকি দিব আহিছ? অসমৰ পৰা এদিনত কেইখন ৰে'ল চলে?'

দুখে ভাগৰে দেউতা ভিতৰলৈ গৈ বিছনাত বাগৰ দিলেগৈ। পিলিকদাই আহি দেউতাক ক'লে, 'ঐ থিয়েটাৰ বলিয়া, মই বাৰু খেলিবলৈ গ'লোয়েই। থিয়েটাৰৰ নাম শুনি একেজাপে ৰে'লত উঠিবলৈ তোক কি ভূতে পাইছিল? এতিয়া গম পালি। খা, এতিয়া গালি খাই থাক।

দেউতাৰ বিছনাত পৰি চিলমিলকৈ টোপনি আহিছিলহে মাথোন। বাহিৰৰ বাৰাণ্ডাত খুড়াকে স্ফূৰ্তিতে চিঞৰি চিঞৰি খুড়ীক কোৱা কথাখিনি শুনি দেউতা চকখাই সাৰ পাই গ'ল। খুড়াই খুড়ীক আনন্দতে কৈ আছে, 'হেৰা চোৱা, এয়া আনন্দবাজাৰ পত্ৰিকা। ইয়াত ঢাকাত হৈ যোৱা ফুটবল প্ৰতিযোগিতাৰ খেলৰ কথা লিখিছে। পিলিকক ফুটবলৰ যাদুকৰ বুলি কৈছে। লক্ষ্যক মাতা। তাক মই মিছাতে গালি পাৰিলো। সিহঁত দুয়োটাকে আঠঅনাকৈ দি দিয়া। গধূলি ৰামস্বৰূপৰ মিঠাইৰ দোকানত গৰম জিলাপী আৰু কচুৰি খাব পাৰিব।' এইখনেই আমাৰ আইতাৰ ঘৰ। সকলো সময়তে ঘৰখন আত্মীয়স্বজন, আলহীৰে ভৰি থাকে। ঘৰখনৰ সকলোৰেই আছিল অতি সহজ সৰল। সকলোৱে পৰা অকৃত্ৰিম মৰম-চেনেহ পাইছিলো বাবে আমাৰ শৈশৱৰ স্মৃতি আজিও সজীৱ হৈ আছে।

আজিও বিশ্বকাপ ফুটবলত ৰ'গান্ডোইঁতে গ'ল দি স্ফূৰ্তি কৰা দেখিলে পিলিকদাৰ সেই দুষ্টামিভৰা হাঁহিটোৱে সৈতে মুখখন ভাঁহি উঠে। আজি কোনোবা দুখৰ মুহূৰ্তত আইতাইঁতৰ ঘৰলৈ যাওঁ। পোণাখুড়ী (পিলিকদাৰ পৰিবাৰ), বিজয়াখুড়ী (মাখনদাৰ পৰিবাৰ) আৰু পুনু পেহীহঁতৰ মৰম আকলুৱা মাতষাৰ পালে ক্ষন্তেকতে দুখ-বিষাদ আঁতৰি যায়, মনে সকাহ পায়, নিৰাশা আঁতৰি যায়।

লেখকৰ ঠিকনা ঃ আমবাৰী, গুৱাহাটী

# বিহু প্ৰতিযোগিতাত বিচাৰকৰ ভূমিকা

পবিত্ৰ মহন ফুকন

অতি বেছি আধুনিকীকৰণ, অতি বেছি বাণিজ্যিকীকৰণ আৰু বিহুক অশ্লীলতাৰ মাজলৈ নি অৱনমিত কৰাৰ বিৰুদ্ধে এইবাৰ অসমৰ বিহু সন্মিলন অনুষ্ঠিত কৰা বিহু উদ্যোক্তা সকল সজাগ হৈছে। বিহু অসম আৰু অসমীয়া জাতিৰ বাপতি সাহোন। এই বিহুক লৈ আমি বৃহত্তৰ অসমীয়া জাতিয়ে জাতিটোৰ চিনাকি দিওঁ। বিহুৰ স্বকীয়তা আছে। এই স্বকীয়তাই বিহুক জীয়াই ৰাখিব। বিহু নাথাকিলে অসমীয়া জাতিও যে নাথাকিব এই কথা সকলোৱে হৃদয়ংগম কৰিছে। সেয়েহে পশ্চিমীয়া সংস্কৃতিৰ গ্ৰাহত পৰি কৰকৰাবলৈ আৰম্ভ কৰা বিহুক সুৰক্ষা দিবলৈ অসমৰ ৰাইজে বিভিন্ন ধৰণে প্ৰচেষ্টা ল'ব লাগিব আৰু ইতিমধ্যে প্ৰচেষ্টা লোৱা দেখা গৈছে।

অসমৰ সচেতন, চিন্তাশীল বহুলোক বিহুৰ মৌলিকতা নষ্ট হোৱাৰ ক্ষেত্ৰত সজাগ হৈছে। ৰঙালী বিহুৰ বতৰত বিহুৰ উদ্যোক্তা, বিহু প্ৰতিযোগিতাত অংশ লোৱা প্ৰতিযোগী, বিহু প্ৰতিযোগিতাৰ বিচাৰকসকল ব্যস্ত হৈ পৰে। বিহু উদ্যোক্তা সকলে বহু কষ্ট কৰি প্ৰতিযোগিতা কেন্দ্ৰীক বিহু সন্মিলন সমূহ অনুষ্ঠিত কৰে। এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শ্ৰেষ্ঠতা লাভৰ বাবে বিহুৱা-বিহুৱতীসকলে মাঘ-ফাগুন মাহৰপৰাই প্ৰস্তুতি আৰম্ভ কৰে। স্থানীয় ৰাইজেও সন্মিলনৰ মঞ্চত হুচৰি এযোৰা চাম; ভাল বিহুৱতী কেইগৰাকীমানৰ বিহুনাচ চাম বুলি মনপুহি ৰাখে।

আমি ভাবো এই প্ৰতিযোগিতাৰ মঞ্চত বিচাৰক সকল সজাগ নহ'লে বিহু বিজতৰীয়া হ'বই। বিচাৰকসকলে শুদ্ধ ৰূপত বিহু দল বা বিহুৱতী সকলৰ প্ৰতিভা প্ৰদৰ্শনৰ ক্ষেত্ৰত সঠিক বিবেচনাৰে ফলাফল ঘোষণা কৰিব লাগিব। বিচাৰকৰ ভুলৰ বাবে বিজতৰীয়া বিহুদল এটাক শ্ৰেষ্ঠতা ঘোষণা কৰিলে ইয়াৰ পৰিনাম জাতিটোৰ বাবেই দুখজনক হ'ব। কাৰণ প্ৰতিযোগিতাৰ ক্ষেত্ৰত শ্ৰেষ্ঠ দলটোক অন্য দলসমূহে অনুসৰণ কৰে।

বিচাৰক সকলে প্ৰয়োজন সাপেক্ষে প্ৰতিযোগিতাৰ উদ্যোক্তা সকলকো প্ৰতিযোগিতাৰ নীতি নিয়ম সমূহৰ ওপৰত শুদ্ধ পৰামৰ্শ দিব লাগিব। উদাহৰণ স্বৰূপে প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা বিষয় সমূহৰ কথাকেই উল্লেখ কৰিব পাৰি। কোনবোৰ বিষয়ৰ ওপৰত প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। কেনেকৈ প্ৰতিযোগিতা অনুষ্ঠিত কৰিব। উদ্যোক্তাসকলে প্ৰতিযোগিতাৰ নীতি নিয়মৰ বিষয়ে কেনেকৈ উল্লেখ কৰিব ইত্যাদি।

প্ৰতিযোগিতা অনুষ্ঠিত কৰোতে প্ৰতিযোগিতাৰ মঞ্চত বিহুৰ স্বকীয়তা যাতে অটুত থাকে তাৰ বাবে আমি গুৰুত্ব দিব লাগিব।

প্ৰতিযোগিতাৰ মঞ্চত আমি প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পৰা বিষয়সমূহ ঃ-



**(ক) মুকলি বিহু ঃ** গাভৰু আৰু ডেকাসকলে তাঁহানিতে চ'ত মাহত মানুহৰ বাস গৃহৰ পৰা নিলগত যৌৱন, প্ৰেম-পিৰীতিৰ নাম গাই বিহুমৰা পৰম্পৰা। মুকলি বিহু ৰাতিও হয়। উল্লেখ্য যে মুকলি বিহুত হুঁচৰিত গোৱা বিহুনাম গোৱা নহয়।

**(খ) হুঁচৰি ঃ** পহিলা ব'হাগৰ পৰা সাতদিন গাঁৱৰ ঘৰে ঘৰে গৃহস্থক আশীৰ্বাদ দি হুচৰি নাম, কাহিনীমূলক বিহুনাম, গৃহস্থক প্ৰশংসা কৰি গোৱা বিহুনাম, চুপতিমূলক বিহুনাম, বিদ্ৰূপমূলক বিহুনাম, হাস্যমূলক বিহুনাম, মাননি বা শৰাই বিচাৰি গোৱা বিহুনাম, আশীৰ্বাদমূলক বিহুনাম গায়, বিহুবাদ্য বজাই ৰং-ধেমালিৰেক গৃহস্থ আৰু ৰাইজৰ মঙ্গল কামনা কৰা অনুষ্ঠান হুঁচৰি। হুঁচৰিত ল'ৰা-বুঢ়া-ডেকা সকলোৱে একেলগে অংশগ্ৰহণ কৰিব পাৰে। হুঁচৰি পৰিৱেশন কৰা ৰীতি-নীতি অঞ্চল আৰু জনগোষ্ঠীভেদেসুকীয়া। সেয়েহে বিচাৰকসকলে হুচৰিৰ ক্ষেত্ৰত আঞ্চলিক আৰু জনগোষ্ঠীয় বৈশিষ্টাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগিব। হুচৰিৰ উল্লেখযোগ্য বৈশিষ্ট্য এটা হ'ল - "হুঁচৰিত নাৰীয়ে পূৰ্বৰ পৰাই অংশগ্ৰহণ কৰা নাছিল। হুঁচৰি কেৱল পুৰুষৰহে অনুষ্ঠান। এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে বৰ্তমান সময়ত হুঁচৰিৰ লগত ডেকা-গাভৰুৰ মুকলি বিহুৰ অংশ এটা সংযোজন কৰি এখন খিচিৰি বিহুৰ প্ৰচলন কৰা হৈছে। এইক্ষেত্ৰত বিচাৰকসকল অতি কঠোৰ হ'ব লাগিব। বিহুৰ উপাদান সমূহক এনেদৰে বিজতৰীয়া কৰা কাৰ্যত কেতিয়াও আপোচ কৰিব নেলাগে। ডেকা-গাভৰুৰ মুকলি বিহু আৰু হুঁচৰি পৃথক অনুষ্ঠান। ইয়াক সানমিহলি কৰাটো সমীচিন নহয়।

(গ) গাভৰু বিহু (জেং বিহু, টকা বিহু বা মাইকী বিহু) গাভৰু বা পাট গাভৰুসকলে চ'তমাহত মানুহৰ বাসগৃহৰ পৰা নিলগত গছৰ তলত, পথাৰৰ মাজত বিহু মৰা পৰম্পৰাই হ'ল গাভৰু বিহু। গাভৰু বিহুত পুৰুষে অংশগ্ৰহণ নকৰে।

(ঘ) বিহুৱা- বৰ বিহুৱা প্ৰতিযোগিতা।

(ঙ) বিহুৱতী-বৰবিহুৱতী, অসম শ্ৰেষ্ঠ বৰ বিহুৱতী প্ৰতিযোগিতা ঃ এই প্ৰতিযোগিতা চ'তৰ মুকলি বিহুৰ ৰূপ এটা প্ৰকাশ পাব লাগে। এগৰাকী বিহুৱতীক ছয় সাতজন ডেকা ল'ৰাই আগুৰি লৈ ঢোল পেঁপা বজায় নচোৱা পৰম্পৰা অসমত পূৰ্বতে নাছিল। সেয়েহে বিহুৱতী বা বৰ বিহুৱতী প্ৰতিযোগিতাত বিহুৱা সকলৰ লগত বিহুৱতীৰ সহযোগী অতিৰিক্ত দুই বা তিনিগৰাকীমান থাকিব লাগে। বিচাৰকে মুখ্য প্ৰতিযোগী বিহুৱতী গৰাকীক মূল্যায়ন কৰিব আৰু পৰম্পৰাগতভাৱে প্ৰতিযোগিতাত শুদ্ধৰূপ এটা সৃষ্টি কৰাৰ বাবে নম্বৰ বেছিকৈ পাব।

(চ) বিহু নাচ, (ছ) বিহুবাদ্য (জ) পিঠাপনা, জা জলপান (ঝ) জাতীয় সাজপাৰ, গহন- গাঁথৰি প্ৰদৰ্শনীৰ প্ৰতিযোগিতা (ঞ) কণী যুঁজ প্ৰতিযোগিতা আদি।

প্ৰতিযোগিতাৰ ক্ষেত্ৰত বিচাৰকসকলে মুকলি বিহু আৰু হুঁচৰিৰ স্পষ্ট আৰু সঠিক ধাৰণাৰে শুদ্ধ ৰূপত মূল্যায়ন কৰা উচিত। বিহুক সুৰক্ষা দিয়াৰ স্বাৰ্থত বিহুক শুদ্ধ ৰূপত ৰাখিবলৈ উদ্যোক্তাসকলে হুঁচৰি আৰু মুকলি বিহু পৃথক পৃথককৈ অনুষ্ঠিত কৰিব লাগিব।

বিচাৰক নিযুক্তি দিওঁতে উদ্যোক্তাসকলে তলৰ বিষয়কেইটাত অতি গুৰুত্ব দিয়া উচিত-

১। নিৰপেক্ষভাৱে শুদ্ধ নীতিৰে বিবেচনা কৰিব পৰা, বিহু কৃষ্টিৰ ওপৰত অধ্যয়ন থকা ব্যৱহাৰিক আৰু তাত্বিক ভাৱে পাৰ্গত এগৰাকী প্ৰতিভাশীল ব্যক্তিক বিচাৰক হিচাবে নিয়োগ কৰিব লাগে।

২। স্বাৰ্থ জড়িত ব্যক্তিক বিচাৰকৰ দায়িত্ব দিয়া অনুচিত। বিহু দলৰ লগত সম্পৰ্ক (দলীয় স্বাৰ্থ) থকা ব্যক্তিক বিচাৰকৰ দায়িত্ব দিয়া অনুচিত।

৩। নিচাযুক্ত দ্ৰব্য সেৱন কৰা, শাৰীৰিক ভাৱে অসুস্থ বা দুৰ্বল, মানসিক ভাৱে অসুস্থ ব্যক্তিক বিচাৰকৰ দায়িত্ব আৰোপ কৰিব নালাগে।

৪। বিচাৰকৰ দায়িত্ব লোৱা ব্যক্তিজনৰ প্ৰতিযোগিতাৰ প্ৰতিটো বিষয়ৰ ওফৰত সম্যক জ্ঞান আৰু যোগ্যতা থাকিব লাগে।

৫। বিচাৰক সকলে সম্পূৰ্ণকৈ জাতীয় সাজপাৰ পৰিধান কৰি বিচাৰকৰ আসন গ্ৰহণ কৰাটো একান্তই বাঞ্ছনীয়।

৬। বিচাৰকসকলে বিহু সন্মিলনৰ উদ্যোক্তাসকলে বিহু-বিচাৰ কৰিবৰ বাবে আমন্ত্ৰণ কৰাৰ পিচত আমন্ত্ৰণ গ্ৰহণ কৰি দায়িত্ব পালন নকৰাকৈ থাকিব নালাগে।

বিচাৰকসকলে সকলো প্ৰকাৰৰ গোপনীয়তা ৰক্ষা কৰা উচিত।

৭। বিহু বিচাৰকসকলে বিচাৰকৰ মূল্যায়নৰ প্ৰ-পত্ৰ (নম্বৰ দিয়া তালিকা) আৰু বিহু প্ৰতিযোগিতাত বিচাৰ কৰাৰ বাবে নিয়মাৱলী "বিহু সুৰক্ষা সমিতি, অসম-এ অনুমোদন জনাই প্ৰকাশ কৰা "বিহু সুৰক্ষা নিয়মাৱলী"খন সংগ্ৰহ কৰিব আৰু তন্ন তন্নকৈ অধ্যয়ন কৰিব।

৮। বিচাৰকৰ দায়িত্ব পালন কৰোতে প্ৰতিযোৱা বিহুৱতী, গাভৰু বিহু, মুকলি বিহু আৰু হুঁচৰিৰ ওপৰত স্পষ্টকৈ মন্তব্য কলমত লিখি যাব। বিচাৰকে লিখিত টোকাত বিচাৰৰ নিৰপেক্ষতা অৱলম্বন কৰিব।

৯। প্ৰতিযোগিতাৰ ফলাফল বিচাৰকসকলে নিজেই ৰাজহুৱাকৈ ঘোষণা কৰিব।

১০। সকলো প্ৰকাৰৰ স্বজন প্ৰীতি বৰ্জন কৰি

বিচাৰকসকলে শুদ্ধভাৱে পৰিৱেশন কৰা প্ৰতিযোগীক শ্ৰেষ্ঠতা ঘোষণা কৰিব। গছ নোহোৱাত এৰাগছকেই ৰবগছ বোলাৰ দৰে অত্যাধুনিক কৰিঅ'গ্ৰাফিক আঠ-দহটা ঢোলৰ গৰ্জনিত নাচনীয়ে গতি কৰি কৰি নচা-নাচ, অত্যাধুনিক বিহুসুৰীয়া গীতৰ চন্দত বৈদ্যুতিক পোহৰৰ চিকমিকনিত বিহুৱাসকলে ফুলাম ভমকা ফুলীয়া টি চাৰ্ট পিন্ধি গেৰুৱালৈকে ধুতি পিন্ধি হুঁচৰি আৰু মুকলি বিহু একাকাৰ কৰি পৰিৱেশন কৰা বিহুসুৰীয়া সৃষ্টি মূলক ডেকা-গাভৰুৰ অনুষ্ঠান এটাকে শ্ৰেষ্ঠ বিহু হুঁচৰি দল বুলি ভুলতেও বিচাৰকে ঘোষণা কৰিব নেলাগে। প্ৰতিযোগিতাৰ ক্ষেত্ৰত যদি শুদ্ধ ৰূপত হুঁচৰি পৰিৱেশন কৰা দল নাথাকে তেনেহ'লে বিচাৰকে স্পষ্টকৈ ঘোষণা কৰিব যে "আজিৰ প্ৰতিযোগিতাত শ্ৰেষ্ঠ হুঁচৰি দল পোৱা নহ'ল।" প্ৰতিযোগিতা অনুষ্ঠিত হ'লেই অযোগ্য প্ৰতিযোগীকো প্ৰথম -দ্বিতীয় স্থান দিয়াতো অনুচিত। এনেধৰণৰ স্বীকৃতিয়ে বিহুক বিজতৰীয়া কৰাৰ ক্ষেত্ৰত অধিক অৰিহণা যোগাইছে। এই ক্ষেত্ৰত বিহুক সুৰক্ষিত কৰাৰ বাবে বিহু প্ৰতিযোগিতাৰ বিচাৰক সকলেই অধিক দায়িত্ব পালন কৰিব লাগিব। বৰ্তমান সময়ত বিহু প্ৰতিযোগিতাসমূহত প্ৰতিযোগী সকলক বিভিন্নধৰণৰ প্ৰশ্ন কৰা দেখা যায়। প্ৰশ্ন উত্তৰ শিতানটি পৰিস্থিতি সাপেক্ষে প্ৰয়োজন হ'লেও অপৰিহাৰ্য নহয়। এই ব্যৱস্থা জ্ঞান-বৰ্ধনৰ বাবেহে হোৱা উচিত। নম্বৰ বঢ়া-টুটাৰ বাবে নহয়। বিহু সম্পৰ্কীয় প্ৰশ্ন উত্তৰৰ ক্ষেত্ৰত এনে কিছুমান প্ৰশ্ন আছে যাৰ উত্তৰ অঞ্চলভেদে পাৰ্থক্য দেখা যায়। বহুক্ষেত্ৰত প্ৰশ্ন উত্তৰ শিতানটিয়ে প্ৰতিযোগীক ৰাইজৰ সন্মুখত হেয় প্ৰতিপন্ন কৰে। প্ৰতিযোগীসকলে অপমান বোধ কৰে। তেনে ক্ষেত্ৰত বিচাৰকসকল সজাগ হ'ব লাগে। প্ৰতিযোগী বিহুৱা-বিহুৱতী সকলক উপযুক্ত সন্মান প্ৰদৰ্শন কৰি ভুলবোৰ আঙুলিয়াই দিব পৰা যায়। উদাহৰণ স্বৰূপে সাজপাৰ, বিহুনাম, বিহুনাচৰ ভঙ্গীমা বিহুবাদ্যৰ ছেও-চাপৰ ইত্যাদিৰ ওপৰত আলোচনা মৰ্মে শুধৰণি কৰিব পাৰি।

বিচাৰক সকলে প্ৰতিযোগী দলসমূহৰ লগত 'মুকলি বিহু' আৰু 'হুঁচৰি'ৰ পাৰ্থক্য সম্পৰ্কত আলোচনা কৰিব পাৰে। 'হুঁচৰি'ৰ পাৰ্থক্য সম্পৰ্কত আলোচনা কৰিব পাৰে। হুঁচৰি এযোৰাক "বিহু হুঁচৰি" আৰু 'হুঁচৰি বিহু" বুলি ক'লে "নাৰী নাচনীয়ে অংশ গ্ৰহণ কৰিব পাৰে" বুলি প্ৰচাৰ হোৱা ভুল ধাৰণা ভাঙিব লাগে। "হুঁচৰি" শব্দটোৰ লগত "বিহু" শব্দ সংযোগ হ'লে হুঁচৰিত "ডেকা-গাভৰুৰ মুকলি বিহুৰ অংশ এটা সংযোগ কৰা" বিভ্ৰান্তিকৰ চিন্তা তথা ধাৰণাসমূহ দূৰ কৰাৰ প্ৰচেষ্টা গ্ৰহণ কৰিব লাগে। বিহু হ'ল অসমৰ জাতীয় সংস্কৃতি। এই বিহুৰ বিভিন্ন উপাদান আছে। কাতি বিহু, মাঘবিহু আৰু ব'হাগ বিহু পালন কৰাৰ ক্ষেত্ৰিত অসমৰ প্ৰতিটো জনগোষ্ঠী আৰু অঞ্চলৰ আঞ্চলিক বৈশিষ্ট্য আছে। এই বৈশিষ্ট্যবোৰ যিদিনালৈকে থাকিব সেই দিনালৈকে বিহুক ঘূণেও নধৰে মামৰেও নধৰে।

বিহুটি নামেৰে তিনিটি আখৰে  
কোনে লিখি গ'লে শিলত  
ঘূণেও নধৰে মামৰেও নধৰে  
থাকিব আমাৰে প্ৰাণত।।

এই বিহু শব্দই ডেকা-গাভৰুৰ মুকলি বিহুকেই নুবুজায়। বিহু শব্দই অসমৰ তিনিটা বিহুৰ কথা বুজায়। বিহু মানে অসমৰ কৃষিজীৱী জনজীৱনৰ প্ৰেৰণাৰ উৎস। ই গণজীৱনৰ সাহ। বিহু মানেই অসম আৰু অসমীয়া জাতিৰ প্ৰাণৰ স্পন্দন। বিহু অসমৰ প্ৰাণ, বিহু অসমৰ মান, বিহু যেনেকৈ আছে তেনেদৰেই থাকিবলৈ দিয়ক। বিহু থাকিলেহে অসম আৰু অসমীয়া জাতি জীয়াই থাকিব। সেয়েহে বিহুক জীয়াই ৰাখিব লাগিব অসমৰ জাতীয় কৃষ্টি হিচাপে। বিহুক সুৰক্ষা দিলে অসম সুৰক্ষিত হ'ব আৰু বিহু শুদ্ধ ৰূপত জীয়াই থাকিব। বিহুক বিজতৰীয়া কৰিব খোজা অপশক্তিটোৰ বিৰুদ্ধে অসমৰ প্ৰতিজন অসমীয়াই প্ৰতিবাদেৰে আকাশ বতাহ তোলপাৰ লগাব লাগিব। অন্যথা অসমৰ অস্তিত্ব বিপন্ন হৈ অসম আৰু অসমীয়া জাতি ৰসাতলে যাব। সাম্ৰাজ্যবাদীৰ সাংস্কৃতিক আগ্ৰাসনৰ পৰা বিহুক বচাব লাগিব। গঢ়ি তুলিব লাগিব কৌটিকলীয়া গ্ৰাম্য সংস্কৃতি। যি সংস্কৃতি শ্ৰমৰ ক্ষেত্ৰখনৰ মাজেদি কৰ্ষণৰ যোগেদি সৃষ্টি হৈ জাতিটোৰ কৃষ্টি হিচাবে গাঁৱলীয়া বাটেৰে লুইতৰ ঘাটেৰে জগত সভালৈ গৈ জাতিটোক চিনাকি দিব। গাঁৱৰ কৃষকৰ বিহু কৃষ্টিয়ে গাঁৱৰ পৰিধি ভাঙি নগৰ-চহৰ অতিক্ৰম কৰি মহানগৰৰ বুকুত খদমদম লগোৱাৰ সময়ত লোককৃষ্টি বিহুৰ প্ৰতিযোগিতা সমূহ নিয়ন্ত্ৰণ কৰা যুঁজখনক আমি সকলোৱে নেতৃত্ব দিও আহক। প্ৰকৃতিৰ বুকুৰ মাজেদি অসমৰ বুকুলৈ কঙালী, ভোগালী আৰু ৰঙালী বিহু বছৰে বছৰে আহিব। আমি এশ পুত্ৰ সম এক বৃক্ষ জ্ঞানেৰে সেউজী অসম গঢ়িম।

---

*লেখকৰ ঠিকনা—*  
*সম্পাদক প্ৰধান, বিহু সুৰক্ষা সমিতি অসম, ভ্ৰাম্যভাষ*  
*- ৯৯৫৭৬৪২৯৫৮*



বৈষ্ণৱ ধৰ্মৰ নৱ জাগৰণে অসমখন ঢৌৱাই পেলাই অসমবাসীক জগত আৰু জীৱন সম্পৰ্কে নকৈ ভাবিবলৈ শিকালে। মানুহৰ মনবোৰ বৈষ্ণৱ ধৰ্মৰ প্ৰতি ক্ৰমে ক্ৰমে ঢাল খালে। মানুহৰ মুখত ৰাম কৃষ্ণহৰি গোবিন্দ শব্দবোৰ ভক্তিভাৱে সঘনে উচ্চাৰণ হ'বলৈ ধৰিলে। তেতিয়াৰ পৰাই হুঁচৰিৰ ঘোষা পদবোৰো ভক্তিভাৱৰ হৈ 'গোবিন্দাই ৰাম' শব্দবোৰ যোৰা লাগি গ'ল। বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ নপৰা সময়ত হুঁচৰিৰ ঘোষা পদবোৰত 'গোবিন্দাই ৰাম' এইবোৰ শব্দ সংযোজন হোৱা নাছিল।

# বিহু সংস্কৃতি বনাম বৈষ্ণৱ সংস্কৃতি

**নন্দ চুতীয়া**

'বিহু আমাৰ কৃষ্টি, শংকৰদেৱৰ সৃষ্টি, ঢোল-পেঁপা-গগনাৰ মাত ঐ গোবিন্দাই ৰাম'। পদফাকি আজিৰ পৰা তিনিবছৰ মানৰ আগতে বৃহত্তৰ বালিগাঁও ব'হাগী মেলাত শুনি মনতে ভাবিলো গুণিলো বিহুটো জানো শংকৰদেৱে সৃষ্টি কৰিছিল। ঢোল-পেঁপা-গগনা বিহুত ব্যৱহৃত বাদ্যবোৰ জানো শংকৰদেৱৰ হাত লাগি সৃষ্টি হৈছিল। বিহুৰ অমিয়া নামবোৰ জানো শংকৰদেৱৰ কাপৰপৰা ওলোৱা নাম। শ্ৰীমন্ত শংকৰদেৱে বৈষ্ণৱ ধৰ্মহে প্ৰচাৰ কৰিছিল। বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰৰ লগে লগে শংকৰদেৱে সৃষ্টি কৰি গৈছিল নামঘৰ, সত্ৰ, মণিকূট, বাটচ'ৰা। সৃষ্টি কৰিছিল খোল-তাল, ডবা-কাঁহ। নিৰ্দিষ্ট ৰাগ বান্ধি ৰামকৃষ্ণৰ মহিমা প্ৰকাশি ভক্তিমূলক গীত-মাত বৰগীত ৰচনা কৰি ভাওনা, সৃষ্টি কৰিছিল নিৰ্দিষ্ট ভংগী আৰু লয় বান্ধি দশাৱতাৰ নৃত্য, কৃষ্ণ নৃত্য, মুখা শিল্প সৃষ্টি কৰিছিল। ব্ৰজাৱলী ভাষাত পদ্যাকাৰে উচ্চখাপৰ সাহিত্য ৰসেৰে সমৃদ্ধ কৰি অনেকবোৰ ধৰ্মপুথি ৰচনা কৰিছিল। শংকৰদেৱৰ হাতে সৃষ্ট এইখিনি আপুৰুগীয়া সম্পদ লৈয়েই আজিও অসমীয়া জাতিয়ে বিশ্বৰ জাতিগণৰ মাজত স্ব-মহিমাৰে উন্নত সংস্কৃতিৱান জাতি বুলি পৰিচয় দিব পাৰিছে। কিন্তু শংকৰদেৱ ওপজা বহু আগৰ পৰাই বিহুটো আছিল। কোন দূৰ অতীজতে সম্প্ৰতি অসম বুলি পৰিচিত এই ভূমিভাগত গাঁও আৰু সমাজ পাতি বসবাস কৰা অনাৰ্য্যৰী কৃষিজীৱী মানুহে কৃষিৰ লগত সম্পৰ্ক ৰাখি বছৰটোৰ নিৰ্দিষ্ট ঋতুৰ নিৰ্দিষ্ট মাহৰ নিৰ্দিষ্ট দিনত তিনিটা বিশেষ অৰ্থত তিনিটা বিহু উদ্‌যাপন কৰিছিল। তিনিওটা বিহুৰ ভিতৰত স্ফূৰ্তিৰ বিহুটো হ'ল ব'হাগ বিহু। এইটো বিহুত নাচ-গানৰ প্ৰয়োভৱ হয়। সেইবাবেই ব'হাগ বিহুক ৰঙালী বিহু বোলে। নাচিবলৈ আৰু গাবলৈ বাদ্যৰ প্ৰয়োজন হয়। সেই তাহানিতেই অনাৰ্য্যৰী কৃষিজীৱী মানুহখিনিয়ে নিৰ্দিষ্ট খণ্ডৰ কাঠ খুলি,মৰা গৰুৰ ছালেৰে চাই ডিঙিত ওলোমাই লৈ ফুৰিব পৰাকৈ সাজি ল'লে ঢোল, আগলি বাঁহেৰে টকা, লাহৰী গগনা, চৰাইৰ দৰে মাত উলিয়াবলৈ মাটিৰ সুতুলি, অমাতৰ মাত দিবলৈ ম'হৰ শিঙৰ পেঁপা, বীণ আদি। চকুৰ

আগত দৈনন্দিন দেখা পথাৰ শইচ, গছ-বিৰিখ, ফল-ফুল, মাছ-কাছ, চৰাই, জন্তু, নৈ-বিল, ঘৰুৱা আচবাব, আ-অলংকাৰ, বস্ত্ৰ, দূৰৈৰ পৰ্বত-পাহাৰ এইবোৰকে উপমা দি কোনোবা অখ্যাতলোক গীতি-কবিয়ে সৃষ্টি কৰিছিল হিয়ামন শাত লগা জাত জাত বিহুনাম। আকৌ ডেউকা দাঙি চৰাইবোৰ যেনেকৈ উৰে শগুন চিলনীয়ে পাখিমেলি আকাশত যেনেকৈ ৰনাই, বতাহ লাগি গছ কলবোৰ যেনেকৈ হালে-জালে; উঘা, চেৰেকী, টাকুৰী যেনেকৈ ঘূৰে তাৰে ভংগীলৈ সৃষ্টি কৰিলে অপূৰ্ব বিহুনাচ।

১২২৮ খৃঃত আহোম স্বৰ্গদেউ চাও ল্যুং ছুকাফাই যেতিয়া আজিৰ অসম নামৰ এই ভূখণ্ডলৈ ৰাজ্য স্থাপনৰ সন্ধানত আহিছিল তেতিয়াও এই ঠাইত আগৰে পৰাই বসবাস কৰি থকা লোকসকলে বিহুমৰা দেখিছিল। এই বিহু কৰিছিল দেউৰী-চুতীয়াসকলে। " দেউৰী, চুতীয়াসকল চীন দেশৰ য়ানুন প্ৰদেশৰপৰা খ্ৰীষ্টিয় পঞ্চম শতিকাত প্ৰব্ৰজন হৈ সম্প্ৰতি অসম নামৰ উজনিৰ ছি-চু-ৱান বা বিদৰ্ভত কিছুমানে থাকিবলৈ লয় আৰু কিছু সংখ্যকে উজনিৰ বুঢ়ীদিহিং নদীৰ অৱবাহিকাত থাকিবলৈ লয়। অসমৰ জাতীয় উৎসৱ বিহুতো পঞ্চম শতিকাতে ম্যুং কং বা ঢোলৰ দেশ চীনৰ য়ানুন প্ৰদেশৰপৰা প্ৰব্ৰজন হোৱা দেউৰী চুতীয়া সকলেই লগত লৈ আহিছিল। চীন দেশত এপ্ৰিল- মে মাহত আজিও ডেকা-গাভৰুৱে যৌন-গন্ধী গীত গাই নাচ-বাগ কৰিলে পৃথিবী গৰ্ভৱতী হয় বুলি চীনাসকলে বিশ্বাস কৰে। দেউৰী, চুতীয়া সকলে আহি আৰম্ভ কৰিলে দ-পানীত বাওধানৰ খেতি। খ্ৰীষ্টিয় অষ্টম-নৱম শতিকাত সেই চীন দেশৰপৰাই এই মুলুকলৈ প্ৰব্ৰজন কৰিলে মৰাণসকলে। তেওঁলোকে লগত লৈ আহিল ৰাতি বিহুমৰাৰ প্ৰথা। ত্ৰয়োদশ শতিকাত এই মুলুকলৈ অহা চাও ল্যুং ছুকাফাৰ লগত অহা তাইসকলে লগত লৈ আহিল ৰুছেংৰি বা হুচৰি। চ'তৰ সংক্ৰান্তিৰ দিনা তেওঁলোকৰ ইষ্ট দেৱতা চোমদেউক স্নান কৰাই ঢোল, পেঁপা, গগনা, টকা আদি বজাই দলে-বলে বাস্তাই বাস্তাই যায় আৰু গৃহস্থই পদূলিলৈ ওলাই আহি ধান বা চাউল, কণী, তামোল পাণ আৰু সাধ্যানুসৰি অৰ্থৰে ৰুছেংৰিক মান ধৰে। এটা সময়ত এই ৰুছেংৰিৰ লগ লাগিল চুতীয়াসকলৰ ৰন বিহু। ছুকাফাৰ লগত অহা তাইসকলে চুতীয়াক কৈছিল তিউৰা বা তিহোৰা বুলি। অৰ্থ আগতে অহা তাই বা বুঢ়া তাই। ৰুছেংৰিৰ লগত ৰন বিহুৰ গীত গাই যোৱা বাবেই হয়তো আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহৰ ৰাজ কবি ৰাম নাৰায়ণ চক্ৰৱৰ্তীয়ে লিখি উলিওৱা অসমৰ প্ৰথমখন বিহু নামৰ কিতাপৰ নাম দিছিল 'আলিগান' অৰ্থাৎ আলিয়ে আলিয়ে গোৱা গান।"

আলি দি ডৱা ডৱা কৰি ধানৰ গুৰিত পানী ধৰি ৰাখি শালী ধানৰ খেতি কৰা কৌশলটো আহোম সকলৰ।

শংকৰদেৱৰ জনম হৈছিল ১৪৪৯ চনত। শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত এক শৰণ নামধৰ্ম বা বৈষ্ণৱ ধৰ্মৰ প্ৰতি মানুহ লাহে লাহে আকৰ্ষিত হ'ল। বৈষ্ণৱ ধৰ্মৰ নৱ জাগৰণে অসমখন ঢৌৱাই পেলাই অসমবাসীক জগত আৰু জীৱন সম্পৰ্কে নকৈ ভাবিবলৈ শিকালে। মানুহৰ মনবোৰ বৈষ্ণৱ ধৰ্মৰ প্ৰতি ক্ৰমে ক্ৰমে ঢাল খালে। মানুহৰ মুখত ৰাম কৃষ্ণহৰি গোবিন্দ শব্দবোৰ ভক্তিভাৱে সঘনে উচ্চাৰণ হ'বলৈ ধৰিলে। তেতিয়াৰ পৰাই হুঁচৰিৰ ঘোষা পদবোৰো ভক্তিভাৱৰ হৈ 'গোবিন্দাই ৰাম' শব্দবোৰ যোৱা লাগি গ'ল। বৈষ্ণৱ ধৰ্মৰ প্ৰভাৱ নপৰা সময়ত হুঁচৰিৰ ঘোষা পদবোৰত 'গোবিন্দাই ৰাম' এইবোৰ শব্দ সংযোজন হোৱা নাছিল। নাছিল হুঁচৰিৰ দলটোৱে গৃহস্থৰ চোতালত উপস্থিত হৈয়েই 'গৃহস্থৰ কুশল অৰ্থে হৰি' বোলা এই হৰি ধ্বনি। বৈষ্ণৱ ধৰ্মই নগৰকা সময়ত হুঁচৰিৰ ঘোষা পদবোৰ আছিল এনে ধৰণৰ

হাঁচতি এ তইহে মাত
আয়ে নপঠিয়াই

*****

হুঁচৰি ঐ চ'ত আমি যে ওমলো য'ত
দেহি ঐ দুবৰি নগজে ত'ত।

*****

এনে ধৰণৰ হুঁচৰিৰ ঘোষা পদ। কিন্তু যেতিয়াই বৈষ্ণৱ সংস্কৃতিয়ে অসমৰ সমাজ জীৱন গৰকি পেলালে তেতিয়াই হুঁচৰিৰ ঘোষা পদত গোবিন্দাই ৰাম-কৃষ্ণ শব্দবোৰ সোমাই পৰিল আৰু হুঁচৰিৰ ঘোষা পদবোৰ ভক্তিমূলক হৈ পৰিল। যেনে--

ৰাধাই বোলে কৃষ্ণ আমাক পাৰে কৰা
ভৰা যমুনাৰে জল ঐ গোবিন্দাই ৰাম।

****

কৃষ্ণৰ মূৰতে বকুল ফুল এপাহি
নিয়ৰ পাই মুকলি হ'ল ঐ গোবিন্দাই ৰাম

****

ইত্যাদি অনেক ভক্তি ৰসেৰে জীপাল কৰি হুঁচৰিৰ ঘোষা পদ সৃষ্টি হ'ল। পদো সামৰে অ' ৰাম জয় হৰি শব্দ কৰি। আকৌ সিমানেই নহয়, ৰামায়ণ-মহাভাৰতৰ কাহিনীৰ কথাকৈ বিহু নামো সৃষ্টি হ'ল--

গৈনো গৈ থাকিলে এ ৰাজা দুৰ্যোধন
ওৰকে নপৰে এ ৰাজা দুৰ্যোধন
কিনো দীঘলীয়া বাটে হেই এ ৰাজা দুৰ্যোধন
শকুনি ঐ দুঃশাসন
এ ৰাজা যুধিষ্ঠিৰ
পাশা হাৰি বনলৈ যাঁয়।
আকৌ-
হাবিলো গৈছিলো অ' শকুন্তলা
মতা ম'হ বিচাৰি অ' শকুন্তলা
ভালুকে ভাঙিলে ডাল এ অ' শকুন্তলা
দুষ্মন্তৰ পুতলা
হাতৰে আঙুঠি ক'তে হেৰুৱালা

অধুনাকালতো বিহুসুৰীয়া শ্ৰব্য-কেছেট বোৰতো ৰামায়ণ-মহাভাৰতৰ কাহিনীয়ে বিহুগীত পৰিবেশন কৰিছে। পৰ্বতৰ ঢেক-ঢেকীয়া লিহিৰি পতীয়া

বতাহত যেনেকৈ হালে
ঢোলৰে চাপৰত তোৰে লাহি কঁকাল
দুচাপ তিনিচাপকৈ ভাগে
তোৰ নাচনী দেখি শ্ৰীকৃষ্ণই
বাঁহী বজাইছিলে চাগে মোৰ মইনা অই।
আকৌ-
অৰ্জুনো নহওঁ মই দ্ৰোপদী ভগাই ল'বলে
ৰামচন্দ্ৰ নহওঁ মই সীতাক বনত দিবলে
দুষ্মন্ত নহওঁ মই আঙুঠি পিন্ধাই
আঙুঠি পিন্ধাই তোমাক পাহৰিবলে।

সময়ৰ সোঁতত বিহু সংস্কৃতি আৰু বৈষ্ণৱ সংস্কৃতি কেতিয়াবাই একাকাৰ হৈ গ'ল। মানুহ কিন্তু একেখিনিয়েই। সেইখিনি মানুহেই তিথি-পাৰ্বনত ভক্তিভাৱে শাস্ত্ৰ পাঠ কৰিব, শ্ৰৱণ কৰিব, শাস্ত্ৰ তত্বৰ ব্যাখ্যা কৰিব, বিহু আহিলে মূৰত গামোচাৰে পাগ মাৰি হুঁচৰি গাব, ঘোষা পদ সামৰি দুই কাণত আঙুলিয়ে ঠিলা দি দীঘলকৈ উকি মাৰি যোজনা দিব--

দেউতাৰ ৰৱে ঘৰ দেখোতেই ভয়ঙ্কৰ
শৰণখেৰ মেলি ঐ চোৰা
ছশ বোৱাৰে নশ গাঁঠনি
সৰিয়হ পিচলি যোৱা।

ঢুলীয়াই ঢোলত ৰগৰ দিয়ে, বাকীসকলে কিৰিলি পাৰি উজান দিয়ে। চোতাল ফালি দিওঁযেন কৰি মনৰ হেঁপাহেৰে নাচ-বাগ কৰে। আকৌ বছেৰেকৰ মূৰত গওঁৱাই গাঁৱৰ নামঘৰত শংকৰ গুৰুজনাৰ অৱদান ভাওনা পাতে। কোনোবা ভাৱৰীয়াই ৰণস্থলীত প্ৰিয়জনক হেৰুৱাই করুণসুৰে ইনাই-বিনাই বিলাপ কৰে--


হা হা ভ্ৰাতৃ কৈত গ'লা ৰণস্থলে এৰি
তোমাৰ বিহনে মঞি থাকো কেনেকৰি

সেইজন লোকেই আকৌ নিজান পথাৰত গৰু বা ম'হ চৰাই থাকোতে অথবা হাবিত সোমাই খৰি লুৰি থাকোতে স্বভাৱজাতভাৱে দীঘলীয়াকৈ উকি মাৰি মুখেৰে ওলাই আহে এনেধৰণৰ বিহুনাম এযাৰ--

হাই ঐ কিনো দুপৰীয়া ভোক ঐ মাজনী
কিনো দুপৰীয়া ভোক
তিয়ঁহো ন'হলি চিৰালো ন'হলি
চোৰাই খালোহেঁতেন তোক

একেখিনি মানুহেই জড়িত হৈ থকা বিহু আৰু বৈষ্ণৱ সংস্কৃতি আজি আৰু পৃথককৈ চাব নোৱাৰি। মূঠৰ ওপৰত বিহু আৰু বৈষ্ণৱ সংস্কৃতি দুয়োটা সংস্কৃতি লগ হৈয়েই আজি অসমৰ বিশাল সংস্কৃতি।

*লেখকৰ ঠিকনা -*
*বালি গাঁও, ঢকুৱাখনা*



# অবিভক্ত লক্ষীমপুৰ জিলাৰ বিহুৰ ঐতিহ্য

ইছমাইল হোছেইন

অবিভক্ত লক্ষীমপুৰ জিলা বুলি ক'লে বৰ্তমানৰ লক্ষীমপুৰ আৰু ধেমাজি জিলাক বুজায়। ১৯৮৯ চনত পূৰ্বৰ লক্ষীমপুৰ জিলাখন ভাগ হৈ ধেমাজি আৰু লক্ষীমপুৰ জিলা গঠন হয়। ৩২৩৭ বৰ্গ কিলোমিটাৰ মাটিকালিৰে ধেমাজি জিলা আৰু ২২৭৭ বৰ্গ কিলোমিটাৰ মাটিকালিৰে লক্ষীমপুৰ জিলা গঠিত। দুয়োখন জিলাৰ মাটিকালি যোগ কৰিলে ৫৫১৪ বৰ্গ কিলোমিটাৰ হয়। এই দুয়োখন জিলাৰ প্ৰধান ঠাইসমূহ হ'ল লক্ষীমপুৰ, ধেমাজি, ঢকুৱাখনা, জোনাই, চিলাপথাৰ, মাছখোৱা, বাসুদেউ, নাৰায়ণপুৰ, নাওবৈচা, বিহপুৰীয়া আদি।

অবিভক্ত লক্ষীমপুৰ জিলাৰ ভৌগোলিক অৱস্থানৰ বিশ্লেষণ কৰিলে দেখা যায় যে এই জিলাখন অতীজৰে পৰা নৈ, বিল, জলাহ, সুঁতি, অভয়াৰণ্য আদিৰে ভৰপূৰ। অবিভক্ত জিলাখনৰ দক্ষিণ দিশেৰে বৈ গৈছে বিশাল ব্ৰহ্মপুত্ৰ নদী। এই নদীক কেন্দ্ৰ কৰি জোনাইৰ পৰা ধলপুৰলৈকে দিকৰাই, চিমেন, গোগা, গাই, কুমটীয়া, জীয়াঢল, বুঢ়ীসুঁতি, মৰিঢল, তেলিজান, চিচি, টঙানি, কড়া, চিলনী, লাইপুলীয়া, ৰঙানদী, সোৱণশিৰি, ডিক্ৰং, শিঙৰা, পছমৰা, সোমদিৰি, ঘূণাসুঁতি, চাৰিকড়ীয়া, একড়ীয়া, শিঙিয়া আদিকে কৰি অনেক নৈ বৈ গৈছে। সেয়ে অবিভক্ত লক্ষীমপুৰ জিলাখন নদীকেন্দ্ৰিক এক ভূখণ্ড বুলি জনাজাত। বানপানী, গৰা-খহনীয়া আদিৰে বিধ্বস্ত জিলাখনত বিলমুখ, কুৱাবাৰী দলনি আদি পক্ষী উদ্যান, পবা অভয়াৰণ্য আদিয়ে প্ৰাকৃতিক সৌন্দৰ্য বৰ্দ্ধন কৰিছে। তদুপৰি আছে বাসুদেউ থান, পদুমণি থান, মালিনী থান আদিৰ দৰে ধৰ্মীয় ঐতিহ্যৰ অনুষ্ঠান। এইবোৰৰ উপৰি ঢকুৱাখনা, ধেমাজি, মাছখোৱা আদি ঠাইসমূহো আছে। এই আটাইবোৰেই বিশেষ বিশেষ দিশত ৰঙালী বিহুৰ সুকীয়া ঐতিহ্য বহন কৰিছে।

অবিভক্ত লক্ষীমপুৰ জিলাত ৰঙালী বিহুৰ বৈশিষ্ট্য আৰু ঐতিহ্য এয়ে যে অতীতৰ



বিহুৰ কিছুমান বিহুনাম, জাতনাম, যোৰানাম, নাচৰ ভঙ্গিমা আদি অপৰিবৰ্তনীয় ৰূপত জিলাখনত প্ৰবাহমান নদীৰ দৰে গতি পাই আহিছে। তদুপৰি আছে জনগোষ্ঠীয় বিহুৰ ঐতিহ্য। এই ক্ষেত্ৰত ঢকুৱাখনাৰ ম'হঘুলি চাপৰিৰ ফাট বিহু, ধেমাজিৰ গোহাঁই গাঁৱৰ কুকুৰা বিহু, মাছখোৱাৰ ৰাতিবিহু আদিয়ে জনগোষ্ঠীয় বিহুৰ সৈতে ৰঙালী বিহুৰ ঐতিহ্য বহন কৰি আহিছে। অবিভক্ত জিলাখনৰ মিচিং , দেউৰী, সোণোৱাল কছাৰী, কোঁচ, কৈবৰ্ত, আহোম, চুতীয়া, বড়ো আদি জনগোষ্ঠীয়েও তেওঁলোকৰ সামাজিক পৰম্পৰাৰ মাজেৰে ৰঙালী বিহুৰ বিচিত্ৰ ৰূপ তুলি ধৰিবলৈ সক্ষম হৈছে।

অবিভক্ত জিলাখনৰ ঐতিহ্যপূৰ্ণ বিহু বুলি ক'লে মূলতঃ ঢকুৱাখনাৰ চাৰিকড়ীয়া নদীৰ পাৰৰ ম'হঘুলি চাপৰিৰ ফাটবিহু, ধেমাজিৰ গোহাঁইগাঁৱৰ কুকুৰাযুঁজ কেন্দ্ৰিক ৰঙালী বিহু, মাছখোৱাৰ ৰাতিবিহু আদিকে বুজায়। এই আটাইবোৰ ঠাই প্ৰাচীন হাবুং ৰাজ্যৰ অন্তৰ্ভূক্ত আছিল। অনাৰ্য ভাষাৰ শব্দ 'হা আৰু 'বুং' মিলি হাবুং হৈছে। 'হা' মানে বহল আৰু 'বুং' মানে ঠাই; অৰ্থাৎ আহল-বহল ঠাই। আন এক অৰ্থত হাবুং মানে পলসুৱা আৰ্দ্ৰভূমি। ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ হাবুঙত এসময়ত কছাৰী-চুতীয়া আৰু ভূঞা-কায়স্থসকলে ৰাজত্ব কৰিছিল যদিও ১৫১২ চনৰ পৰা ঠাইখন সম্পূৰ্ণকৈ আহোম ৰজাৰ দখললৈ আহে। তাৰ আগতে আহোম স্বৰ্গদেউ চুকাফাই পোন প্ৰথমে হাবুঙতেই ৰাজধানী পাতিছিল বুলি বুৰঞ্জী গ্ৰন্থসমূহে কয়। সেয়ে প্ৰাচীন কালৰে পৰাই হাবুঙখন বিভিন্ন জনগোষ্ঠীৰ বসতিস্থল আৰু হাবুঙৰ ৰঙালী বিহুও জনগোষ্ঠীয় বৈচিত্ৰ্যৰে পৰিপূৰ্ণ।

হাবুঙৰ অন্তৰ্ভূক্ত ঢকুৱাখনাৰ ফাটবিহুত প্ৰচলিত এটি পুৰণি বিহুনামৰ পৰা এই ঐতিহ্যপূৰ্ণ বিহুটিৰ উৎপত্তিৰ সময়ৰ কথা জানিব পাৰি। বিহুনামটি হ'ল -

"পখিলা উৰা দি উৰ ঐ নাচনী  
পখিলা উৰা দি উৰ,  
ৰজাৰো আগৰ ফাটবিহুখনিৰ  
নেপাবি পীৰিতিৰ ওৰ।"

এই ফাটবিহুৰ উৎপত্তিৰ সৈতে 'ফাট' নামৰ শব্দটি জড়িত হৈ আছে। 'ৰজাৰো আগৰ'; অৰ্থাৎ হাবুঙ ৰাজ্যখন ৰজাই শাসন কৰাৰ আগৰে পৰা নৈৰ পাৰত বা ফাটত বিভিন্ন জনগোষ্ঠীৰ লোকে একেলগে বিহু মাৰিছিল। যদিও 'ফাট'নামটো সোতৰ শতিকাতহে বিহুৰ সৈতে জড়িত হয়। তাই ভাষাৰ শব্দ 'ফাট' মানে হ'ল নৈ বা গভীৰ পানী থকা ঠাইৰ দাঁতিত বেহা-বেপাৰ, কৰ-কাটল সংগ্ৰহ আদি কামৰ বাবে সমৱেত হোৱা ঠাই। এই ফাটতেই সোতৰ শতিকাৰ মাজভাগৰ পৰা আহোম, চুতীয়া, কোঁচ, মিচিং, সোণোৱাল, কছাৰী, দেউৰী, কৈবৰ্ত আদি জনগোষ্ঠীৰ মানুহে লগ হৈ সাতদিনলৈকে বিহু মাৰিছিল। পিছলৈ সেই বিহুৰেই কুৰি শতিকাৰ দ্বিতীয় দশকৰ পৰা মুকলি বিহুৰূপে আৰু ১৯৭৬ চনৰ পৰা উদ্‌যাপন সমিতি গঠনৰ মাজেৰে তিনিদিনীয়া কাৰ্যসূচীৰে ম'হঘুলি চাপৰিত অনুষ্ঠিত হৈ আহিছে। ফাটবিহুৰ বৈশিষ্ট এয়ে যে এই তিনিদিনীয়া বিহুত আহোম, চুতীয়া, কোঁচ, কৈবৰ্ত, কলিতা, মিচিং, দেউৰী, সোণোৱাল, কছাৰী আদি জনগোষ্ঠীৰ বিহুৱা-বিহুৱতী আৰু বিহু দলে সম্পূৰ্ণ প্ৰাকৃতিক পৰিবেশত চাৰিকড়ীয়া নদীৰ পাৰৰ ম'হঘুলি চাপৰিৰ বিহুতলীত বিহু মাৰে। বিভিন্ন জনগোষ্ঠীৰ লোক গোট খোৱা বাবে ফাটবিহু সমন্বয়ৰ বিহুৰূপে চিহ্নিত হৈছে। ফাটবিহুৰ আন এক ঐতিহ্য হ'ল গাভৰু আৰু বোৱাৰীৰ টকাবিহু। বাঁহৰ টকা বজাই বিহুনাম গাই নাচে বাবে গাভৰু-বোৱাৰীৰ বিহুক টকাবিহু বুলি কোৱা হয়। এই টকাবিহু নামটো অবিভক্ত লক্ষীমপুৰ জিলাৰ বাদে আন ঠাইত শুনিবলৈ পোৱা নেযায়। টকা বিহুক কেন্দ্ৰ কৰি জিলাখনৰ গাঁৱে-ভূঁএে অনেক ঐতিহ্যময় বিহুনাম প্ৰচলিত।

ফাটবিহুৰ দৰেই বহু যুগৰে পৰা ধেমাজিৰ ওচৰৰ গোহাঁই গাঁৱত কুকুৰাযুঁজৰ মাজেৰে বিহু পালন কৰি আহিছে। কুকুৰ যুঁজ আৰু কণী যুঁজ অনুষ্ঠিত কৰাৰ মাজেৰে আয়োজন কৰা বাবে গোহাঁই গাঁৱৰ বিহুক কুকুৰা বিহু বুলিও জনা যায়।

ধেমাজি জিলাৰ মাছখোৱাত সোতৰ শতিকাৰে পৰা গছ তলত ৰাতিবিহু অনুষ্ঠিত হৈ আহিছে। কুৰি শতিকাৰ সত্তৰ দশকলৈ মাছখোৱা অঞ্চলত ৰাতি বিহুৰ পুৰণি ঐতিহ্য অক্ষুণ্ণ আছিল। শতিকাটোৰ শেষভাগৰ পৰা উদ্‌যাপন সমিতি গঠনৰ মাজেৰে প্ৰাকৃতিক পৰিৱেশত মাছখোৱাত ৰাতি বিহু উদ্‌যাপন হৈ আহিছে।

এনেদৰে দেখা যায় যে, অবিভক্ত লক্ষীমপুৰ জিলাত বিভিন্ন ৰূপত ৰঙালী বিহু উদ্‌যাপন হৈ আহিছে। স্থানীয় বৈশিষ্ট্যৰে সমৃদ্ধ এই বিহু সমূহৰ আন এটা দিশ হ'ল বিহুনামত ইতিহাস আৰু ঐতিহ্যৰ সন্ধান। উদাহৰণস্বৰূপে ফাটবিহুক কেন্দ্ৰ কৰি প্ৰচলিত বিহুনামত আছে ঠাই, নৈ, জনগোষ্ঠী, দলনি আদিৰ সঘন উল্লেখ।

ফাটবিহুৰ বিহুনামে বহন কৰা ঐতিহ্য অবিভক্ত জিলাখনৰ আন ঠাইৰ বিহুনামেও কঢ়িয়াই ফুৰা দেখা যায়। যেনে, মাছখোৱাৰ ৰাতিবিহুক কেন্দ্ৰ কৰি প্ৰচলিত বিহু নামত আছে লাইপুলীয়া নৈৰ কথাঃ

"ঘৰলৈ গ'লে মোক আয়ে দংশিব
কেনেকৈ ছিঙিলি কাণ,
লাইপুলীয়া নৈখন কুৰুকা-কুৰুকি
তাতে পৰি ছিগিলে কাণ।"

এনেদৰেই অবিভক্ত লক্ষীমপুৰ জিলাৰ কঢ়া, কুমতীয়া, মধুমতী, শিঙিয়া, ৰঙানৈ, পছমৰা, জীয়াঢল, মৰিঢল, সোৱণশিৰি, চাৰিকড়ীয়া, লাইপুলীয়া আদি নৈৰ উল্লেখে বিহুনামক সমৃদ্ধ কৰিছে। অবিভক্ত জিলাখনৰ মিচিং সমাজেও অইনিঃতমৰ মাজেৰে সমৃদ্ধ ৰূপত সোৱণশিৰি (অবনৰী), খেৰকটা (কেৰকটা) আদি নৈক তুলি ধৰিছে।

অবিভক্ত লক্ষীমপুৰ জিলাখন থান-সত্ৰৰে চহকী। ধৰ্মীয় আৰু সাংস্কৃতিক ঐতিহ্য- এই দুয়োটাকেই ধাৰণ কৰিছে জিলাখনৰ নামঘৰ আৰু থান-সত্ৰসমূহে। সেয়ে বিহুৰ সৈতেও জিলাখনৰ থান-সত্ৰসমূহলৈ গৈ সেৱা জনায়। বিহুনামতো স্থান লাভ কৰিছে থান-সত্ৰসমূহে। অবিভক্ত জিলাখনৰ তেনে থান-সত্ৰৰ অন্যতম হ'ল বাসুদেৱথান, মালিনী থান, পদুমণি থান আদি। বিহুনামত এই থানসমূহৰ উল্লেখ এনেধৰণৰ-

"নামঘৰত দি যাওঁ বাঙলী শৰাইখন
বাসুদেউত দি যাওঁ ফুল,
গাঁৱৰ বুঢ়া-মেথা মাতো তুতিকৈ
গাঁৱত নেপেলাবা মোক।

ধেমাজিৰ গোহাঁই গাঁৱৰ কুকুৰা যুঁজকেন্দ্ৰিক বিহুক কেন্দ্ৰ কৰি কছাৰী জনজাতিসকলৰ পূৰ্বপুৰুষৰ দুজন বীৰ ধনবৰ আৰু মনবৰক স্মৰণ কৰিয়ো বিহুনাম গঢ় লৈ উঠিছে। মূলতঃ হুঁচৰিৰ আৰ্হিত গোৱা ধনবৰ মনবৰ সম্পৰ্কীয় বিহুনামত কুকুৰা যুঁজৰ কথায়ো স্থান পাইছে। যেনে -

"ধনবৰ ঐ মনবৰ ঐ
লৈ আন কুকুৰা যুঁজাওঁ না ঐ
ধনবৰ ঐ বেথা বৰ ঐ
লৈ আন কুকুৰা যুঁজাও না ঐ
ধনবৰৰ কুকুৰা শেনে ফুটুকীয়া
লৈ আন কুকুৰা যুঁজাওঁ না ঐ।
মনবৰৰ কুকুৰা ৰঙা ফুটুকীয়া
লৈ আন কুকুৰা যুঁজাওঁ না ঐ
লৈ আন কুকুৰা, লৈ আন কুকুৰা
ধনবৰ ঐ মনবৰ ঐ
লৈ আন কুকুৰা যুঁজাওঁ না ঐ।"

এনেদৰে হুঁচৰি গাই গাই দুটা দলে কুকুৰা যুঁজ পাতে। এই যুঁজ পাতোতে বিহুতলীত দুটা দলত বিভক্ত হৈ দুইফালৰ পৰা দুটা কুকুৰা মেলি দিয়া হয়। তাৰে এটা কুকুৰা ৰজাৰ মঙ্গলৰ বাবে আৰু আনটি প্ৰজাৰ মঙ্গলৰ বাবে। এই যুঁজ পতাৰ মূল উদ্দেশ্য হ'ল কৃষিজীৱী ৰাইজে বছৰটোৰ বাবে যাতে মঙ্গলে থাকে। তদুপৰি এই যুঁজক প্ৰজননৰ প্ৰতীক হিচাপেও ভবা হয়। কুকুৰা যুঁজকেন্দ্ৰিক বিহুৱে ৰাইজৰ মাজত সদ্‌ভাৱ আৰু সম্প্ৰীতিৰ পৰিৱেশ সৃষ্টিত অৰিহণা যোগায়। কিছুমানে কুকুৰা যুঁজৰ বিহুৱা দলক মাননিও দিয়ে। তেনে মাননিৰে সমাজৰ উন্নয়নৰ হকে কাম কৰা হয়। গোহাঁই গাঁৱৰ কুকুৰা যুঁজকেন্দ্ৰিক বিহুৱে ধেমাজিৰ সাংস্কৃতিক ঐতিহ্যক মহীয়ান কৰিছে।

লক্ষীমপুৰ জিলাৰ বিহুৱা আৰু বিহুৱতীসকলৰ এক সংগ্ৰামী ঐতিহ্য আছে। বিশেষকৈ নাচনীসকলে বোৱনী আৰু বোৱনীৰ ভূমিকা পালন কৰাৰ উপৰি বিহুনাম গাই বৃটিছ বিৰোধী ধ্বনি তুলিছিল কুৰি শতিকাৰ প্ৰথম ভাগত। ১৮৯৮ চনৰ ২৪ আগষ্টত লণ্ডনৰ 'The National Guardian' নামৰ কাকতত অসমৰ নগাঁৱৰ বৃটিছভক্ত বুদ্ধিচন্দ্ৰনাথ দিলিহিয়াল ভট্টাচাৰ্যই 'The Assamese Bihu' নামৰ প্ৰবন্ধ লিখি ৰঙালী বিহু নিষিদ্ধকৰণৰ প্ৰস্তাৱ আগবঢ়াইছিল আৰু সেইমতে বৃটিছ প্ৰশাসনে ১৮৯৯ চনৰ মাজভাগত বিহুক নিষিদ্ধকৰণ কৰি আদেশ জাৰি কৰিছিল। সেই নিষিদ্ধকৰণৰ বিৰুদ্ধে প্ৰতিবাদ জনাবলৈ নগাঁৱৰ পুৰণি গুদামৰ আনন্দ দাসৰ নেতৃত্বত ঢুলীয়া মইমত টাটিঙা বৰা আৰু তেওঁৰ নাচনী ভনীয়েক চেনিমাইক লগত লৈ গুৱাহাটীলৈ আহি এঘণ্টা সময় জিলাধিপতিৰ বাসভৱনৰ সন্মুখত বিহু নাচ নাচিছিল। তিনিও গৰাকীৰে ওজৰ-আপত্তি শুনি বৃটিছ চৰকাৰে ১৮৯৯ চনৰ শেষভাগত বিহু নিষিদ্ধকৰণৰ প্ৰস্তাৱ তুলি ল'বলৈ বাধ্য হৈছিল। লক্ষীমপুৰ জিলাতো বিহুৰ নিষিদ্ধকৰণৰ প্ৰভাৱ পৰিছিল। বাতৰিটো পাই জিলাখনৰ বিহুৱা-বিহুৱতীসকল ৰঙত ফাটি পৰিছিল; বিহুৱতীসকলে বিহুনামেৰে বৃটিছৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল; তাঁতশাল এৰি মেখেলা কোঁচাই চোঁচা লৈছিল বৃটিছ বিষয়ালৈ বুলি।





জিলাখনৰ বিহুৱতীসকলে বৃটিছ চাহাবলৈ ভয় নকৰি বিহুৰ নিষিদ্ধকৰণৰ বিৰুদ্ধে যে প্ৰতিবাদ সাব্যস্ত কৰিছিল সেই সন্দৰ্ভত জিলাখনত প্ৰচলিত পুৰণি বিহুনামতো উল্লেখ পোৱা যায়। যেনে—

"ঢাপে ঢাপে চৰিলে ঢাপলিকা চৰাইটি
বাঘলৈয়ো নকৰে ভয়,
লক্ষীমপুৰ জিলাৰ সোলেঙী গাভৰু
চেহাবলৈ নকৰে ভয়।"

এনেধৰণৰ প্ৰাকৃতিক, ঐতিহাসিক, সাংস্কৃতিক, ধৰ্মীয় আৰু সংগ্ৰামী ঐতিহ্যৰে চহকী অবিভক্ত লক্ষীমপুৰ জিলাৰ গাঁৱে-ভূঁঞে অতি মনোমোহা প্ৰাকৃতিক পৰিৱেশত ৰঙালী বিহু উদ্‌যাপন কৰা হয়। অবিভক্ত জিলাখনৰ কেঁকুৰি, বেবেজীয়া, পানীগাঁও, ঘিলামৰা, গন্ধীয়া, ঘাৰমৰা, জোনাই, চিচিবৰ গাঁও, বৰদলনি, নাৰায়ণপুৰ, বিহপুৰীয়া, ধলপুৰ, পছমৰা, নাওবৈচা, আজাদ, বাটমাৰী আদিতো ৰঙালী বিহুৰ পৰম্পৰা আৰু পৰিৱেশনৰ পুৰণি ঐতিহ্য বিদ্যমান। পুৰণি সুৰৰ বিহুনাম আৰু পুৰণি নাচোন ভঙ্গিমাও এই অঞ্চলসমূহৰ বিহুৱা-বিহুৱতীসকলৰ মাজত বিদ্যমান। ঢকুৱাখনাৰ ফাটবিহুক কেন্দ্ৰ কৰি কিছুমান জাতনাম প্ৰচলিত আছে যিবোৰৰ মাজত সামাজিক, সাংস্কৃতিক আৰু ভৌগোলিক ঐতিহ্য জিলিকি উঠিছে। যেনে--

"এ লিলিং লালাং কচুশাকত তেল নাই
ঢুলীয়া কাংকান ঐ নাচনী মাকন ধিদাংদাং, নীলমণি
দাং
লামডিং লতপ ঐ নাচনী মণিৰাম চতপ ঐ
হাতীয়ে মাউতক পলুৱাই নিলেগৈ ম'হঘুলি চাপৰিলৈ।
সৰুটি অ' সৰু সৰু বেঙেনাৰ পাত,
লোণ মাৰো গাত চূণ মাৰো গাত;
চেহাবনী ছোৱালীৰ ৰিহা নাই গাত
পানী আনি ভাত ৰান্ধি নোখোৱাৰ জাত।
লৌ লৌ লৌগুটি চৌ চৌ চৌগুটি
উঁয়ে খালে পোৱে খালে ঠাক ঠাক ঠাক।"

এই বিহুনামটিত (জাতনাম) মিচিং ঢুলীয়া (ঢুলীয়া কাংকান), মণিৰাম দেৱান (মণিৰাম চতপ), লামডিং জংচন (লামডিং লতপ), ম'হঘুলি চাপৰি, ৰিহা আদি বিভিন্ন প্ৰসঙ্গৰ উল্লেখ কৰা হৈছে। দেখিবলৈ সঙ্গতিহীন শব্দ আৰু খণ্ডবাক্যৰে সমৃদ্ধ বিহু নামটিৰ সৈতে ঢোলৰ তিনিটা ছেও আৰু নাচোনৰ কমেও পাঁচটা ভঙ্গিমাৰ প্ৰয়োগ ঘটে। এনে ধৰণৰ জাতনামৰ সৈতে বিহুৱা-বিহুৱতীসকলে নচাটো কঠিন কাম যদিও অবিভক্ত লক্ষীমপুৰ জিলাৰ পাকৈত বিহুৱা-বিহুৱতীৰ বাবে সহজ।

অবিভক্ত জিলাখনৰ ঐতিহ্যময় ৰাতিবিহুক কেন্দ্ৰ কৰিয়ো অৰ্থপূৰ্ণ বিহু নামৰ প্ৰচলন আছে। তেনে এটি বিহুনাম (জাত নাম) ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰৰ দিচাংমুখক কেন্দ্ৰ কৰি গোৱা হয়। যেনে-

"ম'হৰ নাকী ঘোঁৰাৰ লেকাম
দিচাংমুখত জাহাজ ৰখাম
চাৰিআলিত চাহৰ দোকান
বাটত পালে তোমাক জোকাম
নুগুৱাদেই নুগুৱাদেই

বাতিবিহু চাবলৈ
বাতিবিহু চাবলৈ যাম।"

কেৱল বিহুনাম বা জাতনামৰ ক্ষেত্ৰতেই নহয়, নাচৰ ভঙ্গিমাৰ ক্ষেত্ৰতো জিলাখনত স্বকীয়তা লক্ষ্য কৰা যায়। বিশেষকৈ গাভৰু বা বোৱাৰীৰ টকা বিহু পৰিৱেশনৰ সময়ত বা মুকলি বিহুত বিহুৱতীয়ে নচাৰ সময়ত 'আগ ফালে হাওলি কঁকাল ভঙা আৰু তালে তালে হাতদুখন পিছফালে নি কঁকালটো এবাৰ খামোচ মাৰি ধৰা, এবাৰ এৰি দিয়া' ভঙ্গিমাটো মূলতঃ ফাটবিহু, বাতি বিহু আদিত অতীতৰে পৰা পৰিৱেশন কৰিছিল। পিছত এই ভঙ্গিমাটো সমগ্ৰ লক্ষীমপুৰ জিলাৰ নাচনীয়ে অনুসৰণ কৰিবলৈ লয়। এক্ৰৈছ শতিকাৰ প্ৰথম ভাগৰ পৰা অসমৰ কিছুমান বিহুতলীয়া বা দূৰদৰ্শনৰ পৰ্দাত কিছু সংখ্যক নাচনীয়ে এই ভঙ্গিমাটো পৰিৱেশন কৰাৰ্লৈ চাই ক'ব পাৰি যে সেয়া হয়তো অবিভক্ত লক্ষীমপুৰ জিলাৰ নাচোনৰ ভঙ্গিমাৰেই প্ৰতিফলন।

অবিভক্ত লক্ষীমপুৰ জিলাত অনেক স্থায়ী বিহুতলী আছে যিবোৰ প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিপূৰ্ণ। তেনে বিহুতলীৰ উদাহৰণ হ'ল ফাটবিহুতলী, ত্ৰিনয়ন বিহুতলী, বেবেজীয়াৰ ১নং কৌপাতনী গাঁৱৰ চামপৰীয়ালেদাং বিহুতলী, গোহাঁইগাঁৱৰ বিহুতলী আদি। স্থায়ী বিহুতলী নথকা ঠাইত অস্থায়ীভাৱে নিৰ্মাণ কৰা বিহুতলীসমূহো প্ৰাকৃতিকভাৱে সজাই তোলা হয়। ক'ৰবাত মঞ্চবিহুৰ আয়োজন কৰিলেও সেইবোৰতো অবিভক্ত জিলাখনৰ বিহুৰ ঐতিহ্য সুৰক্ষিত কৰাত গুৰুত্ব প্ৰদান কৰা হয়। অসমত মহানগৰীয়া মঞ্চবিহুৱে ৰঙালী বিহুৰ বিকৃতিকৰণ আৰু ধ্বংস যজ্ঞ আৰম্ভ কৰাৰ বিপৰীতে অবিভক্ত লক্ষীমপুৰ জিলাৰ মঞ্চবিহুৰ উদ্যোক্তাসকলে বিহুৰ ঐতিহ্য ৰক্ষা কৰাৰ ক্ষেত্ৰত শেনৰ দৃষ্টিৰে কাম কৰা দেখা যায়। অৱশ্যে অজ্ঞতা আৰু দৃষ্টিভংগীৰ তাৰতম্যৰ বাবে অবিভক্ত জিলাখনৰ দুই-এক মঞ্চবিহুৱে নগৰীয়া বিহুক অনুসৰণ কৰাত বিহুৰ গৰিমা কিছু পৰিমাণে বিঘ্নিতও হৈছে। এই দিশত সচেতন মহলে দৃষ্টি নিক্ষেপ কৰা উচিত।

অবিভক্ত লক্ষীমপুৰ জিলাখন আহোম, চুতীয়া, মিচিং, সোণোৱাল, কছাৰী, ঠেঙাল কছাৰী, বড়ো, কোচ, কৈৱৰ্ত, কলিতা, ব্ৰাহ্মণ, কায়স্থ, চাহ জনগোষ্ঠী আদি জনগোষ্ঠীৰ বসতিথলী। এই জনগোষ্ঠীসমূহে স্বকীয় নিয়ম আৰু পৰম্পৰাৰ মাজেৰে ৰঙালী বিহু পালন কৰিলেও বিহুৰ পৰিৱেশনত উমৈহতীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়। এই বৈশিষ্ট্য ৰক্ষা কৰাত জিলাখনৰ ইছলামধৰ্মীসকলেও বিশেষ ভূমিকা পালন কৰি আহিছে। বিশেষকৈ লক্ষীমপুৰ নগৰক কেন্দ্ৰ কৰি অনেক মুছলমানলোকে নিজকে অসমীয়া জাতিৰ শক্তিশালী অংশীদাৰ বুলি ভাৱি ৰঙালী বিহু উদযাপনৰ মাজেৰে বিহুৰ ধৰ্মনিৰপেক্ষ ঐতিহ্যক সুৰক্ষিত কৰাত সক্ৰিয়ভাৱে অৰিহণা যোগাই আহিছে। মৌলবাদী চিন্তাৰ বিপৰীতে লক্ষীমপুৰ জিলাৰ মুছলমানসকলে বিহুৰ মাজেৰে উদাৰ আৰু প্ৰগতিশীল চিন্তাৰ বিকাশ সাধন কৰাৰ ভূমিকা নিঃসন্দেহে উল্লেখনীয়। সেয়ে ইছলামধৰ্মীসকলৰ পৰা আৰম্ভ কৰি আহোম, চুতীয়া, কোঁচ, কৈৱৰ্তলৈকে সকলো জনগোষ্ঠীৰ লোকে অবিভক্ত লক্ষীমপুৰ জিলাৰ বিহুৰ ঐতিহ্য সুৰক্ষিত আৰু বিকশিত কৰাৰ মাজেৰে অসমীয়া সংস্কৃতিৰ ৰবঘৰৰ ভঁৰাল চহকী কৰাত যি ভূমিকা পালন কৰি আহিছে সেয়া সমগ্ৰ অসমবাসীৰেই আদৰ্শনীয় হোৱা উচিত। তদুপৰি বিহুৰ সৈতে ইতিহাস, প্ৰকৃতি, ঐতিহ্য আদিৰ সম্পৰ্ক যিদৰে অবিভক্ত লক্ষীমপুৰ জিলাত সুৰক্ষিত হৈ আহিছে সেয়া সামগ্ৰিকভাৱে বিহুৰ সুৰক্ষা চিন্তাৰ ক্ষেত্ৰত আৰ্হি হ'ব পাৰে। সেই আৰ্হি নিশ্চিতভাৱে জিলাখনৰ গাঁও-ভূঁইৰ বিহুৰ পৰম্পৰা, হুঁচৰি, মুকলি বিহু, টকা বিহু আদিৰ মাজেৰে সুৰক্ষিত হৈ আহিছে আৰু তেনে সুৰক্ষাৰ ক্ষেত্ৰত আনুষ্ঠানিকভাৱে ঢকুৱাখনাৰ ফাটবিহু, মাছখোৱাৰ ৰাতি বিহু, গোহাঁই গাঁৱৰ কুকুৰা বিহু আদিয়ে ঐতিহাসিক ভূমিকা পালন কৰি আহিছে।

*লেখকৰ ঠিকনা— প্ৰৱক্তা, প্ৰিন্চ্ অৱ ৱেল্চ্ ইনষ্টিটিউট অৱ ইঞ্জিনিয়াৰিং এণ্ড টেক্‌নল'জী, যোৰহাট-১*



# ফাট বিহুত ঢকুৱাখনাৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক প্ৰভাৱ ঃ এটি নিৰীক্ষণ

ড° চন্দ্ৰনাথ বৰুৱা

তাহানিৰ ভূগোলত উল্লিখিত ঢকুৱাখনা ঠাইডোখৰ সম্প্ৰতি দৃশ্যমান নহয়। খাদ্য সামগ্ৰীকে ধৰি মানুহৰ চিন্তা-চৰ্চা, ধৰণ-কৰণ, শিক্ষা, অৰ্থনীতি, ৰাজনীতি জনগাঁঠনি প্ৰতিটো ক্ষেত্ৰতেই পৰিৱৰ্তন পৰিলক্ষিত হয়। আনকি প্ৰাকৃতিক দুৰ্যোগ প্ৰধানকৈ বানপানী আৰু খহনীয়াৰ প্ৰাবল্যই ঢকুৱাখনাৰ ভৌগলিক আয়তনকো সঙ্কোচন ঘটাইছে। ১৯৯৮ চনৰ ৩ চেপ্তেম্বৰৰ আবতৰীয়া ব্ৰহ্মপুত্ৰৰ বানে পূব ঢকুৱাখনা, মাতমৰা, দাংধৰা, খেৰকটা গাঁও পঞ্চায়ত এলেকাৰ হাজাৰ হাজাৰ বিঘা সোনতলী মৰুভূমিত পৰিণত কৰিলে। সামগ্ৰিকভাৱে '৯৮ৰ বানে সমগ্ৰ ঢকুৱাখনাৰ আৰ্থ-সামাজিক ভেটিটোকে নিশকতীয়া কৰি পেলালে। পৰিতাপৰ কথা বানোত্তৰ সুদীৰ্ঘ সোতৰটা বছৰত তদানীন্তন শাসনাধিষ্ঠ আৰু বৰ্তমানৰ পৰিৱৰ্তনকামী জন প্ৰতিনিধি গৰাকীৰ বানখহনীয়া আৰু বানবিধ্বস্ত সকলৰ পুনঃসংস্থাপনৰ ক্ষেত্ৰত সময়োচিত হস্তক্ষেপ প্ৰত্যক্ষ কৰা নাই। বানপানীয়ে সৃষ্টি কৰা মৰুভূমি সদৃশ মাটিত স্বকীয় কৃষ্টি আপং, সাজ, চুজে কণ তৈয়াৰ কৰি খাবলৈ ইয়াৰ বাবে প্ৰয়োজনীয় উপাদান ঔষধী পিঠা প্ৰস্তুত কৰিবলৈ ঔষধী গছ, লতা-তৃণ বিলুপ্ত হ'ল। কৃষি, মুগা সূতা, পাট সূতা আৰু এৰীৰ বাবে থকা পূৰ্বৰ পৰিৱেশ হ্ৰাস পাব ধৰিছে। পাত সূতা আৰু মুগা কাপোৰৰ দাম আকাশলঙ্ঘী হোৱাত সাধাৰণ মহিলা বা যুৱক-যুৱতীয়ে মুগা সাজ পিন্ধি বিহুলৈ ওলাব নোৱাৰে। চৰণীয়া পথাৰ আৰু ঘাঁহ-বনৰ অভাৱত আগৰ হাৰত গ্ৰামাঞ্চলৰ মানুহে গৰু-ম'হ পোহিবলৈ বাদ দিছে। গ্ৰামাঞ্চলত পশুধন কমি আহিছে। ম'হৰ শিঙৰ পেঁপা, ঢোল, বাদ্য যন্ত্ৰ শিল্প ভিত্তিক হোৱাৰ বাবে কম আয়ৰ গ্ৰাম্য সংস্কৃতিবান লোকৰ বাবে আগৰ দৰে সেই সামগ্ৰীবোৰ সহজলব্ধ নহয়। এতিয়া বিহুৰ নৈকণো পাউডাৰ গাখীৰ মিহলাই প্ৰস্তুত কৰিব লগা হৈছে। এনে পৰিস্থিতিৰ প্ৰত্যাহ্বান হিচাপে বিকল্প উপায় অৱলম্বন কৰাৰ প্ৰৱণতা ৰাইজৰ মাজত লক্ষণীয়াভাৱে বৃদ্ধি পাইছে। বানপানীৰ পৰা পৰিত্ৰাণ পাবৰ বাবে পৰম্পৰাৰ বিপৰীতে আংশিকভাৱে হ'লেও অনামিচিং, অনাদেউৰী লোকে সাধ্যানুসৰি চাংঘৰ সংস্কৃতি গ্ৰহণ কৰিবলৈ বাধ্য হৈছে। এই পৰিৱৰ্তিত পৰিৱেশ পৰিস্থিতিক আওকাণ কৰি ঢকুৱাখনাৰ বহুধা বিভক্ত সমাজখনে স্বকীয় কৃষ্টি-সংস্কৃতিক ৰক্ষা আৰু আদৰ কৰিবলৈ এৰা নাই। ঢকুৱাখনাৰ ভিন্ন জনগোষ্ঠী লোকে বিহু কৃষ্টিৰ অন্যতম ৰঙালী বিহুক বুকুৰ আমঠু হিচাপে আদৰ কৰি আহিছে। গৌৰবোজ্জ্বল ঐতিহ্যৰে চহকী ঢকুৱাখনাত ক্ষেত্ৰ বদলি কৰি ঐতিহ্যপূৰ্ণ ফাটবিহু বিনন্দীয়া প্ৰাকৃতিক পৰিৱেশৰ লগত যোৰ পাতি উদ্‌যাপন কৰি আহিছে। মানুহৰ অপূৰ্ব সৃষ্টিয়েই হৈছে কৃষ্টি। কৃষ্টি-সংস্কৃতিত সমাজৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক প্ৰভাৱ প্ৰতিফলন ঘটে। ফাট বিহুতো ইয়াৰ প্ৰভাৱ পৰাটো স্বাভাৱিক। যিকি নহওক, এই লিখনিত ফাটবিহুত বৰ্তমান ঢকুৱাখনাৰ আৰু ইয়াৰ উপকণ্ঠীয় অঞ্চলৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক বাতাৱৰণৰ প্ৰভাৱ পৰিছেনে নাই এই প্ৰশ্নৰ উত্তৰ প্ৰতিপন্ন কৰাৰ প্ৰয়াস কৰা হৈছে।

সম্প্ৰতি ঢকুৱাখনাৰ জনগাঁঠনিলৈ লক্ষণীয় ভাৱে পৰিবৰ্তন আহিছে। কৃষি, বাণিজ্য, ব্যৱসায়, চাকৰি-বাকৰি, গড়া খহনীয়া, বানপানী আৰু আভ্যন্তৰীণ প্ৰব্ৰজন এই পৰিবৰ্তনৰ একো একোটা কাৰণ। ঢকুৱাখনা আৰু ইয়াৰ উপকণ্ঠীয় এলেকাত স্থায়ীভাৱে বাস কৰি অহা দেউৰী, সোনোৱাল কছাৰী, কৈৱৰ্ত, চুতীয়া, মিচিং, আহোম, কোঁচ, কলিতা, বামুণ, নেপালী, বঙালী, ৰাজস্থানী, বিহাৰীআদি ভিন্ন জাতি জনগোষ্ঠীয় লোকে স্বকীয় কৃষ্টি-সংস্কৃতি সংৰক্ষণ কৰি কৃষ্টি-সংস্কৃতিৰ পথাৰখন অতীজৰ পৰা জাতিষ্কাৰ কৰি ৰাখিছে। এই ভিন্ন কৃষ্টি-সংস্কৃতিৰ মাজতে গঢ় লৈ উঠিছে উচ্চ সাংস্কৃতিক মহামিলন। আমাৰ তিনিটা বিহুৰে সুকীয়া বৈশিষ্ট্য আছে। পৃথক পৰিৱেশ আৰু ঋতুত এই বিহু পালন কৰা হয়। ঋতু পৰিৱৰ্তন আৰু কিনন্দীয়া প্ৰাকৃতিক ৰূপ সজ্জাই ৰঙালী বিহুৰে অৱশ্যে প্ৰত্যেকজন অসমীয়াক আবেগৰ ঢৌৰে বুৰাই পেলায়। এনেয়ে ৰঙালী বিহু তাতে হাত উজান দিয়ে, আবেগৰ মাত্ৰা বঢ়ায়- ফাট বিহুৱে। ৰঙালী বিহুৰ গৰ্ভতে ফাট বিহুৰ সৃষ্টি। বিগত সময় চোৱাত ফাট বিহুক কেন্দ্ৰ কৰি অসমৰ বিভিন্ন কাকতে-পত্ৰে, বিহুৱানত (ফাট বিহুৰ উপলক্ষে প্ৰকাশিত বাৰ্ষিক মুখপত্ৰ) বিস্তৰ লিখা মেলা প্ৰকাশ পাইছে। আনকি ফাট বিহুৰ ওপৰত গৱেষণা কৰি সম্মানীয় ডক্টৰেট ডিগ্ৰীও লাভ কৰিছে। গতিকে ফাট বিহুৰ ওপৰত অধিক ব্যাখ্যা নিষ্প্ৰয়োজন।

সেয়েহে লিখনিৰ এই অংশত ফাট বিহুত ঢকুৱাখনাৰ আৰ্থ-সামাজিক অৱস্থাৰ প্ৰভাৱ উপলব্ধ কৰাৰ পূৰ্বে আৰ্থ-সামাজিক ধাৰণাটো প্ৰথমে বুজা যাওক। সৰল অৰ্থত আৰ্থ-সামাজিক ধাৰণাই ৰাইজৰ আৰ্থিক অৱস্থাকে বুজায়। এই অৱস্থাটো দুৰ্বলো হ'ব পাৰে অথবা সমৰ্থবানো হ'ব পাৰে। কৃষি, বাণিজ্য, জীৱন-জীৱিকা, দা-দৰমহা, আৰ্থিক লেনদেন, কৰ্মৰ সুযোগ-সুবিধা ইত্যাদি। উল্লিখিত প্ৰশ্ন সমূহ যি সমাজ জীৱনত ইতিবাচক মানদণ্ডত প্ৰতিষ্ঠা লাভ কৰিছে সেই সমাজখনৰ আৰ্থিক স্বচ্ছলতা আছে বুলি ধৰা হয়। আমাৰ দেশৰ কৰ্পৰেট আৰু সম্পদশালী লোকৰ আয় আৰু অন্যান্য লোকৰ আয় মিহলি কৰি দেশৰ ১২৫ কোটি মানুহৰ জনমূৰি গড় আয় নিৰ্দ্ধাৰণ কৰা পদ্ধতিয়ে প্ৰকৃত জনমূৰি আয়ৰ উত্তৰ দিব নোৱাৰে। প্ৰতিজন মানুহৰ আয়ৰ ভিত্তিতহেআৰ্থ-সামাজিক ছবিখন নিৰ্ণায়িত হ'ব লাগে। অন্যান্য ঠাইৰ বিপৰীতে ঢকুৱাখনাৰ আৰ্থ-সামাজিক পৰিস্থিতি সংকটজনক। নিতৌ পুৱা ৭-৮ বজাত ঢকুৱাখনা চাৰিআলিত হাতত দা, অন্যান্য হাথিয়া লৈ মজুৰি কৰিবলৈ অহা মানুহখিনিক দেখিলেই অনুমান হয় সাধাৰণ মানুহৰ আৰ্থিক দীনতা। ইতিমধ্যে ঋণগ্ৰস্ততা সম্পৰ্কত কৈছোৱেই।

ইয়াৰ উপৰিও যাতায়াতৰ পশ্চাদপদতা দোহাই দি চৰাদামৰ বজাৰখন। ব্যাপক হাৰৰ শিক্ষিত-অৰ্দ্ধ শিক্ষিত নিবনুৱা সমস্যা, কৃষিত অভাৱনীয় স্থবিৰতা, উৎপাদিত কৃষি ফচলৰ পানীমূল্য, চৰকাৰী আঁচনিৰ দুৰ্নীতি, চৰকাৰী সাহাৰ্য অৱলুপ্তি ইত্যাদি কৰ্ম-কাণ্ডই ৰাইজক জুৰুলা কৰিছে। ৰাইজৰ হাতত টকা নাথাকিলে শিল্প-বাণিজ্য স্থবিৰ নহ'ব? সাৰ্বজনীন সামৰ্থবান আৰ্থ-সামাজিক অভাৱে কৃষ্টি-সংস্কৃতিত বিকৃত প্ৰভাৱ পেলায়। কৃষ্টি-সংস্কৃতি অধিকাৰ মানৱ অধিকাৰ অন্তৰ্ভূক্ত। আৰ্থিকভাৱে জুৰুলা লোকে ক্ৰমাগত কৃষ্টি-সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধা, আদৰ, অনুভূতি হেৰুৱাই পেলায়। দেশৰ ৭৭ শতাংশ লোকৰ যদি দৈনিক উপাৰ্জন বিশ-পঁচিশ টকা হয় তেনেলোকে জীয়াই থকাটো বেচি গুৰুত্ব দিব কৃষ্টি-সংস্কৃতিৰ পিনে চাব?

বিহু কৃষ্টিত যিদৰে আৰ্থ-সামাজিক অৱস্থাৰ প্ৰভাৱ দেখিবলৈ পোৱা গৈছে ঠিক তেনেধৰণে ৰাজনৈতিক ক্ৰিয়া-কাণ্ডইয়ো এই ক্ষেত্ৰত গুৰুত্ব লাভ কৰে। কৃষ্টি-সংস্কৃতি মানুহৰ সৃষ্টি। এই কৃষ্টি সংস্কৃতি পৰাপক্ষত ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত হোৱাটো যুক্তি দৰ্শই তত্ত্বও উদ্ভাৱন কৰা হৈছে। বিষয়টো আচলতে বিতৰ্কিত। ৰাজনীতি মানে ক্ষমতা। ৰাজনীতিৰ অৱস্থিতিয়ে, ৰাজনৈতিক মূল্যবোধে সামাজিক চৰিত্ৰ গঢ় দিয়ে। কৃষ্টি-সংস্কৃতি ৰাজনৈতিক ব্যৱস্থাৰ উপৰিসৌধ। সেয়েহে সমাজ এখনৰ উৎপাদন ব্যৱস্থাই বা সম্পৰ্কই সামাজিক ইতিহাসৰ গতিধাৰা নিৰ্ণায়িত কৰে আৰু নিয়ন্ত্ৰণো কৰে।

ৰাজনৈতিক তাত্বিক মেক্স বেবাৰে দাবী কৰিছিল যে, 'বৃটেইন আৰু জাৰ্মানিত হোৱা পুঁজিবাদৰ বিকাশৰ অন্তৰালত প্ৰটেষ্টান্ট মূল্যবোধ জড়িত হৈছে।' সকলো ক্ষেত্ৰতেই মূল্যবোধৰ প্ৰভাৱ থাকে। সেয়েহে ফাট বিহুটো সাম্প্ৰতিক সময়ৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক প্ৰভাৱ জড়িত থকাটো স্বাভাৱিক। ফাট বিহু প্ৰস্তুতি, পৰিচালন, দান-বৰঙণি, সাজ-পোচাক, অতিথি-অভ্যাগত, বক্তৃতা, গীত মাতটো সামাজিক আৰু ৰাজনৈতিক মূল্যবোধৰ প্ৰভাৱ পৰিলক্ষিত হয়। সহনশীলতা ঢকুৱাখনাবাসীৰ আছুতীয়া বৈশিষ্ট্য। এই গুণৰ বাবে ভিন্ন আৰ্থ-সামাজিক আৰু ৰাজনৈতিক মতাদৰ্শগত লোক ঐক্যবদ্ধ হৈ ভাতৃত্বৰ এনাজৰীৰে বান্ধ খাই ফাট বিহু উদ্‌যাপন কৰি ঠাইডোখৰ আৰু এই কৃষ্টিক মহিমামণ্ডিত কৰি ৰখা কাৰ্য প্ৰশংসনীয়।

*লেখকৰ ঠিকনা—*
*অৱসৰপ্ৰাপ্ত মূৰব্বী অধ্যাপক, ঢকুৱাখনা মহাবিদ্যালয়, ঢকুৱাখনা*



# বিহুগীতত নদী আৰু ঠাইৰ নাম

কুঞ্জন কুমাৰ গগৈ

বিহু অসমীয়া জাতিৰ দাপোণ স্বৰূপ। বিহুৱে অসমত বাস কৰা বিভিন্ন জাতি-জনজাতিৰ মাজত সম্বন্ধ ঘটায়। ফাগুনত নাঙঠ হৈ পৰা গছ-গছনিয়ে ন-সাজ পিন্ধিলে, বিভিন্ন প্ৰজাতিৰ ফুলবোৰ ফুলিলে, সেউজীয়া পাতবোৰৰ তলত কুলি চৰাই জনীয়ে গুৱলা গীত জুৰিলে ব'হাগ অহা বতৰা পায় অসমবাসীয়ে। গাৱৰ চুকে-কোণে, নগৰে-চহৰে, ঢোল পেঁপা গগণা আদিৰ শব্দত ৰজনজনাই উঠে। শব্দবোৰ তালত জীয়াৰী-বোৱাৰী, ডেকা-বুঢ়া আদি কৰি কণ-কণ ল'ৰা-ছোৱালীয়েও বিহুগীতৰ সুৰত বিভিন্ন ভংগীত নৃত্য দিয়ে। এই বিহুগীত সমূহ চাৰিশৰীয়া একো একোটা অলংকাৰ। ইয়াৰ প্ৰথম দুটা শাৰীত থাকে উপমা, পিছৰ দুটা শাৰীৰে অৰ্থ প্ৰকাশ কৰে।

বৰ্তমান সময়ত মূল্যবৃদ্ধি, গুলি-বাৰুদত কেঁচা তেজে ৰাঙলী, ধৰ্ষণ-হত্যা আদি বিভিন্ন সমস্যাৰে জৰ্জৰিত অসমখন। তথাপিও অসমবাসীয়ে দুখ-বেদনাবোৰ পাহৰি হেঁপাহৰ ৰঙালী বিহুটি উলহ-মালহে উদ্‌যাপন কৰে। প্ৰেম-প্ৰীতি, বিৰহ-মিলন বিহুগীত সমূহত থকা উপৰিও অসমৰ নদ-নদী, পৰ্বত-পাহাৰ, গছ-লতা, ফুল-ফল, চৰাই-চিৰিকতি, জীৱ-জন্তু বিভিন্ন ঠাই নাম আদি উপমা লৈ বিহুগীত সমূহ সৃষ্টি হৈছে। প্ৰথমে উজনি আৰু মধ্য অসমত বিহুগীত সমূহ প্ৰচলিত আছিল যদিও বৰ্তমান সময়ত দেখা যায় শদিয়াৰপৰা ধুবুৰীলৈকেও প্ৰসাৰতা লাভ কৰা। এই বিহুগীত সমূহ উজনি অসমৰ প্ৰাকৃতিক পৰিৱেশ লৈ সৃষ্টি হৈছে। যাৰ বাবে বিহুগীত সমূহত উজনি অসমৰ নদ-নদী আৰু ঠাই নাম সমূহ সৰহ সংখ্যক ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়।

অসম নদী মাতৃক দেশ। অসমৰ সমাজ আৰু সংস্কৃতিৰ লগত ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈবোৰৰ সম্পৰ্ক অভিন্ন। ব্ৰহ্মপুত্ৰৰ পুৰণি নাম 'লোহিত' বা 'লুইত'। অসমৰ গাৱে-ভূঞে, নগৰে-চহৰে ব্ৰহ্মপুত্ৰক 'লুইত' নামটি সকলোৰে মুখত জনপ্ৰিয়তা লাভ কৰে। লগতে 'বৰনৈ' নামটিৰো ব্যৱহাৰ কৰা দেখা যায়। এই লুইত খন অসমৰ সমাজ জীৱনৰ সৌন্দৰ্য আৰু প্ৰাচুৰ্যৰ প্ৰতীক। লুইত লগতে ইয়াৰ উপনৈসমূহ অসমৰ ডেকা-গাভৰুৰ বুকু আপোন। মনৰ গভীৰতাত থকা খং ক্ষোভ, প্ৰেম-পিৰীতি-বিৰহ, বিচ্ছেদৰ যন্ত্ৰণাবোৰ হিয়া উজাৰি ডেকা-গাভৰুৱে উটুৱাই দিয়ে অসমৰ বিভিন্ন নৈবোৰৰ বুকুত। গতিকে নদীবোৰৰ লগত বিহুগীত সমূহৰ সম্পৰ্ক ছিঙিব নোৱাৰা। সেয়ে বিহুগীত সমূহত ব্ৰহ্মপুত্ৰ নদীখনৰ বিশালতা আৰু গভীৰতাক সন্মান জনাইছে-

ব্ৰহ্মপুত্ৰৰ পাৰৰে বৰ্হমথুৰি এজুপি
আমি খৰি লুবা ঠাই,
ব্ৰহ্মপুত্ৰ দেৱতা উটুৱাই নিনিবা
তামোল দি মাতোতা নাই।

উচ্চাৰণৰ জটিলতা বাবে বিহুগীত সমূহত ব্ৰহ্মপুত্ৰ শব্দটো প্ৰয়োগ কম।

ইয়াৰ পৰিৰ্বতে 'লুইত' শব্দটো ব্যৱহাৰ বেছি। 'লুইত' ক উপমা হিচাপে লৈ সৃষ্টি হোৱা বিহুগীত সমূহত ডেকা-গাভৰু মনৰ বাসনা সমূহ উমান পোৱ যায়---

লুইতৰ গুৱনি বৰৈকৈ চাপৰি
সৰগৰ গুৱনি তৰা,
ভিতৰি ভিতৰি লোকলৈ পিৰীতি
মুখেৰে চুপতি মৰা।

লুইতৰ উপনৈসমূহ দিখৌ, সোৱণশিৰি, জাঁজী,

ভোগদৈ, দিহিং, দিচাং, ধনশিৰি, ৰঙানৈ আদি। এই ইতিহাস প্ৰসিদ্ধ নদীবোৰৰ নামক লৈও বিহুগীত সমূহৰ সৃষ্টি হৈছে। চেনাইক দেখা পাই মনৰ চঞ্চলতা আৰু বেজাৰত দিখৌ নৈক উপমা লৈ বিহুগীতত গাইছে এনেদৰে---

দিখৌত গুমগুমালে কোম্পানীৰ জাহাজে
টেঁকীত গুমগুমালে থোৰা,
বুকুত গুমেগুমাই দেহা চিতচিতাই
চেনাইক দেখিবৰে পৰা।

সোৱণশিৰি নদীক উপমা হিচাপে লৈও বিহুগীত সৃষ্টি হৈছে। বাসনা জুইয়ে জ্বলাই থাকে প্ৰেমিক-প্ৰেমিকাৰ হৃদয়। নৈ কাষত থকা বালিৰ মাজৰপৰা বালিছন্দা বুটলি দুঃসাধ্য সাধন কৰি পোৱা আনন্দ আৰু জীৱন গঢ়া সপোনবোৰ প্ৰকাশ পাইছে---

সোৱণশিৰি বালিতে কোনে সোণ কমালে
বালিৰ বালিছন্দা ধুই,
তুমি চোৱা আমালৈ আমি চাওঁ তোমালৈ
হৃদয়ত একুৰা জুই।

ইতিহাস প্ৰসিদ্ধ নদীবোৰক উপমা হিচাপে লৈ সৃষ্টি হোৱা বিহুগীত সমূহত যৌৱন, প্ৰেম-পিৰীতি, ডেকা-গাভৰুৰ আৱেগ ভৰা চিত্ৰখন সুন্দৰ ভাৱে দাঙি ধৰিছে-

ৰঙা নৈ শুকালে মাছৰে বেজাৰত
দিহিং শুকাইছে কিয়?
মই চেনাই শুকাইছো তোমাৰে বেজাৰত
তুমি চেনাই শুকাইছা কিয়?

বিহুগীতত এনেদৰে উজনি অসমৰ নদীসমূহ উল্লেখ থকা উপৰিও ইতিহাসৰ সমল থকা উজনি অসমৰ ঠাই সমূহৰ নামও বিহুগীতত পোৱা যায়। ইতিহাস প্ৰসিদ্ধ যোৰহাট ঠাইখনৰ গৌৰৱ, বাট-পথ আৰু ঠাইখনৰ বৈশিষ্ট্য এনেদৰে বিহুগীতত প্ৰকাশ পাইছে---

গৈ নো গৈ থাকিলে ওৰকে নপৰে
যোৰহাটৰ চেউনি আলি,
মোকে দেখুৱাই তামোল কাটিছিলি
কোনটো সতেৰে খালি।

উজনি অসমৰ আন এখন ঠাই টীয়ক। টীয়কৰ বেজৰ প্ৰভাৱ বিহুগীতত পোৱা যায়---

জকাইলৈ গৈছিলো খালে ম'হ জোকে
ৰখাব নোৱাৰো তেজ,
খৰকৈ যোৱাগৈ পিতাদেউক কোৱাগৈ
আনক টীয়কীয়া বেজ।

বিহুগীতৰ বাৰংবাৰতাত বেছিকৈ দেখিবলৈ পোৱা ইতিহাস প্ৰসিদ্ধ আন কেইখন মান উজনি অসমৰ ঠাই নাম ডিব্ৰু, শদিয়া, ৰংপুৰ এই ঠাই সমূহৰ বৈশিষ্ট্য বিহুগীতবোৰৰ মাজত প্ৰকাশ পোৱা দেখা যায়---

ডিব্ৰু শুৱনি দোকানে পোহাৰে
ৰংপুৰ শুৱনি দ'ল,
তোমাৰে লগত পিৰীতি কৰিবৰ
আজি তিনি বছৰ হ'ল।

হুঁচৰি গীতবোৰতো ৰংপুৰ, গঁড়গাওঁ, মৰাণ আদি ঠাই সমূহৰ নাম পোৱা যায়---

ৰংপুৰ ঐ ৰঙা পুৰৈ
গঁড়গাঁও ঐ কিমান দূৰৈ।

অসমৰ গণ-জীৱনৰ বাপতি-সাহোন ব'হাগৰ বিহুটিত বিহুগীত সমূহত নদী আৰু ঠাই নাম এনেদৰে পোৱা যায়। নদী আৰু ঠাই নাম সমূহৰ ইতিহাস বিহুগীতবোৰে ধৰি ৰাখিছে লগতে বিশেষভাৱে অধ্যয়নৰ সহায় কৰিছে। অসমবাসীয়ে বিহুটিক যেতিয়ালৈকে উলহ-মালহে উদ্‌যাপন কৰি থাকিব তেতিয়ালৈকে বিহুগীত সমূহে বাইজৰ মাজত জাতীয়তাবোধ জগাই তুলিব।


**সহায়ক গ্ৰন্থপঞ্জী :**

*বৰদলৈ, ড° নিৰ্মলপ্ৰভা : অসমৰ লোক-সংস্কৃতি*

*গগৈ, ড° লীলা : বিহু এটি সমীক্ষা।*




# ফাট বিহুৱে মোক ৰিঙিয়াই মাতে...

জুলী বৰুৱা



ফাট বিহু - মোৰ হৃদয়ত প্ৰতিনিয়ত অনুৰণিত হৈ থকা এটা শব্দ। ফাট বিহু বুলি কোৱাৰ লগে লগে ম'হঘুলি চাপৰিৰ শুকান বালি চন্দাত জিলিকি উঠে বিহুৱতীৰ মুখ। ঢোল, পেঁপা, গগনা আৰু বাঁহৰ টকাৰ মাতত নদীৰ পানীবোৰে ঢৌ খেলে। ম'হঘুলি চাপৰিৰ লগতে ইয়াৰ আশে-পাশে থকা প্ৰতিজোপা গছেই যেন পেখম ধৰে।

ফাট বিহু উপভোগ কৰিছো বুজা-নুবুজা দিনৰেপৰা। প্ৰথমে আইতা ককা বা মা-দেউতাৰ আঙুলিত ধৰি আৰু তাৰ পিছত নিজেই দৌৰিছো ম'হঘুলি চাপৰিলৈ। চিচু গছৰ মাজে মাজে ছাঁ লৈ ভিন্ন জাতি-জনগোষ্ঠীৰ নৃত্য উপভোগ কৰি থাকোতে কেতিয়াবা হয়তো ক'ব নোৱাৰাকৈয়ে ঐনিতমৰ তালে তালে ভৰিৰ বুঢ়া আঙুলি নচুৱাইছিলো। ঢোলৰ চাপৰত উলাহতে এপাক ঘূৰিছিলো আৰু ঘৰত আহিও কাপোৰ সাজ নসলোৱাকৈয়ে সেইবোৰৰ তাল, লয় অনুসৰণ কৰি কেতিয়াবা যদি গোমৰাগ নাচিছিলো আৰু কেতিয়াবা নাচিছিলো জেং বিহু অথবা টকা বিহু। পঢ়াৰ টেবুলত বহি ধুনীয়া নাচনী অথবা ঢুলীয়াটোৰ

ছবিখন মনৰপৰা আঁতৰাব পৰা নাছিলো। এয়াই ফাট বিহু, য'ত শিশুৰ পৰা আৰম্ভ কৰি বৃদ্ধ বনিতা সকলোৱে কৃষ্টিৰ পথাৰখনত বৰ উলাহেৰে পদাৰ্পণ কৰে। মুকলিকৈ এপাক কৰ্কাল ঘুৰাই নাচে। বোৱাৰী হঁতেও সংসাৰৰ জঞ্জাল সামৰি বেলাটোৰ বাবে কৰ্কালত মুগা ৰিহাৰ মেৰপেচ দি হাতত টকাঁটো লৈ ওলাই আহে।

কি যে আবেগ ভৰা তথা উচ্ছ্বাস ভৰা সময় সেয়া।

মোৰ প্ৰায়েই সেই সময় খিনিলৈ উভতি যাবৰ মন যায়, যিখিনি সময়ত ঢোল, পেঁপা, গগনাৰ শব্দবোৱে মোক ৰিঙিয়াই মাতিছিল। মোৰ উভতি যাবৰ মন যায় ম'হঘুলি চাপৰিৰ কাষতে থকা মই পঢ়া ঢকুৱাখনা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়খনৰ নিৰ্দিষ্ট শ্ৰেণী কোঠাটোৰ সেই বিশেষ খিড়িকী খনৰ কাষলৈ, য'ৰপৰা মই আগৰ দৰে তথা লাগি চাব পাৰিম চিচু গছবোৰৰ তললৈ তথা নাচনীৰ লয়-লাস ভঙ্গীমালৈ।

সময়ৰ বালিত খৰমাৰি যদিও মই ঢকুৱাখনাৰ পৰা কিছু দূৰত আছো বা কেইবাবছৰমান স্ব-চক্ষে বিহুটো উপভোগ কৰাৰ পৰা বিৰত আছো তথাপিও ব'হাগৰ শেষৰ ফালে সেই নিৰ্দিষ্ট দিন কেইটাত ফাট বিহুৰ ঢোলৰ তাক-ধিন্-দাও শব্দই মোৰ হৃদয়ত ৰগৰ তোলে। মানুহৰ উখল-মাখল তথা ব্যস্ততাপূৰ্ণ মোৰ আপোন ঠাইখন চকুৰ আগত অগা-দেৱা কৰে।

সঁচাকৈ ফাট বিহুটোক উপভোগ কৰাৰ বাহিৰে বিহুটোৰ ঐতিহ্য বা বৈশিষ্ট্যবোৰক কিমান অনুধাবন কৰিব পাৰিছিলো, সেয়া যেন সন্দেহৰ বিষয়। ঘৰৰপৰা মাত্ৰ তিনি কিল'মিটাৰ নিলগত অনুষ্ঠিত হোৱা বিহুখনে যে ঢকুৱাখনাখনক এক সুকীয়া মৰ্যাদা প্ৰদান কৰিছে বা ভবিষ্যতেও কৰিব সেয়াও মোৰ কুমলীয়া মনটোৱে ঢুকি পোৱা নাছিলো। বিহুটোক মাত্ৰ আনন্দৰ উৎস বুলিহে হয়তো অনুভৱ কৰিছিলো।

সময়ে পৰিৱেশ সলনি কৰাৰ দৰে সলনি কৰে মানুহৰ মনবোৰো। এতিয়া মই বুজিব পৰা হ'লো ফাট বিহুৰ ঐতিহ্য আৰু ইয়াৰ সামগ্ৰিক বৈশিষ্ট্য সমূহ। গৌৰৱ কৰিব জনা হ'লো মোৰ জন্মভুমি খনকলৈ। সুখ অনুভৱ কৰিব পৰা হ'লো আপোন ঠাই খনৰ সাহিত্য সংস্কৃতিৰ উত্তৰণক লৈ।

সেয়া ২০০৫ চনৰ কথা। তেতিয়া মই শ্বহীদ কনকলতা হোষ্টেলৰ নতুন আৱাসী। সেই সময়ত নতুন আৱাসী সকলক পুৰণি তথা জ্যেষ্ঠ আৱাসীসকলে কিছুমান তাৎক্ষণিক প্ৰশ্নৰে ব্যতিব্যস্ত কৰি তোলাটো এক নিয়ম আছিল। সচৰাচৰ দৰে সেইদিনাও নিশাৰ আহাৰ খোৱাৰ পিছত ন-পুৰণি সকলো আৱাসী কমন ৰুমত গোট খালে। নতুন সকলক থিয় কৰোৱাই বিভিন্ন প্ৰশ্ন নিক্ষেপ কৰিলে।

ঃ তোমাৰ ঘৰ ক'ত? এগৰাকীয়ে মোক সুধিলে।

ঃ ঢকুৱাখনাত। মই উত্তৰ দিলো।

ঃ অ' ঢকুৱাখনীয়া। ৰ'বাচোন ৰ'বা তুমি যে ঢকুৱাখনা সেয়া প্ৰমাণ কৰিবৰ বাবে ঢকুৱাখনাৰ পৰিপুৰক দুটা শব্দ বা বাক্য কোৱা।

ঃ প্ৰথম ফাটবিহু আৰু দ্বিতীয়তে হোমেন বৰগোহাঞি। মোৰ দৃষ্টিত এই দুয়োটা নামেই ঢকুৱাখনাক প্ৰতিনিধিত্ব কৰে।

সেই মূহুৰ্তত মই গভীৰ আত্মপ্ৰত্যয়ৰে হৃদয়ংগম কৰিলো যে নিজৰ ঠাইখনক লৈ গৌৰৱ কৰিব পৰাটো কিমান আনন্দৰ কথা। সেইদিনা প্ৰতিগৰাকী আৱাসীয়ে নিজৰ ঠাই খনৰ কথা ব্যক্ত কৰোঁতে চকুবোৰ আনন্দত টল-মল কৰিছিল। বৰপেটা গৰাকীয়ে যদি কীৰ্ত্তন ঘৰ, দৌল উৎসৱ কথা কৈছিল, শিৱসাগৰৰ গৰাকীয়ে আকৌ আহোমৰ কৃৰ্ত্তি চিহ্নৰ বিষয়ে দোহাৰিছিল। ঠিক সেইদৰে শদিয়াৰপৰা ধুবুৰীলৈকে সকলোৱে কমন ৰুমটোত আনন্দ আৰু উত্তেজনাত খলকনি তুলিছিল।

সচাঁকৈয়ে, প্ৰতিজনে ভালপায় নিজৰ ঠাইখনক আপোন জন্মভূমিখনক।

কেতিয়াবা অসমৰ বাহিৰলৈ গ'লে তাত লগ পোৱা বিভিন্নজনে জানিবলৈ বিচাৰে ঢকুৱাখনাৰ বিষয়ে। তেতিয়া বৰ গৰ্বৰে চাৰিকড়িয়া নদীৰ পাৰত গঢ় লৈ উঠা সৰু ঠাইখনৰ বিষয়ে শৰৎচন্দ্ৰ গোস্বামীয়ে তাহানিতে কোৱা কথাষাৰে আৰম্ভ কৰোঁ- ঢকুৱাখনা ভদ্ৰলোকৰ বাসস্থান। তাৰ পাছত সাহিত্য-সংস্কৃতিৰপৰা আৰম্ভ কৰি কৃষি-কৰ্মলৈকে সকলোবোৰ ফহিঁয়াও—- ঢকুৱাখনা সোণালী সূতাৰ দেশ, যাৰ বুকুত সিচঁৰতি হৈ আছে বিভিন্ন জাতি-জনগোষ্ঠীৰ সংস্কৃতিৰ এনাজৰী। বসন্ত ঋতুৰ আগমনৰ লগে লগে আকাশে-বতাহে মুখৰ হৈ পৰে ঢোল, পেঁপাৰ দৰে ভিন্ন বাদ্য। গছে বনে ফুলে ফলে ধৰণী জাতিষ্কাৰ হৈ পৰে, যেন সৰগৰ নন্দন কাননহে। ফাট বিহু ঢকুৱাখনাবাসীৰ সমন্বয়ৰ নজহা-নপমা, এটা যেন উৎসৱ। কথাবোৰে হয়তো শ্ৰোতাসকলক কৌতুহলী কৰি তোলে, সেয়েহে তেওঁলোকে প্ৰায়ে কয় -

I want to visit Dhakuakhana to take part in Faat Bihu.

কথাষাৰ শুনি মোৰ হৃদয়খন জুৰ পৰি যায়। মোৰ ঠাইলৈ তেওঁলোক আহিব! মোৰ দেশৰ উৎসৱটোক তেওঁলোকে উপভোগ কৰিব।

সি যি কি নহওক, বৰ্তমান সময়ত ফাট বিহুৰ সম্পৰ্কে বিভিন্ন সংবাদ পত্ৰ বা আলোচনীত ভিন্ন লেখনি প্ৰকাশিত হয়। তাৰে কিছুমান যোগাত্মক আৰু আন কিছুমান ঋণাত্মক। যোগাত্মক খবৰবোৰে আমাক উৎসাহিত কৰে। মনতে ভাবো – ফাটবিহু জনমানসত সদায় অম্লান হৈ থাকিব। সংস্কৃতিৰ পথাৰখনত চিৰসেউজ হৈ থাকিব। ঠিক সেইদৰে ঋণাত্মক কথাবোৰে আমাক বৰ বিচলিত কৰে। কৰে আশাহতও। নিজৰ সংস্কৃতিটোক জীয়াই ৰাখিব নজনাৰ বাবে আনৰ ওচৰত লজ্জিত হওঁ। নিজৰ ঘৰখনক সঠিক ভাৱে পৰিচালনা কৰিব নোৱাৰাটো আনৰ দোষ হ'ব নোৱাৰে, দোষ আমাৰ নিজৰে। হয়তো আমাৰ সঠিক পৰিকল্পনাৰ অভাৱ নতুবা সঠিক চিন্তাৰ অভাৱ। কাৰণ যিকোনো এটা কাম সঠিক ভাৱে আগবঢ়াই নিবলৈ আমাক তিনিটা বস্তুৰ প্ৰয়োজন – প্ৰথমতে ইচ্ছা, দ্বিতীয়তে চেষ্টা আৰু শেষত নিষ্ঠা। এই তিনিটাৰ কোনোবা এটাক আঁতৰাই ৰাখিলে কোনো কামেই ফলৱতী হ'ব বুলি আশা কৰাটো ভুল।

আজিকালি প্ৰায়েই শুনা যায়-- বিহুৰে পুৰণি লক্ষণবোৰ হেৰুৱাইছে, গছতলৰ বিহুও যেন অস্তিত্ব হীন ইত্যাদি ইত্যাদি। এনে সময়ত ম'হঘূলি চাপৰি ফাট বিহুটোক উত্তৰণ ঘটোৱাৰ লগতে জনমানসত অধিক সজীৱ কৰাৰ প্ৰয়োজন আহি পৰিছে। বন ধ্বংস যজ্ঞ হৈ থকাৰ সময়ত আমি চাপৰিটোক এখন অৰণ্যলৈ পৰিণত কৰি আনৰ বাবে আদৰ্শ হ'ব নোৱাৰোনে? এফালে প্ৰকৃতি ৰক্ষা হ'ল আনফালে বিহুৰ পুৰণি গৰিমাও অক্ষুণ্ণ থাকিল।

আহক আমি একক প্ৰচেষ্টাৰে ফাট বিহুটোক উজ্জীৱিত কৰি তোলো।

*লেখিকাৰ ঠিকনা- গুৱাহাটী*

# কৃষিৰ শ্ৰীবৃদ্ধিৰ উৎসৱ
# বৈদিক যজ্ঞ আৰু বিহুৰ পৰিৱৰ্তিত ৰূপ

ড° সূৰ্য দাস

অসমৰ মানুহে পালন কৰি অহা তিনিওটা বিহু উৎসৱেই হ'ল কৃষিৰ লগত জড়িত আৰু কৃষিৰ উৎপাদন বৃদ্ধিৰ কামনাৰে জড়িত উৎসৱ আৰু কৃষক সমাজৰ উৎসৱ। বিহুগীত আৰু বিহুনাচ অসমৰ অন্যতম চহকী লোক-সাহিত্য আৰু লোক-নৃত্য। কিন্তু আজিকালি অসমৰ নগৰে-চহৰে আনকি গ্ৰাম্য অঞ্চলতো আয়োজন কৰা মঞ্চ বিহুসমূহ লোক-জীৱনৰ আৰু লোক-মনৰ পৰা বহু আতঁৰৰ উৎসৱ। নগৰৰ ডাঙৰ ডাঙৰ বিহু সন্মিলন সমূহক এতিয়া বহুজাতিক কোম্পানীসমূহে নিয়ন্ত্ৰণ কৰে বৃজন পৰিমাণৰ অৰ্থৰ বিনিময়ত। তদুপৰি বিহু সন্মিলনসমূহ এতিয়া ইয়াৰ বিষয়-ববীয়াসকলৰো বছৰটোলৈ কিছু উপাৰ্জন কৰি লোৱাৰো এক প্ৰধান উপায়। এখেতসকলৰ লগতে এয়া সকলোবোৰ বিখ্যাত আৰু কমবিখ্যাত শিল্পীৰো বছৰটোলৈ কিছু ধন ঘটাৰো সুন্দৰ সময়। কিন্তু ইয়াৰ বিপৰীতে কৃষক সমাজৰপৰা ওলাই অহা সাধাৰণ শিল্পীসকলৰ কি হৈছে?

মোৰে দুখ দেখি কান্দে কনৰ পখী
হৰিণাই চিএৰে কত।
বিহুৰ কৰ্ম কৰ্তা বুজিও নুবুজা
কিনো জুই জ্বলিছে পেটত।।



পৃথিৱীৰ সকলো পূজা-সেৱা বা উৎসৱ অনুষ্ঠানৰ দৰে বিহুত আছিল বসন্তকালৰ মন উতলা কৰা প্ৰাকৃতিক পৰিৱেশত কৃষিৰ উৎপাদন বৃদ্ধিৰ কাৰণে আৰু জীৱন ধাৰণৰ বাবে ঘৰখনত প্ৰয়োজনীয় সকলোবোৰ পশুধন আৰু মানৱ সমাজৰো বংশবৃদ্ধিৰ বাবে পালন কৰা এক প্ৰজননৰ উৎসৱ -- এবিধ ইন্দ্ৰজাল বিদ্যা বা মেজিক। কাৰণ আদিম কৃষিজীৱী সমাজৰ মানুহে কৃষিৰ উৎপাদন বঢ়োৱাৰ কৌশল তেতিয়াও আয়ত্ব কৰিব পৰা নাছিল। অনুন্নত কৃষি সজুলিৰে বেছি পৰিমানৰ মাটিত খেতি কৰিও আশা কৰা মতে উৎপাদন নেপাই বিহু আৰু বিহুৰ নিচিনা বসন্তকালীন উৎসৱৰ আয়োজন কৰিছিল। অসমত অসমীয়া ভাষী লোকসকলৰ উপৰিও অসমৰ জনজাতীয় লোকসকলে আৰু অসমৰ চাৰিওফালে বসবাস কৰা জনজাতীয় লোকসকলেও বিভিন্ন নামেৰে এনেকুৱা উৎসৱ পালন কৰে। বৈদিক আৰ্য সকলেও কেৱল অন্ন কামনাৰে প্ৰথম অৱস্থাত যজ্ঞৰ আয়োজন কৰিছিল।

*অন্ন কামনা ঃ বৈদিক যজ্ঞৰ মূল উদ্দেশ্য*

বৈদিক যুগত আৰ্যসকলে যজ্ঞ কৰি দেৱতাসকলক অজস্ৰ স্তুতি বাক্যৰে প্ৰাৰ্থনা কৰি অন্নৰ বাবে দেৱতাসকলৰ ওচৰত শৰণাপন্ন হৈছিল। অন্ন বা খাদ্য সহজলভ্য নোহোৱা বাবে অথচ অন্নই প্ৰধান জীৱনীশক্তি হোৱা বাবে তেখেতসকলে 'অন্নই ব্ৰহ্ম' বুলি ঘোষণা কৰিছিল। ছান্দোগ্য উপনিষদত 'অন্নব্ৰহ্ম' বুলি এটা পৰিচ্ছেদ আছে। ইয়াত কোৱা হৈছে "যিজনে অন্নক ব্ৰহ্ম বুলি উপাসনা কৰে তেওঁ সেই সকলো ঠাইত অধিকাৰ লাভ কৰে, য'ত প্ৰচুৰ পৰিমাণে অন্ন আৰু পানীয় আছে, যিমান ঠাইলৈ অন্ন সহজলভ্য বা অন্ন প্ৰচুৰ পৰিমাণে পোৱা যায় সেই সকলোবোৰ ঠাইলৈ তেওঁৰ গতি হ'ব অবাধ আৰু তেওঁ কেতিয়াও অন্নাভাৱত ভুগিব নেলাগিব। তেওঁ য'তেই নেথাকক অন্নজলৰ অভাৱত থাকিব নেলাগিব।" যিজনে অন্নক ব্ৰহ্মবুলি জানে সেইভাৱে উপাসনা কৰে তেওঁৰেই এই সৌভাগ্য হয়।" সকলো জীৱৰ দৰেই মানুহৰ ক্ষেত্ৰতো আহাৰ হ'ল এটি অপৰিহাৰ্য প্ৰয়োজন -- "অন্নাভাৱৰ ফল হ'ল আনাহাৰ আৰু মৃত্যু-- সেয়ে অন্নই জীৱন অন্নই ব্ৰহ্ম।" এয়া হ'ল তৈত্তিৰীয় উপনিষদৰ উপলব্ধি।

উপনিষদৰ উপলব্ধি 'ব্ৰহ্ম' কোনো দেৱ-দেৱী নহয়- - সেই দেৱ-দেৱীসকলৰ উৰ্দ্ধত এক শক্তি। ব্ৰহ্মৰ উৰ্দ্ধত আন কোনো শক্তি নাই; সমস্ত দেৱতামণ্ডলী আৰু বিশ্ব চৰাচৰ তেওঁৰ সৃষ্ট আৰু তেওঁৰ অধীন। এই শ্ৰেষ্ঠ, সৰ্বশক্তিমান দিব্য প্ৰকাশক যি 'ব্ৰহ্ম'-- সেই ব্ৰহ্মৰ সৈতেই অন্নক অভিন্ন বা একাত্ম বুলি বাৰে বাৰে বৰ্ণনা কৰা হৈছে যাতে অন্নৰ মৰ্যাদাই অতুলনীয় মহিমা লাভ কৰে। তদুপৰি যিজনে অন্নক ব্ৰহ্ম বুলি জানে তেওঁৰ কেতিয়াও অন্নাভাৱ নহয়। আৰ্যসকলৰ সবাতোকৈ প্ৰাচীনতম ধৰ্মানুষ্ঠান যজ্ঞৰ এটা প্ৰধান উদ্দেশ্যই হ'ল অন্ন আৰু অন্যান্য দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় বস্তুৰ অভাৱ মোচন। কোৱা বাহুল্য যে যজ্ঞত পোৱা বেছি সংখ্যক প্ৰাৰ্থনাই হ'ল অন্নকামনাৰ লগত জড়িত গতিকে এই কথা সহজেই বুজিব পাৰি যে অন্নকামনা পূৰণেই আছিল যজ্ঞকৰ্মৰ মূল উদ্দেশ্য। (তথ্যসূত্ৰ ঃ বৈদিক যুগেৰ সুধান্ত খাদ্য, ড° সুকুমাৰী ভট্টাচাৰ্য, পৃঃ ২৬, ৭৭, ৯৮,৯৯)। এনেদৰে বৈদিক আৰ্যসকলে যজ্ঞ কৰি দেৱতাসকলক অজস্ৰ স্তুতি বাক্যেৰে প্ৰাৰ্থনা কৰি অন্নৰ বাবে আকুল আহ্বান জনাইছিল। অন্নক ব্ৰহ্মজ্ঞান কৰি অন্নৰ বাবে বাৰে বাৰে প্ৰাৰ্থনা কৰি বৈদিক চিন্তাৰ চূড়ান্ত অভিব্যক্তি উপনিষদতেই এই সিদ্ধান্তত উপনীত হ'ল - " অন্নং বহুকুৰ্ৱীত তদ্ ব্ৰতম( তৈত্তিৰীয় উপনিষদ)। অৰ্থাৎ বহুত খাদ্য-শস্য উৎপাদন কৰিব লাগিব। সেইটো জীৱনৰ ব্ৰত বুলি ল'ব লাগিব। অন্নৰ সৃষ্টি উৎপাদন বৃদ্ধিৰ কামনাই আছিল সকলো যজ্ঞৰ মূল উদ্দেশ্য। এই বিষয়ে বিখ্যাত ভাৰতীয় কমিউনিষ্ট নেতা এচ. এ. ডাঙ্গেই তেখেতৰ 'আদিম সাম্যবাদৰপৰা দাসত্বলৈ ভাৰতবৰ্ষ' নামৰ গ্ৰন্থত বৈদিক যজ্ঞৰ তাৎপৰ্যৰ বিষয়ে বিশদভাৱে আলোচনা কৰিছে। তেখেতৰ মতে যজ্ঞবিলাক হ'ল আৰ্যসকলে ব্যক্তিগত সম্পত্তি, শ্ৰেণী আৰু ৰাষ্ট্ৰৰ বিকাশ ঘটোৱাৰ আগৰ সমূহীয়া উৎপাদন পদ্ধতি। ইয়াকে প্ৰমাণ কৰিবলৈ তেখেতে 'যজ্ঞ' শব্দটোৰ বুৎপত্তিগত অৰ্থ এনেদৰে দিছে ঃ "যজ্ঞ শব্দটো য, জ, আৰু ন- এই তিনিটা শব্দৰ এটা বাক্য, যাৰ অৰ্থ হ'ল মিলাপ্ৰীতিৰে গমন কৰা আৰু উৎপাদন কৰা।" এই প্ৰসঙ্গত সবাতোকৈ পুৰণি যজ্ঞানুষ্ঠান সত্ৰ মাগলৈ আঙুলিয়াব পাৰি। এই যজ্ঞৰ এটি তাৎপৰ্যপূৰ্ণ অনুষ্ঠান হ'ল মহাব্ৰত। মহাব্ৰতৰ অৰ্থ হ'ল অন্ন বা খাদ্য; গতিকে এই সত্ৰ মাগ - খাদ্য বা শস্যৰ উৎপাদন বৃদ্ধিৰ বাবে কৰা এটি অনুষ্ঠান বুলি ক'ব পাৰি। আন এটা প্ৰাচীন যজ্ঞৰ নাম আছিল 'বাজপেয়'। ইয়াৰো অৰ্থ হ'ল খাদ্য আৰু পানীয়। ইয়াৰ দ্বাৰাও বুজা যায় যে আৰম্ভণি কালত যজ্ঞ আছিল কৃষিৰ লগত জড়িত এটি আচাৰ। গতিকে যজ্ঞৰ প্ৰাথমিক উদ্দেশ্য আছিল অন্ন সৃষ্টি কৰা। মানুহৰ প্ৰাচীন ধৰ্ম আৰু মেজিক সম্পৰ্কে গৱেষণা কৰা ভাৰতীয় গৱেষক নৰেন্দ্ৰনাথ ভট্টাচাৰ্যৰ মতে -- "আদিম যুগৰ মেজিক বা ইন্দ্ৰজাল বিদ্যাৰ মূল উদ্দেশ্য আছিল অৰ্থনৈতিক। মেজিকৰ উদ্দেশ্য আৰু ইয়াৰ পোনপটীয়া সম্পৰ্ক আছিল খাদ্য সংগ্ৰহ আৰু খাদ্য উৎপাদনৰ সৈতে। বৈদিক যজ্ঞসমূহৰ উদ্দেশ্যও আছিল উৎপাদন বৃদ্ধি।"

উৎপাদনশীল শ্ৰমৰ লগত সাঙোৰ খাই থকালৈকে যজ্ঞৰ এটা বাস্তৱিক মূল্য আছিল। কিন্তু যেতিয়া বাস্তৱতাৰ সৈতে সম্পৰ্ক নাইকিয়া হৈ গ'ল, তেতিয়া ই কেৱল ধৰ্মীয়

বিধি-বিধান হিচাপে থাকি গ'ল। " এই যজ্ঞসমূহ আছিল কটকটীয়া ভাৱেই প্ৰাচীন লোকসকলৰ সমূহীয়া উৎপাদন পদ্ধতিৰ আচাৰমূলক দিশ। প্ৰাচীন লোকসকলৰ সমূহীয়া শ্ৰম মেজিক অনুষ্ঠানৰ লগত এবাৰ নোৰাৰাকৈ সাঙোৰ খাই আছিল; কিন্তু শ্ৰমৰ পৰা বিচ্ছিন্ন হৈ পৰাৰ পিছত এই অনুষ্ঠানে শেষ বৈদিক যুগৰফালে যজ্ঞসমূহ এক কালান্তক ৰূপ ধাৰণ কৰিলেগৈ।" ( ড° দেবী প্ৰসাদ চট্টোপাধ্যায় লোকায়ত, পৃষ্ঠা-৬০৫)। ৰামায়ণ-মহাভাৰতৰ অশ্বমেধ যজ্ঞ, ৰাজসূয় যজ্ঞ হ'ল যজ্ঞৰ এই কালান্তক ৰূপৰ উদাহৰণ।

*কৃষিৰ লগত সম্পৰ্কহীন মঞ্চৰ বিহু :*

অসমৰো আদিমকালৰ কৃষিজীৱী সমাজে ভূমিৰ উৰ্বৰতা বৃদ্ধি কৰি শস্যৰ উৎপাদন বৃদ্ধি কৰিবলৈ নানান যাদু বা ঐন্দ্ৰজালিক অনুষ্ঠানৰ আয়োজন কৰিছিল। বিহু হ'ল এই সকলো উৎসৱ-অনুষ্ঠানৰ সন্মিলিত প্ৰকাশ। বঙালী বিহুত বা চ'ত ৰাতি বিহুত ঐন্দ্ৰজালিক আচাৰেৰে ভূমিৰ উৰ্বৰতা বৃদ্ধি আৰু শস্যৰ উৎপাদন বৃদ্ধি কৰিবলৈ চেষ্টা কৰা বিহুক আহোম ৰজা সকলে ৰংঘৰৰ চোতাললৈ অনাৰ আগতে আৰু তাৰো বহুদিন পিছলৈ কৃষিজীৱী সমাজে বিহু ঘাইকৈ পথাৰতহে পাতিছিল। ৰঙ্গিলী উপন্যাসৰ পৰা এই কথা জানিব পাৰি। মৰাণ সকলে এতিয়াও পথাৰতহে বিহু পাতে। অসমৰ মানুহেও পথাৰত নাচ-গান কৰিলে শস্যৰ উৎপাদন বাঢ়ে বুলি বিশ্বাস কৰি আহিছে। এই বিশ্বাসৰ বৈজ্ঞানিক ভিত্তিত প্ৰমাণিত হৈছে। কিন্তু বৈদিক যজ্ঞৰ উল্লেখিত কালান্তক ৰূপৰ দৰে সাম্প্ৰতিক অসমতো কৃষিৰ উৎপাদন বৃদ্ধিৰ কামনাৰে সৃষ্টি হোৱা বিহু এতিয়া কৃষিৰ লগত সম্পৰ্কহীন মঞ্চত অনুষ্ঠিত হোৱা এক নৃত্য-গীতৰ অনুষ্ঠানলৈ ৰূপান্তৰিত হ'ল; য'ত বহুজাতিক কোম্পানীয়ে কোটি হিচাপত বিনিয়োগ কৰে; গীত-নৃত্য প্ৰদৰ্শনৰ বাবে গাঁৱৰ বিহুৱা ডেকা-গাভৰুক আৰু অইন গীত-নৃত্যৰ শিল্পীক বিহুৰ মঞ্চলৈ উলিয়াই লৈ আহে গাঁৱত প্ৰচলিত নৃত্য গীত আৰু পথাৰৰ বিহু নগৰীয়া মঞ্চত প্ৰদৰ্শন আৰু শ্ৰৱণৰ বাবে। এনেদৰেই কৃষিৰ উৎপাদন বৃদ্ধিৰ বাবে পথাৰত অনুষ্ঠিত কৰা চ'তৰ বিহু আৰু ব'হাগৰ বিহুৰ নাচ-গান কৃষি আৰু কৃষিজীৱী সমাজৰ পৰা বৈদিক যুগৰ যজ্ঞৰ দৰে বিচ্ছিন্ন হৈ পৰিল। গোটেই বছৰ জুৰি নগৰৰ ষ্টুডিঅ'ত জনজীৱনৰ লগত সম্পৰ্কবিহীন বিহুগীত ৰচিত হয় আৰু ৰেকৰ্ডিং হয় কেৱল মুনাফাৰ বাবে। আহোম সামন্ত ৰাষ্ট্ৰই আজিৰ পৰা কেইবাশ বছৰ আগতে যেনেদৰে বিহুক প্ৰমোদ মাধ্যমত পৰিণত কৰিছিল, কুৰি একৈশ শতিকাতো অসমৰ গাঁৱে-নগৰে আয়োজন কৰা বিহু মঞ্চত বিহু হৈ পৰিল পণ্য সামগ্ৰী, আমোদৰ আহিলা। চ'তৰ ৰাতি বিহু চিৰকালৰ বাবেই পথাৰৰ পৰা হেৰাই গ'ল; ব'হাগতে গাঁৱৰ ডেকা-গাভৰুৱে বিহুৰ সময়ত কৃষি-ভূমিত উৎপাদন বৃদ্ধিৰ বাবে স্বতঃস্ফূৰ্তভাৱে বিহুৰ নৃত্য-গীতত মতলীয়া নহয়। বহু গাঁৱত গৰু বিহুৰ দিনা গা ধোৱাবলৈ গৰুও নাইকীয়া হ'ল; গৰু থকা গাঁওবোৰো বহু গাঁৱতেই গা-ধোৱাবলৈ নৈ-বিল-খাল আদি প্ৰাকৃতিক জলাশয়সমূহ নাইকিয়া হ'ল। ইফালে অসমীয়া মানুহৰ বহুগাঁৱৰ পৰা মৰাপাটৰ খেতিও নাইকীয়া হ'ল, বছৰৰ বিহুৰদিনা গৰু কেইটিক দিবলৈ নতুন পঘাৰ বাবে বজাৰৰ ওপৰত নিৰ্ভৰ কৰিব লগা হ'ল। ঢেকিত চিৰা পিঠা খুন্দি পিঠা ভজা-পোৱাৰ দৰে কষ্ট কৰাৰ পৰিবৰ্তে বছৰৰ সকলো সময়তে এইবোৰ অসমীয়া জলপান বজাৰতে সুলভ হ'ল। ভিডিত মেৰিয়াই ল'ব নোৱাৰা, পোন্ধ মাৰি পিন্ধিব নোৱাৰা ঠেক আৰু চুটি গামোচাখন চেন্নাই আদি দক্ষিণ ভাৰতৰ বিভিন্ন স্থানৰ পৰা অহা হ'ল। অসমীয়াৰ মাঘৰ বিহুৰ ১০/১২ দিন আগতেই দক্ষিণ ভাৰতৰ বৃহৎ পুখুৰী সমূহত মাছধৰা উৎসৱ অনুষ্ঠিত হ'বলৈ ধৰা হ'ল। বহুতো গাঁৱত বিহুৰ সাতোটা দিনত ঘৰে ঘৰে হুঁচৰি গোৱাৰ পৰিবৰ্তে, ঢোল-পেঁপা-গগনাৰ সুৰত নাচনীৰ নাচোনৰ গিৰিপনিত পথাৰৰ মাটিক উৰ্বৰ কৰি তুলিবলৈ কৰা চেষ্টাৰ পৰিবৰ্তে নগৰৰ ডাঙৰীয়া আৰু ধনীসকলক আমোদ দিয়াৰ বাবে নাচনী নাচি নাচি ভাগৰি পৰা হ'ল; তাকে দেখি ঢুলীয়াই কিননি জোৰে :

পথাৰৰ মাজৰে এজাৰ সমনীয়া
পথাৰৰ মাজৰে এজাৰ।
আমাৰে নাচনীক নচুৱাই মাৰিছা
তোমাৰ জানো লগা নাই বেজাৰ?

মধ্যযুগত তেনে নাচনী সামন্ত প্ৰভুৰ বাসনাৰ জুইত জাহ যোৱাৰ দৰে আজিৰ সুন্দৰী নাচনীও ঢুলীয়াৰ বুকু শুদা কৰি কিমান ধনবানৰ গৃহ শুৱনি কৰিব লগীয়া হৈছে তাৰ খবৰ নিশ্চয় ৰাখোতাজনে ৰাখিছে। উৎপাদন সম্পৰ্কৰপৰা বিচ্ছিন্ন হোৱা বৈদিক যজ্ঞসমূহৰ দৰেই কৃষকৰ উৎসৱ বিহুও এতিয়া মঞ্চৰ বুকুত কৃষি আৰু কৃষকৰ পৰা বিচ্ছিন্ন এক উৎসৱ, পণ্য সামগ্ৰী আৰু চহৰীয়া বাবু সকলৰ প্ৰমোদ মাধ্যম; কোনোবাৰে ৰাজহুৱা ধন আত্মসাৎ কৰা বিষয়া কৰ্মচাৰী, ঠিকাদাৰে ধন বিনিয়োগ কৰি আদৰণি আৰু সমাজত সন্মান গ্ৰহণ কৰাৰ এক উপযুক্ত মঞ্চ। এনেদৰে আমিয়েই দুৰ্নীতিকো উৎসাহ যোগাইছো। বিহুৰ আয়োজন কৰোতা সকলৰো বছৰটোৰ বাবে কিছু উপাৰ্জন কৰাৰ উপযুক্ত সময় আৰু সুবিধা। এতিয়া এয়ে হৈছে কৃষি উৎসৱ বিহুৰ পৰিবৰ্তিত 'কালান্তক' ৰূপ। অথচ উনৈশ শতিকালৈকে কৃষকৰ উৎসৱ বিহু আছিল 'ইতৰ' লোকৰ উৎসৱ। বুদ্ধিন্দ্ৰনাথ ভট্টাচাৰ্যই লণ্ডনৰ Guardian কাকতত অসমীয়াৰ বিহু উৎসৱক NOTORIOUS আখ্যা দিছিল। উনৈশ শতিকাৰ শেষৰ দুটা দশক আৰু কুৰি শতিকাৰ প্ৰথম দুটা-তিনিটা দশকৰ ভিতৰত কেৱল ৰজনীকান্ত বৰদলৈ, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা আৰু নকুল চন্দ্ৰ ভূঞা আদি কেইজনমান লেখকেহে বিহুক মৰ্যাদাৰ আসনত প্ৰতিষ্ঠিত কৰি থৈ গৈছে। তথাপিও আজি একৈশ শতিকাতো, যান্ত্ৰিক কৃষিৰ যুগতো কৃষি 'ইতৰ' লোকৰ উৎসৱ হৈ আছে। সম্ভৱতঃ শতকৰা ৯৯ ভাগ তথাকথিত ডিগ্ৰীধাৰী শিক্ষিত অসমীয়া যুৱকে কৃষিক এটা বৃত্তি হিচাপে গ্ৰহণ কৰিবলৈ নিবিচাৰে আৰু মধ্যবিত্ত সমাজেও বৃত্তি হিচাপে কৃষিক উৎসাহিত নকৰে। অৱশ্যে এই ধাৰণাৰ বিপৰীতে ব্যতিক্ৰমী খবৰো মাজে মাজে ওলাই থাকে। কিন্তু ব্যতিক্ৰমী জনৰ কৃষি-কাৰ্যই কৃষিকমৰ্যাদাৰ আসন দিব নোৱাৰে। তদুপৰি গণমাধ্যম সমূহেও বৃত্তি হিচাপে কৃষিক সন্মানৰ দৃষ্টিৰে নাচায়। কৃষিক সন্মানৰ আসনত সমাজে প্ৰতিষ্ঠা কৰা হ'লে অসমৰ সকলো কৃষিভূমি জলসিঞ্চন ব্যৱস্থাৰে গোটেই বছৰ জুৰি বিবিধ শস্যেৰে নদন-বদন হৈ থাকিলহেঁতেন, জলসিঞ্চনৰ বাবে আবণ্টিত ধনৰ ২৭০ কোটি টকা শাসকগোষ্ঠীৰ জেপত নোসোমালেহেঁতেন। একৈশ শতিকাতো অসমত ৰাহি কৃষিজাত সামগ্ৰী সমূহ শীত-তাপ নিয়ন্ত্ৰিত ভঁৰালত সংৰক্ষণৰ ব্যৱস্থা নহ'ল; ফলত ৰাহিহোৱা বহু কৃষিজাত সামগ্ৰী পানীতকৈও কম দামত বিক্ৰী কৰিবলগীয়া নহ'লহেঁতেন বা ৰাজপথত পথাৰত পেলাই দিবলগীয়া নহ'লহেঁতেন। এয়ে অসমৰ কৃষি আৰু কৃষকৰ ভাগ্যলিপি। এনে অৱস্থাত অসমৰ কৃষকে কি লৈ বিহু পাতিব? তথাপিও বছৰৰ মূৰত বিহু আহে। সুখে-দুখে ৰাইজে বিহু পাতে। বিহুৰ আনন্দত এপাক নাচে আৰু গায়—

বিহু অনন্দীয়া বিহু বিনন্দীয়া বিহুৰে ঐ অমিয়া মাত।
বিহু থাকে মানে বিহুকে বিনাবা বিহু গ'লে বিনাবা কাক?

এইখন দেশতেই কৃষকে কৃষিজাত সামগ্ৰীৰ উপযুক্ত দাম নাপাই ঋণৰ বোজা বহন কৰিব নোৱাৰি। যোৱা ১৫/১৬ বছৰত সমগ্ৰ দেশত আঢ়ৈ লাখ কৃষকে আত্মহত্যা কৰিবলগীয়া হৈছে। অথচ এইসকল কৃষক-বনুৱাক দুবেলা দুমুঠি অন্ন আৰু মূৰৰ ওপৰত এখন চালি দিবৰ বাবেই এই সকল গাঁৱলীয়া ভাই-ভনীক লগত লৈয়েই গান্ধীজীয়ে বৃটিছৰ কবলৰ পৰা দেশ উদ্ধাৰ কৰিছিল। এই কাৰ্য সম্ভৱ হৈছিল দেশৰ এই সকল কৃষক-বনুৱাৰ স্বাধীনতাৰ যুঁজত স্বতঃস্ফূৰ্ত অংশ গ্ৰহণৰ বাবে; তেখেত সকলৰ মাজৰ হেজাৰ হেজাৰজনে স্বাধীনতাৰ বাবে অকাতৰে জীৱন আহুতি দিছিল। অথচ এই সকল কৃষক-বনুৱাই আজি দেশত সকলো ক্ষেত্ৰতে বঞ্চিত, নিপীড়িত আৰু নিৰ্যাতিত। এয়ে হ'ল স্বাধীনতা আন্দোলনত কৃষক-বনুৱাৰ স্বতঃস্ফূৰ্ত অংশ গ্ৰহণৰ খবৰ বিহুগীতেও দি থৈছে --

মহাত্মা গান্ধীয়ে আন্দোলন চলালে
দুখীয়াৰ মুখলৈ চাই।
ৰাইজক বুজালে ৰাইজক শিকালে
স্বৰাজ ন'ললে যায়।।

৪২ চনতেআন্দোলন চলালে
শ্বহীদে এৰিলে প্ৰাণ।
ফাঁচীৰে কাঠতে গাই গ'ল কুশলে
জীৱনৰ জয়গান।।
গহপুৰ থানাতে পতাকা তোলোতে
পুলিচে চলালে গুলী।
কনকা মুকুন্দ আই ভোগেশ্বৰী
থিতাতে পৰিলে ঢলি।।

হুঁচৰি অ' দলৌ চৰাই গান্ধীৰ নাম লৈ আহ অ' ওলাই
হুঁচৰি বাই অ' দলৌ চৰাই বিদেশী বস্ত্ৰ দে দলিয়াই।

---

*লেখকৰ ঠিকনা : চানমাৰি, গুৱাহাটী,*
*ভ্ৰাম্যভাষ - ৯৮৫৪৬১২১৮৬*



# সময় সম্পদ আৰু ফাট বিহু

পেইম থি গোহাঁই

(এক)

ৰাজ্যখনৰ বহু কাকত-আলোচনী ওলায়। সকলোবোৰে কিনি পঢ়াতো একোজন ৰসিক পাঠকৰ বাবে সম্ভৱ নহয়। কিন্তু নিয়মিতকৈ নপঢ়িলেও নিৰ্দিষ্ট কোনো সংখ্যা, নিৰ্দিষ্ট লেখকৰ লেখা বা যিকোনো লেখকৰ লেখা বা যিকোনো লেখকৰ বিষয় নিৰ্দিষ্ট বাবে একোখন কাকত-আলোচনী কিনাটো অপৰিহাৰ্য হৈ পৰে বহু সময়ত। তেনে আলোচনা, ঐতিহ্য তথা ঐতিহাসিক সম্পদবোৰৰ আলোচনাৰ ক্ষেত্ৰতো খাটে। একোটা নিৰ্দিষ্ট সংস্কৃতি দৰ্শন লাভৰ বাবে, অভিজ্ঞতা অৰ্জনৰ বাবে, নিৰ্দিষ্ট অনুষ্ঠান উপভোগৰ বাবে বহু সময় খৰচ কৰি, বাটকুৰি বাই দীঘলীয়া যাত্ৰা কৰি বা কেতিয়াবা বহু অৰ্থ ব্যয় কৰি নিৰ্দিষ্ট একোখন চহৰলৈ যোৱা হয় বা যাবলগীয়া হয়। আমাৰ বাবে ঢকুৱাখনা সেই ঐতিহ্যৰ আকৰ্ষণ আৰু দাবীৰে পৰিপূৰ্ণ এখন চহৰ। আমি নিশ্চিত, ঢকুৱাখনাৰ ফাট বিহু চাবৰ বাবেই বহুতে পূৰ্ব নিৰ্ধাৰিত বহু কাৰ্যসূচী বাদ কৰি গৈছে কেতিয়াবা, কোনোবাই কঁকাল বিষৰ দৰে সমস্যা লৈয়ো ভগা ছিগা পথেৰে যাত্ৰা কৰিবলৈ মানসিক বল আহৰণ কৰিছে, কোনোবাই সাঁচতীয়া পুঁজি খৰচ কৰি যাত্ৰা কৰিছে আগতে কাহানিও নোযোৱা আৰু কোনো চিনাকি নথকা ঠাইখনলৈ। আমাৰ ক্ষেত্ৰতো হৈছে, আমিও সন্মুখীন হৈছো এই অভিজ্ঞতা, আমিও অনুভৱ কৰিছো এই তাগিদা।

(দুই)

ঢকুৱাখনালৈ আমাৰ প্ৰথম যাত্ৰাৰ সুযোগ আহিছিল ১৯৯৩(সম্ভৱতঃ) চনত। সেই বছৰত ফাট বিহুৰ ঐতিহ্যৰ বিষয়ে আমি মুঠেই অৱগত নাছিলো আৰু আমাক ঢকুৱাখনালৈ নিমন্ত্ৰণ কৰা বন্ধুমহলে ফাট বিহুৰ কথা উল্লেখ কৰা নাছিল। তাৰ পাছতো প্ৰায় নিয়মিত ঢকুৱাখনালৈ যোৱা হৈছিল যদিও সেই যাত্ৰাবোৰ আছিল তেনেই সাধাৰণ নৈমিত্তিক কাৰ্যসূচী ধৰণৰ। মানে, কোনো অনুষ্ঠানৰ সভাত অংশগ্ৰহণ কৰা বা কোনো বিয়াৰ দৰে আনুষ্ঠানিকতাত অংশগ্ৰহণ কৰাৰ দৰে আছিল আমাৰ যাত্ৰাৰ উপলক্ষ। পিছত যেতিয়া জীৱনৰ বোধ পৰিক্ৰমাই ফাটবিহুৰ ঐতিহ্যৰ বিষয়ে আৱিষ্কাৰ কৰিলে



তেতিয়াহে প্ৰকৃতাৰ্থত ঢকুৱাখনালৈ যাবলৈ পুনৰবাৰ তাগিদা অনুভৱ কৰা হ'ল। সেই তাগিদাৰে আমি ঢকুৱাখনালৈ গৈছিলো দুবাৰ। অৰ্থাৎ নিৰ্দিষ্টকৈ ফাট বিহু উপভোগ কৰিবলৈ বিগত সময়ত আমি দুবাৰ ডিব্ৰুগড়ৰপৰা ঢকুৱাখনালৈ গৈছিলো। দুবাৰ দেখি অহা আৰু কেইবাবছৰৰ ফাট বিহুৰ স্মৃতিগ্ৰন্থ সংগ্ৰহ কৰি সেইবোৰৰ লেখনি পঢ়া, বিভিন্ন সময়ত বিভিন্নজনৰ সৈতে ফাটবিহুৰ ঐতিহ্যৰ বিষয়ে কৰা আলোচনা আৰু ঢকুৱাখনাৰ বন্ধুমহলৰ সৈতে নিয়মিতভাৱে কৰা বাৰ্তালাপত ফাটবিহুৰ বিষয়ে এক অনন্য অভিজ্ঞতা সঞ্চিত হৈছে আমাৰ। কিছু দেখা, কিছু পঢ়া, কিছু শুনাৰ খণ্ডিত অভিজ্ঞতাখিনিয়ে বছৰি বছৰি আমাক আৰু অধিক গাঢ় কৰি নিছে ফাটবিহুৰ প্ৰতি থকা মানসিক টানৰ। সেইবাবে অসমৰ আন কোনো বিহু সন্মিলন, অনুষ্ঠানৰ খবৰ পৰাপক্ষত (আনকি নিজে বসবাস কৰা চহৰো) লোৱা নহয় যদিও প্ৰতি বছৰে চিনাকি বন্ধুমহলৰপৰা ফাটবিহু আয়োজনৰ দিনবাৰৰ খবৰ লওঁ। মানুহক মানসিকভাৱে বান্ধি ৰাখিব পৰা অনুষ্ঠান, মানুহক টানিব পৰা সাংস্কৃতিক আয়োজন অসমত খুব কমেইহে আছে। তাৰ ভিতৰত ফাটবিহু অন্যতম।

(তিনি)

শিক্ষা-সাহিত্য আদিৰ দিশেৰে ঢকুৱাখনাই বিগত সময়ত অসমবাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈ আহিছে যদিও শেহতীয়াকৈ ফাটবিহুৰ ঐতিহ্যই সকলোকে চেৰ পেলাইছে বুলি ক'ব পাৰি। ঢকুৱাখনাবাসীৰ মানসিক, সাংস্কৃতিক সংস্কাৰৰ অন্যতম কাৰক হিচাপেও পৰিগণিত হৈছে ফাটবিহু। অন্ততঃ ফাটবিহুৰ 'লাইভ টেলিকাষ্ট' চোৱাৰ সৌভাগ্য থকা বা হোৱা সকলো লোকেই এইটো স্বীকাৰ কৰিব যে শালীন আৰু শৃংখলিতভাৱে ৰাজহুৱা বিহু আয়োজন কৰা আৰু উদ্‌যাপন কৰাৰ ভিতৰত ফাটবিহু অসমৰ ভিতৰতে অদ্বিতীয়। সাতামপুৰুষীয়া সাংস্কৃতিক ঐতিহ্যক পৰিমাৰ্জন, পৰিবৰ্ধন আৰু পৰিবৰ্তনৰ ধাৰাইদি আগুৱাই আনি 'মুকলি'ৰপৰা 'মঞ্চ'ত উঠাই দিয়া পিছতো ফাটবিহুৰ মৰ্যদা অক্ষুন্ন ৰাখিবলৈ সক্ষম হোৱাটো ঢকুৱাখনাবাসীৰ বিশেষ কৃতিত্ব বুলি অভিহিত কৰিব পাৰি। ঢকুৱাখনাৰ প্ৰতিটো প্ৰজন্মই আজি এইটো অনুভৱ কৰিছে যে ফাটবিহু তেওঁলোকৰ সাংস্কৃতিক গৰিমা, তেওঁলোকৰ সাংস্কৃতিক পৰিচয়। সেইবাবে তাৰ ঐতিহ্যখিনি ধৰি ৰখাৰ ক্ষেত্ৰত সকলো ঢকুৱাখনাবাসীয়েই আজি সদা জাগ্ৰত। অন্ততঃ ফাটবিহুৰ পৰিৱেশে সকলোকে এই কথাক আশ্বস্ত কৰে। কেইবা বছৰৰ ব্যৱধানৰ ফাটবিহুৰ অভিজ্ঞতা অৰ্জন কৰিবলৈ যোৱাৰ পৰতো আমি কোনো ক্ষেত্ৰতেই 'স্খলন' হোৱা নেদেখিলো। আনকি সময়ৰ অগ্ৰগতিত আৱশ্যম্ভাৱী পৰিবৰ্তনখিনিও অতি সাৱধানতাৰে আয়োজকসকলে ধৰি ৰাখিবলৈ চেষ্টা কৰাতো অনুকৰণীয় আৰু প্ৰশংসনীয়।

(চাৰি)

চাৰিকড়ীয়া নদীৰ পাৰৰ মনোৰম পৰিৱেশত প্ৰতিজোপা গছৰ তলে তলে বিভিন্ন জনগোষ্ঠীৰ বিহু দলৰ বিহু, কোনেও কাৰো মাত নুশুনা পৰিস্থিতি অথচ ভীষণ পৰিপাটী আৰু শৃংখলাপূৰ্ণ। এয়াই হৈছে ফাটবিহুৰ বিষয়ে এটা বাক্যত প্ৰকাশ কৰিব পৰা অভিধা। বাস্তৱ তাৰ এক বিন্দুপৰাও ব্যতিক্ৰম নহয়। এনে পৰিৱেশ কিন্তু অন্য পৰিৱেশত পোৱা নাযায়। কোনো সাধাৰণ সভাত বা শ্ৰেণী কোঠাত পিছ ফালৰ দৰ্শক বা ছাত্ৰই কথা পাতি থাকিলে যি হুলস্থুল আৰু অশান্তিময় পৰিৱেশ প্ৰত্যক্ষ কৰিবলৈ পোৱা যায় ফাট বিহুত সেইটো পোৱা নাযায়। বোধকৰো সকলোৰে সাংস্কৃতিক ভাৱনাৰে মন প্ৰৌজ্জ্বল হৈ থাকে বাবেই ঢোল, পেঁপা, তাল আৰু বিহুনামৰ 'হুলস্থুল'ৰ মাজতো পৰিৱেশ অতি শান্ত যেন অনুভৱ হয়। গছৰ তলত বিহু মাৰোতে এক ধৰণৰ প্ৰতিযোগিতামূলক মনোভাৱ থাকিলেও এনে সকলো দলে এনেদৰে পৰিৱেশন কৰে যেন ওচৰত কোনো দ্বিতীয় দলে পৰিৱেশন কৰি থকাৰ কথা গমকে নাপায়। সংস্কৃতিৰ প্ৰতি কিমান আত্মোৎসৰ্গ মন থাকিলে এনে পৰিৱেশত অকণো অসুবিধা নোহোৱাকৈ বিহু মাৰি থাকিব পাৰি সেই উদাহৰণ ফাট বিহুৰ বাহিৰে অন্য দ্বিতীয় উদাহৰণ দিবলৈ, পাবলৈ নাই। তাতোকৈ ডাঙৰ কথা গোটেই পৰিৱেশত জাতীয় পোছাকৰ যি সমাহাৰ ঘটে সেই দৃশ্যও অন্য বিহু মঞ্চত বা পৰিৱেশত দেখিবলৈ পোৱা নাযায়। সেইবাবে চাৰিওফালে কেৱল মানুহ মানুহ দেখা গ'লেও তাত 'বিজতৰীয়া' সাজ-পোছাকে কোনো লোকৰ দৃষ্টিতে দৃষ্টিকটুভাৱে ধৰা নপৰে।

(পাঁচ)

অলপ বঢ়াই ক'ব পাৰি যে, ফাট বিহু এতিয়া অসমৰ সাংস্কৃতিক কৰ্মী, বিহুৱনীয়াসকলৰ তীৰ্থস্থান সদৃশ। বহু লোকে কেৱল অভিজ্ঞতা অৰ্জনৰ বাবেই এবাৰ হ'লেও ফাট বিহু উপভোগ কৰিবলৈ হেঁপাহ কৰে। এইটো নিসন্দেহ যে পূৰ্বৰ ৰূপক পৰিশীলিতভাৱে সময়ৰ লগে লগে পৰিমাৰ্জন সাধন

চাৰিকড়ীয়া নদীৰ পাৰৰ মনোৰম পৰিৱেশত প্ৰতিজোপা গছৰ তলে তলে বিভিন্ন জনগোষ্ঠীৰ বিহু দলৰ বিহু, কোনেও কাৰো মাত নুশুনা পৰিস্থিতি অথচ ভীষণ পৰিপাটী আৰু শৃংখলাপূৰ্ণ। এয়াই হৈছে ফাটবিহুৰ বিষয়ে এটা বাক্যত প্ৰকাশ কৰিব পৰা অভিধা। বাস্তৱ তাৰ এক বিন্দুপৰাও ব্যতিক্ৰম নহয়। এনে পৰিৱেশ কিন্তু অন্য পৰিৱেশত পোৱা নাযায়।

নকৰা হ'লে ঐতিহ্যৰ ফাট বিহুৱে আজিৰ ৰূপ আৰু অৱস্থালৈ উন্নীত নহ'লহেঁতেন। ইয়াৰ বাবে ঢকুৱাখনাবাসী অসমবাসীৰ পৰা ধন্যবাদ পাবৰ যোগ্য। ঢকুৱাখনাত প্ৰতিবছৰে কৰা এনে আয়োজনত প্ৰতিবছৰে নতুন নতুন সাংস্কৃতিক কৰ্মীৰ জন্ম হৈছে। প্ৰচলিত অৰ্থত চেঙেলীয়া শব্দটোক নেতিবাচক ৰূপত উপস্থাপন কৰা হয়। যেন চেঙেলীয়া ডেকা মানে জীৱন আৰু সাংস্কৃতিক বোধ নথকা উদণ্ড এচাম যুৱক। প্ৰায় সকলো চহৰতে প্ৰচলিত এই ধৰণৰ অভিধাৰ একপ্ৰকাৰৰ প্ৰত্যাহ্বান জনাই ঢকুৱাখনাৰ চেঙেলীয়াই আজি সাংস্কৃতিকভাৱে প্ৰশিক্ষিত হৈ ফাট বিহুৰ সৈতে জড়িত হৈছে। সেইচাম ডেকায়ো সম্পূৰ্ণ পৰিশীলিতভাৱে নিজকে জড়িত কৰি আহিছে। তাৎপৰ্যপূৰ্ণ কথা যে ফাটবিহুত জড়িত হোৱাৰ ক্ষেত্ৰত ডেকা চামক কোনেও বাধ্য নকৰে বা তাৰ বাবে বিশেষ প্ৰশিক্ষণ, কৰ্মশালা আদিৰ আয়োজন নকৰে। বছৰে বছৰে নিজে অভিজ্ঞতা অৰ্জন কৰিহে তেওঁলোকে ফাট বিহুৰ সৈতে জড়িত হোৱাৰ মানসিক মন আৰু সাংস্কৃতিক চেতনা আয়ত্ব কৰে। ই অতি শুভ লক্ষণ।

(ছয়)

ফাট বিহু জীয়াই থাকিব আৰু জাকত জিলিকা হৈ থাকিব। ইয়াত কোনো সন্দেহ নাই। মানুহৰ অংশগ্ৰহণ আৰু আয়োজনৰ পৰিৱেশেই সেই বতৰা দিয়ে। কিন্তু জাকত জিলিকা সদায় ইতিবাচক দিশতহে ঘটিবনে? চিন্তনীয়। কাৰণ প্ৰতিবছৰে ফাট বিহুৰ উদ্বোধন, শোভাযাত্ৰা আদিৰ মুকলি আদিৰ বাবে বহু গ্লেমাৰ জগতৰ শিল্পীক আমন্ত্ৰণ কৰে। ফলত আকৰ্ষণৰ এটা অংশ সেইসকল শিল্পীয়ে কাঢ়ি লৈ যায়। অথচ অসমৰ বিভিন্ন প্ৰান্তৰ জনতা ফাট বিহুলৈ যাবলৈ বিচাৰে ফাট বিহুৰ প্ৰকৃত ঐতিহ্যখিনি দৰ্শন কৰিবলৈহে। তাৰ্ঁল যোৱা সংস্কৃতিপ্ৰেমী, লোকশিল্পীসকলে ফাট বিহুৰ নিৰ্ভেজাল আয়োজনখিনিক চাবলৈ হেঁপাহ কৰে। সেই ৰূপখিনি সঠিক ধৰণেৰে বৰ্তী থাকিলেও অন্য কিছুমান উপৰঞ্চি আয়োজনবোৰে কেতিয়াবা অধিক প্ৰভাৱী ভূমিকা পালন কৰে। ফাট বিহুৰ ঐতিহ্যক সময়ৰ সৈতে আগবঢ়াই অহা ঢকুৱাখনাৰ জ্যেষ্ঠ নাগৰিকসকল ফাট বিহু প্ৰাঙ্গণত সন্মানিত হওক, অসমৰ লোকশিল্পীসকল সন্মানিত হওক। তেওঁলোককে দায়িত্ব দিয়ক অনুষ্ঠানৰ শোভাৰম্ভ, উন্মোচক আদিৰ দায়িত্ব। কাৰণ তেওঁলোকে হৈছে ঐতিহ্যৰ মূল আৰু অক্লান্ত সেনানী। ফাট বিহু সময়ৰ ধামখুমীয়া কাৰকবোৰৰপৰা মুক্ত হওক। এয়া এগৰাকী ফাট বিহু আৰু ঐতিহ্যৰ প্ৰতি গভীৰ অনুৰক্ত অনুগ্ৰাহীৰ কাতৰ আবেদন আশা।

*লেখকৰ ঠিকনা : ডিব্ৰুগড়*

*ভ্ৰাম্যভাষ- ৯৯৫৪৪৭৪৩৪৭*





# বিহুত কৈৱৰ্তসকলৰ অৱদান

ভূধৰ দাস

বছৰে বাগৰ সলায়। বছৰি নতুন ৰূপত আবিৰ্ভাৱ হয় ৰৰদৈচিলা- বতৰা দিয়ে বসন্তৰ সোণালী সৌৰভৰ আগজাননী। মন-প্ৰাণ উতলা কৰি অপাৰ আনন্দৰ খলকণি তোলে বসন্তই- হাবু-ডুবু খাই ডেকা গাভৰু, ল'ৰা-বুঢ়া আৱাল বৃদ্ধ-বণিতা সকলো। মানি ল'বলৈ টান যেন লাগিলেও কোৱা বাহুল্য যে দূৰ অতীতত বিহুৰ প্ৰভাৱ বিশেষকৈ অনাৰ্য গোষ্ঠীৰ মাজতহে সীমাবদ্ধ আছিল। বসন্তৰ মৃদু মলয়াৰ সুবাসে, কেশলয়ৰ, ৰং-বিৰঙৰ ফুল-ফলে, কুলি-কেতেকীৰ সুললিত কলনিনাদে, ভোমোৰাৰ মধুৰ গুঞ্জনে প্ৰকৃতি দেৱী দীপলিপ অপেশ্বৰীজনী হৈ ধৰা দিয়ে - বাটে পোৱালি মেলে, মৰা গৰুৱে হেম্বেলিয়ায়। আনন্দত আত্মহাৰা বিহু বলীয়া ডেকা-গাভৰুহঁতে ভাগে ভাগে কিম্বা একেলগে আৰম্ভ কৰে- পথাৰৰ মাজৰ বৰ গছৰ তলত মুকলি বিহু, জেং বিহু, টকা বিহু, ডেকা বিহু, গাভৰু বিহু, সমদলীয় আদিৰ মন পৰশা বিহু।

কেতিয়া আৰম্ভ হ'ল সঠিককৈ কোৱা টান যদিও বিহু পাতনি মেলে অসমৰ অনাৰ্য গোষ্ঠী অৰ্থাৎ অতীতত তথাকথিত অৱহেলিত অস্পৃশ্য বুলি খ্যাত মিচিং, দেউৰী, কছাৰী, কৈৱৰ্ত্ত আদি লোকৰ মাজতহে ই ধুৰুপ। খৃষ্ট্ৰীয় দ্বিতীয় শতিকাতে অসমত আৰ্যসকলৰ প্ৰৱেশ ঘটে। অসমৰ বিনন্দীয়া প্ৰকৃতিৰ সাৰুৱা ভূভাগ দেখি মোহিত হৈ ভূমি পুত্ৰ সকলক চলে বলে কৌশলে পৰাভূত কৰি সাৰুৱা ভূখণ্ড তেওঁলোকৰ দখললৈ আনে আৰু খিলঞ্জীয়া ভূমিপুত্ৰ সকলক অহিন্দু, অশুচি অৰ্থাৎ নীচ জাতি হিচাবে গণ্য কৰি তেওঁলোকৰ অনেক লোকক ঘৰ পৰিচালনাৰ বিভিন্ন কামত নিয়োগ কৰে। সহজ-সৰল সুঠাম দেহৰ লোকসকলে মালিক পক্ষৰ চলাহী কথা কিম্বা তাগিদাতে হাড়ক মাটি কৰি তেজক পানী কৰি ৰ'দ বৰষুণ, বোকা-পানী, জাৰ, জহ নগণি কৃষিকৰ্মত লিপ্ত হ'লেও উৎপাদিত শস্যৰ সিংহভাগ ভোগ কৰে মালিক পক্ষইহে। বসন্তৰ সেউজীয়া প্ৰকৃতিৰ সোণ বুলীয়া মাটিৰ গোন্ধত কঠোৰ পৰিশ্ৰমৰ মাজতে কেতিয়াবা তেওঁলোকে অনুভৱ কৰে প্ৰকৃতিৰ বিনন্দীয়া সোণালী সুবাস। বসন্তৰ মৃদু মলয়াৰ শিহৰণে, প্ৰকৃতিৰ ৰং বিৰঙে, কুলি-কেতেকী, মইনা চৰাইৰ মিঠা মাতে, নাহৰ, তগৰ, মদাৰ, শিমলু, কপৌফুলৰ সান্নিধ্যই মন উতলা কৰে, গা-ইচাট বিচাট লগায়। অফুৰন্ত আনন্দৰ হেন্দোলনিয়ে মন উৰুৱাই নি কথাবোৰ সুৰীয়া সুৰে ক'বলৈ, খোজ কঢ়াতকৈ নাচি-বাগি ফুৰিবলৈ মনত প্ৰবল হাবিয়াস জাগে। এনে পৰিবেশতে ডেকা-কৃষকসকলে কাম কৰি ভাগৰি পৰি গছৰ ছাঁত জিৰণি লওঁতে সপোন বিভোৰা হৈ মুকলি আকাশৰ ফালে ৰ লাগি চাই ৰয়। আকাশত শগুন চিলনিবোৰে মলয়াৰ বুকু ফালি পাখি মেলি চক্ৰাকাৰে উৰি ঘুৰা দেখিলে, পখিলা, ভোমোৰা, মৌমাখিবোৰে ফুলে ফলে পৰি মৌ আহৰণ কৰা দেখিলে, নল, খাগৰি, বিৰিণা, কহুঁৱাবোৰ বতাহত হালিজালি নাচি বাগি থকা দেখিলে তেওঁলোকৰো মন যায় তেনেকৈ নাচি বাগি আনন্দত স্ফূৰ্তি কৰিবলৈ। কোনোবা এসময়ত হয়তো অনাকাঙ্খিত ভাৱে লগ লাগে দুই চাৰিজন ডেকা। আৰম্ভ হয় ভাৱৰ আদান-প্ৰদান, কথা-বাৰ্তা, সুৰীয়া গীত-মাত, হাত চাপৰি নৃত্যগীত ইত্যাদি। সময়ৰ লগে লগে সংযোগ ঘটে বহুতৰ, মুখৰিত হয় বিহু নৃত্য গীতৰ সমাহাৰে। এই সংযোগ ব্যাপক হোৱাৰ পাচত হয়তো কোনো বিশেষ ব্যক্তিয়ে প্ৰকৃতিৰ সমল বুটলি ৰচনা কৰিলে জীৱন-যৌৱন সামৰা হৃদয় পৰশা অনেক সুৰীয়া বিহুগীত, বনগীত, পদঘোষা আৰু মৰ্ম্মস্পৰ্শী বিহুগীতৰ জাত। সময়ৰ লগে লগে ক্ৰমাগত ভাৱে থাউকতে পোৱা বাঁহ, কাঠ, নল খাগৰি, গৰু ছাল, ম'হৰ শিং আদিৰে নিপুণ কাৰিকৰ হাতৰ পৰশ লাগি আৱিষ্কৃত হ'ল টকা, বাঁহী, সুতুলী, গগণা, ঢোপচুঙা, ঢোল, পেঁপা আদি অনেক বাদ্য-বাজনা। বাজনাৰ সংযোগে গীতৰ মাদকতা দুগুণে মধুময় কৰি তোলে। এইদৰেই অশুচি অনাৰ্য কৃষকসকলৰ মাজতেই ভূমুকি মাৰি বিস্তাৰিত হৈ পৰে অসমৰ লোক সংস্কৃতি বিহু। এই বিহু আদিতে ৰাতি ৰাতিহে প্ৰচলিত আছিল। ঢকুৱাখনাৰ গাভৰুসকলৰ ৰাতি বিহুৰ বিষয়ে ক'বলৈ গৈ ড° জিতৰাম কলিতাদেৱে কৈছে- "ৰাতি বিহুত গীত, নৃত্য আৰু সুতুলিৰ বাদনত জিলিকি উঠা বহুকেইগৰাকী গাভৰুৰ নাম এতিয়াও বুঢ়া-বুঢ়ীসকলৰ মুখে মুখে উচ্চাৰিত হৈ আছে।" কলিতাদেৱৰ এই গাভৰুসকল কিন্তু কৈৱৰ্ত সম্প্ৰদায়ৰ।

বিনন্দীয়া প্ৰকৃতিৰ মাটি, পানী, বোকাৰ গোন্ধত মতলীয়া হোৱা বিহু কৃষিজীৱী ডেকা-গাভৰুৰ প্ৰাণৰ বন্ধ-উতলা যৌৱনৰ বাস্তৱ প্ৰতিচ্ছবি। এই অৰ্থতে বিপিন শইকীয়াদেৱে কৈছে " কৃষিজীৱী গঞাঁৰ প্ৰাণৰ বস্তু হৈছে লোকগীত। অসমীয়া লোকগীতৰ অনেক প্ৰাচুৰ্যময় ধাৰাৰ এক বিশাল ঐশ্বৰ্যৰ নাম বিহুগীত।"

বিহু গীতবোৰ উন্মাদ ডেকা-গাভৰুৰ কামনা বাসনাৰ হেন্দোলনি, স্বতঃস্ফূৰ্তভাৱে মনৰ মাজেৰে নিগৰি অহা ভাৱৰ বুৰবুৰণি বা ব্যৰ্থাভৰা হৃদয়ৰ অবুজ বেদনাৰ গোমগোমনি প্ৰকাশক। প্ৰেমিক-প্ৰেমিকাই উদ্ভ্ৰান্ত যৌৱনৰ মধুৰ শিহৰণ কিম্বা ব্যৰ্থাভৰা বেদনাৰ ৰুদ্ৰ দাবানল বিহুগীতৰ মাজেৰে প্ৰিয়জনলৈ বাৰ্তা পঠাই পৰম শান্তি পায়। প্ৰণয়ৰ বাৰ্তাবাহক এই গীতবোৰ মধুমিলনৰ যেন এচাটি ফল্গুধাৰা। সেয়ে বিহুগীতক প্ৰণয়ধৰ্মী আখ্যা দিয়া হয়। এই মাধ্যমেই কোনোৱা সুঠাম ডেকাই মনে বচা লাৱনি গাভৰুৰ লগত মিলন হৈ নতুন সংসাৰ এখনৰ পাতনি মেলে। সেয়েহে সম্ভ্ৰান্ত গোষ্ঠীয়ে বিহুক নীচ লোকৰ কুৰুচিপূৰ্ণ অনৈতিক কাৰ্য বুলি সততে ঘৃণাৰ চকুৰে চাই বহু দিনলৈকে আঁতৰি থকা বুলি ক'ব পাৰি। বিপিন শইকীয়াদেৱে কৈছে "পশ্চিমীয়া শিক্ষাৰে শিক্ষিত হৈ অহা সম্ভ্ৰান্ত লোকৰ বহুতেই উনবিংশ শতিকাত বিহু নৃত্য আৰু বিহু গীতক ইতৰ লোকৰ কুৰুচিপূৰ্ণ অশ্লীল গীত নৃত্য বুলি ইতিকিং কৰিছিল।" যুগৰ পাচত যুগ বাগৰি যোৱাৰ পাচত বিহুৱে পাহাৰে ভৈয়ামে শিপাই আজি অসমবাসীৰ

> বিহু গীতবোৰ উন্মাদ ডেকা-গাভৰুৰ কামনা বাসনাৰ হেন্দোলনি, স্বতঃস্ফূৰ্তভাৱে মনৰ মাজেৰে নিগৰি অহা ভাৱৰ বুৰবুৰণি বা ব্যৰ্থাভৰা হৃদয়ৰ অবুজ বেদনাৰ গোমগোমনি প্ৰকাশক। প্ৰেমিক-প্ৰেমিকাই উদ্ভ্ৰান্ত যৌৱনৰ মধুৰ শিহৰণ কিম্বা ব্যৰ্থাভৰা বেদনাৰ ৰুদ্ৰ দাবানল বিহুগীতৰ মাজেৰে প্ৰিয়জনলৈ বাৰ্তা পঠাই পৰম শান্তি পায়।

প্ৰত্যেককে শিৰাই শিৰাই প্ৰৱাহিত হৈ সৰ্বাত্মক ৰূপত ধৰা দিছে। দূৰ অতীতত অশুচি কৃষিজীৱী গীত নৃত্য বুলি ইতিকিং কৰিছিল। যুগৰ পাচত যুগ বাগৰি যোৱাৰ পাচত বিহুৱে পাহাৰে ভৈয়ামে শিপাই আজি অসমবাসীৰ প্ৰত্যেককে শিৰাই শিৰাই প্ৰৱাহিত হৈ সৰ্বাত্মক ৰূপত ধৰা দিছে। দূৰ অতীতত অশুচি কৃষিজীৱী লোকৰ মাজত স্বতঃস্ফূৰ্তভাৱে উদ্ভৱ হোৱা বিহু অৰ্থাৎ হাবিতলীয়া বিহু আজি নগৰে-চহৰে প্ৰসাৰিত হৈ মঞ্চ জগতৰ বাণিজ্যিক পথাৰখনতো তোলপাৰ লগাই আছে।

অসমৰ বাকীবোৰ অঞ্চলৰ কথা নক'লেও ঢকুৱাখনাৰ বিভিন্ন অঞ্চলত ধাৰাবাহিকভাৱে অনাৰ্য গোষ্ঠীৰ মাজত বিহুৱে প্ৰভাৱ বিস্তাৰ কৰি থকা বুলি ক'ব পাৰি। চাৰিকড়ীয়া বিচৌত ম'হঘুলি চাপৰিত এই লোকসকলৰ সমন্বয়ৰ বিহুত পাচলৈ সকলো সম্প্ৰদায়ৰ লোকেই ভাগ লোৱা হ'ল। ম'হঘুলি চাপৰিৰ বিহুতলী অনুধাৱন কৰিলে দেখা যায় যে বিহুতলীত কৈৱৰ্তৰ পাকৈত ঢুলীয়া কচুগাঁৱৰ ফনী দাস, জীতেন দাস, ভাতিহুজৰ চুটিৰাম দাস, জয়পুৰ দাস, ধৰ্মেশ্বৰ দাস, গুণাৰাম দাস, হুজগাঁৱৰ হেম দাস, ভগীৰাম দাস, নীলাই দাস, ভগীৰাম বায়ন, ভকত ৰাম (ভদ্ৰেশ্বৰ) দাস, ৰামেশ্বৰ ওজা-প্ৰভৃতি ঢুলীয়া সকলৰ ঢোলৰ গোমগোমনি, হুজগাঁৱৰ পুণাৰাম, মঘুৰা, অনিলহঁতৰ পেঁপাৰ মধুৰ মূৰ্চ্ছনাই ঢকুৱাখনাৰ আকাশ বতাহ মুখৰিত কৰাৰ লগতে সুঁতিমুখৰ সুবাগী, কচু গাঁৱৰ মাখন, মাণিকাচুকৰ কেতেকী, হুজগাঁৱৰ গেধেপী, ৰহেশ্বৰী, তুল দাস, বালিগাঁৱৰ সৰুমাই দাসৰ দৰে চিতপখিলী গাভৰুসকলৰ সুঠাম দেহৰ নাচোনৰ গোপগোপনি, লয়লাস অঙ্গী-ভঙ্গীয়ে ম'হঘুলি চাপৰি তোলপাৰ লগাই থকাৰ কথা বিহুপ্ৰেমী জনতাই হয়তো আজিও পাহৰা নাই। ইয়াৰোপৰি শ্ৰেষ্ঠ বিহুৱা কচু গাঁৱৰ গোলাপ দাস, শ্ৰেষ্ঠ ঢুলীয়া, পেঁপুৱা আৰু বাঁহীবাদক অনিল দাস, খ্যাতনামা নাচনী বৰ্ণালী ভৰালী, কপহুৱা গাঁৱৰ ধেমেলীয়া প্ৰতিভাশালী বিহুৱা আলিৰাম বৰা আদি লোকৰ বিহু পাৰদৰ্শিতাই সকলোকে মোহিত কৰিবলৈ সক্ষম হৈছিল।

জগতগুৰু শ্ৰীমন্ত শঙ্কৰদেৱে শাস্ত্ৰীয় সঙ্গীতৰ লগত বাদ্যধ্বনি সংযোগ কৰাৰ মানসতে পোন্ধৰ শতিকাতে কুমাৰৰ হতুৱাই খোল মৃদং সজোৱা বুলি মালিতাকে ধৰি অনেক গীত মাতত পোৱা যায়। পৰিতাপৰ বিষয় গৰু ছালেৰে নিৰ্মিত মৃদং খোলৰ চাৱনি কৰিবলৈ সেই সময়ৰ আৰ্য তথা সম্ভ্ৰান্তলোকসকলে এনে নিকৃষ্ট কাম নীচ অৰ্থাৎ অশুচি লোকৰহে কৰ্ম বুলি ঘৃণাৰ চকুৰে চাইছিল। সেয়ে এই বিদ্যা অনাৰ্য মুচী, নমশূদ্ৰ, কৈৱৰ্ত, প্ৰভৃতি অনুসূচীত লোকৰ মাজতে সীমাবদ্ধ হৈ ৰ'ল। কোৱা বাহুল্য যে ঢকুৱাখনাত মুচীৰ অভাৱত ইং ১৯০০ চন মানতে জন্মা কছু গাঁৱৰ কৈৱৰ্ত সন্তান প্ৰয়াত সৰু ল'ৰা দাসে আগভাগ লৈ মৰা জন্তু চালেৰে নিৰ্মিত বাদ্যবোৰৰ চাৱনি কৰা কাম আৰম্ভ কৰি ঢকুৱাখনাৰ বিহুৱাসকলৰ এটি অপূৰণীয় অভাৱ দূৰ কৰে। সেই সময়ত চাহিদা অনুপাতে গৰু ছালবো অভাৱ হৈছিল। সেইবাবেই ক'ৰবাত গৰু মৰা খবৰ পালেই দহোৱন কাটি কৰি তেওঁ তালৈ গৈ ছালখন চেলাই আনি বাঁহৰ জেউৰাৰে ফিট্ হোৱাকৈ চিলাই শিয়াল-কুকুৰে অনিষ্ট কৰিব নোৱাৰাকৈ ওখকৈ বাঁহত বান্ধি আকাশ মাৰ্গতে শুকুৱাই লৈছিল। পাচত শুকান ছালখনৰ নোমবোৰ এৰুৱাই কাৰিকৰী অভিজ্ঞতাৰে কোনো বাদ্যৰ বাবে প্ৰয়োজনীয় চাৱনি ছাল, তালি ছাল, ডাইনা ছাল, মনুৱা ছাল, বৰতি আদি প্ৰস্তুত কৰি লৈছিল। পাচত কটা ছালবোৰ পানীত তিয়াই নৰম কৰি কৌশলগতভাৱে প্ৰস্তুত কৰি চাৱনি কৰিছিল। একেখন গাঁৱৰ মৰা গৰু ছালেৰে চাহিদা পূৰণ কৰিব নোৱাৰাত অনেক কৈৱৰ্ত ডেকাই বিভিন্ন অঞ্চলত মৰা গৰুৰ ছাল চেলাই শুকান কৰি দি প্ৰয়াত দাসৰ পৰা ঢোল চোৱাই নিয়াও পৰিলক্ষিত হয়। বিশেষকৈ চেউৰী গৰু ছালৰ ঢোলে ভাল মাত দিয়ে বুলি প্ৰবাদ আছে। সেই সময়ত

বিশেষকৈ কচু গাঁও, ঘাঁহি গাঁও, চাউৰুদ্ধ বৰপাত্ৰ, কাঠবৰাবী, বালিগাঁও, কমাৰ, হুজ, জীয়ামৰীয়া প্ৰভৃতি বিহুৱাসকলৰ লগতে মিচিং জনজাতি বিহুৱাসকলৰ বাবে প্ৰয়াত দাসে উৎকৃষ্ট উপহাৰ দিছিল।

প্ৰয়াত দাসৰ পুত্ৰ প্ৰয়াত সভাৰাম দাসেও এই বিদ্যা আহৰণ কৰি অন্ততঃ বিংশ শতিকালৈ উচ্চ মানৰ ঢোল যোগান ধৰি থাকে। পাচলৈ ইয়াৰ সমান্তৰালভাৱে হুজ গাঁৱৰ প্ৰয়াত ইলিৰাম আৰু বাজুৰা দাসে এই বিদ্যা আয়ত্ব কৰি উত্তৰ-পূব ঢকুৱাখনা সামৰি ঢোল, খোল, মৃদং, ডবা আদি উপহাৰ দি কৃষ্টি সাধনাৰ দিশত বিশেষভাৱে অৰিহণা যোগায়। একবিংশ শতিকালৈ প্ৰতিবছৰৰ বিহুতলী, কিম্বা ম'হঘূলি চাপৰিৰ ফাটবিহু তলীত এই নিপুণ কাৰিকৰসকলৰ হাতৰ পৰশৰ ঢোলৰ বগৰে বিহুৱা-বিহুৱতীসকলক উকিয়াই উকিয়াই ব্যাকুল কৰি মাতে।

হিন্দুৰ পবিত্ৰ জন্তু গৰু ছালেৰে বাদ্যযন্ত্ৰ চাৰনি কৰা কাৰ্যক অনেক লোকেই ভাল ভাৱে লোৱা নাছিল। আনকি সেই সময়ৰ তথাকথিত সমাজখনেও এনে কাৰ্যক ভিতৰি ভিতৰি হেয় প্ৰতিপন্ন কৰিছিল। তথাপি এই শিল্পীসকলে একোলৈকে ভ্ৰূক্ষেপ নকৰি প্ৰতি বছৰে অনেক বাদ্য উপহাৰ দি অঞ্চলটোৰ মহান উপকাৰ সাধন কৰিছিল। ঢকুৱাখনাৰ প্ৰতিখন গাঁৱৰ বিহুৰে এই নিপুণ কাৰিকৰ সকল হাতৰ পৰশে একবিংশ শতিকালৈকে আকাশ বতাহ মুখৰিত কৰি থাকিলেও এই ব্যক্তিসকলৰ মৃত্যুৰ লগে লগে এই স্থানীয় শিল্প সাধনাৰ যৱনিকা পৰি আমদানি হোৱা মুচীসকলে তাৰ ঠাই দখল কৰিবলৈ লয়।

নিয়তিয়ে সকলো সামৰি লয়। অনেক বিশাল ব্যক্তিৰ বিৰল প্ৰতিভাও অজানিতে জাহ যায় পাহৰণিৰ অটল গৰ্ভত। এই প্ৰতিভাৱান ব্যক্তিসকলো কালৰবুকুত হেৰাই গ'ল। তেওঁলোকে অসীম ধৈৰ্য আৰু কঠোৰ পৰিশ্ৰম কৰি সমাজৰ হীনমণ্যতা, লাঞ্ছনা-গঞ্জনা সকলো নীৰৱে সহ্য কৰিও সংস্কৃতিৰ পথাৰখনলৈ যি অৱদান দি গ'ল তাৰ বাবে প্ৰয়াত পাঁচোৱে কাৰিকৰসকল নিশ্চয় ধন্যবাদৰ পাত্ৰ। সময়ৰ চাকনৈয়াই সকলো সামৰি তেওঁলোকক পাহৰাই পেলালেও আজি আমি সেই নিঃস্বাৰ্থ কাৰিকৰ সকলক শ্ৰদ্ধাৰে সোঁৱৰি বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰিছোঁ।

গ্ৰন্থসূচী :

১। আজিকালিৰ বিহুগীত - এক দুচিন্তা : বিপিন শইকীয়া

২। ঢকুৱাখনা মহকুমাৰ ঠাইৰ নাম ইতিবৃত্ত - ড° জিতৰাম কলিতা

৩। সমাজ বিবৰ্তনত কৈবৰ্ত সম্প্ৰদায় - লিখক।

লেখকৰ ঠিকনা— হুজ গাঁও, ঢকুৱাখনা







বছৰে বাগৰ সলায়। লাহে লাহে পোনাকণৰ চিঠি সেৰেঙা হৈ আহে। কৰ্পৰেশ্যন, মাল্টিনেশ্যনেল, কছ্‌ম'প'লি, ই-ৱৰ্ল্ড আদি শব্দবোৰে পোনাকণৰ জিভাত বাহ বান্ধে। পোনাকণ ব্যস্ততা আৰু ভিৰৰ মাজত হেৰাই যাব খোজে। তাৰ শৈশৱৰ লগৰী জবাজনীক ৰহিমলাই মিছা আশাত বন্দী কৰি থৈ থৈ এদিন নিজ হাতে জোৰা লাগিব খোজা মধুৰ সম্পৰ্ক এটাৰ আঁতডাল চিঙি দি কৈ পেলায়- 'সি বহুত বেলেগ হৈ গ'ল অ' জবা। সি যেন মোৰ পোনাকণ হৈ থকা নাই।

# যুগসন্ধি

জ্যোতিনীলিমা গগৈ

'চালে চকুৰোৱা তোমাৰ চকুযুৰি
সৰগৰ জিলিকা তৰা
নেখাওঁ ভাতে-পানী চকুৰ নাই টোপনি
বিহুত দেখিবৰে পৰা......'

চ'তৰ দুপৰীয়া।

ফাছৌৰে সুৰ ধৰি গোৱা বিহুনাম ফাঁকি শুনি ৰহিমলা বুঢ়ী আখলৰ পৰাই জকজকাই উঠিল। 'বোলো হাতত নাই বিত্, মনে কৰে পিত্-পিত্।' হেৰৌ খেকাৰখোৱা, বিহু নামত যে ধৰিছ, তিলবৰা ধান খিনি ৰ'দত দিলিনে? সঁজাত নাই এইটোৰ। বোলো পো-বোৱাৰীহাল বিলাতৰ পৰা আহিব। আমাৰ যদু মধুৰ দৰে ৰাংকোপ, বাংক্লেং, মিংমাঙৰ পৰা নাহে নহয়। ন-বোৱাৰীজনীক প্ৰথম বিহুটোৰ সোৱাদ বাৰুকৈয়ে দিব লাগিব। কৰিছনে তই কামবোৰ নিয়াৰিকৈ?

কৰিছো কৰিছো আইতা। তিলবৰা, ৰঙাবৰা, জহা, শালি-সকলো ৰ'দত মেলিছো। বিহুৰ যোগাৰ নিয়াৰিকৈ কৰিছোঁ।

এ বোলো আইতা, এডালি কাটিলো বেতেও তেও
তাৰে বান্ধিলো বোন্দা-মেও;
এডাল কাটিলো সোমাজ ৰাতি
তাৰে বান্ধিলো দঁতাল হাতী,
এডালি কাটিলো সৰু
তাৰে বান্ধিলো দমৰা গৰু।

চোতালত এখন ভৰি দাঙি জপিয়াই জপিয়াই বিহু নাচৰ ছেৱ ধৰি থকা ফাছৌৰ পিঠিত ৰহিমলা বুঢ়ীয়ে আখলৰ পৰাই লৈ অহা কঁঠাল গছৰ ফলা খৰিৰে ভালদৰে একোব দিয়াৰ পিছত সি চেঙালুটি পাৰি কোনোবাখিনি পালেগৈ। বুঢ়ীৰ লগত ধেমালি! এনে বিহু-নাচনিটো ওলাইছে সি। ক বুলিব নাজানে, ৰত্নাৱলী পঢ়ে!

ৰবাধানখিনি খুঁচৰি দি ৰহিমলা পিৰালিতে বহিল। নতুন ধানৰ চাউলেৰে পোনাকণৰ বাবে মিঠা সাঁজপানী অকণ থোৱাৰ কথা। সাতসাগৰ তেৰ নদীৰ সিপাৰে থকা 'পোনাকণ'ৰ মুখখন মনলৈ অহা মাত্ৰকে বুঢ়ীৰ অন্তৰখন দহি গ'ল। ভালে কুশলে আছেনে তেওঁৰ আঁচলৰ ধন! বহুদিন হ'ল তাক নেদেখা। আঙুলিৰ পাবত গণি গণি শেষ নোহোৱা দিন, মাহ, বছৰ পাৰ হৈ গৈ থাকিল। প্ৰথমে বিলাতলৈ গৈ চিঠি একোখন লিখিছিল। অনেক কথাই পোনাকণে চিঠিত লিখিছিল। ওপজা ঠাইখন এৰি যাব লগা হোৱাৰ বাবে মনোকষ্ট, অকলশৰীয়া মাকক হাত লাগনি ফাছৌৰে ভালদৰে চোৱাচিতা কৰিছেনে নাই, পোনাকণে ৰুই থৈ যোৱা দেৱদাৰুৰ পুলিটো কিমান ওখ হৈছে-আদি অনেক প্ৰশ্নৰে ভৰি আছিল চিঠিবোৰৰ গৰ্ভ। চিঠি পঢ়ি ৰহিমলাৰ মন ভৰি উঠিছিল। হওক তেও, তেওঁৰ পোনাকণ আনৰ দৰে হোৱা নাই। কিমান যে ল'ৰা বিদেশলৈ গৈ মেম বিয়া কৰাই পৰবাসী হ'ল। পোনাকণ একেই আছে। বাৰীৰ গছ পুলিটিলৈকে সি খবৰ ৰাখিছে। এদিন স্কুলৰ পৰা আহিয়েই গছপুলি ৰুই থকা পোনাকণক দেখি সুধিছিল-

- কি ৰুইছ অ' ইমান যতন কৰিছ যে?

- এইটো দেৱদাৰু গছৰ পুলি। একেবাৰে পোন হৈ ওখ হৈ গৈ থাকে আকাশৰ ফালে।

- হয়নে?

- অ' মা। মোৰো দেৱদাৰু গছৰ দৰে হ'বৰ মন যায়। ওখ হৈ হৈ গৈ থাকি এদিন আকাশ চুবৰ মন যায়।

পোনাকণৰ কথা শুনি বুজা-নুবুজাৰ দোমোজাত ৰহিমলাৰ মেলা মুখ মেলাতে ৰৈছিল। কয় কি ভেটিগুটি ল'ৰাই! তথাপি যেন বুজিছিল কিবা এটা। ৰহিমলাই দেৱদাৰু পুলিটোৰ গুৰিত পাৰেমানে সাৰ জাবৰ দিয়ে। এজাপ সেউজীয়া চোলা পিন্ধি লাহে লাহে বাঢ়ি আহে দেৱদাৰু গছ। নিতে নতুন কুমলীয়া থোৰ মেলি ওখ হৈ গৈ থাকে আকাশ খিয়াই। দেৱদাৰুৰ সৈতে একেলগে ওখ হৈ গৈ

বিহু পালনৰ বাবে দৰকাৰী সকলো বস্তু চেগ্ চাই গোটাবি। দীঘলতি, মাখিয়তী, তৰাৰ পঘা, আমৰলি পৰুৱাৰ টোপকে ধৰি গৰুক নোওৱা-ধুওৱা চাতখনলৈকে যতাবি। এশ এবিধ শাকৰ আঞ্জাখন কৰাৰ ভাৰ ময়েই ল'লো। সাঁজপানীকণ আৰু লাডু-পিঠাবোৰ কৰিম আৰু লগ-ভাগ বিচাৰি। মুঠৰ ওপৰত এইবাৰ বিহু পালনত যাতে হীন-দেৰি ক'তো নহয়।

থাকে পোনাকণো। মেধাৱী ছাত্ৰ পোনাকণে ক'তো থমকি ৰ'ব লগা নহ'ল। প্ৰতিটো পৰীক্ষাতে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ জকাইচুকৰ পৰা গুৱাহাটী আৰু দিল্লীত পঢ়াৰ পাছত চফ্টৱেৰ ইঞ্জিনীয়াৰ হৈ একেকোবে উৰা মাৰিলে আমেৰিকালৈ। আমেৰিকালৈ যোৱাৰ সিদ্ধান্ত শুনি প্ৰথমে ৰহিমলাৰ মূৰত যেন চৰগ্ পৰিছিল। পোনাকণে বুজনি দিছিল- 'মা, মই কৈছিলো মোৰ ওখ হ'বৰ মন যায়, আকাশ চুবৰ মন যায়। এতিয়া সেই সুযোগ পাইছো, তইনো হেঁহো-নেহো কৰিছ কিয়? এতিয়া আগৰ দিন নাই নহয়। পৃথিৱীখন এখন গাঁও হ'ল। এতিয়া সৌখিনিতে আমেৰিকা। ফোন, ইন্টাৰনেটৰ যুগ। তই ইয়াত বুটাম টিপিলেই মোৰ লগত কথা পাতিব পাৰিবি। ডাঁৰৰ খবৰ ডাঁৰে পাবি। অনাহক চিন্তা কিয় কৰ? তইঁতৰ দৰে মইতো পথাৰত কাম কৰি খাব নোৱাৰো। জীয়াই থাকিবলৈ উপাৰ্জন কৰিবই লাগিব। আৰু পছন্দৰ চাকৰি এটাই যদি নকৰো, তেন্তে ইমানবোৰ পঢ়িলোনো কিয়?

ৰহিমলাই বুজিছিল। কণমানি ল'ৰাটো এতিয়া ওখ হ'ল। আকাশৰ বুকুত থকা অদৃশ্য পথেৰে সপোনপুৰীলৈ যাব পৰা হ'ল। শুভযাত্ৰাত বিধি পথালি দিয়া অনুচিত। মনৰ তাপ মনতে সামৰি থৈ গঞা-জ্ঞাতি মানি নাম এভাগি গোৱাই মূৰৰ চুলি চিঙি আশীৰ্বাদ দি ৰহিমলাই কল্পনাৰেও চুকি নোপোৱা দেশ এখনলৈ পোনাকণক পঠিয়াই দিছিল। শপত দিছিল-ফোন-চোন থাকিলেও সি যেন নিয়মীয়াকৈ একোখন চিঠি লিখে। তাৰ হাতৰ বুলনি থকা আখৰকেইটা চুই চাব পৰাটোৱেই ডাঙৰ প্ৰাপ্তি।

বছৰে বাগৰ সলায়। লাহে লাহে পোনাকণৰ চিঠি সেৰেঙা হৈ আহে। কৰ্পৰেশ্যন, মাল্টিনেশ্যনেল, কছ্ম'প'লি, ই-ৱৰ্ল্ড আদি শব্দবোৰে পোনাকণৰ জিভাত বাহ বান্ধে। পোনাকণ ব্যস্ততা আৰু ভিৰৰ মাজত হেৰাই যাব খোজে। তাৰ শৈশৱৰ লগৰী জৰাজনীক ৰহিমলাই মিছা আশাত বন্দী কৰি থৈ থৈ এদিন নিজ হাতে জোৰা লাগিব খোজা মধুৰ সম্পৰ্ক এটাৰ আঁতডাল চিঙি দি কৈ পেলায়- 'সি বহুত বেলেগ হৈ গ'ল অ' জৰা। সি যেন মোৰ পোনাকণ হৈ থকা নাই। তই মিছাতে প্ৰতিপাল কৰি কৰি মোক ধৰুৱা নকৰিবি। এইবাৰ গৰাকী ওলালে তই বিয়াত বহিবি। মোৰ আশীৰ্বাদ তোলৈ কেতিয়াও নুটুটে।' জৰাই নীৰৱে চকুলো টুকি গুছি গৈছিল। আৰু এদিন ভাৰতীয় সেনাবাহিনীৰ জোৱান এজনৰ লগত বিয়া হৈ গুছি গ'ল দেশৰ সীমান্তলৈ। ৰহিমলাই এই কথাও বুজিছিল- জৰাৰ 'অভিমান'খিনি এদিন যেন একুৰা জুই হৈ পোনাকণৰ বুকুখন দহিবগৈ। দহিব ৰহিমলাৰো বুকু।

পোনাকণৰ শেষ চিঠিখন পঢ়ি ৰহিমলাৰ বুকু এদিন বাৰুকৈয়ে দহিছিল। সাত দিন সাত ৰাতি দুচকুৰ লোৰ কাটি পৰি আছিল নিঃসংগ শেতেলিত। অকাল মৃত্যু হোৱা স্বামীৰ ছাঁ কণ বিচাৰি মৰ্মস্থলত অনুভৱ কৰিছিল হাঁহাকাৰ ধ্বনি। পোনাকণে সহকৰ্মী গৰাকীক বিয়া কৰোৱাৰ খবৰ জনাই চিঠিত লিখিছিল- 'দোষ নধৰিবি মা, তেওঁ 'মেম' নহয়, অসমৰে ছোৱালী।' অসমৰ ছোৱালী! অসমৰ অসমীয়া ছোৱালী!

ৰহিমলাৰ মুখলৈ এচলু পানী ঘূৰি আহিছিল। যি নহওক বোৱাৰীজনী 'অসমীয়া'। এয়ে মাথো শান্তনা ফাছৌৰে যতনাই দিয়া এটুপি পানী, এমুঠি ভাতৰ বলত ৰহিমলা উঠি বহিছিল আৰু কথাবোৰ নকৈ চিন্তা কৰিছিল। নাই নাই, পোনাকণক দোষ ধৰা নাযায়। ব্যস্ত ল'ৰা সি। বিয়ানো কি? বোৱাৰীজনী ভাল হ'লেই সকলো ভাল। ৰহিমলাই ভাল বোৱাৰীজনীত নিয়ম-নীতি শিকাই বুজাই অধিক ভাল কৰি তুলিব। পোনাকণ গাঁওখনৰে গৌৰৱ। আৰু বোৱাৰীজনীও হ'ব লাগিব জাকত জিলিকা। এইবাৰ ব'হাগ বিহুত ন-বোৱাৰীৰে সৈতে পোনাকণ ঘৰ পাবহি। বোৱাৰী আদৰাৰ উলাহত সেয়ে ৰহিমলাৰ গা সাতখ-আঠখন।

- অ' আইতা, পিৰালিতে থমথম মদন গোপাল হৈ বহি আছে যে অতবেলি, মোৰ পেটৰ কেঁচু-কুমতি মৰেহে লাগে। এনেয়ে নকয় নহয়- 'বুঢ়ীৰ কি বন আছে, চাউলত ধান পেলাই বাচে।'

ফাছৌৰ চিএৰত ৰহিমলা উঠি গৈ আখলত ভাত-পানী যতনালে। পোনাকণৰ কথা ভাবি ক'ৰবাত যেন হেৰাই গৈছিল। ভাতৰ পাতত বহি থাকিয়ে ফাছৌৰে পেন্টৰ জেপৰ পৰা পাত দুখিলা উলিয়াই ৰহিমলাৰ হাতত দিলে।

- আইতা নাহৰ পাত দুখিলা লৈয়ে আনিলো।

- ভালেই কৰিলি দে। কথাটো যে তোৰ মনত পৰিল। পিচে কাৰ বাৰীৰ পৰা?

- তৰাদৈহঁতৰ বাৰীৰ।

- এই দুপৰীয়াখন তৰাদৈহঁতৰ বাৰীলৈ কেৱল নাহৰ পাত আনিবলৈকে গলিনে? সঁচা মাতিবি।

- নহয় মানে তৰাদৈকো এপাক দেখো নেকি চাইছিলো। বাৰু আইতা, নাহৰ পাতত কি লিখিনো চালত গুঁজি থয়? আৰু কিয় থয়?

- তাকো নাজাননে, ব'হাগ মাহৰ প্ৰথম দিনা গোৰোচনা আৰু কুঙ্কুমেৰে কৰা চিয়াঁহীৰে এই মন্ত্ৰফাকি নাহৰ পাতত লিখে-

"দেৱ দেৱ মহাদেৱ বিৰূপাক্ষ ত্ৰিলোচন।
বাতবৃষ্টিহৰং দেৱ মহাদেৱ নমস্তুতে।।
জৈমনিশ্চ সুমন্তুশ্চ বৈশম্পায়নমেৱচ।
পুলস্তি পুলহশ্চৈব পঞ্চৈত বজ্ৰবাৰণাঃ।।
মুনিকল্যাণমিত্ৰস্য জৈমিনেশ্চানুকীৰ্ত্তনাৎ।
বিদ্যুদগ্নি ভয়ং নাস্তি লিখিতস্য গৃহোদৰে।।"

এনেকৈ লিখি চালত গুজি থলে বজ্ৰ আৰু অগ্নিৰ ভয় নাথাকে।

- বুজিলো আইতা।

- বিহু পালনৰ বাবে দৰকাৰী সকলো বস্তু চেগ্ চাই গোটাবি। দীঘলতি, মাখিয়তী, তৰাৰ পঘা, আমৰলি পৰুৱাৰ টোপকে ধৰি গৰুক নোওৱা-ধুওৱা চাতখনলৈকে যতাবি। এশ এবিধ শাকৰ আঞ্জাখন কৰাৰ ভাৰ ময়েই ল'লো। সাঁজপানীকণ আৰু লাডু-পিঠাবোৰ কৰিম আৰু লগ-ভাগ বিচাৰি। মুঠৰ ওপৰত এইবাৰ বিহু পালনত যাতে হীন-দেৰি ক'তো নহয়। পোনাকণেও এইবাৰ আমাৰ পৰম্পৰা আৰু ৰীতি-নীতিবোৰ ভালকৈ পালিব লাগিব। সি এতিয়া গৃহস্থী হ'ল।

- হ'ব আইতা, কথাৰ নহয় লপ্থপ্, এদোন এমুৰীয়া চপ্ চপ্।

সকলো যতনাই থৈ বৰ হেঁপাহেৰে ৰহিমলাই বাটলৈ চাই আছিল। পিছে পোনাকণহঁত বিহুৰ পৰম্পৰা পালন কৰিব পৰাকৈ নাহিল। অসমত ভৰি থৈ পোনচাতেই ন-বোৱাৰীৰ ঘৰতহে উঠিলগৈ। ক্ষোভ আৰু অভিমানত ৰহিমলাই এসোঁতা কান্দি পেলালে। শহুৰেকৰ ঘৰত কেইটামান দিন কটাই পোনাকণহঁত আজি ঘৰ সোমাইছেহি। পোৱা-বোৱাৰীক দেখাৰ লগে লগে ৰহিমলাই মাতৃ হৃদয় উথলি উঠিছে। আদৰ-সাদৰেৰে চাহ-জলপান যাচিছে। দুয়োৰে হাতত তুলি দিছে এখনিকৈ বিহুৱান। কিন্তু ই কি? ন-বোৱাৰীয়ে বিহুৱানখনিৰে হাত-মুখ মচাৰ লগতে তিতা ভৰিহালো মচি পেলাইছে। পিঠা-পনাবোৰ খাবলৈ ইতস্ততঃবোধ কৰিছে। আৰু পোনাকণ! আধুনিক সা-সুবিধা নথকা ঘৰখনত প্ৰতি খোজতে যেন সি অসুবিধা অনুভৱ কৰিছে। ফাছৌৱে যতনাই দিয়া প্ৰতিটো বস্তুকে অনাদৰ কৰিছে। ৰহিমলাই ৰৰঘৰৰ চুকত সাঁচি থোৱা সাঁজৰ কলহৰ পৰা মিঠা সাঁজ অকণ আনি পোনাকণৰ হাতত তুলি দিয়ে। ন-বোৱাৰীয়ে বাতিটো থপিয়াই লৈ কয়-

- No, no. hubby my dear, drinking of alchohol is injurious to health. You know, it harms the internal parts of your body. Please.....

- It's Ok.

বাধ্য ছাত্ৰৰ দৰে পোনাকণে হাতৰ পৰা নমাই থলে সাঁজৰ বাতি। টনা-টনিত বাতিৰ পৰা টেবুলত পৰি যোৱা সাঁজকণ ন-বোৱাৰীয়ে হাততে থকা হাত-ভৰি মচা বিহুৱানখনেৰে মোহাৰি পেলালে।

ৰহিমলাই কিছুপৰ থৰ লাগি চাই আছিল। তাৰ পাছত লাহে লাহে গৈ পদূলিৰ দেৱদাৰু জোপাৰ কাষত ৰ'ল আৰু ফাছৌক চিএৰি ক'লে-

- গজিয়াত থকা আটাইতকৈ চোকা দাখন লৈ আন ফাছৌ।

ফাছৌৱে বুজা-নুবুজাৰ দোমোজাত দাখন লৈ ৰৈ থাকে।

- এই দেৱদাৰু জোপাৰ গুৰিটো কাট।

- কিয় আইতা? ইমান ওখ হৈছে গছজোপা। পদূলিটো শুৱনি হৈ আছে।

- ছাঁ দিব নজনা, কেৱল ওখ হৈ গৈ থকা, কামত নহা, কেৱল ঘৰ শুৱনি কৰা কোনো বস্তুৰে আজি মোৰ প্ৰয়োজন নাই। তই নাকাট যদি মোকেই দে দাখন।

ৰহিমলা স্থিতপ্ৰজ্ঞ মানুহজনী হৈ ৰোৱা নাই। ৰহিমলা অন্য এজনী মানুহ হৈ পৰিছে। উগ্ৰমূৰ্তি ধৰি দাখন আঁজুৰি লৈ প্ৰচণ্ড শক্তিৰে দেৱদাৰু জোপাৰ গুৰিটো কাটি বগৰাই পেলালে। কপালৰ ঘাম মচি মচি মাটিতে বহি পৰা ৰহিমলালৈ ফাছৌৱে ভয়াৰ্ত চাৱনিৰে চাই থাকিল।

- যা ফাছৌ, মোনা এখনতে তামোল-পাণ অলপ ভৰাই দেগৈ।

- কিয় আইতা?

- মই এতিয়াই যাম তৱাদৈৰ ঘৰলৈ। যদি তাইক তোলৈ দিয়ে এই ব'হাগতে বিয়া কৰাই আনো বুলি মাক-বাপেকৰ ওচৰত শৰাই পেলাওগৈ।

- আইতা, মোৰ দেখোন ভয় লাগিছে।

- একো ভয় নাই, মই আছো। তৱাদৈক মই আলেঙে আলেঙে চাইছোঁ। আকাশৰ তৰাৰ দৰে জাকত-জিলিকা হ'লেও মাটিৰ ছোৱালী তাই। মোৰ ঘৰৰ উপযুক্ত বোৱাৰী হ'ব। মোৰ মাটিবাৰী, সা-সম্পদ অতদিনে তই চোৱা-চিতা কৰিছ, গতিকে তয়েই এইবোৰৰ গৰাকী।

- আইতা!!

- মই মিছা নকওঁ ফাছৌ। তইয়ে মোৰ ছাঁ। তোৰ অন্তৰখন বিশাল। নামটোহে জানো কোনে বেয়াকৈ থ'লে।

- মোৰ নামটো বেয়া নাছিল আইতা। মানুহৰ মুখ বাগৰিহে বেয়া হ'ল।

- হেঁ, কি আছিলনো তোৰ নাম?

- পুথাদেউৱে মোৰ নাম থৈছিল 'ফা ছম'। টাই ভাষাত 'ফা ছম' মানে নীলা আকাশ।

- হয়নে? হয়েই দে। সকলোকে ছাঁ দিব জনা তই নীলা আকাশেই হয়। পোনাকণহঁতৰ দৰে শিপাছিগা হঁতে দেৱদাৰুৰ দৰে ওখ হৈ গৈ থাকিলেও তোক চুকি নাপায়গৈ। কেতিয়াও নাপায়। কোনোকালে......।

লেখিকাৰ ঠিকনা— আমোলাপট্টি, ঢকুৱাখনা
ভ্ৰাম্যভাষ - ৯৯৫৪৯৪৬৯১৮






# সপোনৰ ফুলেৰে ফুলাম মোৰ বিহুৱান

অতুল বৰা

ফাগুন যায়, চ'ত আহে; চ'তত ভৰি দিয়েই শিপিনীৰ গা সাতখন আঠখন হয়। কোনটো ফুলৰ কোনটো কাঠিৰ, কোনপাহ ফুল বাছিব চিন্তা কৰি পাৰ নেপায়; তাৰোপৰি কাঠিহে বহুত, কেনেকৈনো বাছিব, বিহুৰ আগত শালৰ পৰা কাটিব পাৰিবনে নাই অনেক ভাবনাই হিয়াৰ মাজত তোলপাৰ লগায়। তথাপি যেনে তেনে চকুত লগাকৈ ফুল এপাহ বাছি বিহুৱান এখন চেনাইক দিবই লাগিব বুলি সৰু সূতাৰ তাঁতখন লগায়। ছোতাল গৰকি গৰকি তাঁতৰ কাৰণি আনে, বিহাত মেলে; তিকাফলীয়া ৰ'দত বহি ৰাচ চলায়, শালত আঁৰে; তাৰ পিছতে আহে ফুল বছাৰ সমস্যা। তাঁতৰ শালত নাচনিয়ে নাচে, গৰকাই উবাদিহ নেপায়, ঘনে ঘনে ওহালি পৰে; তথাপি মনটো উৰুঙা উৰুঙা লাগে, মনটোক আবেগৰ ঢৌৱে আগুৰি ধৰে, প্ৰিয়জনলৈ মনত পৰে।

"তাঁতৰ দোৱে পতি লৰে ঘনে পতি
পলকত মাকোটি ঘূৰে।
বহো তাঁতৰ পাতত চকু আলিবাটত
মাকো সৰি সৰি পৰে।।"

ৰাতি দুপৰলৈকে সূতলাহি কাটি, ৰঙা আঁছুৰে ফুল বাঁছি অতি আদৰ আৰু চেনেহেৰে প্ৰিয়জনলৈ বুলি বিহুৱান বয়। য'ত আছে যৌৱনৰ মৌ কোঁহ তথা প্ৰেম-প্ৰীতিৰ এনাজৰী।

"ৰাতি দুপৰলৈ কাটি সূতলাহি
ধনলৈ বিহুৱান ব'লো।
ৰঙাকৈ আঁছুৰে বাছি পানে কটা
টিপাতে লুকুৱাই থ'লো।।"

বিহুৱানত নিহিত হৈ আছে গভীৰ ভালপোৱা আৰু শ্ৰদ্ধা। ব'হাগ বিহুৰ আগজাননী পোৱাৰ লগে লগে শালৰ গামোচা শালতে মলঙিব বুলি গাভৰুৰ মন উগুল-থুগুল লাগে। গামোচা হ'ল– গা ধুই পানী টোকা সৰু কাপোৰ। গামোচাৰ প্ৰচলন কেইবাপ্ৰকাৰ আছে। পানী গামোচা ( গাৰ পানী টোকা গামোচা), তিয়নি গামোচা ( গা ধোওতে ব্যৱহাৰ কৰা), ফুলাম গামোচা ( ফুল আকৃতিৰ শোভাবৰ্ধন কৰা, আপোনজনক দিবৰ বাবে), সাধাৰণ গামোচা ( দৈনন্দিন ব্যৱহাৰ কৰা– হালবোৱা, জাকৈয়া, বোৱনী, দাৱনী, গৰখীয়া, নাৱৰীয়া, কৃষকে গাত মেৰাই লোৱা), শুচিমূলক গামোচা (ভক্তি সহকাৰে বৈ-কাটি উলিওৱা, পবিত্ৰতাৰ প্ৰতীক), বিহুৱান (বিহুৱাই মূৰত মাৰি লোৱা) ইত্যাদি।

গাভৰুৰ কোমল আঙুলিৰ পৰশত জিলিকি উঠা ভমকা ফুলীয়া বিহুৱানখনি কিমান যে আদৰৰ, কিমান যে মৰমৰ তাৰ ভাষা নাই। এই বিহুৱানখনিৰ মাজতে লুকাই আছে গাভৰুৰ জীৱন-যৌৱনৰ শিল্প নৈপুণ্য, আন্তৰিকতাৰ প্ৰকৃত উৎস আৰু মনৰ গভীৰ অনুভূতি।

সেয়েহে বিহুগীতত গায় –

"ভমকা ফুলীয়া বিহুৱান এখনি
থৈছো তোমালৈ সাঁচি,
বিহুতে নাহিলে মোৰ শাও লাগিব
বুকুৰ ধন নাযাবা ভুলি।"

ৰঙালী বিহুৰ আটাইতকৈ চেনেহৰ সেই বিহুৱানখন লৈ বাৰু কোনে ভাল নেপায়? তাহানি কোন চেনেহীয়ে চেনাইক মৰমৰ দীঘ দি চেনেহৰ বানি বৈ, ফুলাম বিহুৱান দিলে, তাক লৈয়ে এখন নতুন সংসাৰৰ সৃষ্টি হয়।

বিহুগীতত গায় –

" মৰমৰ দীঘ দি চেনেহৰ বানি বৈ
হেঁপাহৰ আঁছুৰে বোৱা,
সপোনৰ ফুলেৰে ফুলাম মোৰ বিহুৱান
মনেদি এবেলি লোৱা।"

বিহুৱানখন জানো কেৱল প্ৰিয়জনলৈ ব'লেই হ'ব। জ্যেষ্ঠজন, মান্যজন, আলহী-অতিথি, কণ-কণ পোনাইতৌ আৰু গুৰু ঘৰলৈও বিহুৱান ব'ব লাগিব। ইমানবিলাক বিহুৱান বওঁতে কেতিয়াবা আকৌ কেনা লাগি অশান্তিৰো সৃষ্টি হয়।

সেয়ে বিহুগীতত গায় –

"ধনলৈ বুলি বিহুৱান বৈছিলো
ফুলতো লাগিলে কেনা।"

গামোচা / বিহুৱান অসমৰ সকলো লোকৰ বাবে অতি আদৰৰ আৰু বিহু উৎসৱৰ বাবে অতি আৱশ্যকীয় সম্পদ। ব'হাগৰ বিহুত মনে ভালপোৱাজনক গাভৰুগৰাকীয়ে উপহাৰ দিবলৈ গুটিফুলৰ গামোচাখন বয়। অৰ্থাৎ মৰমৰ মানুহজনক আৰু জ্যেষ্ঠজনক তথা মান্যজনক বিহুৱান হিচাপে উপহাৰ দিয়ে।


গামোচাৰ ব্যৱহাৰ অতি প্ৰাচীন কালৰে পৰা আছে। এশ-এবুৰি কাৰ্যত ব্যৱহাৰ হোৱা গামোচাৰ মহিমা সুদূৰ প্ৰসাৰী। বিশ্বৰ বজাৰত গামোচাই এক অভিলেক সৃষ্টি কৰিছে। গামোচাৰ যোগেদি অসমৰ গৌৰৱ বিশ্বত প্ৰতিধ্বনিত হৈছে।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাইও কৈছে - "বিহুৱানখন হিয়াৰ তেজেৰে ৰাঙলী, হিয়াৰ ৰঙেৰে ৰঙিলা", – য'ত লুকাই আছে অসমীয়া জাতিৰ সন্মান, অসমীয়া জাতিৰ গৌৰৱ আৰু অসমীয়া জন-কৃষ্টিৰ উজ্জ্বল নিদৰ্শন; যাক বিহুৰ ভেটি আৰু বিহুত উপহাৰ দিয়া ন-বস্ত্ৰ বুলি কোৱা হয়। আপোনজনক বিহুত ন-বস্ত্ৰ বা বিহুৱান দি যথাবিহিত সন্মান প্ৰদৰ্শন কৰা প্ৰথা অসমৰ প্ৰায় সকলো জনগোষ্ঠীৰ মাজত প্ৰচলন আছে। এনেহেন সন্মানৰ, এনেহেন চেনেহৰ, এনেহেন আদৰৰ "বিহুৱান" খনিক মৰ্যাদা সহকাৰে চিৰ প্ৰবাহমান কৰি ৰখাটো প্ৰতিজন অসমীয়াৰে দায়িত্ব আৰু কৰ্তব্য।

---

*লেখকৰ ঠিকনা : গ্ৰন্থাগাৰিক, পানীগাঁও অ', পি. ডি, কলেজ; ভ্ৰাম্যভাষ- ৯৪৩৫৫৬৫৩০৪*





# ঠেঙ্গাল কছাৰী সম্প্ৰদায়ৰ তৰা-ছিৰা বিহু

কনকেশ্বৰ গগৈ

তৰা-ছিৰা বিহু অসমৰ থলুৱা সম্প্ৰদায়ৰ মাজত আছেনে নাই নাজানো! আমাৰ ল'ৰালি কালত এই তৰা-ছিৰা বিহু ঠেঙ্গাল কছাৰী সম্প্ৰদায়ৰ মাজত দেখিছিলোঁ আৰু আমিও তেনে বিহুত যোগদান কৰাৰ স্মৃতি আমাৰ মানস পটত জিলিকি আছে। বৰ্তমান অৱশ্যে এই তৰা-ছিৰা বিহুৱে ঠেঙ্গাল-কছাৰী সম্প্ৰদায়ৰ মাজতো টোপনিত লাল-কাল। আমাৰ এই প্ৰবন্ধ ভাগিয়ে যদি সম্প্ৰদায়টিৰ এই আপুৰুগীয়া তৰা-ছিৰা বিহুক টোপনিৰপৰা জগাই তোলে তেন্তে নিজে কৃতাৰ্থ হৈছো বুলি ভবাৰ থল থাকিব।

আনহাতে বৰ্তমান অসমত উদ্‌যাপন কৰা ব'হাগ আদৰণি উৎসৱৰ দৰে আৰু ভাওনা, থিয়েটাৰ আদি নাট্যাভিনয়বোৰ প্ৰদৰ্শীত হোৱা বহুদিনৰ আগৰেপৰা আখৰা হয়, সেইদৰে তৰা-ছিৰা বিহুও মূল ব'হাগ বিহুৰ হুঁচৰি আৰু বিহুৰ আখৰাৰ লগত তুলনাৰ যোগ্য।

আমি এই তৰা-ছিৰা বিহুক ঠেঙ্গাল-কছাৰী সম্প্ৰদায়ৰ সংস্কৃতি বোলাৰ কাৰণ এইয়ে যে, আমি বৰ্তমান যি খন সমাজত বসবাস কৰি আছোঁ, আমাৰ সেই সমাজখনেই ঠেঙ্গাল-কছাৰী সম্প্ৰদায়ৰ পৰিয়ালেৰে পৰিবেষ্টিত। আমাৰ জন্ম সেইখন সমাজতেই, শিক্ষা-দীক্ষাও সেই সমাজতেই থাকি গ্ৰহণ কৰিছিলোঁ। সেইখন সামাজৰ পৰিবেষ্টিত শ্বাস-প্ৰশ্বাস গ্ৰহণ কৰি শিক্ষা-দীক্ষাৰ পাছত কৰ্ম-জীৱন আৰম্ভ কৰি অৱসৰ গ্ৰহণ কৰি আশী বছৰলৈ গতি কৰি আছোঁ। এই সম্প্ৰদায়টিৰ বাহিৰে অঞ্চলটিত থকা অন্য সম্প্ৰদায়ৰ মাজত এই বিহুটি তেতিয়া আৰু এতিয়াও দৃষ্টি গোচৰ হোৱা নাই।

চ'ত আৰু ব'হাগৰ দুমাহীৰ দিনা অৰ্থাৎ চ'তৰ সংক্ৰান্তিৰ দিনা গৰু বিহু। সেইদিনা পুৱা গাঁৱৰ সকলো ৰাইজে নিজৰ

নিজৰ গৰু গোহালিৰ পৰা নি ওচৰত যদি নৈ আছে তালৈ, য'ত নৈ নাই, ওচৰত থকা পুখুৰী বা জলাশয়লৈ লগত লৈ যোৱা লাহনীৰে গৰুৰ গালৈ পানী মাৰি গা ধুৱায়। গধূলি নতুন ভাবে তৈয়াৰ কৰা পঘাত মাহ-হালধি ঘঁহি গৰু বান্ধে। সেয়েহে তৰা-ৰচি ব'হাগ বিহুৰ সংস্কৃতিৰ এক সংলগ্ন কৃষ্টি। ঠেঙাল-কছাৰী সকলে চ'তৰ শেষৰ ফালে অৰ্থাৎ বিহুলৈ প্ৰায় ১৫/২০ দিন থকাৰ আগতে তৰা-গছৰপৰা তৰা-চিৰিবলৈ আৰম্ভ কৰে। এফালে দিনত তৰা-চিৰিবলৈ আৰম্ভ কৰে আৰু আনফালে সেইদিনা গধূলিৰপৰাই গাঁৱৰ ডেকা-বুঢ়া, ল'ৰা লগ হৈ ঢোল-পেঁপা, গগনা, তাল, বাঁহী, বাঁহৰ টকা আদি লৈ তৰা-চিৰা বিহু আৰম্ভ কৰে। বাৰিষা কালত আমডালত আম পকি ৰহৰহীয়া হৈ ঠাৰিত ওলমি থাকি বতাহত লৰি থকা দেখিলে আমৰ তলত থাকি ৰহৰহীয়া পকা আম খোৱাৰ হেঁপাহে যেনেকৈ মনত উকমুকনিৰ আলোড়ন সৃষ্টি কৰে, সেইদৰে ল'ৰালি কালৰ তৰা-ছিৰা বিহু আৰু ৰঙালী বিহুৰ হুঁচৰি আৰু বিহুৰ দৃশ্যই মানসপটত স্মৃতিৰ বতাহজাকে দোলন দি যায়। যেন সেই তৰা-ছিৰা বিহুত ঢোলটোত চাপৰ এটা দিবলৈ, নাচনি নচুৱা সুৰ দি বাঁহীটি বজাবলৈ, এপাক নাচিবলৈ মনৰ ইচ্ছা-শক্তিয়ে বিহুৰ তলিখনত গৈ বিহুৱা হোৱাৰ অদম্য ইচ্ছা আৰু হেঁপাহে এই বয়সতো উবুৰি খাই ধৰে। অৱশ্যে সেই "ৰামো নাই, অয়োধাও নাই" আজি সেই তৰা-ছিৰা বিহুও নাই। বয়সেও আমাক এটি স্থানলৈ হাত বাউল দি দিবা-নৈশ মাতিয়েই আছে। হ'লেও আমি উত্তৰ প্ৰজন্মৰ হেতু অসমীয়া বাইজে কিবা কৰিবনেকি তাৰেই আওতাত এই প্ৰবন্ধটিৰ জৰিয়তে "তৰা-ছিৰা" বিহুৰ অতীতৰ ইতিহাস কলমৰ জৰিয়তে সৃষ্টি হোৱা ছবিখনি আঁকি থৈ গ'লো।

ল'ৰালি কালৰ তৰা-ছিৰা বিহু আৰু ৰঙালী বিহুৰ হুঁচৰি আৰু বিহুৰ দৃশ্যই মানসপটত স্মৃতিৰ বতাহজাকে দোলন দি যায়। যেন সেই তৰা-ছিৰা বিহুত ঢোলটোত চাপৰ এটা দিবলৈ, নাচনি নচুৱা সুৰ দি বাঁহীটি বজাবলৈ, এপাক নাচিবলৈ মনৰ ইচ্ছা-শক্তিয়ে বিহুৰ তলিখনত গৈ বিহুৱা হোৱাৰ অদম্য ইচ্ছা আৰু হেঁপাহে এই বয়সতো উবুৰি খাই ধৰে। অৱশ্যে সেই "ৰামো নাই, অয়োধাও নাই" আজি সেই তৰা-ছিৰা বিহুও নাই।

এই তৰা-ছিৰা বিহু আৰম্ভ কৰে গাঁৱত কোনোবা ৰৰমেধি, মেধি, বায়ন, গায়ন এনে ব্যক্তি থাকিলে মানত যিজনৰ উপাধি ডাঙৰ সেইজনৰ ঘৰত, পাছত উপাধিৰ মান পৰম্পৰা অনুসৰি ক্ৰমিকভাৱে গাই যায়। যি গাঁৱত এনে ব্যক্তি নাথাকে তেতিয়া হ'লে তেনে গাঁৱৰ আটাইতকৈ বয়োজ্যেষ্ঠ জনৰ গৃহত, তাৰ পাছত বয়সৰ জ্যেষ্ঠতা অনুপাতে গাই যায়।

যদি ৰৰমেধিৰ ঘৰত আৰম্ভ কৰে তেন্তে বিহু গাবলৈ যোৱা ৰাইজে জয়ধ্বনি দি গৃহস্থৰ কুশলাথেঁই বুলি সকলোৱে চিঞৰ দি নেতৃত্বত যোৱাজনে পদ লগাই --

"হুচৰি এ হাওঁ।

ৰৰমেধিৰ ঘৰতেই তৰা-ছিৰা বিহুখন গাওঁ।" হুচৰি চেওতেই ঢোল-তালৰ সংগত কৰে আৰু পদ গাই শেষ হোৱাৰ লগে লগে ঢোল-পেঁপা, গগণা, বাঁহী বিহুনাম গাই নাচিবলৈ আৰম্ভ কৰে। সেই নাচোন কি মধুময় নৃত্য। আকৌ কোনো প্ৰেমিকে তেওঁৰ প্ৰেয়সীক বিয়াপাতি গৃহস্থী কৰাৰ হেঁপাহৰ লগত তৰা-ছিৰা তৰাৰ পঘা গছিৰ লগত তুলনা কৰি গাই।

"ফিটা ফিটা কৰি তৰা পঘা বাতিলো
গৰুৰ ডিঙিত পিন্ধামে বুলি,
ৰখিনি কষ্টৰে ৰৰঘৰ সাজিলোঁ
তোমাক বিয়া পাতিমে বুলি।।"

এনেকৈ তৰা-ছিৰা বিহু আৰম্ভ কৰি গাঁৱৰ সকলো গৃহস্থৰ ঘৰতে গাই গধূলি সামৰণি মাৰে।

---

*লেখকৰ ঠিকনা : বাগিছা গাঁও, বিহপুৰীয়া, লখিমপুৰ*






# ঢকুৱাখনীয়া শিপিনীৰ হিয়াৰ স্পন্দন তাঁতশাল, মুগা ৰিহা আৰু ফাটবিহু

স্বৰ্ণলতা গগৈ চমুৱা

শীতে মেলানি মেলাৰ বেলিকা প্ৰকৃতিৰ গছে-বনে যেতিয়া পুৰণি আভৰণ সলাই ন-কুঁহিপাতেৰে নিজকে সজাই পৰাই বসন্তক আদৰণি জনাবলৈ প্ৰকৃতি ৰাণীক ষোড়শী গাভৰুজনী কৰি তোলে, কুলি-কেতেকীয়ে গছৰ ডালত সুমধুৰ মাতেৰে মন-প্ৰাণ উতলা কৰে, গছৰ গহ্বা ডালত কপৌ, ভাটৌ আদি নানা ৰঙচঙীয়া ফুলে জকমকাই প্ৰকৃতিক উন্মনা কৰি তোলে, তেনে সন্ধিক্ষণতেই শিপিনীসকলৰ তাঁতশালখনি প্ৰাণ পাই উঠে। গাভৰুসকলে নিজৰ ধনলৈ গামোচা বোৱাত ব্যস্ত হৈ পৰে আৰু লগতে গাভৰু-বোৱাৰী সকলোৱে চ'তৰ বিহুৰ পিছতে ঢকুৱাখনীয়াৰ হিয়াৰ আমঠু ফাটবিহুত পিন্ধি এপাক নাচি দেহা শাঁত পেলাবলৈ মৰমৰ ৰিহাখনি বোৱাৰ বাবে যতন কৰে।

তাঁতশালখনি উজনি অসমৰ ঢকুৱাখনা, ধেমাজি, লখিমপুৰ শিপিনীসকলৰ স্পন্দন স্বৰূপ। তাঁতশালখন নাথাকিলে যেন এগৰাকী মহিলা অসম্পূৰ্ণ হৈ ৰয়। এইক্ষেত্ৰত ঢকুৱাখনীয়া শিপিনীৰ কথা আৰু এখোপ চৰা।

ৰিহা অসমীয়া সমাজৰ এক অবিচ্ছেদ্য অংগ স্বৰূপ। প্ৰাচীন কালৰে পৰাই অসমীয়া গাভৰু-তিৰোতাসকলে ৰিহা ব্যৱহাৰ কৰি আহিছে। ধৰ্মীয় সমাজতো ৰিহা পিন্ধি তাৰ ওপৰত চাদৰ লোৱাৰ নিয়ম প্ৰচলিত হৈ আহিছে। পাটৰ ৰিহা, কপাহী ৰিহা পুৰণি কালৰে পৰাই প্ৰচলিত হৈ আহিছে যদিও মুগাৰ ৰিহাৰ ব্যৱহাৰ সকলো ঠাইতে দেখা পোৱা নগৈছিল। বিশেষকৈ আহোম সম্প্ৰদায়ৰ লোকসকলৰ মাজতহে মুগাৰ কাপোৰৰ প্ৰচলন বেছিকৈ দেখা যায়।


ঢকুৱাখনা অতীজৰ পৰাই পাট, মুগা, এৰীৰ বাবে বিখ্যাত। বিশেষকৈ আহোম সম্প্ৰদায়ৰ লোকসকলে মুগাৰ সঁচ, গাৰো পাহাৰ, তিতাবৰ তথা তেনে আন কোনো ঠাইৰ পৰা আনি নিজাকৈ চোমনি কৰি লৈ মুগা পালন কৰিছিল। মুগা উৎপাদন কৃষিজীৱী সমাজৰ আৰ্থিক অৱলম্বনৰ এক উপায়। বৰ্তমান সকলো লোকেই মুগা পালন কৰি মুগাৰ কাপোৰ ব্যৱহাৰ কৰা দেখা যায়। প্ৰকৃতাৰ্থত মুগা পোহা আৰু তাৰ পৰা সূতা উৎপাদন কৰাটো এক জটিল প্ৰক্ৰিয়া। চোমনিত মুগা পালন কৰি সেই মুগা কাটি-বাচি চোলা, চুৰীয়া, ৰিহা, মেখেলা, পাগ আদি শিপিনীসকলে বৈ উলিয়ায়। সেয়েহে বিহু নামত গায়-

'ভাটিলৈ ভটিয়াই যামে গৈ লাহৰি
আনিম গৈ মুগাৰে সঁচ,
তুমি বৈয়ে ল'বা ৰিহাকৈ মেখেলা
মোকো বৈয়ে দিবা চোলা।'

চ'তাই পৰেৰতত মুগা পুহিছিলো
ধনু জুৰ বাতোতা নাই,

মুগা পুহি পুহি কৰ্কাইৰ বিয়া পাতিলোঁ
মোৰ বিয়া পাতোতা নাই।

মুগা ৰিহাখনিৰ বাবে প্ৰস্তুতি কৰাটোও জানো কম জটিল? অতীজতে মানুহে 'মেজাণ্ট' তোলা হিচাপত কিনি আনিছিল। ইয়াক "পটাচ্"ৰ দৰে টুকুৰা-টুকুৰকৈ পোৱা যায়। শিপিনীসকলে মুগা সূতাবোৰ দুটা চেৰেকীত ভৰাই টাকুৰীত পকাই নেচা কৰি লয়। তাৰ পাচত গৰম পানী কৰি 'মেজাণ্ট'খিনি জোখমতে পানী দি গলাই লয় আৰু টাকুৰীত পকাই নেচা নেচা কৰি ৰিহাৰ পাৰি দিবৰ বাবে লোৱা সূতাখিনি সেই



পানীত ডুবাই ৰাখে। ২ ঘন্টা মানৰ পাছত উঠাই অলপ সময় শুকাবলৈ দি পুনৰ চাহপাত সিজোৱা পানী, থেকেৰা, কেঁহেৰাজ বন আদিৰ মিশ্ৰণত ডুবাই ৰখা হয়। কোনো কোনো শিপিনীয়ে ৰং নাযাবলৈ সামান্য মিঠাতেল দি তেল মাৰি দিয়াও দেখা যায়। তেনে কৰিলে ৰং বোল খাই যোৱাৰ আশংকা নাথাকে।

তাৰ পিছত শিপিনীয়ে ৩ কাঠি এহাত এবেগেত হিচাপত একোখন ৰিহাৰ জোখ নিৰ্দ্ধাৰণ কৰি তাঁত লগায়। ৰিহাৰ আকৌ পাঁচ বাতি 'ব' তুলিব লাগে। চাৰি বাতি জালৰ মূৰৰ 'ব' তোলাৰ উপৰিও একণি ওপৰ একণি তলকৈ ডবোৱা মূৰৰ এবাতি 'ব' তুলিব লাগে। শিপিনীয়ে ৰিহাৰ আঁচু পাৰিবলৈ এই ডবোৱা মূৰৰ ব্যৱহাৰ কৰে।

নানা বস্তুৰ সংমিশ্ৰণ ঘটাই শিপিনীয়ে তাঁতত সপোন ৰচে। কেঁচ কৰা ৰিহাখনি বৰ মনোমোহা হয়। বিহু নামত ইয়াৰ উল্লেখ আছে-

"অ' আইদেউ লচপচি
ৰিহা ললা কেঁচ বাচি,
দৰা ল'লা মনে বাচি,
আকৌ তোমাৰ বিহুলৈ মন।"

অতীজতে অৱশ্যে শিপিনী সকলে কেঁচ বচা ৰিহাতকৈ প্ৰথমতে আঁচু (ডবোৱা) পাৰি তাৰ পাছত মকৰা দঁতীয়া বাচে আৰু একোটি সৰু ফুল বাচিছিল। আজিকালি অৱশ্যে অধিক উজ্জ্বল হোৱাৰ হেতুকে কেঁচ বচা ৰিহাৰেই বেচি প্ৰচলন হোৱা দেখা যায়।

অসমৰ বিভিন্ন প্ৰান্তত প্ৰায় কিছু বছৰৰ আগলৈকে শুৱালকুচিৰ মুগাৰ চেট্ পিন্ধি বিহুৰ মঞ্চত বিহু প্ৰদৰ্শন কৰা দেখা গৈছিল। অতিকৈ আনন্দৰ বিষয় যে, ২০০৫ চনত স্বনামধন্য বিহু বিশেষজ্ঞ ইছমাইল হুচেইনদেৱৰ আশাসুধীয়া প্ৰচেষ্টাত অসমৰ সাংস্কৃতিক প্ৰাণকেন্দ্ৰ "শংকৰদেৱ কলাক্ষেত্ৰ"ত ৰঙালী বিহু উৎসৱত লেখিকাই নিজৰ প্ৰতিষ্ঠিত বিহু দল "১ নং বাস্তৌ মহিলা টকা বিহু দল"ৰ বিহু প্ৰদৰ্শনৰ জৰিয়তে সেই সময়ৰ কলাক্ষেত্ৰৰ সচিব শ্ৰীযুত গৌতম শৰ্মাদেৱৰ সহযোগত 'ৰিহাক' ঢকুৱাখনাৰ ফাটবিহু মঞ্চৰ পৰা অসমৰ বিহু মঞ্চত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হওঁ। ই ফাটবিহুৰে সাফল্য বুলিয়ে ক'ব পাৰি।

বৰ্তমান অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ঢকুৱাখনা, ধেমাজিৰ পৰা ৰিহা ৰপ্তানি কৰাৰ জৰিয়তে অসমৰ বিহুমঞ্চত ৰিহাৰ প্ৰচলন বৃদ্ধি পোৱাৰ লগতে শিপিনীসকলো অৰ্থনৈতিক ভাৱে লাভৱান্বিত হোৱা পৰিলক্ষিত হৈছে। গাত লতা মেৰিয়াই লোৱাৰ দৰে নাচনীয়ে গাত ৰিহাখন সুন্দৰকৈ মেৰিয়াইল'লে তাৰ সৌন্দৰ্যই জক্মকাই উঠে। নাচনীৰ লাহি কঁকালৰ দুগুণে জেউতি চৰে।

কিন্তু দুঃচিন্তাৰ বিষয় যে বৰ্তমানে মুগাৰ উৎপাদন ক্ৰমাগতভাৱে হ্ৰাস পোৱা দেখা গৈছে। কীটনাশক দ্ৰব্যৰ ব্যৱহাৰ, ইটা-ভাটা সমূহৰ কয়লাৰ ধোঁৱা আদিৰ বাবে হোৱা প্ৰদূষিত বায়ুয়ে বৰ্তমান দুষ্পাপ্য মুগা শিল্পটিৰ অৱক্ষয় হোৱাত অধিক ইন্ধন যোগাইছে। সেয়েহে এই আপাহতে প্ৰকৃতি সংঘ তথা সকলো সচেতন ৰাইজলৈ এই শিল্পটিক ৰক্ষা কৰিবলৈ দৃঢ় পদক্ষেপ ল'বলৈ আহ্বান জনালোঁ।

তাৰোপৰি ৰিহাৰ কেঁচা সামগ্ৰী 'মেজাণ্ট' কিছু দুষ্পাপ্য হোৱাৰ বাবে শিপিনীসকলে ৰিহাৰ পাৰিত মেজাণ্ট বুলোৱা মুগা সূতাৰ পৰিবৰ্তে ৰঙীণ উণসূতাৰ ব্যৱহাৰ কৰা দেখা গৈছে। এই ক্ষেত্ৰতো শিপিনীসকলক লুপ্তপ্ৰায় শিল্পবিধ পুনৰ উজ্জীবিত কৰি তুলিবলৈ মুকলিভাৱে আহ্বান জনালোঁ।

পৰিশেষত আহক আমি সকলোৱে ফাটবিহুক মহীয়ান কৰি ঢকুৱাখনাৰ সন্মান অক্ষুন্ন ৰাখিবলৈ সংকল্পবদ্ধ হওঁ।

*লেখিকাৰ ঠিকনা— ১ নং বাস্তৌ গাঁও, ঢকুৱাখনা*



# তাহানি চ'তৰ ৰাতিবিহু পৰম্পৰা - অন্বেষণ

দূৰ্লভ বুঢ়াগোহাঁই



চ'তৰ ৰাতি বিহু। চ'তৰ ৰাতি মুকলি পথাৰ, মুকলি আকাশৰ তলত বসন্ত ঋতুৱে দান কৰা প্ৰকৃতিৰ সেইজীয়া বড়গছ, আঁহত গছ, জামুক, আজাৰ, নাহৰ আদি ছাঁ দিয়া যেইকোনো গছৰ তলত গাঁও-সমাজৰ পৰা আঁতৰি যৌৱনপ্ৰাপ্ত চহা কৃষক বিহুৱা সকলে প্ৰকৃতিৰ ভৰপূৰ উন্মনা পৰশত উন্মাদনা হৈ পীৰিতিৰ যৌনাসক্তিমূলক নাম গাই, ঢোল, তাল, পেঁপা আদি বাদ্যৰ তালে তালে মন-প্ৰাণ ঢালি কৰা আনন্দ অনুষ্ঠান তাহানিৰ কালৰ 'চ'তৰ ৰাতি বিহু'।

তাহানিৰ সেই চ'তৰ ৰাতিবিহুৰ পৰম্পৰা বিষয়ৰ অন্বেষণত অতীতত কেৱল যৌৱন প্ৰাপ্ত সমনীয়া সকল লগহৈ জীপাল প্ৰকৃতি আইৰ বুকুত সৃষ্টিৰ আদি ৰসৰ ৰহস্য অনুৰাগত অনুৰঞ্জিত হৈ নাচিছিল গাইছিল। নিৰ্বোধ ডেকামনৰ নিৰ্দোষ পীৰিতিৰ ৰতৰা বিলোৱা ক্ষণ-অনুক্ষণবোৰত যৌৱনৰ আমনিত হিয়াত উঠলি উঠা প্ৰেম-প্ৰণয়ৰ ভাৱৰ ঢৌ বোৰ স্বতঃস্ফূৰ্ত ৰূপে ওঁঠৰ পৰা অজানিতে মুক্তি পোৱা বিহুনাম ফাঁকি গাই নাচি আনন্দ কৰিবলৈ, তাহানি সমাজৰ অনুমতিৰ প্ৰয়োজন হোৱাৰ বিষয়টি বিহুৰ পৰম্পৰা অন্বেষণত বিচাৰি পোৱা নাযায়।

কৰ্ষণ আৰু শক্তি, বিনিময়ত হয় সৃষ্টি। সেয়ে, প্ৰকৃতি আৰু পুৰুষ, যুগ্মজীৱন, প্ৰেম-প্ৰণয়, বিনিময়ত জীৱৰ সৃষ্টি। পুৰুষৰ যৌনাসক্তিপূৰ্ণ ৰম্য বিলাসৰ অনুভূতিবোৰত গাভৰু সকলৰ দেহ-মনত যৌনাসক্তি অনুভৱ প্ৰকৃতি প্ৰদত্ত।

কালক্ৰমত যৌৱনা গাভৰুসকলেও আমনি কৰা যৌৱনৰ উত্তেজনা জুৰ পেলাবলৈ মুকলি আকাশৰ তললৈ ঢপলিয়াইছিল। হিয়াতলী উদিয়াই হিয়া-দিয়া-নিয়া উন্মাদত গাইছিল, নাচিছিল। অৱশ্যে গাভৰুসকলৰ নিৰ্বোধ-নিৰ্দোষ

প্ৰেম-প্ৰণয়ৰ ভাৱবোৰ মুকলি প্ৰকাশৰ বাবে মুকলি স্থানত বিহু খোলা তৰিবলৈ সমাজৰ অনুমতি প্ৰয়োজন আছিল। জ্যেষ্ঠসকলৰ লগত আলোচনা মৰ্মে অনিয়ম, অশৃংখল, সমাজবিৰোধী আদি কৰ্মবোৰ যাতে সংঘটিত নহয়, গাঁৱৰ সৰবৰহী উল্লাহী মহিলাৰ ওপৰত দায়িত্ব অৰ্পণ কৰি গাভৰুসকলৰ ৰঙীয়াল মনত উৎসাহ যোগাইছিল। ডেকা বিহুৱাসকলৰ ফালৰ পৰা দায়িত্বশীল সচেতন ডেকায়ো গাঁৱৰ বাই-ভনীসকলৰ সন্মান ৰক্ষাৰ ক্ষেত্ৰত সজাগ হৈছিল। ডেকাচামৰ বিহুৰ খোলা গোটেই ৰাতি চলিছিল। গাভৰুসকলে সন্ধ্যাৰ পাছত কিছুপৰতে বিহুখোলা সামৰিছিল।

উল্লেখযোগ্য যে তাহানিৰ চ'তৰ ৰাতি বিহুৰ পৰম্পৰা অনুসৰি গাভৰুসকলে চ'তৰ ৰাতিবিহুৰ খোলা তৰাৰ দিনৰে পৰা বিহুমাৰিবলৈ যোৱা গাভৰুসকল ঘৰৰ ভিতৰত জ্যেষ্ঠসকলৰ লাগতিয়াল কাম-কন কৰাত বাধা আছিল। জুইশালৰ পানীটেকেলি, চৰু, টৌ-বাতি-ঘটি কেৰাহি আদি চুবলৈ নিদিছিল। কোনো-কোনো অঞ্চলত জ্যেষ্ঠজনে পানীখোৱা নাদৰ পৰা পানী তুলিবলৈও নিদিছিল। বিহুৰ খোলা নাসামৰালৈকে সমাজত তেনে নিয়মৰ বান্ধোন পৰম্পৰা আছিল। বিহুৰ খোলা সামৰা দিনটোত উৎসৱমুখৰ পৰিৱেশ সজাই গাঁৱৰ মুখিয়ালকে ধৰি আবাল-বৃদ্ধ বণিতা একত্ৰিত হৈ মুকলি ঠাইত ভোজ-ভাতৰ আয়োজনেৰে বং-ৰহস্য কৰি অনুষ্ঠান সামৰাৰ পাছত, বিহুৱতী গাভৰুসকলে নিজেই বৈ কাটি সামৰি থোৱা যেই কোনো ধৰ্ম বস্ত্ৰ এপদ প্ৰত্যেকেই ৰাইজলৈ আগবঢ়ি সমজুৱা ভাৱে সেৱা লৈ আশীৰ্বাদ ভাগি হোৱাৰ পাছতহে বনৰীয়া মনৰ পৰা মুক্ত হ'ব পাৰিছিল। সকলো শুদ্ধ কৰাৰ নিয়মৰ পাছত ঘৰত ভিতৰুৱা কামবনত হাত লগাব পাৰিছিল।

তাহানি গাভৰু সকলে মাঘৰ ভোগালী উপভোগ কৰি আজৰি ফাগুণ মাহতোতে লাগতিয়াল কাপোৰ-কানিবোৰ যোগাৰৰ বাবে তাঁত বৈছিল। ঘৰৰ জ্যেষ্ঠসকলৰ বাবে হাঁচতি, চেলেং, চুৰিয়া,গামোচা ইত্যাদি বস্ত্ৰ বোৱাৰ উপৰিও মৰমৰ চেনাইলৈও বৈ কাটি টিপতে সামৰি থৈছিল। চ'তৰ ৰাতি বিহু মাৰিবলৈ নিজৰ বাবে কেইবাযোৰা কাপোৰ বৈ লৈছিল আৰু বিহুমৰা কাপোৰবোৰ আনৰ কাপোৰৰ লগত একেলগে থোৱাত বাধা আছিল। এনে পৰম্পৰাত আমাৰ কৃষ্টিৰ এফাঁকি স্থায়ি বা ঘোষা নামৰ দ্বাৰাই সত্য প্ৰতিপন্ন কৰে বুলি মানি ল'ব পাৰো।

"চ'ত গ'ল জীয়ৰী মুকলি হ'ল"

... .... ..... ....

তাহানি চ'তৰ ৰাতি বিহুৰ তাৎপৰ্যত উৎসাহিত হৈ প্ৰজাৰ প্ৰাণৰ বিহুটিক সন্মান জনাই আহোম স্বৰ্গদেউ ৰুদ্ৰসিংহই ১৬৬৯ খৃঃত বনৰ বিহুটি ৰাইজৰ মাজলৈ আদৰি আনি ৰাজকীয় মৰ্যদা প্ৰদান কৰিলে। সাধাৰণ খাতিখোৱা জনসাধাৰণে উল্লাসিত হৈ ৰজা, ডা-ডাঙৰীয়া, বিষয়া আদিকে ধৰি বিভিন্ন শক্তিশালী ৰজাঘৰীয়া পদধাৰীসকলক তোষামোদৰ জৰিয়তে প্ৰজাৰ প্ৰতি দয়াবানৰ ভাৱ জগাবলৈ পদুলিয়ে পদুলিয়ে ৰতৰৰ নাম নাচ বাদ্য বজায় আনন্দ কৰি চিঞৰি চিঞৰি উল্লাহেৰে আশীৰ্বাদ দিয়া প্ৰথাৰ মাজতে থুনুক-থানাক খোজেৰে ভক্তিৰ ভাৱ এটিয়েও আনন্দৰ মাজতে স্থান ললেহি। ৰজা, ডা-ডাঙৰীয়াসকলেও বিহুৰ দিনকেইটিত ৰাইজেই ৰজা জ্ঞান কৰি ৰাটচ'ৰালৈ ওলাই আহি ৰাইজক সেৱা জনোৱাৰ উল্লাহতে তাহানি বিহুৱা ডেকাই গাইছিল—

" স্বৰ্গদেউ ওলালে বাটচ'ৰাৰ মুখলৈ

দোলীয়াই পাতিলে দোলা,

কাণতে জিলিকে ন'ৰা জাংফাই

গাতে গোম চেঙৰ চোলা।"

দিন বাগৰিল। সময়ৰ গতিত 'বিহু' নিকাৰ্সুতিত পৰিল। কালক্ৰমত তাহানিৰ মুকলি পথাৰৰ বিহুটি গাঁৱৰ পথ-পদুলিৰ 'হুঁচৰি'ৰ ৰূপ ললেহি। বিহুৰ বতৰত ব'হাগ মাহত গাঁৱৰ প্ৰত্যেক ঘৰৰ চোতালত আনন্দ উল্লাহত হুৰুলি ধ্বনিয়ে ৰাজহুৱা ভাৱে আশীৰ্বাদ জনোৱা মহান অনুষ্ঠান এটি গঢ়লৈ উঠিল। বিহু অসমীয়া মহাজাতিৰ কলিজাৰ আমঠু, বাপতি সাহোন হৈ পৰা টৌটিক সন্মান জনাই এদিন এটি অতি শুভক্ষণত অসমৰ কৃষক বিহুৱাৰ প্ৰাণত সৃষ্টি হোৱা বিহুটিক অসম চৰকাৰে 'অসমৰ জাতীয় উৎসৱ' হিচাপে স্বীকৃতি দি অসমীয়া জাতিৰ পৰিচয়ৰ এটি মহান কাম কৰি থৈ গ'ল। তাহানিৰ অনাখৰি কৃষকৰ নাঙলৰ শিয়ঁলুত সৃষ্টি হোৱা ব'হাগৰ ৰঙালী বিহু। অসমৰ জাতীয় উৎৱস। বিহুটিৰ জৰিয়তে অসমৰ অসমীয়া আজি বিশ্বদৰবাৰত শিৰ উচ্চ কৰি থ'বলৈ সক্ষম।

শাওন মাহৰ কৃষি শ্ৰমৰ বিনিময়ত পোৱা আঘোণৰ সোণগুটি কেইটি সামৰি মাঘৰ ভোগালীত হেঁপাহেৰে খাই-বৈ শীতৰ শেতেলি থেদি জুইৰ তাপেৰে ভাগৰুৱা দেহা টনকিয়াল কৰিলোৱা মন-প্ৰাণ, ফাগুনৰ উৰুঙা বনত বাউলি



হৈ চ'তৰ নিশাত কিৰিলিয়াই হিয়াৰ মাজত আমনি যৌৱনৰ অভিব্যক্তি প্ৰকাশৰ অনুষ্ঠান, চ'তৰ ৰাতি বিহু। বতৰে বাগৰ সলাই। প্ৰকৃতিত পৰশ পৰে। চৌদিশে সেউজীয়া। মন-প্ৰাণ হৰা পৰিৱেশ। প্ৰকৃতি গাভৰু হয়। উন্মমনা প্ৰকৃতিৰ পৰশত ডেকা-গাভৰুৰ যৌৱন উথলি উঠে। মনলৈ আবেগ আহে। যৌৱনে আমনি কৰে। মুকলি পথাৰ, মুকলি আকাশৰ তলত সমনীয়াৰ সৈতে মনৰ সপোন, আশা, হেঁপাহ, আকাঙ্খা, সাৱিয়াহবোৰ মুক্তমনে চিঞৰি চিঞৰি প্ৰেম-প্ৰণয়ৰ পোৰা-নোপোৰা, আনন্দ বিষাদৰ বাৱ সমৃদ্ধ গ্ৰাম্য কথিত শব্দ প্ৰয়োগেৰে মনৰ ভাৱ বিনিময়ৰ অনুষ্ঠান 'চ'তৰ ৰাতি বিহু'।

চ'তৰ ৰাতিৰ বিহু নাম পীৰিতিৰ। প্ৰেম নিবেদনৰ বাহক। যুগ্মজীৱনৰ প্ৰকৃত সঙ্গী অন্বেষণৰ মাধ্যম। উৰুঙা ফাগুণৰ সুৰুঙাইদি যৌৱনে বিলাস বিচাৰি যায় মুকলি পথাৰৰ নিৰ্জনতালৈ। প্ৰাণখুলি মনে বিচৰা সঙ্গীক উদ্দেশি, প্ৰকৃতিৰ অপৰূপ সমলে মানৱ জীৱনৰ দৈনন্দিন কৰ্মৰাজিত প্ৰেৰণা যুগুৱা বাস্তৱ প্ৰতিছবিৰ লগত উপমাদি, কৰ্মব্যস্ততাৰ ক্ষণ অনুক্ষণবোৰত উৎসাহ যুগুৱা যৌৱনৰ ছন্দ মিলনৰ শব্দ সমাহাৰৰ বিননিযোৱা মাধ্যমটিকে আমি সংস্কৃতিৰ বুৰঞ্জীত চ'তৰ ৰাতি বিহুৰ ৰূপত পালো।

যৌন-জীৱনৰ ঘাত- প্ৰতিঘাতৰ যুঁজত বিহুনামবোৰ বহুভাৱত বিভক্ত হৈ স্ব-ৰূপত মহিয়ান হৈ আছে। প্ৰকৃতিৰ পয়োভৰত মন-বননিত ফুলি উঠা ৰঙাজৰা পীৰিতিৰ উন্মাদনা, আনন্দৰ উকি কিৰিলি, হৈ, চৈ, চিঞৰ আদি উল্লাহৰ মাজত হয়ে-বিয়ে আদি বিষাদৰ হুমুনিয়াহ বোৰ অতিক্ৰমি যুগ্মজীৱনৰ পূৰ্ণতা প্ৰাপ্তিৰ কামনা, আশা, আকাঙ্খা, হেঁপাহ বোৰেই বিহু নামৰ আকাৰ। সৌন্দৰ্য, আকৰ্ষণ, অঙ্গৰাগে হৃদয়ত দিয়া প্ৰসন্তিবোৰ আৰু বিচ্ছিন্ন মনত বিচ্ছেদৰ ক্ষণ, অনুক্ষণবোৰত প্ৰাণত কৈয়ো প্ৰিয়জনৰ চিৰশান্তিৰ শকে কৰিবৰ পৰা নিশ্বাৰ্থ ত্যাগৰ সাহসবোৰ আৰু সৰলতাৰ গ্ৰাম্যপ্ৰেমৰ স্নেহ-শ্ৰদ্ধা সমৃদ্ধ বিভাগবোৰকে উল্লেখ কৰিব পাৰি।

চাৰিটা চৰণ যুক্ত, দুটি চৰণত ছিঙা কবিতাৰ গাঁঠিত চহা কবিৰ অলেখ ভাৱৰ সমাহাৰ। দুলড়ী ছন্দত আওঁৰাই লৈ অতি ক্ষীপ্ৰতাৰে স্বতঃস্ফূতভাৱে নিৰ্ভুল শব্দৰ অৰ্থব্যঞ্জক বিননি বোৰ প্ৰধানত হাবি পথাৰ, আদি নিৰিবিলি স্থানত গাব পাৰি। বাগৰ কোমলতা, মানৰ খোলাবান্ধ, সুৰৰ মাধুৰ্য্যতা আৰু কেৱল এককভাৱে গাবলৈ সুবিধা থকা নামবোৰক বিহুৰবিননি'হাবিনাম' বা বনঘোষা' বুলি কওঁ। যৌন আবেদন মূলক উলঙ্গ শব্দ সংযোজক অসামাজিক ভাৱৰ এনে নাম সমূহ তাহানিৰ অবিবাহিত যৌৱনপ্ৰাপ্ত ম'হগোৱাল সকলৰ আত্মাৰ সৰল প্ৰেমৰ ক্ষুধা নিৰ্বাৰণৰ চিঞৰ বুলি কব পাৰি। সৰহ সংখ্যক বনৰীয়া নাম বিষাদৰ -- সেয়ে তাহানি ম'হৰ গোৱালে গাইছিল—

"হাঁয়ঐ হালনৈ লিখিলে মোকে ঐ লাহৰি

কোৰলৈ ঐ লিখিলে মোক,

চাৰি আঙুল কপালত বিধতাই ঐ লিখিলে

তোৰলৈ নিলিখিল মোক।"

উলঙ্গ শব্দ প্ৰয়োগেৰে গোৱা কামাসক্তি মূলক বনৰীয়া নাম সমূহৰ বাদে কিছু আঁৰবেৰ বা ঢাকনি থকা প্ৰেম মূলক বিহু নামসমূহ চ'তৰ ৰাতি বিহুত ঢোল-তালৰ তালে তালে নাচি বাগি বিহুনাম ৰূপত গাইছিল। এনে নামসমূহৰ মাজত প্ৰথমতেই প্ৰেমাবেগ, সৌন্দৰ্য, অঙ্গৰাগ আৰু আকৰ্ষণে আমনি কৰা ডেকা-গাভৰুৰ হিয়াতলিৰ পৰা স্বতঃস্ফূৰ্তভাৱে নিগৰি অহা নামসমূহৰ কথাকেই কব লাগিব। পৰস্পৰে পৰস্পৰক প্ৰাণতকৈও প্ৰিয় কৰি লব খোজা মুহূৰ্তবোৰত হৰ্ষ-বিষাদপূৰ্ণ প্ৰেম বননিত চৌদিশে কেৱল সৌন্দৰ্য উপভোগৰ সমাহাৰ দেখি চিঞৰি উঠিছিল-

জানঐ কিনো হাত দুখনি ঐ কিনো ভৰি দুটি ঐ

কিনো ভৰি দুটি ঐ

কিনো তোমাৰ শুৱলা মাত;

জান ঐ ৰ'দপাই জিলিকে ঐ তোমাৰ গাল দুখনি ঐ

তোমাৰ গাল দুখনি ঐ

হাঁহিলে ঐ জিলিকে দাঁত।।

সাধাৰণতে তাহানিৰ চহা-কবিৰ ভাৱৰ বুৰবুৰণিৰ কাব্যিক প্ৰকাশবোৰ প্ৰেমমূলক। প্ৰধানকৈ বিহুনামবোৰ পীৰিতিৰ। পৰস্পৰলৈ ভাৱৰ বিনিময়ত ঘটা সুৰ সমূহত ব্যৱহাৰ কৰা প্ৰতিশব্দৰ প্ৰেমৰ প্ৰতিশব্দৰ প্ৰেমৰ প্ৰতিদান দিবলৈ প্ৰয়াস কৰোতেই সৃষ্টি হয় একো একোটি হিয়া জুৰুৱা প্ৰেমৰ পঙ্ক্তি। যৌৱন-জীৱনৰ অনাহুত অতিথিক জীৱন সঙ্গিনী কৰাৰ কল্পনাত চ'তৰ ৰাতি বিহুত গাইছিল - প্ৰণয়ৰ বিহুনাম—

মোৰ ধন চেনাই ঐ হলো মই জীয়ৰী

মোৰ ধন চেনাই ঐ আইঘৰৰ আলহি

মোৰ ধন চেনাই ঐ ৰাখিছো যৌৱনটি ধৰি ;

মোৰ ধন চেনাই ঐ পাৰিব জানিলে

মোৰ ধন চেনাই ঐ আম কি অমৰা।

মোৰ ধন চেনাই ঐ আপুনি পৰিব সৰি।।

প্ৰকৃতি পদত্ত প্ৰত্যেকটি সমলৰ নিজস্ব আচৰণৰ বৈশিষ্ট আছে। বিনন্দীয়া প্ৰকৃতিৰ বিহঙ্গ পক্ষীৰ বিলাসে কৃষক বিহুৱাৰ প্ৰাণত ৰেখাপাত কৰাৰ সময়তে চহা কবিৰ মনৰ পাখি বনৰ বিহঙ্গীনিৰ সৈতে উৰিব খোজে।

মুকলি বিচৰণৰ গ্ৰাম্য চিত্ৰ ৰাজিত বিস্ময় হৈ চৰাই-চিৰিকটিৰ চহা কবিৰ কণ্ঠই নিগৰিছিল বিহু নাম ৰূপেৰে -

বৈনো বৈ কান্দিলে জানৈ চাকৈ নো চকোৱা জানৈ
চাকৈ নো চকোৱা জানৈ
বৈনো বৈ কান্দিলে জিলি
হায়ঐ দোলেন দৈ দোলেন দৈ
বৈনো বৈ কান্দিলে জিলি;
এনেয়ে মৰিছো জানৈ তোৰে ঐ সন্তাপত জানৈ
তোৰে ঐ সন্তাপত জানৈ
আকৌ নো গা দেখাদি গলি
হায় ঐ দোলেন দৈ দোলেন দৈ
আকৌ গা দেখা দি গলি।।

কৃষক, নৈ, জান-জুৰি, বিল, পুখুৰী, এৰাব নোৱাৰা সম্পৰ্ক। গ্ৰাম্য জীৱনৰ গতিপথত নৈ-জান-জুৰিৰ প্ৰভাৱ অলেখ। নৈৰ ৰবতৰ আহে। মানুহৰো বতৰ আহে। নদীৰ ঢলৰ দৰে মানুহৰো যৌৱনৰ ঢল আহে। যৌৱনৰ বতৰ উপভোগৰ হেঁপাহবোৰত নদীৰ ঢলে চহাকবিক আকৃষ্ট কৰে। সেয়ে ঘাটোৰে মাচুৰে সকলে বিহুৰ ৰাগিত বলীয়া হৈ তাহানি চ'তৰ বাতি বিহুত নৈৰ উপমাৰে প্ৰিয়জনলৈ প্ৰেম নিবেদনেৰে গাইছিল –

হায়ঐ অলনি দলনি নৈৰ তিনি সুঁতি
হাতত তামোলৰে মুঠি দেহাজান
হাতত তামোলৰে মুঠি;
হায়ঐ গৰখীয়া নামেৰে তোমাৰ গুণ গায় যাঁও
টুলুঙা ঐ নাৱতে উঠি দেহাজান
টুলুঙা ঐ নাৱতে উঠি।।

পৰম্পৰা বিহুনাম সমূহত চহা কবিয়ে প্ৰকৃতিৰ সমলবোৰক অগ্ৰাধিকাৰ দিছে। দৈনন্দিন কৰ্মব্যস্ত কৃষকৰ দৈহিক যন্ত্ৰণাবোৰক ক্ষন্তেক অৱকাশ দিয়াৰ ক্ষেত্ৰত প্ৰকৃতিয়েই খুলি দিয়ে কৃষকৰ মনৰ সৰ্ফুৰা। প্ৰকৃতিৰ পৰশতে পৰশি তাহানি চ'তৰ বাতি বিহুত গাইছিল -

অ' জান জান নিজান বননিত খৰি লুৰিছিলো
অ' জান জান নিজান খেৰনিত খেৰে কাটিছিলো
অ' জান জান নিজান জাৰণি আঁজুৰি ঐ ছিঙিলো লতা;
অ' জান জান নিজান মুখেৰে ঐ নামাতা
অ' জান জান নিজান চকুলৈ ঐ নোচোৱা
অ' জান জান নিজান ললি ভগনীয়াৰ কথা।

আধুনিক যান্ত্ৰিক ঘৰোৱালী সামগ্ৰীৰ যেনে -- খেতিৰ সা-সৰঞ্জাম, ঘৰ সজা সজুলি, ৰন্ধন-পকৰণৰ সজুলিকে ধৰি বিভিন্ন অত্যাধুনিক সামগ্ৰী গ্ৰাম্য জীৱন ধাৰাত প্ৰৱেশ ঘটিলেও বিহু নামৰ ক্ষেত্ৰত বৰ্তমানৰ বিহুৱা বিহুৱতীসকলে তেনে সামগ্ৰী সমূহৰ উপমাৰে গোৱা বিহু নাম, লোক সংস্কৃতি বা গ্ৰাম্য সংস্কৃতিৰ পৰম্পৰা বুলি ক'ব নোৱাৰি। যুগৰ পৰিবৰ্তনত বিহু নামৰো বিবৰ্তন স্বাভাৱিক।

১২২৮ খৃষ্ট্ৰাব্দত আহোমসকল অহাৰ পূৰ্বকাল ছোৱাত বা আদি যুগ ৬০০ খৃষ্ট্ৰাব্দৰ পৰা বৈষ্ণৱ যুগ ১৬৫০ খৃষ্ট্ৰাব্দলৈকে, খিলিঞ্জীয়া মটক, মৰাণ, বৰাহী-কছাৰী, চুতীয়া-ৰাব ভূঞা আদি পূৰ্বৱৰ্তী নৃ-গোষ্ঠীয় লোক সকলে বিহু কৰিছিল নেকি? যদিওবা কৰিছিল সেই যুগত আজি অসমৰ লোকসকলে আদৰি লোৱা বিহু সংস্কৃতি, কি ৰূপত আছিল। বুৰঞ্জী নিমাত। দ- কৈ অধ্যয়ন কৰিলে ১৬৫০ খৃষ্ট্ৰাব্দ মানৰ লৈকে বিহু যদিও আছিল, সিও চাগে অত্যন্ত বনৰীয়া হৈহে আছিল। ১৫৫০খৃষ্ট্ৰাব্দৰ পৰা ১৮২৬ খৃষ্ট্ৰাব্দলৈকে বৈষ্ণৱ আৰু শাক্তসকলৰ যুঁজবাগৰৰ মাজতে, আহোম ৰাজত্বৰ পৃষ্ঠপোষকতাত তাহানিৰ বনৰ বনৰীয়া লোক সুৰ সমূহ ৰাজকীয় মৰ্যাদাৰে বিহু সংস্কৃতি ৰূপত জিলিকিলেহি।

বনঘোষা বা বনৰীয়া নাম বা গৰখীয়া নামৰ পৰম্পৰা অন্বেষণ কৰিলে পূৰ্ব বৈষ্ণৱ যুগ ১১০০ খৃষ্ট্ৰাব্দৰ পৰা বৈষ্ণৱ যুগ ১৬৫০ খৃষ্ট্ৰাব্দ মানলৈকে সেই সময়ৰ কৃষকে কৃষিক্ষেত্ৰত বা প্ৰকৃতিৰ বন-বননীৰ মাজত, জীৱন নিৰ্বাসৰ বাবে কৰা কৃষি-কৰ্মৰ সময়ত মৰা চিঞৰ, আনন্দ উল্লাহত উথলি উঠা দেহ-মন-যৌৱনক নিয়নি দিয়া নাম, সেই যুগতেই উৎপত্তি। উত্তৰ বৈষ্ণৱ যুগ (১৬৫০) ৰ আগলি কাল চোৱাত বনৰ বিহুটি চুচুক চামাককৈ গাঁৱৰ সমাজত স্থান লৈ গাঁৱৰ পদুলিয়ে পদুলিয়ে ব'হাগৰ বতৰত আনন্দ উল্লাহেৰে ঘূৰি ফুৰিছিল। বনৰীয়া নাম বা হাবিনাম ৰূপে চিহ্নিত কৰা নাম সমূহৰ পৰা অসামাজিক আঁৰবেৰ নথকা নিৰ্লজ্জ নামবোৰ বাদ দি, কিন্তু



সংখ্যক প্ৰেমমূলক বিহু নাম, ৰাজহুৱাকৈ গাব পৰাত এৰা ধৰা কৰা হ'ল। চহা কবিৰ চঞ্চল মনৰ বিচিত্ৰ কল্পনাৰ সৃষ্টিৰাজিক সন্মান জনাই পৰম্পৰা বিহু নাম ৰূপত সজাই পৰাই লোৱা হ'ল।

মৰম স্নেহ, প্ৰেম-বালপোৱাৰ সম্ভাষণ, আদৰ-সাদৰবোৰ আপুৰুগীয়া। মনে বিচৰা জনলৈ এখনি হাতেকটা তামোলেই চিৰযুগমীয়া মৰমৰ চিন। অসমীয়া সমাজত অতিথি সম্ভাষণৰ প্ৰথম আৰু প্ৰধান পথ্য তামোল এখনিতে থাকে মনৰ বতৰা, হৃদয়ৰ কোমলতা, শ্ৰদ্ধাৰ আত্মগৌৰৱ। থাকে দুখনি অচিন হিয়াৰ অফুৰন্ত আশা আৰু আকাংখ্যা। সমাজৰ মাজতেই চেগ বুজি টিপতে যচা এখনি থুৰিয়া তামোলৰ অৰ্থ বুজি পোৱা সকলৰ প্ৰেমৰ সাৰ্থকতা তাতেই। যুগ্ম জীৱনৰ পাতনি মেলিব খোজাসকলৰ মাজত চ'তৰ বাতি বিহুত বিহুনামৰ শব্দালঙ্কাৰত এখনি থুৰিয়া তামোলে প্ৰেম বননিত উপমা হৈ বিশেষ বৃমিকা লৈ ডেকা-গাভৰুৰ মন বিচিত্ৰ কৰেহি। সেয়ে পৰম্পৰা বিহু নাম সমূহত তাহানি বিহুৱাই তামোলখনিৰ অৱদানৰ কথা পাহৰিব নোৱাৰি জীৱন লগৰী কৰিব খোজালৈ বাতৰি দি গাইছিল ---

দেহী ঐ কি কথা কৰিলি জান ঐ কি বুদ্ধি
কৰিলি জান ঐ কি বুদ্ধি
কৰিলি জান ঐ
থুৰিয়া ঐ তামোলৰ লগত;
খাওঁতে বওঁতে জান ঐ উঠোতে বহোতে
জান ঐ উঠোতে বহোতে
জান ঐ সদায় পৰি থাকে মনত।

বিনন্দীয়া ফাগুণৰ পচোৱাত উৰি অহা চতুৰা চৰাইটিয়ে বিননিত মাঘৰ ভোগ মনে ভোগস্থলী উদিয়াই চিঁয়ৰীছিল চ'তৰ বাতিত। পুনৰ খেতিৰ খোলাত জপিয়াই পৰাৰ আগমুহূৰ্তত ঘৰখনি পাতি নকৈ সজাই পৰাই লৰৰ বাবে লাগতিয়াল খেৰ-খৰি, ইকৰা-খাগৰি কেইডালি যোগাৰ কৰি লৰৰ বাবে ঢাপলি মেলাৰ ক্ষণতে যুগ্ম জীৱনৰ কামনা বাসনাৰ পৰিপূৰক ভাৱনাবোৰ আঁৰাবলৈ যাওঁকেই বাস্তৱ কৰ্মৰ আহিলা সমূহে বিহুনামৰ ছন্দে ছন্দে শাৰী পাতেহি। তাহানি চ'তৰ বাতি বিহুৰ পৰম্পৰা নামসমূহে তাকেই ৰিঙিয়াই কয়—

অ --- ইকৰা পৰিব হালি অ' মোৰ মাজান ঐ
হালি অ' মোৰ মাজান ঐ
ইকৰা ঐ পৰিব হালি;
অ' --- তোমাকে মোকে অ' মোৰ মাজান ঐ
আঁতৰাই ঐ ফুৰাইছে ঐ
আঁতৰাই ঐ ফুৰাইছে ঐ
কিনো কপটিয়া বিধি।।
অ' জুৰীৰে তলতে অ' মোৰ ধন চেনাইটি ঐ
খৰিনো লুৰিছিলো ঐ
খৰিনো লুৰিছিলো ঐ
আঁজুৰি ঐ টিঙি যাওঁ লতা;
অ' চকুৰে দেখিও অ' মোৰ ধন চেনাইটি ঐ
মুখেৰে ঐ নামাতা ঐ
মুখেৰে ঐ নামাতা ঐ
ললি ভগনীয়াৰ কথা।

খেতিয়কেই জীৱন। খেতিখোলাৰ মাজতে জন্ম বিহুনাম। সেয়ে বিহুটি কৃষকৰ। পোহনীয়া গৰু-ম'হৰ হাল জুৰি হেপাহৰ মাটি কেইডৰা চহাই মেলি ৰুই-দাই শস্য চপোৱালৈকে প্ৰত্যেক ক্ষণৰ বাস্তৱ চবিবোৰে বিহুনামত উপমা হিচাপে চহা কবিৰ ভাৱসাগৰত উপঙি উঠিহি। তাহানি কৃষক বিহুৱাই খেতিৰ খোলাত গইনা লৈ জীৱন গঢ়াৰ সপোন দেখে। তাহানি কৃষকৰ স্বতঃস্ফূৰ্ত চিত্ৰধৰ্মী ৰচনা ৰাজি আজি আমি পৰম্পৰা বিহুনাম হিচাপে গাঁও–

আজি ৰুই গলো ঐ দেহা কাচিকৰা ডৰা
ঐ দেহা কাচিকৰা ডৰা
বেয়া লাগে ক'বলৈ ঐ দেহা কোনে নো ফেনকিয়ে গলি;
খোজত চিনি পালো ঐ দেহা মাতত বুজি পালো
ঐ দেহা মাতত বুজি পালো
বেয়া লাগে কবলৈ ঐ দেহা পাৰো নো কোন সতে গালি।

বৈষয়িক কামনাৰ কৰ্মৰাজিত চহা সমাজে জীৱন নিৰ্বাসৰ বাবে লাগতিয়াল অন্যান্যৰ মাজত লজ্জা নিৰ্বাৰণ আৰু জাৰ জহৰ পৰা ৰক্ষা পাবলৈ দেহাৰ বস্ত্ৰ কেইপদ যোগাৰ কৰি ল'বলৈ চুমনি জাৰণিৰ মাজত ব্যস্ত থকাৰ সময়তো চহা কবিৰ মন উৰে আশা আকাঙ্খাৰ মলয়াত। অতীতৰ বস্ত্ৰ শিল্পৰ বুৰঞ্জীত অসমৰ মুগা পাত আৰু এড়ীয়েই প্ৰধান ভূমিকা লৈছিল। নিজৰ নিজৰ পোচাক কেইপদৰ লগতে প্ৰিয়জনলৈ বুলিও এযুৰি সাজ, হাঁচতি, গামোচা,

চেলেং, চুৰিয়া, চোলা , ৰিহা, মেখেলা-চাদৰ, টঙালি, বিহুৱান আৰু অনাকটা কবচ যঁচা-পোৱাৰ হেঁপাহ সমূহেও বিহু নামত উপমা হিচাপে ভুমুকি মাৰিছে। পুৰুষে কষ্টেৰে যোগাৰ কৰি দিয়া খনিয়া সূতাৰে শিপিনীয়ে সৌন্দৰ্যৰ সমাহাৰ ঘটায় বৈ কাটি ন-বছৰটিত সমাজলৈ বুলি দান, জ্যেষ্ঠসকললৈ সন্মান, কণিষ্ঠ সকললৈ স্নেহ আৰু প্ৰিয়জনলৈ বুলি জনোৱা পীৰিতিৰ বাস্তৱ চবিৰাজি তাহানি চহা কবিৰ বিহুনামত জিলিকি আছে। আমি আজি পৰম্পৰা বিহুনামৰ পেৰাৰ পৰা আলফুলে বুটলি চ'তৰ বিহু বুলি গাইছো -

জান ঐ খনে খনে কৰি মুগা পুহি আনি দিম
জেঠুৱা ঐ মুগাৰে লেটা দেহমাই
জেঠুৱা ঐ মুগাৰে লেটা;
জান ঐ জালি ভাঙি ভাঙি সিজাই সূতা কাটি
বৈ দিবা চুৰিয়া চোলা দেহমাই
বৈ দিবা চুৰিয়া চোলা।

বিহু প্ৰকৃতিৰ। বিহু নামবোৰ চহা কৃষকৰ যৌৱনৰ উত্তাপত স্ফুলিঙ্গ হোৱা চিৰ সেউজীয়া প্ৰেম-প্ৰণয়ৰ মৰ্মবাণী। যৌৱনৰ বতৰ। জীৱনৰ চিৰ লগৰী বিচৰাৰ বতৰ। মন অলিয়া-বলীয়া হোৱা বতৰ। ভাষাই মুক্তি বিচাৰে। পৰস্পৰে পৰস্পৰক মৰমৰ মাধুৰিমা সানি প্ৰণয়ৰ পাতনি মেলা বতৰ। কোনোৱে পাইছিল প্ৰণয়ৰ পূৰ্ণতা। তেনে ক্ষণতে চহা প্ৰেমিকৰ আনন্দত উপচি পৰা হিয়াৰ কোনৰ পৰা বিহু নাম ৰূপে নিগৰি আহিছিল মিলন আনন্দৰ বন্যা। সৰল কৃষকৰ সঁচা মৰমৰ বাণীবোৰ আছিলনিৰ্ভীক আৰু নিৰ্দোষ। কোনো ধৰণৰ প্ৰৱঞ্চনা নথকা নিৰ্বোধ পীৰিতিৰ সুৰ সমূহত আছিল সংস্কৃতিৰ সন্মান। দুখন অজান অবোধ হিয়াক নিবিড় বাৰে ওচৰ চপায় লোৱাৰ তীব্ৰ বাসনা জড়িত তাহানিৰ বিহুনামবোৰ আজি আমাৰ সম্পদ। গতিময় জীৱনৰ যৌৱনৰ দোকমোকালিত জীৱনটি উপভোগ কৰাৰ উকমুকনি দিয়ে ব'হাগে। বুকু চমচমাই, হিয়া কুট কুটায়। তাকৰিয়া দুটি মান শব্দত বান্ধ খাই পৰে পীৰিতিৰ মিঠৈটি। প্ৰেমৰ পথাৰত পীৰিতিৰ ধেমালীবোৰত, পোৱা নোপোৱাৰ হিচাপবোৰ সৰল সহজ ভাৱে লব পৰা অন্তৰৰ সমিধান, তাৎপৰ্যপূৰ্ণ।

চহা কবিৰ স্বতঃস্ফূৰ্ত ৰচনা ৰাজিৰ কাব্যিক অভিব্যক্তি সমূহৰ ভিতৰত নোপোৱা বেদনাতকৈ পাই হেৰুৱা বেদনা গধুৰ নাম সমূহ, আপোন ভাৱত তৃপ্ত। স্থলতে তাৎক্ষণিকভাৱে আঁওৰাই স্বতঃস্ফূৰ্ত ৰচনা সেই নাম সমূহকে আমি আজি পৰম্পৰা বিহুনামৰ পেৰাৰ পৰা গাইছোহঁক -

বাৰীৰ মাজে মাজে গোলাপফুল ফুলিলে
তিতা ফুল ফুলিলে ঢাপত;
তোমাৰে মোৰে যোৱা নিমিলিলে
কোনোবা জনমৰ পাপত।

চ'তৰ ৰাতি বিহুৰ পৰম্পৰা আম্বেষণত চ'তৰ ৰাতি, বিহু-খোলা পতাৰ ক্ষেত্ৰত কিছু প্ৰাকৃতিক নিয়মৰ মাজেৰে পৰিচালিত হৈছিল। গঁওৰ সমাজৰ পৰা অনুমতি লোৱাৰ পৰম্পৰা কোনো ধৰণৰ পৰম্পৰা নাছিল। ডেকাসকলৰ মাজত আলোচনা মৰ্মে প্ৰকৃতি দেৱ-দেৱীলৈ সেৱা জনোৱা নিয়ম, ডেকা সকলৰ সৰল প্ৰণৰ ভক্তি নিৰ্দশনৰ স্বতঃস্ফূৰ্ত প্ৰকাশ মাথোন। এযুৰি তামোল-পাণ, এখনি ন-বস্ত্ৰ আৰু এটি কৰযোৰে সেৱা জনোৱা বিনিময়ত উচ্ছল চঞ্চল ব'হাগ মাহৰ গাভৰু প্ৰকৃতি দেৱীৰ পৰা বিচাৰে ডেকা মনৰ হাবিয়াস পূৰ্ণতাৰ কামনা। উন্মাদ যৌৱনৰ উন্মুক্ত ধেমালি বোৰৰ অজানিত দোষৰ ক্ষমা। পৰম্পৰা চ'তৰ ৰাতি বিহুৰ খোলা মুকলি কৰাৰ উন্মাদনাতে চহা বিহুৱাই গাইছিল--

আই বসুমতী বনৰ বন দেৱী
তোমালৈ মানি যাওঁ সেৱা,
তোমাৰে চৰণত বিহুখন তৰিছো
আমাক কৰি যাব দয়া।

*লেখকৰ ঠিকনা : ৰাণীপুৰ, ডিব্ৰুগড়*

*ভ্ৰাম্যভাষ-৮৮৭৬২৩৮২৫২*





বিহু সংস্কৃতিৰ লগত বয়নশিল্পৰ ওতঃপ্ৰোত সম্পৰ্ক। এড়ী, মুগা আৰু পাটপলু পুহি সূতা উলিয়াই কাপোৰ বৈ পৰিধান কৰি এক আনন্দ অনুভৱ কৰা অসমীয়া গ্ৰাম্যজীৱনৰ এখন চিৰাচৰিত ছবি। গামোছা-চেলেং চোলা-চুৰিয়া, ৰিহা-মেখেলা আৰু অন্যান্য সাজপাৰে ঢকুৱাখনাৰ ফাটবিহুৰ জাতীয় সাজপাৰ হিচাপে অতীজৰে পৰা মান-সন্মান ৰক্ষা কৰি আহিছে।

# মুগাৰ সাজ পিন্ধি ফাটবিহুলৈ যাঁও

মিনু দত্ত

এখন ঠাইৰ বিষয়ে স্থায়ী বাসিন্দাসকলতকৈ অতিথি সকলৰ মন্তব্যৰ পৰাহে ঠাইখনৰ প্ৰাকৃতিক, সাংস্কৃতিক তথা সামাজিক পৰিৱেশৰ সম্যক ধাৰণাত উপনীত হ'ব পাৰি। তেনে এটি উদাহৰণেৰে ঢকুৱাখনাৰ প্ৰশংসাত উপনীত হৈছো। ২০১৩ বৰ্ষৰ পঞ্চায়ত নিৰ্বাচনৰ ঢকুৱাখনা মহকুমাৰ মুখ্য নিৰ্বাচনী পৰ্যবেক্ষক আছিল অসম লোকসেৱা আয়োগৰ এগৰাকী উচ্চ পদস্থ বিষয়া শ্ৰীযুক্তা বিজয়লক্ষী বৰুৱা। নিৰ্বাচনৰ তাৰিখৰ পূৰ্বে এমাহমানৰ আগৰ পৰা তেখেতৰ লগত নিৰ্বাচনী কামৰ সহযোগী হিচাপে নিৰ্বাচনৰ দায়িত্বত থাকিবলগীয়া হৈছিল। গুৱাহাটীৰ কাহিলীপাৰাৰ বাসিন্দা বাইদেউৰ লগত মহকুমাধিপতি কাৰ্যালয়ত, চাৰ্কিট হাউচত, নিৰ্বাচনী কামৰ লগে লগে ঘৰুৱা, ব্যক্তিগত কথাৰ আদান-প্ৰদান কৰোতে ঢকুৱাখনীয়া হৈ মাজে মাজে অসহায় অনুভৱ হৈছিল কাৰণ বাইদেউৱে হয়তো আজৰি সময়বোৰত বাস্তৌৰ প্ৰেজিডৰ মাজৰ এইঠাইবোৰত নিশ্চয় আমনি পাইছে বুলি। ৰাস্তা-যাতায়তকে ধৰি সমস্যাজৰ্জৰ

আমাৰ ঢকুৱাখনাত বাইদেউক অৱসৰ সময়কণত নিবলৈও ঠাই নাই। বাসুদেৱ থানলৈ এদিন পুৱাই গৈ সেৱা কৰি আহিলোঁগৈ। বাইদেউৱে কিন্তু আমাৰ ধাৰণাৰ বিপৰীত মন্তব্যহে আগবঢ়ালে এদিন। কেওফালে সেউজীয়া গছ-গছনি, নদী-বিল তাতোকৈ সকলো ফালৰ পৰা বিৰাজ কৰা শান্তিময় ঢকুৱাখনাত তেখেতে বোলে গুৱাহাটীৰ হুলস্থুলীয়া পৰিৱেশৰ তুলনাত বুজাব নোৱাৰা প্ৰশান্তিহে অনুভৱ কৰিছে! শাৰী শাৰী চোমনি, বাঁহনি এইবিলাক ঘূৰি ঘূৰি চাই তেওঁ বিমল আনন্দ লভা বুলিহে জনালে।

অন্য এদিন মহকুমাধিপতিৰ কাৰ্যালয়ত সেই সময়ৰ মহকুমাধিপতি শ্ৰীযুত বুবুল লেখাৰুদেৱৰ লগত আৱশ্যকীয় নিৰ্বাচনী কামৰ অন্তত ঘৰুৱা কথা-বতৰা আৰম্ভ হ'ল। চাৰে কৈ উঠিল দিনটোৰ অন্তত কি কৰিব? ঢকুৱাখনাত আপুনি ক'লৈনো যাব ? আপুনি যদি ঢকুৱাখনালৈ ফটবিহু উপভোগ কৰিবলৈ আহে তেতিয়াহে ঢকুৱাখনাৰ আচল ৰূপটো দেখিবলৈ পাব। ফটবিহুত ঢকুৱাখনাৰ মানুহে মূগাৰ সাজ পিন্ধা দৃশ্যটো কি সাংঘাতিক দৃশ্য! হয় আমাৰ ঢকুৱাখনাৰ মানুহে নিজে বৈ লোৱা বস্ত্ৰ বেছিকৈ পৰিধান কৰে। আমিও শলাগিছিলো।

নিৰ্বাচনৰ বতৰৰ অন্তত বসন্তৰ আগমনে, কুলি-কেতেকী-নাচনীৰ ছবিখনে মন উগুল-থুগুল লগোৱাৰ সময়তে ঢকুৱখনাৰ প্ৰতি কৰা বিশিষ্ট ব্যক্তিৰ উক্ত মন্তব্যবোৰ মনলৈ বাৰে বাৰে আহিব ধৰিছে। পাট-এৰী, মূগা সূতাৰ ধুনীয়া ধুনীয়া সাজপাৰ, চাৰিকড়ীয়া নদীৰ পাৰৰ শাৰী শাৰী চিচুগছৰ তলৰ ম'হঘূলি চাপৰিৰ ফটবিহুৱে আমাৰ ঢকুৱাখনাৰ বাৰেবৰণীয়া কৃষ্টি-সংস্কৃতিৰ মিলনৰ থলী! ফটবিহুৱে ঢকুৱাখনাৰ পৰিচয় বহন কৰে!

বুৰঞ্জীত ঢকুৱাখনাখন মূগা শিল্পৰ বাবে খ্যাত। মূগা পোহা চোমনিৰ গছে-পাতে, মূগা খেতিয়ে ঢকুৱাখনাৰ গৌৰৱ বহন কৰি আহিছে। গাঁৱৰ সহজ-সৰল মানুহৰ মুখতো, চোমনিত মূগা পোহোতে মনত উদ্বেলিত ভাববোৰ বনৰীয়া নামত এনেদৰে প্ৰকাশ পাইছিল-

'কড়া নৈৰ পাৰতে          মূগা পুহিছিলো
          ধেনু ধৰি আছিলো চাই,
গৰু ম'হ ৰখিলো          ককাইৰ ঘৰ পাতিলোঁ
          আমাৰ ঘৰ পাতোতা নাই।

আমাৰ ঢকুৱাখনাৰ গাঁৱৰ মহিলা, শিপিনী বিভিন্ন আত্মসহায়ক গোট আদিয়ে এই মূগাৰ সূতাৰে অসমৰ বয়ন শিল্প চহকী কৰিছে। অসমৰ বিভিন্ন ঠাই আনকি বিদেশলৈও মূগা সূতা, পাট-মূগা কাপোৰৰ যোগান ধৰিছে। বহু শিল্পী অভিনেত্ৰীয়ে ঢকুৱাখনাৰ শিপিনীয়ে যোগান ধৰা ধুনীয়া ধুনীয়া সাজপাৰেৰে সজাই-পৰাই সংস্কৃতিৰ পথাৰখন জিলিকাই তুলিছে। ফটবিহুটো আনকি প্ৰতিযোগী-দৰ্শকৰ পাট-মূগা সাজৰ পয়োভৰে ব'হাগৰ চিত্ৰকে সলনি কৰি পেলায়। বিহুৱতীয়ে কঁকালত নাচোনৰ লহৰ তুলিবলৈ লওঁতেই সেয়েহে যোজনা আৰম্ভ কৰে-

অতিকৈ চেনেহৰ          মূগাৰে মহুৰা
          তাতোকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ          আমাৰ ফটবিহু
          নাপাতি কেনেকৈ থাকো?

আকৌ হুঁচৰি গাবলৈ ওলোৱা ডেকাইঁতেও গামোছাখন, চেলেং কাপোৰখন কোনোবাই মৰমৰ উপহাৰ হিচাপে যাচিলেহে বিহু কৰিবলৈ যেন দুগুণ উৎসাহ পায়। গৃহস্থৰ চোতালত হুঁচৰিৰ চাপৰ আৰম্ভ কৰি পদ আকাৰে গাই উঠে—

'সৰু সূতাৰ চেলেংখনি বই দিয়া সৰুভনী
বিহু মাৰিবলৈ যাওঁ ঐ গোবিন্দাই ৰাম।'

সেয়েহে বিহু সংস্কৃতিৰ লগত বয়নশিল্পৰ ওতঃপ্ৰোত সম্পৰ্ক। এড়ী, মূগা আৰু পাটপলু পুহি সূতা উলিয়াই কাপোৰ বৈ পৰিধান কৰি এক আনন্দ অনুভৱ কৰা অসমীয়া গ্ৰাম্যজীৱনৰ এখন চিৰাচৰিত ছবি। গামোছা-চেলেং চোলা-চুৰিয়া, ৰিহা-মেখেলা আৰু অন্যান্য সাজপাৰে ঢকুৱাখনাৰ ফটবিহুৰ জাতীয় সাজপাৰ হিচাপে অতীজৰে পৰা মান-সন্মান ৰক্ষা কৰি আহিছে। বিহুগীতত মূগা, এৰী, পলু পোহা, খেতি কৰাত সুন্দৰভাৱে ফুটি উঠিছে-

'এৰী পলু দুটামান          ল'ৰাচোন বানেচী
          মইনো পাত বিচাৰি যাম,
কাটিবা বাচিবা          এৰী চেলেং
          মইনো লৈ গাঁৱলৈ যাম।'

জাতীয় সম্পদৰূপে ফটবিহুক অতীতৰ হাবুং খ্যাত ঢকুৱাখনাবাসীয়ে আমাৰ সঠিক ঠিকনা হিচাপে গৌৰৱ কৰিব পাৰো। বিভিন্ন কৰ্মত নিয়োজিত সমস্ত ঢকুৱাখনাবাসীয়ে ব'হাগৰ শেষৰ ফালে শৰীৰ-মনৰ সকলো দুখ-বেদনা-ক্লান্তি আঁতৰাই নতুন বছৰৰ বাবে মনবিলাকত দুগুণ উৎসাহ-প্ৰেৰণা যেন গোটাই লয়। এই বিহুৰ মাজত লুকাই আছে বিহুৱলিয়া,



সংস্কৃতিবান ঢকুৱাখনীয়াৰ বুকুৰ উম! ফটবিহুৰ বিহুনামত আছে—

'পখিলা উৰাদি          উৰ ঐ নাচনী
          পখিলা উৰাদি উৰ,
ৰজাৰ দিনৰে          ফটবিহুখনিৰ
          নাপাবি পীৰিতিৰ ওৰ।'

চাৰিকড়ীয়া নৈৰ ফটত সৃষ্টি হোৱা ফটবিহুৱে ঐতিহ্য-পৰম্পৰা ৰক্ষা কৰি এক নতুন মাত্ৰাত উপনীত হৈছে। উদুলি-মুদুলি চাৰিওফালৰ পৰিৱেশত, চিচু গছৰ তলত জাক-জাক বিহু দলৰ প্ৰতিযোগিতা, মঞ্চত আমন্ত্ৰিত অতিথিৰ ফটবিহু সম্পৰ্কীয়, বিহু সম্বন্ধীয় গৱেষণালব্ধ বক্তৃতাই, আলোচনাই ঢকুৱাখনাখনক নতুন অৰ্থবহ কৰি তোলে। ফটবিহুতলিত বিহুৱলিয়া বিহুৱাই চিঞৰি চিঞৰি গায়-

'ম'হঘূলি ঐ চাপৰি          আবেলি ঐ আবেলি
          ঘিলা খেলিছিলা চাপৰি ঐ চাপৰি।
ম'হঘূলি ঐ চাপৰি          আবেলি ঐ আবেলি
          ধানে নিৰাইছিলা চাপৰি ঐ চাপৰি।
ফটবিহুৰ তলিতে          তোমাৰ আমাৰ চিনাকি
          কেনেকৈ থাকোনো তোমাকে ঐ পাহৰি।'

বিভিন্ন সম্প্ৰদায় যেনে আহোম, মিচিং, কোঁচ, কলিতা, দেউৰী, কৈৱৰ্ত, মুছলমান, চুতীয়া, সোণোৱাল, ব্ৰাহ্মণ, কায়স্থ আদি বিভিন্ন জনগোষ্ঠীৰ একেলগ কৰি মিলনৰ থলী কৰিছে। চকু চাটমৰা সাজপাৰ পৰিধান কৰি মিচিং ভাই-ভনীইঁতেও চিচুগছৰ তলত নাচি-বাগি গায় আনন্দত মতলীয়া হয়।

সমন্বয়ৰ সূতা গাঁঠি, স্বকীয় মহিমাৰে দেউৰী ডেকা-গাভৰুৰ কণ্ঠতো প্ৰাণ পাই উঠে জাত জাত বিহুনাম। তাল-মানৰ চাৱে চাৱে চিচুগছৰ তলত শৰীৰৰ ঘাম পেলাই জোৰে-

"চাৰিকড়ীয়া লেহেঙনা          কেনদে বুজি পাই
          বালিদেউৰী লেহেঙনা কেন,
য়য় বাবাই লেহেৰণ          গগই কাকাই লেহেৰণ
          আঃনা যদি চছু মোজা লেন।"

বিহুৱলিয়া জনস্ৰোতৰ মাজে মাজে জাক জাক বিহুৱা-বিহুৱতী। কেউফালে মাথো ঢোল-পেপা-গগনাৰ মিশ্ৰিত প্ৰতিধ্বনি। বিহু বিষয়ক বিভিন্ন প্ৰতিযোগিতা সমূহ স্বকীয় বৈশিষ্ট্যৰে তিনিদিনীয়া কাৰ্যসূচীত সমাপণ কৰা হয়। প্ৰতিযোগিতাসমূহ - টকা বিহু, চেমনীয়া হুঁচৰি, পূৰ্ণবয়স্ক হুঁচৰি, বিহুৱা, ঢুলীয়া, বিহুৱতী, পেঁপাবাদক (চেমনীয়া-পূৰ্ণবয়স্ক উভয়ৰে), ফুলাম গামোছা প্ৰতিযোগিতা, মুকলি বিহু প্ৰতিযোগিতা আদি অনুষ্ঠিত হয়। চিচু গছৰ তলত হোৱা মুকলি বিহু-চেমনীয়া, পূৰ্ণবয়স্ক, টকা বিহু আৰু মিচিং বিহু আৰু অন্তিমদিনাৰ বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰাই ঢকুৱাখনাৰ ফটবিহুৰ বিশেষ আকৰ্ষণ। সকলো অতিক্ৰমী বিহুৱলীয়া সকলোৱে ইফালৰ পৰা সিফালে আগবাঢ়ে এটাই চিন্তা কৰি-বিহু বিহু বুলি বিহুকে বিনাবা, বিহু গ'লে বিনাবা কাক?

সমালোচনাৰ উৰ্দ্ধত কোনো বিষয়ে আগনাবাঢ়ে। ফটবিহুৰ স্বকীয় বৈশিষ্ট্যসমূহৰ ওপৰত আঙুলিয়াই থাকিলেহে অতীতৰ ফটবিহুৰ ঐতিহ্য অটুত থাকিব। বৰ্তমান মেলা-মুখী হ'বলৈ আৰম্ভ কৰা ফটবিহুকো ৰাজনীতিৰ পৰা আঁতৰাই ৰাখিব লাগিব। আনহাতে চৰকাৰৰ পৃষ্ঠপোষকতাৰ স্বত্বেও ঢকুৱাখনাৰ মূগা সূতা, মূগাৰ সাজযোৰৰ যাতে ভেজাল হোৱাৰ পৰা আঁতৰত থাকে সেইয়াও চকু ৰাখিব লাগিব। ফটবিহুত জড়িত মূগাশিল্পৰে ঢকুৱাখনাৰ সাংস্কৃতিক পৰিচয় অটুত থাকক। আহক আমি সৰে মিলি মূগাৰ সাজ-পোছাক পৰিধান কৰি ফটবিহুলৈ যাওঁ।

সহায়ক পুথি -
বিহুৱান (অষ্টাদশ সংখ্যা)
সম্পাদক- ড° জিতৰাম কলিতা
বিহুৱান (চতুৰ্বিংশ সংখ্যা)
সম্পাদক - হেমন্ত কুমাৰ বৰুৱা

*লেখিকাৰ ঠিকনা —ইংৰাজী প্ৰৱক্তা,
ঢকুৱাখনা কমাৰ্চ কলেজ, ঢকুৱাখনা*

বিহুবোৰ আহে আৰু যায়। কোনোৱে পালন কৰে কিছুমানে লালন-পালন কৰে। বহুতে বাপতি সাহোন এই বিহু উৎযাপন কৰে, কিছুমানে নিজৰ জীৱন যাপন কৰে। উপভোগ কৰে। দুই-এক কমিটী চাবলগীয়া। বাচকবনিয়া। বছৰ বছৰ ধৰি একেটা পৰিয়ালৰে একেজন ব্যক্তিয়ে বহি লয় মূল পদবীত। এবাৰ যদি সম্পাদক, তাৰ পিছৰ বছৰ সভাপতি। কমিটী গঠনৰ মিটিঙৰ দিনা প্ৰস্তাৱক-সমৰ্থকক পকেটত ভৰাই অনাদি ফিটিং কৰি আনে।

# গামোচা

বাপন কলিতা

সভা-সমিতি, সম্বৰ্ধনা, ৰাজনীতি গামোচা নহ'লে নচলে। বিহু আহিলে গামোচাৰ গুৰুত্ব বাঢ়ে, সমাদৰ কেইবাগুণে বাঢ়ে। আলিয়ে-গলিয়ে গামোচাৰ বজাৰ বহে। সৰুতে বিহুৰ সময়ত শালত বোৱা গামোচা পুৰণা বাতৰি কাকতৰে মেৰিয়াই মামাই চাইকেলৰ পিছফালৰ কেৰিয়াৰখনৰ চেপেনাত লৈ আহিছিল। মামাই-চাইকেলৰ পৰা সৰুকৈ জাপ এটা মাৰি চোতালত নমাৰ লগে লগে আমাৰ চকুহাল চাইকেলৰ কেৰিয়াৰলৈ যায়। মনত আনন্দৰ জোৱাৰ ব'বলৈ ধৰে। ফুৰ্তিতে বহু সময় মনে মনে মিচিক-মাচাককৈ হাঁহি থাকো। বিহুৰ দিনা আয়ে গামোচাখন গাত দিয়ে। তাৰ মাদকতা ভাষাৰে বৰ্ণনা কৰি শেষ কৰিব নোৱাৰি। আমৃত্যু পাহৰিব নোৱাৰি।

এতিয়াৰ ব'হাগ বিহুৰ গামোচাৰ মূল্য আগতকৈ বহুত বেছি। কিছুমান সাহিত্যিকে যেনেকৈ 'বঁটা' কিনে, সন্মান কিনে, তেনেকৈ কিছুমান বিহু কমিটীয়ে কেইখনমান গামোচা অতিৰিক্তকৈ কিনি থয়। মূলধন কৰি লয়। সেইখিনি সময়ত সদ্ব্যৱহাৰ কৰে। সহজ কথাত ক'বলৈ হ'লে সময়ত নিলামত বেচে। একোখন গামোচাৰ দৰ দুই তিনি হাজাৰৰ পৰা লাখৰ ঘৰত নিলাম হয়। কিছুমান মানুহৰ পইচাৰ অভাৱ নাই, লিখা-পঢ়া নাই। সামাজিক জীৱনত বিন্দুমাত্ৰও অৱদান নাই। শহৰৰ ঘৰৰ বাহিৰে অঙহী-বঙহী, প্ৰতিবেশীৰ স'তে অহা-যোৱা নাই। কিন্তু মা লখিমীৰ কৃপা দৃষ্টিত তেওঁলোকৰ জয়জয় ময়ময়। তেওঁলোকে নিত্য নৈমিত্তিক সকলো ব্যৱহৃত বস্তু যোগাৰ কৰি উঠি আজৰি হৈ এই বিভাগটোত মনোযোগ দিয়ে। মাঠা মাৰে। তেওঁলোকক চাৰিআলিৰ চ'কৰ পাণ দোকানীজনেও গুৰুত্ব নিদিয়ে। দিয়াৰ অংকও নাই। সেয়েহে তেওঁলোকে বিহুৰ সময়ত এই সুবৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ মেকুৰীয়ে ভজা মাছলৈ চোপ লৈ থকাৰ দৰে ভিতৰি ভিতৰি ব্যাকুল হৈ পৰে। এই সময়ত যদি বিশিষ্ট অতিথি, নিমন্ত্ৰিত অতিথি নাইবা সম্বৰ্ধনাৰ তালিকাত নিজৰ নামটো কোনো মতে, চলে-বলে-কৌশলে সুমুৱাই লৈ মঞ্চত বেঙেনাফুলীয়া হাঁহি এটা মাৰিব পাৰে তেতিয়া তেওঁলোকৰ জীৱনটো সাৰ্থক হৈ পৰিব। মন্ত্ৰী, এম এল এৰ পৰা ৰথী মহাৰথীয়ে গুৰুত্ব দিবলৈ বাধ্য হ'ব। তাৰে ফটো এখন ড্ৰয়িংৰুমত সুন্দৰকৈ আঁৰি থ'ব। ঘৰত পুত্ৰ-পৰিবাৰৰ ওচৰত বুকুখন আধা ইঞ্চিমান ফুলাব পাৰিব।

এনেকৈ বিহুবোৰ আহে আৰু যায়। কোনোৱে পালন কৰে কিছুমানে লালন-পালন কৰে। বহুতে বাপতি সাহোন এই বিহু উৎযাপন কৰে, কিছুমানে নিজৰ জীৱন যাপন কৰে। উপভোগ কৰে। দুই-এক কমিটী চাবলগীয়া। বাচকবনিয়া। বছৰ বছৰ ধৰি একেটা পৰিয়ালৰে একেজন ব্যক্তিয়ে বহি লয় মূল পদবীত। এবাৰ যদি সম্পাদক, তাৰ পিছৰ বছৰ সভাপতি। কমিটী গঠনৰ মিটিঙৰ দিনা প্ৰস্তাৱক-সমৰ্থকক পকেটত ভৰাই অনাদি ফিটিং কৰি আনে। পদবী নিৰ্বাচনৰ সময়ত এওঁলোকে থিয় হওঁ হওঁকৈ থাকে। সভাপতিৰ 'স'টো উচ্চাৰণ হ'লেই বহাৰ পৰা সাউতকৈ উঠি প্ৰস্তাৱ কৰে। দিহা নামৰ দাইনা-পালিৰ দৰে সমৰ্থকেও তেওঁৰ মুখৰ পৰা কথাখিনি টানি নি ক'বলৈ ধৰে— 'উক্ত প্ৰস্তাৱটি মই সাদৰেৰে সমৰ্থন কৰিলোঁ।' এইসকল ঠিক ভাটো চৰাইৰ দৰে, গিৰিহঁতে যেনেকৈ শিকাই তাকে কয়। কৰে।

মান-সন্মানৰ উপৰি এই পদবীবোৰৰ কিছুমান অতিৰিক্ত লাভ থাকে। বেংকৰ চেক সদৃশ ৰচিদ বহীকেইখন এওঁলোকৰ বাবে ললীপপ। শালি ধানৰ কঠীয়াতলি। ছমাহ-বছৰ দিন চেৰেক ঘৰ-সংসাৰ সুন্দৰকৈ চলায়। ঘৈণীয়েকৰ শাৰী, ছেণ্ডেল, কাপোৰ-কানিতে ক্ষান্ত নাথাকি কিছুমানে দুচকীয়া-চাৰিচকীয়া পৰ্যন্ত বগৰাই দিয়ে। সেয়েহে এই লোভনীয় প্ৰবৃত্তিটো এওঁলোকে সহজতে আনক এৰি দিবলৈ কষ্ট পায়। যেন কলিজাৰ এফাল যায়।

ব'হাগত বৰদৈচিলা, কুলী-কেতেকীৰ আগমনৰ লগে লগে কিছুমান অচিনাকী ডেকা মুখৰ আগমন ঘটে। দিনত তেওঁলোকে ৰাস্তাই-ঘাটে বাইকৰ 'ষ্টাণ্ট' কৰে। চাৰিআলি-তিনিআলি, নলাৰ পকী পুলৰ ওপৰত আড্ডা দি চিগাৰেটৰ ধোঁৱাৰ কুণ্ডলী উৰুৱায়। 'চিখৰ'ৰ খালী পেকেটৰে ৰাস্তা পথৰা কৰে। সন্ধিয়া হ'লে তেওঁলোকৰ ৰূপ-ৰং, ধং, চাল-চলনৰ নাটকীয় পৰিৱৰ্তন ঘটে। যেন ময়ূৰে পেখন ধৰে।

তাৰ মাজতো শালৰ মাজত শিপ্তি হৈ অসমীয়া জাতিৰ প্ৰাণ বিহুটিক কিছুমানে শুদ্ধভাৱে উত্থাপন কৰিবলৈ চেষ্টা কৰি আছে। বিশেষকৈ পূব প্ৰান্তৰ অসমীয়া মানুহখিনিৰ এচামে বিহুক মঞ্চতে সীমাবদ্ধ কৰি নাৰাখি অসমীয়া জাতিৰ পৰম্পৰা ৰক্ষা কৰি চিৰাচৰিত প্ৰথাৰে বিহুক প্ৰকৃত মান দিবলৈ সক্ষম হৈছে। ইয়াৰ অন্যতম নিদৰ্শন হ'ল ধেমাজি-ঢকুৱাখনাৰ চাৰিকাড়িয়া নৈৰ পাৰৰ ফাট বিহু। সেইখিনি মানুহে আমাৰ বিহুৰ পৰম্পৰাক শুদ্ধভাৱে এতিয়াও জীয়াই ৰাখিছে। পৰম্পৰা অবিহনে কোনেও এটা সুস্থ-সবল জাতিৰ কথা চিন্তা কৰিব নোৱাৰে। কৃষিৰ লগত সম্পৰ্ক থকা আমাৰ বিহু এনেকৈ কেলটেপ কেলটেপকৈ হ'লেও ভৱিষ্যতে কিছুমানে জীয়াই ৰাখিব। অৱশ্যে তাৰ সমান্তৰালভাৱে অসমীয়া জাতিৰ নামত কলংক এচামে নিজক নিচিনি, জাতিক নিচিনি সাময়িক আনন্দৰ কাৰণে নিজৰ অস্তিত্বক বিসৰ্জনো দিবলৈ যে কুণ্ঠাবোধ নকৰিব সেইটোও সত্য।

এদিন সন্ধিয়া বাৰান্দাত বহি শ্ৰীমতীৰ লগত সুখ-দুখৰ কথা পাতি আছো। তেওঁৰ লগত একে লগে সন্তোষেৰে থাকো যদিও চাকৈ-চকোৱাৰ দৰে কাচিৎহে এনেকুৱা সৌভাগ্য ঘটে। পতি-পত্নী দুয়ো চাকৰি কৰিলে সময়ে নাটে। সন্ধিয়া বাৰান্দাৰ লাইটটো নুমুৱাই দি তেওঁৰ লগত বহু দিনৰ মূৰত অকণমান

পাতল কথাৰ আৰম্ভণি কৰিছিলো মাত্ৰ। এনেতে পাঁচ-ছয়জনীয়া ডেকা ল'ৰাকেইজনমানে গেট খুলি আমাৰ ওচৰত থিয় হ'লহি। মই তেওঁলোকৰ আগমনৰ উদ্দেশ্য কি বুলি সুধিবলৈও নাপাওঁতেই বেমাৰী মুৰ্গীৰ দৰে ডিঙিটো টেৰা-বেঁকা কৰি হাত-ভৰি জোঁকাৰি এজনে ক'বলৈ ধৰিলে— 'আংকেল, আমি মানে বিহু চেলিব্ৰেচন কমিটীৰ পৰা আহিছোঁ।' মই নুবুজাৰ ভাও ধৰি পুনৰ সুধিলো— 'বাপু, বুজি পোৱা নাই।' —'মানে এইবাৰ আমি ইয়াৰ এল পি স্কুলৰ ফিল্ডত বিহু ফানচন এটা অৰ্গেনাইজ কৰিছোঁ। তাত আপোনাক গেষ্ট হিচাপে ৰাখিছো।'

বিহু কমিটীখনৰ সভাপতি-সম্পাদকৰ কথা সোধাৰ লগে লগে কোনোবা এজনে যদি কয়— 'মোৰ ডেডী সভাপতি' কোনোবাই কয়, 'মোৰ মাম্মি কালচাৰেল ছেক্ৰেটাৰী।' কথাখিনি কৈ ল'ৰাহঁত আঁতৰি গ'ল। শ্ৰীমতী আৰু মই সুন্দৰ দৃশ্যটো চাই থাকিলো। ল'ৰাকেইটাৰ মুখমণ্ডলৰ প্ৰতিচ্ছবিত সিহঁতৰ মাক-দেউতাকৰ ছবিকেইখন যেন ভাঁহি উঠিছে। বাপ চাই বেটা।

বিহুৰ দিনা ফোনৰ উপৰি ফোন। অনিচ্ছা সত্ত্বেও সময় মতে গ'লো। মঞ্চৰ সন্মুখত উন্মোক্তাই আথে বেথে বহুৱালে। দুটামান ডাঙৰ ছাউণ্ড ব'ক্ত হিন্দী গান বাজি আছে— চিংগে স্কিন চিংগে স্কিন। 'ছাৰ বটল ভদ্‌কা...।' 'পানী পানী পানী...' সংগীতৰ তালে তালে সোঁ ভৰিখনৰ পতা মাটিত মাৰি মাৰি মুখৰ ভিতৰতে চিংগে স্কিন আওঁৰাইছো। আমাৰ ঘৰলৈ যোৱা বাবাকণহঁতে জিনছ পেন্টৰ লগত দীঘল কামিজ একোটা পিন্ধি পায়চাৰি কৰি ফুৰিছে। হাড়গিলাৰ দৰে কামিজটোৱে যেন সিহঁতক গিলি পেলাইছে। এঘণ্টা-দুঘণ্টা-তিনি ঘণ্টা গ'ল। থম থম মদন গোপাল হৈ বহি আছো। মঞ্চত আতি গুৰি নোহোৱাকৈ যিয়ে তিয়ে গান গাই আছে। সুৰ-তালৰ সামঞ্জস্য নাই। এজনৰ পৰা গম পালো তেওঁলোক বেছিভাগ কমিটীৰ মানুহৰ অণ্ডহী-বণ্ডহী। জীৱনত কন্মিন কালেও গানৰ কলি এটাও আওঁৰাই পোৱা নাই। কমিটীৰ কৃপাত তেওঁলোকে মঞ্চত উঠি নিশাৰ ভিতৰতে গায়ক হৈ পৰিছে। গান গাই কাণ ঘোলা কৰিছে। দৰ্শকক বিৰক্তি দিছে। অতিষ্ঠ হৈ কে'বাবাৰো গুচি আহিবলৈ চেষ্টা কৰিছিলো। তেতিয়া সিহঁতে জোৰকৈ বহুৱাই কয়, 'এই সভা আৰম্ভ হ'বই। নিশা 'পিক্‌চু'ৰ বিশেষ আকৰ্ষণীয় গানৰ অনুষ্ঠান আছে।' খঙেৰে সুধিলো, 'কোন এই পিকচু? নে পিশাচ?

এটা সময়ত সভা শেষ হ'ল। নিশা দুপৰ হ'ল। মঞ্চত পঞ্চাশজন মান মানুহক ফুলাম গামোচা পিন্ধালে। তাৰে কিছুমানৰ চেহেৰালৈ চালে গভাইত চোৰ-ডকাইত, চিটিবাছৰ পকেটমাৰ যেন লাগে। তেওঁলোকে কুৰ্তা-পায়জামা পিন্ধি দাঁত নিকতাই মঞ্চলৈ উঠি গৈ, ডিঙিত গামোচা, মূৰত জাপি লৈ নামিছে। দুজনমানে গ্ৰীণৰুমৰ ভিতৰলৈ মাতি নি আথে-বেথে বহিবলৈ দিলে। ক্ষন্তেক পিছতে বিশজন মান ডেকা-গাভৰু, আদহীয়া মানুহ আহি মোক অনুনয়-বিনয় কৰি ক'বলৈ ধৰিলে— 'আমুকক অকল গামোচা পিন্ধাইছো— পাঁচ হাজাৰ দিছে। তমুকক গামোচা জাপি দিছো— দহ হাজাৰ দিছে। মেধিদাক চেলেং চাদৰ পিন্ধাইছো— পঞ্চাশ হাজাৰ দিছে। আপোনাক গামোচা, জাপি, সম্বৰ্ধনা পত্ৰ সকলো দিছো কিমান দিয়ে ইয়াত নিজে লিখি দিয়ক।' মোৰ মূৰত সৰগ ভাঙি পৰা যেন লাগিল। মাতবোল বন্ধ হৈ গ'ল। কথাবোৰ ভাবি খং উঠিল, দুখো লাগিল। দুখ লাগিল জাতিটোৰ বাপতি সাহোন এই বিহুটিলৈ। ক'ৰ পৰা ক'লৈ গ'ল এই বিহু। অসমীয়া জাতিৰ একমাত্ৰ মৰমৰ, আদৰৰ, সন্মানৰ এই গামোচাখনৰ কিছুমানৰ কাৰণে বিলৈ-বিপত্তি নোহোৱা হ'ল। গামোচাখন পণ্যবস্তুৰ দৰে নিলাম হ'ল। টেটু ফালি চিঞৰিবলৈ মন গৈছিল— হে আই, সুজলা-সুফলা, শস্য শ্যামলা অসম মাতৃ, তোমাৰ আদৰৰ, অসমীয়াৰ হেঁপাহৰ গামোচাখনৰ অৱস্থা চোৱা। অসমীয়াৰ সন্মানৰ গামোচাখনৰ মৰ্যাদা ৰক্ষা কৰিবলৈ সিহঁতক সুমতি দিয়া।.

---

লেখকৰ ঠিকনা— হাতীগাওঁ, গুৱাহাটী





# ফাটবিহু প্ৰাপ্তবয়স্ক হ'ল

ভাস্কৰ দাস

ফাটবিহু ঢকুৱাখনাবাসীৰ মনৰো মনৰ, প্ৰাণৰো প্ৰাণৰ। সৌ সিদিনালৈকে ঢকুৱাখনা চৰকাৰী মজলীয়া বিদ্যালয়ৰ খেলপথাৰৰ মাটিতে উমলি-জামলি ডাঙৰ হ'বলৈ বিচৰা ফাটবিহু এতিয়া প্ৰাপ্তবয়স্ক হ'ল। ফাটবিহু নিজৰ শ্ৰীবৃদ্ধি হ'ল, মান-সন্মান বুজি পোৱা হ'ল। চাৰিকড়ীয়া নদীৰ বুকুত সাঁতুৰি-নাদুৰি ফাটবিহু যৌৱনা হৈ প্ৰাপ্তবয়স্ক হ'ল। আজি কালি ফাটবিহুৱে তাহানি দদাইদেৱে দেখুওৱা কাঠৰ চৰাই খেল দেখা নাপায়। ৰামেশ্বৰ ওজাই তীখাৰ মেদেল বোৰ গাত ওলোমাই ঢোল বজোৱা আজিও ফাটবিহুৱে পাহৰিব পৰা নাই। গছৰ ডাল পুতি পুতি ফাট বিহুক ছাঁ দিয়া আজিও ফাটবিহুৰ মনত আছে। ফাটবিহুৰ মনত আছে আৰু বহুতো কথা। ফাটবিহুক সজাবলৈ তেতিয়াৰ দিনত মাত্ৰ যোল্ল বা উনত্ৰিশ টকা প্ৰয়োজন হৈছিল। আজি কালি ফাটবিহুক সজাবলৈ কেইবালাখ টকাৰো প্ৰয়োজন হয়। হ'ব কাৰণ এতিয়া ফাটবিহু ডাঙৰ হ'ল। নিজা মান-অভিমান বুজিব পৰা হ'ল। ফাটবিহু মনত আছে যেতিয়া গছৰ ডাল পুতি পুতি ছাঁ দিছিল তেতিয়া ফাটবিহুৰ কেইজনমান অভিভাৱকে এই কথাত দুখ পাইছিল। ফাটবিহুক নোবাই তুলনি বিয়াৰ লগত বিজনি দিছিল। বহু মত-অমতৰ বিনিময়ত সেইবাৰলৈ সেইকেইজন অভিভাৱককে ফাটবিহুক সজাবলৈ দায়িত্ব দিয়া হ'ল। ফাটবিহুৱে বেয়া নাপালে কাৰণ তেওঁ মঞ্চত উঠিব। এতিয়া কোৱাৰ দৰে পেণ্ডেল সাঁজি ফাটবিহুক মঞ্চত নাচিবলৈ এৰি দিলে। সেইযে এৰি দিলে এতিয়া আৰু সেই সকল অভিভাৱকক ফাটবিহুৱে দেখা পোৱা নাই। এনেবোৰ কাৰ্যত

ৰং লাগিলেও ফাটবিহুৰ দুখো লাগে। তথাপি ফাটবিহুৱে নিজৰ সাহ আৰু ধৈৰ্য হেৰুৱাই দিয়া নাই। ফাটবিহুক প্ৰকৃতিৰ মনোমোহা দৃশ্য দেখুৱাবলৈ আমাৰ মন গ'ল। ফাটবিহুৰ অভিভাৱকসকলে আলোচনা কৰি ফাটবিহুক গছ-গছনিৰে ভৰা এডোখৰ ঠাইলৈ লৈ যোৱা হ'ল। ফাটবিহুৰ গাত যেন নতুন ৰং লাগিল। প্ৰকৃতিৰ পৰশ পাই ফাটবিহু লহ-পহকৈ বাঢ়ি আহিল। অসমৰ এজন বিখ্যাত ঢোলৰ ওজাৰ লগত ফাটবিহুৰ চিনাকি হ'ল। অসমৰ এজন বিশিষ্ট শিক্ষাবিদ, কটন কলেজৰ অধ্যাপকৰ লগত ফাটবিহুৱে ভাব বিনিময় কৰিবলৈ পাই বৰ ৰং পালে। গাত বল পালে। ধন্য হ'ল ফাটবিহু।

ফাটবিহু নিজস্ব ৰূপত সজাবলৈ, পৰম্পৰা ৰক্ষা কৰিবলৈ ফাটবিহুক নিজৰ ঘৰলৈ অনা হ'ল। সাঁজি দিয়া হ'ল এটি ঘৰ, প্ৰকৃতিৰ বুকুত চিকুণাই দিয়া হ'ল এখন চোতাল। এতিয়া আৰু ফাটবিহুৱে ঠাই সলনি নকৰে। ফাটবিহুৰ মন ভৰি পৰিল। ঠিকনা পালে ফাটবিহুৱে -- ম'হঘুলি চাপৰি।

ফাটবিহুক যে আজিকালি বহুতে চিনি পায়। অভিনেতা-অভিনেত্ৰী, সাহিত্যিক, সমালোচক, সাংবাদিক, ৰাজনৈতিক নেতা, সমাজৰ আগশাৰীৰ মহান শিল্পীসকলে। তেওঁলোকে ফাটবিহুক বহুত মৰম কৰে, কৰে শ্ৰদ্ধাও। ভাবি মোৰ মন ভাল লাগে। আনন্দ লাগে। সেই সকল নগৰ চহৰৰ পৰা আহি মহান ব্যক্তিয়ে ফাটবিহুক আশীৰ্বাদ দিয়ে, মৰম কৰে আৰু উপদেশো দিয়ে। ফাটবিহুৰ যে নিজা মান-অভিমান আৰু সন্মান আছে সেইসকল মহান ব্যক্তিয়ে বুজি যায়। পুনৰ লগপোৱাৰ প্ৰতিশ্ৰুতিৰে প্ৰতিজন মহান ব্যক্তিয়ে ফাটবিহুক বাৰম্বাৰ কৈ যায়।

ফাট বিহুৱে এটা কথা বুজি পায়। তাহানি কংগ্ৰেছ মহাসভা আয়োজন কৰোতে তেতিয়াৰ মুখ্যমন্ত্ৰী জননেতা শ্ৰদ্ধাৰ শৰৎ চন্দ্ৰ সিংহদেৱে চুৰিয়া কোঁচাই যিদৰে কাম কৰিছিল ঠিক ফাটবিহুৰ বাবেও তেনেদৰে কাম কৰা কিছু অভিভাৱক আছে আৰু থাকিব। সেই লৈ ফাটবিহুৱে গৌৰৱ কৰে। তথাপি ফাটবিহুৰ ঘৰখনে ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ লক্ষ্যৰে বিভিন্নজনক দায়িত্বসমূহ এৰি দিব লগা হয়। কিন্তু এতিয়া কথাটো ভাবিবৰ হ'ল। ফাটবিহু প্ৰাপ্তবয়স্ক হ'ল। এতিয়া ফাটবিহুক যাৰে তাৰে লগত এৰি দিব পৰা নাযায়। দেশ কাল আজিকালি বেয়া হৈছে। ফাটবিহুৰ নিজা ঘৰ আছে, নিজা চোতাল আছে আৰু ফাটবিহুৱেও কোনটো ভাল, কোনটো বেয়া বিবেচনা কৰিব পৰা হ'ল। আমাৰ দায়িত্ব ফাটবিহুক চাৰিকড়ীয়াইদি বৈ গৈ সোৱণশিৰিত পৰি ব্ৰহ্মপুত্ৰৰ জৰিয়তে সাগৰত সাঁতুৰিবলৈ বাট-পথবোৰ এৰি দি নিকা কৰি দিয়া। ডাঙৰ হোৱাৰ লগে লগে ফাটবিহুৰ প্ৰতিও অভিভাৱকসকলৰ দায়িত্ব বাঢ়ি আহিছে। আমি সৰে ফাটবিহুক বিশ্বৰ দৰবাৰলৈ নিব নালাগে। বিশ্বৰ মানুহে নিজে আহি ফাটবিহুক চাই যাবহি আৰু ফাটবিহুৰ মৰম-চেনেহ তেওঁলোকে বুকুত বান্ধি লৈ যাব। চাৰ যদি ফাটবিহুৰ মান-অভিমান, লাজ, সুখ-দুখৰ কথা আমি অভিভাৱকসকলে অনুভৱ কৰো, বুজিবলৈ চেষ্টা কৰো তেন্তে ফাটবিহু এদিন বিশ্বৰ শ্ৰেষ্ঠ সুন্দৰী হ'ব। কেৱল চাৰিকড়ীয়াৰ বুকুৰেৰে সোৱণশিৰিৰ পৰশেৰে ব্ৰহ্মপুত্ৰৰ মাজেৰে সাগৰত সাঁতুৰিবলৈ ফাট বিহুক সুস্থ চিন্তা চৰ্চাৰে বাট মুকলি কৰি দিয়ক। চাৰ ফাট বিহু বিশ্ব দৰবাৰলৈ নিজে নিজে যাব। চিন্তাৰ কাৰণ নাই। ফাটবিহু এতিয়া প্ৰাপ্তবয়স্ক হ'ল।

---

*লেখকৰ ঠিকনা : বালিগাওঁ, ঢকুৱাখনা*
*দূৰভাষ- ৮৪৭২০৪৭৮৯৯*



ভাৰতীয় আৰু পাশ্চাত্যৰ উপাদানৰ আধাৰত মিশ্ৰ চিত্ৰশৈলী সৃষ্টি কৰা ভাৰতীয় চিত্ৰশিল্পীসকলৰ ভিতৰত অমৃতা শ্বেৰগীল অন্যতম আছিল। এনে চিত্ৰশিল্পীৰ ভিতৰত পুৰণি চিত্ৰৰীতিকে নব্যশৈলীৰূপে সজোৱাৰ ক্ষেত্ৰত অমৃতা শ্বেৰগীলৰ স্থান বিনাদ্বিধাই শীৰ্ষত বুলিব পাৰি। কম বয়সতে মৃত্যুবৰণ কৰা এই শিল্পীগৰাকীৰ শিল্পীজীৱন মাথোঁ ১৯৩৫ চনৰ পৰা মৃত্যুৰ সময়লৈকে সীমাবদ্ধ।

# চিত্ৰকলা জগতৰ পাশ্চাত্য আৰু প্ৰাচ্যৰ সমন্বিত প্ৰতিভা - অমৃতা শ্বেৰগীল

অতুল দত্ত

ভাৰতীয় চিত্ৰশিল্প জগতৰ এটি বিশিষ্ট প্ৰতিভাৰ নাম অমৃতা শ্বেৰগীল। ১৯১৩ চনত জন্মলাভ কৰি ১৯৪১ চনত জন্ম লাভ কৰি ১৯৪১ চনত মৃত্যুবৰণ কৰা অমৃতা শ্বেৰগীলে অতি চুটি সময়ৰ ভিতৰতে চিত্ৰকলাৰ জগতত দি থৈ গৈছে অফুৰন্ত প্ৰতিভাৰ পৰিচয়। হাংগেৰীৰ বুডাপেষ্ট চহৰত জন্ম লাভ কৰা অমৃতাৰ পিতৃ আছিল পঞ্জাবী চৰ্দাৰ উমৰাও সিং মাজিথিয়া। মাতৃ হ'ল হাংগেৰীৰ এগৰাকী অপেৰা গায়িকা। এণ্টনিয়। মাথোঁ উনত্ৰিশ বছৰীয়া জীৱনতেই শ্বেৰগীলে ভাৰতীয় শিল্পকলা জগতত যি শৈলীৰে প্ৰভাৱ বিস্তাৰ কৰি থৈ যায় সিয়েই পৰৱৰ্তী সময়ৰ ভাৰতীয় শিল্পী, কলাৰসিক, প্ৰধানতঃ মহিলা শিল্পীসকলক আকৰ্ষিত কৰিছে। অমৃতাৰ চিত্ৰকলা শিক্ষাৰ শুভাৰম্ভ হয় ইটালীৰ ফ্লৰেন্স চহৰত। অমৃতাৰ পৰিয়াল পেৰিছত থকাৰ সময়ত অমৃতাই 'ইকল নেচনেল দেছ বিউক্স আৰ্টছ'ত তিনি বছৰ ধৰি পিয়েৰ ভাইলান্ত আৰু লুছিয়েন ছাইমনৰ তত্ত্বাৱধানত ছবি আঁকিবলৈ শিকে। উক্ত সময়ছোৱাতে তেওঁ অঁকা ছবি 'ইয়ং গাৰ্লছ' বছৰৰ শ্ৰেষ্ঠ ছবি বিবেচিত হয়। এই সন্মান খুব কম বয়সতে অমৃতাই লাভ কৰে। জীৱনৰ প্ৰথমছোৱাৰ ছবিসমূহত পশ্চিমীয়া প্ৰভাৱ, বিশেষকৈ মাদিগ্লিয়ানিৰ প্ৰভাৱ অনুভৱ কৰা যায়।

১৯২১ চনত অমৃতা শ্বেৰগীলৰ ভাৰতলৈ প্ৰথম শুভাগমন হয়। অমৃতাই নিজেই কৈছে— 'যি মুহূৰ্তত আমি ভাৰতবৰ্ষত ভৰি দিলো, সেই মুহূৰ্তৰ পৰা মোৰ ছবিলৈ পৰিবৰ্তন আহিল। সেইবোৰ হৈ উঠিল ভাৰতীয় ছবি।' অমৃতা যেতিয়া ভাৰতলৈ আহে, তেতিয়া ভাৰতীয় ছবিৰ ধাৰা অৱনীন্দ্ৰ নাথ ঠাকুৰ আৰু তেওঁৰ সমসাময়িক চিত্ৰশিল্পীসকলৰ দ্বাৰা প্ৰভাৱিত আৰু প্ৰতিষ্ঠিত। অমৃতাৰ ব্যক্তিগত জীৱনত প্ৰাচ্য আৰু পাশ্চাত্য দুয়ো চিন্তা-দৰ্শনৰ প্ৰভাৱ আছে। এই দুই সংস্কৃতিৰ মাজত প্ৰতিপালিত আৰু পুৰুষতান্ত্ৰিক সমাজ ব্যৱস্থাত এগৰাকী চিত্ৰশিল্পী হিচাপে তেওঁ অলেখ ঘাত-প্ৰতিঘাত আৰু বৈপৰীত্যবোধৰ মাজত পালিত-পোষিত

হৈছিল। পাশ্চাত্য-মাধ্যম-অইল আৰু কেনভাছ। পশ্চিমীয়া কলা-দৰ্শনশৈলীক তেওঁ চিত্ৰশিল্পত ব্যৱহাৰ কৰিছিল। কিন্তু কেনভাছত যিসমূহ ছবি ফুটি উঠিছিল সেইবোৰে ভাৰতীয় চিত্ৰকলাশৈলীৰ সঁচাটোকে প্ৰকট কৰিছিল। ভাৰতীয় স্বকীয়া জীৱনধাৰা বিশেষকৈ দৰিদ্ৰ ভাৰতীয়ৰ অনুভূতি, সুখ-দুখৰ সমাহাৰ ঘটা জীৱন প্ৰস্ফুটিত হৈ উঠিছিল— শ্বেৰগীলৰ কেনভাছত। শ্বেৰগীলে অংকন কৰা ভাৰতীয় নাৰীৰ চবি বিশেষভাৱে গুৰুত্ব দিবলগীয়া। এই দৰিদ্ৰ লোকসকল যেন সমাজৰ পৰা পৃথক। প্ৰাপ্য স্থানৰ পৰাও যেন বিতাড়িত। তেওঁলোকৰ সামাজিক অৱস্থান আছে যন্ত্ৰণাৰ মাজতেই। দৰিদ্ৰসকলৰ দৰিদ্ৰতাই অমৃতাক দিছে মনোকষ্ট। সেইসকলৰ মাজতেই অমৃতাই অনুভৱ কৰিছে স্নেহ, সৌন্দৰ্য। বঞ্চিত অৱস্থাতো পাইছে জীৱনৰ প্ৰতি অনুৰাগ। প্ৰতিভা আৰু ৰূপৰ সমন্বিত স্বৰূপ অমৃতাৰ ব্যক্তিগত জীৱনক লৈও এসময়ত বহুতো চৰ্চা হৈছিল— পিছৰ পৰ্যায়তো হৈ থাকে। ভিন্ন সম্বন্ধৰ মাজেৰে অভিজ্ঞ হৈ উঠা শ্বেৰগীলে অৱশেষত এজন সম্পৰ্কীয় ভাতৃৰ স'তে বিবাহপাশত আবদ্ধ হয়। ছবি বিক্ৰীৰ পৰা বৰবেছি উপাৰ্জন হোৱা নাছিল। কিন্তু পিছলৈ শ্বেৰগীলৰ ছবি আকাশলংঘী মূল্যত বিক্ৰী হয়। শেহতীয়াভাৱে ১৯৩৪ চনতে অঁকা তেওঁৰ 'লেণ্ডস্কেপ ফ্ৰম মজিথা' নামৰ ছবিখন নিলাম হয় ৭৫ হেজাৰ ডলাৰত।

ভাৰতীয় আৰু পাশ্চাত্যৰ উপাদানৰ আধাৰত মিশ্ৰ চিত্ৰশৈলী সৃষ্টি কৰা ভাৰতীয় চিত্ৰশিল্পীসকলৰ ভিতৰত অমৃতা শ্বেৰগীল অন্যতম আছিল। এনে চিত্ৰশিল্পীৰ ভিতৰত পুৰণি চিত্ৰৰীতিকে নব্যশৈলীৰূপে সজোৱাৰ ক্ষেত্ৰত অমৃতা শ্বেৰগীলৰ স্থান কিনাদ্বিধাই শীৰ্ষত বুলিব পাৰি। কম বয়সতে মৃত্যুবৰণ কৰা এই শিল্পীগৰাকীৰ শিল্পীজীৱন মাথোঁ ১৯৩৫ চনৰ পৰা মৃত্যুৰ সময়লৈকে সীমাবদ্ধ। অৰ্ধেক ভাৰতীয় আৰু অৰ্ধেক পূৰ্ব উৰোপীয় হিচাপে পিতৃ উমৰাও সিং আৰু মাতৃ এণ্টনিয়ৰ ফালৰ পৰা দুই ৰক্তধাৰা প্ৰবাহিত হৈছিল। অমৃতাৰ চিত্ৰকৰ্মত সেয়া প্ৰতিফলিত হৈছিল। কোনো কোনো সমালোচকে অমৃতাৰ চিত্ৰকৰ্মৰ স'তে পল গঁগাৰ চিত্ৰকৰ্ম তুলনা কৰিছে। কিছু কিছু ক্ষেত্ৰত আপাত সাদৃশ্যও আছে। কিন্তু পাৰ্থক্যই বেছি পৰিলক্ষিত হয়। প্ৰথমতে গঁগাই টাইহিটি দ্বীপত আৱিষ্কাৰ কৰিছিল এটি নতুন দিশৰ বৈশিষ্ট্য সম্ভাৰ। কিন্তু ভাৰতীয় নাৰী হিচাপে অমৃতাৰ ভাৰততেই অৱস্থান। পল গঁগাৰ ছবিত ইন্দ্ৰিয় সম্ভোগৰ বিষয়ক যিমানখিনি চিন্তাৰ অনুষংগ প্ৰতিফলিত হৈছিল অমৃতাৰ ক্ষেত্ৰত এয়া বাস্তৱ বুলিব লাগিব। কিন্তু তাৰ পৰিবৰ্তে অমৃতাই অৱস্থান কৰিছিল ভাৰতীয় বাস্তৱতাৰ পৰিপ্ৰেক্ষিতত ইয়াৰ প্ৰাচীন সভ্যতা, ৰীতি-নীতি, দৰিদ্ৰতা আৰু সামাজিক দুৰৱস্থাত। কিন্তু এইবোৰ হ'ল চিত্ৰ বহিৰ্ভূত আলোচনা। চিত্ৰ অংকনত অমৃতাই আনিছিল ইম্প্ৰেছনিষ্টসকলৰ বৈশিষ্ট্য সম্ভাৰ। কিন্তু ভাৰতীয় ঐতিহ্যৰ প্ৰতি শ্ৰদ্ধাবশতঃ এই প্ৰভাৱ কম পৰিমাণেহে প্ৰতিফলন হ'ল। তেওঁ সহজাত প্ৰভাৱ বা ছায়া ত্যাগ কৰি ইয়াক ব্যৱহাৰ কৰিলে অলংকাৰ হিচাপেহে।

দ্বিতীয়তে ভাৰতীয় মিনিয়েচাৰৰ ঐতিহ্য অনুসৰি তিনিটা পোহৰৰ শিখা কোন ফালৰ পৰা আহিছে সেয়া স্পষ্টভাৱে দেখুওৱাত নিতান্তই উদাসীনতা পৰিলক্ষিত হৈছে। তৃতীয়তে অমৃতাই ইউৰোপীয় নৈসৰ্গিক চিত্ৰৰীতি গছ-বিৰিখ, গুল্ম-লতিকা-পাত এইবোৰ এৰি গ্ৰহণ কৰিছে ৰাজপুত মিনিয়েচাৰৰ আলংকাৰিক সৰলীকৃত ৰীতি। যিবোৰ দেখা যায় পাহাৰী মহিলা অথবা হলুড' পেছাৰ মহিলা আৰু উটৰ ছবিবোৰত। প্ৰতিটোৰেই যেন ভাৰতীয় মিনিয়েচাৰৰ দৰে নাট্যমঞ্চৰ বাবে অঁকা দৃশ্যসজ্জাহে। প্ৰকৃতি অচল বা জীৱন্ত নহয়, প্ৰকৃতি আভাস বা প্ৰতি আভাসহে। কিন্তু এনেবোৰ সত্ত্বেও আছে নতুন উপকৰণ, য'ত তিনিটা ধাৰাৰ সমন্বয় হৈছে। সেয়া হৈছে ইউৰোপীয় ৰীতিৰ সংৰচনা, সেয়া লাগিলে নিজৰ প্ৰতিকৃতিয়ে বোলক, 'ব্ৰহ্মচাৰী' চিত্ৰতেই কওক লাগিলে বা 'হলুড' পেছাতেই কওক। তদুপৰি আৰু এটি পূব-পশ্চিমৰ সমন্বয় তিনিটা দিশৰ পৰা কৰিছে। সেয়া হৈছে ভাৰতীয় কলা আৰু ব্ৰাউন ৰঙৰ পিঠিয়াপিঠিকৈ বিশুদ্ধ বগা ৰঙৰ ব্যৱহাৰ। যি বৈশিষ্ট্য নীৰদ মজুমদাৰৰ পুত্ৰ চিত্ৰভানুৰ ছবিত খুবেই দেখা যায়। আৰু সেইবাবেই দুয়োজনৰ ছবিত মানুহ বা অন্য প্ৰাণীৰ চকুবোৰ ট টকৈ উজলি উঠে। পূব-পশ্চিম সংৰচনাৰ সমন্বয় দেখা যায় বিশেষকৈ তেওঁৰ 'এলিফেণ্ট প্ৰমেনাড' ছবিখনত। আনহাতে উটৰ ছবিটিত পোৱা যায় পূৰা ভাৰ্টিকাল পশ্চিমীয়া সংৰচিত ৰূপ। এই সংৰচিত ৰূপ পায় তেওঁৰ লালমাটিৰ খেলনা হাতী' ছবিত। যদি '১৯৪০ চনৰ পৰা ভাৰতীয় চিত্ৰকলাৰ আধুনিক যুগ আৰম্ভ হৈছে বুলি ধৰা হয় তেতিয়া হ'লে এই যুগৰ অগ্ৰদূত হিচাপে বিনোদ বিহাৰী, ৰাম কিংকৰ বেইজ আৰু অমৃতা শ্বেৰগীলৰ নাম সৰ্বপ্ৰথমে ল'ব লাগিব।

এলিয়টৰ মতৰ দৰে বিনোদবিহাৰী, ৰামকিংকৰ, অমৃতা



শ্বেৰগীলৰ চিত্ৰপ্ৰণালী আৰু ৰবীন্দ্ৰ নাথৰ ছবিৰ কাঠামোৰ লগত, তাৰ দাৰ্শনিক চিন্তা-ভাৱনা আৰু মানৱজগত আৰু সমাজ সম্বন্ধে উপেক্ষা কৰিছে প্ৰাণৰ আকৃতিয়ে। অথবা সেই বিষয়ে অজ্ঞ হৈ কোনো আধুনিক ভাৰতীয় শিল্পীৰ পক্ষে সৃষ্টিকৰ্ম ১৯৪৫ চন পাৰ হৈ যোৱাটো সম্ভৱ নহ'লহেঁতেন। বেন্দ্ৰে, পানিকৰ, হেব্বৰ, গোপাল ঘোষ, চাভদা, ৰথীন মিত্ৰ, পি টি ৰেড্ডী নিশ্চয় ইয়াৰ পথিকৃত। তেওঁলোকৰ কৰ্ম হ'ল গৃহ নিৰ্মাণ। আৰু এই নিৰ্মাণ কৰ্মত ভাৰতীয় উপকৰণ— ৰেখা, লিপি, শাস্ত্ৰসম্মত যন্ত্ৰ তন্ত্ৰ, আকাৰ, প্ৰাচ্য অভিব্যক্তি নানা দিশৰ পৰা আহিছে। সকলো দিশৰ পৰা চাই তেওঁলোকে ডাঙৰ কাৰ্য সমাধা কৰিলে তৈল ৰঙক নতুন ভাৰতীয় ধাৰাত নিৰ্দ্বিধায়ে প্ৰতিষ্ঠা কৰি। তেওঁলোকে এই কথাটো প্ৰমাণ কৰিলে যে ভাৰতীয় ঐতিহ্যৰ পোহৰত বা পৰিৱেশত তৈল ৰং, টেম্পেৰাৰ দৰেই খাপ খাই পৰে। সঁচাকৈয়ে ইয়াৰ অভূতপূৰ্ব ঐশ্বৰ্যশালী ৰূপ আছে। সেয়া বিদেশী মাধ্যমৰ বুলি দূৰলৈ ঠেলি ৰখাই নহয়, বৰং সেয়া পৰিপূৰ্ণভাৱে আয়ত্ত কৰাহে নতুন যুগৰ শিল্পীসকলৰ একান্ত কৰ্তব্য।

ভাৰতীয় চিত্ৰকলা জগতত নতুন পথিকৃত হিচাপে দায়িত্ব আহি পৰিল ১৯০০ চনৰ পৰা ১৯১৫ চনৰ মাজত জন্ম হোৱাসকলৰ কান্ধত। এওঁলোকৰ অৱশ্যে সহায় হৈছিল অগ্ৰজ চিত্ৰশিল্পীসকলৰ পৰা। যেনেকৈ ৰবি বাৰ্মাৰ তৈল ৰঙৰ ব্যৱহাৰে শিল্পীসকলৰ উৎসুক ভাব জগাই তুলিছিল। তেওঁলোকৰ চিত্ৰ বিদ্যালয় আদিত শিক্ষা ড্ৰয়িং জল ৰং, টেম্পেৰা সত্ত্বেও গুৰুত্ব বাঢ়িছিল। ভেংকটাপ্পাই যেতিয়া কোনো আখ্যানক ৱলম্বন কৰি ছবি আঁকিছিল, লংকা দাহন বা স্বৰ্ণমৃগ বা ভগৱান বুদ্ধৰ তেতিয়া বেংগল স্কুলৰ ধাৰাত তিনিখন ছবি অঁকা হৈছিল। কিন্তু যেতিয়া উৎকামণ্ডেৰ নৈসৰ্গিক শোভা আঁকিছিল সেয়া পূৰ্ণ পৰ্যায়েৰে বিদেশী প্ৰভাৱযুক্ত ছবি বুলি ক'ব লাগিল। সন্মুখৰ গছ দুটি প্ৰায় 'ক্লাড লৰেন'ৰ বুলি কোৱা হয়। আনহাতে মহীশূৰৰ জয়চাম ৰাজেন্দ্ৰ আৰ্টগেলাৰীত ৰখা 'মহাশিৱৰাত্ৰি' ছবিটিক 'শংকৰ' বোলা হয়। এনে পৰিপ্ৰেক্ষিতত প্ৰাচ্য ৰীতিত, কিন্তু মাজৰ দুটি সামগ্ৰী আৰু পিছফালৰ বটবৃক্ষৰূপী পাশ্চাত্যৰ পৰিপ্ৰেক্ষিতত অংকন কৰা। গোবৰ্ধন অংশ আৰু অগ্ৰজ অতুল বসুৰ প্ৰতিকৃতি আঁকিছিল পূৰামাত্ৰাই বিদেশী শৈলীত।

মিশ্ৰশৈলীৰ আমদানি কৰিছিল ভবেশ সান্যাল, শৈলজ মুখাৰ্জী, বেন্দ্ৰে, কে চি এছ পানিকৰ, কে কে হেব্বৰ, গোপাল ঘোষ, কে এইচ আৰা, পি টি ৰেড্ডী আদিয়ে। এইসকলক দুই দলত ভাগ কৰিব পাৰি। এই দলে পুৰণিক ভাঙি গঢ়াত বেছি গুৰুত্ব দিছে অৰ্থাৎ ভাঙি নতুনৰ সন্ধান দিয়াৰ চেষ্টা কৰিছে। মূঠতে নতুনকৈ গঢ়া প্ৰৱণতা বেছি। এইসকলৰ মাজত আছে ভবেশ সান্যাল, বেন্দ্ৰে, পানিকৰ, হেব্বৰ, চাভদা, ৰেড্ডী আৰু আৰা। এইসকলৰ সেতুবন্ধ ৰীতি হ'ল লোকশিল্প আৰু লোকচিত্ৰৰ ৰেখা, চিত্ৰলিপিৰ স্থান আৰু তন্ত্ৰৰ আভাস। ভাৱানুষংগ, কম্প'জিচন বা সংৰচনাই হ'ল নতুন চিত্ৰৰীতি। কিন্তু উপাদান, অংগ-প্ৰত্যংগ ভাৰতৰ চিত্ৰ ইতিহাস সন্মত। যিসকলে নতুনকৈ গঢ়াৰ ফালে গুৰুত্ব দিছে। তাৰ ভিতৰত হ'ল বিনোদ বিহাৰী, অমৃতা শ্বেৰগীল, শৈলজ, কানওৱাল কৃষ্ণ, ৰাম কিংকৰ বেইজ, গোপাল ঘোষ আৰু ৰথীন মিত্ৰ। কিন্তু ইয়াৰ ভিতৰত অৰ্থাৎ দ্বিতীয় গোষ্ঠীৰ সৰ্বপ্ৰধান হ'ল ৰাম কিংকৰ বেইজ। শৈলজ, বিনোদ বিহাৰী, অমৃতা পৰলোকগত। তেওঁলোকৰ অৱদানে ঐতিহাসিক গুৰুত্ব লাভ কৰিছে। মকবুল ফিডা হুছেইনেও মৃত্যুৰ আগলৈকে অক্লান্তভাৱে 'চৰৈৱতী চৰৈৱতী' মহামন্ত্ৰেৰে আগবাঢ়ি গৈছিল। তথাপিতো মাজে মাজে যেন থমকি ৰ'বলগা হৈছিল। শৈলজ মুখাৰ্জীক সমালোচক, গ্ৰন্থকাৰ অশোক মিত্ৰই চিত্ৰকলা জগতৰ ঋত্বিক ঘটক আখ্যা দিছে। মূলতঃ তেওঁ পানী ৰং আৰু টেম্পেৰা ব্যৱহাৰ কৰিছিল। আছে ৰেখাৰ অনবদ্য সাৱলীল বিচৰণ। মানুহ আৰু প্ৰকৃতি দুই বিষয়তে সমান উৎসাহী। তদুপৰি তাত অশান্ত অন্যান্য পৰিপূৰক ভাব ফুটাই তুলিবলৈ, যত্নবান হৈছিল। কম্প'জিচন আৰু ৰঙৰ ব্যৱহাৰত ভাৰতীয় ৰীতিতকৈ ইউৰোপীয় ৰীতিৰ আশ্ৰয় বেছি লৈছে। সবাতোকৈ পুৰণি চিত্ৰৰীতিকে নতুনকৈ সজাই তোলাৰ দিশত অমৃতা শ্বেৰগীলৰ স্থান অশোক মিত্ৰই অবিসম্বাদিতভাৱে শীৰ্ষত বুলি কৈছে।

---

লেখকৰ ঠিকনা— 'সাদিন' কাৰ্যালয়, গুৱাহাটী

গল্প

ৰূপালীক এতিয়া সৰু হ'লেও চাকৰি এটাৰ খুবেই প্ৰয়োজন। দেউতাকৰ মৃত্যুৰ পিছৰেপৰা ঘৰখনৰ একমাত্ৰ অভিভাৱক হৈ পৰিছে ৰূপালী। তাইৰ ওপৰতে নিৰ্ভৰ কৰিছে ভায়েক-ভনীয়েক হালৰ ভৱিষ্যত আৰু মাকৰ জীৱনৰ সুখ-দুখ। ৰূপালীয়ে ইংৰাজী সাহিত্যত এম.এ. কৰি নেট পাছ কৰাৰ পিছতো চাকৰি এটা যোগাৰ কৰি ল'ব পৰা নাই।

# জীৱন বিলাস

**ৰাজীৱ বৰুৱা**

**ভাল মানুহ ঃ**

প্ৰিয়াৰ কথা মতেই দহ বজাৰ আগে আগে মন্ত্ৰী নবীন বৰাৰ কোৱাটাৰত গৈ উপস্থিত হ'ল ৰূপালী। মন্ত্ৰী বৰাৰ বিভাগত চাকৰিৰ ধুম উঠিছে। বহু নিবনুৱা যুৱক-যুৱতীয়ে খদমদম লগাইছে সাক্ষাৎকাৰ দি এটা চাকৰি লাভৰ বাবে। প্ৰিয়া ৰূপালীৰ স্কুলীয়া দিনৰে বান্ধৱী। তাই মন্ত্ৰী বৰাৰ বিভাগতে চাকৰি কৰে সচিবালয়ত। প্ৰিয়াই চাকৰি পাইছিল মন্ত্ৰীক মেনেজ কৰি। যোগ্যতা প্ৰবল নাছিল এটা চাকৰিৰ কাৰণে। মন্ত্ৰী বৰাৰ বিভাগত ওলোৱা চাকৰিৰ বিজ্ঞাপন পাই ৰূপালীয়ে আবেদন কৰিছিল। এই কথা তাই প্ৰিয়াক কৈছিল। ৰূপালীক এতিয়া সৰু হ'লেও চাকৰি এটাৰ খুবেই প্ৰয়োজন। দেউতাকৰ মৃত্যুৰ পিছৰেপৰা ঘৰখনৰ একমাত্ৰ অভিভাৱক হৈ পৰিছে ৰূপালী। তাইৰ ওপৰতে নিৰ্ভৰ কৰিছে ভায়েক-ভনীয়েক হালৰ ভৱিষ্যত আৰু মাকৰ জীৱনৰ সুখ-দুখ। ৰূপালীয়ে ইংৰাজী সাহিত্যত এম.এ. কৰি নেট পাছ কৰাৰ পিছতো চাকৰি এটা যোগাৰ কৰি ল'ব পৰা নাই। ঘৰুৱা টিউচন আৰু এটা ব্যক্তিগত বিত্তীয় প্ৰতিষ্ঠানৰ এজেন্ট কৰি পোৱা টকাৰে ঘৰ চলাইছে ৰূপালীয়ে। তাই বহু ব্যস্ততাৰ মাজতো বিভিন্ন সাক্ষাৎকাৰ দিছিল। কিন্তু একো উৎকোচ দিব নোৱাৰাৰ কাৰণেই ৰূপালী সাক্ষাৎকাৰত উত্তীৰ্ণ হৈও শেষ বাচনিত নুঠিছিল। সেয়ে তাই আৰু কোনোদিনে চাকৰি বিচাৰি সাক্ষাৎকাৰ নিদিয়াৰ সিদ্ধান্ত লৈছিল। প্ৰিয়াই ৰূপালীক বুজাইছিল- 'তই হতাশ নহ'বিচোন। এইবাৰ আকৌ ট্ৰাই কৰি চা ৰূপালী। প্ৰিয়াৰ সাহসে ৰূপালীক জীৱন যুদ্ধত বহু সকাহ দিছিল। তাই সেইয়ে যি কাম কৰে প্ৰিয়াক কয়। চাকৰিৰ সাক্ষাৎকাৰৰ প্ৰথম পৰ্য্যায়ত নগাঁৱতে হৈছিল। চূড়ান্ত সাক্ষাৎকাৰ গুৱাহাটীত হোৱাৰ কথা। নগাঁৱত দিয়া সাক্ষাৎকাৰত উত্তীণ হৈছিল ৰূপালী। খবৰটো প্ৰিয়াক জনাইছিল তাই। প্ৰিয়াই তেতিয়া ৰূপালীক কৈছিলঃ- গুৱাহাটীৰ ইণ্টাৰভিউৰ আগতে এবাৰ আহি বৰা ছাৰক লগ কৰি যাবি। তেখেতৰ চুপাৰিচমতেই চাকৰিৰ প্ৰাৰ্থী চূড়ান্ত কৰা হ'ব। ঃ- মইনো তেখেতক লগ কৰি কি ক'ম। মোকতো তেখেতে চিনিয়ে নাপায়। ৰূপালীৰ কথা শুনি প্ৰিয়াই প্ৰত্যুত্তৰ দিছিলঃ বুজিছ, বৰা ছাৰ ভাল মানুহ। তোৰ প্ৰবলেমবোৰ বুজাই দি চাকৰি এটাৰ যে বৰ প্ৰয়োজন তাকে কবি। তাৰ পিছৰখিনি কৰিবলৈ মই আছো নহয় তোৰ লগত। ঃ-ঠিক আছে। ৰূপালীয়ে প্ৰিয়াৰ কথামতেই আগবাঢ়িছিল। সেয়ে আজি নগাঁৱৰপৰা আহি মন্ত্ৰী নবীন বৰাৰ কোৱাটাৰত উপস্থিত হৈছেহি ৰূপালী বৰুৱা। ৰূপালীৰ ফোন পোৱাৰ অলপ সময় পিছতে প্ৰিয়াও পালেহি। মন্ত্ৰীৰ কোৱাটাৰৰ আগফালে থকা চকী দুখন অধিকাৰ কৰি দুইজনী বহিছিল। ৰবিবাৰ, গতিকে মন্ত্ৰীক সাক্ষাৎ কৰিবলৈ অহা মানুহ তেনেই কম। প্ৰিয়া প্ৰথমে মন্ত্ৰীৰ কক্ষলৈ সোমাই গ'ল। ৰূপালীয়ে মন্ত্ৰী নবীন বৰাক কথাবোৰ কেনেকৈ বুজাই ক'ব তাকে ভাবিলে! কেইমিনিটমানৰ পিছত প্ৰিয়া ওলাই আহিল আৰু ৰূপালীক ভিতৰ সোমাই যাবলৈ ক'লে। ৰূপালীয়ে নিজক প্ৰস্তুত কৰি আগবাঢ়িছিল...! সুগঢ়ী, সপ্ৰতিভ ছোৱালী ৰূপালীক দেখিয়েই মন্ত্ৰী নবীন বৰাই হাস্যবদনে স্বাগতম জনালে। বগা কুৰ্তা-পায়জামা পিন্ধা মন্ত্ৰীৰ স্বাগতমৰ কাৰবাৰ আৰু হাঁহিটো সমূলি ভাল নালাগিল ৰূপালীৰ। তাই বাহিৰত সেই ভাব নেদেখুৱালে। জোৰকৈ ৰূপালী সহজ হৈ এটা হাঁহিৰেই স্বাগতমৰ প্ৰত্যুত্তৰ দিছিল। ঃ- ইউ আৰ ৰূপালী, ফ্ৰম নগাঁও। মন্ত্ৰী বৰাই কথাষাৰ কৈ হাত আগবঢ়াইছিল কৰমৰ্দনৰ বাবে। ৰূপালীয়ে সপ্ৰতিভাৱে নমস্কাৰ জনাইহে ক'লেঃ- হয় ছাৰ! প্ৰিয়াই চাগৈ মোৰ বিষয়ে আপোনাক সকলো কৈছেই ! ঃ- হয় কৈছে, কৈছে...! অলপ অপ্ৰস্তুত মন্ত্ৰী নবীন বৰাই ৰূপালীৰ কথা প্ৰত্যুত্তৰ দি আৰু কৈছিলঃ ইচ, থিয় হৈ আছা কিয়? বহাচোন বহা। প্ৰিয়াৰ লগৰ যেতিয়া তুমি মোৰ একেবাৰে আপোন মানুহ। চাহ, কফি কি খাবা কোৱা? ঃ নাই, সেইবোৰ একো নালাগে ছাৰ, ৰূপালীয়ে প্ৰত্যাখান কৰাত মন্ত্ৰী বৰাই ক'লেঃ এহ, তুমি লাজ কৰিছা। নিসংকোচে কোৱা; একো নাই । কথাৰ চলতে মন্ত্ৰী ৰূপালীৰ কাষ চাপিল। এপাকত মন্ত্ৰীৰ হাতখন বাওসীত উঠিল। ৰূপালীৰ গাঁটো জিকাৰ খাই গ'ল। তাই কিং কৰ্তব্য বিমোৰ হ'ল। কি দৰকাৰত আহিছিলা কোৱা আকৌ! মন্ত্ৰীৰ হাতখন ক্ৰমে বাউসীৰ পৰা ক্ৰমে তললৈ নামি গৈছিল। ৰূপালীয়ে মন্ত্ৰী নবীন বৰাৰ উদ্দেশ্য বুজি উঠিছিল ঃ- লম্পট, বগলী ভকত...। প্ৰচণ্ড খঙত ৰূপালীয়ে তাইৰ গাত বিচৰণ কৰি থকা মন্ত্ৰীৰ হাতখন এচাৰ মাৰি এৰোৱাই ধুমুহাৰ গতিৰে ওলাই আহিছিল। আৰু বাহিৰত ৰৈ থকা প্ৰিয়াও ৰূপালীক অনুসৰন কৰি মন্ত্ৰী নবীন বৰাৰ কোৱাটাৰপৰা আঁতৰি গৈছিল।

**জীৱন বিলাস ঃ**

কি কৰিবলৈ আহিছিল ৰূপালী; আৰু কি কৰি থৈ আহিল মন্ত্ৰী নবীন বৰাৰ কোৱাটাৰত। কথাবোৰ ভাবি ৰূপালী চিন্তাক্লিষ্ট হৈ পৰিছিল। তাই মন্ত্ৰীক লগ কৰিবলৈ বুলি আহোঁতে এনে অস্তস্থিকৰ এক পৰিৱেশ যে সন্মুখীন হ'ব কল্পনা কৰিব পৰা নাছিল। প্ৰিয়াৰ ভোক লাগিছিল। পুৱা ৰূমতে ঠাণ্ডা ভাত কেইটামান খায় অহা। তেতিয়াৰেপৰা এই বিয়লিলৈকে একো এটাই মুখত দিয়া নাই। ঐ মোৰ বিৰাট ভোক লাগিছে অ' তোৰ লগা নাই? কিবা অলপ খাই লও ব'ল। প্ৰিয়াৰ আহ্বান শুনি ৰূপালীৰো পেটে কলমলালে। বিনা বাক্যব্যয়েৰে ৰূপালী প্ৰিয়াৰ লগত এখন ৰেষ্টুৰেণ্টত সোমাল। প্ৰিয়াই মেদবহুল শৰীৰটো চকী এখনত এৰি দি মেনু নোচোৱাকৈয়ে চিকেন আৰু চাওমিন দুই প্লেটৰ অৰ্ডাৰ দিলে। অৰ্ডাৰ লৈ যাব খোজা ৰেটাৰজনক লগতে দুটা অমলেটো আনিবলৈ ক'লে প্ৰিয়াই। ৰূপালীয়ে অন্য কিবা খাব নেকি, প্ৰিয়াই সুধিছিল। তাই ক'লেঃ তোৰ পচণ্ডৰ যি খাদ্য দিয়, তাকে খাম আজি। ৰূপালীয়ে চিকেন আৰু চাওমিন খাই বৰ এটা ভাল নাপাই। প্ৰিয়াই পচণ্ডমতে অৰ্ডাৰ দিছে যেতিয়া, তাই নেখালেতো বেয়া পাব। দুইজনীয়ে ৰেষ্টুৰেণ্টখনত পেটপূৰাই খালে। বিল পৰিশোধ কৰিলে প্ৰিয়াই। ৰূপালীৰ মুখত পৰিস্ফুট চিন্তাময় ৰূপ প্ৰিয়াৰ দৃষ্টিত ধৰা পৰিছিল। প্ৰিয়াৰ দৃষ্টিত সকলো ঠিকে আছে যেন দেখুৱাবলৈ ৰূপালীয়ে কৰা প্ৰয়াস বিফল হৈছিল। ৰূপালীৰ তেজগোৰা মুখত প্ৰতিফলিত হতাশাৰ বেশ দেখি প্ৰিয়াই সহজভাৱে সুধিছিলঃ- ঐ কি ভাবি আছনো? বৰা ছাৰে তোক কি ক'লে একো নকলি যে। ৰূপালীয়ে হঠাৎ নিজৰ মনক নিয়ন্ত্ৰণত আনি কৈছিলঃ কি কবনো, তোৰ লগৰ যেতিয়া অলপ চিন্তা কৰি চাব বুলি কৈছে। ঃ হওক তেওঁ। ছাৰে তেনেকৈ কৈছে যেতিয়া তই নিচিন্ত থাক। বাকী ছাৰক কেনেকৈ পোনাব লাগে মই ব্যৱস্থা কৰিম। মই যেতিয়াই মাতিম তেতিয়াই খালি তই গুৱাহাটীত উপস্থিত হ'ব লাগিব। প্ৰিয়াই উৎসাহ আৰু আত্মবিশ্বাসীয়ে কতাখিনি ক'লে। ৰূপালীয়ে মন্ত্ৰীৰ কক্ষত হৈ যোৱা পৰিঘটনাটোক গাপ দিবলৈ

সাজি কোৱা কথাকেইটাৰ প্ৰত্যুত্তৰত প্ৰিয়াই প্ৰকাশ কৰা সবল মনৰ কথাখিনি শুনি তীব্ৰ অপৰাধবোধ হৈছিল ৰূপালীৰ। প্ৰিয়াই তাইক ইমান বিশ্বাস কৰে, অথচ তাই প্ৰিয়াক মিছা মাতিব লগা হৈছে। :- তই আজি যাবগৈ নেলাগে, থাক। কাইলৈ সোনকালে গুচি যাবি। প্ৰিয়াই কথাৰ প্ৰসংগ সলনি কৰিলে। :- থাকিব নোৱাৰো বুজিছ। মোৰ টিউচন খতি হ'ব। তদুপৰি.... ৰূপালী বৈ গ'ল। :- তদুপৰি... কি? ঐ বৈ গ'লি যে, ক'না মই চিৰিয়াছ কৈ সুধিছো। প্ৰিয়াৰ কথাৰ প্ৰত্যুত্তৰত ৰূপালীয়ে ক'লে :- মই এইটো চাকৰি কেতিয়াও নাপাওঁ। ইয়াৰ বাবে লগা বিশেষ যোগ্যতা মোৰ নাই। আৰু চাকৰিটোৰ বাবে মন্ত্ৰীক দিব লগীয়া উপহাৰ মই দিব নোৱাৰোঁ। ৰূপালীয়ে বুজাব খোজা কথাখিনি প্ৰিয়াই বুজিব পাৰিলেনে নাই ধৰিব পৰা নগ'ল সঠিকভাৱে। প্ৰিয়াই সকলো নুবুজিলেও কিছু কথা বুজিলে। ৰূপালীক সেয়ে আৰু একো নুসুধিলে তাই।

ৰূপালীৰ দৰে প্ৰিয়াৰ জীৱনো বহু সংঘাতপূৰ্ণ। প্ৰিয়াৰ মাক-দেউতাক তাইৰ ৩ বছৰ বয়সতে বাছ দুৰ্ঘটনাত ঢুকাইছিল। কথমপি প্ৰিয়াক খুড়াকে এজনে তুলি-তালি ডাঙৰ কৰিছিল। আৰু এদিন সম্পত্তিৰ লালসাত খুড়াকৰ মৃত্যুৰ কিছুদিন পিছতে তেওঁৰ পো-বোৱাৰীয়ে প্ৰিয়াক উলিয়াই পঠিয়াইছিল তাইৰ আপোন আৰু চিনাকি ঘৰখনৰপৰা। মানসিকভাৱে ভাগি পৰা প্ৰিয়াক তাইৰ এজন অদেখা বন্ধুৱে সহায় কৰিছিল। উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ হৈয়ে পঢ়া সামৰি একুৰি বসন্ত অতিক্ৰম কৰা প্ৰিয়া কোনোমতে গৈ গুৱাহাটী পাইছিল। ফোনতে চিনাকী হৈ গভীৰ সম্পৰ্ক গঢ়ি উঠা অদেখা বন্ধুজনে প্ৰিয়াক লৈ গৈছিল তাৰ ভাড়াঘৰলৈ। য'ত সি আৰু তাৰ এজনী বায়েক থাকে। ল'ৰাটোৰ বায়েকেও সিহঁতৰ সৰ্ম্পকটোৰ কথা জানিছিল। সেইয়ে বিষাদৰ সাগৰৰপৰা তুলি ধৰিছিল প্ৰিয়াক। ল'ৰাটোৰ ঘৰ আছিল যোৰহাটৰ ফালে এখন গাঁৱত। সি গুৱাহাটীতে এটা ব্যক্তিগত খণ্ডৰ কোম্পানীত কাম কৰিছিল আৰু বায়েকে কাম কৰিছিল এটা ক'ল চেণ্টাৰত। দুই ভায়েক-বায়েকে প্ৰিয়াক জীৱনৰ জটিলতাক জিনাৰ মন্ত্ৰ শিকাইছিল। আৰু...। প্ৰিয়াৰ বিয়া হ'ব সেই যোৰহাটৰ ল'ৰাটোৰ লগতে অহা বছৰ। বয়সো হৈছে। ডেৰকুৰিলৈ দুবছৰহে বাকী। ৰূপালীৰো বয়স হৈছে। পিছে বিয়াৰ কথা ভাবিবলৈ তাইৰ আহৰিয়ে নাই। ঘৰখনৰ অভিভাৱকত্বই তাইক কামনা-বাসনাৰ জগতখনৰপৰা আঁতৰত থাকিবলৈ বাধ্য

> পুৰা ৰুমতে ঠাণ্ডা ভাত কেইটামান খায় অহা। তেতিয়াৰেপৰা এই বিয়লিলৈকে একো এটাই মুখত দিয়া নাই। ঐ মোৰ বিৰাট ভোক লাগিছে অ' তোৰ লগা নাই? কিবা অলপ খাই লও ব'ল। প্ৰিয়াৰ আহ্বান শুনি ৰূপালীৰো পেটে কলমলালে। বিনা বাক্যব্যয়েৰে ৰূপালী প্ৰিয়াৰ লগত এখন ৰেষ্টুৰেণ্টত সোমাল। প্ৰিয়াই মেদবহুল শৰীৰটো চকী এখনত এৰি দি মেনু নোচোৱাকৈয়ে চিকেন আৰু চাওমিন দুই প্লেটৰ অৰ্ডাৰ দিলে। অৰ্ডাৰ লৈ যাব খোজা ৰেটাৰজনক লগতে দুটা অমলেটো আনিবলৈ ক'লে প্ৰিয়াই।

কৰিছে। ভনীয়েক-ভায়েক আৰু মাকজনীৰ প্ৰতি থকা অতি মমতাৰ বাবে ৰূপালীৰ জীৱনটো তাই ভবা ধৰণে গঢ়িব নোৱাৰিলে। বৰ্তমান এসাজ খাই এখন পিন্ধি সন্মান সহকাৰে জীয়াই থকাটোৱে ডাঙৰ সমস্যা হৈ পৰিছে ৰূপালীৰ বাবে। এখন ঘৰৰ দায়িত্ব মূৰপাতি লৈ জীয়াই থকাৰ সংগ্ৰাম চলাই যোৱা নিৰনুৱাসকলৰ বাবে এতিয়া প্ৰেম যেন দূৰৈৰ মাণিক। জীৱন এক বিলাস!

**ৰোড চাইড ৰোমিঅ' :**

গুৱাহাটীৰ পৰা ৰূপালী আবেলিৰ বাছতে ঘূৰি যাব নগাঁৱলৈ। দিনে-পোহৰে গৈ ঘৰ পোৱাতো ভাল। যিহে দিন-কাল হ'ল; গাভৰু ছোৱালী অকলসৰে যাতায়ত কৰাটোৱে মস্কিল হৈ পৰিছে। দিন দুপৰতে ৰাজপথত ধৰ্ষিতা, লাঞ্ছিত হয় নাৰী। ক'তো সুৰক্ষিত নহয় নাৰীৰ মৰ্য্যাদা। প্ৰিয়াৰপৰা বিদায় লৈ ৰূপালী আগবাঢ়িছিল পদপথেৰে। বিষন্নমন, অৱসাদগ্ৰস্ত শৰীৰ। তাইক এবুকু বেজাৰে খুন্দা মাৰি ধৰিছে। বহুত আশা কৰি প্ৰিয়াৰ কথামতে লগ কৰিছিলহি মন্ত্ৰীক। আৰু মন্ত্ৰীয়ে যি আশা কৰিছিল সেইয়া দিবলৈ ৰাজি নাছিল ৰূপালী। গতিকে তাইৰ সকলো আশা স্তব্ধ হৈ পৰিছিল। দেউতাক জীয়াই থকা হ'লে ৰূপালী ইমান দিনে হয়তো কাৰোবাৰ ঘৰৰ লখিমী হৈ থাকিলহেঁতেন। তিনি-চাৰিটাকৈ ল'ৰা-ছোৱালীৰ মাক হ'লহেঁতেন ৰূপালী। জীৱনত ইমান



জটিলতাৰ মুখামুখি হ'ব লগা নহয়। মন্ত্ৰী নবীন বৰাৰ হাতখনৰ স্পৰ্শ পুনৰ অনুভৱ কৰি ৰূপালীৰ গাতো জিকাৰ খাই গ'ল। প্ৰিয়াৰ দৃষ্টিত বৰ ভাল ৰূপে খ্যাত মন্ত্ৰী নবীন বৰাৰ চৰিত্ৰ ৰূপালীয়ে বুজিলে। দেখিলে মুখাৰ আঁৰৰ মুখ বৰ মানুহৰ। : আব বে, কলিয়া। চা না বে, কি চিকনী চামেলী। ৰাও তোৰ লগত কিন্তু বিগুছ মিলিব ভাই। সন্মুখৰ ফালৰপৰা উফৰি অহা শব্দ কেইটাই ৰূপালীৰ ভাৱনাত যতি পেলাই দিলে। তাই মূৰ তুলি চাই সঁচাকৈ সচকিত হ'ল। পদপথৰ কাষৰ ৰেলিঙত বহি থকা ল'ৰাকেইটাই ৰূপালীক যেনেকৈ চাই আছে, সিহঁতে যেন জীৱনত ছোৱালী দেখাই নাই। পৰিস্থিতিৰ কিছু আগজাননী পায় ৰূপালীয়ে মনটো ডাঠ কৰি ল'লে। মুখমণ্ডলত প্ৰচণ্ড আত্মবিশ্বাস ফুটাই তুলি ৰূপালী আগুৱাই গ'ল। আজি-কালি গুৱাহাটীৰ অলিয়ে গলিয়ে অকলসৰীয়া মহিলা যুৱতী পালেই ৰোড চাইড ৰোমিঅ' কিছুমানে লাফৰা কৰে। চান্স পালে ডিঙিৰ চেইন, হাতৰ-কাণৰ মূল্যবান গহনা কাঢ়ি নিয়ে। বেছি চান্স পালে আকৌ ইজ্জৎ লুটি দিয়ে। মহিলা-যুৱতী মুক্ত মনেৰে ঘূৰা-ফুৰা কৰাতো বৰ নিৰাপদজনক নহয়। ৰোড চাইড ৰোমিঅ' কেইটাৰ কাষেৰে পাৰ হৈ গৈছিল ৰূপালী। এটাই তাইৰ দুপাট্টাখন টানি ধৰিলে। ৰূপালীয়ে ঘূৰি চাইছিল পিছলৈ। :- হাও চুইট। অ'হ ডাৰ্লিং; কি নাম তোমাৰ? অন্য এটাই বেপৰুৱা ভংগীমাত তাইলৈ চাই কৈছিল। ৰূপালীয়ে দুপাট্টাখন এৰুৱাবলৈ চেষ্টা কৰিছিল। :- এৰি দিয়ক প্লিজ; এইবোৰ নকৰিব। ৰূপালীৰ বিনম্ৰ আহ্বানলৈ কানসাৰ নিদি তিনিওটা ৰোড চাইড ৰোমিঅ'ই অট্টহাস্য কৰি উঠিল তাইৰ অসহায় অৱস্থাক লৈ। ক্ষোভত ফাটি পৰিছিল ৰূপালী। তাইৰ দুপাট্টা টানি ধৰাটোৱে এইবাৰ আৰু এখোপ আগবাঢ়ি সোঁহাত খনকে খামোচি ধৰিলে ৰূপালীৰ। কিছু আঁতৰৰপৰা দুজনমানে ঘটনাটো লক্ষ্য কৰি আছিল। ৰূপালী তীব্ৰ খঙত গোটেইজনী কঁপি উঠিছিল। এপাকত তাই প্ৰবল শক্তিৰে হাতখন মুক্ত কৰি তাৰ গালত সোধাই দিছিল এটা প্ৰচণ্ড চৰ। : ফটুৱা, কেলেঙ্কাৰ সঁচ, ছোৱালীৰ হাতত ধৰিবলৈ আহ। ৰূপালীৰ চৰখাই কেলেবাং লৰাটোৱে ফেপেৰি পাতি ধৰিলে। আঁতৰৰপৰা ঘটনাটো চাই থকা এজনে পুলিচৰ নম্বৰ ডায়েল কৰিলে। আন এজনে ৰূপালীৰ সাহস দেখি তাইক সহায় কৰিবলৈ গৈ ল'ৰাকেইটাৰ সৈতে তৰ্কযুদ্ধত লিপ্ত হ'ল। ৰূপালীয়ে দুপাট্টাখন ঠিক কৰি ততালিকে সেই স্থান ত্যাগ কৰিছিল। হঠাৎ পুলিচ আহি খেদি গৈ কৰায়ত্ব কৰিলে তিনিও ৰোড চাইড ৰোমিঅ'ক। আৰু ভৰাই থলেগৈ লকআপত। ৰূপালী খৰখেদাকৈ গৈ নগাঁও অভিমুখী এখন বাছত উঠিল। ছিটত অৱসাদ আৰু শংকাগ্ৰস্ত দেহাটো এৰি স্বস্তিৰে চকু দুটা মুদি দিলে...! অবাঞ্চিতভাৱে ৰাতিটো থানাৰ লকআপত কটালে তিনিও ৰোড চাইড ৰোমিঅ'ই। পুৱালৈ এচ,পিৰ ফোনত অ'চিয়ে স-সন্মানে এৰি দিবলৈ বাধ্য হ'ল। ইহঁত যে হাত-দীঘল মানুহৰ ঘৰৰ সন্তান। মন্ত্ৰী, আমোলা, আইন আদালত সকলোতে এই হাত দীঘল মানুহবোৰৰ হস্তক্ষেপ চলে। সাধাৰণ জনতাৰ কথালৈনো কোনে গুৰুত্ব দিয়ে!

*লেখকৰ ঠিকনা—*
*বাসুদেৱ থান, চকুৱাখনা*
*ভ্ৰাম্যভাষ- ৯৮৫৪৬১০৭৫৯*

অনুবাদ গল্প

# আত্মাৰ ৰক্ষাৰ বাবদ

মূল ঃ ৰবেৰ্টো ব্ৰাঙ্কো (ইটালী)
অনুবাদ ঃ ড° বিনীতা নাথ দত্ত

স্বীকাৰোক্তি কুঠৰীৰ ৰোগীসকলৰ কাষত ওঁঠ দুটা দেখুৱাই ছিষ্টাৰ ফিলোমেনাই অতি বিনীতভাৱে ক'বলৈ আৰম্ভ কৰিলে— 'ফাদাৰ, মোৰ দ্বাৰা, পাপ কৰা হৈছে নে নাই এতিয়াও ধৰিব পৰা নাই। মোৰ বিবেকেও কেতিয়াবা হৈছে বুলি কৈছে আৰু কেতিয়াবা নাই হোৱা বুলিছে। 'নাই হোৱা' বুলি কোৱা মুহূৰ্তত মই বেছিকৈ অনুতপ্ত হৈছো। — যন্ত্ৰণা কাতৰ হৈ পৰিছো।

'পৰিষ্কাৰকৈ কোৱা কথাবোৰ। খুঁটি-নাতি মাৰি সকলোবোৰ কোৱা। তুমি তেনেই কোমল বয়সীয়া। ওঠৰ বছৰীয়া জীৱনৰ তোমাৰ বিবেকক ভৰসা কৰাটো উচিত নহয়। সেয়া মই বিচাৰ কৰিম।'

'ফাদাৰ, তেনেহ'লে প্ৰথমৰ পৰাই শুনক। যোৱা সোমবাৰৰ মাজৰাতি পাঁচ নম্বৰ ৱাৰ্ডৰ সাত নম্বৰ ৰোগীজনে সৰ্বশক্তিমানজনৰ আগমনৰ উমান পাইছিল। কৰ্তব্যৰত চিকিৎসকেও 'আশা নাই' বুলিছিল। তেওঁলোকে জনাইছিল যে ৰবৰেছি কষ্ট নোপোৱাকৈ ৰাতিপুৱাৰ আগেয়ে ৰোগীজনে ইহলীলা সম্বৰণ কৰিব।

আধাঘণ্টা মানৰ পাছত এচামুচ পথ্য খুওৱাৰ বাহিৰে মোৰ কৰিব লগা একো নাছিল। পুৰুষ ৰোগীজনৰ আত্মাৰ সদ্‌গতিৰ বাবে বিছনাৰ একাশৰ মোৰ নিজৰ ঠাইটুকুৰাত বহি প্ৰাৰ্থনা কৰি থাকিলো।

তেতিয়া প্ৰায় তিনি বাজিছে। সেহাই সেহাই ৰোগীজনে কাতৰ মাতেৰে ক'লে— 'ছিষ্টাৰ, তেখেত আহি পাইছেহি।' ৰোগীৰ কণ্ঠত মই ন মৃত্যুৰ কিৰিলিহে শুনিবলৈ পালো— 'দাদা মনলৈ সাহস আনক' তেওঁৰ কামৰ কাষলৈ মুখখন নি ফোচফোচাই ক'লো। তেওঁ বৰ কষ্টেৰে লাহে লাহে ক'বলৈ ল'লে— 'মই সাজু। পঁচিশ বছৰত মৃত্যুৰে জীৱন লীলা সামৰাটো বৰ দুখদায়ক। আশা এৰিছো। মই নিসংগ আৰু দৰিদ্ৰ। প্ৰেম-ভালপোৱা বুলিও মোক কোনেও সাফল্যও পৰশ দিয়া নাই। আপুনি লগত নথকা হ'লে মৰুভূমিৰ নিসংগ পথিকৰ দৰে মোৰ অৱস্থা হ'লহেঁতেন। মই মৃত্যুমুখী হ'লোহেঁতেন।

কিছুসময় তেনে মনে মনে ৰ'ল। মই পুনৰ ক'লো— দাদা, নেদেখাজন তোমাৰ স'তে আছে, তুমি সাহস নেহেৰুৱাবা। কিছুসময়ৰ পাছত তেওঁৰ নীল বৰণীয়া দুচকুত চকুলো বিৰিঙি উঠিল— 'ছিষ্টাৰ, ফিলোমেনা, মোক অকণমান অনুগ্ৰহ কৰিবানে?'

'যিমানদূৰ সম্ভৱ— নিশ্চয় কৰিম।'

'আপুনি নিশ্চয় মই শান্তিৰে ইহলীলা সামৰাটো বিচাৰে। মোক সৃষ্টি কৰা প্ৰভুৰ আশীৰ্বাদেৰে মোৰ পৰলোকলৈ গমন কৰাটো আপুনি নিশ্চয় কামনা কৰে।'

'প্ৰতিজন ন্যায়নিষ্ঠ খ্ৰীষ্টিয়ানে যিদৰে ইহলীলা সামৰাটো উচিত।'

'তেনেহ'লে মোক সহায় কৰক'— ৰোগীৰ কাতৰ কণ্ঠ।

'কেনেকৈ?'

'এৰি যাবলৈ বিচৰা জীৱনটোৰ চাৰিসীমাত যাতনাৰ বাদে দেখোন আন একো অনুভূতি নাইকিয়া। এই তিক্ততাক চেৰাই জীৱনটো পাৰ কৰিবলৈ মোক সহায় কৰক। পৰৱৰ্তী জীৱনলৈ যেন কঢ়িয়াই নিব পাৰো এখিলা কৰুণাৰ স্মৃতি। ছিষ্টাৰ! মৃত্যুমুখীজনলৈ কৰুণা আগবঢ়াওক। আপুনি মোক এটা চুমা খাওকচোন।'

'চুমা!! — ফাদাৰ সচকিত হৈ উঠিল।

'হয় ফাদাৰ, মই তেওঁক প্ৰভুৰ চুম্বনৰ বাবে প্ৰস্তুত হ'বলৈ সাহস দিলো। দুৰ্বলভাৱে উশাহ লৈ লৈ তেওঁ অনুনয়-বিনয় কৰি থাকিল।

'আপুনি এই অনুগ্ৰহটি কৰকনা। আপুনি যে মোৰ পৰিত্ৰাণকৰ্তা হ'ব সেয়া অনুভৱ কৰিছেনে। আজীৱন অনুশোচনাৰে আপুনি দগ্ধ হ'ব বিচাৰিছে নেকি? মোৰ আত্মাৰ বিনাশ কামনা কৰিছেনে? মোৰ নৰকভোগ আৰু সৰ্বনাশৰ কাৰণ হ'ব বিচাৰিছেনে?'

ফাদাৰে সুধিলে— 'আৰু তুমি, তুমি কি কৰিলা?' 'বৰ ভয় খালো। অতৃপ্তভাৱে তেওঁ মৰণক সাৱটি ল'লে। তেওঁ যে অন্তহীন নৰকভোগ কৰিব সেয়াও বুজি পালো। ইয়াৰ বাবে মই দায়ী হ'লে ময়ো উক্ত স্থানেই লভিম। পুৱাৰ আগেয়ে সকলো শেষ হ'বই যেতিয়া। শান্ত-নীৰৱ কোঠাটিত উশাহ-নিশাহৰ ক্ৰম অনুভৱ কৰিছিলো। পোহৰো নিস্তেজ। ক্ষীণ পোহৰত বিছনাবোৰ সমাধিক্ষেত্ৰ যেন দেখা গৈছিল।

তেতিয়া প্ৰায় তিনি বাজিছে। সেহাই সেহাই ৰোগীজনে কাতৰ মাতেৰে ক'লে— 'ছিষ্টাৰ, তেখেত আহি পাইছেহি।' ৰোগীৰ কণ্ঠত মই ন মৃত্যুৰ কিৰিলিহে শুনিবলৈ পালো— 'দাদা মনলৈ সাহস আনক' তেওঁৰ কামৰ কাষলৈ মুখখন নি ফোচফোচাই ক'লো। তেওঁ বৰ কষ্টেৰে লাহে লাহে ক'বলৈ ল'লে— 'মই সাজু। পঁচিশ বছৰত মৃত্যুৰে জীৱন লীলা সামৰাটো বৰ দুখদায়ক। আশা এৰিছো। মই নিসংগ আৰু দৰিদ্ৰ। প্ৰেম-ভালপোৱা বুলিও মোক কোনেও সাফল্যও পৰশ দিয়া নাই। আপুনি লগত নথকা হ'লে মৰুভূমিৰ নিসংগ পথিকৰ দৰে মোৰ অৱস্থা হ'লহেঁতেন। মই মৃত্যুমুখী হ'লোহেঁতেন।

বুকুখন ভৰি গ'ল। হাউলি চুমা এটা খালো। বিনিময়ত দুটা অস্ফুট উচ্চাৰণ— 'ধন্যবাদ, বহুত ধন্যবাদ।'

'চুমাটো ক'ত খাইছিলা?' —হতভম্ব ভাবটো ঢকাৰ প্ৰয়াসেৰে ফাদাৰে শান্তভাৱে ক'লে।

'তেতিয়া চাৰিওপিনে আন্ধাৰ। সম্ভৱ তাৰ ওঁঠতেই চুমা খাইছিলো।'

'উঃ— এয়া যে হঠকাৰিতা! তুমি যে মহৎ উদ্দেশ্যে কামটো কৰিছা সেয়া বুজিলো। খ্ৰীষ্টীয় পবিত্ৰতাৰ আৱেগত তুমি উটি গৈচিলা। ইয়াতেই তুমি ভুল এটা কৰি পেলালো— বৰ বিপদজনক ভুল। তুমি ওঁঠৰ সলনি কপাল-চপালতো চুমাটো খাব পাৰিলাহেঁতেন। আত্মাক ৰক্ষাৰ বাবে সেয়াই যথেষ্ট। যা হওক, তুমি মৃতপ্ৰায় মানুহক চুমা খাইছিলা। যিহেতু তেওঁৰ মৃত্যু হ'ল, যথাযথভাৱে সমাধিস্থও হ'ল। তেওঁৰ আত্মা শান্তিত থাকক। আমি সেই বিষয়ে আৰু

নেভাবো।

'ফাদাৰ, কথাটো ঠিক তেনেকুৱা নহয়। তেখেত জীয়াই আছে অদ্যাপি।'

কি! জীয়াই আছে?

'পুৱালৈকে তেওঁৰ মৰণ পথৰ যাত্ৰীয়েই আছিল। বেলিৰ প্ৰথমটো কিৰণে যেন ৰোগ উপশমৰ বতৰা বহন কৰিলে। কোঠালৈ সোমাই অহা ডাক্তৰজনে ৰোগীৰ মুখত মিচিকিয়া হাঁহি দেখি হতবাক নোহোৱাকৈ নোৱাৰিলে। খুব সূক্ষ্মভাৱে পৰীক্ষা কৰি ইনজেকচন এটাও দিলে। মিচিকিয়াই ক'লে— 'আচৰিত! এইবাৰ আমি এওঁৰ ৰোগ নিৰাময় কৰিব পাৰিম।' 'কথাটো যে সৰ্বনশীয়া' —হতাশ ফাদাৰে চিঞৰি উঠিল। ফাদাৰে কি কৈছে!

'চোৱা, এয়া বৰ ছিৰিয়াছ কথা। কোনো জীৱিত মানুহৰ ওঁঠত তুমি চুমা খোৱাৰ পাছতো তেওঁ জীয়াই থাকিলে কি কৰা উচিত ময়ো নাজানো। মৃত্যুৰ দুৱাৰডলিত থাকিলে বেলেগ কথা। নেদেখাজনৰ চকুত তেতিয়া সকলো থাকিব। কিন্তু মানুহজন জীয়াই থাকিলে দৈৱৰ বিধানো হতচকিত হ'ব। খন্তেক ৰৈ পুনৰ সুধিলে— 'এই যে ডাক্তৰজন তেওঁ ডাক্তৰ হিচাপে বা কেনেধৰণৰ?'

'আন ডাক্তৰবোৰৰ দৰেই।'

'ৰোগীৰ বৰ্তমান অৱস্থা?'

'বেছ সুস্থ।'

'তেনেহ'লে তোমাৰ পৰ্যায় অতি বেয়া!'

'প্ৰভু!'

'এতিয়াও প্ৰভুৰ নাম উচ্চাৰণ কৰিছানে?'

'মই পাপী ফাদাৰ?'

'এই পোছাকযোৰ তুমি পিন্ধাও অযোগ্য!'

ছিষ্টাৰৰ চকুত তেতিয়া শাওনৰ ঢল। ফাদাৰে নৰম কণ্ঠে ক'লে— 'মই মোৰ বাট এতিয়াও নিকা যেন দেখা নাই। অলপ আগেয়ে তুমি কৈছা যে তোমাৰ বিবেকে একো পাপ কৰা নাই বুলি কোৱাৰ পাছতো তুমি অন্তৰ্দ্বন্দ্বত ভুগিছা। এনে স্ববিৰোধ ভাবনা কিদৰে সম্ভৱ হ'ব পাৰে!'

'নেজানো ফাদাৰ, অনুভৱখিনি আপোনাৰ আগত অবিকলকৈ ব্যক্ত কৰিছো।'

'তুমি কৰা কামটোৰ বাবে তুমি অনুতপ্ত হৈছানে!'

'এয়া যদি পাপ হয় অনুতপ্ত হ'বই লাগিব।'

'পাপ মোচন কৰাৰ সুযোগ পোৱা বুলি তুমি নেভাবিবা। আমি কিছুদিন আপেক্ষা কৰিব লাগিব। ল'ৰাটোৰ অসুস্থতা কি পৰ্যায়ত আছে সেয়া চাইহে আমি সিদ্ধান্ত ল'ম। এতিয়া যোৱা। গুৰলৈ যোৱাৰ আগতে তুমি লজ্জানত হোৱা উচিত। বুজিলাতো।'

'মই সকলো সময়তে লজ্জিত ফাদাৰ।'

'হ'লেই ভাল।'

কেইদিনমানৰ পাছত ছিষ্টাৰ ফিলোমেনা পুনৰ ফাদাৰৰ ওচৰলৈ আহিল।

'সাত নম্বৰৰ খবৰ কেনেকুৱা?'

'আগতকৈ আৰোগ্য হোৱা যেন লাগিছে।'

'ডাক্তৰে কি কৈছে?'

'সি সুস্থ হৈ উঠিব বুলিছে।'

'বাছা, তোমাৰ আশা ক্ষীণ।'

'তাক কথাবোৰ কৈছো।'

'কি কৈছা?'

তেওঁৰ বাবেই মোৰ সৰ্বনাশ হ'ল বুলি কৈছো। তেওঁ সুস্থ হৈ উঠিব বুলি জনা হ'লে তেওঁক চুমা নেখালোহেঁতেন।'

'সুস্থ হৈ উঠাজনৰ উত্তৰ?'

'তেওঁৰ মতে তেওঁ মোৰ সৰ্বনাশ হোৱাটো নিবিচাৰে। তেওঁ মোৰ আত্মাক নিশ্চয়েই ৰক্ষা কৰিব।'

'সি মৰিও সেই কামটো কৰিব পাৰিলেহেঁতেন?'


'ফাদাৰ, তেওঁ শপত খাইছে যে তেওঁক ডাক্তৰে সম্পূৰ্ণ সুস্থ হোৱা বুলি যিদিনা ক'ব, সিদিনা তেওঁ মোৰ বাবেই আত্মহত্যা কৰিব।

'এয়া আকৌ এটা নতুন বিপদ! কিছুপৰ ভাবি ফাদাৰে অসহায়ভাৱে ক'লে— 'সকলো ফালৰ পৰা চাই তোমাক অব্যাহতি দিয়াই উত্তম হ'ব। ইয়াৰে এজন মানুহৰ মৃত্যু হ'বলৈ হ'লে, কথাবোৰ আমি আকৌ প্ৰথমৰ পৰাই আৰম্ভ কৰিব লাগিব।'

---

লেখিকাৰ ঠিকনা— নিজৰাপাৰ, গুৱাহাটী





# মিচিং জাতিৰ চমু পৰিচয়

ৰুবাদ লঃযৃং

প্ৰত্যেক জাতি-জনগোষ্ঠীৰে একোটা স্বকীয় পৰিচয় থাকে। এই পৰিচয়ৰ মাজতে আছে জাতি বা জনগোষ্ঠীটোৰ সভ্যতাৰ ঐতিহ্য। অসমৰ বৃহত্তৰ জনগোষ্ঠী মিচিং সমাজৰ সভ্যতাৰ ঐতিহ্য অনন্য। সুবৃহৎ সাংস্কৃতিক সম্ভাৰেৰে চহকী মিচিং সমাজ।

মিচিং সকলৰ উৎপত্তিস্থল বা আদিভূমি সম্পৰ্কে কোনো নিশ্চিত তথ্য পাবলৈ নাই। ইতিহাসবিদসকলে ঠাৱৰ কৰা মতে চীন দেশৰ দক্ষিণ-পশ্চিম হোৱাংহো আৰু ইয়াংচিকিয়াংৰ পৰা প্ৰব্ৰজন কৰি তিব্বতত প্ৰৱেশ কৰি চিয়াং নদীয়েদি সুদীৰ্ঘ প্ৰব্ৰজনৰ অন্তত দ্বাদশ শতিকাত চুতীয়া ৰাজত্বৰ শেষৰ ফালে আৰু আহোম ৰাজত্বৰ আৰম্ভণিত অসমত প্ৰৱেশ কৰে। মিচিং সকলে নদীপৰীয়া ঠাইকে উপযুক্ত বাসভূমি বুলি বিবেচনা কৰিলে। নৃতাত্বিক দিশৰপৰা মিচিং সকল মংগোলীয় জনগোষ্ঠীৰ অন্তৰ্গত।

এক জনশ্ৰুতি মতে, মিচিং সকলে নিজকে স্বৰ্গৰপৰা সোণ-ৰূপৰ জখলাৰে নামি অহা বুলি চিনাকী দিয়ে। প্ৰবাদমতে কিলিং-কাংগে নামৰ সুউচ্চ পৰ্বতৰপৰা সোণ-ৰূপৰ জখলাৰে মিচিং সকল নামি আহিছিল। স্বৰ্গ বুলি হয়তো সুউচ্চ পৰ্বতক আৰু সোণ-ৰূপৰ জখলা বুলি দুডাল সোণ-ৰূপীয়া লতা জাতীয় গছকে ধাৰণা কৰিছিল। মিচিং সকলৰ বসতি স্থল অসমৰ শদিয়াৰপৰা তেজপুৰলৈ। অৱশ্যে অৰুণাচল প্ৰদেশত যথেষ্ট সংখ্যক মিচিং লোক অতীজৰেপৰা বাস কৰি অহাৰ লগতে অসম নাগালেণ্ড সীমান্তৱৰ্তী অঞ্চলতো বাসস্থান আছে।

ভাষাতত্ত্ব ফালৰ পৰা মিচিংসকল চীন-তিব্বতীয় ভাষা গোষ্ঠীৰ অন্তৰ্গত। মিচিংসকলক পূৰ্বে মিৰি বুলি জনাজাত আছিল। কিন্তু অতীজৰে পৰা মিচিংসকল 'মিচিং' বুলিহে চিনাকি দি আহিছে। আচলতে 'মিৰি' শব্দটো ভৈয়ামলৈ অহাৰ পাছত অসমীয়াসকলে দিয়া নামহে।

মিচিং মানে ঠাণ্ডা মানুহ অৰ্থাৎ ভাল মানুহ। আনহাতে মিপাক মানে বেয়া মানুহ। মিচিংসকলে নিজকে ভাল মানুহ অৰ্থাৎ মিচিং বুলি চিনাকী দি ভাল পায়। অনা মিচিংসকলক মিপাক বুলি সম্বোধন কৰে। বৰ্তমান এটা ভুল ধাৰণা আছে যে মিপাক বুলি ক'লে অকল অসমীয়া সকলকহে বুজায় কিন্তু মিপাক বুলিলে সকলো অনামিচিং সকলকে বুজায়।

মিচিংসকলৰ লিখিত বুৰঞ্জী নাই। যদিও মিচিংসকলৰ লেকে দঃয়িং (সাধুকথা) আবাং (লোকগীত), কাবান (শোক গীত) আদিৰ পৰা জাতিটোৰ অতীত, ঐতিহ্য, বিৱৰ্তন, ৰীতি-নীতি, পৰম্পৰা আদি সম্পৰ্কে জানিব পাৰি।

মিচিংসকলে নিজকে দঃঞি-পঃল (সূৰ্য-চন্দ্ৰ)ৰ সন্তান বুলি চিনাকী দিয়ে। দঃঞি (সূৰ্য)ক মাতৃ আৰু পঃল (চন্দ্ৰ)ক পিতৃ বুলি মিচিং সকলে পূজা কৰে। সেয়েহে মিচিং সকলৰ স্বধৰ্ম দঃঞি-পঃল ধৰ্ম বুলি কোৱা হয়। মিচিংসকলে সকাম-নিকাম অথবা মাংগলিক কাৰ্য সম্পাদন কৰোতে দঃঞি-পঃল, কাৰচিং-কাৰটাকৰ লগতে নিজৰ নিজৰ পূৰ্বপুৰুষসকলক পূজা-অৰ্চনা কৰে। তেওঁলোকে বিশ্বাস কৰে পূৰ্বপুৰুষসকলে ঘৰৰ সকলো অপায়-অমংগল দূৰ কৰি সুস্থ পৰিৱেশ এটা বৰ্তাই ৰাখিব পাৰে। এইফালৰ পৰা চাবলৈ গ'লে মিচিং জাতিটো এনে একমাত্ৰ জাতি যি নিজৰ পূৰ্বপুৰুষক দেৱতাৰ দৰে জ্ঞান কৰে।

সাধাৰণতে মিচিং নৈ পৰীয়া ঠাইত চাংঘৰ সাজি সহজ-সৰল সমাজ পাতি বাস কৰে। অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰৰ দুটি পাৰৰ লগতে ইয়াৰ চাৰিকড়ীয়া, দিচাং নৈ আদি অনেক উপনৈৰ পাৰে পাৰে গঢ়ি উঠিছে নয়নভিৰাম মিচিং সভ্যতা।

মিচিংসকলৰ সাজ-পোচাকে অসমৰ এক বৃহৎ বজাৰ দখল কৰি আছে। ইয়াৰ পৰাই প্ৰমাণ পোৱা যায় মিচিং শিপিনীসকলৰ কৰ্ম দক্ষতা। প্ৰত্যেক গৰাকী মিচিং জীয়ৰী-বোৱাৰীৰে তাঁত বোৱা শিক্ষাটো সুলভ। সেইসকল নিপুণ মিচিং শিপিনীসকলৰ হাততে প্ৰাণ পাই উঠে সুন্দৰ সুন্দৰ ফুল বছা মেখেলা-চাদৰ, গামোচা আদিৰ লগতে গাদু-(মিৰিজিম), মিবু গালুক, ৰিবি গাচেং আদি। বোৱাৰীসকলে মেখেলা আৰু ব্লাউজৰ ওপৰত চেগ্ৰৌগ নামৰ কাপোৰ এবিধেৰে মেথুন মাৰে। চেগ্ৰৌগ হৈছে গামোচাতকৈ বহল আৰু দীঘল ঠিক গামোচাৰ দৰে কাপোৰ বিশেষ। মিচিংসকলে সাধাৰণতে ঘৰুৱাভাৱে উৎপাদিত কাপোৰ পৰিধান কৰে। কিন্তু বৰ্তমান সময়ত পাশ্চাত্যৰ প্ৰভাৱে থলুৱা সাজ-পোচাকৰ ঐতিহ্য কিছু ম্লান কৰিছে।

মিচিং সমাজৰ এক সুকীয়া খাদ্যাভাসৰ পৰিচয় আছে। বনৰীয়া গছৰ পাতেৰে এক অনন্য খোৱা উপযোগী খাদ্য প্ৰস্তুত কৰে। বিশেষকৈ নামচৃং, গাহৰি মাংস, শুকান মাছ আদিৰ বাবে মিচিং খাদ্যাভাস বিখ্যাত।

আপং নামৰ নিচা জাতীয় এবিধ পনীয়া দ্ৰব্য ব্যৱহাৰ কৰে। পৰঃ আপং (ছাঁই মদ), নগিন আপং (বগা মদ) এই দুইবিধ আপংৰ ভিতৰত নগিন আপংৰ ব্যৱহাৰ অধিক। ইয়াৰ কাৰণ নগিন আপং প্ৰস্তুত কৰিবলৈ কম সময় লাগে। আলহী-অতিথিক আপঙেৰে আপ্যায়িত কৰাৰ উপৰি সকাম-নিকাম, উৎসৱ-পাৰ্বন আদিটো আপংৰ ব্যৱহাৰ কৰা হয়। সাংস্কৃতিক দিশৰ পৰাও মিচিং সমাজ বিশেষভাৱে চহকী। ফাগুন মাহৰ প্ৰথম বুধবাৰে পালন কৰা কৃষিভিত্তিক উৎসৱ আলি-আয়ে-লৃগাং হৈছে মিচিং সকলৰ প্ৰধান উৎসৱ। ইয়াৰোপৰি অসমৰ অন্যান্য বিহুসমূহো অসমীয়াৰ দৰে সমানে পালন কৰা দেখা যায়। সংগীতৰ ক্ষেত্ৰত মিচিং সকলৰ ঐনিঃতম মিচিং বিহুগীতৰ এক সুকীয়া পৰিচয় আছে। মিচিং ভাষাত বৰ্তমানলৈকে সাহিত্য নাই যদিও কিছু স্বনাম ধন্য ব্যক্তিৰ নীৰৱ প্ৰচেষ্টাত মিচিং ভাষাৰ আলোচনী তথা অন্যান্য মিচিং সম্পৰ্কিত স্মৃতি গ্ৰন্থ, মুখ পাত্ৰ আদিত মিচিং কবিতা, গল্প, উপন্যাস, নাটক আদি সৃষ্টি অব্যাহত আছে। তাৰোপৰি বহু প্ৰতিভা সম্পন্ন লেখক-লেখিকাই অসমীয়া ভাষাতে সাহিত্য চৰ্চা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰি থৈ গৈছে আৰু বৰ্তমানলৈকে বহু নবীন-প্ৰবীন সাহিত্যিকে নিজৰ সুকীয়া আসন দখল কৰিবলৈ সক্ষম হৈছে।

এইদৰে দ্বাদশ শতিকাৰ পৰা বৰ্তমান একবিংশ শতিকালৈকে বহু উত্থান-পতনৰ মাজেৰে মিচিং সমাজ গঢ়ি উঠিছে। বৰ্তমান মিচিং সমাজ এঢাপ এঢাপকৈ প্ৰগতিৰ জখলাৰে আগবাঢ়ি গৈছে। এই যাত্ৰা দীৰ্ঘজীৱী হওক সেয়াই কাম্য।

*সহায়ক গ্ৰন্থ ঃ ৰয়েল পেগুৰ মিচিং সমাজৰ আত্মনিয়ন্ত্ৰণ আৰু ৰাজনীতি।*

*লেখকৰ ঠিকনা ঃ নামনি গঁড়পৰা, ঢকুৱাখনা*
*ভ্ৰাম্যভাষ- ৮৮৭৬২৬৮৫৮৮*



"কাউৰী শতুৰু মুগাকৈ চুঙীয়া
পৰিবলৈ নিদিয়ে ডালত,
তোমাৰে শতুৰু মাৰে-বাপেয়েৰা
ফুৰিবলৈ নিদিয়ে লগত।"

# অতিকৈ চেনেহৰ মুগাৰে মহুৰা

ভৰত সন্দিকৈ

প্ৰকৃতিক বাদ দি জীৱ জগতৰ কথা যিদৰে কল্পনা কৰিব পৰা নাযায়, তেনেদৰেই প্ৰকৃতিৰ অবিহনে প্ৰাণীৰ আনন্দোৎসৱৰ কথাও আমাৰ মনলৈ নাহে। বিভিন্ন ঋতুৰ প্ৰাকৃতিক পৰিৱৰ্তনে জীৱৰ মনোজগততো নতুনৰ এচাটি বা বোৱই দিয়ে। তেনে বা লাগি প্ৰাণীৰ হৃদয় নাচি উঠে আনন্দত। নতুন প্ৰেৰণাৰে জীয়াই থাকিবৰ বাবে সংকল্প গ্ৰহণ কৰে। এই ক্ষেত্ৰত বসন্ত ঋতুৰ প্ৰভাৱ বিশেষভাৱে মন কৰিবলগীয়া। এই ঋতুতেই প্ৰকৃতিয়ে ন-সাজ পিন্ধে। ফুলে-ফলে, ৰসে-গন্ধে জাতিষ্কাৰ হৈ পৰে, যেন কাৰোবাক সংগ-সুখ দিবলৈ অথবা কাৰোবাৰ পৰা সংগ-সুখ পাবলৈ। বনৰ জীৱ-জন্তু, চৰাই-চিৰিকতিয়েও নতুনৰ আকুল আহ্বানত সঁহাৰি জনায়। মাছ-কাছ আজি জলচৰ প্ৰাণীৰতো কথাই নাই, ৰবযুগে সিক্ত কৰা ধৰণীত দেও-দুফাল পাৰি ইটিয়ে সিটিক প্ৰাণৰ বতৰা দিবলৈ ব্যাকুল হৈ পৰে।

মানুহো প্ৰকৃতিৰে এটি অংগ। প্ৰাকৃতিক পৰিৱৰ্তনৰ লগে লগেই মানুহৰ জীৱনলৈয়ো আনে নতুনৰ ন-ন বাতৰি। প্ৰাণত বাজি উঠে প্ৰণয়ৰ সুৰ। সেই সুৰৰ মূৰ্চনাত মানুহে নাচি নাচি গাই গাই আপোন পাহৰা হৈ পৰে। সেই নাচ আৰু সেই গীতবোৰত আদিমতম বাসনাও মূৰ্ত হৈ উঠে। কেৱল সেয়ে নহয়, জীৱন-যৌৱন, প্ৰেম-প্ৰীতি, আশা-আকাংখ্যা, ভৱিষ্যতৰ পৰিকল্পনা এই সকলোবোৰ কথা সেই আনন্দোৎসৱত প্ৰোজ্জ্বল হৈ উঠা দেখা যায়।

অসমীয়া মানুহেও যৌৱনা প্ৰকৃতিৰ সেই সময়খিনিত অতীতৰে পৰা ৰঙালী বিহু পালন কৰি আহিছে। ঢোল পেঁপা গগনাৰ সুৰ-ধ্বনিৰে সন্মোহিত হৈ নাচি বাগি গীত গাই গাই আপোন পাহৰা হৈ পৰে। ৰঙালী বিহুত গোৱা এই গীতবোৰত কল্পনাৰ উত্তৰণ ঘটিছে যদিও বাস্তৱ জীৱনৰ পৰা আঁতৰি গৈ সেইবোৰ ৰচনা কৰা হোৱা নাই। কোনোবা চহা কবিয়ে তেওঁৰ কেওকাষে থকা জীৱন ধাৰণৰ সপোন সমূহকে লৈ বিহুনাম বিলাকো ৰচনা কৰিছিল। সেইবাবেই বিহুনামবোৰত হাবিৰ গছ-বন, গঁৱালৰ হাঁহ-কুকুৰা, গোহালীৰ গৰু, খুটিৰ ম'হ, বাৰীৰ তামোল-পান, পুখুৰীৰ মাছ-কাছ আদি সকলোবোৰেই স্থান পাই আহিছে। তেনেদৰেই ব্যৱসায়ৰ বাবে মহং বেহাবলৈ যোৱাৰে পৰা হালৰ গৰু বেচালৈকে, চোমনিত মুগা পোহাৰে পৰা কোম্পানীৰ কামত চকুৰে নেদেখা জেগালৈ গুছি যোৱালৈকে এই কথাবোৰেও বিহুনামত এখন সুকীয়া আসন দখল কৰিছে।

মুগা শিল্প অসমৰ কেইটামান জনগোষ্ঠীৰ পুৰাতন

উদ্যোগ। ৰঙালী বিহুটিও তেনেদৰেই তেওঁলোকৰ প্ৰাচীনতম আনন্দোৎসৱ। কাজেই এই বিহুটিয়ে প্ৰাণৰো প্ৰাণ, আপোনৰো আপোন- সেইকথা প্ৰকাশ কৰা বিহুৰ সৰ্বোত্তম নামষাৰতেই মুগাৰ কৰা উল্লেখ কৰা হৈছে এইবুলি –

অতিকৈ চেনেহৰ মুগাৰে মহুৰা
অতিকৈ চেনেহৰ মাকো,
তাতোকৈ চেনেহৰ বহাগৰ বিহুটি
নাপাতি কেনেকৈ থাকো।

মুগা পুহি, সূতা কাটি, কাপোৰ বৈ অসমীয়া নাৰীয়ে নিজেও পিন্ধে, আনকো পিন্ধিবলৈ দিয়ে। তাকে কৰি তেওঁলোকে গভীৰ সুখ আৰু বিমল আনন্দ অনুভৱ কৰে। এয়া তাঁতৰ শালত ছাঁতে শুকোৱা মুঠিতে লুকোৱা কাপোৰেৰে সপোন ৰচা অসমীয়া শিপিনীৰ স্বাভিমান।

ইফালেদি হুঁচৰিৰ পৰম্পৰাইয়ো মুগাৰ কথা পাহৰি যোৱা নাই। ঘৰৰ চোতালত হুঁচৰি গাই গাই গিৰিহঁতক আশীৰ্বাদ দিবলৈ যাওঁতে কেতিয়াবা গৃহস্থৰ প্ৰশংসাও কৰা হয়-

দেউতাৰ বৰেঘৰ দেখোঁতেই ভয়ংকৰ
শয়ন খেৰে মেলি ছায়।
মুগাৰে মহুৰা ন-শ গাঁঠনি
সৰিয়হ পিচলি যায়।।

তাহানিতে অসমীয়া আঢ্যৱন্ত লোকসকলে ঘৰবোৰ আহল বহলকৈ সাজি লৈছিল। তাৰ বাবে ফুল চতি দি পাঁচোটাকৈ মাৰলি ব্যৱহাৰ কৰিছিল। ছালখনো শৰণ খেৰেৰে চাইছিল যাতে বহুদিন টিকে। বহুতে এনেদৰেও গায়—

দেউতাৰ চ'ৰাঘৰ কোনে সাজিছিলে
কৰতে কুন্দোৱা কৰা
ন-শ গাঁঠনি মুগাৰে চাটনি
সৰিয়হ পিছলি যোৱা।

হুঁচৰিৰ এইবোৰ গীতত অনাখৰী তথা চহা কবি সকলৰ কাব্যিক প্ৰতিভা মন কৰিবলগীয়া। তাৰোপৰি ৰূপক আৰু উপমাৰ প্ৰাচুৰ্যতাই গীতবোৰক অধিক আকৰ্ষণীয় আৰু মনোগ্ৰাহী কৰি তুলিছে।

ইফালেদি আন এটা কথা মন কৰিব লগীয়া। পৃথিৱীত যেতিয়া মানুহৰ মাজত শ্ৰেণী সমাজৰ সৃষ্টি হৈছিল, তেতিয়াই একো একোজন নেতাৰ জন্ম হৈছিল। নীতি পৰায়ণ নেতাই সমাজৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা নাপাহৰে। জ্যেষ্ঠজনৰ প্ৰতি থকা কণিষ্ঠজনৰ শিষ্টাচাৰ আৰু সম্ভ্ৰম সমাজখনৰ মেৰুদণ্ডস্বৰূপ। পাৰিবাৰিক জীৱনতো নেতৃত্ব মানি চলিলে পৰিয়ালত সুখ শান্তি বিৰাজ কৰে। তাতেই অংকুৰিত হয় নৱ প্ৰজন্মৰ উজ্জ্বল ভৱিষ্যত। কিন্তু তাৰ বিপৰীতে নেতৃত্বৰ প্ৰতি আনুগত্য নথকা পৰিয়াল সদায় বিশৃংখল হয়। উত্তৰ পুৰুষ হৈ পৰে পথভ্ৰষ্ট। আহোম স্বৰ্গদেউসকলৰ দিনতো নেতৃত্বৰ প্ৰতি প্ৰজা আছিল অনুগত। সেইবাবেই ৰঙালী বিহুৰ প্ৰথম হুঁচৰি গাইছিল ৰজাৰ ঘৰত। ৰজাইয়ো প্ৰজাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি হুঁচৰি উপভোগ কৰিছিল। হুঁচৰিত প্ৰজাই গাইছিল –

স্বৰ্গদেউ ওলালে বাট চ'ৰাৰ মুখলৈ
দুলিয়াই পাতিলে দোলা,
কাণতে জিলিকি মকৰে কুন্দলে
গাতে গোমচেঙৰ চোলা।

এইষাৰ নামত উল্লেখ থকা গোমচেঙৰ চোলাটোও পাট সূতাৰ পৰাই তৈয়াৰ কৰা হয়।

মুকলি বিহুৰ লগত হুঁচৰিৰ প্ৰাৰ্থক্য আছে। প্ৰথম বিধ দৰাচলতে ডেকা গাভৰুৰ বিহু। মুকলি বিহুত তেওঁলোকে বিহুনামৰ মাজেৰে মনৰ ভাব প্ৰকাশ কৰে। কওঁ কওঁ বুলি ক'ব নোৱৰা অতদিনে বুকুত সাঁচি ৰখা কথাষাৰ বিহুনামৰ মাজেৰেই মনৰ গাভৰুজনীৰ আগত প্ৰকাশ কৰে। তাতো মুগাৰ প্ৰসংগ টানি আনি ক'ব খোজা কথাষাৰ অধিকতৰ অৰ্থবহ কৰিবলৈ চেষ্টা কৰা দেখা যায়--

কাউৰী শতুৰু মুগাকৈ চুঙীয়া
পৰিবলৈ নিদিয়ে ডালত,
তোমাৰে শতুৰু মাৰে-বাপেয়েৰা
ফুৰিবলৈ নিদিয়ে লগত।

বিহুৰ বিহুৱানখনত যিদৰে ৰঙা ফুল বচা হয় তেনেদৰে গাভৰুয়েও ৰঙা ব্লাউজখনহে পিন্ধে।

মূৰৰে শুৱনি ৰঙা ফুলৰ গামোচা
মাজত পানেকটা বটা,
গাৰে শুৱনি ফটহ চোলাটি
কতীয়া মুগাৰে সূতা।
গাতে জিলিকে মুগা ৰিহা মেখেলা
কপালত সেন্দুৰৰ ফোঁট,
নেঘেৰী খোপাতে কপৌফুল পিন্ধিছা
বাঢ়মথুৰি বোলোৱা ওঁঠ।

ৰঙা ৰং উৰ্বৰতাৰ প্ৰতীক। সেইবাবেই হিন্দু সমাজত বহুতে কন্যা সন্তান পুষ্পিতা হ'লে শিৰত সেন্দুৰ দি উৰ্বৰতা প্ৰাপ্তিক আদৰণি জনায়। এয়া সামাজিক স্বীকৃতি। এগৰাকী হিন্দু গাভৰু বিয়া হৈ গ'লেও শিৰত সেন্দুৰ দিয়া হয়। ইয়াৰ যোগেদি উৰ্বৰতা প্ৰাপ্ত সেই গাভৰু গৰাকীৰ সন্তান জন্ম দিয়াৰ সামাজিক স্বীকৃতিহে বুজায়। বিধবা বিবাহিতা গাভৰুৰ শিৰত সেন্দুৰ নাথাকে। গতিকে তেওঁৰ সন্তান জন্ম দিয়াৰ সামাজিক স্বীকৃতি নাথাকে।

মুকলি বিহুত ডেকা গাভৰুৱে ব্যৱহাৰ কৰা ৰঙা ৰঙৰ কাপোৰে এজনে আনজনক আকৰ্ষণ কৰে। নিজৰ উৰ্বৰতা প্ৰাপ্তিৰ বিষয়ে প্ৰিয়জনক পোনপতীয়াকৈ কয়নো কেনেকৈ? আকাৰে ইংগিতে ইজনে সিজনক বুজাব খোজে। সেই কথাৰ আঁত ধৰিয়েই প্ৰিয়জনে গাভৰু গৰাকীক আশ্বাস দিয়ে -

এতোলা সোণেৰে বিৰি গঢ়াই দিম
গা চাই আনি দিম চোলা,
কতীয়া মুগাৰে ৰিহা বৈ ল'বা
যেন শিমলুৰে তুলা।

কিন্তু সকলোৰে কপালত সেই সুখ জানো লিখা থাকে? বহুতৰ জীৱনত প্ৰাপ্তিৰ আনন্দই পাৰ ভাঙি যায়, বহুতৰ জীৱন অ-প্ৰাপ্তিৰ হা-হুতাহে বেদনাময় কৰি তোলে। এয়া অৱশ্যে প্ৰাকৃতিক নিয়ম। আন্ধাৰ নাথাকিলে পোহৰৰ মূল্যই বা কি? সেইবাবে তেনে দুৰ্ভগীয়া সকলে মনৰ কথা বিহুনামৰ মাধ্যমেৰে প্ৰকাশ কৰে -

কোনে বৈয়ে দিব মুগাৰ গামোচা
কোনে কাটি দিব দহি,
নৰিয়া পৰিলে কোনে পানী দিব
মূৰৰ শিতানত বহি।

ইয়াতো মুগাৰ কথা ক'বলৈ পাহৰা নাই। তদুপৰি কেৱল বিহু নামতেই যে মুগাৰ কথা থাকে তেনে নহয়, সুনিপুণ পেঁপোৱাইও পেঁপা বজাওঁতে তলৰ গীতটিৰ লহৰি তোলে।

আকৌ মুগা মেখেলা পিন্ধিলে
ঝক্ ঝক্ কৰ মুগা মেখেলা
পিন্ধিলে ঝক্ ঝক্ পিন্ধিলে
ঝক্ ঝক্ কৰ।

এনেদৰেই মুগাশিল্পই বিহুনামত এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। কিন্তু অতি দুখৰ কথা যে কেৱল মুগা বুলিয়েই নহয়, সাম্প্ৰতিক অসমৰ তাঁত শিল্পৰ এক পঁয়ালগা অৱস্থা সৃষ্টি হৈছে। কপাহী গামোচাখনো বাহিৰৰ পৰাহে আমদানী কৰিবলগীয়া হৈছেগৈ। বিশিষ্ট লেখক প্ৰয়াত হেম বুঢ়াগোহাঁইদেৱে সেয়েহে আক্ষেপ কৰিছিল এইবুলি - "বৰ্তমান অসমীয়াৰ মাজত গামোচাখন 'তোমাৰ বাৰীৰ বাঁহগাজ, তাৰে কৰো খৰিচা, তোমাতে সলাই ধান দোন লওঁ কথাটো মন কৰিছা'হে হৈছেগৈ।" আনহাতেদি এই উদ্যোগটোৰ প্ৰতি উঠি অহা চামৰ মনত সৃষ্টি হোৱা অনীহা তথা হীনমন্যতাৰ বাবেও ই দিনে দিনে বিলুপ্তিৰ দিশে দ্ৰুত গতিত ধাৱমান হৈছে। এইটো অসমীয়া মানুহৰ বাবে ডাঙৰ ট্ৰেজেদি বুলিয়েই ক'ব লাগিব। এফাকি ফকৰাৰেই সামৰণী মাৰিব খুজিছো – বৰ্তমান সময়ত অসমৰ মুগা শিল্পটো 'কাজীৰ টিকাত পাজি, অকাজীৰ টিকাত মুগাৰ মেখেলা যায় খম্ খম্ বাজি'ৰ দৰে হৈছেগৈ।

*লেখকৰ ঠিকনা ঃ জীৱন ফুকন নগৰ, ডিব্ৰুগড়*
*ভ্ৰাম্যভাষ-৯৯৫৭১৭৬৯০০*

# চাৰিকড়ীয়া পানী হাবুঙৰ গাভৰু নেনাচিলেও নাচো যেন কৰে...

মণ্টু শইকীয়া

*চাৰিকড়ীয়াৰ পাৰতে ব'হাগে খেলিছে*
*যৌৱনৰ পিৰীতি খেলা,*
*ম'হঘূলিলৈ আহিবা ফাটবিহুত নাচিবা*
*পাতিবা সম্প্ৰীতিৰ মেলা।*

ফাটবিহু নিজস্ব মহিমাৰে মহিমামণ্ডিত। বিশ্বায়নৰ কেঁকোৰা চেপাৰ মাজতো ফাটবিহুৰ ঐতিহ্য জীয়াই আছে। ম'হঘূলি চাপৰিত মাটি আৰু মানুহৰ মাজত সংস্কৃতি গঢ় লৈ উঠিছে। কৃষিজীৱী ৰাইজৰ সমন্বয়ৰ প্ৰতীক ফাটবিহু।

*শালিকী চৰায়ে কিৰীলি পাৰিলে*
*গছৰ গুটি খাবলৈ পাই,*
*আমাৰ সমনীয়াই কিৰীলি পাৰিলে*
*ফাটবিহুৰ বতৰা পাই।*

ঢকুৱাখনাৰ প্ৰাচীন তথা ঐতিহাসিক নাম হাবুং। ইতিহাসে গৰকা হাবুঙৰ বৰ্তমানৰ নাম ঢকুৱাখনা। ঢোল-পেঁপাৰ শব্দই কঁপাই তুলিছিল এসময়ৰ হাবুং। বিহু নামত 'হাবুং' নামটো পোৱা যায়।

*ৰংপুৰৰ বেপাৰী ঢকুৱাখনাৰ কটাৰী*
*নেকাটিলেও কাটো যেন কৰে,*
*চাৰিকড়ীয়াৰে পানী হাবুঙৰে গাভৰু*
*নেনাচিলেও নাচো যেন কৰে।*

ম'হঘূলি চাপৰিক বাদ দি ফাটবিহুৰ ছবিখন আঁকিব নোৱাৰি। চাৰিকড়ীয়া নৈৰ তীৰত ঐতিহ্যমণ্ডিত ম'হঘূলি চাপৰি। মিচিং-দেউৰী, সোণোৱাল-কছাৰী, আহোম-চুতীয়া, কোঁচ-কলিতা, ব্ৰাহ্মণ-কৈৱৰ্ত, মুছলমান আদি জনগোষ্ঠীৰ মিলনভূমি এই নজহা-নপমা ফাটবিহু। ঢোল-পেঁপাৰ শব্দ, জাউৰিয়ে জাউৰিয়ে জাত জাত বিহুনাম আৰু নাচোনৰ তালত কঁপে চাৰিকড়ীয়া তীৰৰ ম'হঘূলি চাপৰি। কোৱা বাহুল্য যে ১৮৯৯ আৰু ১৯৫০ চনৰ বৰভূঁইকঁপত চাৰিকড়ীয়াই গতি সলোৱাৰ পিছত ম'হঘূলি চাপৰিয়েও তাৰ ৰূপ সলায়। জ্ঞাতব্য, ম'হঘূলি চাপৰিৰ ফাটবিহু পৰম্পৰা ১৬শ শতিকাৰ। ফাটবিহুৰ নামত পোৱা যায়—

*পখিলা উৰাদি উৰ ঐ নাচনী*
*পখিলা উৰাদি উৰ,*
*ৰজাৰো আগৰ ফাটবিহুখনিৰ*
*নাপাবি পিৰীতিৰ ওৰ।*

*আহোমৰ ফাটেৰে চেনেহৰ ফাটবিহু*
*কিনো চাবা পিৰীতিৰ ৰং,*
*ঢোলৰ মাতে শুনি ৰ'বকে নোৱাৰোঁ*
*দুৱাৰৰ কাটিলো ডাং।*

আহোমৰ দিনৰে ফাটবিহু বুলি বিহুনামত উল্লেখ আছে। আহোম ৰজাৰ ৰাজত্বকালত ঢকুৱাখনা ফাট আছিল বেহা-বেপাৰৰ এটি প্ৰধান কেন্দ্ৰ। বুৰঞ্জীয়ে গৰকা গাই নৈৰ পৰা সোৱণশিৰিলৈকে ৰজাই চিহ্নিত কৰি দিয়া 'ৰবৰুৱাৰ দুৱাৰেদি' ডফলা, সোৱণশিৰিৰ পশ্চিম দিশে থকা 'কাঠকৰাৰ দুৱাৰে'দি মিচিমি, চিচি নৈৰ ফালে থকা 'চিচি দুৱাৰে'দি আদি লোকসকল বেহা-বেপাৰ কৰিবলৈ ঢকুৱাখনালৈ আহিছিল। ব'হাগ বিহুৰ সময়ত চাৰিকড়ীয়া নৈৰ তীৰৰ ম'হঘূলি চাপৰিত যেতিয়া বিহুৱা-বিহুৱতীসকলে ঢোল, পেঁপা, গগনা, টকাৰে ৰজনজনাই বতৰত গীত জুৰিলে, তেতিয়া ফাটলৈ অহা পাহাৰীয়া মিচিং, আদি, দেউৰী, ডফলাসকলেও জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে সকলোৰে একেটা বাঁহীৰ সুৰতে সুৰৰ লহৰ তুলিলে। ফাটলৈ অহা বিহুৱলীয়া ৰাইজ একত্ৰিত হৈ বিহু মৰা বাবে এই উত্তৰপৰীয়া বিহুক ফাটবিহু বোলা হয় বুলি জনশ্ৰুতি আছে। ফাটবিহুত ধৰ্মৰ কোনো জেওৰা নাই।



ফাটবিহুৰ প্ৰসংগত নানা মুনিৰ নানান মত। ১৮২৬ চনত ইয়াণ্ডাবু সন্ধিৰ চুক্তি অনুসৰি অসম ইংৰাজৰ হাতলৈ যায়। চতুৰ ইংৰাজে আহোম ৰজাক কৰতলীয়া কৰি ৰজা পাতি দেশ চলাইছিল। ডেভিড স্কট চাহাবে পুৰন্দৰ সিংহক কৰতলীয়া ৰজা পাতি আহোমৰ ডা-ডাঙৰীয়া, বিষয়াক নিয়ন্ত্ৰণ কৰিছিল। এবাৰ এই বিহু চাবলৈ অহা ইংৰাজ চাহাব স্কাটগ্ৰীনক উত্তৰ পৰীয়া ৰাইজে ঢোলে-ডগৰে আদৰিলে। স্কাটগ্ৰীন চাহাবৰ নামৰ পৰাও 'ফাট' শব্দ উৎপত্তি হোৱা বুলি একাংশ পণ্ডিতে মত পোষণ কৰি গৈছে।

'ফাট' তাই শব্দ। নৈৰ দাঁতিৰ কৰ-কাটল সংগ্ৰহৰ বাবে সমৱেত হোৱা বেপেৰুৱা ঠাই। চাৰিকড়ীয়াৰ ফাট এই কামৰ বাবে ব্যৱহাৰ হৈছিল। এই ফাটৰ পৰাই ফাটবিহুৰ উৎপত্তি হোৱাৰ থল আছে।

আহোমসকলৰ ৰাজত্বকালতে চাৰিকড়ীয়াৰ তীৰত ফাট বহিছিল। ৰজাঘৰীয়া মানুহক মনোৰঞ্জনৰ বাবে ৰাইজে বিহু মাৰিছিল। আন একাংশই আকৌ নৈৰ ফাটৰ পৰাও 'ফাটবিহু' শব্দটো অহা বুলি ক'ব বিচাৰে।

ৰংঘৰৰ বাকৰিৰ ৰূপহী পথাৰৰ বিহু মহামেলাৰ পৰা ফাটি আহি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত সুকীয়াকৈ বিহু মেলা পতাৰ বাবেও ফাট বিহু হোৱাৰ প্ৰবাদ আছে।

বিহু মৰা সময়ত ঢোল, টকা ফাটিছিল, বিহুৱাৰ মাত ফাটিছিল, নাচনীৰ নাচোনত বসুমতী ফাটিছিল বাবেও ফাটবিহু হোৱাৰ থল আছে।

যুগৰ পৰিৱৰ্তনৰ লগতে মানুহৰ মনৰ মাজতো পৰিৱৰ্তন আহে। ফাটবিহুলৈও পৰিৱৰ্তন আহিছে বিশ্বায়নৰ ধামখুমীয়াত। আজিও ফাটবিহুত ৰং-ৰহইচৰ মাজত ঢোল ফাটে, টকা ফাটে, গচকত ভৰি ফাটে। ফাটবিহু আহিলেই মুখৰ হৈ পৰে চাৰিকড়ীয়াৰ পাৰৰ ম'হঘূলিৰ আকাশ-বতাহ। শিশু গছৰ (চিচু) তলত বিহু হয়। ডেকা-গাভৰুৰ মনৰ মাজত উজান উঠে। শিশু গছৰ মাজত স্থায়ী মঞ্চ হৈছে যদিও ফাটবিহুৰ ঐতিহ্য, ৰং-ৰূপ একেই আছে। আজিও মাটি আৰু মানুহৰ ৰঙৰ মেলাত 'বিহুগুটি' লাগে। যোৰাই যোৰাই জেংবিহু, প্ৰাপ্তবয়স্কৰ হুঁচৰি, মুকলি বিহুৰ প্ৰতিযোগিতাই উছৱমুখৰ পৰিৱেশৰ সৃষ্টি কৰে। ঢকুৱাখনাৰ হাজাৰ বিজাৰ লোক ওলাই আহে ম'হঘূলি চাপৰিলৈ। সেইকেইদিন ম'হঘূলি চাপৰিত দলদোপ-হেন্দোলদোপ পৰিৱেশৰ সৃষ্টি হয়। ডেকা-গাভৰুৰ নাচৰ গিৰিপনিত প্ৰাণ পাই উঠি ম'হঘূলিয়ে। একোজোপা গছক আগুৰি বিহু মাৰে চাৰিকড়ীয়াৰ পাৰত। শিশু গছৰ তলে তলে আয়োজিত ফাটবিহুৰ মুকলি বিহুৱে আবাল বৃদ্ধ-বণিতা সকলোকে আকৰ্ষণ কৰে। বিশিষ্ট পণ্ডিত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° নগেন শইকীয়াই ফাটবিহুত অংশ লৈ নিজৰ মতামত প্ৰকাশ কৰিছে এনেদৰে—

'ফাটবিহু ঢকুৱাখনাৰ বিশেষ এক অনুষ্ঠান। ফাটবিহু হ'ল অসমীয়াৰ এক স্বতঃস্ফূৰ্ত আনন্দ মেলা। বিচিত্ৰ ৰঙৰ সমাহাৰেৰে আয়োজিত 'ৰবিহু' ঢকুৱাখনাৰ ফাটবিহুৰ পৰা সমগ্ৰ অসমেই শিকিবলগীয়া আছে। বিহুৰ স্বতঃস্ফূৰ্ত চৰিত্ৰটো ফাটবিহুত প্ৰতিফলিত হৈছে। জাতীয় সাজপাৰ পৰিধান কৰাটো ইয়াৰ পৰম্পৰা। পিন্ধনত ধুতি, কুৰুতা বা কুৰ্তা, বিহুৱাৰ মুগাচোলা, ধুতি, ফুলাম গামোচা, ছোৱালী-মহিলাৰ পিন্ধনত ৰিহা-মেখেলা। চাৰিকড়ীয়াৰ পাৰৰ বিশাল ম'হঘূলি চাপৰিত চৌদিশে ৰঙৰ প্ৰয়োভৰ।পৰিশীলতা ৰূপত বিহুৰ কাৰ্যসূচী আগবাঢ়ে। নামী-দামী শিল্পীৰ স্থান অধিকাৰ কৰে অৰ্ধ শতাধিক বিহুৱা দলে। লাখ লাখ লোকৰ ৰিৰ দি বাট নোপোৱা অৱস্থা। আবাল বৃদ্ধ-বণিতা ওলাই আহে ম'হঘূলি চাপৰিলৈ— যিদৰে বৃন্দাবনত কৃষ্ণৰ বাঁহীৰ মাত শুনি গোপীসকল ওলাই আহিছিল।...

ঢকুৱাখনাৰ ইতিহাস সলনি হোৱাৰ লগে লগে ফাটবিহুৰ ৰেহ-ৰূপো কম-বেছি পৰিমাণে সলনি হৈছে। ইতিহাসৰ পাত লুটিয়ালে পোৱা যায় যে প্ৰথম বিশ্বযুদ্ধৰ সময়ত ইংৰাজপ্ৰেমী কেএগ্ৰা গোলাবোৰত যেতিয়া স্থানীয় লোকে লুটপাত চলালে, তেতিয়া বগা একাংশ ৰঙালে অসমীয়াৰ পিঠিত ঔ কিলাইছিল। একাংশ উচ্চ শিক্ষিতাই বিহুত 'ইতৰ লোকৰ বস্তু' অশ্লীল বুলি ইতিকিং কৰাত বিহুৰ প্ৰতি অসমীয়াৰ বিতশ্ৰদ্ধা হ'ল। সমাজৰ ৰক্ষণশীলতাৰ বাবে ৰাইজৰ বিহুৰ প্ৰতি অনীহা হ'ল। ১৯৪৮ চনত উত্তৰ পৰীয়াই নৈৰ পাৰত নতুন উদ্যমেৰে পুনৰ বিহু তৰিলে। আজি চাৰিকড়ীয়াৰ পাৰৰ ম'হঘূলি চাপৰিত শিশু গছৰ তলত অৰ্দ্ধ শতাধিক ভিন্ন জনগোষ্ঠীয় দলে যেতিয়া বিহু তৰে, তেতিয়া মৰতলৈ সৰগ নামি অহা যেন লাগে। ফাটবিহুৰ নামৰো নিজস্বতা আছে। ফাটবিহুত ব্যৱহৃত কেইটামান আপুৰুগীয়া বিহুনাম সংগ্ৰহ কৰি প্ৰসংগক্ৰমে লিপিবদ্ধ কৰা হ'ল।

*ম'হঘূলি চাপৰিলৈ আহিবা অ'' লাহৰী*
*ফাটবিহুৰ বতৰা পাই,*
*মিচিং আহিব দেউৰীও আহিব*
*আমাৰ বিহু ভাঙোতা নাই।*

*চাৰিকড়ীয়াত মাৰি যাওঁ চাৰিটাকৈ ভেঁকুলী*
*ফাটবিহুত মাৰি যাওঁ মাকো,*
*মিচিং আহিছে দেউৰীও আহিছে*

মইনো বৈ কেনেকৈ থাকোঁ।

ফাটবিহুৰ বলিয়া কোন সমনীয়া
ফাটবিহুৰ বলিয়া কোন
ফাটবিহুত বলিয়া ঢকুৱাখনীয়া
বুকুত পীৰিতিৰ জোন।

ম'হঘুলিৰ বেতগাজ সাপেখাতীৰ চেনিমাহ
বালিগাঁৱৰ জাবৰি শাক,
ঔ টেঙা টেঙেচি কিনো খাই য়াবা ঐ
ক'লে ওৰ নপৰে তাক।

চাৰিকড়ীয়া পাৰ হৈ ঢপলীয়াই আহিলোঁ
বিহুৰে বাতৰি পাই,
ম'হঘুলি চাপৰিত বিহুৱান পাতিছে
চেনাইৰ দেখাদেখি নাই।

হাবিলৈ গৈছিলোঁ কটাৰী নিনিলোঁ
নলটেঙা হাবিতে ৰ'ল,
ম'হঘুলি চাপৰিত বিহু মাৰি থাকোঁতে
চেংচুলি মুকলি হ'ল।

ম'হঘুলিৰ কাষেৰে চাৰিকড়ীয়া নৈখন
নহয় আন নৈৰ সমান,
অসমীয়া কৃষ্টি নেৰিবা সমনীয়া
ন'ৰৰ জাতিৰে মান।
জাত নামত পোৱা যায়—
ম'হঘুলিৰ চাপৰিত আবেলি ঐ আবেলি
ধানে নিৰাইছিলা চাপৰি ঐ চাপৰি
ব'হাগৰ দুপৰীয়া ঢোল-পেঁপাৰ গুমগুমনি
ঢপলিয়াই আহিলা মৰমৰে নাচনী
অ' নিৰলা দাৱনী
হাতে সজা বিচনী
লাহে লাহে বিচিবা
তেহে যাব টোপনি।।

সেইদৰে ভিন্ন জনগোষ্ঠীয় নামত পোৱা যায়—
চাৰিকড়ীয়া লেহেঙনা কেন্ দে বুজি পাই
বালিদেউৰী লেহেঙনা কেন,
য়য় বাবা লেহেৰণ গগই কাকাই লেহেৰণ
অনা যদি চ্ছ মোজা লেন (দেউৰী)
অৰ্থাৎ—চাৰিকড়ীয়া এৰি যাম, বালিদেউৰী এৰি যাম
এনেকি আই-বোপাই, ভাই-ককাই এৰি যাম
যদিহে সঠিক কথা কোৱা।
গীতটো—দিচাং নৈ লেহেঙনা আৰু
টেঙাপানী লেহেঙনা বুলিও গায়।
মিচিং বিহুনামত পোৱা যায়-
অৰুনৰী আৰ্নলি বাঁহকলা আপ্পী মৌচুম
আবজী দক্কী মাইলামনং মিপ্পানপী মৌচুম
অৰ্থাৎ—সোৱণশিৰি নৈখন সাঁতুৰিব নোৱাৰোঁ
সৰু কালৰ ভালপোৱা পাহৰিব নোৱাৰোঁ।'

ল'ক' জালুগুটি বেঙেনাৰ পাত-
লোণ মাৰো গাত, চুণ মাৰো গাত
লাউ তলে চিকা যায়
বোন্দাই ধৰি খায়
ভেকুলীয়ে ভেকে ভেকে
চিপৌ চিপৌ চিপৌ
...
এ লিলাং লাং
কচুশাকত তেল নাই
ঢুলীয়া কাংকান ঐ
নাচনী মাকন খিদাংদাং নীলমণি দাং
লামডিং শপত ঐ
মণিৰাম শপত ঐ
হাতীয়ে মাউতক পলুৱাই নিলেগৈ
ম'হঘুলি চাপৰিলৈ।

(বিঃ দ্ৰঃ লেখকৰ 'বিহুৱা' গ্ৰন্থৰ পৰা)

লেখকৰ ঠিকনা ঃ কৃষ্ণনগৰ হাউছিং ক'লনী, গুৱাহাটী
মোবাইল ঃ ৯৮৫৪২-২৫০১২





# ম'হৰ শিঙৰ পেঁপা

জগত বৰা

"উকিয়াই উকিয়াই - টিহিটি তিল'ল, টিহিটি তিল'ল ল' ল' ল' ...
ৰেটি টি টি ৰেটিটি টি টিহিটি তিল'ল ল' ল' ল' ........"

এয়া পেঁপাৰ মাত। আমাৰ থলুৱা লোক সংস্কৃতিৰ প্ৰাণ-স্পন্দিত বিহুগীত বা বিহুনৃত্যত ব্যৱহৃত পেঁপাৰ মাত। "কলীদৈ ম'হৰ পেঁপাটো" ম'হৰ গোৱাল ডেকাৰ সাৰথি বুলি ক'লে অলপো ভুল নহয়। ঢোলৰ দীঘলীয়া ছেৱত টিহিটি তিল'ল টিহিটি তিল'ল ল' ল' ল' ...।

পেঁপুৱৈ আঙুলিৰ বুলনিত যি সুৰে উকিয়াই উকিয়াই মাতে সিয়েই শুনোতা জনৰ হিয়ামন পুলকিত কৰে। পেঁপাৰ মাতৰ যাদুকৰি শক্তি আছে। যদিও বজাবলৈ তেনেই সহজ, কিন্তু এই বাদ্যযন্ত্ৰ নিজে তৈয়াৰ কৰি উলিওৱাটো ইমান সহজ নহয়। পেঁপা কেনেকৈ তৈয়াৰ কৰা হয় তাৰে থুল-মূল আভাষ এটা এনে ধৰণৰ - মূলতঃ পেঁপা এটাৰ কেইবাটাও অংশ, এই অংশ সমূহ হ'ল - মুখনি, নলিচা, চুপহি আৰু থুৰি। ম'হৰ শিঙৰ অংশটোক খোলা বা থুৰি বোলে। চাৰিটা বিন্ধাৰ ফুটা থকা বাঁহৰ নলিচা বা গবনলা।

সৰুতে গৰু চৰাইছিলো। কেতিয়াবা কেতিয়াবা দদাইৰ লগত ম'হ চৰাইছিলো অটব্য নলনি-দলনিত। দদায়ে খুউব সুন্দৰকৈ পেঁপা বজায়। সেই পেঁপাটো সাধাৰণতে মোৰ বাহিৰে আনে চুই পোৱা নাছিল। কেতিয়াবা সুবিধা বুজি পেঁপাটো লিৰিকি-বিদাৰি থাকো। ইয়াৰ মাজতো সুবিধা পালে মুখতলৈ বজাবলৈ চেষ্টা কৰো। মাজে মাজে দদায়ে চাপৰিত, নদীৰ পাৰে পাৰে অনাই-বনাই ঘুৰি ফুৰে। কিয় ঘুৰি ফুৰে বুজা নাছিলো যদিও এদিন কিন্তু সেই ৰহস্য ফাদিল হ'ল। ভ'ৰা সোৱণশিৰি নদীৰ পাৰে পাৰে ঘুৰি ফুৰোতে হঠাৎ দদায়ে এটা মৰা ম'হ উটি অহা দেখিলে। তেতিয়া মোক নদীৰ পাৰতে বহুৱাই থৈ ৰুকালত ফাঁক থকা মিটখন বান্ধি সাঁতুৰি সাঁতুৰি সেই মৰা ম'হটোৰ ওচৰ পালে। আৰু কষ্ট কৰি ম'হৰ শিং দুটা কাটি আনিলে। এই গোটেই প্ৰক্ৰিয়াটো মই একেথিৰে নিৰীক্ষণ কৰি আছিলো। ঘৰলৈ আনি সেই শিং দুটা দদায়ে পিছফালে মাটিত পুতি থলে। তেতিয়া তেওঁ মোক ক'লে যে শিঙৰ মাজত থকা মঙহখিনি মাটিত পুতি থলে ৩/৪ মাহৰ পিছত নাইকিয়া হৈ যাব। সেই কাৰণে ম'হৰ শিং পুতি থোৱা হয়। ইয়াৰ পিছত এদিন সেই শিং দুটা গাঁতৰ পৰা উলিয়াই এটা নিৰ্দিষ্ট জোখত কাটি ৩/৪ সপ্তাহ শুকুৱাই ৰাখিছিল

ভালদৰে শিংটো চাচি-কাটি সম্পূৰ্ণ কৰা নাছিল। কাৰণ এক্ষেন্দিলাই সেই কামখিনি কৰিলে ম'হৰ শিংটো দীঘল চুটি হোৱাৰ সম্ভাৱনা থাকে। আকৌ দদায়ে এখন কেৰাহিত থুৰিটো সিজাইছিল। কোমল কৰিবৰ কাৰণে। ইয়াৰ পিছত শিঙৰ আকাৰত বেঁকা গোটা কাঠ এটুকুৰা ভৰাই নিৰ্দিষ্ট জোখত গোল কৰা দেখা পাইছিলো। এই শিঙৰ জোঙা অংশৰ ফালে বিন্ধা কৰি এক, ডেৰ ছেন্টিমিটাৰ ফুটুৱাই এডাল বাঁহৰ শলা ভৰাই ৰাখিছিল। কিন্তু এইখিনিতে এটা কথা উল্লেখ নকৰিলে আধৰুৱা হ'ব। পেঁপাৰ মাত ম'হটোৰ বয়সৰ ওপৰত নিৰ্ভৰ কৰে। লগতে সম্পূৰ্ণ জোখ-মাখ হিচাবত নহ'লে পেঁপাৰ মাত সুৰলা নহয়। বয়সস্থ ম'হ আৰু এটা কম বয়সৰ ম'হৰ শিঙৰ মাজত পাৰ্থক্য থাকে। কাৰণ বয়সস্থ ম'হৰ শিঙৰ মাত আৰু গেয়া ম'হৰ শিঙৰ মাতৰ উকিয়াই উকিয়াই মতা শব্দৰ পাৰ্থক্য আছে। গতিকে কটাৰীয়ে চাচি-কাটি শিংটোৰ এটা নিৰ্দিষ্ট জোখত ৰাখিবলৈ যত্ন কৰা হয়। তেতিয়া হয়তো ভৰামতে পেঁপাৰ মাত শুৱলা হ'ব পাৰে। এই শিংটোৰ প্ৰায় ২২/২৪ ছেঃ মিঃ দীঘলকৈ কাটি ৰখা হয়। ইয়াকে কয় ম'হৰ শিঙৰ থুৰি। এই ম'হৰ শিঙৰ থুৰিটো বহুজনে বহু মৰমে সযতনে ৰখা দেখা যায়। কোনো কোনোৱে এই থুৰিটো মিঠাতেল সানি থয়। ইয়াৰ পিছত থুৰিত থকা এক, ডেৰ ছেঃ মিঃ ফুটাটোত নলিচাডাল সংযোগ কৰি ৰখা হয়। নলিচা ডাল দেখাত সাধাৰণ, কিন্তু এই নলিচাডাল তৈয়াৰ কৰোতে বহুসময়ৰ প্ৰয়োজন। ব'দঘাই জাতি-বাঁহ এজুপীৰ পৰা এডাল আগলি বাঁহৰ এটা পাব ১০/১১ ছেঃ মিঃ কাটি ২/৩ সপ্তাহ ৰ'দত শুকুৱাই ৰখা হয়। যাতে কোনো কাৰণত সেই বাঁহৰ পাব টুকুৰা সোতোৰা পৰি নাযায়। কাৰণ লেবেলি টুটুৰা পৰিলে পেঁপাৰ মাত শুৱলা নহয়। এই নলিচাডাল সম্পূৰ্ণ কৰি তুলিবলৈ এতিয়া একুৰা জুই লগত চাইকেল বা ছাতিৰ মিহি শলা গৰম কৰি নিৰ্দিষ্ট জোখত চাৰিটাকৈ ফুটা কৰা হয়। এই ফুটা সমূহ প্ৰায় তিনি ছেঃ মিঃ দূৰে দূৰে ৰখা হয়। য'ত আঙুলিৰ বুলনি জিলিকি উঠে। এই নলিচাৰে এটা মূৰত প্ৰায় ৩/৪ ছেঃ মিঃ নল খাগৰি চুপহি এটি সংযোগ হয়। ইটো মূৰত পেঁপাৰ থুৰি অংশ সংযোগ কৰা হয়। এই চুপহিসমূহ গাঁঠি থকা নল খাগৰি ৩/৪ ছেঃ মিঃ দীঘলকৈ কাটি ৰখা হয়। গাঁঠিৰ পৰা নিচেই কাষতে এক ছেঃ মিঃ চোকা মিহি কটাৰীয়ে ফালি দিলে এই নল খাগৰিত প্ৰায় ০.৫০ ছেঃ মিঃ এখন সৰু জিভা ওলায়। ইয়াক মুখেৰে ফুঁ দিলে নল টুকুৰাৰ পৰা শব্দ সৃষ্টি হয়। এই চুপহি সমূহ কোনোৱে আকৌ মিঠাতেল সানি জুইত সেক দি ৰাখে। তেতিয়া তাত ঘূণে নধৰে। বহুদিনীয়া পুৰণা চুপহি হ'লে পেঁপাৰ মাত অতি শুৱলা হয়। এই নল খাগৰি নদীৰ পাৰে পাৰে বিচাৰি প্ৰতিজন পেঁপুৱৈয়ে ১০০/২০০ কাটি চুপহি সমূহ বহু সযতনে ৰাখে।

এতিয়া নলিচাত সংযোগ হৈ থকা এই অংশটিৰ নাম 'মুখনি' পেঁপাটি হাতত লৈ প্ৰথমে মুখেৰে ফুঁ দিওতে দেখিবলৈ পোৱা যায় প্ৰায় তিনি ছেঃ মিঃৰ পৰা চাৰে তিনি ছেঃ মিঃ গাঁঠি থকা এটুকুৰা গোলাকাৰ বাঁহৰ মুখনি। অৱশ্যে এইবাঁহটুকুৰা সাধাৰণতে পুৰঠ জাতি বাঁহৰ আগলি এটুকুৰা পাব। এই টুকুৰা গাঁঠি থকা জাতি বাঁহ ইয়াকো যথেষ্ট দিন ৰ'দত শুকুৱাই ৰখা হয়। এই সঁজুলিটো বৰ সাৱধানে বনোৱা হয়। কাৰণ বাঁহৰ গাঁঠিটো মাজভাগত এটা নিৰ্দিষ্ট জোখত লোহাৰ শলাৰে প্ৰায় আধা ছেঃ মিঃ ভিতৰত এটা ফুটা কৰা হয়। য'ত নল খাগৰি চুপহিটো ভৰাই থোৱা হয়। যাতে কোনো কাৰণত মুখেৰে ফুঁ দিওতে বতাহ বাহিৰলৈ ওলাই নাযায়। কেনেবাকৈ কিবা কাৰণত ফুঁ বা বতাহ বাহিৰ হ'লে বজোৱা পেঁপুৱৈ জনৰ বহুত কষ্ট হয়। সেয়েহে এই গোটেই প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰোতে জোখ-মাখ সকলোখিনি চাই-চিটি বনোৱা হয়। কাৰণ জোখ-মাখত খেলি-মেলি হ'লে ঘন্টা ঘন্টা ধৰি পেঁপা বজায় থাকিব নোৱাৰি।

এই পেঁপাটি সৌন্দৰ্য বঢ়াবৰ কাৰণে তাম বা পিতল যুক্ত ধাতুও ব্যৱহাৰ কৰা হয়। এই বাদ্যৰ গোটেই প্ৰক্ৰিয়াটো মুখনি, চুপহি, নলিচা আৰু থুৰি এই অংশ সমূহ হিচাবত থাকিলে পেঁপা বজাইয়ো ভাল লাগে। পেঁপাৰ মাত শুনিবলৈ শুৱলা হয়। পেঁপাৰ মাত শুনিলে নৃত্য-শিল্পীসকলে পেঁপাৰ লহৰত মতলীয়া হৈ পৰে। এই বাদ্যই অসমীয়া সংস্কৃতিৰ পথাৰত উচ্চস্থান দখল কৰি আহিছে।

এই সুযোগতে অসমৰ ৰাইজক জনাবলৈ পাই মই নথৈ সুখী যে ৰাইজৰ আশীৰ্বাদ শিৰত লৈ অসমৰ প্ৰথম বিহুৰ বাদ্য- পেঁপা, গগণা আৰু সুতুলি স্বৰলিপি কৰি "মাকো মাৰি থাকোতে..." গ্ৰন্থখনি প্ৰকাশ পালে। য'ত সন্নিবিষ্ট হৈ আছে ২০২ টা লেখকৰ নিজা স্ব-ৰচিত বিহুনাম আৰু যোৰানাম।

*লেখকৰ ঠিকনা ঃ কে. বি. ৰোড, লখিমপুৰ, দূৰভাষ- ৯৪০১৩৫৯২৯৩*



## ফাটবিহু সমিতি



বাওঁফালৰ পৰা বহি ক্ৰমে ঃ সৰ্বশ্ৰী বিনোদ গগৈ, টংক দত্ত, প্ৰদীপ চমুৱা, মুকুল গগৈ, ভদ্ৰ গগৈ, গোবিন দত্ত, লালিত্য কুমাৰ দাস, কেশৱ গগৈ, নৱ গগৈ, লীলা চমুৱা, ললিত কুমাৰ দাস
বাওঁফালৰ পৰা থিয় হৈ ঃ সৰ্বশ্ৰী অৰূপ কুমাৰ বৰুৱা, হৰিচন্দ্ৰ বৰুৱা, গোবিন বৰুৱা, দীপক চমুৱা, সঞ্জীৱ গগৈ, ৰঞ্জিত সন্দিকৈ, প্ৰশান্ত হাজৰিকা আৰু ৰাজেন্দ্ৰ প্ৰসাদ গগৈ
অনুপস্থিত ঃ সৰ্বশ্ৰী তিলোত্তমা গগৈ, মঞ্জু গগৈ, চেনিৰাম গগৈ, হেমচন্দ্ৰ বৰা

## 'বিহুৱান' সম্পাদনা সমিতি, ২০১৪ বৰ্ষ



বাওঁফালৰ পৰা বহি ঃ সৰ্বশ্ৰী স্বৰ্ণলতা গগৈ চমুৱা (সদস্যা), ভূধৰ দাস (সদস্য), তোলন দত্ত (সম্পাদক), জিতু দত্ত (সদস্য), ৰমেন দাস (সদস্য)। অনুপস্থিত ঃ তিলোত্তমা গগৈ (সদস্যা), প্ৰফুল্ল চুতীয়া (সদস্য)

# বিগত বৰ্ষবোৰৰ ফাটবিহুৰ কেইটামান বিশেষ মুহূৰ্ত



ফাটবিহুৰ বৰ্ণিল শোভাযাত্ৰাত জনসমুদ্ৰৰ মাজত অভিনেত্ৰী শ্যামন্তিকা শৰ্মা



ফাটবিহুতলীত মুকলি বিহু প্ৰতিযোগিতাৰ এটি অংশগ্ৰহণকাৰী দল



জকমকীয়া পোছাকেৰে ফাটবিহুতলীত এটি মিচিং বিহু দল



জাতীয় পোছাক পৰিধান কৰি ফ্ৰান্সৰ পৰ্যটক ফ্ৰেংক ভোগেলে ফাটবিহুত অংশগ্ৰহণ কৰাৰ দৃশ্য

আলোকচিত্ৰ : নৰ কুমাৰ ভৰালী



পৰেশ দত্ত
২০১৩ বৰ্ষৰ শ্ৰেষ্ঠ ঢুলীয়া



ইলোৰা দত্ত
২০১৩ বৰ্ষৰ শ্ৰেষ্ঠা বিহুৱতী



[illegible]



২০১৩ বৰ্ষৰ পূৰ্ণবয়স্ক হুঁচৰিৰ শ্ৰেষ্ঠ দল, কলাকটা বহনা বিহুদল



জিতেন দত্ত
২০১৩ বৰ্ষৰ শ্ৰেষ্ঠ বিহুৱা



সুকন্যা দত্ত
২০১৩ বৰ্ষৰ শ্ৰেষ্ঠা বিহুৱতী (চেমনীয়া)



শ্ৰীকেশৱ গগৈ
সভাপতি, ফাটবিহু সমিতি



শ্ৰীলালিত্য কুমাৰ দাস
সম্পাদক, ফাটবিহু সমিতি



শ্ৰীভদ্ৰ গগৈ
সভাপতি,
ফাটবিহু উদযাপন সমিতি



শ্ৰীমনোজ গগৈ
সম্পাদক,
ফাটবিহু উদযাপন সমিতি







# লোক-সংস্কৃতিত ঢোল ঃ এটি পৰ্যালোচনা

জিতু দত্ত

অসমীয়া লোক-সংস্কৃতিত ঢোলে এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। এই স্থান আচুতীয়া আৰু পবিত্ৰ। ঢোল হ'ল মানুহৰ প্ৰাণৰ আপোন, হিয়াৰ আমঠু। ঢোল বিশ্বৰে বহু পুৰণি বাদ্য। সমগ্ৰ পৃথিৱীতে বিভিন্ন আকাৰৰ ঢোলৰ প্ৰচলন আছে। বৰ অসমৰ বিভিন্ন জাতি আৰু ধৰ্ম সম্প্ৰদায়ে আনন্দ-উৎসৱ আৰু আনুসংগিক আন কামত ঢোলৰ ব্যৱহাৰ কৰা দেখা যায়। বিহুগীতত আছে - 'এটা আমেৰে এটা চামৰে বাঁহৰ মাৰি সাজি বাওঁ।' ঢোল সাধাৰণতে আম, কঁঠাল, প্ৰভৃতি গছৰ পৰা সাজি উলিয়ায়। অসমৰ কাৰ্বিসকলে ঢোলক বোলে চেং। ইয়াক ছাগলীৰ ছালেৰে ছোৱা হয়। গৰুৰ ছাল তেওঁলোকে ব্যৱহাৰ নকৰে। ঢোল বোৱা মাৰি ডাল সৰু। বড়োসকলৰ ঢোল খাম ৰূপে পৰিচিত। আকাৰত ই যথেষ্ট ডাঙৰ-দীঘল। গাৰোসকলৰ ঢোলো যথেষ্ট দীঘল। তাক হাতেৰে বজায়। তিৱাসকলৰ ঢোলৰ নাম- খ্ৰামচা, খ্ৰাম দুদাং, খ্ৰাম পত্থাই, খ্ৰামবাৰ, খ্ৰাম লুৱা আদি। পাতি ঢোলক কোৱা হয় পিচু ক্ৰাম। ৰাভাসকলে ঢোলক খাম বোলে। ই আকাৰত দীঘল। মিচিংসকলৰ দুমদুম বা ঢোল নৃত্য-গীতৰ অপৰিহাৰ্য অংগ।

বিহু আনন্দৰ উৎসৱ। এই আনন্দ প্ৰকাশ নৃত্য-গীত আৰু গীতৰ মাজেৰে। ইয়াৰ লগত সংযোগ থাকে বাদ্যযন্ত্ৰৰ। লোকবাদ্য-ঢোল, পেঁপা, গগনা, টকা, বাঁহী, তাল, সুতুলি আদিক বাদ দিলে বিহুৰ সামগ্ৰিক চিত্ৰখনেই সম্পূৰ্ণ নহ'ব বুলি ক'ব পাৰি। এই ধৰণৰ বাদ্যযন্ত্ৰই অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত বিভিন্ন নামেৰে পৰিচিত।

অসমৰ বাৰে-ৰহনীয়া সংস্কৃতিত ঢোলৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। যেতিয়ালৈকে ঢোল জীয়াই থাকিব তেতিয়ালৈকে অসমৰ জাতীয় কৃষ্টি-সংস্কৃতি জীয়াই থাকিব। ঢোল জাতীয় বাদ্য মাথোন অসমতেই নহয়, গোটেই বিশ্বৰে বহু পুৰণি বাদ্য। ঢোল, চুঙা আকৃতিৰ এক অনাবদ্য বাদ্য। ইয়াৰ 'খোল'ৰ (অৱয়ৱ বা কাঠৰ ফোপোলা অংশ বিশেষৰ) দুয়ো মুখ, চামৰাৰ ৰচি বা বৰতিৰ সহায়ত, চামৰাৰ সাধাৰণতে গৰুৰ ছালেৰে) ছোৱা (আবৃত) থাকে। এখন ছালত হাতেৰে আৰু

আনখনত মাৰিৰে কোবাই ধ্বনি উৎপন্ন কৰা হয়। কাঠি বা মাৰিৰে বজোৱা ছাল হাতেৰে বজোৱাখনতকৈ ডাঠ আৰু কম ব্যাসৰ। এই ঢোলৰ মাৰিৰে খোলাৰ ওপৰত আঘাত কৰিয়ে ধ্বনি উৎপন্ন কৰা হয়। ঢোল অসমৰ জাতীয় সংস্কৃতিৰ ঐতিহ্য। ঢোলক বাদ দি বিশেষকৈ বিহুৰ কথা ভাবিবই নোৱাৰি। যদিও অনেকৰ 'ঢোল'বুলিলে মানসপটত বিহুত বজোৱা বিহু ঢোলৰ প্ৰতিচ্ছবিয়েই ভাঁহি আহে, নামনি আৰু পশ্চিম অসমত বিহুঢোলতকৈ অন্যধৰণৰ ঢোলৰ প্ৰচলনহে বেচি। তেনেবোৰ ঢোল হৈছে কামৰূপৰ সৰুৰ পৰা আৰম্ভ কৰি বৃহৎ আকৃতিৰ বৰঢোল, দেওধ্বনি নৃত্যৰ লগত সংগত কৰা জয়ঢোল (দেওঢোল), মঙ্গলদৈ অঞ্চলত প্ৰচলিত ঢেপাঢোল। ইয়াৰোপৰি গোৱালপাৰা অঞ্চলত প্ৰচলিত বিভিন্ন আকাৰৰ ঢোলে আমাৰ লোক সংস্কৃতিত স্বকীয় বৈশিষ্ট্যৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে।

উপৰোক্ত ঢোলৰ উপৰিও অসমৰ বিভিন্ন জনজাতীয় লোকৰ মাজতো নিজস্ব বৈশিষ্ট্যপূৰ্ণ বিভিন্ন ঢোলৰ প্ৰচলন আছে। যেনেকৈ-বড়োসকলৰ খাম (অৱশ্যে এই বাদ্যত মাদলৰ দৰে চাউনিৰ মধ্যভাগত 'ঘূণ' লগোৱা থাকে আৰু হাতৰ আঙুলি সঞ্চালনেৰে ধ্বনি উৎপন্ন কৰে), ৰাভাৰ, হেম বা খাম, তিৱাচাৰ খ্ৰাম, কাৰ্বিৰ চেং জেমী নগাৰ ইনচুম, ৰাংখলৰ খুবং, তিৱাৰ খ্ৰাম, মিচিংসকলৰ দুমদুম ইত্যাদি-এই সকলো ঢোল জাতীয় বাদ্য।

বিহু ঢোল বা ওজাৰ ঢোল সাধাৰণতে আম, চাম, কঠাল, গমাৰি এনে কাঠখুলি (ফোঁপোলা কৰি) দুয়োফালৰ ঘূৰণীয়া মুখ দুখনত ছালেৰে ছোৱা হয়। বাওঁফালে হাতৰ তলুৱা আৰু আঙুলিৰ দ্বাৰা আৰু সোঁফালে সৰু এডাল বাঁহৰ মাৰিৰে কোবাই ধ্বনি উৎপন্ন কৰা হয়। ঢোল নিৰ্মাণৰ সম্পৰ্কে বিহু নামত আছে-

"কঠালৰ কাঠেৰে ঢোলটো সাজিলো
চেউৰী গৰু ছালেৰে চালো,
বুঢ়া গৰু ছালেৰে ৰৰতি সাজিলো
বাঁহৰ মাৰিৰে বালো।"

আকৌ আন এটা বিহু নামত আছে—

"এটা আমৰে এটা চামৰে
বাঁহৰ মাৰি সাজি বাওঁ।"

ঢোলৰ প্ৰধান অঙ্গ সমূহ হ'ল- ডিমা বা খোলা (ঢোলৰ কাঠেৰে নিৰ্মিত ফোপোলা যি অংশ আম, কঠাল, চেঁৰা আদি গছৰ কুন্দা খুলি প্ৰস্তুত হয়), কোবনি (মাৰিৰে কোবাই বজোৱা বাওঁফালৰ মুখ), তালি (হাতৰ তলুৱাৰ আঘাত কৰি বজোৱা বাওঁফালৰ মুখ), ছাউনি (দুয়োখন মুখ থকা ছাউনি), ৰৰতি (দুয়ো মুখৰ ছাউনি টানি ৰখা চামৰাৰ ৰচী বা ফিটা), মলুৱা বা বান্ধনি (ছাউনিৰ কেউ ফালে তালি আৰু কোবনিক খোলাৰ মুখত খাপ খাই পৰাকৈ চামৰাৰ বা বাঁহৰ বৃত্তাকাৰ পাগুৰি বা মেৰ), কাটনি ছাল (তালিৰ মলুৱাৰ ফালে থকা প্ৰায় ১ ছেঃমিঃ বহল বৃত্তাকাৰ ছাল) ডোল বা জৰী (কান্ধত ওলোমাই লোৱাৰ বাবে চামৰাৰ ৰচি) ইত্যাদি।

ঢোলৰ মাতে বিহুৱা ডেকাৰ মন উতলা কৰে, গাভৰু নাচনীৰ হিয়া ৰাই-জাই কৰে। বিহুৰ বতৰত ঢোলৰ মাতে মন উতলা কৰি যেন সঁচাকৈয়ে ভোকৰ ভাত, পিয়াহৰ পানী পাহৰায়। সেয়েহে বিহু নামত পোৱা যায় ঃ

"ঢোলৰ চাপৰ মাৰি ঢুলীয়া ওলালে
বহি বৈ আছিলো তাঁত,
টোপোলাৰ সেন্দুৰ টোপোলাতে থাকিল
খাবলৈ ন'হলে ভাত।"

অসমীয়া সামাজিক জীৱনৰ ঢোলবাদ্য অবিচ্ছেদ্য অংগ। কথাতে কয় ঢোল বজাইছে যেনেকৈ নেনাচিনো থাকো কেনেকৈ? চ'ত মাহৰ ঢোলৰ চাপৰত বিহু বিহুৱতীৰ মন মতলীয়া হয়। বিহুৱতীয়ে যেন গছকত ভাঙিব যঁতৰ। আনকি ন-বোৱাৰীয়েও নদীৰ ঘাটত লুকাই চুৰ কৰি এপাক নাচিলে হেনো বছৰটোলৈ মূৰ ঘূৰণি নহয়। সম্প্ৰতি ঢোল যে মানব সমাজত নিতে এক নৱৰূপলৈ ব্যৱহাৰ কৰা দেৱ-বাদ্য হিচাবে পৰিগণিত হৈ আহিছে। এই কথা গীত-মাতত ধৰা দিয়ে।

"সত্যতে আছিলে ঢোল শুদ্ধ সুবৰ্ণ
ত্ৰেতাতে আছিলে ঢোল জানিবা ৰূপত
দ্বাপৰত আছিলে জানিবা তামত
কলিত হৈলেক ঢোল কাঠৰ।"

ঢোলৰ ব্যৱহাৰ দক্ষিণ-পূৱ এচিয়াৰ প্ৰায়বোৰ দেশতেই আছে। অসমৰ ঢোলৰ লগত প্ৰশান্ত মহাসাগৰৰ দ্বীপপুঞ্জ আৰু ব্ৰহ্মদেশৰ এবিধ ঢোলৰ সৈতে সাইলাখ একে। তেওঁলোকে বা এই গোষ্ঠীৰ মানুহবোৰে গৰু ছালৰ পৰিবৰ্তে "ওপচাম" নামৰ এবিধ পহু জাতীয় জীৱ চালেৰে ঢোল তৈয়াৰ কৰে। ইয়াৰ পৰা ঢোল মূলতে অষ্ট্ৰিক সংস্কৃতিৰ সম্পদ বুলিও ঠাৱৰ কৰা হৈছে। কৃষক অষ্ট্ৰিকসকলে ঢোল বজাই গীত গাই শস্য উৎপাদন কৰিছিল। আহু খেতিৰ টঙী ঘৰত ঢোল বজাই চৰাই চিৰিকতি খেদাটো সচৰাচৰ নিয়ম বুলিয়েই ক'ব পাৰি। অষ্ট্ৰিক সকলে ভাবিছিল কামত বাদ্য বজালে শস্য উৎপাদিকা শক্তি বৃদ্ধি আৰু নাচোনৰ গিৰিপনিত পৃথিৱীৰ উৰ্বৰা শক্তি বাঢ়ে, এইদৰে সময়ৰ সোঁতত সাংস্কৃতি সংমিশ্ৰণ হৈ ঢোল অসমীয়া সংস্কৃতিৰ এপদ মূল্য সম্পদ হৈ পৰে।

ঢোলবাদ্য এক পৱিত্ৰ বাদ্য হিচাপে আবহমান কালৰ পৰাই চলি আহিছে। ঢোল মাংগলিক বাদ্যৰ প্ৰতীক। মাংগলিক বাদ্য হিচাপে বিহুৰ উপৰিও বিয়াতো এই বাদ্য বজোৱা হয়। অতীতত ৰজা আৰু ডা-ডাঙৰীয়াসকল বাহিৰলৈ ওলাই গ'লে ঢুলীয়াই দোলাৰ কাষে কাষে দোলা কাষৰীয়া ছেঁও মাৰি গৈছিল। এসময়ত বিয়াৰ দৰাৰ শোভাযাত্ৰাৰ লগত ঢোলনহ'লেই নহৈছিল। আহোম ৰজাৰ দিনত ৰজাঘৰীয়া ঢুলীয়া খেল আছিল। ঢুলীয়া পাৰে এতিয়াও তাৰ সাক্ষী দিয়ে। ঢোলৰ মাতে যৌৱনৰ পুলক জগায়, প্ৰকৃতিক মতলীয়া কৰে। প্ৰকৃতিৰ লগতে মানুহৰ মনলৈকো নতুন সঞ্চাৰণ ঘটায়। কোনো গৃহস্থৰ ঘৰত বিবাহ উৎসৱ, সন্তানৰ জন্মৰ সময়ত ঢোল বজোৱা পৰম্পৰা মন কৰিবলগীয়া।

ঢোল সাধাৰণতে দুটা ভাগত ভাগ কৰা হয়। ইয়াৰে প্ৰথমবিধ ঢোলৰ খোলাৰ দৈৰ্ঘ্য এহাত চাৰি আঙুল বা ২৪ ইঞ্চি আৰু দ্বিতীয় বিধৰ খোলাৰ দৈৰ্ঘ্য এহাত বা ১৮ ইঞ্চি। ওজাসকলৰ ২৪ খন মান হাত আছে আৰু বিহুত বজোৱা ২৪ টা মান ছেঁও আছে। উদাহৰণস্বৰূপে খৰা ছেঁও, দীঘল ছেঁও, বুঢ়া ছেঁও ইত্যাদি।

সাধাৰণতে ঢোলৰ বুলনি তিনিখন। সেই কেইখন হৈছে - মস্য বুলনি, চৰাই বুলনি আৰু ৰাজ বুলনি। ওজাসকলে হাত কৰোতে সন্মুখত পাতিলোৱা ঢোলক পাটি ঢোল বুলি কয়। অন্যহাতে কিছুমান লোকে বিহুত বজোৱা কাৰণে ইয়াক বিহু ঢোল বুলিও আখ্যা দিছে। ঢোলক যি মাতকে বিচৰা যায় তাক প্ৰকাশ কৰিব পৰা ঢোলক 'কুৰুলি' ঢোল হিচাপে স্বীকৃতি দিয়া হয়। ওজাই বজোৱা ঢোলক ওজাঢোল আৰু ওজাৰ লগত পালিয়ে বজোৱা ঢোলক পালি ঢোল বুলি কোৱা হয়। ঠাইভেদে ঢোলৰ ছেঁও বিলাকো ভিন্ন ধৰণৰ। অতীতৰ বিয়াত পানী তুলিবলৈ যোৱা ছেঁও, দৰা যাত্ৰা ছেঁও, দীঘলীয়া বাটত বাটকুৰি বাই কইনা ঘৰলৈ যাওঁতে দীঘলীয়া ছেঁও, কইনা ঘৰ পাওঁতে মৰা ছেঁও, বিজয়ৰ পৰত মৰা ছেঁও আদি এশ এবুৰি ছেঁও শুনা পোৱা গৈছিল যদিও বৰ্তমানত এই সকলোবোৰ ঢোলৰ ছেঁও প্ৰায় লুপ্ত হৈছে।

ঢোলৰ বিশেষত্ব জিলিকি পৰিছে। ঢোলৰ শব্দক অনুকৰণ কৰি ৰচা গীতধৰ্মী সুৰক ঢোলৰ মালিতা বুলি কোৱা হয়। স্বভাৱ কবিয়ে ব'হাগৰ বিহুৱাই কাণত ঢোল লৈ বিহু মাৰিবলৈ অহা চিত্ৰক এনেধৰণে অংকণ কৰিছে-

"ঢোলটি বাবৰে তিনিটি আঙুলি
মাজৰে আঙুলি লৰে;
পুৰুষৰ আঙুলি যতেকে লৰিব
ততেকে জেউতি চৰে।"

আহক, আমি সকলোৱে ঢোলৰ অস্তিত্ব বাহাল ৰাখি জাতীয় কৃষ্টি, লোক-সংস্কৃতিৰ বুনিয়াদ সৃষ্টি কৰো আহক।

সহায়ক গ্ৰন্থ ঃ 'অসমীয়া সাহিত্যৰ আধুনিক যুগ"
বৰঠাকুৰ ড' দিলীপ ৰঞ্জন
"বিহুত ব্যৱহৃত লোকবাদ্য আৰু লোকবাদ্য শিল্পী"
বৰুৱা, অংকিতা ঃ বিহুৰ নামত ঢোলৰ বিশেষত্ব

*লেখকৰ ঠিকনা ঃ*
*ভগামুখ গাঁও, ঢকুৱাখনা*
*ভ্ৰাম্যভাষ - ৯৫৭৭৩১০৩১০*

*ফাটবিহুপ্ৰেমী ৰাইজলৈ আন্তৰিক শুভেচ্ছাৰে...*


**ঢকুৱাখনা মহকুমা ছাত্ৰ সন্থা**

**শ্বহীদ ভৱন, ঢকুৱাখনা**

দিলীপ কোঁৱৰ
সভাপতি

টুলটুল ভৰালী
সাধাৰণ সম্পাদক

ঢকুৱাখনা মহকুমা ছাত্ৰ সন্থা



# ফাটবিহুত মুকলি বিহু আৰু জেংবিহুৰ সাদৃশ্য আৰু পৰিৱৰ্তনশীল সংস্কৃতি

আকাশ প্ৰিয়ম

ফাটবিহু চকুৰাখনীয়া ৰাইজৰ সৃষ্ট একক আৰু অনন্য কৃষ্টি। এই কৃষ্টিত থলুৱা ৰহণৰ পৰিপূৰ্ণতা পোৱা যায়। ব'হাগ বিহুৰ যি উৰ্বৰা ভূমিত কৰ্ষণ কৰি সোণালী শইচ চহপৰীয়া কৰাৰ বিমল আস্বাদন সেইয়া এই ফাটবিহুৰ কৃষ্টিতো মিহলি হৈ আছে। তদুপৰি এই বিহুত প্ৰকৃতিৰ বুকুত সৰ্বত্ৰে নৱজীৱন আৰু যৌৱনৰ লহৰ উঠে। পল্লৱিত হয় উদ্ভিদ জগত আৰু প্ৰাণী জগত। সুবাসত আমোলমোলাই চৌদিশ। চাৰিকড়ীয়া নৈৰ পাৰৰ মনোমোহা প্ৰকৃতিয়ে চকুৰাখনীয়াৰ বুকুৱে বুকুৱে জগাই তোলে বসন্তৰ অফুৰন্ত অনুৰাগ।

প্ৰায় যোল্ল শতিকাৰ পৰাই চকুৰাখনাৰ চাৰিকড়ীয়া নৈৰ 'ফাট' ম'হঘুলি চাপৰিত ফাটবিহু অনুষ্ঠিত হৈ আহিছে। চাৰিকড়ীয়া নৈৰ পানীফাট বা ঘাটতেই সাতবিহু হোৱাৰ পিছত চকুৰাখনা (পূৰ্বতে- হাবুঙ)ৰ কেইবাটাও জনগোষ্ঠীয় লোকে একেলগ হৈ বিহু মাৰিছিল। ফাটত অনুষ্ঠিত হোৱা বাবেই এই বিহুক 'ফাটবিহু' বোলা হয়। চাৰিকড়ীয়া ফাটৰ মোহনীয় প্ৰাকৃতিক পৰিবেশ আৰু নৈসৰ্গিক সৌন্দৰ্যৰ মাজত একো-একোজন বিহুৱলীয়া প্ৰেমিকে বিচাৰি পায় জীৱন যৌৱনৰ স্পন্দন।

চকুৰাখনাৰ ফাটবিহুৰ বৈশিষ্ট্য আৰু ঐতিহাসিক দৃষ্টিকোণৰ ওপৰত চকু ফুৰালে বিশিষ্ট বিহু গৱেষক ভৱত সন্দিকৈয়ে আগবঢ়োৱা বিশ্লেষণৰ সৈতে আমি একমত। তেখেতৰ মতে, বৰ্তমান চকুৰাখনালৈ দৃষ্টি নিক্ষেপ কৰিলে সহজে অনুমান কৰিব পাৰি যে অতীততে চাৰিকড়ীয়া নৈৰ পাৰত, য'ত ফাটবিহু অনুষ্ঠিত হৈছিল; তাত জনবসতি বিশেষ নাছিল। গাঁওবোৰ কিছু দূৰত আছিল। ধান-মাহৰ খেতি-পথাৰৰ লগতে ছন পৰি থকা চাপৰিবোৰত থকা গছৰ তলত আৰু মুকলি পথাৰত বিহু মাৰিবলৈ বহু দূৰ-দূৰণীৰ পৰা ডেকা-গাভৰুৰ দল আহিছিল। ভাগ ভাগ হৈ বিহু মাৰিছিল শত শত বিহুদলে। কোনেও কালৈকো চাবলৈ সময়েই নাই। শত-সহস্ৰ ঢোল-তাল, পেঁপা-গগনাৰ মাতত আৰু বিহুনামৰ ধ্বনিত মুখৰিত হৈ পৰিছিল আকাশ আৰু চাৰিকড়ীয়া নৈৰ দুয়োপাৰ। সময় উৰি গৈছিল কিন্তু তাৰ প্ৰতি কাৰো ভ্ৰুক্ষেপ নাছিল। লানি নিছিগা দৰ্শকৰ ভিৰত গোটেই অঞ্চলটোত থিয় দি বাট পাবলৈ নোহোৱা হৈছিল। বিহুৰ এনে অনুপম আকৰ্ষণ বা জনপ্ৰিয়তাৰ কাৰণ হ'ল— মানুহৰ আদিম প্ৰবৃত্তি ৰক্ষা আৰু বংশবৃদ্ধিৰ আকাংক্ষা নিবিড়ভাৱে জড়িত হৈ থকা। বিহুগীতসমূহ নাৰীদেহৰ ইন্দ্ৰিয়গ্ৰাহ্য আৰু ইন্দ্ৰিয়ভোগৰ ৰূপৰ বৰ্ণনাৰে ভৰপূৰ নাৰীদেহৰ বন্দনাৰ এটি মাধ্যম। বৃজন সংখ্যক বিহুগীত ৰচনা হৈছিল আদিম সমাজত অবাধ যৌন সম্পৰ্কৰ প্ৰচলন থকা কালতেই।

ড° চন্দ্ৰধৰ চমুৱাই ফাটবিহু সম্পৰ্কীয় এখন আলেখ্যত প্ৰকাশ কৰি এই সম্পৰ্কত কৈছে, "লুইতপৰীয়া মিছিং ডেকা-গাভৰুসকলে বং বিৰঙৰ পোছাকেৰে ফাটবিহুলৈ ভাগি-ভুঁহৰি আহিছিল দিনৰ ভাগত বাটৰ কাষত কিম্বা বৰচাপৰি-ম'হঘুলি চাপৰিৰ গছৰ তলত এই বিহু মাৰিছিল। পশ্চিমীয়া, বিশেষকৈ বঙ্গীয় সংস্কৃতিৰ প্ৰভাৱত আত্যৱন্ত বা সম্ভ্ৰান্ত পৰিয়ালৰ জ্যেষ্ঠ লোকে বিহু নৃত্য গীতক অৱজ্ঞাৰ চকুৰে চাইছিল। সেয়েহে ৰাতি বিহুলৈ ডেকা-গাভৰু ওলাই যোৱাটোক বিহু জুপিবলৈ যোৱা বুলি কোৱা হৈছিল। পিছে অনুন্নত সম্প্ৰদায়ৰ ডেকা-গাভৰুৰ মাজত আছিল বিহুৰ প্ৰকৃত প্ৰাণ-প্ৰাচুৰ্য আৰু চকুৰাখনাৰ ফাটবিহুৰ প্ৰাণকেন্দ্ৰই আছিল কৈৱৰ্ত্ত আৰু মিচিং সম্প্ৰদায়ৰ লোক"। সু-সাহিত্যিক তথা সাংবাদিক হোমেন বৰগোহাঞিয়ে এই সম্পৰ্কত লিখিছে যে–" ফাটবিহু চকুৰাখনাৰ এটা নিজস্ব উৎসৱ। চকুৰাখনাৰ চাৰিওফালে অসংখ্য মিচিং গাঁও আছে। প্ৰতি বছৰে ব'হাগ বিহুৰ সময়ত বিহুৱলীয়া মিচিং ডেকা-গাভৰুৱে দল বান্ধি চকুৰাখনাৰ চাৰিকড়ীয়া নৈৰ পাৰত বিহু মাৰিবলৈ আহে। এই বিহু চাবলৈ গাঁও ভুই ভাঁহি ভুহৰি আহি হাজাৰ হাজাৰ মানুহ চকুৰাখনাত জমা হয়। ঠাইখন লোকে লোকাৰণ্য হয়। সাতদিন সাতৰাতি এই বিহু চলে। কেৱল যে মিচিং সকলেই এই বিহু উৎসৱত অংশ লয় এনে নহয়, চকুৰাখনাৰ আহোম, চুতীয়া, কৈৱৰ্ত্ত আদি সকলো সম্প্ৰদায়ৰ মানুহেই আনন্দৰ এই বলিয়া বানত নিজক উটুৱাই দিয়ে।"

পূৰ্বতে ফাটবিহু কেৱল চাৰিকড়ীয়া নৈৰ পাৰৰ গছতলতহে হৈছিল। সংস্কাৰৰ নামত ফাটবিহুৱে এখন মঞ্চ পালে। তাৰ পাছত মঞ্চৰ আনুসংগিক প্ৰতিযোগিতামূলক হুঁচৰি বিহু, টকা বিহু আদিৰ লগে লগে বিভিন্ন জনগোষ্ঠীয় বিহুসমূহ মঞ্চত পৰিবেশন হ'বলৈ ধৰিলে। বৰ্তমান তিনিদিনীয়া ফাটবিহুৰ অন্তিম দিনা ফাটবিহুৰ বাকৰি ম'হঘুলি চাপৰিৰ চিচুগছৰ তলত মুকলি বিহু অনুষ্ঠিত হয় যদিও দুৰ্ভাগ্যজনকভাৱে এই বিহুৱেও প্ৰতিযোগিতাৰ মেৰপেছত বান্ধ খালে। তদুপৰি বতৰৰ প্ৰতিকূল অৱস্থাৰ বাবে কোনোটো বছৰত মুকলি বিহু কাৰ্যসূচীৰপৰা বাতিল কৰিবলগীয়া হৈছে। ইফালে যি চিচুগছৰ তলত বিহুদলসমূহে হিয়া উজাৰি বিহু মাৰিছিল সেই ম'হঘুলি চাপৰিৰ চিচুগছৰ সংখ্যা বৰ্তমান দুখজনকভাৱে কমি অহা দেখা গৈছে।

ফাটবিহুৰ মূল আকৰ্ষণীয় বিশেষত্ব হ'ল- 'মুকলি বিহু' বা 'গছতলৰ বিহু'। যদিওবা বিভিন্নজন বিহু গৱেষকৰ মতে, জেং বিহু কেৱল মহিলাবিহুহে আৰু ইয়াত পুৰুষৰ স্থান নাই তথাপি চকুৰাখনাৰ ফাটবিহুৰ মুকলিবিহুৰ লগত আমি জেংবিহুৰ কিছু সাদৃশ্য দেখা পাওঁ। এই মুকলি বিহুত কিন্তু অসমীয়া ডেকা-গাভৰুৱে একেলগে বিহু মাৰে গছৰ তলত। সৰুৰেপৰা ফাটবিহুৰ মুকলি দেখি জেংবিহু সম্পৰ্কত আমাৰ ব্যক্তিগত অভিমত এনেধৰণৰ– "জেংবিহু গছৰতলত ডেকা-গাভৰুৱে মৰা বিহু। কোনোবা ডেকাই হাল বাই থাকোতে অথবা পথাৰত কাম কৰি থাকোতে ঢোলৰ মাত শুনি দৌৰি আহিছিল বিহুতলীলৈ। গাভৰুহঁতে পথাৰলৈ নিয়া জা-জলপানসহ, পথাৰৰ বোকা-পানীৰে লেতিয়াই বিহুতলীলৈ আহে। আনহাতে, কেতিয়াবা বিহুৱতীসমূহে মাছলৈ জাকৈ-খালৈ লৈ যোৱাৰ ভাগেই ঢোলৰ চাপৰ শুনি মতলীয়া হৈ বিহুলৈ ঢাপলি মেলে। পথাৰতে নাঙল যুঁৱলি পেলাই খৈ আহি চেনেহীয়ে দিয়া ৰবফুলৰ গামোচাখন মূৰত মেৰিয়াই মেঘৰ গৰ্জন সদৃশ ঢোলত চাপৰ মাৰি আনন্দত মতলীয়া হয় চকুৰাখনীয়া পাহোৱাল ডেকা। গাভৰুসকলে বিহুতলীত গছৰ তলত অথবা মুকলি পথাৰত শস্য বন্দনা কৰি বিহু নাচে। নাচোনৰ গিৰিপনিত কঁপি উঠে ম'হঘুলি চাপৰি। ডেকা-বুঢ়া তথা জীয়ৰী-বোৱাৰীসৱে এই বিহু কৰিছিল ম'হঘুলি চাপৰিৰ চিচু, সোণাৰু, এজাৰ আদি গছৰ তলত।" এইবোৰৰ পৰা বুজা যায় যে– ফাটবিহুতলিত ঢোলৰ মাত শুনিলে বিহুৱলীয়া জীয়ৰী-বোৱাৰী, ডেকা-বুঢ়া সকলোৱে নিজ নিজ কৰ্ম এৰি পোনে পোনেই বিহুতলীলৈ ঢাপলি মেলে। বিহুৱাসকলে মাটিত বাগৰি, গছ আৰু পথাৰৰ চাংঘৰত উঠাৰ ভংগী কৰি, মহ'ৰ পিঠিত উঠাৰ মুদ্ৰা দেখুৱাই পেঁপা বজোৱাৰ দৃশ্য ফাটবিহুৰ জেংবিহুত দেখিবলৈ পোৱা যায়। আনহাতে, গাভৰুসকলে নাঁচোতে বতাহত গছৰ পাত কঁপাৰ দৰে, চিত পখিলা উৰাৰ দৰে উৰিব খুজি যি মুদ্ৰা সৃষ্টি কৰে সেয়াও ফাটবিহুৰ নাচনীৰ অন্যতম বিশেষত্ব।

অসমৰ প্ৰখ্যাত বিহু গৱেষক ইছমাইল হুছেইনৰ মতে জেংবিহুৰ উৎস সন্ধান কৰিলে দেখা যায় যে- প্ৰাচীন কালৰেপৰা এই জেংবিহু অসমৰ কৃষি জীৱনৰ সৈতে জড়িত হৈ আছে, বিশেষকৈ কৃষি জীৱনৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত মহিলা আৰু গাভৰুসকলে এই বিহুটোক অনন্য পৰিবেশন কলাৰে জীয়াই ৰাখিছে। এই বিহুত মহিলা বা গাভৰুসকলে প্ৰেম আৰু যৌনতামূলক গীত-মাত পৰিবেশন কৰিছিল। এই গীতৰ মাজেৰে নাৰী জীৱনৰ বেদনা, সংঘাত আৰু দৰিদ্ৰতাৰ ছবিও প্ৰকাশ পাইছিল।

জেংবিহুৰ সম্পৰ্কত বিভিন্নজন বিহু গৱেষকে বিভিন্ন মতামত আগবঢ়াইছে। তীৰ্থ ফুকনৰ মতে, "জেংবিহু হ'ল কেৱল গাভৰু ছোৱালীৰ বিহু। ইয়াত পুৰুষৰ প্ৰৱেশ নিষেধ। অৱশ্যে দূৰৰ পৰা চোৱাত বাধা নাই। তথাপিও নিজৰ গাঁৱৰ ডেকাই নিজৰ গাঁৱৰ জেংবিহু নাচায়-- কাৰণ গাভৰুবোৰ আত্মীয়ভনী, বাইদেউ আদি। জেংবিহুত ঢোল পেঁপা নাই। বাঁহৰ টকা আৰু গগনাই এই বিহুৰ বাদ্যযন্ত্ৰ। য'ত বিহু নাচে তাৰ চাৰিওফালে জেং অৰ্থাৎ কাঠ-বাঁহৰ আগ পুতি লোৱা হয়।" আনহাতে, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ মতে, জেংবিহু পাহাৰীয়া জনজাতিমূলৰ বহুৱাবিহুৰ এটা ৰূপ।

জেংবিহুৰ সম্পৰ্কে বিভিন্নজনে বিভিন্ন মতামত আগবঢ়াইছে যদিও জেং শব্দটোৰ অভিধানিক অৰ্থ 'যিকোনো গছৰ পাত নথকা ঠাল-ঠেঙুলি'। অৰ্থাৎ জেঙৰ তলত কৰা বিহুকেই জেংবিহু বুলিব পাৰো। ঢকুৱাখনাৰ ফাটবিহুত আমি প্ৰত্যক্ষ কৰি আহিছো যে, অসমীয়া, মিচিং, দেউৰী, চাহ জনগোষ্ঠী আদিৰ জাতি-জনগোষ্ঠীৰ বিহুৱা-বিহুৱতীয়ে ম'হঘূলি চাপৰিত গছৰ তলত দিন-ৰাতি একাকাৰ কৰি বিহু মাৰি থাকে। ইফালে ইয়াত মহিলাসকলেও গোটপাতি গছৰ তলত বিহুমাৰি দিন-ৰাতি আনন্দত মতলীয়া হৈ থাকে। একেটা চাপৰিতে প্ৰায় ৫০ টাৰো অধিক বিহুদলে এনেদৰে মুকলিকৈ গছৰ তলত দিন-ৰাত একাকাৰ কৰি বিহু মৰা উদাহৰণ ঢকুৱাখনাৰ ফাটবিহুৰ বাহিৰে আন ক'ৰবাত যে নাই সেই কথা ইতিমধ্যে বহুবাৰ চৰ্চা চলিছে। এই বিহুত বিশেষকৈ অসমীয়া বিহুৱা-বিহুৱতীসকলৰ মাজত লক্ষ্য কৰিছোঁ যে তেওঁলোকে কোনোৱে মাছুৰৈ সাঁজেৰে, কোনোৱে পথৰুৱা সাঁজেৰে আকৌ অন্যহাতে আন কোনোৱে সম্পূৰ্ণ বিহুৰ সাঁজত আহি বিহুতলীত বিহু কৰিছেহি। ইফালে অন্যান্য জনগোষ্ঠীসমূহে নিজ নিজ জাতীয় সাজপাৰেৰে আহি বিহু মাৰে। এই বিহুৰ মাজেৰে তেওঁলোকে তেওঁলোকৰ জাতীয় জীৱনৰ সমূহ ৰীতি-পৰম্পৰা আৰু কৰ্মৰ ছবি গীত গাই নাচোনৰ মাজেৰে ঢোলৰ তালে তালে প্ৰকাশ কৰে। এইযে গছৰ তলত জেঙে-জাৱৰে ব্যক্তি যেনেকৈ যি কৰ্মত ব্যস্ত আছিল তেনেকৈয়ে আহি বিহু মৰাৰ এটা প্ৰতিকী চিহ্ন প্ৰকাশ কৰা দেখিছোঁ, সেইবাবেই আমি ঢকুৱাখনাৰ ফাটবিহুৰ এই বিহুক জেং বিহুৰ লগত ৰিজাইছোঁ।

আমি ফাটবিহুৰ অভাৱনীয় পৰিবৰ্তন আৰু ভৱিষ্যত দুৰৱস্থাৰ কথা ক'লে সততে এটা কথা শুনিবলৈ পাওঁ। সেইয়া হ'ল- 'সংস্কৃতি পৰিৱৰ্তনশীল, সময়ৰ গতিত সংস্কৃতিয়ে বাট সলায়। ইয়াৰপৰা ফাটবিহুও বাদ পৰা নাই। সেইবে এনে পৰিৱৰ্তনসমূহ ফাটবিহুত পৰিলক্ষিত হৈছে।' এতিয়া কথা হ'ল এই পৰিৱৰ্তন সংস্কৃতিৰ ইতিহাস আৰু ভৱিষ্যতৰ বাবে কিমান গ্ৰহণযোগ্য। সকলো সংস্কৃতিৰ কেন্দ্ৰবিন্দু হ'ল গাঁওসমূহ। গাঁৱৰ সহজ-সৰল মানুহখিনিৰ মাজতে অধিকভাৱে জীপাল হৈ থাকে উৎসৱ-অনুষ্ঠান, ৰীতি-নীতি আৰু বিভিন্ন লোকসাংস্কৃতিক সমলসমূহ। কিন্তু বিভিন্ন কাৰণত মানুহ নগৰমুখী হৈছে। এটা কথা সঁচা যে, মানুহৰ অভিজ্ঞতা, জ্ঞান, প্ৰয়োজন আদিয়েই সংস্কৃতিৰ জন্ম দিয়ে। সেইবুলি বিহুৰ দৰে সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানত প্ৰয়োজনীয়তাৰ স্বাৰ্থত অশ্লীল হিন্দী গীত-নৃত্য, বিহু বুলি অত্যাধিক মদ্যপান কৰি বিহুখোলাত অশ্লীলতা প্ৰদৰ্শন কৰাৰ লগতে হাই-কাজিয়া আদি জানো গ্ৰহণীয় হয়? সংস্কৃতিৰ স্বৰূপ নিৰ্ণয়ৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদে কিছু বাস্তৱ দৃষ্টিভংগীৰে চিন্তা-চৰ্চা কৰিছিল। তেওঁৰ মতে "আমি বাস্তৱিক জীৱনৰ সকলো আহিলাতে সৌন্দৰ্য প্ৰয়োগ কৰাৰ লগে লগে আমাৰ মন আৰু হৃদয়ৰ গুণতো সৌন্দৰ্য প্ৰয়োগ কৰোঁ। এই বাহিৰ আৰু ভিতৰ দুয়োৰে উৎকৰ্ষণ আৰু তাত সৌন্দৰ্য প্ৰয়োগ হ'লেই মানুহৰ সংস্কৃতিয়ে পূৰ্ণ ৰূপ পায়। এজন মানুহ যদি সুকুমাৰ কলাৰ সৃষ্টিত অভিনৱ সৌন্দৰ্য সৃষ্টি কৰিব পৰা হৈও, মানুহৰ সৈতে ব্যৱহাৰত আৰু সম্বন্ধত মানসিক গুণবোৰ প্ৰকাশ কৰিব নোৱাৰে তেন্তে সেই মানুহজনৰ সংস্কৃতি নিশ্চয় অসম্পূৰ্ণ বুলিব লাগিব।"

আমি সাধাৰণ অৰ্থত সংস্কৃতিসম্পন্ন ব্যক্তি বুলিলে যিজন ব্যক্তি প্ৰকৃততেই আভ্যন্তৰীণ সংস্কৃতিৰ সুষমাৰে ভৰা তেওঁকেই ক'ব লাগিব। এনে ব্যক্তিসকলে খং, ক্ষোভ, দুখ, বেদনা, হতাশাৰ মুহূৰ্ততো আত্মনিয়ন্ত্ৰণৰ মাজেৰে নিজৰ মানৱীয় গুণখিনি আনৰ আগত প্ৰকাশ কৰিব পৰা উচিত। উল্লেখ্য যে যিদৰে সকলো সভ্য মানুহকে সংস্কৃতিসম্পন্ন বুলিব নোৱাৰি সেইদৰে সকলো সংস্কৃতিসম্পন্ন লোকেই সুসভ্য নহয়। মানসিক উৎকৰ্ষতাইহে একো একোজন মানুহক সভ্য আৰু সংস্কৃতিবান কৰি তুলিব পাৰে।

বৰ্তমান শিক্ষানীতিৰ সময়সূচীয়েও ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰত সংস্কৃতি ৰক্ষাত বাধাৰ সৃষ্টি কৰিছে। বৰ্তমান গাঁও অঞ্চলৰ বেছিভাগ ছাত্ৰ-ছাত্ৰীয়েই উচ্চ শিক্ষাৰ বাবে চহৰৰ শিক্ষানুষ্ঠানত অধ্যয়ন কৰে। দেখা যায় যে, বন্ধৰ তালিকা



প্ৰস্তুত আৰু পৰীক্ষা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত তালিকা প্ৰস্তুত কৰা ব্যক্তিসকলে অসমীয়া জাতিৰ সংস্কৃতিৰ কথা একেবাৰে নাভাৱে। ব'হাগ বিহুৰ এদিন বা দুদিনৰ পিছতে বহুটো পৰীক্ষা অনুষ্ঠিত কৰে। যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে ঘৰলৈ যাব নোৱাৰে বা গ'লেও স্বতঃস্ফূৰ্তভাৱে আনন্দত মতলীয়া হ'ব নোৱাৰে। এনেবোৰ কাৰকে আমাৰ অসমীয়া জাতীয় সংস্কৃতিৰ প্ৰতি অভাৱনীয় পৰিৱৰ্তন আনিছে।

স্বতন্ত্ৰভাৱে নৈৰ পাৰৰ চিচুগছৰ তলত জুম বান্ধি বান্ধি আজিকালিৰ ডেকা-গাভৰুৱে বিহু নামাৰে। আজিৰ ডেকাই দ'লনিত ম'হ চৰাই নাথাকে, বনৰীয়া নামো নোযোৰে। তাঁতশালত ভমকাফুলীয়া ফুল বাচি নাথাকে আজিৰ গাভৰুৱে আৰু ম'হঘূলি চাপৰিত ঢোলৰ চাপৰ শুনি চেনাইক লগ পাবলৈয়ো উজুটিত যঁতৰ ভাঙি নাহে। সেইদিনো এতিয়া নাই... সেই বিহুৱা-বিহুৱতীও নাই... সেই বিহুতলীও নাই....। চৌদিশে আছে মাথো প্ৰতিযোগিতাৰ ঢৌ। মঞ্চত প্ৰতিযোগিতাৰ নিয়মেৰে বন্ধা বিহুৰ বিশেষ ৰস আস্বাদন কৰিব পাৰি বুলি আমাৰ মনে নধৰে।

তদুপৰি এটা কথা আজিকালি সততে শুনিবলৈ পোৱা হৈছে যে বিহুৱে স্বকীয়তা হেৰুৱাইছে। আধুনিকতাৰ কবলত পৰিয়েই হওক বা বিশ্বায়নৰ ফলতেই হওক মুঠৰ ওপৰত বিহু সংস্কৃতিৰ কোনো কোনো অংশত ঘূণ পোকে ধৰাটো অমূলক কথা নহয়। বিহুৰ বিকৃতকৰণ ৰোধ কৰিবলৈ ঢকুৱাখনাৰ ফাটবিহুৱে বিশেষ পদক্ষেপ গ্ৰহণ কৰা উচিত। ঢকুৱাখনাৰ লগতে ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহত ফাটবিহুৱে বিহু বিষয়ক কৰ্মশালা, আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰি বিহুৰ বিকৃতকৰণ ৰোধ কৰিবলৈ অতি সোনকালে ব্যৱস্থা গ্ৰহণ নকৰিলে বিহু সংস্কৃতিলৈ ব্যাপক সংকট আহিব আৰু এই সংকটে ফাটবিহুৰ ঐতিহ্য ধুলিস্যাৎ কৰি পেলোৱা সম্ভাৱনা নুই কৰিব নোৱাৰি।

পৰিৱৰ্তন লাগে আমাক, কিন্তু যি পৰিৱৰ্তনে নিজস্বতা হেৰুৱায় সেই পৰিৱৰ্তন গ্ৰহণীয় নহয়। পৰিৱৰ্তনৰ ধামখুমীয়াত পৰি বিহু সংস্কৃতিয়ে পূৰ্বৰ সেই জনপ্ৰিয়তাকো আজি অতিক্ৰম কৰিছে। সেয়েহে আজি গছৰ ডালত বহি কুলিয়ে নামাতিলেও, মাজনিশা কেতেকীয়ে নিবিনালেও, কপৌ, নাহৰ, কেতেকীফুল নুফুলিলেও আমি হয়তো সোমাই পৰিছো ব'হাগৰ আগতীয়া আয়োজনত।

পূৰ্বতে চ'ত মাহ সোমোৱাৰ লগে লগে মানুহৰ ব্যস্ততাৰ অন্ত নোহোৱা হৈছিল বিহুক আদৰিবলৈ। খদমদম লাগে গাঁও-ভূঁই সকলোতে। চিৰা, সান্দহ আদি খুন্দাৰ ঢেঁকীশালৰ ঢেঁকীৰ চাবৰ শব্দই গাঁও-ভূঁই ৰজনজনাই থাকি বিহু অহাৰ বাতৰি দিছিল। বিহুৰদিনাখন অসমীয়া মহিলাই বয়োজ্যেষ্ঠজনক, নিজৰ আপোনজনক গামোচা এখন দি সেৱা কৰি আশীৰ্বাদ লোৱাটো প্ৰচলিত নিয়ম আছিল। সেয়ে বিহুৱানখন বিহুৰ আগতে বৈ-কাটি উলিয়াবলৈ আবেলিৰ পৰাই তাঁতশালত দোৰপতিৰ খটখটাই থকা শব্দই বিহুৰ অহাৰ বাতৰি দিছিল। এতিয়া বিহু আহে বিভিন্ন কোম্পানীৰ বিজ্ঞাপনৰ পথেৰে। অতি চকুত লগা ৰঙচঙীয়া হ'ৰডিং, ফ্লে', বেনাৰ আদিৰ ওপৰি সংবাদ মাধ্যমৰ ইলেক্ট্ৰনিক মাধ্যমৰ নানান বিহু সম্পৰ্কীয় অনুষ্ঠান আদিৰ পথেৰে। মুঠতে বিহুক আজি বিজ্ঞাপনে ছানি ধৰিছে। আগৰ গাঁও-ভূঁইবিলাকত বিহু অহা বুলিলে ডেকা-গাভৰু, বুঢ়া-মেথাৰ মাজত যি উথপথপ পৰিৱেশৰ সৃষ্টি হৈছিল, এতিয়া সেই পৰিৱেশ নাই। তাহানি ধনী-দুখীয়া নিৰ্বিচাৰে গৃহস্থৰ চোতালত অকৃত্ৰিম হুঁচৰি মাৰি গৃহস্থ কুশলে থাকিবলৈ আশীৰ্বাদ দিছিল আৰু হুঁচৰিৰ বিহুনাম আৰু নাচবোৰো আছিল স্বতঃস্ফূৰ্ত। তাৰ পৰিৱৰ্তে আজিৰ হুঁচৰি দলে ধনী মানুহৰ ঘৰতহে হুঁচৰি গায়, শকত ধনৰ টোপোলাৰ আশাত। যান্ত্ৰিক সভ্যতাই গছ তলৰ বিহুক, গৃহস্থৰ চোতালৰ বিহুক মঞ্চলৈ স্থানান্তৰিক কৰিলে। জাতীয় মৰ্যদা আৰু সন্মান যাতে অক্ষুণ্ণ থাকে তাৰ বাবে বিহু সমিতিসমূহ সচেতন হোৱাৰ প্ৰয়োজন। বৰ্তমান সংস্কৃতিৰ ক্ষেত্ৰত দেখা দিয়া এই সমস্যাবোৰে সংস্কৃতিৰ ভেটি থৰকবৰক কৰি তুলিছে। নিজৰ জাতি, ভাষা, সাহিত্য, উৎসৱ-অনুষ্ঠান, ৰীতি-নীতি আদিৰ প্ৰতি কোনো ধৰণৰ শ্ৰদ্ধা নথকাকৈ কেৱল ভোগবাদী মানসিকতাৰে সংস্কৃতি ৰক্ষাত আত্মনিয়োগ কৰা মানুহৰ সংখ্যা বৃদ্ধি পাব লাগিছে। যিটোৱে আমাৰ সংস্কৃতিৰ ক্ষেত্ৰত গভীৰ সংকটৰ সৃষ্টি কৰিছে।

*বি.দ্ৰ. - বৰ্হমথুৰি ২০১২, শিৱসাগৰ সন্মিলিত ৰঙালী বিহু সন্মিলন আৰু ইণ্টাৰনেটৰ সহায় লোৱা হৈছে।*

*লেখকৰ ঠিকনা :*
*কাঠবাৰী গাঁও, ঢকুৱাখনা*
*ভ্ৰাম্যভাষ - ৯৭০৭১৪৩৯৫৫*

# ৰঙালী বিহু ঃ কিছু প্ৰাসঙ্গিক চিন্তা-দুশ্চিন্তা

ৰাজু সন্দিকৈ

প্ৰকৃতিৰ পৰিবৰ্তিত সময়বোৰ সীমাবদ্ধ ছয়টা ভাগত। এই ছয়টা ভাগেই হ'ল ঋতু। গ্ৰীষ্ম, বৰ্ষা, শৰৎ, হেমন্ত, শীত, বসন্ত। এই ঋতুসমূহে প্ৰকৃতিলৈ কঢ়িয়াই আনে নৱ-নতুন আনন্দ-উৎসৱৰ নৱ আলোড়ন। আৰু তাৰেই এটা ভাগ হ'ল বসন্ত, এই বসন্তৰ পৰশতেই প্ৰকৃতিও হৈ পৰে গাভৰু বা যৌৱনা। প্ৰকৃতিৰ চিৰসেউজীয়া ৰূপ আৰু চেনেহা-চেনেহীবোৰ দেখি আত্মগোপনকাৰী কুলি চৰাইজনীয়ে গছৰ ডালৰ ন-কৈ ওলোৱা পাতৰে ওৰণি টানি কুঁ-উ-উ ৰাৱেৰে বিননি জুৰে। গতিকে কুলি-কেতেকীৰ মিঠা মাতৰ সুৰেৰে বসন্ত আগমনৰ জাননী দিয়ে। আৰু আমাৰ মাজতো এক নৱ আলোড়নৰ সৃষ্টি হয় ৰঙালী বিহু। চ'ত আৰু ব'হাগৰ দোমাহী দিনটোতেই ব'হাগ বিহু বা ৰঙালী বিহুৰ আৰম্ভণি। এই বিহু কৃষি উৎসৱ, কাৰণ কৃষিৰ লগত জড়িত এই উৎসৱক আকৌ প্ৰকৃতিৰ উৎসৱ বুলিও কব পাৰি। অসম এখন কৃষি প্ৰধান ৰাজ্য আৰু সৰহ সংখ্যক লোকেই কৃষক। অনাহাতেদি এই ৰঙালী বিহুৰ প্ৰথম দিনটো আৰম্ভ হয় চ'ত সংক্ৰান্তিৰ দিনা মাহ-হালধীৰে গৰু গা ধুৱাই গৰুৰ নামত। গৰুৱেই অসমীয়া কৃষক সমাজৰ মূলধন। গৰুৰ বিহুদিনা গৰুক ন পঘাৰে বান্ধি বিহুৰ পিঠাও প্ৰথমে গৰুকহে খোৱায়। এনে কৰিলে গৰু গাইৰ বিঘিনি আঁতৰি খেতি-বাতিৰ শস্য বৃদ্ধি হয় বুলি কৃষিজীৱি অসমীয়া সকলে বিশ্বাস কৰে।

গৰু বিহু পিছৰ দিনা বছৰৰ বিহুক পথাৰৰ গছতলৰ পৰা আদৰি আনি গৃহস্থৰ চোতালত দল বান্ধি হুঁচৰি তৰে। হুঁচৰিৰ শেষত বিহু নাচ বিহু নাম সামৰি সকলোৱে গৃহস্থৰ গোহালিত গৰু, ভঁৰালত ধান নদন-বদন হ'বলৈ আশীৰ্বাদ দিয়ে। গতিকে সেই ফালৰ পৰা চাবলৈ হ'লে বিহু যে কৃষিৰ লগত সম্বন্ধ এটি কৃষি উৎসৱ সি সহজেই অনুমেয়। কৃষিজীৱী মানুহৰ গ্ৰামক্ৰান্ত সংস্কৃতি ইয়াৰ সৈতে নিবিড়ভাৱে জড়িত। বিহু মূলতঃ যৌৱনৰ উৎসৱ। প্ৰকৃতি আৰু মানৱ সমাজ উভয়ৰে বাবে। এই বিহুৰ আৰম্ভণিতে প্ৰকৃতিয়ে ফলে-ফুলে কুঁহিপাতে নতুন ৰূপ লয়। সেইদৰে ডেকা-গাভৰুৰ মনত প্ৰেম-প্ৰীতিয়ে কুঁহিপাত মেলে। আৰু বিহুগীতবোৰত এই ভাৱবোৰ প্ৰকাশ পায়।

'তোমাৰ গাল দুখনি পাভ মাহুৰ নিচিনা
যোঁৱা ফানৰ নিচিনা চুলি,
লমে লমে বুলি এদিনো নল'লা
তোমাৰ কৰঙনত তুলি।'

অনাহাতেদি এনেবোৰ গীতৰ মাজতেই আকৌ যদি আমি কিছুমান শব্দৰ ফালে লক্ষ্য কৰো, যেনে- মাইজান, দেহাজান, চেনাই, ভনীটি, সৰুফুল, লাহৰী, মোৰধন, ফুলৰ মইনা, মইনাজান, বেঁকাসোণ, চেনাইধন, ৰহদৈ, যৌৱনদৈ, বহ্না। এই সকলোবোৰ গীত আৰু শব্দৰ অৰ্থই বিহু যে আমাৰ চহা অসমীয়া কৃষিজীৱি সহজ-সৰল মানুহৰ প্ৰকৃতিৰ উৎসৱ তাকেই প্ৰমাণ কৰে। বৰ্তমানৰ আধুনিক যুগৰ বিহুৰ ৰূপৰ বিস্তৰ পাৰ্থক্য দেখা তেনেই স্বাভাৱিক। তাহানিৰ ৰংমন, ৰাংচালি, মালতী, শেৱালীৰ মনৰ বিহু যেন আধুনিকতাৰ পৰিপ্ৰেক্ষিতত সম্পূৰ্ণৰূপে সলনি হৈছে। জীয়া-সংস্কৃতিৰ ৰূপান্তৰ আছেই। বিশ্বায়নৰ যুগত বিহুৰে বাগৰ সলাই আজি এইখিনি পাইছেহি।

এদিনৰ গছতলৰ বিহু, চ'ত মাহৰ ৰাতি বিহু ক্ৰমে ক্ৰমে গণতান্ত্ৰিকীকৰণ প্ৰক্ৰিয়াৰে ৰাইজৰ সমূহীয়া মঞ্চলৈ উঠি আহিল। আহোমৰ ৰাজত্ব কালতে ঐতিহাসিক ৰংঘৰৰ বাকৰিত কৃষিজীৱি মানুহৰ স্বতঃস্ফূৰ্তভাৱ প্ৰকাশৰ মাধ্যম বিহু ৰাজস্বৰাকৈ প্ৰদৰ্শন কৰা হ'ল। এয়া সামন্ত্ৰীয় মানসিকতাৰে আহোম ৰজা ডা-ডাঙৰীয়াসকলে বিহুক দিয়া সৰ্বপ্ৰথম স্বীকৃতি। মুঠৰ ওপৰত বিহুত যিমানেই আধুনিকতাৰ বা বিশ্বায়নৰ প্ৰভাৱ নপৰক কিয় জনজীৱনৰ সহজ-সৰল সাংস্কৃতিক ঐশ্বৰ্যৰে ভৰপূৰ এই বিহুক কোনেও মষিমূৰ কৰিব নোৱাৰে। অসম তথা ভাৰতৰ প্ৰায়বোৰ লোক উৎসৱৰ ভিতৰত বোধ কৰোঁ অসমৰ বিহু এক জনপ্ৰিয় লোক উৎসৱ। বিহুৰ ওপৰত বিস্তৰ আলোচনা-বিলোচনা লেখা-মেলা আনকি গৱেষণা পৰ্যন্ত হৈছে। বিভিন্ন জাতি গোষ্ঠীৰ প্ৰব্ৰজন আৰু প্ৰত্যেক জাতি গোষ্ঠীৰ নিজস্ব আচাৰ-নীতি, লোক পৰম্পৰা, লোকাচাৰ, বিশ্বাস তথা কৃষ্টিৰ প্ৰবাৰত ইয়াৰ সৌষ্ঠৱতা বৃদ্ধি পাইছে। সেইবাবেই বিহু অসমৰ জাতীয় উৎসৱ। কিন্তু বিহুক আনি আমি মঞ্চত তুলিলোঁহি আৰু বৰ্তমান ইয়াৰ প্ৰসাৰ ইমানলৈকে ঘটিল যে এই সম্পৰ্কে বিকল্প চিন্তাৰ পথ নিশ্চয়কৈ নাই। ৰাইজৰ সমূহীয়া মঞ্চত বিহুৰ ৰূপটোক কিদৰে সু-সংহতভাৱে পালন কৰিব পৰা যায়, সেয়া এক প্ৰত্যাহ্বান স্বৰূপ হৈ থিয় দিছে। কিন্তু বিহুক মঞ্চলৈ অনাটো কোনো কাৰণতে বেয়া দিশ বুলি ক'ব নোৱাৰি। এনেদৰে গণতান্ত্ৰিকীকৰণ হোৱা দিশটো আদৰণীয়হে। পৰিতাপৰ কথা এইটোহে যে মঞ্চৰ বিহুৰ যি ধৰণৰ সৰ্বগ্ৰাসী প্ৰসাৰ ঘটিছে আৰু তাৰ ফলত বিহু সাংস্কৃতিৰ সৈতে কিছুমান পদীয়া বিজতৰীয়া দুষ্কৃতিয়ে গা কৰিব ধৰিছে। ইহে নিশ্চয় চিন্তাৰ বিষয়। সময়ৰ পৰিবৰ্তনৰ লগে লগে কৃষ্টি-সংস্কৃতিলৈও পৰিবৰ্তন নিশ্চয় আহিব অসমৰ ইমূৰৰ পৰা সিমূৰলৈকে মঞ্চ বিহুৰ যি সাৰ্বজনীন প্ৰভাৱ সেয়া আদৰণীয় হ'লেও কিন্তু কিছুমান অপ্ৰয়োজনীয় কলেৱৰৰ ফলত প্ৰকৃততে বিহু সংস্কৃতিটো দুষ্কৃতিৰ বাহৰূপে পৰিগণিত হৈছে। সুযোগ সন্ধানী লোক অথবা কৰ্ম-সংস্কতিবিহীন, এচাম যুৱক-যুৱতীৰ প্ৰৰোচনাত সমগ্ৰ বিহু সংস্কৃতিটোৱেই এক প্ৰকাৰৰ ব্যৱসায়ীকৰণ প্ৰক্ৰিয়ালৈ ৰূপান্তৰিত কৰিছে। গাঁওখনৰ চুকে চুকে, নগৰ-মহানগৰৰ অলিয়ে-গলিয়ে হোৱা বিহু উৎসৱ, হৈ হাল্লা, অট্টহাস্য, উতনুৱা নাচ-গান, চান্দা সংস্কৃতি ইত্যাদি বোৰৰ প্ৰভাৱত বিহুখন ক'লৈ বা কিহলৈ পৰিবৰ্তন হ'ব পাৰে তাৰ ওপৰত গুৰুত্ব দিয়াটো অতিকে প্ৰয়োজন। তাৰোপৰি এই মঞ্চ বিহুৰ লগত কাঠফুলাৰ দৰে বাঢ়ি অহা ক্ষতিকাৰক মানসিকতা বিধ হ'ল নাইট ফাংশ্বন। ই মূলতে ভোগবাদী পুঁজিবাদী নিয়ন্ত্ৰণহীনতাই আমাৰ সমাজত এনে মানসিকতাৰ জন্ম দিছে। আজিকালি ডাঙৰ ডাঙৰ কোম্পানী আৰু বণিকসকলে মোটা অংকৰ অৰ্থ খৰচ কৰি পতা বিহুখনৰ সোৱাদ আমি যেনেকৈ লওঁ তেনেদৰে তিতাকণৰ অনুভৱ নিশ্চয় কৰিবৰ হ'ল। এইখিনিতে এটি প্ৰসঙ্গ আনি পতুৱৈ সমাজ বা বিশিষ্ট লোকসকলৰ আলোচনা-সমালোচনাৰ বাবে আনিব বিচাৰিছোঁ। একালৰ চহা কৃষিজীৱী লোকসকলৰ এই বিহু উৎসৱটি আজিৰ আধুনিকতাৰে সজাই মঞ্চলৈ অনাটো আদৰণীয় হ'লেও, ইয়াক অত্যাধিক ব্যাকৰণবদ্ধ কৰাটো কিমান দূৰ সমীচিন হৈছে ইও এক চিন্তাৰ বিষয়।

"আজি শিল্পীয়ে প্ৰথমে সকলো ভয়, দুৰ্বলতা, ভ্ৰান্তি,
সুকুমাৰ কলাৰ অস্ত্ৰলৈ সেই দুৰ্ভগীয়া জনতাৰ
মাজতেই থিয় হ'বগৈ লাগিব। মোহমুক্ত অৰ্জুনে যেনেকৈ
থিয় হৈছিল সংগ্ৰামৰ কাৰণে। আজি
আমাৰ সাৰথি হৈছে সংস্কৃতি আৰু শত্ৰু হৈছে দুষ্কৃতি। জনতাৰ
অন্তৰৰ ভিতৰত শিল্পীটো যে নিশ্চয়কৈ আছে তাৰেই
আমি জনতাক জ্ঞান দিব লাগিব।"

*—জ্যোতিপ্ৰসাদ আগৰৱালা*

*লেখকৰ ঠিকনা—*
*ধলপুৰ, ৰঙতি*
*ভ্ৰাম্যভাষ - ৯৮৫৯৬১২২৮১*

# মংগোলীয় লোকবিশ্বাস আৰু লোকাচাৰ

বৌউন্ থন্ গগৈ

পৃথিৱীত মংগোলীয়, আৰ্য বা ককেচীয়, নিগ্ৰো আদি কেইবাপ্ৰকাৰৰ মানৱ জাতি (Human races) আছে। তেওঁলোকৰ প্ৰত্যেকৰে জাতিগত স্বভাৱ-চৰিত্ৰ, ভাব-ভাষা, ধ্যান-ধাৰণা, লোকবিশ্বাস, লোকাচাৰ, খাদ্যাভ্যাস, বাসস্থান, সাজপাৰ, চলন-ফুৰণ আদি বৈশিষ্ট্যসমূহ ভৌগোলিক পৰিবেশ, সামাজিক পৰিস্থিতি সাপেক্ষে গঢ় লৈ উঠিছে। এইবোৰ কলা-সাহিত্য, সংস্কৃতি-সভ্যতা, প্ৰশাসন-সমাজ ব্যৱস্থাত প্ৰতিফলন হৈছে। মানৱ জাতিকেইটাৰ শাখা-প্ৰশাখাই বৰ্তমান কালত কেউখন মহাদেশৰ দেশ-প্ৰদেশত বিয়পি পৰিছে। এওঁলোকৰ মাজত আদান-প্ৰদান হৈছে। নতুনকৈ জাতি-উপজাতিবো সৃষ্টি হৈছে। তথাপি প্ৰতিটো জাতিৰ শাখা-প্ৰশাখাৰ মাজত চাৰিত্ৰিক বৈশিষ্ট্য, ভাব-চিন্তা, লোকবিশ্বাস, লোকাচাৰ কম-বেছি পৰিমাণে অটুট থকা পৰিলক্ষিত হয়।

মংগোলীয় মানৱ জাতি-প্ৰজাতি পোনপ্ৰথম মংগোলীয় দেশক কেন্দ্ৰ কৰি এছিয়া মহাদেশত বিয়পি পৰে। তেওঁলোকৰ বহুসংখ্যক লোক প্ৰাচীন কালত লেটিন আমেৰিকাপৰ্যন্ত বিয়পি পৰেগৈ। আধুনিক কালত কেউখন মহাদেশৰ বিভিন্ন প্ৰান্তত বসবাস কৰি আছেগৈ। আন জাতি-গোষ্ঠীৰ মাজতো চাৰিত্ৰিক বৈশিষ্ট্য, ভাব-চিন্তা, লোকবিশ্বাস, লোকাচাৰ পোৱা যায়। মংগোলীয় জাতি-উপজাতিৰ মাজতো এইটো লোকবিশ্বাস আছে যে তেওঁলোকৰ পৰিয়াল, বংশ, ফৈদৰ কোনো এজন আদি জ্যেষ্ঠ সদস্য, পুৰুষ বা প্ৰভাৱশালী নেতা-নৃপতিৰ পৰাই পুলি-পোখা হৈছে। এই আদি পুৰুষ বা পূৰ্বপুৰুষৰ পৰাই তেওঁলোকে জীৱন লাভ কৰিছে বা তেওঁলোকৰ মাজত মানৱ জাতিৰ ধাৰাবাহিকতা ৰক্ষা হৈ আহিছে।

পৃথিৱীৰ মানৱ জাতিকেইটাৰ বিভিন্ন শাখা-প্ৰশাখা, ঠাল-ঠেঙুলিৰ মাজত সময়ৰ লগে লগে বিভিন্ন ধৰণৰ ধ্যান-ধাৰণাই গঢ় লৈ উঠিছে। সেইমতে তেওঁলোকৰ জীৱন-ধাৰণ প্ৰণালীয়ো নতুন ৰূপত গা কৰি উঠিছে। জন্ম আৰু মৃত্যু লৈ বিভিন্ন চিন্তা-চৰ্চা, লোকবিশ্বাস, লোকাচাৰৰ সৃষ্টি হৈছে। জন্মৰ পিছত মৃত্যু, মৃত্যুৰ পিছত ক'লৈ লৈ যাব বা কেনে অৱস্থা লাভ কৰিব, সেইবোৰ ভাব-চিন্তা-দৰ্শনৰ শেষ নাই। মৌখিক আৰু লিখিত ৰূপত সেইবোৰ ভাব-চিন্তাও প্ৰকাশ পাইছে। মানৱ জাতিকেইটাৰ মাজত এইটো সাধাৰণতে বিশ্বাস কৰা হয় যে মৃত্যুৰ পিছত কৰ্ম বা বিচাৰ অনুসৰি স্বৰ্গ, নৰক বা মুক্তিপ্ৰাপ্তি হয়। পুণ্য কৰ্মৰ ফলত অমৰত্বপ্ৰাপ্ত হৈ স্বৰ্গত বাস কৰে। স্বৰ্গত স্ৰষ্টা বা ঈশ্বৰৰ পদসেৱা কৰাৰ সৌভাগ্য লাভ কৰে। আকৌ স্ৰষ্টা, ঈশ্বৰ বা পৰম আত্মাৰ সৈতে বিলীন হৈ জন্ম-মৃত্যুৰ পৰা মুক্তি লাভ কৰে। ইয়াতো জীয়াই থকাই হয়গৈ। পাপীসকল নৰকলৈ পতিত হৈ চিৰকাল শাস্তি ভুগি থাকিবলগীয়া হয়। ইয়াৰ ভাবাৰ্থ হ'ল মৃত্যুৰ পিছতো মৃত্যু নাই। পাকে-প্ৰকাৰে জীয়াই থাকে।

মানৱ জাতিকেইটাৰ ভিতৰত এইটো দেখা যায় যে মংগোলীয় মানৱ জাতিৰ ভাব-আদৰ্শ ব্যতিক্ৰম। মংগোলীয় জাতি-গোষ্ঠীৰ লোকে বিশ্বাস কৰে যে তেওঁলোকৰ পূৰ্বপুৰুষ বা মৃতক জ্ঞাতিসকল জীৱিত পো-নাতি হৈ জীয়াই থাকে। তেওঁলোকৰ মন আৰু তেজ-মঙহ উত্তৰ পুৰুষে লাভ কৰে। এনে এটা ভাব-দৰ্শনতে মংগোলীয় জাতি-গোষ্ঠীৰ লোকে আৰাধ্য ফ্ৰা-ভগৱান বুদ্ধলৈ পূজা-সেৱা জনাই পূৰ্বপুৰুষলৈ কৃতজ্ঞতা প্ৰকাশ কৰে। তেওঁলোকৰ পূণ্যাৰ্থে মংগল কামনা কৰি স্মৃতি-শ্ৰদ্ধা-তৰ্পণ আগবঢ়াই আহিছে। মংগোলীয় জাতি-গোষ্ঠীৰ লোকে ধাৰণা কৰে যে যেতিয়ালৈকে জীৱিত পো-নাতি, বংশধৰসকলে পূৰ্বপুৰুষ বা মৃতক জ্ঞাতিসকলৰ পূণ্যাৰ্থে স্মৃতি-শ্ৰদ্ধা-তৰ্পণ মংগল কামনা কৰি থাকিব, তেতিয়ালৈকে তেওঁলোক জীয়াই থাকিব পাৰে আৰু তেতিয়ালৈকে তেওঁলোকেও জীৱিত পো-নাতিৰ মংগল আশীৰ্বাদ কৰি থাকে। স্মৃতি-শ্ৰদ্ধা-তৰ্পণৰ বাবে মৃত শৰীৰৰ ওপৰত স্তুপ-মৈদাম নিৰ্মাণ কৰা হয়। মৈদামত তেওঁলোক জীৱাশ্ম (Fossil) হৈ থাকে। তাকে আহোমৰ মতে মৰিও দেৱতা হৈ থাকে বুলি কোৱা হয়। পূৰ্বপুৰুষৰ মৃত শৰীৰ অশুচি গণ্য কৰি জ্বলাই দিয়া আহোম মৃতকজনৰ বাবে 'মে-ডাম-মে-ফী' অনুষ্ঠান নিৰৰ্থক। মংগোলীয় ভাব-চিন্তা-আদৰ্শৰ পৰা চ্যুত হৈ হিন্দু পৰিচিতি লোৱা আহোমসকলে মৃতকৰ কাঠ সংস্কাৰ কৰে। তেওঁলোকে মৈদাম প্ৰথাৰ অনুগামীসকলৰ নিচিনাকৈ বাহ্যিক ৰূপত 'মে-ডাম-মে-ফী' অনুষ্ঠান কৰি দেখুৱালেও তেওঁলোকে আচৰণ কৰি থকা ধৰ্ম-বিধিমতে 'বিদেহ আত্মা'লৈ এই ধৰ্মীয় অনুষ্ঠান অৰ্থহীন। তেওঁলোকৰ দেৱতা ধৰ্মত জন্ম আৰু মৃত্যু দুয়োটাকে অসুচি-অপবিত্ৰ বুলি গণ্য কৰা হয়। জাতকৰ অশুচিক প্ৰায়চিত্ত কৰি শুদ্ধি অনুষ্ঠান কৰা হয়। আনহাতে মৃতকজনৰ শৰীৰটোকে অশুচি গণ্য হেতু তাৎক্ষণিকভাৱে জ্বলাই পেলোৱা হয়।

মংগোলীয় জাতি-গোষ্ঠীৰ সমাজ জীৱনত ব্যক্তি, পৰিয়াল, বংশ, ফৈদৰ ফালৰ পৰা অথবা সমূহীয়াভাৱেও পূৰ্বপুৰুষৰ পূণ্যাৰ্থে ফ্ৰা-ভগৱান বুদ্ধৰ ওচৰত মংগল কামনা কৰি স্মৃতি-শ্ৰদ্ধা-তৰ্পণ নিবেদন কৰা হয়।

মংগোলীয় শাক্য জাতিৰ অধিৰাজকুমাৰ সিদ্ধাৰ্থ গৌতম পিছলৈ বোধি-জ্ঞান লাভ কৰি ফ্ৰা-ভগৱান বুদ্ধ বুলি জ্ঞাত হয়। তেৱোঁ মংগোলীয় বংশোদ্ভৱ কাৰণে তেওঁৰ দ্বাৰা প্ৰতিষ্ঠিত বৌদ্ধ ধৰ্মৰ মাংগলিক অনুষ্ঠানত ফ্ৰা-ভগৱান বুদ্ধৰ ওচৰত মংগল কামনা কৰি মৃতক-জ্ঞাতিসকলৰ পূণ্যাৰ্থে স্মৃতি-শ্ৰদ্ধা-তৰ্পণ আগবঢ়োৱা বিধি-পৰম্পৰা অন্তৰ্ভুক্ত হৈছে। থেৰাবাদ বা হীনযান বৌদ্ধপন্থাত বহুজনৰ হিতৰ বাবে বহুজনৰ সুখৰ বাবে সেৱা আগবঢ়াই নিৰ্বাণ বা মুক্তি লাভৰ সংকল্প কৰা হয়। বৌদ্ধ ধৰ্মত বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো প্ৰাণীয়েই সেৱা আগবঢ়াই নিৰ্বাণ সোঁতলৈ ধাৱিত হয় আৰু নিৰ্বাণ লাভ কৰিব পাৰে। এই নিৰ্বাণ প্ৰাপ্তসকলৰ জন্ম বা মৃত্যু নাই। এই নিৰ্বাণ জন্ম বা মৃত্যুৰ বাহিৰত। গতিকে জন্ম বা মৃত্যুৰ পিছত জীয়াই থকা বা নথকাৰ প্ৰশ্ন নাই।

আনহাতে মহাযান বৌদ্ধ ধৰ্মত বিশ্ব ব্ৰহ্মাণ্ডৰ প্ৰতিটো প্ৰাণীয়ে নিৰ্বাণ লাভ নকৰালৈকে নিজৰ নিৰ্বাণ বা মুক্তিকো পিছুৱাই থৈ আনৰ সেৱাত ব্ৰতী থকাৰ দৃঢ় সংকল্প লোৱা হয়। এনে এটা ভাব-দৰ্শনতে মহাযান বৌদ্ধ ধৰ্মৰ অনুগামীসকলে মৃতকক তাৎক্ষণিকভাৱে আসুৰিক প্ৰথাৰে মৃত শৰীৰ নজ্বলাই মৈদাম দি সংৰক্ষণ কৰে। মৈদাম শ্মশান-মৰিশালি নহয়। মৈদাম পূৰ্বপুৰুষ শান্তিত শুই থকা পবিত্ৰ স্থান।

এইখিনিতে উল্লেখ কৰিব পাৰি যে মংগোলীয় জাতি-গোষ্ঠী লোকৰ সমাজ জীৱনত পূৰ্বপুৰুষৰ মৃত্যুক কেন্দ্ৰ কৰি আন বিধি-পৰম্পৰাও সৃষ্টি হৈছে। অৱশ্যে সময়ৰ লগে লগে সেইবিলাকৰ প্ৰায়খিনি উঠি গৈছে বা পৰিৱৰ্তিত ৰূপত চলি আছে। আগৰ কালত যুদ্ধ-বিগ্ৰহত শত্ৰু পক্ষই তেওঁলোকৰ কোনো সৈনিক বা লোকক হত্যা কৰিলে শত্ৰুপক্ষৰ ওপৰত বিশেষ দণ্ডবিধানো নিৰ্দিষ্ট হৈছিল। যিহেতুকে মংগোলীয় সেনা বা লোকজনক হত্যাকৰি ৰাষ্ট্ৰ বা সমাজখনৰ মৰ্যাদা হানি কৰিছে আৰু যিহেতুকে নিহতজনৰ পূৰ্বপুৰুষৰ মৃত্যুক বা 'ডাম'ক (the spirit of the dead ancestor) আঘাত কৰিছে আৰু নিহতজনৰ মৃত্যুৰ লগে লগে পূৰ্বপুৰুষৰ স্মৰণ-শ্ৰদ্ধা-তৰ্পণ বন্ধ হ'লে পূৰ্বপুৰুষ জীয়াই নাথাকিব। গতিকে হত্যাকাৰী শত্ৰুৰ বিচাৰ দিওঁতে এই দুয়োটা দোষৰ কাৰণে শাস্তি-দণ্ড প্ৰদান কৰা হয়।

মংগোলীয় জাতি-গোষ্ঠীৰ লোকৰ মাজত ফ্ৰা-ভগৱান বুদ্ধলৈ পূজা-সেৱা আগবঢ়াই পূৰ্বপুৰুষ মৃতক-জ্ঞাতিসকলৰ মংগলাৰ্থে স্মৃতি-শ্ৰদ্ধা-তৰ্পণ জনোৱা প্ৰথাত আধ্যাত্মিক জীৱন, সামাজিক আদৰ্শ প্ৰতিফলিত হয়। আহোম 'মে-ডাম-মে-ফী' তেনে এটা বছৰ পৰিৱৰ্তনৰ সংক্ৰান্তি দিনৰ অনুষ্ঠান য'ত মংগোলীয় জাতি-গোষ্ঠী লোকৰ জীৱন দৰ্শন প্ৰকাশিত হয়। মে-অৰ্পণ, ডাম-মৃত্যুক, মে-অৰ্পণ, ফী-দেৱতা : ভাবাৰ্থ ফ্ৰা-ভগৱান বুদ্ধলৈ পূজা-সেৱা কৰি মৰি দেৱতা হোৱা মৃত্যুক লৈ পূণ্যাৰ্থে স্মৃতি-শ্ৰদ্ধা তৰ্পণ।

মংগোলীয় জাতি-গোষ্ঠীৰ বিভিন্ন জাতি-উপজাতিৰ মাজত আহোম 'মে-ডাম-মে-ফী'ৰ নিচিনা মৃত্যুকৰ তিথি অনুষ্ঠানবিলাকে জীৱিত আৰু মৃতক জ্ঞাতিসকলৰ মাজৰ সম্বন্ধক ব্যক্তি, পৰিয়াল আৰু ৰাষ্ট্ৰ জীৱন বিশেষে সতেজ আৰু সবল কৰি আহিছে। মংগোলীয় জাতি-গোষ্ঠীৰ বহু দেশ আৰু লোকে খ্ৰীষ্টান বা ইছলাম ধৰ্ম গ্ৰহণ কৰিছে। তেওঁলোকেও মৃতকৰ কবৰ বা মৈদামত গৈ মৃতক-জ্ঞাতিসকলৰ মংগলাৰ্থে সৰ্বশক্তিমান ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনায়। বৌদ্ধ, খ্ৰীষ্টান, মুছলমান সমাজত পূৰ্বপুৰুষ-মৃতক জ্ঞাতিসকলৰ পূণ্যাৰ্থে আগবঢ়োৱা মংগল প্ৰাৰ্থনা কোনোৱে কোনোৱে ভৱা আৰু কোৱাৰ দৰে পূৰ্বপুৰুষলৈ পূজা (Ancestor worship) নহয়।

*লেখকৰ ঠিকনা : গ্ৰাহাম বজাৰ, ডিব্ৰুগড়*
*দূৰভাষ : ৯৬৭৮৬-২৭১৯২*



# বিহুনামত অসমৰ থলুৱা মাছ

খগেন্দ্ৰ চুতীয়া

ব'হাগ বিহুৰ অন্যতম অংগ হ'ল চহা কবিৰ কাপৰপৰা সৃষ্টি হোৱা বিহুনামসমূহ। বিহুনামসমূহত প্ৰতিফলিত হয় অসমীয়া সমাজৰ এক বাস্তৱ প্ৰতিচ্ছবি। অসমীয়া সমাজ জীৱনৰ লগত সম্পৃক্ত হৈ থকা সকলো দিশেই প্ৰকাশ পায় বিহুনামসমূহৰ যোগেদি। চৰাই-চিৰিকতি, জান-জুৰি, নদ-নদী, মাছ-কাছ, পৰ্বত-পাহাৰ, ডেকা-গাভৰুৰ প্ৰেম-বিৰহ, বুৰঞ্জীমূলক ঘটনা প্ৰবাহ আদি সকলো দিশ সামৰি চহা কবিসকলে সৃষ্টি কৰি থৈ গ'ল একো-একোটা সুমধুৰ বিহুনাম।

প্ৰাকৃতিকভাৱে অসম এখন চহকী ৰাজ্য। অসমৰ প্ৰাকৃতিক দৃশ্যৱাজিয়ে সকলোৰে মন হৰি নিয়ে। অসমখন বিভিন্ন নৈ-নিজৰা, খাল-বিল আদিৰে পৰিপূৰ্ণ। অতীজতে এই নৈ-নিজৰা, খাল-বিল আদিত প্ৰচুৰ পৰিমাণৰ থলুৱা মাছ পোৱা গৈছিল। গ্ৰামাঞ্চলৰ লোকসকলে বিভিন্নধৰণৰ সা-সঁজুলিৰ সহায়ত মাছ ধৰি আনিছিল। সম্প্ৰতি নৈ-নিজৰা, খাল-বিল আদি নাইকীয়া হৈ যোৱাৰ ফলত থলুৱা মাছ খাবলৈ অসমৰ্থ হৈছে। এতিয়া অন্ধ্ৰপ্ৰদেশৰ মাছেহে অসমীয়া পাকঘৰ শুৱনি কৰে। অতীজতে অসমীয়া সমাজত সততে উপলব্ধ হোৱা কেতবোৰ থলুৱা মাছ তলত উল্লেখ কৰা হয়—

| অসমীয়া নাম | English Name | Scientific Name |
|---|---|---|
| 1. ইলিচ | Indian Shad | Hilsa ilisha |
| 2. চিতল | Humped feather back | Notopterus chitala |
| 3. কান্ধুলি | Feather back | Notopterus notopterus |
| 4. লাওপতি | Indian hatchet fish | Chela laubuca |
| 5. চেলকনা | Chela | Chela atpar |
| 6. বালিচন্দা | Barna baril | Barilius barna |
| 7. ডঁৰিকনা | Flying barb | Esomus danricus |
| 8. মোৰা | Mola/Indian carplet | Amblypharyngodon mola |
| 9. বৰিয়লা | Aspondiparia | Aspidoparia jaya |
| 10. পিঠীয়া | Jungha mahscer | Tor progenius |
| 11. পুঠী | Swam barb/chola barb | Puntius chola |
| 12. চেনিপুঠী | Olive barb | Puntius sarana sarana |
| 13. ভকোৱা | Catla | Catla catla |
| 14. মিৰিকা | Mrigal | Cirrhinus mrigala |
| 15. লাচিম | Reba | Cirrhinus reba |
| 16. ভাঙ্গোন | Bata labeo | Labeo boga |
| 17. মালি | Calbasu | Labeo calbasu |
| 18. কুড়ি | Kuria labeo | Labeo gonius |
| 19. শিলঘৰীয়া | Kalabans | Labeo dero |
| 20. ৰৌ | Rohu | labeo rohita |
| 21. বতীয়া | Loach | Noemacheilus beavani |
| 22. বালিপতীয়া | Stripped loach | Noemacheilus botia |
| 23. শিঙৰা | Day's mystus | Mystus bleekeri |
| 24. গাগল | Manoda cat fish | Mystus menoda |
| 25. আঁৰি | Giant river cat fish | Aorichthys seenghala |
| 26. পাভ | Pabo cat fish | Ompok pabo |
| 27. বৰালি | Fresh water shark | Wallago attu |
| 28. মাগুৰ | Magur | Clarias batrachus |
| 29. শিঙি | Stinging cat fish | Heteropneustes fossilis |
| 30. কুৰ্কুৰি | Devil fish | Chaca chaca |
| 31. ককিলা | Fresh water gar fish | Xenentodan cancila |
| 32. চেঙেলী | Smoth breasted snake head | Chama orientalis |
| 33. গৰৈ | Green snake head | Channa punctatus |
| 34. শ'ল | Striped snake head | Channa striatus |
| 35. চন্দা | Elongate glassy perchlet | Chanda nama |
| 36. গেদগেদী | Mottled handus | Nandus nundus |
| 37. পাটিমূতুৰা | Bar-eyed-goby | Glossogobius gutum |
| 38. কাৱৈ | Climbing pereh | Anabas testudineus |
| 39. খলিহ্না | Banded colisa | Colisa fasciata |
| 40. ভেচেলি | Colisa | Colisa colisa |
| 41. বামী | Spiny eel/Tire-track spiny eel | Mastacembalus armatus aramtus |
| 42. তোৰা | One striped spiny eel | Maerognathus aral |
| 43. গঙ্গাটোপ | Ocellated puffer fish | Tetradon cutcutia |

এই থলুৱা মাছবোৰ ধৰিবৰ বাবে গ্ৰামাঞ্চলৰ লোকসকলে নানা ধৰণৰ মাছ ধৰা সঁজুলি নিৰ্মাণ কৰি লৈছিল। অতীজতে সততে উপলব্ধ জাতিবাঁহ, বেত আদিৰ সহায়ত মাছ ধৰা সঁজুলি নিৰ্মাণ কৰি লৈছিল। তদুপৰি বিভিন্নধৰণৰ মাছ ধৰা জালো গ্ৰামাঞ্চলৰ লোকসকলে নিজস্ব ধৰণেৰে তৈয়াৰ কৰি লৈছিল।

বাঁহ-বেতৰ সঁজুলিসমূহ হ'ল- ডিঙৰা, চেপা, থলহ, খোকা (ঠুঁহা), পাৰই, উভতি, আকুলিয়া, জেৰ, জাকৈ, বালা, চালনি, সৰু চালনি, বৰ চালনি, পল', জুলুকি, খালৈ, চেৰহ।

লোহাৰ সা-সঁজুলি - হাতী শিকলি পঁচা, এডলিয়া কুল, হেন্দালি পঁচা, কুচীয়া কুল, খুঁটা বৰশী, গেলা বৰশী, উঁৰি বৰশী, নাল বৰশী, চিপ বৰশী, ধন বৰশী।

জাল - ঢেঁকী জাল, টঙী জাল, বৰ জাল, ঘীলা জাল, আঠুৱা জাল, খেৱালি জাল, লাঙী জাল, পুঠী লাঙী, কাৰৈ লাঙী, গৰৈ লাঙী, এৰি লাঙী, বৌ ফাঁচী জাল, কৰাল ফাঁচী জাল, মুচাৰী জাল, পাহ জাল, জাকৈ জাল।

ব'হাগ মানেই মন উতলা কৰা এক সমাহিত পৰিবেশ। ব'হাগৰ সেউজবুলীয়া পৰিবেশে সকলোৰে মনলৈ কঢ়িয়াই আনে এক মনোগ্ৰাহী সৌন্দৰ্যময়ী আবিৰ। ব'হাগ মানেই ঢোল-পেঁপা শব্দৰ সমাহাৰ। চহা কবিসকলে মাছ আৰু ব'হাগক এক কৰি গাইছিল—

উজাই আহিলে মাছে কি মগৰে
ভূটুঙাই ওলালে শিহু;
কান্ধতে ঢোলটি মুখতে পেঁপাটি
পালেহি ব'হাগৰ বিহু।

ব'হাগ মানেই নাচনীৰ গা সাতখন-আঠখন। নাচনীৰ লয়লাস ভঙ্গীৰে সকলোৰে মন হৰি নিয়ে। সমাজৰপৰা জকি মাৰি নাচনীসকল ওলোৱা দেখি ডেকাৰ মুখৰপৰা ওলাই আহিল বিহুনাম—

ডেও দি উজালে দেও উঁৰিকনা
জকি মাৰি ওলালে মোৰা;
আমাৰে নাচনী জকি মাৰি ওলালে
সমাজৰ মাজৰ পৰা।

ডেকা-গাভৰুৰ প্ৰেমত মছগুল। খাওঁতে শোওঁতে কেৱল গাভৰুৰ ছবিখনেই ডেকাৰ চকুৰ সন্মুখত ভাঁহি আহিব ধৰিলে।

শালে ভুমুকিয়ায় শ'লৈ ভুমুকিয়ায়
চেঙাই ভুমুকিয়ায় খালত;
দেহৰে ভিতৰত তুমি ভুমুক মাৰা
সদায় পৰি থাকে মনত।

গাভৰুৰ দশাও একে। চেনাইধনক বহুদিন দেখা নাপাই চেনেহীৰ মনটো বিষাদেৰে ভৰি পৰিছে। ভৰ যৌৱনা চেনেহীৰ বুকুখন শেলে বিন্ধাইদি বিন্ধিছে চেনাইধনক নেদেখি। বেজাৰ মনেৰে চেনেহীয়ে বিহুনাম গায়—

দীঘলী বজাৰৰ পাভ মাছ আনিলোঁ
পকা নেমু দিয়ে ৰান্ধো;
যাবৰে সময়ত তোলৈ মনত পৰে
ভাতৰ পাতত বহি কান্দো।
জাকৈ বাই আনিলোঁ বিলৰ পুঠিমাছ
বহি দুৱাৰ মুখত বাছোঁ;
খাবৰে সময়ত তোলৈ মনত পৰে
ভাতৰ পাতত বহি কান্দো।

জীয়াৰীসকলে গাঁৱৰ কাষতে থকা বিলখনত মাছ মাৰি থাকোঁতে চেনেহীক এপাক চোৱাৰ হেঁপাহত ডেকাই বিলৰ ওচৰ পালেগৈ। ইফালে বিহু দিনা চেনেহীৰ কোনো খা-খবৰ নোপোৱাত চেনাইধনৰ ওপৰত চেনেহীৰ ভীষণ খঙ-অভিযোগ। চেনাইধনক দেখিও কোনো গুৰুত্ব নিদিয়া দেখি আক্ষেপেৰে চেনাইধনে বিহুনামেৰে সুধিলে—

জাকৈ বাই বাহ কি মাছ ধৰিছা
খালৈ ভৰাই ভৰাই থ'লা;
মনৰে ভিতৰত কি কথা ৰাখিছা
চকুৰে নোচোৱা হ'লা।

চেনেহীয়ে কোনো গুৰুত্ব দিয়া নেদেখি ডেকাৰ মনত বিষাদৰ ঢৌ উঠে। প্ৰেম সাগৰত পৰি কক্‌বকাই থকা



ডেকাৰ যৌৱনবুলীয়া হৃদয়ৰ একোণত দুখৰ বিধৌয়ে শেলে বিন্ধাইদি বিন্ধিছে।

দীঘলী বিলতে দি যাওঁ বালি ভেটা
লাগে চেনী-কুঢ়ী মাছ;
তোমাক কেনেবাকৈ নেপাব লাগিলে
লমে জৰী গছত ফাঁচ।

প্ৰেম এক স্বৰ্গীয় অনুভূতি। প্ৰেমে নামানে বয়স। প্ৰেমে নামানে ধনী-দুখীয়াৰ পাৰ্থক্য। প্ৰেমত জাতি-কুলৰ পাৰ্থক্য ৰখা নহয়। প্ৰেমত হাৰ মানে সকলোৱে। বিহুনামত আছে—

নৈৰ কাণে কাণে পল বাইছিলোঁ
চাবত পায় গলোঁ কাছ;
একেজন ঈশ্বৰে সবাকে স্ৰজিছে
কিনো ভাল-বেয়া বাছ।

বিৰহে প্ৰেমাস্পদৰ হৃদয়ত বাৰুকৈয়ে আঘাত দিয়ে। প্ৰেমাস্পদক দিনক দিনে খীনাই যোৱা দেখি গাভৰু চিন্তিত হৈ পৰিছে—

ৰঙানদী শুকালে মাছৰে বেজাৰত
লুইতখন শুকাইছে কিয়;
মই চেনাই খীনাইছোঁ তোমাৰে বেজাৰত
তুমিনো খীনাইছা কিয়?

বিহুনামত তুলনাৰ প্ৰভাৱ অনস্বীকাৰ্য। অতীজতে চহা কবিসকলে প্ৰকৃতি জগতত সততে উপলব্ধ প্ৰাকৃতিক সম্পদৰাজিক বিভিন্ন ক্ষেত্ৰত তুলনা কৰি বিহুনাম গাইছিল। বিশেষকৈ ভৰ যৌৱনা গাভৰুৰ ৰূপ-লাৱন্যক প্ৰকৃতি জগতৰ কোনো বস্তুৰ লগত তুলনা কৰিছিল।

তোমাৰ গাল দুখনি পাভ মাছৰ নিচিনা
ঘোঁৰাফানৰ নিচিনা চুলি;
লম লম বুলি এদিনো নললা
দুখনি হাতেৰে তুলি।

অসমীয়া লোকসাহিত্যৰ উঁৱাল চহকী কৰিছে জুনা বা কাহিনী গীতসমূহে। জুনাবোৰত অসমীয়া সমাজ জীৱনৰ এক নিভাঁজ ছবি প্ৰতিফলিত হয়। এইধৰণৰ গীতবোৰ ধেমেলীয়া স্বভাৱৰ। পৰুৱাৰ জুনা, নাঙলৰ জুনা, তাঁতীৰ জুনা, কপাহৰ জুনা আদি বিভিন্নধৰণৰ জুনা আছে। পৰুৱাৰ জুনাত মাছৰ উপস্থিতি মনকৰিবলগীয়া—

কি মাছ মাৰিবৰ শ'ল ঐ লাহৰী
কি মাছ মাৰিবৰ শ'ল;
পৰুৱা শিপিনীৰ টোলোঠা কাটোতে
এমাহেই এযুগ হ'ল।

যদিও মাছৰ ছবিখন বিহুনামসমূহত ফুটি উঠে তথাপি চহা কবিসকলে তাক উপমা হিচাপেহে গ্ৰহণ কৰা দেখিবলৈ পোৱা যায়। তাৰ অন্তৰালত ডেকা-গাভৰুৰ প্ৰেম-বিৰহ ছবিখনেহে বেছি গুৰুত্ব পায়। যেনে—

কাকডোঙৰ বৰালি ভেৰদোৱাৰ বৰালি
কেনেকৈ মিহলি হ'ল;
আমি নেঘেৰিয়াল তুমি যোৰহটীয়া
কেনেকৈ চিনাকি হ'ল।

এনেদৰে বিহুনামসমূহত অসমীয়া থলুৱা মাছৰ ছবিখন প্ৰতিফলিত হয়।


সহায়ক গ্ৰন্থ ঃ অসমীয়া

গগৈ, অমৰেন্দ্ৰ ঃ বিহু নামৰ ৰূপৰেখা, দ্বিতীয় খণ্ড, আঁক-বাক, ২০১২

গগৈ, লীলা ঃ অসমৰ সংস্কৃতি, পঞ্চম সংস্কৰণ, ১৯৯৪

গগৈ, লীলা ঃ অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা, শান্তি প্ৰকাশন, চতুৰ্থ প্ৰকাশ, ১৯৯২

ৰাজখোৱা, পৰমানন্দ (সম্পা.) ঃ অসমীয়া সংস্কৃতিৰ কণিকা, দ্বিতীয় প্ৰকাশ, ১৯৯৮

নেওগ, মহেশ্বৰ ঃ অসমীয়া সাহিত্যৰ ৰূপৰেখা, নৱম তাঙৰণ, ২০০০

নেওগ, হৰিপ্ৰসাদ, গগৈ, লীলা (সম্পা.) ঃ অসমীয়া সংস্কৃতি, চতুৰ্থ প্ৰকাশ, ২০০৩

ইংৰাজী গ্ৰন্থ ঃ

* Chakravartty, Pranjal & Sharma, Subrata : Different Types of Fishing Gears used by the Fishermen in Nalbari District of Asam, International Journal of Social Science & Interdisciplinary Research, ISSN-22773630

* Dutta, Narendra Nath, Borah, Sabita & Baruah, Debojit : Traditional gears used for capturing and preservation of fish by Mishing community of northen bank of the Brahmaputra River, Assam, Science Vision, Research Note, ISSN-0975-6175



লেখকৰ ঠিকনা— সহকাৰী অধ্যাপক, হাৰ্ছি মহাবিদ্যালয়, গোবিন্দপুৰ

# কবিতা



## প্ৰেমৰ কবিতা


নীলিম কুমাৰ

কিতাপখনৰ মাজত মোৰ আত্মাক
জাপি থৈ মই
আগতীয়াকৈ গুলাই যোৱা
এটা মৃতদেহ

তেওঁক ফুচুলাবৰ বাবে
মোৰ মৃতদেহ
বহুত কথা কয়

কোনো কথাতে তেওঁ
ভোল নাযায়
কাৰণ এইজনীয়ে মোৰ সোণৰ মৃতদেহ

মোৰ আত্মাৰ প্ৰেমত পৰিছিল
এইজনীয়ে
মোৰ সোণ



## ব'হাগ আহিল ব'হাগ নাহিল

মনোজ অগস্তি

ব'হাগ আহিল
ব'হাগ নাহিল

ক'ত গ'ল মেঘ

বৰষুণ নাই
ধুমুহা-গাজনিৰ ৰাতি

আহে নে নাহে
বৰদৈচিলা
চুচুক্-চামাক্

পথাৰত চিৰাল ফাঁট
কুলি-কেতেকীৰ মাত
বিহু বুলি বিনাবা কাক



## বান

লাচিত বৰ্মন

অৱশেষত তেওঁ আহিল
আহিয়ে আঁকি ল'লে মেঘৰ ফুলনি
আৰু পাহৰি নোযোৱাৰ বৰষুণ দি
ডুলি থাকিল ওৰেতো দিন

তেওঁ আহিল
কাহানিও আঁতৰি নোযোৱাৰ গধূলি হৈ
তেওঁ অহাৰ বাতৰি পাই
আন্ধাৰৰ শব্দবোৰ পানীৰ মাজেৰে গুচি গ'ল
পিছফালৰ সেউজীয়া জাৰণিখনলৈ

একোৱে লগত অনা নাই তেওঁ
ইমানদিনে কঢ়িয়াই ফুৰা পলাশজোপাও
সেইবাবেই তেওঁ কাপোৰ সলাব পাৰিছিল বাৰাণ্ডাতে
শুই থকা বতাহলৈ লাজ কিহৰ

অৱশেষত তেওঁ আহিল
তেওঁ অহাৰ বাতৰি পাই
লাজতে মূৰকচ গ'ল পাহাৰৰ সাধু কোৱা ছাগলীজনী
কিয়নো,
এই বাৰিষাতে তাই গাভিনী হোৱাৰ কথা

## মানুহ কেতিয়া

অৰুণ মহন্ত

এই নৈ
এই বায়ু
এই মাটি
এই ৰ'দ
এই গছ
এই অৰণ্য
এই আকাশ
এই সাগৰ
এই চৰাই-চিৰিকটি
তৰা পাহাৰ পৰ্বত মেঘ তৰু-তৃণ কাৰ বাবে
আমি মানুহবোৰ আহিছো গৈছো কাৰ বাবে
নৈ যদি মানুহৰ বাবে
বায়ু যদি জীৱনৰ বাবে
মাটিয়ে যদি ঘৰ
ৰ'দে যদি দেহৰ প্ৰাণ
গছ যদি মানুহৰ ঈশ্বৰ
আকাশ যদি মানুহৰ কল্পনা
সাগৰ যদি মানুহৰ লক্ষ্য
মানুহ মানুহৰ বাবে হ'ব কেতিয়া
কল্পনাৰে নৈ বায়ু মাটি ৰ'দ গছ সাগৰ...
চৰাই-চিৰিকটি কদাপি নচলে

এতিয়া এই মুলুকত বেলি থাকিলেও
অহৰহ খেলি থাকে ঘন এন্ধাৰে
আজিও ভালপোৱা পৰ্বতৰ কাষৰ কণী

মানুহ মানুহৰ বাবে হ'ব যেতিয়া
সুখৰ নাও চলিব তেতিয়া
তুমি আৰু মই সময়ৰ কোবাল সোঁতত

## পুতলাৰ সাধু

ডাঃ সৌৰভ কুমাৰ ভূঞা

এটা পুতলাই কয়— বেয়া নাচাবা
নাচালেইতো নোহোৱা নহয় বেয়া দৃশ্যৰ মিছিল
দেখিও চকু মুদি আঁতৰিতো যাব নোৱাৰি
নাচাই কিছুমান দৃশ্য
সকলোৱেই 'মই' 'মই' হ'লে কোনে চাব সেই দৃশ্য
কোনেও নাচালে কেনেকৈ বুজিবা
কোনবোৰ দৃশ্যৰ মৃত্যু হোৱা উচিত

এটা পুতলাই কয়— বেয়া নুশুনিবা
কাণ বন্ধ কৰি ৰাখিলেইতো নোহোৱা নহয়
অশ্ৰাব্য শব্দৰ আৰ্তনাদ
শুনিও নুশুনাৰ ভাও ধৰি আঁতৰিতো যাব নোৱাৰি
কাণত আহি পৰা অগ্ৰহণযোগ্য শব্দ শুনি
সকলোৱেই আঁতৰি গ'লে কোনে শুনিব সেইবোৰ শব্দ
কোনেও নুশুনিলে কিদৰে বুজিবা
কোনবোৰ শব্দৰ মৃত্যু হোৱা উচিত

এটা পুতলাই কয়— অন্ততঃ বেয়া নক'বা
'মই' 'মই' কৈ দেখিও নেদেখিলে শুনিও নুশুনিলে
উদ্গীৰিত হ'ব খোজা শব্দক নিজ হাতে হত্যা কৰিলে
প্ৰতিবাদৰ ভাষাৰ সৃষ্টি হ'ব কাৰ কণ্ঠত?

সময় নাই সময় নাই
আজলিৰ পানীৰ দৰে হেৰাই গৈ আছে সময়
কোনোবাইতো দেখিব লাগিব কোনেবাইতো শুনিব লাগিব
কোনোবাইতো উচ্চাৰিব লাগিব
প্ৰতিবাদৰ কঠোৰ শব্দ....

## ৰঙা ৰং

প্ৰাঞ্জল প্ৰতীম বড়া

ৰং কিছুমান বাৰু কিয় ৰঙা হয়

ৰঙৰ ৰং ৰঙা হ'লে
মোৰ খেলিমেলি লাগে

সুখ দুখ আনন্দ বিষাদ
একেলগে থুপ খাই কক্‌বকাবলৈ ধৰে
মন গহনত মোৰ পিত্‌পিতাবলৈ লয়
সুখৰ অসুখে

ৰং কিছুমান বাৰু ৰঙা হয়

প্ৰেমৰ প্ৰতীক গোলাপৰ ৰং কিয় বাৰু ৰঙা হয়
বহাগৰ নাচনীজনীৰ বুকুৰ চোলাটোৰ ৰং কিয় ৰঙা হয়
যুগ্ম জীৱনৰ পবিত্ৰতাৰ কিয় সাক্ষী হয় ৰং ৰঙা
উশাহে লেকাম টানে মানে
শিৰা-উপশিৰাই অহা-যোৱা কৰা তেজৰ বৰণ কিয় ৰঙা
হয়
ট্ৰেফিক পইণ্টত ৰঙাই চকু টিপিয়ালে
কিয় স্তব্ধ হয় যাত্ৰীৰ যাত্ৰা
দুৰ্ঘটনাত চিটিকি পৰিলে তেজৰ ৰঙা
কিয় অবচেতন হয় শৰীৰ

ৰং কিছুমান বাৰু কিয় ৰঙা হয়
জীৱনক নীতিৰে বান্ধিবলৈ নে গতি দিবলৈ
জীৱনক পবিত্ৰ কৰিবলৈ নে বিশাদ সিঁচিবলৈ
সুখ দিবলৈ নে দুখত কাতৰ কৰিবলৈ
মানুহে যে আশা কৰে
ইজনে সিজনক কুশল শুভেচ্ছা দিয়ে
জীৱন ৰঙীণ হওক বুলি
সেই বাবেই কিজানি
ৰং কিছুমান ৰঙা ৰঙৰ হয়
আৰু সুখ-দুখৰ ৰং সিঁচি
জীৱনক ৰঙচুৱা কৰে।





## উৎসৱ, জীৱন, মানুহ আৰু পৃথিৱী

সপোন কুমাৰ দত্ত

ঢোলৰ চাপৰটোৰে গোটেই পৃথিৱীৰ মানুহক দিব পৰা হ'লে
ঢোল আৰু ঢুলীয়াৰ একাত্মতাৰ সেই আত্মিক উচ্ছাস জগোৱা
চাৰিকড়ীয়াৰ তীৰত জীৱনৰ গতিময় উৎসৱৰ আনন্দৰ কথা
যি আনন্দই মতলীয়া কৰা মানুহৰ মানৱিক উচ্ছাস এটাতে
গঢ় লৈ উঠিব পাৰে মানুহৰ একাত্মতাৰ গোলকীয় গাঁও এখন।

কঁকালটো দুপাক ঘুৰায়েই গোটেই পৃথিৱীৰ মানুহক বুজাই দিব পৰা হ'লে
ঢুলীয়াৰ ঢোলৰ ছেও আৰু নাচনীৰ নৃত্যৰ লহৰৰ একাত্মতাৰে প্ৰাণময়
প্ৰাচীন নদীখনৰ তীৰৰ মাটিৰ মানুহৰ সেই উৎসৱময় চেতনাৰ কথা
যি চেতনাই জীৱনৰ মহত্ব আৰু সৌন্দৰ্যৰ মহত্বতম সৰগীয় প্ৰেমৰ প্ৰৱণতাৰে
মানুহক লৈ মানুহৰ হৃদয়ে হৃদয়ে জগাব পাৰে জীৱনৰ মহাজাগতিক উদ্দীপনা।

আৰু চাৰিকড়ীয়াৰ তীৰৰ সেই মুকলি মাটিৰ সেউজীয়াখিনিতে হিয়া উবুৰীয়াই
মানুহ মতলীয়া হোৱা এই উৎসৱতে পৃথিৱীক দেখুৱাই দিব পৰা হ'লে
সৰগীয় প্ৰেৰণাৰে জীৱন জগোৱাৰ প্ৰত্যয় জন্মোৱা মানুহৰ এই উৎসৱ যে
উৎকৰ্ষিত মনত চিৰসুন্দৰৰ থাপনা পাতি মানুহ একাত্ম হোৱা হৃদয়ৰে প্ৰতীক
ই যে হ'ব পাৰে হৃদয়ৰ পৰা হৃদয়লৈ নদীৰ দৰে মানুহৰো মহাজীৱনৰে গতি।

আহা আমি সকলো অৰণ্যৰ এন্ধাৰ ফালি চাৰিকড়ীয়াৰ তীৰলৈ যাওঁ
এই উৎসৱময় গতিতে কিজানিবা মানুহক মানৱীয়কৰণৰ উচ্ছাস এটি পাওঁ।।

## চাৰিকড়িয়াৰ চকুলো

সৰ্বেশ্বৰ সূত বৰুৱা

চাৰিকড়িয়াৰ পাৰে পাৰে
বৰ্ণিল জাতি-জনজাতি
দুয়োপাৰে কৃষিভূমি
মহামিলনৰ গতি

প্ৰকৃতিৰ বিমল সৃষ্টি
জলৰাশি ফটিকৰ
আজি দুৰ্গন্ধৰ বন্যা

ৰূপালী বালিচৰ
বিদেশী মলেৰে ভৰা
নিকা কৰে
অন্তিম ব'হাগে

ঘাটে ঘাটে কলুষিত
গড়াই গড়াই পদূষিত
কতনো সহিব বাৰু তোমাৰ বুকুৱে

উজনি নামনি ভ্ৰমি
নৈসৰ্গিক বিপৰ্যয় দেখি
বুৰ মাৰে বেলিটিয়ে
গভীৰ মোহনা ডুবিত।

## ব'হাগ

চৈয়দ ছাদুল্লা

ন-সাজে সাজি-কাচি
তুমি আকৌ আহিলা
তুমি প্ৰাণ প্ৰাচুৰ্যময়ী
তুমি আহিলেই
ৰোমাঞ্চিত হৈ উঠে মন
প্ৰাণ হয় উতলা
থৌকি-বাথৌ হিয়া।
তোমাৰ কথা কৈ ভাল লাগে
কৈনোকৈ থাকিলে ওৰকে নপৰে
তোমাৰ কথা
অসমীয়া জীয়াৰী-বোৱাৰীয়েও
তোমালৈ হেঁপাহেৰে
বাট চাই থাকে
তাঁতশালে তাঁতশালে
মাকোৰ ঘিট্‌ঘিট্‌নি
সপোন ৰঙীণ কল্পনাৰে
এশ ডেৰশ তিনিশ কাঠিৰে
চাদৰ মেখেলা গামোচাত ফুল বাচে।
তোমাৰ কথা কৈ ভাল লাগে
কৈনোকৈ থাকিলে
ওৰকে নপৰে তোমাৰ কথা,
কিযে তোমাৰ মহিমা
তুমি আপোনতকৈও আপোন
তুমি সমাজৰ দাপোণ
তুমি অসমীয়াৰ জীৱন জ্যোতি
তুমিয়েই কপৌফুল পাহী
তাৰেই বুকুত লুকাই থাকে
গাভৰুৰ সপোন নানা ৰঙী।
তুমি নতুনৰ অংকুৰণ
তুমি মিঠা প্ৰতীক্ষা
তুমি প্ৰেৰণা
তুমি অনন্যা
কুলিৰ মাতত তুমি
বিৰিণাৰ গানত তুমি
তুমি শিপিনীৰ গুণগুণনি
তুমি জেতুকাৰ বোল
গাভৰুৰ ওঁঠৰ ৰবহমথুৰী।
তুমি সমন্বয়ৰ ধ্বজা
তুমি অসমীয়াৰ আয়ুস ৰেখা
তুমি প্ৰেৰণাৰ ঢল
আশা-ভৰষাৰ থল
তুমি প্ৰাপ্তি
তুমি সিদ্ধি
তুমি উৎস
তুমি শ্ৰেষ্ঠ
তোমাৰ কথা কৈ ভাল লাগে
কৈনোকৈ থাকিলে
ওৰকে নপৰে তোমাৰ কথা
তুমি ঋতুৰ ৰাণী
তুমি আহিলেই দূৰ হয়
যত মানে গ্লানি
তুমি আহিলেই
নৱ উছাহে জাগে
অসমীয়া জাতি।
তুমি এক প্ৰত্যয়
তোমাৰ কথা কৈ ভাল লাগে
কৈনোকৈ থাকিলে
ওৰকে নপৰে তোমাৰ কথা।
তুমি আহিলা তুমি যাবাগৈ
গৈ আকৌ আহিবা
তুমি যে অসমীয়াৰ উশাহত
তুমিযে অসমীয়াৰ ধমনীত
তুমিযে অসমীয়াৰ ভকতি
তুমিযে অসমীয়াৰ শকতি
জাতিটোক চেনেহৰ ডোলেৰে
বান্ধি ৰখা এনাজৰী তুমি
যুগে যুগে তুমি আহিবা।
তোমাৰ কথা কৈ ভাল লাগে
কৈনোকৈ থাকিলে
ওৰকে নপৰে তোমাৰ কথা।





## ব'হাগ আহিলেই

ভূষণজ্যোতি সন্দিকৈ

ব'হাগ আহিলেই
আমি সম্প্ৰীতিৰ কথা কওঁ
ক্ষণিকতে গঢ়ি তোলো আত্মীয়তা
কলিজাত সাঁচি থৈ ক্ষোভ
প্ৰসাৰিত কৰি দিওঁ দুহাত
আকাশলৈ .....

ব'হাগ গ'লেই
খহি পৰে আমাৰ মুখ আৰু মুখা
সুখৰ বসন ফাটি
ওলাই পৰে দুখ
পুঞ্জীভূত ক্ষোভবোৰ বিস্ফোৰিত হৈ
পুণৰ জ্বলি উঠে
বাৰুদৰ দৰে।

## ফাটবিহুৰ ঠিকনা

দিপুল বৈশ্য

বিশ্বই জানক তোমাৰ নাম
ফাটবিহুৰ ঠিকনা
ম'হঘূলি চাপৰি- ঢকুৱাখনা।
বাটচাই তোমালৈ
কান্ধত ঢোল লৈ ঢুলীয়া ককায়ে,
তাঁতৰ খিট্ খিটনিৰে
শিপিনীয়ে বয় ফুলাম গামোছা
বিহুৱান যাঁচিবলে,
খিলাচকলীয়া খোপাত
লাহৰি গগণা গুঁজি
কপালত ৰান্ধনি বেলি আঁকি
মুখত মিচিকীয়া হাঁহিৰে
চিচু গছৰ তলত ফাটবিহুৰ নাচনী
যেন বসন্তৰ যাদুকৰী ৰাগিনী।

## শোভাযাত্ৰা, ফাটবিহু

বৈদ্য ব্ৰাইট বুঢ়াগোহাঁই

আজি বন-বাৰী বাদ দি
নানা জাতি-জনজাতি একেলগ হৈছে
বানে গৰকা মানুহবোৰে হাত উজান দিছে
সমবেত ৰাইজে জয়ধ্বনি দিছে
পুলিচ-প্ৰশাসনে যান-জঁট ভাঙিছে
ম'হঘূলি চাপৰি উঠলি উঠিছে
চাৰিকড়িয়া নদীয়ে খিলখিলাই হাঁহিছে
পাৰৰ কহুঁৱা-বিৰিণা হালিছে-জালিছে
ন-কইনা যেন ঢকুৱাখনা জনীয়ে
লাজতে তলমূৰ কৰিছে
পাটৰ ওৰণি টানি লাজ ঢাকিছে
ফাটবিহুলৈ আমন্ত্ৰিত অতিথি আহিছে
সাজি-কাচি ধুনীয়া হৈ গাভৰুবোৰ আহিছে
ফুক'লীয়া শিশুহঁতে কিৰিলি পাৰি নাচিছে

দুপৰৰ প্ৰখৰ ৰ'দ মূৰত লৈ
সমূহ ৰাইজলৈ হিয়া উজাৰি
শুভ কামনা জনাই জনাই
গৈ আছে শোভাযাত্ৰাৰ দ'ল।

আৰু মই সময়ৰ এখিলা পাতত বহি
নজিৰবিহীনভাৱে গণি আছোঁ
শোভাযাত্ৰাৰ আগৰ উষ্ম অভিবাদন
আৰু শেষৰ হিম-শীতল নিৰ্লিপ্ততা।

## ব'হাগৰ আলেখলেখ

নিত্যানন্দ শইকীয়া

পলাশ মদাৰৰ উখল মাখল ওলগনি
জিলীজনীয়ে যাদু কৰিছে বেলিটোক
শিমলুজোপাই ধুনিছে চাপৰিটো
ফুলবোৰে গুণ্‌গুণাইছে হাবিখনত
ন-পানীৰ মদিৰাত মাছবোৰ মতলীয়া
নৈখনে নিচুকাইছে চোমনিখন
মন্দাক্রান্তা কুলিজনীয়ে আভুৱা ভাবিছে
কালিকালগা কেতেকীজনীয়ে কলিজা থেতাঁলিছে
গছলতাই আবুৰত তিয়নী সলাইছে
নৈপাৰত গুম্‌গুমাইছে পাতিঢোলটোৱে
যৌবন তগবগাইছে হাড়লী গাঁওখনত
কামুক আবেলিটোৰ অপেক্ষাত অভিসাৰী
নিলাজপথাৰখন উদ্‌বাউল হৈ আছে
জীৱনে চাই আছে আলেখলেখ
ব'হাগৰ.....

## ফাটবিহুৰ বতৰা

ইন্দিৰা গগৈ

বতাহত উতলা যৌবন
ভোমোৰাই মৌ চুহে
তাইৰ কলডিলীয়া খোপাত
ওঁঠত নিগৰে ব'হাগৰ গান
কনঘোষা কনবীয়া নাম
দলনীত মতা ম'হৰ পিঠিত
ম'হ গোৱালৰ দীঘলীয়া উকি
পিজালী পেঁপাই সুহুৰিয়াই
তৰা তাঁতে আমনি কৰে
আউল লাগে
সপোনৰ আঁচুসূতাত
মন ফুলৰ কাষৰিত
কেণা লাগি মাকো সৰি সৰি পৰে
গুণ গুণ হৃদয়ৰ গান
দেহি ঐ পৰলৈ নিদিবি কাণ।

## তুমি দ্রোণও হ'ব নোৱাৰিলা, ভীষ্মও হ'ব নোৱাৰিলা...

সুৰুজ কুমাৰ ভূঞা

একলব্যৰ দৰে বুঢ়া আঙুলি কাটি
গুৰু দক্ষিণা ল'বলৈ
তুমিটো দ্রোণ নোহোৱা!
তোমাৰ এনে শিষ্য নাই যি অৰ্জুনৰ দৰে
অস্ত্র চালনা কৰি হ'ব পাৰে সব্যসাচী।
তুমিটো ভীষ্মৰ দৰেও হ'ব নোৱাৰিলা.....;
আছে জানো তোমাৰ দেৱব্রত নাম সলনি কৰিব পৰা
কোনো ভীষণ প্রতিজ্ঞা ? পাৰিবানে তুমি দুৰ্বল শত্রু
পক্ষৰ হাততো
পৰাজয় মানি ল'ব, কেৱল শিখণ্ডীৰ বাবে?
অথবা পাৰিবানে মান-গৌৰৱত ওফন্দি থকা ৰাজপুত্ৰৰ
সোণৰ ভিঙ্গাৰৰ শেষ টোপাল পানীও ত্যাগ কৰিব ?
তোমাৰ এনে সাহসো নাই যে তুমি আপোন ইচ্ছাৰে
প্রাণসম শত্ৰুৰ হাতত ৰচনা কৰিবা শৰশয্যা,
খুজি খাবা এটুপি পানী।
তুমি দ্রোণও হ'ব নোৱাৰিলা,
ভীষ্মও হ'ব নোৱাৰিলা।
তুমি— তুমি কৰ্ণৰ দৰে হ'লা
দান দিলা জীৱনৰ মহাস্ত্র, কেৱল আনৰ বাবে
আঁকোৱালি ল'লা বৰ্ণহীন-স্বাদহীন এটি পৰিচয়,
বদনামৰ এটি প্রাচীন পাহাৰ।
নোৱাৰিলা তুমি
নোৱাৰিলা তুমি দ্রোণও হ'ব নোৱাৰিলা, ভীষ্মও হ'ব
নোৱাৰিলা।
একলব্য অথবা অৰ্জুনৰ দৰে সব্যসাচী মৰমৰ শিষ্যবোৰে
তোমাক তাচ্ছিল্য কৰে
যি দৰে তোমাৰ জীৱনৰ একমাত্র সম্পদ বুলি দাবী কৰা
দুখ আৰু অভিমানৰ অহংকাৰে উপহাস কৰে তোমাক।



## ম'হঘূলি

নবনিতা গগৈ

ফাটবিহুৰ ঢোলৰ শব্দত
ঐনিতমৰ সুৰীয়া মাতত
তই যৌৱনমতী হ'লি
চৰিকড়িয়াৰ সতে
যৌৱনৰ মুকুতা বুটলি
শুকুলা বালিত
চৌ-পাশে ঢাকি দিলি
প্রেমৰ সেউজ আভৰণ।
আকাশৰ তৰা বছা ওৰোখা পঁজাত
পাৰ কৰিলি তোৰ সোণালী
শৈশৱ
কৈশোৰ
যৌৱন
ম'হঘূলি—
তই পাহৰিব পাৰিবি জানো
বুকুৰ গভীৰতালৈ শিপাই থকা
হৃদয়ৰ অমল ছবি।



## তোমাৰ মৰমতে

কেশৱ শইকীয়া

এতিয়া
বানে ধোৱা বিমূৰ্ত্ত পথাৰখনত
থৌকি-বাথৌ প্রাণময় স্পন্দন
আঁহত পাতৰ আঁৰলৈ কুলি কেতেকীয়ে
ইনাই-বিনাই কিহৰ বাগীত!
বতাহৰ বোকোচাত যে আকৌ ফাগুন।

শাওণৰ নদীয়েদি ফাগুনৰ চৈমাৰি
তোমাৰ প্রেৰণাতে
মেলি দিওঁ পানচৈ উজাই
সৌ নীলা পাহাৰলৈ
য'ত প্ৰেম চিৰন্তন, কুলিৰ কুজন অহৰ্নিশে
য'ত নাই জ্যোৎস্না-ৰাম্লা হংতৰ ভয়াৰ্ত্ত কঁপনি
য'ত নাই ঢোলৰ মাৰিতো তেজৰ দাগ

বাগিছা চাপৰি, ৰ'দে পোৰা চাপৰি
ঢোল পেঁপা গগণা আৰু বিহুগীতেৰে
থাকি যাওক মুখৰিত হৈ
তোমাৰ মৰমতে.......


# শিপা

অৰুণ চমুৱা

কেতিয়া কোনে ৰুইছিল গছজোপা
য'ৰ পৰা উৎপত্তি হৈছিল
ইমান আনন্দ ইমান স্ফূৰ্তি
গছৰ পৰা গুটি
নে গুটিৰ পৰা গছ

সৰুতে পিতাইহঁতে কৈছিল
দেওলগা ফাট
নে দেওলগা হাট
য'ত আৰম্ভ হৈছিল
সাত-দিন সাত-ৰাতি
ৰং তামচাৰ সম্ভাৰ

এতিয়া সন্ধান কৰিছোঁ
মাটিৰ আঁহে-আঁহে কোঁহে-কোঁহে
সোমাই থকা শিপাবোৰ
যি সাৰ-পানীৰে
সেউজীয়া কৰি ৰাখিছে
ঐতিহ্য-পৰম্পৰা-সংস্কৃতি।



# বৰ্ণময় ব'হাগ

দিগন্ত ডেকা

প্ৰাচুৰ্য্যৰ বিপুল সম্ভাৰ লৈ আহে
বৰ্ণময় ব'হাগ
বৰষুণত জীপাল হৈ উঠে গছ বন
হৃদয়ত ৰচে সংকল্পৰ নতুন স্পন্দন,
ব'হাগ আহিলে উজ্বলিত হয় তোমাৰ মুখ
ওঁঠৰ বাংময়তাৰ পৰা
মাথো নকৰিবা বিমুখ।

# ফাটবিহুৰ নাচনী

গণেশ চমুৱা

তোক দেখিলেই উজ্বলি উঠে
মোৰ দুচকুৰ ক'লা জামু
বুকুত মুখ গুজিলেই পাওঁ
ভালপোৱাৰ তোৰ সুঘ্ৰাণ...
ফাটবিহুৰ বতৰত
নাচনীৰ সাজত আহো বুলিয়েই গুচি আহ
চিহু গছৰ আঁৰে আঁৰে জুখি থাকো
তোৰ বয়স
খোপাত কপৌফুল গুজি
চুপতি কৰো তোৰ আবেগ
মেঘালী চুলি চুই চাওঁ চেনেহত
নাহ বুলি ভাবিও ভয়
যোৰা নাম নেগাওঁ দেই
ঢোলৰ তালিত আঙুলি বুলালেই
নাচোনৰ লহৰত মুঠিয়ে মুঠিয়ে নছটিয়াবি দুখ
কঁকাইটি নবজাবিছোন ম'হৰ শিঙৰ পেঁপাটি
উম্মনা নাচনীৰ কিযে যাদুকৰী মন
আঁতৰিলে ভয় হয় ঠেঁহ পতাৰ...




# কবিতাৰ স্তবক

ৰমেন দাস

(১)
বুকুৰ সমুদ্ৰত এটা গান
ৰাতিৰ ধুমুহাতো থমকি নৰ'ল
ফাগুনৰ উদাস আবেলিবোৰ
হ'ল মাথো বসন্তৰ নতুন প্ৰত্যাশা।

(২)
নৈখনৰ সেঁওতাইদি বেলিটো
পাৰহৈ গুচি গ'ল
নৈয়ে বেলিক একো দিব নোৱাৰিলে
মাথো খুপি খুপি সোমাই পৰিল
সৰাপাতৰ আবেষ্টনীত।

(৩)
আজি তুমি এটা গিলাচ তুলি লৈছা
গিলাচটো কাঁচৰ
পৰিলেই হ'ব ভাঙি থান-বান
তাতেই যে বিলীন হৈ আছে
বিষাদৰ চকুলো!



# এপলক চাৰিকড়িয়াত

তিলোত্তমা গগৈ

আইয়ে সৰুতে কৈছিল—
উজান উঠিবলৈ দিলেহে
অহা বছৰ মাছ খাবলৈ পাবি।
মাছে জোকা পাতিছে
প'লটো বাই নিদিবি
কালিকা লগা মাছ দুটি নধৰিবি
অমঙ্গল হ'ব...!
পাৰ-বাগৰি নেমুটেঙানীৰ মাছবোৰ
ডিমৰু গছৰ তলেদি চাৰিকড়িয়াৰ বুকুত থকা
দ' ডুবিত পৰিবলৈ পালেহে মহে কণী পাৰিব
শ্ব-গছ জোপা কটাৰ পিছত নদীখনে
চাপৰিটো অভিমানত খহাই পেলালে
চাৰিকড়িয়াৰ আঁচলত থকা
নলনীত জানো নল-টেঙা আছে
কুমলীয়া ঔ-টেঙাবোৰ বজাৰলৈ কোনে নিলে বাৰু?
বগুলা চাপৰিৰ বুঢ়া ডিমৰুজোপাত
চৰাইৰ মেলা বহে নে ?
উত্তৰ বিচাৰি ডাৱৰক বৃষ্টিয়ে ক'লে
আমাৰ মিলন কেতিয়া হ'ব...?
যেতিয়া চাৰিকড়িয়াৰ পাৰত বিজুলীৰ লগত
আমাৰ দেখা হ'ব তেতিয়াই
আমাৰ মিলন হ'ব
ৰবৈচিলা মাকৰ ঘৰলৈ যাব
প্ৰকৃতিৰ জীয়াৰীক বসন্তই বিয়া পাতিব
সেই তেতিয়াই...।

# শিকলি

## ইপুল হুছেইন

বন্দীত্বৰ শিকলি চিঙি ওলাই আহো বাৰে বাৰে
আকাশ চুব খোজাৰ তাড়নাত
কিনকিনীয়া বৰষুণ এজাকৰ গুণ্‌গুণনিত
জীৱন ৰাগিনীৰ প্ৰথম স্বৰ বিচৰাৰ তাগিদাত
বুকুত শিপাবলৈতো কলিজাৰ উৰ্বৰতা কম নাছিল
কেতিয়াও
শীতাৰ্ত আহ্নিক গতিৰ কুঁচি-মুচি পোহৰ
দূৰৈত মুক্ত হোৱাৰ কিছু আভাস
দোমোজাত সুখ আৰু দুখ
দুচকুত তেতিয়াও এন্ধাৰ আৰু পোহৰৰ অনিৰ্ণেয় যুঁজ।

# ব'হাগ

## জয়শ্ৰী দাস

হে ব'হাগ
তোমাৰ নামেৰে
লুইতৰ দুয়োপাৰে উপচি আছে প্ৰেমৰ পলস
কেৱল তোমাক উদ্‌যাপন কৰিবলে।

বাট সলাই নগৰৰ সাজ নিপিন্ধিবা
তুমি থলুৱা কৃষ্টিৰ নিতুল গৰিমাৰে
উজলাবা গণজীৱনৰ সাহ!



# সংগী

## প্ৰতীম বৰুৱা

ৰৈ আছিলো নিজানত
ব'দৰ চৰাই হৈ উৰি ফুৰো
তোমাৰ গানবোৰ আছিল
মোৰ সংগী

কথা কোৱা নাছিলো আমি
অথচ দুয়ো দুয়োৰে মনৰ কথাবোৰ
শুনিছিলো আমি
ইজনে-সিজনক নোচোৱাকৈ
ইজনে-সিজনক দেখিছিলো আমি
মোৰ ভাল লগা কথাবোৰ
তোমাৰ আছিল
তোমাৰ ভাল লগা কথাবোৰ মোৰ

ৰৈ আছো নিজানত
দুখৰ চৰাই হৈ উৰি ফুৰা
তোমাৰ কথাবোৰ
মোৰ সংগী



# পথ

## দীপামণি শইকীয়া



বহুবোৰ পথৰ মাজত
আন কিছুমান পৃথক পথো থাকে
যি প্ৰতিটো ঋতুৰ খবৰ ৰাখে
যাৰ বুকু পকী নহয়
শিল আৰু কয়লাৰে
যি বুকুত সানি ৰাখে এমুঠি ধূলি
ফাগুনৰ পছোৱাজাকৰ বাবে

লুংলুঙীয়া হ'ব পাৰে সেই পথ
কিন্তু তাৰ দৈৰ্ঘই সদায় দিগন্ত চুৱে
উচ্চতাই চুৱে পলাশ

বসন্ত বুলিলেই সেই পথবোৰ ৰচকী হৈ পৰে
ফুলৰ তোৰণ সাজি ৰৈ থাকে ইহঁত
আগন্তুকৰ বাবে
বন-গোলাপৰ পাপৰি আৰু
পখিলাৰ আলাপৰ গুঞ্জনত
এনে পথৰ কেঁকুৰিবোৰ ছন্দময় হৈ থাকে
ৰিব্ ৰিব্ মলয়াৰ স'তে

আনকি দুখৰ ঋতুতো এই পথে
এপাহ হিজলফুল ৰাখে
পথিকৰ বাবে

এনে পথবোৰে গোলাৰ্ধৰ দ্ৰাঘিমা নামানে
বৰঞ্চ
বুকুৰপৰা বুকুজুৰি
এডালৰ সৰলৰেখা হৈ ৰৈ থাকে
জীৱনজুৰি মাথো ৰৈ থাকে...

# সমলয়

## নব কুমাৰ ভৰালী

একড়ীয়াৰ সুঁহুৰি
চাৰিকড়ীয়াত উঠে প্ৰতিধ্বনি
ম'হঘুলিত বাজে ৰিণি ৰিণি,

চেনাইৰে পেঁপাটি....
উদুলি-মুদুলি ফাটবিহু বাকৰি

জনসাগৰত ঐকতান সুৰ
ওপজা মাটিৰ সুগন্ধি পৰশ।

# ফাটবিহুলে আমন্ত্ৰণ

## পদ্মেশ্বৰ দাস

হাবুঙৰ ভেটিত ম'হঘুলি
সমন্বয়ৰ মিলনভূমি
নজহা-নপমা সংস্কৃতিৰ পোৱালমণি

তুমি আহিবা সাজি-কাচি
নাচি-বাগি মিলি যাম
দুয়ো সৃষ্টিৰ আদিম ৰাগীত।



# FAAT BIHU: COMMON CULTURAL ENDOWMENT OF A RURAL COMMUNITY

Dr. Akhil Ranjan Dutta

Dhakuakhana, an area often defined as Kalapani of Assam i.e. a remote location difficult to reach and communicate due to negligence on the part of the government for decades together, is famous for two contrast reasons today- flood and Faat Bihu- one is the vulnerability caused by natural calamity and the other is the unique communitarian cultural endowment that inspires the people to renew the communitarian bond and to struggle for life and livelihood against hindrances imposed by the insensitive government to the citizens of this remote zone. Dhakuakhana, although a backward area in the present day map of Assam, has an important position in the literary and cultural map of the state. This is evident from certain administrative, educational and religious institutions in the area. The oldest Jain Mandir in Assam established around three hundred years ago is located in Dhakuakhana. It only suggests that people from far most areas migrated to Dhakuakhana since long back. The police station in Dhakuakhana established in 1857 also suggests that there was resistance against the colonial administration way back in 1857 or before. Even the government M. V. School established in 1872, probably the second school of its kind in Assam implies the rich educational and literary heritage of this backward area of the present day Assam.

The demographic composition of the region is very rich in diversity. Dhakuakhana, endowed with the river Charikoriya, the important source of the creative writings of Homen Borgohain, one of the stalwarts in the literary map of Assam and also for many others, is blessed by the mighty Brahmaputra. If river means civilization and culture, Dhakuakhana-located in the northern bank of Brahmaputra and watered by the river Charikoriya; is definitely a place which can claim to have its own civilization and culture. And, Faat Bihu is a testimony to this claim. Mostly inhabited by Mishings and Ahoms, the place and its adjacent areas has a mixed population both in terms of socio-religious and tribal communities like the Kayasthas, Konches, Chutiyas, Kaibarttas, Suts, Brahmins, Deoris etc. It also has Hindu, Islam, Jain and Shikh followers.

Although primarily agricultural, Dhakuakhana boasts of diverse professional groups. Marwaris- a premier business community along with people from Shualkochi- the silk city of Assam, migrated to Dhakuakhana and are engaged in silk, Muga and jewelry making business. Although minority in number the Nepalis are the milk suppliers, the Marias are primarily the tailoring community, the Shikhs are engaged as shoppers and tailors and Carpenters are primarily drawn from Kochbihar.

Faat Bihu has been a common cultural endowment of the diverse tribal communities of Dhakuakhana. Celebrated with full festivity, Faat Bihu exhibits the diversity in performing Bihu dances by different communities in accordance with their livelihood patterns and cultural thinking. There is no documented history on how this variant of Bihu evolved and how it has changed over a period of time. However, there are competing narratives on it. One narrative suggests that Ahom rulers while coming for collecting revenues organized this festival bringing all communities together to consolidate their dynasty and maintain peace and harmony. Another narrative suggests that the intensity of the celebration was so high that the earth got cracked apart. Whatever may be its origin, Faat Bihu today is one of the most sought after cultural events in the state. While, Bihu itself has been a celebrated event before the paddy cultivation to mark the fertility of production by the rural communities, it has, however, gradually become an event organized in a professional manner in the urban localities. Bihu continues to be celebrated by the rural people in traditional manners, but due to the overriding influence of the electronic media Bihu festivals have become more of show cases of the celebrities, rather than the masses. It has gradually been commercialized and there are competitions among the organizers to raise funds through all means- both fair and unfair and to initiate costly prizes making Bihu the destination of the trained professionals. Besides, Bihu is now a corporate event. Corporate houses dominate through donations and advertisements.

However, Faat Bihu continues to be an exception to these developments. It still continues to be a rural event, although organized in the township of Dhakuakhana. The event, which brings together different performing groups and communities along with hundreds and thousands of people to witness, is organized in the bank of Charikoriya and the performance takes place under the shadow of trees. A number of ethnic groups with their traditional attires perform their own Bihus together in nearby locations. It is indeed the exhibition of the diversity of this Bihu. Organized in the first half of the month of May i.e. in the last part of Bohag- the month of celebration of Bihu in its most colourful way, Faat Bihu creates such a pressure that it has the potential to crack apart the earth- the symbolic essence continues to hold ground.

Dhakuakhana certainly can take pride in the event. But, one also witnesses the changes taking place towards organizing this traditional festival. It has now become a costly event, and therefore the organizers have become the key players rather than the communities which take part in it. In other words, it is now an organized event rather than a very spontaneous one. The event has also become a sought after destination for the celebrities which logically undermines its very spirit. However, these changes are bound to be there. Despite these developments it is a sacred responsibility of all of us to keep up the spirit and tradition of the Faat Bihu. Let Faat Bihu be the organic thread to strengthen the communitarian bonds among different communities in this remote location and let it also be the rallying point to fight out the evils imposed by the corporate greed under the patronage of the government.

*The author is an Associate Professor in Political Science at Gauhati University. Email:akhilranjangu@gmail.com*



# Musings on Rongali Bihu

**Prof. Arup K. Das**

There is a saying in English that is, 'If winter comes can spring be far behind'. Although the statement is made in a different context to emerge in a gay day after a spell of severe hardship, the same is applicable to the advent of spring season in every nook and corner of the world with little variations in the calendar year due to latitudinal and longitudinal variations. Chilling cold of the winter months is a difficult period and people remain busy in the field in tending and harvesting their crops. Soil and weather remains dry and the trees wear a barren look. Winter starts receding and young tender leaves of different hues start appearing. Then all of a sudden a gushing wind blowing in west east direction with occasional low to heavy shower start the onset of monsoon season. Orchids, Coral and *Simul* trees beautify the landscape. Singing male birds viz., *Kuli*, and *Keteki* through their melodious love songs try to woo their mates as it their breeding time. This is also the time to express oneness with the nature and more particularly people rejoice through songs and dances welcoming the Spring season as they sing:

*Dale dale Kopou phool phulile*
*Aji bihutolit*
*O' chenai*
*Tomar mate boliya korile*

*Kopou* (Orchids) flowers are in bloom
Oh, dear ! in the dancing ground
Your tilting sounds have
Made me mad.

The origin of *Bihu* as the festival of songs and dances can be traced back to antiquity. Such festive occasions which are reflections of taking pledge on the advent of a most welcoming and enchanting season of the year can be found with people of diverse origin and culture.

The spring season is the time of getting a new lease of life to every living organism of the world as it is time to procreate and perpetuate and it is the rule of nature. Man is also not an exception to this rule and all eligible youths find their life partners through certain ceremonious manner in the process of merry making.

One significant aspect of *Bihu* songs is the *Huchori*. When the bihu troupes move house to house, before the start of *Bihu* songs and dances it is preceded by *Huchori* songs- a couplet reciting the glory of Almighty God. It is sung in unison and recited (in chorus-*Uchha chare*) by all the participants and that is how probably the word *Huchori* had its origin. It goes like this:

*Krishnor murore*
*Bokul phool apahi*
*Nyor pai mukoli hol hai*
*Gobindoi Ram*
Oh Gobinda (God)
A bud of *Bokul* flower
Has opened up
With the touch of dew drops

While it is difficult to trace the origin of *Bihu* songs because of antiquity as similar songs and dance forms are also to be found with other ethnic groups, the *Huchori* might have become part of *Bihu* songs and dances on a much later time. The integration of *Huchori* with *Bihu* songs and dances it had undergone a major change as for the first time house to house *Huchori* started. Thus, the young as well elderly people of the villages formed the *Bihu Huchori* troupes. The *Huchori* thus gave a spiritual touch to the otherwise merry go round folk song and dance form. The family members prostrate themselves in front of the *Huchori* troupe seeking blessings from the visiting troupe.

Cattles and livestock are taken care on the penultimate day of the new year of *Bohag Bihu* as those animals are indispensable for the people in an agrarian society. It is amply manifested in a couplet especially sung while cattles are drives out to the river for ceremonial bath:

*Lau kha bengena kha*
*Bosore bosore barhi ja*
*Mare soru bapera soru*
*Toi hobi bor bor goru*
You consume gourd and brinjal
And grow with the passing of every year
Your earlier breeds are small
And you will surpass them


Enough importance was given in the past in collecting wild pot herbs as those constitute special culinary items in the first week of the New Year. Those provided the all important neutraceuticals especially giving a boost to the general health condition family members.

The first day of New Year is meant for human beings. In the early morning we were forced to consume bitter juice of either *Swerita teeta* or *Kalmegh* in empty stomach else we were not allowed to have break fast. By doing so we got rid of worms in our stomach. A paste of whole black gram is also prepared and put as poultice in our head till the time of bath. It was supposed to have a cooling effect to keep our temper cool for the whole year. In the evening a fire was lit in the cowshed and near the main entrance of the house so that, smoke would chase away the flies and mosquitoes and keep the surrounding free from menace of such pests. Half dried *Bihlongni, Agora, Birina* and Cane leaves are put in the fire to produce considerable amount of smoke for the said purpose. In the morning hours village boys are engaged in various traditional games and sports which are supposed to fine tune their muscles.

Over the years, *Rongali Bihu* might have lost many of its traditional fervor, but it is still considered the most invigorating festival of the people of Assam or in other words it is the life line of the people. It is time to take stock and pledge for the future. In the changing environment a concerted effort is required to shape the destiny of the people and the society at large. Let the Assamese New Year bring happiness, prosperity and all important feeling of oneness and lots of promises for the future.

*Writer's Address : Dept. of Botany*
*Rajiv Gandhi University, Itanagar-791112*
*(m) 09436042771*

গল্প



# ফাটবিহুৰ ঢুলীয়া

জয়চন্দ্ৰ হাজৰিকা

'ৰহেশ্বৰী পেহী, ৰহেশ্বৰী পেহী আহিছে অ' দদাইদেউ, ৰহেশ্বৰী পেহী'। ল'ৰা-ছোৱালী এমখা উধাতু খাই চিঞৰি চিঞৰি আমাৰ চোতালত গোট খালেহি। সিহঁতৰ চিঞৰত মই থতমত খাই বাহিৰ পালোহি। মোক দেখাৰ লগে লগে ৰাস্তালৈ আঙুলিয়াই পুনৰ সিহঁতে একেমুখে ক'লে— 'সৌৱা পালেহি, পেহী পালেহিয়েই...।'

অবাক বিস্ময়ত মই পদূলিলৈ চাই পঠিয়ালো। এডাল বাঁহৰ লাখুঁটিত ভৰ দি দি পেহী আমাৰ পদূলিৰে সোমাই আহিল। মই নিজৰ চকুহালকে বিশ্বাস কৰিব নোৱাৰিলো। এইজনীয়েই নেকি সেইজনী পেহী, যাৰ মুখেৰে দহ বছৰ আগতে কথাৰ আখৈ ফুটিছিল, ৰাস্তাৰ এডোখৰতে পেহীৰ উপস্থিতি গম পাইছিলো পেহীৰ মুখৰ পৰা ওলোৱা বিহুনামৰ জাতত...। আজি সেইজনী পেহী আহিছে এখন নিৰ্বাক মুখেৰে। লাখুঁটিৰ ওপৰত ভৰ দি দি এইজনী পেহী আজি আহিছে কণ্ঠস্বৰ হেৰুৱাই চকুলোৰে দুগাল তিয়াই। কণ্ঠনলীৰ যাৰ অসুখত পেহীৰ মাত হেৰুওৱা আজি দহ বছৰ হ'ল। এই সময়খিনিত যেন আমাৰ গাঁওখনত দুপৰীয়াবোৰ বেসুৰা হৈছিল। পেহী নাহে। মুখৰ পৰা মাত নোলায়। মাত নোহোৱা দিন ধৰি পেহী অহা নাই আমাৰ গাঁৱলৈ।

আজি পেহী আহিছে। সকলোৰে মুখে মুখে এক প্ৰশ্নবোধক চিন। পেহী কিয় আহছে আমাৰ গাঁৱলৈ? পেহীয়ে কি ক'বলৈ আহিছে ঠাৱে-চিঞৰে? কি বুজাব খুজিছে পেহীয়ে চকুৰ পানীৰে? তাকো গোটেই গাঁওখনৰ এইমূৰে থকা আমাৰ ঘৰলৈ বাটকুৰি বাই পেহী আহিছে ক'তো নোৰোৱাকৈ। বাটে বাটে অনেক মানুহৰ প্ৰশ্নৰ উত্তৰ মাত্ৰ দুগালৰ চকুপানীৰে আৰু আঙুলিৰ ঠাৱে-চিঞৰে দি দি অৱশেষত আমাৰ পদূলিৰে সোমাই আহিল পেহী।

ৰাৰান্দাৰ খটখটিত পেহী বহি পৰিল। মই বাউসী দুটাত ধৰি পেহীক উঠাই আনি ৰাৰান্দাৰ চকী এখনত বহুৱাই দিলো। পেহীৰ চকলোৰে তিতা গালখন মচি মই লাহেকৈ মোৰ চকুপানীখিনি আনে নেদেখাকৈ মচি মাত লগালো— পেহী...

পেহীয়ে বহুত দেৰিলৈকে মোৰ বুকুত মুখখন গুঁজি কান্দয়েই থাকিল। মই নিচুকালো— 'পেহী ধৈৰ্য ধৰ.... নেকান্দিবা। তই কন্দা দেখিলে আমাৰো যে দুখ লাগে.... পেহী।' পেহী উচুপি উচুপি এটা সময়ত শান্ত হ'ল। আঙুলিৰ চিঞৰেৰে পানী খুজিলে। মই ভিতৰত থকা শ্ৰীমতীক মাত লগালো— 'হেৰা, গিলাচ পানী লৈ অহাচোন, পেহীয়ে পানী বিচাৰিছে।'

পানী গিলাচ দি শ্ৰীমতীয়ে সুধিলে— 'পেহী, আৰু পানী লাগিব নেকি?' 'নাই নেলাগে'। পেহীয়ে হাতৰ ইংগিতেৰে ক'লে। মই পেহীৰ কাষৰ চকীখনতে বহি পৰিলো। পেহীয়ে মোৰ মূৰত হাত থৈ আকাশৰ ফালে দেখুৱালে— 'মোক ঈশ্বৰে হাতবাউল দি মাতিছে, মই যাবলৈ ওলালো বোপাই।' মই বুজনৰ সুৰত ক'লো— 'নাই পেহী, তোক সোনকালে যাবলৈ নিদিওঁ।' পেহীয়ে কাবৌ-কোকালিৰ দৰে হাতৰ ঠাৱেৰে ক'লে— 'নাই বোপাই, মোক মৰিবলৈ দে। মাত নোহোৱাকৈ মই আৰু জীয়াই থাকিব নোখোজো।'

ইতিমধ্যে আমাৰ চোতালত চুবুৰীৰ জীয়ৰী-বোৱাৰী, ডেকা-বুঢ়াই জুম বান্ধলেহি। পেহীৰ গাত এনে কি গুণ আছিল যে পেহী অহা গম পাই সকলো হাজিৰ। মই ভাবি আচৰিত। সকলোৰে মুখে মুখে প্ৰশ্নবোধক চাৱনি। 'পেহী' কিয় আহিছে? আজি দহ বছৰ ধৰি এইখন গাঁৱলৈ পেহী অহা নাই। পেহা ঢুকোৱাৰ পাচতে পেহীৰো মুখৰ মাত হৰিল। কোনোমতে একমাত্ৰ পুতেক-বোৱাৰীয়েকৰ আশ্ৰয়তে পেহী জীয়াই আছে। পেহী নহাৰ কাৰণ সকলোৱে বুজি পালে। আজি বাৰু হঠাতে ইমান দিনৰ মূৰত পেহী কিয় আহিছে? মোৰ ফালে চাই সকলোৱে সুধিছে— 'ডাঙৰ বোপাই, পেহী বাৰু কিয় আহিছে, কি হ'ল পেহীৰ? এয়াতো সৰু কথা নহয়— তুমি কিবা জানানে? মই সকলোৰে মুখৰ পৰা একমুখে ওলোৱা এই 'কিয়'টোৰ উত্তৰ বিচাৰি পেহীৰ মুখলৈ চালো। পেহীয়ে মোৰ চকুত থকা অবাক প্ৰশ্নটোৰ উত্তৰত হাতেৰে যি কৰি দেখুৱালে সেয়া যেন এক হৃদয়বিদাৰক ঘোষণা। পেহীয়ে থৰক-বৰককৈ থিয় দি দুহাতেৰে ঢোল এটা বজোৱাৰ দৰে কৰি ক'লে— 'পেহাৰে মোক যোৱা ৰাতি ঢোল বাই বাই নিবলৈ আহিছে, মই সোনকালেই যামগৈ। তহঁতৰ পৰা বিদায় ল'বলৈ আহিছো' —পেহী পুনৰ বহি পৰিল।

পেহাই নিবলৈ অহাৰ ভংগিমাটো দেখুৱাই পেহীয়ে যেন উপস্থিত সকলোকে দহ বছৰৰ আগৰ ঘটনাটোলৈ মনত পেলাই দিলে।

ব'হাগ বিহুৰ আগে আগে বিহুলৈ কেইদিনমান থকাৰ পৰা আমাৰ কাষৰ হুজ গাঁওখনত ঢোলৰ গোমগোমনিত বিহুৱলীয়া ডেকামখাৰ গাবোৰ ৰাইজাই কৰে। ঢুলীয়া হ'ল ৰামেশ্বৰ পেহা। পেহীৰ গাতো সেইকেইদিন বাৰুকৈয়ে গোসানী লম্ভে। ৰাতিপুৱাই পেহী আহি আমাৰ গাঁও ওলাবহি। মাজত মাথোঁ এখন পথাৰ। কমাৰগাঁৱৰ বাঁহনিডৰা সৰকি আমাৰ পথাৰখনৰ পোৱালিমেলা বাটেৰে পেহী আহি গাঁৱৰ ঘৰে ঘৰে বিহুৰ বতৰা দিহৰি। 'অ'ই কেতেকী, গামোচা কাটিলিনে নাই? অ'ই জগত, গাখীৰৰ টেকেলী ভৰাইছনে নাইয় অ'ই ধনদা, জেতুকা গোটালি নে নাই?' সিমানেই নাছিল পেহীৰ ওলগনি। পেহীয়ে জাত জাত বিহুৰ নামেৰে গাঁৱৰ চোতাল দুফাল কৰিছিল ঃ

'আগলি বাঁহৰে লাহৰি গগনা
বহি তাঁতৰ পাতত বাওঁ,
আহে কি নাহে ঐ মোৰে ধন চেনাই ঐ
চিৰি পাতি মংগলখন চাওঁ।'

পেহীৰ বিহু নামৰ জাতত চ'তৰ দুপৰীয়াই বিহুৰ ঢল বৈ আহিছিল কাষৰ গাঁওকেইখনলৈ। পেহী আছিল কৈৱৰ্ত কুলৰ। কিন্তু পেহীৰ মাত-কথা চেনেহৰ বান্ধোনৰ পেহীক এদিনলৈকো কোনেও ক'ব পৰা নাছিল— এইজনী বেলেগ সম্প্ৰদায়ৰ। ৰবঘৰ মাৰলঘৰ পেহীৰ বাবে খোলা। আমাৰ মনত পৰা দিন ধৰি পেহীৰ মৰমৰ মাত-কথা, আত্মীয়তাৰ বান্ধোনত আপ্লুত হৈছিল ওচৰৰ গাঁওকেইখনলৈ। পেহী আছিল বিহুৱতী। আৰু পেহা? পেহা আছিল হাতকৰা ঢুলীয়া ৰামেশ্বৰ ওজা। ওচৰৰ গাঁওবোৰত পেহাৰ গুণৰ কথা মানুহৰ মুখে মুখে। চাৰিকড়ীয়া নদীখনৰ কাষতে থকা পেহাৰ ঘৰলৈ নাৱেৰে আহিছিল দূৰ-দূৰণিৰ ঢুলীয়া। খেতিখোলা , হাট-

বজাৰ আদিত পাকৈত ৰামেশ্বৰ পেহাঁলে যেয়ে সেয়ে ছোৱালী যাচিছিল। পেহাই বিয়া কৰালে দুখীয়া ছোৱালী ৰহেশ্বৰীকহে। কাৰণ, পেহাৰ ঢোলৰ চাপৰত কঁকাল ভাঙি নাচিব জানিছিল একমাত্ৰ পেহীয়েহে। সেয়া পেহীৰ নিজমুখৰ কথা। ফাটবিহুৰ তলীত ৰামেশ্বৰ পেহাৰ ঢোলৰ চেও চাবলৈ মানুহে ঠেলা-হেঁচা লগাইছিল। পেহা নহ'লে যেন ফাটবিহু তলীত বিহুৰ পাক নুঠিছিল। মনত পৰা দিন ধৰি পেহা আছিল ফাটবিহুৰ শ্ৰেষ্ঠ পেহাৰ লগতে বিহু মাৰিবলৈ আহি ঘৰলৈ উভতি নগ'ল। ৰামেশ্বৰ পেহাৰো পেহীলৈ আছিল আকাশৰ সমান মৰম। দুখীয়া ঘৰৰ জীয়ৰী পেহীক আদৰি নিছিল পেহাই। দিন বাগৰিছিল। বছৰ বাগৰিছিল। লাহে লাহে বাৰ্ধক্যজনিত কাৰণত পেহাই ঢোল বাবলৈ এৰিছিল। পেহাৰ মনত দুখ। যিজন পেহা নহ'লে ফাটবিহু নপকিছিল। সেইজন পেহাকে সময়ত মানুহে পাহৰি যাবলৈ উপক্ৰম হৈছিল এদিন পেহীয়ে আহি মোক কৈছিল— 'ডাঙৰ বোপাই, তই বোলে ফাটবিহু কমিটিৰ মেম্বৰ। তই পাহৰিলি হ'বলৈ— পেহাৰে যে আছিল এক নম্বৰ ঢুলীয়া। পেহাৰে ঘৰত মন মাৰি থাকে, কোনেও বোলে পেহাৰৰ নামকে নলয়। তই এইবাৰ কিবা এটা কৰ। কমিটিক কৈ পুৰণি বিহুৱা-বিহুৱতীবোৰক ফাটবিহুলৈ মাতি মানুহক চিনাকি কৰাই দে। তেতিয়াহে পেহাৰইঁতে শান্তিত মৰিব। তইঁতমখা অগুণকাৰী নহ'বি অ'। তই বোলে কিবাকিবি লেখও। তই বাৰু পেহাৰৰ বিষয়ে একো কৰিব নোৱাৰনে?

পেহীৰ কথাবোৰ মোক ভৱাই তুলিছিল। এদিন ফাটবিহু কমিটীত এই কথাটো উলিয়াইছিলো। নন্দ ককাইদেউ, দুৰ্গা ককাইদেউ, বিদ্যা ককাইদেউ, অমিয় ককাইদেউ আৰু জিতেন ককাইদেৱে ক'লে— বেছ কথা, ফাটবিহুৰ আৰম্ভণিৰ বিহুৱা-বিহুৱতীসকলক সম্বৰ্ধনা জনাব লাগে। কথামতে কাম। এদিন ৰুগীয়া ৰামেশ্বৰ পেহাকো ফাটবিহুৰ তলীত পুৰণি জ্যেষ্ঠ ঢুলীয়াৰ সন্মান যচা হ'ল।

কিছুদিনৰ মূৰত এদিন খবৰ পালো পেহা ঢুকাল। মাত লগাবলৈ গৈ পেহীক লগ ধৰিলো। পেহীয়ে মোক সাবটি ধৰি কান্দিলে। ক'লে— পেহা গ'লগৈ। পেহাৰে আনন্দত মৰিল। ফাটবিহুৰ তলীত তইঁতি পেহাক যি সন্মান দিলি পেহাই সেইখিনিলৈকে বাট চাই আছিল। সেইখিনি পাই পেহাৰাই ইমান সুখী হ'ল যে যাবৰ সময়ত তোৰ কথা কৈ কৈয়ে মৰিল। তই এই কাহিনীটো ক'ৰবাত লিখিবিদেই। তোৰ ওচৰত মোৰ সেয়া মৰমৰ দাবী।

পেহাৰ মৃত্যুৰ কিছুদিন পিচতে পেহীৰো মুখৰ মাত হৰিল। পেহীয়ে গাঁও-হাট নুফুৰা হ'ল। জীৱনৰ ধামখুমীয়াত আমিও পেহীহঁতৰ কথা পাহৰিয়ে গ'লো। পেহীহঁতে কি কৰিছে কেনেকৈ চলিছে তাৰো একো ভূ নেপাওঁ। কালৰ কি কুটিল গতি।

আজি দহ বছৰৰ মূৰত পেহী আমাৰ গাঁৱলৈ আহিছে। আমাৰ গাঁৱলৈ মানে মোৰ ওচৰলৈ। কি হ'ল, মইনো কি জগৰ লগালো। পেহীৰ অতীতৰ কথাবোৰ ভাবি থাকোতে পেহীৰ হাতৰ জোকাৰণিতহে সম্বিত ঘূৰাই পালো। পেহীয়ে মোনাৰ পৰা এখিলা কাগজ উলিয়ালে। বাৰান্দাৰ মজিয়াত সেইখন থ'লে। পুনৰ মোনাতে হাত এখন ভৰাই ডবুৰা কটাৰী এখন উলিয়াই নিজৰ সোঁহাতৰ অনামিকা আঙুলিৰ মূৰত ৰেপ দিলে। হুৰহুৰকৈ তেজ ওলোৱা আঙুলিটো মোৰ হাতৰ মাজত কলমটোৰ দৰে ধৰি ইংগিতেৰে ক'লে— 'লেখ, তোৰ চিয়াহিৰ অভাৱ, পেহাৰৰ কথা— মোৰ তেজেৰেই লেখ...।' তেজ ওলোৱা আঙুলিটো কাগজ খিলাৰ ওপৰত থৈ পেহীয়ে হুকহুকাই কান্দিবলৈ ধৰিলে।

---

*লেখকৰ ঠিকনা : শাখা প্ৰবন্ধক, অসম গ্ৰামীণ*
*বিকাশ বেংক*
*বৰহাপজান শাখা*
*ভ্ৰাম্যভাষ : ৯৬৭৮৮২৭৫৭৫*

# মৰমৰ ৰমেন ভাইটি-দাদাৰ সোঁৱৰণত

'পাৰ হৈ গ'ল ধুমুহা এজাক
ভাঙি থৈ মোৰ পঁজা....'

তুমি গুচি যোৱা কেইবাটাও মাহ পাৰ হৈ গ'ল, পাৰ হ'ল বছৰ। চকুলোৰে আমি পাৰ কৰিছো দিনৰ পিছত দিন। তুমি যোৱাৰ পৰা পৰিয়ালৰ সকলোৰে অন্তৰত বাহ ল'লে নামহীন শূন্যতাই। স্তব্ধ কৰিলে আমাক। তোমাৰ আৰু আমাৰ মাজত আছিল ভাল বন্ধুত্ব। কিমান যে মনোৰম আছিল সেই দিনবোৰ। চাৰিগৰাকী বাই-ভনীৰ মাজত একমাত্ৰ ল'ৰা তুমি, ইমান মৰম আৰু আদৰত ডাঙৰ-দীঘল হোৱা তোমাক কিয় বাৰু ভগৱানে অসুস্থ কৰি দিলে কম বয়সতে? মাথোঁ ৪২টা বছৰতে আমাক সকলোকে এৰি গুচি গ'লা। তুমি যোৱাৰ পাছত তোমাৰ শুভাকাংক্ষী, বন্ধু-বান্ধৱ, আত্মীয়-স্বজনৰ হুমুনিয়াহে আমাক বৰ কষ্ট দিয়ে। সুন্দৰ তোমাৰ ৰূপটোৰ দৰে হৃদয়খনো আছিল সুন্দৰ, বহল। মানুহৰ মাজত থাকি, মানুহক সহায় কৰি তুমি খুব ভাল পাইছিলা। তুমি য'লৈকে যোৱা তাতে গঢ় লৈ উঠিছিল আত্মীয়তা। কম কথা কোৱা অমায়িক গুণৰ বাবে তোমাক বেয়া পোৱা মানুহ নাই। কিন্তু, সিদিনা সকলোকে কন্দুৱাই তুমি মাথোঁ এখন ফটো হৈ পৰিলা। আমি অনুভৱ কৰিলো মানুহ ফটো হৈ পৰা যন্ত্ৰণা। দুৰাৰোগ্য ৰোগৰ লগত অন্তিম সময়লৈকে সাহসেৰে যুঁজিলা আৰু চিৰশাশ্বত চৰম সত্য মৃত্যুৰ স'তে পৰাজয় বৰণ কৰিলা। লগে লগে ঢকুৱাখনাবাসীয়ে হেৰুৱালে এজন সু-সন্তান আৰু গুৱাহাটী পৰিবহণ বিভাগে হেৰুৱালে এজন সুদক্ষ, কৰ্মনিষ্ঠা সহকাৰী এনফ'ৰ্চমেণ্ট পৰিদৰ্শক। আকুলি হৃদয়ে আমি প্ৰাৰ্থনা কৰিছো তুমি য'তে আছা শান্তিৰে থাকা, সুখেৰে থাকা। জীৱনৰ একা-বেঁকা বাটেৰে আগুৱাই গৈ শেষ যাত্ৰাত নিশ্চয় তোমাৰ সান্নিধ্য পাম।

তোমাৰ মৰমৰ
বাইদেউ-ভনী
শ্ৰীৰাণু বৰুৱা শইকীয়া
শ্ৰীদীপা বৰুৱা শইকীয়া
শ্ৰীপৰিণীতা বৰুৱা ফুকন

# তুমি গুচি গ'লে
(দাদাৰ স্মৃতিত)

তুমি গুচি গ'লে
শাৰী শাৰী ডবাবোৰ বুকুত বান্ধি
উকি মাৰি গুচি যোৱা ৰে'লখনৰ দৰে
মোৰ বুকুতো বাজে এটা
শব্দহীন উকি...

ক্রমশঃ বুকুতে বাঢ়ে
কণ কণ বিষাদৰ মেলা
চকুৰ দুপতাত স্থৱিৰ
দুটোপ নিয়ৰ

নামহীন অনুভৱ
বিষাদৰ গান এটা হৈ
বাজি ৰয় মোৰ
আশে-পাশে
দিনে-ৰাতিয়ে...



পৰিণীতা বৰুৱা ফুকন
ৰুক্মিণী নগৰ, গুৱাহাটী



■ পিতৃ-মাতৃ, সন্তানৰ সৈতে প্রয়াত ৰমেন বৰুৱা

## প্রয়াত ৰমেন বৰুৱাৰ চমু জীৱন-পঞ্জীঃ

পিতৃৰ নাম ঃ শ্ৰীযুত চন্দ্ৰ বৰুৱা
মাতৃৰ নাম ঃ শ্ৰীমতী ফুলেশ্বৰী বৰুৱা
গাঁও ঃ দুলীয়াগাঁও, ঢকুৱাখনা
জন্ম ঃ ১১ অক্টোবৰ, ১৯৬৯ চন
শিক্ষা ঃ বি. এ. (ৰাজনীতি বিজ্ঞানত মেজৰ)
বিবাহ ঃ ১ মার্চ, ১৯৯৯ চন
পত্নী ঃ শ্ৰীমতী অজন্তা বৰুৱা
সন্তান ঃ শ্ৰীমান সাৰস্বত বৰুৱা
শ্ৰীমতী সূৰ্যস্তুতি বৰুৱা
বাই-ভনী ঃ শ্ৰীবাণু বৰুৱা শইকীয়া
শ্ৰীদীপা বৰুৱা শইকীয়া
শ্ৰীপৰিণীতা বৰুৱা ফুকন
শ্ৰীপল্লবিতা বৰুৱা
কৰ্মজীৱন ঃ ১৫ মার্চ, ১৯৯৪ চনত এনফ'ৰ্চমেণ্ট সহকাৰী ইন্সপেক্টৰ হিচাপে অসম পৰিবহণ বিভাগত যোগদান।
মৃত্যু ঃ ২২ অক্টোবৰ, ২০১১ চন।




## দেউতা আমাৰ পথ প্ৰদৰ্শক আছিল

আমাৰ দেউতা আছিল আমাৰ বন্ধুৰ দৰে। আমাক বহুত মৰম কৰিছিল। আমাৰ পথ প্ৰদৰ্শন কৰিছিল। দেউতা আজি আমাৰ মাজত নাই কিন্তু দেউতাৰ স্মৃতি সদায় আমাৰ মনৰ মাজত থাকিব। দেউতা, আমাক তোমাৰ দৰে হ'বলৈ আশীৰ্বাদ দিয়া।

সাৰস্বত বৰুৱা
সূৰ্যস্তুতি বৰুৱা

### ৰমেন বৰুৱাৰ জীৱনৰ কেইটিমান বিশেষ মুহূৰ্ত




■ চাকিৰিয়াৰ সৌন্দৰ্যত বিভোৰ ৰমেন বৰুৱা



■ ৰমেনৰ ব্যস্তময় জীৱনৰ এক মুহূৰ্ত



■ সহকৰ্মী বন্ধুৰ সৈতে ৰমেন বৰুৱা



■ পৰিয়ালৰ আত্মীয়-স্বজনৰ সৈতে প্রয়াত ৰমেন বৰুৱা

# ফাটবিহু সমিতিৰ সভাপতিৰ একাষাৰ

ঢকুৱাখনা হ'ল বিভিন্ন জাতি-উপজাতি, জনগোষ্ঠীৰ লগতে বিভিন্ন ধৰ্মাৱলম্বী লোকৰ আবাসস্থলী। ইয়াত বুৰঞ্জীয়ে ঢুকি পোৱাৰ আগৰে পৰাই সকলো জনগোষ্ঠীৰ লোকে ভেদাভেদ পাহৰি সমিলমিলেৰে বসবাস কৰি আহিছে। এই সম্প্ৰীতিৰ অন্যতম এক কাৰক হৈছে 'ফাটবিহু'। আৰু এই সাম্প্ৰতিক পৰিৱেশ সমৃদ্ধ কৰিছে বৰ্তমানৰ মহঘূলী চাপৰিস্থিত 'ফাটবিহু তলী'য়ে। সকলো জনগোষ্ঠীৰ মহামিলনৰ পুণ্যস্থলী হৈ পৰিছে ফাটবিহু তলী।

ফাটবিহু ঢকুৱাখনাবাসীৰ হিয়াৰ আমঠু। ফাটবিহুক মহীয়ান কৰাৰ উদ্দেশ্য সাৰোগত কৰি ঢকুৱাখনাবাসীয়ে ১৯৮৫ চনৰ ১৭ মাৰ্চত 'ফাটবিহু স্থায়ী সমিতি' নামেৰে এখন সমিতি গঠন কৰে। উক্ত সমিতিৰ সভাপতিৰ দায়িত্ব দিয়া হয় স্বৰ্গীয় বঞ্জিৰাম মৰাংদেৱক আৰু আমাক সম্পাদকৰ দায়িত্ব দিয়ে। সময়ত স্থায়ী শব্দটো উঠাই দি সমিতিৰ নামকৰণ কৰা হয় 'ফাটবিহু সমিতি'।

মাজতে তিনিটা বছৰ বাদ দি ১৯৮৫ চনৰ পৰা ২০০৬ চনৰ ৪ এপ্ৰিললৈ এটি দীঘলীয়া সময়ৰ বাবে আমাক ফাটবিহু সমিতিৰ সম্পাদকৰ দায়িত্ব দিয়ে। এই সময়ছোৱাত ঢকুৱাখনাবাসীৰ যি অকৃত্ৰিম মৰম আৰু সহযোগিতা লাভ কৰিছিলোতাৰ বাবে সকলোলৈকে মোৰ সশ্ৰদ্ধ প্ৰণাম জনাইছো। ঢকুৱাখনাৰ যিসকল মহান ব্যক্তিয়ে ফাটবিহুক মহীয়ান কৰিবলৈ অপ্ৰাণ চেষ্টা কৰিছিল আৰু বৰ্তমান আমাৰ মাজৰ পৰা চিৰদিনৰ বাবে আঁতৰি গৈছে সেইসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু তেখেতসকলৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰিছো।

২০০৬ চনৰ ৫ এপ্ৰিলৰ ৰাজহুৱা সভাই তিনি বছৰীয়া এটি কাৰ্যকালৰ বাবে ফাটবিহু সমিতিৰ সভাপতিৰ গধুৰ দায়িত্ব আমাক অৰ্পণ কৰে। আমাৰ তিনি বছৰীয়া কাৰ্যকাল শেষ হোৱাত ২০০৯ চনৰ ২২ মাৰ্চত অনুষ্ঠিত হোৱা ৰাজহুৱা সভাই পুনৰ আমাকেই ফাটবিহু সমিতিৰ সভাপতিৰ দায়িত্ব অৰ্পণ কৰে।

উক্ত দ্বিতীয়টো কাৰ্যকাল শেষ হোৱাত ২০১২ চনৰ ২৪ মাৰ্চ তাৰিখৰ ৰাজহুৱা সভাই পুনৰ তৃতীয়টো কাৰ্যকালৰ বাবে আমাকেই সভাপতিৰ দায়িত্ব দিয়ে। ঢকুৱাখনাবাসীয়ে আমাৰ ওপৰত আস্থা ৰাখি আমাৰ পৰা ফাটবিহুৰ উন্নতি আশা কৰিয়েই তৃতীয়টো কাৰ্যকালৰ বাবে সভাপতিৰ দায়িত্ব দিছিল। আমি আন্তৰিকতাৰে আমাৰ দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিও সফল যে হ'ব পৰা নাই তাক নতশিৰে স্বীকাৰ কৰিছো। আমাৰ সশ্ৰদ্ধ প্ৰণাম আৰু আন্তৰিক কৃতজ্ঞতা সকলোটিলৈ নিবেদন কৰিলো।

আমি গৌৰৱ অনুভৱ কৰো যে ঢকুৱাখনা নগৰৰ সমীপত প্ৰাকৃতিক পৰিৱেশেৰে ভৰপূৰ চাৰিকড়ীয়া নদীৰ পাৰত ৩৭ বিঘাৰ এখনি বিহুতলী আমি স্থাপন কৰিব পাৰিছো। ইতিমধ্যে বিহুতলীৰ প্ৰৱেশপথত সুন্দৰ তোৰণ আৰু বাটচৰা নিৰ্মাণ হৈছে। স্থায়ী মঞ্চ, স্থায়ী ৰভাঘৰ, স্থায়ী কৃষ্টি ভৱন আৰু এটি ধুনীয়া অতিথিশালা নিৰ্মাণ হৈ উঠিছে। কিছু লোকৰ মত আছিল যে স্থায়ী পকীঘৰে বিহুতলীৰ অনিষ্ট সাধিব। কিন্তু আমি অনুভৱ কৰিছো বিহুতলীৰ বাবে প্ৰয়োজনীয় উক্ত স্থায়ী ঘৰকেইটাই বিহুতলীখনৰ সৌষ্ঠৱতা বৃদ্ধিহে কৰিছে। আমাৰ মত— ভৱিষ্যতে যদি এনে স্থায়ী ঘৰ নিৰ্মাণ কৰিব লগা হয় তেন্তে বিহুতলীখনক অনিষ্ট নকৰাকৈ পৰিকল্পিতভাৱে নিৰ্মাণকাৰ্য কৰিব লাগে।

বিহুতলীখনক আকৰ্ষণৰ ক্ষেত্ৰ হিচাপে গঢ়ি তুলিবলৈ আমি আপ্ৰাণ চেষ্টা চলাই আহিছো। বৃক্ষৰোপণৰ জৰিয়তে বিহুতলীখন সেউজীয়া কৰি ৰখাৰ চেষ্টা কৰিছো। কিন্তু এইক্ষেত্ৰত সম্পূৰ্ণ সফল হ'ব পৰা নাই। অনাবৃষ্টিৰ বাবে বহু চিচু গছ মৰি গৈছে। ইয়াৰোপৰি কিছু অসামাজিক লোকে গছৰ ক্ষতিসাধন কৰিছে। বিহুতলীখনক সেউজীয়া কৰি এটি কিন্দীয়া পৰিৱেশ সৃষ্টি কৰিবলৈ সমূহ ৰাইজক অনুৰোধ জনাইছো।

বিহুতলীখনৰ পূব আৰু পশ্চিম দিশত ইতিমধ্যে স্থায়ী গাঁও প্ৰতিষ্ঠা হৈছে। উক্ত গাঁওলৈ যাবলৈ নিৰ্দিষ্ট পথ নাই। যাৰ বাবে গাঁওবাসীয়ে ফাটবিহুতলীৰ মাজেৰেই অহা-যোৱা কৰি আছে, বিভিন্ন যান-বাহন চলাচল কৰিছে। ফলত বিহুতলীৰ মাজে মাজে সৰু সৰু পথৰ সৃষ্টি হৈ বিহুতলীখনৰ বিষ্টৰ ক্ষতি কৰিছে। আমি গাঁওবাসীক নিজাকৈ পথ নিৰ্মাণ কৰিবলৈ বাৰম্বাৰ অনুৰোধ জনাই আহিছো। আজিও আমি তেখেতসকলৰ নিজা পথ নিৰ্মাণ কৰিবৰ বাবে অনুৰোধ জনাইছো।

যোৱা দীৰ্ঘদিনত আমি এটা দিশত এতিয়াও কৃতকাৰ্য হ'ব পৰা নাই। সেইটো হৈছে বিহুতলীৰ কেওদিশত স্থায়ী বেৰা নিৰ্মাণ কৰিব নোৱাৰাটো। যদিওবা আমি পূব আৰু পশ্চিম দিশত পকী খুঁটা মাৰিছো কিন্তু এই খুঁটাসমূহে বিহুতলীখনক নিৰাপত্তা দিব পৰা নাই। স্থায়ী বেৰা নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰী বিভিন্ন বিভাগৰ লগত যোগাযোগ কৰা হৈছে যদিও আমি সফল হ'ব পৰা নাই। আশা কৰো চৰকাৰে এইক্ষেত্ৰত বিশেষ মনোযোগ দিব।

বৰ্তমানলৈকে হোৱা উন্নয়নৰ বাবে যিসকল ব্যক্তি বা বিভিন্ন অনুষ্ঠানে আমাক আৰ্থিক তথা অন্যান্য দিশত সহায় আগবঢ়াই আহিছে সেইসমূহ ব্যক্তি তথা অনুষ্ঠানলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ফাটবিহুৰ বছৰেকীয়া প্ৰকাশ 'বিহুৱান' প্ৰকাশ কৰিবলৈ এটি শকত ধনৰ টোপোলা প্ৰয়োজন হয়। আজি কেইবাবছৰ ধৰি ঢকুৱাখনাৰ বিভিন্নজন ব্যক্তিয়ে বিহুৱান প্ৰকাশৰ গধুৰ দায়িত্ব বহন কৰি আমালৈ সহায়ৰ হাত আগবঢ়াই আহিছে সেইসমূহ ব্যক্তিলৈ আমাৰ হিয়াভৰা ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। এই বছৰ বিহুৱান প্ৰকাশ কৰিবলৈ আগবাঢ়ি আহিছে ফাটবিহুৰ লগত ওতঃপ্ৰোতভাৱে জড়িত তথা এই বছৰৰ উদ্‌যাপন সমিতিৰ সহকাৰী সম্পাদিকা পল্লৱীতা বৰুৱা। প্ৰয়াত ৰমেন বৰুৱাৰ ভগ্নী পল্লৱিতা বৰুৱাৰ এনে মহানুভৱতাৰ বাবে তেখেতৰ ওচৰত ঋণী হৈ ৰ'লো। আমি শ্ৰীমতী বৰুৱাৰ লগতে তেখেতৰ পৰিয়ালবৰ্গৰ সুস্বাস্থ্য, দীৰ্ঘায়ু কামনা কৰি তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

আমাৰ এই দীৰ্ঘদিনীয়া কাৰ্যকালত ঢকুৱাখনাবাসীৰ যি অকুণ্ঠ সহায় আৰু সহযোগিতা লাভ কৰিলো তাৰ বাবে সকলোটিলৈ আমাৰ সেৱা আগবঢ়াইছো। ফাটবিহু সমিতিৰ উপদেষ্টাসকলৰ বহুমূলীয়া পৰামৰ্শৰ বাবে তেখেতসকললৈ মোৰ শ্ৰদ্ধা আগবঢ়াইছো। আমাৰ কাৰ্যক্ৰমণিকা চলাই যোৱাত বিশেষভাৱে সহায় কৰা উপসভানেত্ৰী শ্ৰীযুতা মঞ্জু গগৈ, সম্পাদক শ্ৰীলালিত্য কুমাৰ দাস, সহঃ সম্পাদক শ্ৰীনৱ গগৈলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰোপৰি যিকোনো পৰিস্থিতিতে সহায় কৰা কাৰ্যনিৰ্বাহক সদস্য শ্ৰীললিত কুমাৰ দাস, শ্ৰীগোবিন বৰুৱা, শ্ৰীমুকুল গগৈ, শ্ৰীৰঞ্জিৎ সন্দিকৈ, শ্ৰীদীপক চমুৱা, শ্ৰীপ্ৰদীপ চমুৱা, শ্ৰীভদ্ৰ গগৈৰ নাম নল'লে ভুল কৰা হ'ব। এইসকলৰ লগতে কাৰ্যনিৰ্বাহকৰ সমূহ সদস্য-সদস্যালৈ মোৰ আন্তৰিকত কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলো।

আমাৰ এই দীঘলীয়া কাৰ্যকালত অজানিতে কৰা ভুল-ত্ৰুটিৰ বাবে সকলোটিৰ ওচৰত ক্ষমাভিক্ষা কৰিছো।

আহক আমি সকলোটি মিলি ফাটবিহুক আৰু অধিক মহীয়ান কৰো।

সেৱাৰে—

**কেশৱ গগৈ**

সভাপতি, ফাটবিহু সমিতি

ঢকুৱাখনা

# ফাটবিহু সমিতিৰ সম্পাদকৰ একাষাৰ

*"চাৰিকড়ীয়াৰ পাৰতে বহাগে খেলিছে*
*যৌৱনৰ পীৰিতিৰ খেলা,*
*ম'হঘুলিলৈ আহিবা ফাটবিহুত নাচিবা*
*পাতিবা সম্প্ৰীতিৰ মেলা।"*

**সকলোলৈকে ফাটবিহুৰ ওলগ আৰু সেৱা জনালোঁ,**

ফাটবিহু যে ঢকুৱাখনা ৰাইজৰ হিয়াৰ আমঠু - বৰ্ত্তমান সময়ত তাত কোনো সন্দেহ নাই। জাতি, ধৰ্ম, বৰ্ণ, ভাষা নিৰ্বিশেষে সকলো জনগোষ্ঠী একত্ৰিত হৈ ঢকুৱাখনাবাসী ৰাইজে বছৰ-বছৰ ধৰি স্বকীয়তা, ঐতিহ্য আৰু পৰম্পৰাত আঘাত নলগোৱাকৈ ফাটবিহু উদ্‌যাপন আৰু উপভোগ কৰি আহিছে।

ফাটবিহু কেৱল মাত্ৰ বিহু নহয়।

ফাটবিহু জাতি জনগোষ্ঠীৰ সমন্বয়ৰ উজ্জীৱিত প্ৰতীক। ফাটবিহু তলী মহামিলনৰ পূণ্যথলী। অসম তথা অসমীয়া সংস্কৃতিক ঐতিহ্যমণ্ডিত কৰি জীয়াই ৰাখিবলৈ ফাটবিহুৱে চলোৱা প্ৰচেষ্টাক আজি অসমৰ সুধী সমাজে আদৰি লৈছে। ঢকুৱাখনাৰ ফাটবিহু এতিয়া জাতীয় সাংস্কৃতিক অনুষ্ঠানলৈ ৰূপান্তৰ ঘটিছে। ঢকুৱাখনাৰ ৰাইজে নিজাকৈ উদ্‌যাপন কৰা ফাটবিহু আজি ৰাষ্ট্ৰৰ বিভিন্ন প্ৰান্তৰৰ লক্ষ লক্ষ ব্যক্তি আহি উপভোগ কৰে। বৰ্ত্তমানে বিদেশী পৰ্যটকো আহি ফাটবিহু সংস্কৃতিক বিশ্ব সমাজলৈ লৈ যোৱাটো আমাৰ বাবে নিশ্চয় সৌভাগ্যৰ বিষয়।

**সচা অৰ্থত ফাটবিহু অনন্য- ফাটবিহু মহান।**

"ফাটবিহু সমিতি"— যিয়ে ঢকুৱাখনা ৰাইজৰ সহযোগত ফাটবিহুক আজিৰ এই ৰূপ আৰু মৰ্য্যাদা দিবলৈ সক্ষম হৈছে।

২০০৬ বৰ্ষৰ' ০৫ এপ্ৰিল তাৰিখে এটা অনাকাংখিত আৰু অবাঞ্চিত পৰিস্থিতিত এই অভাজনে ফাটবিহু সমিতিৰ সম্পাদকৰ গুৰু দ্বায়িত্ব গ্ৰহণ কৰিব লগা হৈছিল। যদিও ফাটবিহু সমিতিৰ সম্পাদকৰ দায়িত্ব পালনৰ যোগ্যতা অথবা জ্ঞানৰ অভাৱ তথাপিতো ৰাইজৰ মৰমৰ আদেশ অমান্য কৰাৰ ধৃষ্টতা আমাৰ নাই বাবে সকলোৰে সহযোগত কাৰ্য্য-পৰিচালনা কৰা মানসেৰে খোজ আগবঢ়ালো। ফাটবিহু সমিতিৰ কাৰ্য্যকাল তিনি বছৰৰ। শ্ৰদ্ধাৰ ঢকুৱাখনা বাসী ৰাইজৰ মৰমৰ দাবীক সন্মান জনাই এই অভাজনে একেবাহে তিনিবছৰীয়া তিনিটা কাৰ্য্যকালৰ বাবে ফাটবিহু সমিতিৰ সম্পাদক দায়িত্বৰ শিৰ পাতি লবলৈ বাধ্য হ'লো।

অহা বৰ্ষৰ মাৰ্চ মাহত সম্পাদক হিচাপে আমাৰ কাৰ্য্যকাল অন্ত পৰিব। এয়াই হয়তো "ফাটবিহু সমিতিৰ সম্পাদকৰ একাষাৰ" আমাৰ বাবে শেষ লেখা হব। সুদীৰ্ঘ আঠটা বছৰে ফাটবিহু সমিতিৰ সম্পাদকৰ দায়িত্ব পালন কৰাত কিমান সফল হলো আৰু কিমান বিফল হ'লো সেয়া জোখাৰ ভাৰ ৰাইজৰ ওচৰত অৰ্পন কৰিলো। সম্পাদক হিচাবে বিগত দিনত আমি সম্পাদনা কৰা কৰ্মৰাজিৰ খতিয়ান ইতিমধ্য পূৰ্বৰ বিহুৱানত প্ৰকাশ পাইছে। এতিয়া পুনৰাবৃত্তি কৰা নিস্প্ৰয়োজন।

সুধী সমাজ, আমি ফাটবিহুক লৈ গৌৰৱবোধ কৰো। কাৰণ ফাটবিহু জাত-পাতৰ উৰ্দ্ধত, ধৰ্মৰ উৰ্দ্ধত, ৰাজনীতিৰ উৰ্দ্ধত, ফাটবিহু এখন সংস্কৃতিৰ বোৱতী নদী। ই জাতি ধৰ্ম, বৰ্ণ, ভাষা, নিৰ্বিশেষে সকলো জাতি-জনগোষ্ঠীৰ স্বকীয় সংস্কৃতিৰ মেটমৰা বোজা বুকুত লৈ অনন্ত কাললৈ বৈ থাকিব আৰু আমি এনেদৰেই ফাটবিহুক জীয়াই ৰাখিব লাগিব।

কেতিয়াবা শংকিত হওঁ।

দীৰ্ঘদিনীয়া অভিজ্ঞতাই আমাক ভাবিবলৈ বাধ্য কৰে যে ফাটবিহুৰ মজিয়াত জাত-পাত, ধৰ্ম, ৰাজনীতি আদি সোমাই পৰিছে নেকি বাৰু? যদি নাই সোমোৱা তেন্তে আমি সকলোৱেই আশ্বস্ত। আৰু যদি আমাৰ অজ্ঞাতে কেনেবাকৈ সোমাইছে তেনেহলে তাক আজিয়েই প্ৰতিৰোধ কৰাটো ঢকুৱাখনাবাসী ৰাইজৰ পৰম কৰ্তব্য। ফাটবিহুৰ মাধ্যমেৰে আজি আমাক, ঢকুৱাখনাক দেশে জানিছে- কালিলৈ জগতে জানিব। ফাটবিহুক নিকা আৰু মহীয়ান কৰি ৰখাটো সেইকাৰণেই আমাৰ বাবে পবিত্ৰ কৰ্তব্য আৰু দায়িত্ব।

আমাৰ সম্পাদকৰ কাৰ্য্যকালত ফাটবিহুলৈ আৰ্থিক, কায়িক আৰু মানসিক সেৱা আগবঢ়োৱা সকলোলৈকে আমাৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ বিষয়ে পুনৰবাৰ দোহাৰিলো। ভাৰত চৰকাৰৰ জণজাতি পৰিক্ৰমা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ডঃ ৰাণী নৰহ ডাঙৰীয়ানীয়ে শেষতীয়াকৈ তেখেতৰ সমষ্টি উন্নয়ণ পূজিৰ ১২ লক্ষ টকা ব্যয়ৰে ফাটবিহুতলীত এটি অতিথিশালা নিৰ্মাণ কৰি দিয়াৰ বাবে আমি তেখেতৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছো। ফাটবিহু সমিতিৰ অন্যতম সদস্য- বাদ্ধে, এইবছৰৰ উদ্‌যাপন সমিতিৰ সভাপতি শ্ৰীভদ্ৰ গগৈয়ে ফাটবিহুৰ মূল তোৰণৰ লগত সংলগ্ন কৰি এখন লোহাৰ স্থায়ী জপনা দি ফাটবিহুতলীক সুৰক্ষা প্ৰদান কৰাত বিশেষ অৰিহণা যোগোৱাৰ বাবে আমাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো। ২০১৪ বৰ্ষৰ ফাটবিহুৰ বছৰেকীয়া প্ৰকাশ এই বিহুৱান খন প্ৰকাশ কৰাৰ সম্পূৰ্ণ দায়িত্ব আন্তৰিকতাৰে কান্ধ পাতি লোৱাৰ বাবে স্বৰ্গীয় ভাতৃ ৰমেন বৰুৱাৰ ভগ্নী, আমাৰ অতি মৰমৰ বোৱাৰী শ্ৰীমতী পল্লৱীতা বৰুৱা আৰু তেওঁৰ দুয়োটা পৰিয়ালৰ সদস্য সকলোলৈকে কৃতজ্ঞতা আৰু মৰম যাচিলোঁ।

আমাৰ ৮ বছৰীয়া কাৰ্য্যকালত ফাটবিহুৰ সমিতিৰ মাননীয় সভাপতি দেৱকে প্ৰমুখ্য কৰি কাৰ্য্যনিৰ্বাহকৰ সদস্য-সদস্যা সকলে আগবঢ়োৱা সহযোগিতাৰ কাৰণে আজীৱন কৃতজ্ঞ হৈ ৰোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিলো।

ফাটবিহু সমিতিৰ সম্পাদক হিচাপে কাৰ্য্যপৰিচালনা কৰাৰ ক্ষেত্ৰত আমাৰ যথেষ্ট দোষ-ত্ৰুটি ৰৈ গৈছে বুলি আমি আন্তৰিকতাৰে অনুভৱ কৰো। সমষ্ট দোষ-ত্ৰুটিৰ বাবে মাৰ্জনা বিচাৰি সকলোৰে চৰণত সেৱা ধৰিছো। ফাটবিহু সমিতিৰ সম্পাদকৰ মহান দ্বায়িত্ব আপোনাসবৰ দাসৰো দাস এই নিঃকিনক অৰ্পণ কৰাৰ কাৰণে পুনৰবাৰ সমূহ ঢকুৱাখনা বাসী ৰাইজলৈ শ্ৰদ্ধা নিবেদন কৰিলো।

জয়তু ফাটবিহু!
জয়তু ফাটবিহু সমিতি!
জয়তু ঢকুৱাখনাবাসী ৰাইজ!

বিনীত -
শ্ৰদ্ধাৰে..

(লালিতা কুমাৰ দাস)
সম্পাদক
ফাটবিহু সমিতি

# ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ একাষাৰ

অসমীয়া সংস্কৃতিক বাৰেৰহনীয়া কৰাত অসমৰ চুকে-কোণে লুকাই থকা বিভিন্ন জাতি-জনগোষ্ঠীৰ নিজস্ব বৈশিষ্ট্য সম্বলিত লোক উৎসৱসমূহে অবিহণা যোগাই আহিছে। অসমৰ লোক-সংস্কৃতিক বাৰেৰহনীয়া কৰাত অবিহনা যোগোৱা তেনে এটি লোক উৎসৱ হ'ল ঢকুৱাখনাৰ ফাটবিহু। ঢকুৱাখনা লখিমপুৰ জিলাৰ দক্ষিণ-পূৱ প্ৰান্তত অৱস্থিত এটুকুৰা অনগ্ৰসৰ ঠাই। এই অঞ্চলৰ বুকুৰেদি বাগৰি গৈছে চামপৰা, কড়া, চাৰিকড়ীয়া আৰু দাংধৰাকে আদি কৰি কেইবাখনো নদী, সৰু-বৰ অসংখ্য জান-জুৰি। ঢকুৱাখনাৰ পূব আৰু দক্ষিণ দিশত আছে ব্ৰহ্মপুত্ৰ নদী, পশ্চিমত সোৱণশিৰি নদী, উত্তৰে অৰুণাচলৰ পাদদেশ। এই অঞ্চলত মিচিং, দেউৰী, কছাৰী, কোঁচ, কৈৱৰ্ত্ত, কলিতা, চুতীয়া, আহোম, নেপালী আদি বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে বসবাস কৰি আহিছে। চাৰিকড়ীয়াৰ পাৰৰ ম'হঘুলি চাপৰিত সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশৰ মাজত অনুষ্ঠিত হৈ অহা ঢকুৱাখনীয়াৰ বাপতি সাহোন ফাটবিহুত এই বিভিন্ন জাতি-জনগোষ্ঠীৰ লোক সকলে প্ৰাণ ঢালি সহযোগ কৰে। ফাটবিহুৱে সকলো জাতিৰ লোককে একেডাল ভ্ৰাতৃত্বৰ জৰীৰে বান্ধি ৰাখিছে। ই সমগ্ৰ জাতিৰ সমন্বয়ৰ ছবিখন দাঙি ধৰে। নিজস্ব বৈশিষ্ট্য সম্বলিত এই ফাটবিহুৰ ঐতিহ্য বিচাৰ কৰিলে প্ৰথমেই মনত ভাঁহি উঠা ছবিখনেই হ'ল বিভিন্ন জাতি-জনগোষ্ঠীৰ প্ৰীতি আৰু সমন্বয়ৰ ছবিখন। যিখন ছবি বৰ্তমান অতি প্ৰাসংগিক হৈ পৰিছে।

সাম্প্ৰতিক সময়ত ফাটবিহুৱে যথেষ্ট সবল পদক্ষেপ গ্ৰহণ কৰি আহিছে। জাতীয় সাজ-পাৰ পৰিধান কৰা, বিহুক মেলামুখী নকৰা, বিহুতলীত মাদকদ্ৰব্য, তামোল, ধপাত, ধুমপান আদি বাৰণৰ দৰে গুৰুত্বপূৰ্ণ পদক্ষেপ সমূহে দৃঢ়তা তথা সুচাৰুৰূপে পালন কৰি আহিছে ঢকুৱাখনীয়াই। এই পদক্ষেপ বৰ্তমানৰ যুৱ উচ্ছৃংখলতাক ৰোধ কৰিবলৈয়ো এক সু-প্ৰচেষ্টা বুলি ক'ব পাৰি। আনহতে হুঁচৰি, জেংবিহু, মিচিং বিহু, দেউৰী বিহু আদি একে সময়তে প্ৰাকৃতিক পৰিৱেশত অনুষ্ঠিত কৰি ইয়াৰ স্বকীয়তা ৰক্ষাৰ বাবেও অহৰহ প্ৰচেষ্টা কৰি আহিছে।

ঢকুৱাখনাৰ দৰে পিছপৰা, সৰু ঠাই এখনৰ এনে এটি লোক উৎসৱত গ্ৰহণ কৰা এনে পদক্ষেপ সমূহে অসমীয়াসকলক "অসমীয়া" হিচাপে মৰ্যদ্যা লাভ কৰাত সহায় কৰিব বুলি ভাবিব পাৰি।

ব'হাগ বিহুৰ অংগ হিচাপে অসমীয়া জাতীয় জীৱনত গভীৰ ৰেখাপাত কৰা ঢকুৱাখনাৰ 'ফাটবিহু' আন আন বছৰৰ দৰে এই বছৰো অতি উলহ-মালহেৰে উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। এইবেলিৰ উদ্‌যাপন সমিতিৰ সভাপতিৰ গুৰু দায়িত্বভাৰ অৰ্পণ কৰা হৈছে এই অভাজনৰ ওপৰত। এনে এটি পৱিত্ৰ উৎসৱৰ দায়িত্ব ভাৰ গ্ৰহণ কৰি নিজকে ধন্য মানিছো। এশ এবুৰি সমস্যাৰ মাজতো বুকুৰ কুটুম 'ফাটবিহু' উদ্‌যাপনৰ বাবে বিভিন্ন দিশত কৰণীয় কৰ্তব্য পালন কৰাত হেমাহি নকৰি অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছো।

প্ৰাকৃতিক দুৰ্যোগে যিমান পৰিমানে জুৰুলা কৰে তাৰ দুগুণ উৎসাহেৰে ঢকুৱাখনীয়াই উদ্‌যাপন কৰে ফাটবিহু। ই সমগ্ৰ অসমবাসীৰ বাবেই অতি উৎসাহজনক কথা। বৰ্তমান ই বিশ্ব দৰবাৰলৈ ঢাপলি মেলিছে। এই থলীত হৈ পৰিছে দেশী-বিদেশী পৰ্যটকৰ বাবে ৰমণীয় তথা আকৰ্ষণীয় ঠাই।

ফাটবিহুৰ গৰিমা ৰক্ষা কৰিবলৈ আন আন বছৰৰ দৰে এই বছৰো ৰাইজে প্ৰচেষ্টা আগবঢ়াইছে। বিভিন্ন স্থানৰপৰা বিভিন্নজনে ফাটবিহুৰ পুঁজিলৈ আৰ্থিক সাহাৰ্য আগবঢ়াইছে। বিভিন্ন গাঁৱত দিন-ৰাতি সমান কৰি হুঁচৰি গাই বিহুৱা-বিহুৱতীসকলে বহু পৰিমানে পুঁজি সংগ্ৰহ কৰিছে। আনহাতে ফাটবিহুৰ লগত জড়িতসকলে নিঃস্বাৰ্থ শ্ৰম দানেৰে ২০১৪ বৰ্ষৰ ফাটবিহু উদ্‌যাপন কৰিবলৈ অশেষ ত্যাগ স্বীকাৰ কৰিছে। ফাটবিহুৰ সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰি ইয়াৰ সৌষ্ঠৱ বৃদ্ধি কৰা বিভিন্ন বিহু দলসমূহৰ কথা উল্লেখ নকৰি নোৱাৰি। উপৰোক্ত সকলোটিলৈ ফাটবিহু উদ্‌যাপন সমিতিৰ সভাপতিৰ তৰফৰপৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ফাটবিহুৰ মুখপত্ৰ "বিহুৱান" সম্পাদনা সমিতিৰ সম্পাদক তথা সমূহ সদস্য-সদস্যাককলে অতি আন্তৰিকতাৰে বিহুৱান সম্পাদনা কৰি ৰাইজৰ হাতত তুলি দিবলৈ সক্ষম হৈছে। এই ক্ষেত্ৰত আমি কৃতজ্ঞতা জ্ঞাপন কৰিব লাগিব স্বৰ্গীয় ৰমেন বৰুৱাৰ পৰিয়াল বৰ্গলৈ। ঢকুৱাখনাৰ সু-সন্তান যি নিজস্ব কৰ্ম দক্ষতাৰে সুকলমে জীৱনৰ বাটত বাট বুলিছিল। কিন্তু নিয়তিৰ কুটিল পৰিহাসত অকালতে মৃত্যুক সাৱটি ব লগীয়া হ'ল ৰমেন বৰুৱাদেৱে। তেখেতৰ পুণ্য স্মৃতিতে তেওঁৰ পৰিয়ালবৰ্গই এই বছৰৰ বিহুৱান প্ৰকাশকৰ গুৰু দায়িত্ব কান্ধপাতি লৈ উদ্‌যাপন সমিতিক যথেষ্ট সকাহ প্ৰদান কৰিলে। ফাটবিহুৰ উদ্‌যাপন সমিতিৰ বিভিন্ন উপ সমিতিসমূহৰ সমূহ কৰ্ম-কৰ্তালৈ এই আপাহতে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ফটবিহুত অংশগ্ৰহণ কৰা বিভিন্ন ঠাইৰ গণ্য-মান্য তথা বিশিষ্ট অতিথিসকল, বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উদ্বোধক,উন্মোচক, বিচাৰক আদিকে ধৰি সকলো অংশগ্ৰহণকাৰী বিহুৱলীয়া ৰাইজলৈ থাওকতে জনালোঁ মোৰ আন্তৰিক অভিনন্দন, কৃতজ্ঞতা তথা শুভাশীষ।

শেষত ক'ব খোজো চেনেহৰ এই ফাটবিহুটিৰ উদ্‌যাপন সমিতিৰ সভাপতিৰ দায়িত্ব পালন কৰিবলৈ গৈ বিভিন্ন দিশত হয়তো বহুতো ভূল-ভ্ৰান্তি হৈছে। কাৰণ "হস্তীৰো পিছলে পাৱ, সৰ্জ্জনৰো বুৰে নাও"। সেয়েহে অজানিতে হোৱা ভূল-ক্ৰটীৰ বাবে ৰাইজে দায় নধৰি ক্ষমা কৰিব বুলি আশা কৰিলোঁ। গোগামুখৰপৰা ঢকুৱাখনালৈ সংযোগী পথছোৱা বৰ্তমানে দ্বি-পথলৈ উন্নীত কৰাত ঢকুৱাখনাবাসীয়ে স্বস্তিৰ নিশ্বাস পেলাইছে।

সদৌ শেষত সমূহ ৰাইজলৈ ফাটবিহুৰ ওলগ জনালোঁ। নতুন বছৰটিয়ে প্ৰতিজন লোকৰ প্ৰাণত সঞ্চাৰ কৰক সুখ-শান্তি আৰু সমৃদ্ধি। তাৰে কামনাৰে উদ্‌যাপন সমিতিৰ সভাতিৰ একাষাৰ সামৰণি মাৰিলোঁ।

*সেৱাৰে—*
**শ্ৰী ভদ্ৰ গগৈ**
*সভাপতি,*
*ফাটবিহু উদ্‌যাপন সমিতি*
*২০১৪ বৰ্ষ, ঢকুৱাখনা*

# ফাটবিহু উদ্‌যাপন সমিতি, ২০১৪

## সম্পাদকৰ একাষাৰ...

সদৌটিলৈ ফাটবিহুৰ ওলগ জনালো।

সময়ৰ প্ৰবাহত পৰি ফাটবিহু আকৌ আহিল। ম'হঘূলি চাপৰিটোৱে আকৌ নতুন ৰূপ পালে। চাৰিকড়ীয়া পানী বাঢ়িল। চৌদিশে ঢোল-পেঁপা-গগণাৰ মাতে ৰজন-জনাই উঠিল। আমাৰ বিহু বিনন্দীয়া। আমাৰ বিহু কোনেও ভাঙিব নোৱাৰে। ম্লান কৰিব নোৱাৰে। সম্পাদক হিচাপে দায়িত্ব লৈ ফাটবিহু উদযাপনৰ হকে কামত ধৰিলো। মনটো বৰ বহল। কিন্তু সেইমতে কাম কৰি যোৱা বৰ অসুবিধা। তথাপি ইচ্ছা থাকিলে উপায় ওলায় কথাত মই বিশ্বাসী। ফাটবিহু সংস্কৃতিৰ মিলনথলী। এই মিলন কেৱল কৃষ্টি-সংস্কৃতিৰে নহয়। বিভিন্ন জনগোষ্ঠীৰো মনৰ মিলন থলী। এই মিলনে সমাজলৈ শুভবাৰ্তা কঢ়িয়াই আনক— সেই আশা ৰাখিছো।

ফাটবিহুৰ মজিয়ালৈ যিসকল এতিয়াও অহা নাই সেইসকলক আদৰণি জনোৱাৰ দায়িত্বও আমাৰে। ঢকুৱাখনাৰ বিভিন্ন প্ৰান্তৰ সেই সহোদৰপ্ৰতিমসকলক আমি স্বাগতম জনাইছো। অভিজ্ঞতাই কৈছে— উদ্‌যাপন সমিতিৰ কৰ্মকৰ্তাসকলৰ কাৰ্যকাল কিছু দীঘলীয়া হোৱা বাঞ্ছনীয়। কেৱল এমাহ বা দুমাহত সকলো কাম নিয়াৰিকৈ কৰাত অসুবিধা। সংশ্লিষ্টসকলক এই আপাহতে আমি বিনম্ৰভাৱে সোঁৱৰাই দিব খুজিছো।

আমি উপলব্ধি কৰো— ঢকুৱাখনাৰ বহুতো সুসন্তান ৰাজ্য, দেশ আৰু দেশৰ বাহিৰত আছে, সেই সকলোৰেই ফাটবিহুত নিজৰ মাতৃভূমিলৈ আহি বিহুটি মহীয়ান কৰিলে ভাল হয়। সেইবাবে আমাৰ প্ৰচাৰ আৰু প্ৰসাৰ দুয়োটাৰে বিস্তৃত হোৱা বাঞ্ছনীয়। ফাটবিহুৰ লগত জড়িত সকলোৰে বৰ্তমানতকৈ অধিক একাত্মবোধক গুৰুত্ব দিব লাগে।

আমাৰ এই কামৰ সময়ছোৱাত যিসকল ব্যক্তিয়ে বিভিন্ন ক্ষেত্ৰত সহায় কৰিলে, দিহা-পৰামৰ্শৰে উপকৃত কৰিলে সকলোটিলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। অজানিত দোষ-ত্ৰুটি মাৰ্জনা কৰে যেন।

শেষত ফাটবিহুৰ দীৰ্ঘায়ু কামনাৰে—

শুভানুধ্যায়ী,
মনোজ কুমাৰ গগৈ
*সম্পাদক*
*ফাটবিহু উদ্‌যাপন সমিতি-২০১৪ বৰ্ষ, ঢকুৱাখনা*



# ফাটবিহু ২০১৩ বৰ্ষৰ বিভিন্ন প্ৰতিযোগিতাৰ ফলাফল

টকা বিহু প্ৰতিযোগিতা ঃ

১ম - ১নং বাস্তৌ জিয়াৰী টকা বিহু দল।
২য় - ১নং হিলৈদাৰী গাঁৱৰ জিয়াৰী টকা বিহু দল।
৩য় - মেজাংকৰী মিলিজুলি টকা বিহু দল।

চেমনীয়া হুঁচৰি প্ৰতিযোগিতা ঃ

১ম - শঙ্কৰদেৱ শিশু নিকেতন চেমনীয়া দল।
২য় - ডেন্স একাডেমী চেমনীয়া দল।
৩য় - শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয় চেমনীয়া দল।

চেমনীয়া বিহুৱতী ঃ

১ম - শ্ৰীমতী সুকন্যা দত্ত, চেণ্ট্ৰেল স্কুল চেমনীয়া দল।
২য় - শ্ৰীমতী সঙ্গীতা দলে, শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয় চেমনীয়া দল।
৩য় - শ্ৰীমতী ননীকৃষ্ণা বৰুৱা, ডেন্স একাডেমী চেমনীয়া দল।

চেমনীয়া বিহুৱা ঃ

১ম - শ্ৰী লক্ষ্যজ্যোতি বৰুৱা, অংকুৰ প্ৰতীম নাট্য গোষ্ঠী চেমনীয়া দল।
২য় - শ্ৰী অংকুৰ বৰা, ঢকুৱাখনা আদৰ্শ উঃ মাঃ বিদ্যালয় চেমনীয়া দল।
৩য় - শ্ৰী ধ্ৰুৱজ্যোতি শইকীয়া, চেণ্ট্ৰেল স্কুল, চেমনীয়া দল।

চেমনীয়া ঢুলীয়া ঃ

১ম - শ্ৰী পূৰ্ণপ্ৰাণ বৰুৱা, ডেন্স একাডেমী চেমনীয়া দল।
২য় - শ্ৰী বুলবুল গগৈ, বৰপতীয়া চেমনীয়া দল।
৩য় - শ্ৰী দীপ্তাংশু গগৈ, চেণ্ট্ৰেল স্কুল চেমনীয়া দল।

চেমনীয়া পেপাবাদক ঃ

১ম - শ্ৰী খনিন্দ্ৰ দাস, ঢকুৱাখনা আদৰ্শ উঃ মাঃ বিদ্যালয় চেমনীয়া দল।
২য় - শ্ৰী দিব্যজ্যোতি চুতীয়া, শ্ৰীমন্ত শঙ্কৰদেৱ বিদ্যালয় চেমনীয়া দল।
৩য় - শ্ৰী ৰাজকাঞ্চন বৰগোহাঁই, শঙ্কৰদেৱ শিশু নিকেতন।

পূৰ্ণবয়স্ক হুঁচৰি প্ৰতিযোগিতা ঃ

১ম - কলাকটা বহনা বিহু দল।
২য় - ঢকুৱাখনা সাংস্কৃতিক কেন্দ্ৰ বিহু দল।
৩য় - কাঁচিজোন সাংস্কৃতিক গোষ্ঠী বিহু দল।

বিহুৱতী ঃ

১ম - শ্ৰীমতী ইলোৰা দত্ত, ঢঃ সাঃ কেন্দ্ৰ বিহু দল।
২য় - শ্ৰীমতী নয়নমণি পেগু, ঢঃ সাঃ কেন্দ্ৰ বিহু দল।
৩য় - শ্ৰীমতী বন্দিতা হাজৰিকা, কাঁচিজোন সাঃ বিহু দল।
শ্ৰীমতী ৰৰষা হাজৰিকা, কপৌপাহী বিহু দল।

বিহুৱা ঃ

১ম - শ্ৰী জিতেন দত্ত, কলাকটা বহনা বিহু দল।
২য় - শ্ৰী দীপক দাস, ঢঃ সাঃ কেন্দ্ৰ বিহু দল।
৩য় - শ্ৰী ৰাজীৱ বৰুৱা, কাঁচিজোন সাঃ কেন্দ্ৰ বিহু দল।

ঢুলীয়া ঃ

১ম - শ্ৰী পৰেশ দত্ত, কলাকটা বহনা বিহু দল।

২য় - শ্ৰী মনোজ দাস, হেন্‌ৰিক ইব্‌চেন নাট্য গোষ্ঠী বিহু দল।

পেঁপাবাদক ঃ

১ম - শ্ৰী লাতু দত্ত, কলাকটা বহনা বিহু দল।

## মুকলি বিহু প্ৰতিযোগিতা

চেমনীয়া ঃ

১ম - শঙ্কৰদেৱ শিশু নিকেতন চেমনীয়া বিহু দল, ঢকুৱাখনা।

২য় - বৰপতীয়া মন চেঙেলীয়া চেমনীয়া বিহু দল।

৩য় - ঢকুৱাখনা চেণ্টেল স্কুল চেমনীয়া বিহু দল।

পূৰ্ণ বয়স্ক ঃ

১ম - ঢকুৱাখনা সাংস্কৃতিক কলাকেন্দ্ৰ বিহু দল।

২য় - বহনা বিহু দল, কলাকটা গাঁও, ঢকুৱাখনা।

টকা বিহু ঃ

১ম - খজুৱা মহিলা টকা বিহু দল।

২য় - চেতিয়া গাঁৱৰ গাভৰু টকা বিহু দল।

৩য় - মিলিজুলি টকা বিহু দল।

মিচিং বিহু ঃ

১ম - নাহৰবাৰী কৃষ্টি বিহু দল।

২য় - ৰতনপুৰ কৃষ্টি দল (মাজুলী)

৩য় - ২ নং আলিমুৰ দাংধৰা মিচিং কৃষ্টি দল,
নামনি চেৰপাই মিচিং কৃষ্টি দল।

মিচিং বিহু (হুঁচৰি প্ৰতিযোগিতা) ঃ-

১ম - ৰতনপুৰ মিচিং কৃষ্টি দল।

২য় - নামনি চেৰপাই মিচিং কৃষ্টি দল।

৩য় - নাহৰবাৰী মিচিং কৃষ্টি দল।

শ্ৰেষ্ঠ ঢুলীয়া (মিচিং বিহু) ঃ

শ্ৰী মিদুৰাম মিলি, আলিমুৰ দাংধৰা মিচিং কৃষ্টি দল।

শ্ৰেষ্ঠা বিহুৱতী (মিচিং) ঃ

শ্ৰীমতী মৃদুস্মৃতা পেগু (মইনা), তামাৰ ঐয়াও মিচিং কৃষ্টি দল।

ফুলাম গামোচা প্ৰতিযোগিতা ঃ

১ম - ঢকুৱাখনা আঞ্চলিক বোৱাকটা সমিতি।

২য় - শ্ৰীযুক্তা পূৰ্ণিমা গগৈ।

৩য় - শ্ৰীযুক্তা অনিমা পাত্ৰ।



# ফাটবিহু

### ঢকুৱাখনা

২৫, ২৬ আৰু ২৭ ব'হাগ, ১৯৩৬ শক
(ইং ৯, ১০ আৰু ১১ মে', ২০১৪)
শুক্ৰ, শনি আৰু দেওবাৰ

ফাটবিহুতলী, ম'হঘূলি চাপৰি, ঢকুৱাখনা

## ফাটবিহুলৈ সাদৰ নিমন্ত্ৰণ

শ্ৰদ্ধাভাজনেষু,

ফাটবিহুৰ শুভেচ্ছা গ্ৰহণ কৰিব। চাৰিকড়ীয়া নদীৰ পাৰৰ ম'হঘূলি চাপৰিত অৱস্থিত সকলো জনগোষ্ঠীৰ মহামিলনৰ পুণ্যস্থলী ফাটবিহুতলীত ঢকুৱাখনাবাসীৰ হিয়াৰ আমঠু, বাপতি সাহোন 'ফাটবিহু উৎসৱ'টি অহা ২৫, ২৬ আৰু ২৭ ব'হাগ ১৯৩৬ শক (ইং ৯, ১০ আৰু ১১ মে', ২০১৪) তাৰিখ শুক্ৰ, শনি আৰু দেওবাৰে সিপিঠিত দিয়া বিস্তৃত কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ আয়োজন কৰা হৈছে।

ফাটবিহুৰ এই তিনিওটি দিনৰ সমূহ কাৰ্যসূচীতে আপোনাৰ/আপোনালোকৰ অকুণ্ঠ সহায়-সহযোগ, দিহা-পৰামৰ্শৰ লগতে উপস্থিতি আন্তৰিকতাৰে কামনা কৰি ইয়াৰে সাদৰ নিমন্ত্ৰণ জনালো।

পুনৰ ফাটবিহুৰ ওলগেৰে—

বিনীত—

শ্ৰীকেশৱ গগৈ, সভাপতি
শ্ৰীমতী মঞ্জু গগৈ, উপ-সভানেত্ৰী
শ্ৰীলালিত্য কুমাৰ দাস, সম্পাদক
শ্ৰীনৱ গগৈ, সহঃ সম্পাদক
ফাটবিহু সমিতি

শ্ৰীভদ্ৰ গগৈ, সভাপতি
শ্ৰী জীৱন চমুৱা, উপ-সভাপতি
শ্ৰীঅনন্ত কুমাৰ দাস, উপ-সভাপতি
শ্ৰীমতী মণিকা পাতিৰ, উপ-সভানেত্ৰী
শ্ৰীমনোজ কুমাৰ গগৈ, সম্পাদক
শ্ৰীদ্বীপেন দাস, সহঃ সম্পাদক
শ্ৰীপল্লৱিতা বৰুৱা, সহঃ সম্পাদিকা
শ্ৰীঅমৰজিৎ পেগু, সহঃ সম্পাদক
ফাটবিহু উদ্‌যাপন সমিতি

## কাৰ্যসূচী

### ২৫ ব'হাগ (৯ মে', ২০১৪) শুক্রবাৰ

পুৱা ৯.৩০ বজাত : পতাকা উত্তোলন

উত্তোলক : শ্ৰীযুত কেশৱ গগৈ, সভাপতি, ফাটবিহু সমিতি

শ্ৰীযুত ভদ্ৰ গগৈ, সভাপতি, ফাটবিহু উদ্‌যাপন সমিতি

পুৱা ১০.০০ বজাত : স্মৃতি তৰ্পণ

তৰ্পক : শ্ৰীযুত লালিত্য কুমাৰ দাস, সম্পাদক, ফাটবিহু সমিতি

শ্ৰীযুত মনোজ কুমাৰ গগৈ, সম্পাদক, ফাটবিহু উদ্‌যাপন সমিতি

পুৱা ১১.০০ বজাত : বিহু দলসমূহলৈ আদৰণি

পুৱা ১১.৩০ বজাত : মঞ্চ মুকলি

মুকলি কৰিব : শ্ৰীযুত কুশল গগৈ, সমাজসেৱক, ঢকুৱাখনা

দিনৰ ১২.০০ বজাত : টকাবিহু প্ৰতিযোগিতা

উদ্বোধিকা : শ্ৰীযুক্তা চেনেহী দত্ত, অৱসৰপ্ৰাপ্ত প্ৰকল্প বিষয়া, সংহত শিশু উন্নয়ন প্ৰকল্প

বিয়লি ৩.০০ বজাত : চেমনীয়া ছঁচৰি বিহু প্ৰতিযোগিতা

উদ্বোধক : শ্ৰীযুত হেমন্ত কুমাৰ মিলি, প্ৰধান শিক্ষক, তুলসীজান মধ্য ইংৰাজী বিদ্যালয়

### ২৬ ব'হাগ (১০ মে', ২০১৪) শনিবাৰ

পুৱা ৯.৩০ বজাত : কপৌফুল আৰু বৃক্ষৰোপণ

ৰোপক : শ্ৰীযুত পূৰ্ণানন্দ মজিন্দাৰ, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, ঢকুৱাখনা আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়

পুৱা ১০.০০ বজাত : গামোচা প্ৰতিযোগিতা

উদ্বোধিকা : শ্ৰীযুক্তা চন্দ্ৰমা বৰগোহাঁই, সমাজসেৱিকা, ঢকুৱাখনা

পুৱা ১১.০০ বজাত : বিহু দলসমূহলৈ আদৰণি

দিনৰ ১২.০০ বজাত : পূৰ্ণবয়স্ক ছঁচৰি প্ৰতিযোগিতা (সকলো জনগোষ্ঠীৰ বাবে)

উদ্বোধক : শ্ৰীযুত গিৰীন্দ্ৰ দাস, বিষয় শিক্ষক, পানীগাঁও আদৰ্শ উচ্চতৰ মাধ্যমিক বিদ্যালয়, লখিমপুৰ

বিয়লি ২.০০ বজাত : ফাটবিহুৰ বছৰেকীয়া প্ৰকাশ 'বিহুৱান' উন্মোচন

উন্মোচক : ড° ৰীতা চৌধুৰী, বিশিষ্ট সাহিত্যিক

বিয়লি ৩.০০ বজাত : পুনৰ পূৰ্ণবয়স্ক ছঁচৰি প্ৰতিযোগিতা



### ২৭ ব'হাগ (১১ মে', ২০১৪) দেওবাৰ

পুৱা ১০.০০ বজাত : সাংস্কৃতিক শোভাযাত্ৰা

উদ্বোধিকা : শ্ৰীযুক্তা সাগৰিকা গোস্বামী, জনপ্ৰিয় অভিনেত্ৰী

দিনৰ ১২.০০ বজাত : মুকলি বিহু প্ৰতিযোগিতা

উদ্বোধক : শ্ৰীযুত পবিত্ৰ পেগু, জিলা সাংস্কৃতিক বিষয়া, ডিব্ৰুগড় জিলা

বিয়লি ১.৩০ বজাত : মুকলি সভা

উদ্বোধিকা : শ্ৰীযুক্তা মনালিছা গোস্বামী, উপায়ুক্ত, ধেমাজি জিলা

সভাপতি : শ্ৰীযুত কেশৱ গগৈ, সভাপতি, ফাটবিহু সমিতি

মুখ্য অতিথি : ড° ৰমেশ পাঠক, বিশিষ্ট শিক্ষাবিদ

সন্মানীয় অতিথি : ড° ৰাণী নৰহ, ৰাজ্যিক মন্ত্ৰী, জনজাতি পৰিক্ৰমা বিভাগ, ভাৰত চৰকাৰ

শ্ৰীযুত নৱ কুমাৰ দলে, বিধায়ক, ঢকুৱাখনা বিধানসভা সমষ্টি

বিশিষ্ট অতিথি : ডাঃ ৰণোজ পেগু, মুখ্য কাৰ্যবাহী সদস্য, মিচিং স্বায়ত্তশাসিত পৰিষদ

শ্ৰীযুত গৌৰৱ ব্ৰোথা, উপায়ুক্ত, লখিমপুৰ জিলা

ড° সমুজ্জল কুমাৰ ভট্টাচাৰ্য, উপদেষ্টা, সদৌ অসম ছাত্ৰ সন্থা

নিৰ্দিষ্ট বক্তা : শ্ৰীযুত বাবুল বৰা, প্ৰধান সম্পাদক, শ্ৰীমন্ত শংকৰদেৱ সংঘ

শ্ৰীযুত দুৰ্লভ বুঢ়াগোহাঁই, বিহু বিশেষজ্ঞ, ডিব্ৰুগড় জিলা

আমন্ত্ৰিত অতিথি : শ্ৰীযুক্ত মামণি হাজৰিকা, সভানেত্ৰী, লখিমপুৰ জিলা পৰিষদ

শ্ৰীযুক্তা জ্যোতিপ্ৰভা দলে পেগু, সভানেত্ৰী, ধেমাজি জিলা পৰিষদ

শ্ৰীযুত প্ৰশান্ত কুমাৰ ভূঞা, আৰক্ষী অধীক্ষক, লখিমপুৰ জিলা

শ্ৰীযুত দেবাশিস বৈশ্য, মহকুমাধিপতি, ঢকুৱাখনা

মঃ ইব্ৰাহিম আলী, মহকুমা আৰক্ষী বিষয়া, ঢকুৱাখনা

শ্ৰীযুত বিপুল দাস, নিৰ্বাচনী বিষয়া, ঢকুৱাখনা

শ্ৰীযুত অৰূপ চক্ৰৱৰ্তী, চক্ৰ বিষয়া, ঢকুৱাখনা ৰাজহ চক্ৰ

শ্ৰীযুত জ্ঞানেন্দ্ৰ সৰকাৰ, জ্যেষ্ঠ খণ্ড উন্নয়ন বিষয়া, ঢকুৱাখনা

শ্ৰীযুত অজয় ৰাজখোৱা, প্ৰভাৰী, ঢকুৱাখনা আৰক্ষী থানা

ড° ধৰণীধৰ গোস্বামী, উপ-সচিব, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

শ্ৰীযুত জগদীশ দত্ত, সাংস্কৃতিক সম্পাদক, সদৌ অসম ছাত্ৰ সন্থা

শ্ৰীযুক্তা ইন্দিৰা পাৰ গগৈ, অধ্যাপিকা, অসম সত্ৰীয়া সংগীত মহাবিদ্যালয়

*মুকলি সভাত জ্যেষ্ঠ কৃতী বিহুৱা-বিহুৱতীসকলক সম্বৰ্ধনা জনোৱা হ'ব।*

**'আহক, আমি সকলোৱে জাতীয় সাজ-পাৰ পৰিধান কৰি ফাটবিহু উপভোগ কৰোঁ'**

## আৰম্ভণিৰ পৰা বৰ্তমানলৈকে 'বিহুৱান'ৰ সম্পাদকসকল

| সম্পাদকসকল | সংখ্যা | চন | প্ৰকাশক |
|---|---|---|---|
| ১। ছবিলাল জৈন | ১ম | ১৯৭৬ | উদ্‌যাপন সমিতি |
| ২। শিৱপ্ৰসাদ গগৈ | ২য় | ১৯৭৭ | উদ্‌যাপন সমিতি |
| ৩। তিলেন চমুৱা | ৩য় | ১৯৭৯ | উদ্‌যাপন সমিতি |
| ৪। জয়চন্দ্ৰ হাজৰিকা | ৪ৰ্থ | ১৯৮০ | উদ্‌যাপন সমিতি |
| ৫। ডাঃ বিদ্যেশ্বৰ দলে | ৫ম | ১৯৮১ | উদ্‌যাপন সমিতি |
| ৬। ভৰত বৰুৱা<br>আৰু কোযেশ্বৰ চমুৱা | ৬ষ্ঠ | ১৯৮২ | উদ্‌যাপন সমিতি |
| ৭। প্ৰাঞ্জল চমুৱা | ৭ম | ১৯৮৫ | উদ্‌যাপন সমিতি |
| ৮। বিষ্ণু ৰবৰবা | ৮ম | ১৯৮৬ | উদ্‌যাপন সমিতি |
| ৯। নন্দ চুতীয়া | ৯ম | ১৯৮৮ | উদ্‌যাপন সমিতি |

### ১৯৮৯ৰ পৰা ১৯৯৮ চনলৈ অনিবাৰ্য কাৰণবশতঃ 'বিহুৱান' প্ৰকাশ হোৱা নাছিল

| | | | |
|---|---|---|---|
| ১০। অমিয় কুমাৰ সন্দিকৈ | দশম | ১৯৯৯ | উদ্‌যাপন সমিতি |
| ১১। বিদ্যা দত্ত | একাদশ | ২০০০ | উদ্‌যাপন সমিতি |
| ১২। অমিয় কুমাৰ সন্দিকৈ | দ্বাদশ | ২০০১ | উদ্‌যাপন সমিতি |
| ১৩। জগদীশ গগৈ | ত্ৰয়োদশ | ২০০২ | চন্দ্ৰনাথ দাসৰ পৰিয়ালবৰ্গ |
| ১৪। ড° জিতৰাম কলিতা | চতুৰ্দশ | ২০০৩ | বলাইচন্দ্ৰ গগৈৰ পৰিয়ালবৰ্গ |
| ১৫। শিৱপ্ৰসাদ গগৈ | পঞ্চদশ | ২০০৪ | টংকেশ্বৰ গগৈৰ পৰিয়ালবৰ্গ |
| ১৬। শিৱপ্ৰসাদ গগৈ | ষষ্ঠদশ | ২০০৫ | গজেন্দ্ৰ নাথ চমুৱাৰ পৰিয়ালবৰ্গ |
| ১৭। পূৰ্ণানন্দ গগৈ | সপ্তদশ | ২০০৬ | লিখন চন্দ্ৰ গগৈৰ পৰিয়ালবৰ্গ |
| ১৮। ড° জিতৰাম কলিতা | অষ্টদশ | ২০০৭ | সতীশ চন্দ্ৰ গগৈৰ পৰিয়ালবৰ্গ |
| ১৯। মৌচুমী হাতীবৰুৱা | উনবিংশ | ২০০৮ | সখিধৰ দত্তৰ পৰিয়ালবৰ্গ |
| ২০। ডিম্বেশ্বৰ গগৈ | বিংশ | ২০০৯ | বলোৰাম দলে |
| ২১। শিৱপ্ৰসাদ গগৈ | একবিংশ | ২০১০ | কেশীনাথ হাজৰিকাৰ পৰিয়ালবৰ্গ |
| ২২। জিতু কুমাৰ চমুৱা | দ্বাবিংশ | ২০১১ | বলোৰাম দত্তৰ পৰিয়ালবৰ্গ |
| ২৩। কুশল গগৈ | ত্ৰয়োবিংশ | ২০১২ | সোণধৰ খনিকৰৰ পৰিয়ালবৰ্গ |
| ২৪। হেমন্ত কুমাৰ বৰুৱা | চতুৰ্বিংশ | ২০১৩ | নৱ কুমাৰ বৰগোহাঞিৰ পৰিয়ালবৰ্গ |
| ২৫। তোলন দত্ত | পঞ্চবিংশ | ২০১৪ | ৰমেন বৰুৱাৰ ভগ্নী পল্লৱিতা বৰুৱা |



সমূহ কাটবিহু প্ৰেমী ৰাইজলৈ
আন্তৰিক অভিনন্দন যাচিলো
BORUAH DRUG HOUSE
BORUAH COMPLEX, BAZAR ROAD, DHAKUAKHANA
DIST- LAKHIMPUR, ASSAM
PIN- 787055, Contact No.- 9957379012
ইয়াত সকলো ধৰণৰ ঔষধ যোগান ধৰাৰ লগতে ডাক্তৰৰ ব্যৱস্থা আছে।
ধন্যবাদ

সমূহ কাটবিহু প্ৰেমী ৰাইজলৈ
আন্তৰিক অভিনন্দনেৰে


ইয়াত পুৰুষ-মহিলাৰ বিভিন্ন ধৰণৰ বেগ, স্কুলবেগ, উপহাৰ—খেলৰ সামগ্ৰী আদি পোৱা যায়।

ফাট বিহু প্ৰেমী ৰাইজলৈ শুভেচ্ছাৰে

# তৃপ্তি হোটেল

দৈনিক বজাৰ, ঢকুৱাখনা, পিন-৭৮৭০৫৫

ইয়াত ভাত, চাহ-মিঠাই আদি পোৱাৰ লগতে অৰ্দাৰ অনুযায়ী যোগান ধৰা হয় আৰু থকা-খোৱাৰ সুব্যৱস্থা আছে।

স্বত্বাধিকাৰী ঃ অশোক চাহু

মোবাইল ঃ ৯৬১৩৭৮০১৯২

সমূহ ফাটবিহু প্ৰেমী ৰাইজলৈ আন্তৰিক শুভেচ্ছাৰে

# অলিভিয়া আয়ুৰ্বেদিক বিউটি পাৰ্লাৰ

শান্তি গগৈ মাৰ্কেট, ঢকুৱাখনা চাৰিআলি, পিন-৭৮৭০৫৫

*Signature Beauty Training Institute* ৰ পৰা উচ্চ প্ৰশিক্ষণ প্ৰাপ্ত স্বত্বাধিকাৰী মাইনা দত্তৰ দ্বাৰা সৌন্দৰ্য সেৱাৰ কাম সম্পাদন কৰা হয়।

ইয়াত গ্ৰেডিং, কাটিং, হেয়াৰ কাটিং, মাছাজ, ফেচিয়েল (চিলভাৰ, গ'ল্ড, ডাইমণ্ড) স্পাৰ, হেয়াৰ ষ্ট্ৰেইট, কাৰ্ল, পেডিকিউ, মেনিকিউ, মেহেন্দী, ব্ৰাইদেল মেহেন্দী, কইনা সজোৱা কাম, হেনা, হাইলাইট আৰু অন্যান্য বিউটি টিপছ্ সমূহ দিয়া হয়।

দূৰভাষ ঃ ৯৯৫৭৫৪৭২২৬
৯৯৫৭৫৪৭৩৮৯



ফাটবিহু প্ৰেমী ৰাইজলৈ আন্তৰিক শুভেচ্ছাৰে...



# State Bank of India
DHAKUAKHANA BRANCH

বৃহৎ আৰ্থিক উপাৰ্জনৰ বাবে আপোনাৰ ক্ষুদ্ৰ পদক্ষেপ,
লাখপতি হওক, প্ৰতিমাহে ২,৫০০ টকাকৈ তিনি বছৰ ৰেকাৰিং ডিপোজিত একাউন্ট খোলক।
আৰু

টেক্স চেভিং ডিপজিট

ভাৰতীয় ষ্টেট বেঙ্ক

এচবিআই টেক্স চেভিং ডিপজিটৰ দ্বাৰা দুয়োটাই লাভ কৰক।

কৰ সঞ্চয় + উচ্চ হাৰত লাভ

## দ্বৈত লাভ

| ক্ৰ. | বিৱৰণ | জ্যেষ্ঠ নাগৰিক ধনৰাশি (₹-ত) | অন্য ধনৰাশি (₹-ত) |
|---|---|---|---|
| A | বিনিয়োগৰ পৰিমাণ | 10,000 | 10,000 |
| B | পীয়ে কৰ সঞ্চয়* | 3,090 | 3,090 |
| C | কাৰ্যকৰী বিনিয়োগ (A-B) | 6,910 | 6,910 |
| D | মূল বিনিয়োগৰ ম্যাচপূৰ্তিত পৰিমাণ | 15,605 | 15,415 |
| E | জমাৰ ওপৰত মুঠ কৰ-পূৰ্ব লাভ (D-C) | 8,695 | 8,505 |
| F | সুদৰ হাৰ | 9.00% বছৰি | 8.75% বছৰি |
| G | কাৰ্যকৰী বাৰ্ষিক আয় (5 বছৰ) | 17.39% | 17.01% |

Branch Manager
State Bank of India
Dhakuakhana Branch
Dhakuakhana, Pin -787055



ঢকুবাখনাৰ ঐতিহ্যমণ্ডিত সোণালী সূতাৰ উৎস বৰ মুগা খেতি



ঢকুবাখনাৰ আয়ুসৰেখা স্বৰূপ চাৰিকড়ীয়া নদীৰ এটি চিনাকি দৃশ্য